দ্বিপঞ্চাশত্তম সংখ্যা

২০২১-২০২২ বৰ্ষ

ডিগবৈ মহাবিদ্যালয়

# আলোচনী



সম্পাদক

দেৱাশীষ ৰাজকুমাৰ

# মহাবিদ্যালয় সংগীত

ৰচনা ঃ শ্ৰীপ্ৰভাত চৌধুৰী
সুৰ ঃ কুমাৰ আনন্দ নাৰায়ণ দেৱ
তাল ঃ দাদ্ৰা

মহাজীৱনৰ মহাসাধনাৰ
আশাৰ গজালি তুমি
জ্ঞান গৰিমাৰ ধ্যান-ধাৰণাৰ
মহান পুণ্যভূমি।।১।।

অজ্ঞানতাৰ তমসা ৰাতিত
জনতা আছিল ডুবি
জ্ঞানৰ প্ৰদীপ শিখাৰে বিলালা
সুধা সঞ্জীৱনী,
বিকশিত আজি শত শতদল
তোমাৰ চৰণ চুমি।।২।।

বিয়পি পৰিছে চৌদিশে আজি
তোমাৰ জ্যোতিৰ বান,
শত প্ৰদীপৰ জ্ঞানৰ জ্যোতিৰে
তুমি যে দীপ্তিমান।
তোমাৰ আভাত হওক প্ৰতিভাত
নৱ প্ৰতিভাৰ খনি।।৩।।





## মহাবিদ্যালয়ৰ প্ৰতীকৰ তাৎপৰ্য

"নিহিত সম্ভাবনাৰ বিকাশেই জীৱন", তেনে বিকাশৰ মূল কথা ঘাত-প্ৰতিঘাতৰ মাজত খেলুৱৈৰ মনোভাৱেৰে আৰু নিৰ্লিপ্ত চিত্তেৰে স্থূলৰ পৰা সূক্ষ্মলৈ, ক্ষুদ্ৰৰ পৰা বৃহত্তলৈ, স্বাৰ্থপৰতাৰ পৰা নিঃস্বাৰ্থ ভাৱলৈ, ব্যক্তিকেন্দ্ৰিকতাৰ পৰা সামাজিকতালৈ, মুঠতে অন্ধকাৰৰ পৰা পোহৰলৈ গতি। এনে বিকাশৰ অৰ্থে প্ৰথমতে প্ৰয়োজন বিশেষ চাৰিত্ৰিক গুণৰ, বিশেষ দক্ষতাৰ, গভীৰ অভিজ্ঞতাৰ, অফুৰন্ত উদ্যম আৰু কৰ্মৰ। দ্বিতীয়তে প্ৰয়োজন সেইবোৰ সমাজমুখী, বিস্তাৰমুখী, ত্যাগমুখী আৰু মঙ্গলকামী গতি। শিক্ষাৰ মূল অৰ্থৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়ৰ প্ৰতীকত সেয়ে মূল কথা হিচাপে দিয়া হৈছে - ভাৰতীয় সভ্যতাৰ মূল ভেটি উপনিষদৰ মহৎ বাণী- "তমসো মা জ্যোতিৰ্গময়।"

পৰিসীমাৰ ঢালৰূপে সূচাইছে খেলুৱৈৰ মনোভাৱ আৰু নিৰ্লিপ্ত চিত্ত। মাজৰ যোগ চিহ্নই সূচনা কৰিছে অভিজ্ঞতা, দক্ষতা, চাৰিত্ৰিক গুণ আৰু উদ্যমৰ লগত প্ৰাণৰ সংযোগ। ৰেখাবোৰৰ ৰঙা ৰঙে সূচাইছে শক্তি আৰু প্ৰাণ, পশ্চাদভূমিৰ নীলা ৰঙে সংযম আৰু অভিজ্ঞতাৰ জ্ঞান, কেন্দ্ৰৰ বগা ৰঙে শুদ্ধতা আৰু পবিত্ৰতা। জ্ঞানেই আনন্দ জীৱনৰ সাৰ্থকতা আৰু সমৃদ্ধি। সোণালী শস্যৰ ঠোক এটাৰ মাজত স্পষ্ট হৈ পৰিছে জীৱনৰ এই আনন্দ ভিত্তিক সমৃদ্ধি আৰু প্ৰাপ্তি। প্ৰাপ্তি কিন্তু স্বাৰ্থপৰ নহয়, ই সীমিত নহয়, ই স্থিতিশীল নহয়। ই গতিশীল ,সমাজমুখী, মঙ্গলকামী আৰু অসীম।

পূৰণ চিহ্নৰ মাজত আছে বিস্তাৰৰ প্ৰেৰণা আৰু চতুৰ্দিশে বিস্ফুৰিত জ্যোতিকণাৰ মাজত আছে প্ৰাণময় জীৱনৰ মঙ্গলময় বিকাশ আৰু তাৰ গতি।




## বেটুপাতৰ তাৎপৰ্য

জ্যোতিপ্ৰসাদৰ ভাষাত -

**"সুন্দৰে যে ফুলাৰ মন্ত্ৰ অহোৰাত্ৰি মাতে,**
**সেয়েহে আজি ইমান ফুল প্ৰভাতে প্ৰভাতে....."**

পুৰণিৰ জলগ্ৰাৱে নতুনৰ গতি খেদি আগুৱাই বিশ্বৰ বৰসবাহলৈ যোৱাৰ আহ্বান প্ৰতিফলিত কৰিব বিচৰা হৈছে মঙলদৈ মহাবিদ্যালয়ৰ দ্বিপঞ্চাশতম আলোচনীৰ বেটুপাতটিৰ মাজেৰে। নতুন দিগন্তৰ সন্ধান কৰিব খোজা ন-শিকাৰুসকলৰ প্ৰতীকস্বৰূপে ৰখা হৈছে দুটি মানৱৰ বিমূৰ্ত প্ৰতিকৃতি। সুন্দৰৰ সূৰুযমুখীৰে তেওঁলোকক আদৰি আনি নতুন সমাজ গঢ়াৰ প্ৰক্ৰিয়াটোত সংযোজন কৰিব খোজা হৈছে। যুৱচামক কেৱল আৰু কেৱল বিদ্যায়তনিক দিশৰ লগতে জড়িত নাৰাখি নিজৰ প্ৰাচীন সভ্যতা আৰু সংস্কৃতিৰ সৈতেও সামঞ্জস্য ৰাখি নিজৰ কৰ্ম আৰু কৰ্তব্যত নিয়োজিত হ'বলৈ আহ্বান জনোৱা হৈছে। প্ৰাচীন সভ্যতাৰ প্ৰতীকস্বৰূপে দিয়া হৈছে বাগদেৱীৰ মূৰ্তিৰ ভগ্নাৱশেষ আৰু বৃহত্তৰ সংস্কৃতিৰ স্বৰূপে অসমৰ প্ৰাচীন পুথিচিত্ৰৰ এটি আভাস প্ৰদান কৰা হৈছে। মুঠৰ ওপৰত নিজৰ আৰু সভ্যতা আৰু সংস্কৃতিক বাদ দি কেতিয়াও যে এখন সমাজক উত্তৰণমুখী আৰু সুন্দৰ ৰূপত গঢ়ি তুলিব নোৱাৰি, তাকেই প্ৰতিফলন ঘটাব বিচৰা হৈছে বেটুপাতটিৰ মাজেৰে।

শেষত নতুন প্ৰজন্মক শিক্ষাৰ লগতে সকলো দিশতেই সফল কৰি তুলিবলৈ উদিত সূৰুযৰ পোহৰে বেলিমুখীৰ সান্নিধ্যত এই একবিংশ শতিকাত যে আধ্যাত্মিকতা বৰ্তি ৰাখি নিজৰ কৰ্ম কৰি যাব লাগে তাকেই প্ৰতিফলিত কৰিছে। ড° ভূপেন হাজৰিকাৰ ভাষাৰে— **নতুনৰ গতি খেদা ডেকা-গাভৰু আমি নিৰ্ভীক এই শতিকাৰ অজ্ঞান চাকনৈয়া এফলীয়া কৰি থৈ মাৰি যাওঁ জীৱনৰে উঁৰ।**



# মঙলদৈ মহাবিদ্যালয়

# আলোচনী

দ্বিপঞ্চাশত্তম সংখ্যা

২০২১-২০২২ বৰ্ষ

সম্পাদক

দেৱাশীষ ৰাজকুমাৰ



## MANGALDAI COLLEGE MAGAZINE

52nd Issue :: 2021-2022

**MANGALDAI MAHAVIDYALAYA ALOCHANI**

The Annual College Magazine of MANGALDAI COLLEGE edited by Debasish Rajkumar and published by Mangaldai College Student's Union, Mangaldai, 784125
Vol.- 52nd, Session : 2021-2022

## সম্পাদনা সমিতি

মঙলদৈ মহাবিদ্যালয় আলোচনী, ২০২১-২০২২

সভাপতি ঃ
ড° কমলা কান্ত বড়া

শিক্ষক সদস্য ঃ
ড° ঋণজুন দেৱী
শ্ৰীডিম্বেশ্বৰ বৰুৱা
ড° প্ৰতিভা ডেকা
ড° মিনতি শৰ্মা
ড° সন্তোষ বৰকাকতি
ড° পবিত্ৰ কুমাৰ নাথ
ড° মঞ্জু কলিতা

সম্পাদক ঃ
দেবাশীষ ৰাজকুমাৰ

সদস্য ঃ
শিখৰজিৎ বড়া
চুমন ডেকা
দীপশিখা দেৱী
কিৰ্তেন্দু বড়ো
লক্ষ্যহীৰা ডেকা

বেটুপাত ঃ
চুমন ডেকা

অলংকৰণ ঃ
কিৰ্তেন্দু বড়ো
চুমন ডেকা

অংগ সজ্জা ঃ
লক্ষ্যহীৰা ডেকা
চুমন ডেকা

মঙলদৈ মহাবিদ্যালয় আলোচনী

৫২ সংখ্যক প্ৰকাশ ঃ ২০২১-২০২২ বৰ্ষ

অক্ষৰ বিন্যাস ঃ
মনোজ কুমাৰ ডেকা
মনীন্দ্ৰ ডেকা
কৃষ্ণ মহন্ত

আহিঁ নিৰীক্ষণ ঃ
সম্পাদনা সমিতি

মুদ্ৰণ ঃ
পাহি লেজাৰ প্ৰিন্টিছ, মঙলদৈ

মঙলদৈ মহাবিদ্যালয় আলোচনীৰ লিখনিসমূহ লিখকৰ নিজা বৈশিষ্ট্যৰে সমৃদ্ধ। প্ৰকাশিত লেখাৰ এশ শতাংশেই ছাত্ৰ-ছাত্ৰীৰ সৃষ্টি। এই আলোচনীত প্ৰকাশিত লেখা আৰু ভিন্ন চিত্ৰকলা ইত্যাদি ছাত্ৰ-ছাত্ৰীৰ নিজস্ব পৰিকল্পনা। আলোচনীখনত শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে নৱ প্ৰজন্মৰ নৱা চিন্তাৰ প্ৰকাশ ঘটিছে। আলোচনীত ব্যৱহৃত কিছু চিত্ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা অংকিত আৰু কিছু ইণ্টাৰনেটৰ পৰা সংগৃহীত। কিছু সংখ্যক লেখা প্ৰকাশৰ বাবে বিবেচিত নোহোৱা হেতুকে প্ৰকাশ কৰা নহ'ল।

# উ|ছ|র্গা



*"আয়ে দিয়া মোৰ বিহু-গামোচাৰে*
*গুলী খোৱা তেজ মচি,*
*ৰণদেৱতাৰ থপা-থাপনাৰ জ্বলাওঁ শলিতাগছি*
*পুনৰ সপ্তম-সাজু হৈছোঁ*
*দিবলে' জীৱন দান"*

*(জ্যোতিপ্ৰসাদ আগৰৱালা)*

যিসকল মহান ব্যক্তিয়ে নিজৰ কৰ্ম, সাধনা আৰু একাগ্ৰতাৰে
মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাণ প্ৰতিষ্ঠা কৰি থৈ গ'ল,
যাৰ কৰ্মপ্ৰেৰণাই পৰৱৰ্তী সময়ত মহাবিদ্যালয়খনৰ শ্ৰীবৃদ্ধিত
নিজৰ কষ্টৰ ঘাম মাটিত পেলাই ত্যাগ, নিৰলস সাধনা আৰু যত্নেৰে
অসমৰ আগশাৰীৰ মহাবিদ্যালয় ৰূপে
প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত অৰিহণা যোগাই আমাৰ মাজৰ পৰা আঁতৰি গ'ল
লগতে ছাত্ৰ-ছাত্ৰীক মহাবিদ্যালয়ৰ পৰা
জ্ঞানৰ শলিতা জ্বলাবলৈ শিকাই থৈ গ'ল,
তেওঁলোকৰ উপৰিও ক'ভিড মহামাৰীত আমাৰ মাজৰ পৰা আঁতৰি যোৱা
প্ৰতিশ্ৰুতিশীল ব্যক্তি সহিতে অকালতে আমাৰ মাজৰ পৰা হেৰাই যোৱা
মহাবিদ্যালয় পৰিয়ালৰ সেইসকল সদস্যৰ প্ৰতি সেৱা জনাই তেওঁলোকৰ পুণ্যাত্মা
অনন্তধামত সমাহিত হওক তাৰেই কামনা কৰি
একাঁজলি শ্ৰদ্ধাঞ্জলিৰে
মহাবিদ্যালয় আলোচনীৰ এই সংখ্যাটি উছৰ্গা কৰিলোঁ।

**।। সম্পাদনা সমিতি।।**

মঙলদৈ মহাবিদ্যালয় আলোচনী

৫২ সংখ্যক প্ৰকাশ ঃ ২০২১-২০২২ বৰ্ষ

# শ্ৰদ্ধাঞ্জলি


বশিষ্ঠ দেৱশৰ্মা
বৈষ্ণৱ সংস্কৃতিৰ সাধক


লতা মংগেশকাৰ
বিশিষ্ট কণ্ঠশিল্পী


ড° নবীন চন্দ্ৰ শৰ্মা
লোক-সংস্কৃতিৰ বিশিষ্ট গৱেষক


ৰাণী এলিজাবেথ দ্বিতীয়
ইংলেণ্ডৰ ৰাণী


নিপন গোস্বামী
বিশিষ্ট অভিনেতা


অতুলানন্দ গোস্বামী
প্ৰথিতযশা সাহিত্যিক


নীলপৱন বৰুৱা
বিশিষ্ট চিত্ৰশিল্পী


পুলক গগৈ
চিত্ৰশিল্পী, চলচিত্ৰ পৰিচালক


বাপ্পী লাহিড়ী
সংগীতকাৰ, সুৰকাৰ, গায়ক


অপূৰ্ব শেৰজবৰুৱা
বিশিষ্ট কণ্ঠশিল্পী


অনুপমা ভট্টাচাৰ্য্য
অসমৰ প্ৰথম মঞ্চ অভিনেত্ৰী


পণ্ডিত বিৰ্জু মহাৰাজ
বিশিষ্ট নৃত্যশিল্পী


কৃষ্ণ কুমাৰ কুন্নাথ ( কে কে)
বিশিষ্ট কণ্ঠশিল্পী


কিশোৰ দাস
অভিনেতা

এইসকলৰ উপৰিও
উক্ত সময়ছোৱাত
স্বৰ্গগামী হোৱা
জ্ঞাত-অজ্ঞাত
সকলোলৈ
শ্ৰদ্ধাঞ্জলি
জ্ঞাপন কৰিলোঁ।

।। সম্পাদনা সমিতি ।।

# কৃতজ্ঞতা

## ৫২ সংখ্যক 'মঙলদৈ মহাবিদ্যালয় আলোচনী'খন প্ৰকাশ কৰাৰ ক্ষেত্ৰত আমি কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ—

- অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা
- গুৱাহাটী বিশ্ববিদ্যালয়ৰ মাননীয় উপাচাৰ্য অধ্যাপক ড° প্ৰতাপ জ্যোতি সন্দিকৈ
- মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় ড° কমলা কান্ত বড়া
- শিক্ষাগুৰুমণ্ডলী ক্ৰমে ড° ৰুণজুন দেৱী, শ্ৰীডিম্বেশ্বৰ বৰুৱা, ড° প্ৰতিভা ডেকা, ড° মিনতি শৰ্মা, ড° সন্তোষ বৰকাকতি, ড° পবিত্ৰ কুমাৰ নাথ, ড° মঞ্জু কলিতা, ড° প্ৰাণজিৎ কুমাৰ শৰ্মা, খঞ্জনা চহৰীয়া
- পদ্মশ্ৰী মাননীয় দ্ৰোণ ভূঞা
- ছাত্ৰ-ছাত্ৰীবৃন্দ ক্ৰমে শিখৰজিৎ বড়া, চুমন ডেকা, দীপশিখা দেৱী, লক্ষ্যহীৰা ডেকা, নিশান্তা কাশ্যপ, কিৰ্তেন্দু বড়ো, শশাংক মনি কাশ্যপ, আৰ্চিক আলম আহমেদ
- ৫২ সংখ্যক 'মঙলদৈ মহাবিদ্যালয় আলোচনী'ত প্ৰকাশিত/অপ্ৰকাশিত লেখাসমূহৰ লেখক-লেখিকাবৃন্দ
- মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা - ২০২১-২০২২ বৰ্ষ
- মহাবিদ্যালয়ৰ পৰিয়ালৰ সমূহ সদস্য
- মহাবিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগ
- সমূহ পাঠকবৃন্দ আৰু শুভাকাংক্ষী
- লগতে পাহি লেজাৰ প্ৰিন্টছ, মঙলদৈৰ স্বত্বাধিকাৰী প্ৰমুখ্যে সমূহ কৰ্মচাৰীবৃন্দ।

— ধন্যবাদেৰে

**সম্পাদক**
৫২ সংখ্যক প্ৰকাশ
মঙলদৈ মহাবিদ্যালয় আলোচনী

ড° হিমন্ত বিশ্ব শৰ্মা
**Dr. Himanta Biswa Sarma**

মুখ্যমন্ত্ৰী, অসম
**Chief Minister, Assam**

সত্যমেৱ জয়তে



দিছপুৰ
চি এম এছ. ৭/২০২৩/৩৫৯
১০ আহাৰ, ১৪৩০ ভাস্কৰাব্দ
২৬ জুন, ২০২৩ ইং

## শুভেচ্ছাবাণী

মঙলদৈ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন প্ৰকাশৰ দিহা কৰা হৈছে বুলি জানিবলৈ পাই মই সুখী হৈছোঁ।

মহাবিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীয়ে এদিন দেশৰ ভৱিষ্যত নিৰূপণ কৰিব। দেশ নিৰ্মাণৰ গধুৰ দায়িত্ব লাভ কৰিবলৈ লাগে আকাংক্ষা বা অধিক শুদ্ধকৈ ক'বলৈ গ'লে উচ্চাকাংক্ষা। আমাৰ সমাজত উচ্চাকাংক্ষাক বহুক্ষেত্ৰত এটা ঋণাত্মক দৃষ্টিকোণেৰে চোৱা হয়। কিন্তু মই ক'ব খোজো যে উচ্চাকাংক্ষা হৈছে মানুহৰ অন্তৰত নিহিত থকা এক সুস্থ আৰু যোগাত্মক প্ৰবৃত্তি। উচ্চাকাংক্ষা এটা ঋণাত্মক ধাৰণা নহয়, বৰঞ্চ উচ্চাকাংক্ষাই ব্যক্তি এজনৰ চৰিত্ৰৰ এটা মহৎ দিশ প্ৰতিফলিত কৰে। উচ্চাকাংক্ষী বিদ্যাৰ্থী সেইজন যাৰ মাজত এটা আত্মবিশ্বাস আৰু দৃঢ়মনা ব্যক্তিত্ব প্ৰকট হয়।

উচ্চাকাংক্ষী ছাত্ৰ-ছাত্ৰীসকলে নিজৰ কামখিনি কৰোঁতে, প্ৰয়োজনীয়খিনি কৰাৰ উপৰি অতিৰিক্ত কিছু কৰাৰ প্ৰেৰণাৰে উদ্বুদ্ধ হৈ থাকে। বিশিষ্ট চিন্তাবিদ হোমেন বৰগোহাঞিয়ে কৈছিল— নিজৰ নিজৰ কৰ্মক্ষেত্ৰত অসামান্য সাফল্য অৰ্জন কৰা বহুতো মানুহক সোধা হৈছিল যে আপোনাৰ অসাধাৰণ সাফল্যৰ গোপন ৰহস্যটো কি? তেওঁলোকৰ উত্তৰটো আছিল এনেকুৱা— 'আমি যিমান পৰিশ্ৰম কৰা দৰকাৰ তাতকৈ অকণমান হ'লেও বেছিকৈ কৰোঁ। যিমান সময় কাম কৰা দৰকাৰ তাতকৈ কেইমিনিটমান হ'লেও বেছিকৈ কৰোঁ। যিমানখিনি দায়িত্ব লোৱা দৰকাৰ তাতকৈ স্বেচ্ছাই অলপ বেছিকৈ দায়িত্ব লওঁ। আমাৰ পৰা যিমানখিনি আশা কৰা হয় তাতকৈ অকণমান হ'লেও বেছিকৈ দিবলৈ চেষ্টা কৰোঁ।' যিবোৰ মানুহৰ উচ্চাকাংক্ষা নাই তেওঁলোকে কৰে মাত্ৰ সেইখিনি কাম যিখিনি নকৰিলে নহয়। মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে উচ্চাকাংক্ষাক কৰ্ষণ কৰক তাকেই কামনা কৰিলোঁ।

মই মঙলদৈ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনৰ সফল প্ৰকাশৰ কামনা কৰিলোঁ।

(ড° হিমন্ত বিশ্ব শৰ্মা)

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

**Prof. Pratap Jyoti Handique**
Vice Chancellor
E-mail ID : vc@gauhati.ac.in



## শুভেচ্ছা বাণী

দৰং জিলাৰ অন্যতম অগ্ৰণী শিক্ষানুষ্ঠান মঙলদৈ মহাবিদ্যালয়ৰ ৫২ সংখ্যক বাৰ্ষিক আলোচনীখন প্ৰকাশ কৰিবলৈ সিদ্ধান্ত লোৱা বুলি জানিবলৈ পাই আনন্দিত হৈছোঁ। আশা কৰিছোঁ আলোচনীখনত সন্নিৱিষ্ট লিখনিসমূহৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিভা বিকাশৰ সুযোগ লাভ কৰিব। মোৰ বিশ্বাস আলোচনীখনত প্ৰকাশ পাবলগীয়া উন্নতমানৰ লিখনিসমূহে সমাজলৈ এক শুভ বাৰ্তা কঢ়িয়াই আনিব আৰু লিখনিসমূহে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিব। আলোচনীখনৰ লগত জড়িত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী সকলোকে মই আন্তৰিক অভিনন্দন জনালোঁ।

( ড° প্ৰতাপজ্যোতি হান্দিকৈ )
উপাচাৰ্য
গুৱাহাটী বিশ্ববিদ্যালয়

দিনাংক ঃ ১৬-০৬-২০২৩

Address : Guwahati-781014 Assam:India    Phone : 7099023760    Web : www.gauhati.ac.in




# অধ্যক্ষৰ একলম...

মহাবিদ্যালয় এখনৰ বাৰ্ষিক প্ৰকাশিত আলোচনীখন এক অন্যতম ঐতিহ্যবহনকাৰী সম্পদ। আলোচনীখনে মহাবিদ্যালয়খনিৰ শিক্ষাৰ্থীসকল আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সৃজনীশীল আৰু বৌদ্ধিক দিশটো প্ৰতিফলিত কৰে; সৰ্বোপৰি আলোচনীখনত মহাবিদ্যালয়খনৰ বিদ্যায়তনিক দিশৰ সৈতে সম্পৰ্কিত বিষয়সমূহৰ ৰূপৰেখা চিত্ৰিত হয়।

মহাবিদ্যালয় আলোচনীখনৰ প্ৰকাশনৰ ধাৰাবাহিকতা অটুট ৰাখি ইয়াৰ প্ৰতিটো সংখ্যা নিৰ্দিষ্ট সময়ত প্ৰকাশ কৰি ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু পঢ়ুৱৈৰ হাতত তুলি দিয়াটো মহাবিদ্যালয় ছাত্ৰ একতা সভা আৰু মহাবিদ্যালয় কৰ্তৃপক্ষৰ এক এৰাব নোৱৰা কৰ্তব্য আৰু দায়িত্ব। কেতিয়াবা কোনো বিশেষ কাৰণত কোনোবাটো সংখ্যা আলোচনী সময়মতে প্ৰকাশ কৰিবলৈ অপাৰগ হোৱা যায়। মহাবিদ্যালয়ৰ ২০২১-২০২২ বৰ্ষৰ আলোচনীখন নিৰ্ধাৰিত সময়তকৈ বহু পলমকৈ প্ৰকাশ কৰিবলগীয়া হোৱা বাবে অধ্যক্ষ হিচাপে দুখ পাইছো আৰু এই সংখ্যাৰ আলোচনী প্ৰকাশ কৰি ছাত্ৰ-ছাত্ৰী তথা মহাবিদ্যালয় পৰিয়াল আৰু পঢ়ুৱৈৰ হাতত তুলি দিয়াৰ মানস কৰিছো। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ বিভাগসমূহৰ মুৰব্বী অধ্যাপকসকলে আগবঢ়োৱা সভাৰ সিদ্ধান্তমৰ্মে আলোচনী তত্বাৱধায়কৰ সলনি এখনি সম্পাদনা সমিতিয়ে আলোচনী প্ৰকাশ কৰি উলিয়াবলৈ আগবাঢ়ে। তাৰবাবে মহাবিদ্যালয়ৰ মুৰব্বী সংসদ (Head Council)ৰ সমূহ সদস্যক ধন্যবাদ আৰু কৃতজ্ঞতা জনালো। সৰ্বসন্মতিক্ৰমে গৃহীত সম্পাদনা সমিতিয়ে লিখনিসমূহ বাছনি কৰি ২০২১-২০২২ বৰ্ষৰ আলোচনীখন প্ৰকাশ কৰি ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা পঢ়ুৱৈৰ হাতত তুলি দিবলৈ ব্যৱস্থা কৰে।

মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ সৃজনীশীলতা আৰু বৌদ্ধিক বিকাশত বিশেষ অৰিহণা যোগোৱাৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ আলোচনীখন এক উত্তম মাধ্যম হ'ব পাৰে। একেদৰে আলোচনীখনত প্ৰকাশিত ভিন্ন ৰুচিৰ লেখা, তথ্য, সংবাদ আদিয়ে বিদ্যানুৰাগী আৰু জ্ঞানপিপাসুসকলৰ জ্ঞান অন্বেষণৰ ক্ষুধা নিবাৰণত সহায় কৰে। সেয়েহে আলোচনী একোখন গুণগত মানবিশিষ্টিতাৰে সৰ্বাংগ সুন্দৰ ৰূপত প্ৰকাশ কৰাটো অতীৱ প্ৰয়োজন। সৃজনীমূলক সাহিত্য, যেনে— গল্প, কবিতা, নাটক আদি আলোচনীত প্ৰকাশিত ৰচনাসমূহৰ বিষয়বস্তু, ৰচনা-ৰীতি, ৰচনাশৈলী, ৰচনা-কৌশল, ভাব-আদৰ্শ আৰু সাহিত্যিক ৰস তথা সৌন্দৰ্য্যবোধ উচ্চ খাপৰ হোৱাটো বাঞ্ছনীয়। জ্ঞান-বিজ্ঞান, ইতিহাস সমৃদ্ধ বিৱৰণ আৰু বিবিধ তথ্য আদি সত্যনিষ্ঠ আৰু পক্ষপাতিত্বহীন হোৱাটো অতিকে প্ৰয়োজন; কিয়নো অদূৰ ভৱিষ্যতে এই সকলোবোৰ ইতিহাসৰ সম্বল হ'বগৈ পাৰে।

জ্ঞান প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে কিতাপ হৈছে সৰ্বোত্তম আহিলা। সেয়েহে এখন জ্ঞান সম্বলিত সমাজ সৃষ্টি কৰাৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ দৰে উচ্চ শিক্ষানুষ্ঠান এখনৰ আলোচনীখনে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ সৃজনীশীলতা, দক্ষতা আৰু বৌদ্ধিক বিকাশ ঘটোৱাৰ দিক্ হিচাপে আলোচনীখন নিশ্চয়কৈ গ্ৰহণ কৰিব পাৰে।

আলোচনী এখন অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ জ্ঞানৰ ভাণ্ডাৰ। জন্মলগ্নৰে পৰা অতীত গৰকি বৰ্তমানৰ মাজেৰে ভৱিষ্যতলৈ অগ্ৰসৰ হোৱা মহাবিদ্যালয় এখনৰ বৈচিত্ৰ্যপূৰ্ণ ইতিহাসক বছৰৰ পৰা বছৰলৈ প্ৰবাহিত কৰে মহান অনুষ্ঠানৰ আলোচনীখনে। প্ৰামাণিক তথ্যৰে সৈতে বিভিন্ন স্মৃতি জীৱন্ত কৰি ৰখাৰ প্ৰয়াস কৰে। সেয়েহে আলোচনীখন মহাবিদ্যালখনিৰ দাপোণ স্বৰূপ। পৰৱৰ্তী সময়ত আমাৰ মহাবিদ্যালয়ৰ আলোচনীখন সময়মতে প্ৰকাশ কৰি ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু পঢ়ুৱৈসমাজৰ হাতত তুলি দিবলৈ প্ৰয়াস কৰাৰ লগতে আলোচনীখন যাতে উন্নত মানৰ আৰু সৰ্বাংগ সুন্দৰ ৰূপত প্ৰকাশ হৈ সমাজলৈ বাৰ্তা বহন কৰি থাকিব পাৰে, তাৰ ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰাটোৱে হ'ব আমাৰ প্ৰধান লক্ষ্য।

**(ড° কমলা কান্ত বৰা)**
অধ্যক্ষ, মঙলদৈ মহাবিদ্যালয়



# সম্পাদকীয়

## পৃথিৱীৰ অসুখ

### মানুহে মানুহৰ বাবে আৰু কিতাপৰ এখনি কৃত্ৰিম অৰণ্য

*"কৰ্তব্য-বোধেই মনুষ্যত্ব, যাৰ সেই বোধ নাই সি যথাৰ্থ মনুষ্য নহয়, এতেকে তাৰ আনন্দও বাঞ্ছনীয় নহয়। যি যথাৰ্থ মনুষ্য, অৰ্থাৎ যাৰ কৰ্তব্য-জ্ঞান আছে, সি কৰ্তব্য অৱহেলা কৰি কেতিয়াও অমিয়াৰ গৰাকী হ'ব নোৱাৰে। এতেকে কৰ্তব্য পালন যে জীৱন-অমিয়াৰ মহামন্ত্ৰ, এই বিষয়ে আৰু দ্বিতীয় কথা নাই।"* —সত্যনাথ বৰা

প্ৰকৃতি আৰু সেউজীয়া পৃথিৱী ৰক্ষাৰ শেষ সময়ত উপনীত হোৱা আজিৰ প্ৰজন্মই মানুহক বিচাৰে। ভাল মানুহ হ'ব বিচাৰে। সমাজ, সংস্কৃতি, সাহিত্যৰ পৰা ৰাজনীতি, ক্ৰীড়া, ইতিহাস, ভূগোল, অৰ্থনীতি, বিজ্ঞান সকলো দিশতে মানুহে সফল হ'বলৈ চেষ্টা কৰে। মানুহে একালে যদি কোনো দিশত পাৰ্গত হ'বলৈ চেষ্টা কৰিব ধৰিছে তাৰ সমান্তৰালকৈ অৰ্থনৈতিকভাৱেও শক্তিশালী হ'বলৈ সমানেই চেষ্টা কৰে। কিন্তু এই মাজৰ সময়তেই মানুহে মানুহ হোৱাৰ দৌৰত ৰুগীয়া হৈ পৰা পৃথিৱীখনৰ উদাহৰণ আমি দেখিবলৈ পাওঁ। নিজকে কোনো দিশত প্ৰকৃতভাৱে সবল হ'বলৈ চেষ্টা কৰাতকৈ বৰ্তমান মানুহে সেই নিৰ্দিষ্ট দিশটিত অথবা সেই ক্ষেত্ৰখনক নিজৰ অৰ্থনৈতিক লাভালাভৰ মূল পথ হিচাপেহে সৃষ্টি কৰিবলৈ বিচাৰে আৰু দৌৰি পৰে এখন গোলকীয় বিশ্বৰ বৃহৎ প্ৰতিযোগিতাৰ দৌৰত আৰু তাৰ বাবেই শিশু কালৰ পৰাই চলে এক বৃহৎ যো-জা। শ্ৰেণীকোঠাত শিক্ষক এগৰাকীৰ চকীখনৰ পৰা ছাত্ৰ-ছাত্ৰীৰ দূৰত্ব মাত্ৰ কেইখোজমান। কিন্তু এই কেইখোজমান দিবলৈয়েই মানুহ হোৱাৰ দৌৰত বছৰ বছৰ ধৰি যিসমূহ প্ৰকৃতি বিৰোধী, সমাজবিৰোধী কৰ্মত লিপ্ত হৈ গৈ আছোঁ, আমি নাজানো অথবা আমি পাহৰি যাওঁ আমাৰ জীয়াই থকা সমগ্ৰ প্ৰক্ৰিয়াটো যে কেৱল মাত্ৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল। একবিংশ শতিকাৰ দ্বিতীয় দশকৰ শেষাৰ্ধত বৰ্তমান আমি নব প্ৰজন্মই মানুহ হোৱাৰ প্ৰতিযোগিতাৰ দৌৰত পাহৰি পেলাওঁ ভৱিষ্যতৰ এখন সুস্থিৰ সমাজৰ কথা। মানুহ মানুহ কৰিয়েই আমি আজিৰ পৃথিৱীখন ভৰাই পেলালোঁ কেৱল মানুহেৰে। সেউজীয়া শেষ কৰি জগতৰ ভাৰসাম্যতা হেৰুওৱাই আমি বৃদ্ধি কৰি আহিলো জনসংখ্যা আৰু বৰ্তমান আমাৰেই দেশ ভাৰতবৰ্ষ এতিয়া বিশ্বৰ বৃহৎ জনসংখ্যাৰ দেশ। হয়তো পৰীক্ষাত আহিবলগীয়া এটি সুন্দৰ প্ৰশ্ন। এই প্ৰশ্নৰ আঁৰত থকা এখনি জীয়া ছবি আৰু তাৰ আঁৰৰ ভয়ংকৰ কাহিনীটোৰে মানুহক কেনেকৈ এই জগতৰ পৰা বিলুপ্ত কৰিব পাৰে আৰু তিলতিলকৈ মানুহেই মানুহৰ শত্ৰু হৈ শেষ হৈ যাব পাৰে আমাৰ ভাবিবলৈ হয়তো আহৰি নাই। আহক কিছু আলোচনাৰ মাজলৈ যাওঁ।

ধৰিত্ৰীত চৰকাৰে অঞ্চল এটিত চিকিৎসালয় স্থাপন কৰা বা উদ্বোধন কৰা শুনিলেই ভাল খবৰ বুলি আজিৰ দিনত সামাজিক মাধ্যমত লিখিবলৈ লওঁ, খবৰ কাকতৰ মুখ্য শিৰোনামৰূপে প্ৰকাশ ক'ৰো। কিন্তু তাৰ অন্তৰালত যে নিহিত হৈ আছে এখন ৰুগীয়া পৃথিৱী আৰু তাৰ স'তে ৰাজনীতি আৰু অৰ্থনীতি অথবা এখনি বৃহৎ বজাৰ, সেইটো উপলব্ধি কৰিবলৈ আমি পাহৰি যাওঁ। যিমানেই উন্নত চিকিৎসা ব্যৱস্থা সিমানেই বৃদ্ধি ৰোগীৰ সংখ্যা। ইয়াৰ কাৰণ কি সেয়া সময়ে সোঁৱৰাই আহিছে যে মানুহে মানুহ আৰু সমাজৰ প্ৰতি নথকা দায়িত্বত পাহৰি পেলাই মানুহ হোৱাৰ প্ৰতিযোগিতাত সেউজীয়া পৃথিৱী আৰু নিজৰেই ভৱিষ্যত আৰু সন্তানটিৰ ভৱিষ্যতৰ কথা। চিকিৎসালয়ত আঁৰি থোৱা থাকে 'ধূমপান আৰু গুটখা স্বাস্থ্যৰ বাবে ক্ষতিকাৰক'ৰ ফলক, আকৌ সেই চিকিৎসালয়ৰ সন্মুখতেই মুকলিকৈ বিক্ৰী হয় গুটখাৰ পেকেট। এয়াই বৰ্তমান জগতৰ চিৰাচৰিত নিয়ম। যি সভাত গোলকীয় উষ্ণতা বৃদ্ধিৰ ভাষণ চলে উক্ত সভাৰ ভিতৰতেই আকৌ চলে এয়াৰ কণ্ডিশনাৰ। আমি মেঙ্কলগুইন পৃথিৱীৰ বাসিন্দা য'ত নিজৰ মাতৃভূমিতেই মাতৃভাষা ব্যৱহাৰৰ পৰা বঞ্চিত হোৱাৰ কৰুণ গাথা প্ৰতিফলিত হৈছে। কত সংগ্ৰাম, আন্দোলন, তেজৰ বিনিময়ত লাভ কৰা ভাষাটোক আমাৰ কি যে অনাদৰ। এই সকলো কথাই সকলো মানুহে জানে অথবা আমি জানো। তথাপিও আজি পৃথিৱীৰ অসুখত অৰিহণা যোগাই আহিছো আমি নিজেই।

আমি শিপা পাহৰা এজাক মানুহ। আমি বৰ্তমানৰ যুৱ প্ৰজন্ম GEN-Z ৰ অন্তৰ্গত। যিয়ে বিলুপ্ত হ'ব ধৰা অথবা আঁতৰি যোৱা আৰু যাবলৈ ধৰা প্ৰায়খিনি বস্তু অথবা সামগ্ৰী কথা-কাম ইত্যাদিৰ সৈতে কমকৈ হ'লেও সংপৃক্ত হৈ পৰিছো। ম'বাইলৰ জগততেই বিচৰণ কৰি ভালপোৱা এই প্ৰজন্মই মুখামুখি হ'ল ক'ভিড-১৯ ৰ সত্যতা, অসত্যতা, ভয়াৱহতা আৰু ইয়াৰ ওপৰত চলা ৰাজনীতি আৰু অৰ্থনীতিৰ বৃহৎ বজাৰৰ। চিনাকি হ'ল Nokia ৰ পৰা সহজেই উপলব্ধ হোৱা Apple ৰ বৃহৎ জগতলৈ। বৰ্তমানৰ GEN-Z মুখামুখি হ'ল কৃত্ৰিম বুদ্ধিমত্তা অথবা Artificial Intelligence (AI) ৰ ক্ষীপ্ৰ অগ্ৰগতিৰ জগতখনৰ সৈতে। পঢ়ি ভালপোৱা হ'ল সকলোৰে PDF, ৱেবচাইট, Google Classroom, Zoom, Google Meet, Chat GPT ৰ জৰিয়তে। বাঢ়ি অহা নিবনুৱা

সমস্যাক এই AI য়ে উদগনি যোগালে আৰু আমাক সহজেই উপলব্ধ, কষ্টবিহীন, কৰ্মবিহীন ভৱিষ্যতৰ এখন কল্পনাতীত এলেহুৱা জগতৰ স'তে চিনাকি কৰাই দিলে। ৰুগীয়া জগতৰ আন এক উদাহৰণ আমাৰ অসম মুলুকতেই সততেই সামাজিক মাধ্যমত ভাইৰেল হোৱা বিভিন্ন ধৰণৰ ঘটনাৰ ভিতৰত অন্ধবিশ্বাস। অন্ধবিশ্বাসৰ সৈতে জড়িত থকা প্ৰায় পঞ্চাছ শতাংশ বিজ্ঞান অথবা বৈজ্ঞানিক দৃষ্টিভংগী আমি বুজি নোপোৱা অন্য ধৰণেৰে অন্ধবিশ্বাসৰ সৈতে আমি সহযোগ স্থাপন কৰিব লওঁ, যাৰ ফলত সমাজ আৰু পৃথিৱী এক অন্য দিশত গতি কৰিছে। বৰ্তমান GEN-Z ৰ মানুহে এখন নতুন পৃথিৱীত বাস কৰিব বিচাৰে। প্ৰকৃতি সংৰক্ষণৰ কথা অথবা জ্ঞানৰ বিষয়ে GEN-Z ভালকৈয়ে জ্ঞাত, কিন্তু এই GEN-Z সেই কৰ্ম সমূহৰ পৰাহে বিৰত থাকিব বিচাৰে। পঢ়িব বিচাৰে, কিন্তু কেৱল মাত্ৰ কৃত্ৰিমভাৱেহে। খেতি নকৰিলে জীয়াই নাথাকিব বুলি জানিও খেতিত নামিবলৈ টান পায় GEN-Z য়ে। ই পূৰ্বৰ ঘৰুৱা সমস্যা, মাটি-বাৰী সীমা ইত্যাদিৰ পূৰ্বৰ প্ৰজন্মই পোৱা, কৰি অহা এইবোৰ সমস্যাৰ সৈতে সহাবস্থান কৰিবলৈ নিবিচাৰে। কাৰণ ই সোমাই পৰিছে অসুস্থ পৃথিৱীৰ কিতাপৰ কৃত্ৰিম জগত এখনত। সেয়ে অসুস্থ পৃথিৱীক সুস্থ কৰাৰ দায়িত্ব আমাৰ। কাৰণ ড° ভূপেন হাজৰিকাৰ গীতৰ কলিটিৰ দৰেই— "নতুনৰ গতি খেদা ডেকা গাভৰু আমি নিৰ্ভীক" কিন্তু একবিংশ শতিকাৰ।

*"মহৎ সাহিত্য ইতিহাসে সৃষ্টি কৰে। সমাজ আৰু জীৱন চেতনাৰ অভাৱতেই নষ্ট*
*হয় সাহিত্য। সৎ হোৱাটো সাহিত্য সাধনাৰ প্ৰথম পাঠ।"     —হীৰেন ভট্টাচাৰ্য*

সৌন্দৰ্য প্ৰকাশৰ বাবে সুপ্ত অথবা লুপ্ত সৌন্দৰ্য নিৰৰ্থক। সৌন্দৰ্য যিমানে প্ৰকাশ কৰিব, বিস্তাৰিত হ'ব তাৰ সুষমা আৰু সেই সুষমাৰ অৱলম্বনৰ হেতু সৃষ্টি হ'ব নতুন সাহিত্য, কলা আৰু সংস্কৃতিৰ। সেই সৃষ্টি হ'ব লগা সাহিত্যৰ এক অন্যতম অংশ অথবা মঞ্চ হৈছে ছাত্ৰ-ছাত্ৰীৰ বাবে কিতাপ। ৰ'ব, এইখিনিতেই ভুল নুবুজিব, কিতাপ কেৱল মাত্ৰ পাঠ্যক্ৰমৰ কিতাপৰ কথা ক'বলৈ যোৱা নাই। নিজৰ সুপ্ত প্ৰতিভা বিকাশ, সাহিত্য সৃষ্টি আৰু নিজকে বৰ্তমান পৃথিৱীৰ লগত খাপ খুৱাব পৰাকৈ আৰু ভৱিষ্যত এখনি সুস্থ, সুন্দৰ পৃথিৱী উপহাৰ দি যাবলৈ হ'লে আমি আলোচনী, আনুষংগিক গ্ৰন্থ অধ্যয়ন কৰাটো আৰু সৃষ্টিশীল সাহিত্য, প্ৰবন্ধ, লেখা ইত্যাদিৰ জৰিয়তে সমাজ চিন্তক হিচাপে কাম কৰাটো নিতান্তই প্ৰয়োজন হৈ পৰিছে। ঠিক তাৰেই উদাহৰণ এনে ধৰণৰ বাৰ্ষিক আলোচনী।

লুইতৰ উত্তৰপাৰে জিলিকি আছে মানুহ হ'ব বিচৰা মানুহৰ বাবে প্ৰেৰণাৰ অন্যতম উৎস, বাসন্তৰ বছৰে জ্ঞানৰ প্ৰদীপেৰে মানুহ গঢ়া এক উৰ্বৰ বাকৰি, নাম যাৰ মঙলদৈ মহাবিদ্যালয়। হেজাৰোধিক ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক, মানসিক, শাৰীৰিক উৎকৰ্ষ সাধনৰ কঠীয়াতলী এই মহাবিদ্যালয়ৰ বাকৰিৰ পৰাই সৃষ্টি হ'ল ৰুগীয়া পৃথিৱীক চিকিৎসা আগবঢ়োৱা, সহায় কৰা অগণন চিকিৎসক, অথবা যোদ্ধা আৰু সৈনিক। সেই সকলো প্ৰকৃত সৈনিক ভৱিষ্যতেও সৃষ্টি হ'ব লাগিব, কাৰণ জন্মভূমি পৃথিৱী যে আজি পূৰ্বতকৈ অধিক ৰুগীয়া। এই সৈনিক সৃষ্টি কৰাৰ ক্ষেত্ৰত কেৱল মাত্ৰ পাঠ্যক্ৰমৰ কিতাপকেইখনেই যথেষ্ট নহয়, প্ৰকৃত ছাত্ৰ অথবা ছাত্ৰীৰূপে নিজকে গঢ়ি তুলিবলৈ লাগে অতিৰিক্ত পাঠ্যক্ৰম। প্ৰত্যেক সাহিত্যিকৰ জীৱনৰ কৰ্ম আৰু অভিজ্ঞতা একান্তভাৱেই ব্যক্তিগত। প্ৰত্যেক সাহিত্যিক অথবা ব্যক্তিয়েই নিজে জনাখিনি, নিজৰ প্ৰকৃত জ্ঞান আৰু অভিজ্ঞতাখিনি প্ৰকাশ কৰিব খোজে লিখনিৰ জৰিয়তে, গ্ৰন্থ অথবা আলোচনী ইত্যাদিৰ মাজেৰে। সাহিত্যৰ মেটমৰা সম্ভাৰেৰে তাৰেই এক বহিঃপ্ৰকাশ ঘটে মঙলদৈ মহাবিদ্যালয় আলোচনীত। ২০২১-২২ বৰ্ষৰ ৫২ সংখ্যক মঙলদৈ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত এই সংখ্যাৰ সম্পাদকৰ দায়িত্বভাৰ পৰিছিল এই অভাজনৰ ওপৰত। এই ছেগতেই মহাবিদ্যালয়ৰ ছাত্ৰ সমাজৰ ওচৰত চিৰকৃতজ্ঞ যিয়ে এই অভাজনক সাহিত্য আৰু আলোচনী সম্পাদকৰূপে জয়যুক্ত কৰি এই বৃহৎ সুযোগ প্ৰদান কৰিলে। বিভিন্ন বিশেষ কাৰণবশতঃ এই আলোচনীখনৰ প্ৰকাশৰ সময় কিছু পলম হৈছে যদিও পিছৰ বৰ্তমান সময়ত আলোচনীখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত মোক আগবাঢ়ি যাবলৈ প্ৰেৰণা যোগোৱা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, মহাবিদ্যালয়ৰ মুৰব্বী সংসদ (Head Council) আৰু সম্পাদনা সমিতি, বিশেষকৈ মোক সহায় কৰা ছাত্ৰ সদস্য কেইগৰাকীলৈ অশেষ ধন্যবাদ। আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত কিমান সফল হ'লো সেয়া পাঠকবৃন্দলৈ এৰিলো। বৈ যোৱা আৰু হৈ যোৱা, জ্ঞাতে-অজ্ঞাতে কৰা সকলো ভুল-ত্ৰুটিৰ বাবে আপোনাসকলৰ মাজেৰেই এজন হিচাপে মাৰ্জনা বিচাৰি ভৱিষ্যতে মঙলদৈ মহাবিদ্যালয় আলোচনীখনি অসমৰ সাহিত্য তথা বৌদ্ধিক জগতত অধিক সমাদৃত হওক, তাৰেই কামনা কৰি সম্পাদকীয় কলমটিৰ সামৰণি মাৰিলো কবিতাৰ পংক্তি এটিৰে—

*"ভালে থাকক দিনবোৰ*
*ভালে থাকক সময়*
*মই ভালে নাথাকিলেও ভালে থাকক*
*মানুহৰ শোভাযাত্ৰা*
*জয় আৰু বিজয়"          —সমীৰ তাঁতী*

সম্পাদক, মঙলদৈ মহাবিদ্যালয় আলোচনী
৫২ সংখ্যক প্ৰকাশ ঃ ২০২১-২০২২ বৰ্ষ

পুৰণি আলোচনীৰ প্ৰচ্ছদেৰে এই সংখ্যাৰ ভিতৰচ'ৰালৈ আদৰিছোঁ...

## মঙলদৈ মহাবিদ্যালয় আলোচনী



















মঙলদৈ মহাবিদ্যালয় কেন্দ্ৰীয় গ্ৰন্থাগাৰৰ পৰা সংগৃহীত

দ্বিপঞ্চাশত্তম সংখ্যা ঃ ২০২১-২০২২ বৰ্ষ

# ।। সূচীপত্ৰ।।


বৰেণ্য ব্যক্তিত্ব সোঁৱৰণী বিশেষ

- **হোমেন বৰগোহাঞিঃ কিতাপ পঢ়াৰ আন্দোলন গঢ়ি তোলা মানুহজন** ।। ৫
- **বশিষ্ঠ দেৱ শৰ্মা ঃ বৈষ্ণৱ সংস্কৃতিৰ অন্যতম সাধক, বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া** ।। ৮
- **নীলপৱন বৰুৱা ঃ এক ৰঙীন শিল্পীসত্তা** ।। ১০

জন্ম শতবাৰ্ষিকী বিশেষ

- **জন্ম শতবৰ্ষত অসমীয়া ৰহস্যধৰ্মী সাহিত্যৰ আলোড়নকাৰী সাহিত্যিক ৰংমন ৰবীন দে**
  চুমন ডেকা ।। ১২

সংগৃহীত অতিথি লেখা

- **অসম আন্দোলনত দৰঙৰ প্ৰথম গৰাকী জাতীয় শ্বহীদ মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ মুকুন্দ বড়োলৈ গভীৰ শ্ৰদ্ধাঞ্জলি**
  হিতেশ হাজৰিকা ।। ১৪
- **অসমীয়া ভাষা আৰু সংস্কৃতিৰ ঐতিহ্য তথা জাতীয় সম্পদ চৰ্যাপদ**
  ড° পৰমানন্দ ৰাজবংশী ।। ১৬
- **ইতিহাসবিদে পাহৰা দৰঙৰ সোণসেৰীয়া গৌৰৱোজ্জ্বল ইতিহাসৰ পম খেদি**
  ভাৰ্গৱ কুমাৰ দাস ।। ১৮
- **তামোলপুৰৰ পৰা ফৰ্ট উইলিয়ামলৈ এক বৰ্ণিল যাত্ৰা ঃ অসমৰ একমাত্ৰ আৰু প্ৰথমগৰাকী জি অ' চি ইন চি লেফটেনেণ্ট জেনেৰেল ৰাণা প্ৰতাপ কলিতা**
  হীৰেন ডেকা ।। ২২

ভাষা সাহিত্যৰ ৰেঙনি

- **খলিল জিব্ৰান ঃ এক মানৱতাবাদী সাহিত্যিক**
  মহম্মদ আছিৰ উদ্দিন ।। ২৪
- **জ্ঞানপীঠ বিজয়ী নীলমণি ফুকন ঃ অসমীয়া সাহিত্য আৰু কাব্যকৃতি**
  ভনিতা ডেকা ।। ২৬
- **জ্যোতি নাটকত ধেমেলীয়া চৰিত্ৰ ঃ এটি অধ্যয়ন শোণিত কুঁৱৰী আৰু কাৰেঙৰ লিগিৰী নাটকৰ প্ৰসঙ্গত**
  চিত্ৰ ৰঞ্জন নাথ ।। ২৮
- **সাম্প্ৰতিক সময়ত ভাষিক স্থিতি হিচাপে ৰাভা ভাষাৰ এক অধ্যয়ন**
  চন্দ্ৰমা কলিতা ।। ৩৫
- **প্ৰাচীন ভাৰতীয় সাহিত্যৰাজি**
  পুনম ডেকা ।। ৩৮

শিক্ষা চিন্তন

- **ভাৰতৰ নতুন শিক্ষানীতি- ২০২০ আৰু ছাত্ৰ-ছাত্ৰীৰ ওপৰত ইয়াৰ প্ৰভাৱ ঃ সামগ্ৰিক পৰ্যালোচনা**
  জ্যোতিপ্ৰিয়া শইকীয়া ।। ৪০
- **অলপ কুইজিকেল পৰ্যবেক্ষণ**
  গগন জ্যোতি ডেকা ।। ৪৩

বিজ্ঞান জেউতি

- **The Role of Mathematics in Society's Growth**
  Jintu Mani Nath ।। ৪৪
- **Shinrin-Yoku**
  Dr. Debashree Kakati ।। ৪৭
- **Stephen William Hawking**
  Jyotishman Baruah ।। ৫০
- **Artificial Intelligence Shaping the Future of Humanity**
  Dipankar Das ।। ৫২
- **Liquid Nitrogen**
  Kabyashree Krishna ।। ৫৪
- **Reaching for the Stars : A Look at Major Space Agencies and Their Contributions**
  Bhrigu Kumar Das ।। ৫৫
- **Blood Donation is Life Donation**
  Sikhar Jit Borah ।। ৫৭

দৰ্শন তত্ত্ব

- **স্বামী বিবেকানন্দৰ বিশ্বজনীন ধৰ্ম প্ৰতিষ্ঠাৰ সপোন এক চমু বিশ্লেষণ**
  ড° মঞ্জু কলিতা ।। ৫৯

## ইতিহাসে ৰিঙিয়ায়

- **উপনিৱেশিক মঙলদৈত ব্ৰিটিছ প্ৰশাসনযন্ত্ৰৰ প্ৰভাৱ**
  ড° পবিত্ৰ কুমাৰ নাথ ।। ৬২
- **তেজে ধোৱা পথৰুঘাট ঃ এক তুলনামূলক অধ্যয়ন**
  নুৰ আলম ।। ৬৪
- **৪০০ বছৰীয়া জয়ন্তীত অসম বুৰঞ্জীৰ অন্যতম যোদ্ধা লাচিত বৰফুকন**
  ৰাকেশ ডেকা ।। ৬৬

## ভূগোল আৰু পৰিৱেশৰ ৰূপৰেখা

- **পৰিৱেশ সচেতক ৰবীন্দ্ৰনাথ**
  মৌচুমী কংসবণিক ।। ৬৮
- **অৰণ্যই যাৰ জীৱনসঙ্গী ঃ 'মুলাই কাঠনি'ৰ আঁৰৰ মানুহজন**
  সংগীতা বসুমতাৰী ।। ৭০
- **অসমৰ নদ-নদী ঃ কৃষিক্ষেত্ৰত ইয়াৰ প্ৰভাৱ আৰু বানপানীৰ বিৱৰণ**
  কল্পজিৎ শইকীয়া ।। ৭২

## অৰ্থনীতিৰ চাবি-কাঠী

- **Goods and Service Tax and its Impact on the Economy of India**
  Mursida Ara Khanam ।। ৭৮
- **এটি কলি দুটি পাত ঃ অসমত অৰ্থনৈতিক আন্দোলন গঢ় দিয়াত ঊনৈশ শতিকাৰ পৰা বৰ্তমানলৈ চাহ উদ্যোগৰ বৰ্ণিল পৰিক্ৰমা**
  চুমন ডেকা ।। ৮১
- **ভৱিষ্যত ভাৰতীয় অৰ্থনীতিৰ অন্যতম চাবি-কাঠি ঃ ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ ভিন্ন শিল্পকলা**
  লিজু ৰাজবংশী ।। ৮৩

## সংস্কৃতিৰ জিলিকণি

- **বিশ্বদৰবাৰত অসমীয়া সংস্কৃতিৰ চানেকি ঃ ঐতিহ্যমণ্ডিত বাৰেচহৰীয়া ভাওনা**
  সৌৰভ জ্যোতি চলিহা ।। ৮৬
- **অসমীয়া সংস্কৃতিত চহকী ঃ দৰঙী লোককলা-সংস্কৃতি**
  মনালিছা শৰ্মা ।। ৮৯
- **অসমৰ জাতীয় চিনাকি বিহু আৰু ভিন্ন জনগোষ্ঠীৰ মাজত ইয়াৰ ভিন্ন ৰূপ**
  মৃন্ময়ী কলিতা ।। ৯৩
- **ঐতিহাসিক সত্ৰানুষ্ঠানসমূহৰ বৈষ্ণৱ সংস্কৃতি, লোকবিশ্বাস আৰু খটৰা সত্ৰৰ পাচেতি মহোৎসৱ ঃ এক বিশ্লেষণ**
  নিকুমণি বৰুৱা ।। ৯৬
- **History, Culture and Festivals of The Bodos**
  Jimi Basumatary ।। ৯৯
- **বিলুপ্তিৰ পথত পুতলা নাচ ঃ এক আপুৰুগীয়া কলা**
  লিপিকা নাথ ।। ১০৫

## পৰ্যটন

- **অসমৰ পৰ্যটন আৰু ইয়াৰ সম্ভাৱনীয়তা**
  পৰাগ জ্যোতি কাশ্যপ ।। ১০৭

## সমাজ-যুৱ-চিন্তন

- **অসমৰ ভিন্ন জাতি-জনগোষ্ঠীৰ মাজৰ সমাজ ব্যৱস্থা**
  বিনোদিনী গাৰ্গ ।। ১০৮
- **অসম আৰু জাতীয়তাবাদ**
  দীপাঙ্কৰ ওজা ।। ১১১
- **Country of Youth : India**
  Himangshu Bharadwaj ।। ১১৫
- **পৰিৱেশ ৰক্ষাত যুৱ সমাজৰ ভূমিকা আৰু কৰণীয়**
  আৰফিনা বেগম ।। ১১৭
- **Becoming a Cell Phone Junkie**
  Ananya Shivam ।। ১১৯
- **আন্তৰ্জাতিক সংস্থা, সংগঠন ঃ গোলকীয় বিশ্ব আৰু মানৱ জাতিৰ লগত ইয়াৰ সম্পৰ্কৰ কিছু আভাস**
  ভাস্বতী ডেকা ।। ১২৩
- **ড্ৰাগছ ঃ যুৱ প্ৰজন্ম আৰু সমাজৰ বাবে এক জটিল ভাবুকি**
  জ্যোতিৰ্ময় ডেকা ।। ১২৭

## আধ্যাত্মিকতা

- **অসমৰ প্ৰেক্ষাপটত শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ একশৰণ নামধৰ্ম**
  চুমি ডেকা ।। ১২৯
- **অবিভক্ত দৰং জিলাৰ কেইটিমান ঐতিহাসিক মঠ-মন্দিৰ আৰু সত্ৰৰ এটি পৰিচয়মূলক টোকা**
  সীমা ডেকা ।। ১৩১

## আৰ্থ সামাজিক

- **Jonbeel Mela : A Tradition of Assam**
  Kangkan Terang ।। ১৩৮

## ক্ৰীড়াঙ্গন

- **অতীজৰ পৰা বৰ্তমানলৈ অসমৰ পুৰণি পৰম্পৰাগত খেল-ধেমালিৰ চমু আভাস**
  লক্ষ্যহীৰা ডেকা ।। ১৪০
- **ভাৰতত Ainball খেল ঃ ক্ৰীড়াক্ষেত্ৰত ইয়াৰ গুৰুত্ব আৰুপ্ৰভাৱ**
  বিজয় ডেকা ।। ১৪২

- **ক্রীড়াৰ দিশত এখোজ ঃ টকিঅ' অলিম্পিক ২০২০ আৰু বিশ্বজয়ী সপোনৰ দিশত ভাৰতবৰ্ষ**
  চন্দন জ্যোতি কাশ্যপ ।। ১৪৪

সংগীতৰ পৃথিৱী

- **গোদাবৰী নৈৰ পাৰৰ পৰা অথাই জলধিৰ মাজলৈ ভাহি অহা কণ্ঠটি**
  চয়নিকা নাথ ।। ১৪৬
- **সমাজনীতিৰ পৰা ৰাজনীতিলৈ ভাৰতীয় সংগীতত সুধাকণ্ঠৰ কালজয়ী সৃষ্টিৰাজি**
  জ্যোতিপ্ৰভা নাথ ।। ১৫১
- **বৰগীত আৰু লোকগীত ঃ এক চমু আভাস**
  বিকাশ বণিয়া ।। ১৫৪
- **হিয়াৰ আমঠু জুবিন গাৰ্গ আৰু অসমীয়া সংগীতৰ স্বৰ্ণিল যাত্ৰা**
  বিভাষ কাশ্যপ (বিৰাজ) ।। ১৫৬

নাৰী সৱলীকৰণ

- **দুৰ্যোগ ব্যৱস্থাপনাত মহিলাৰ ভূমিকা**
  ড° (মেজৰ) লীনা শইকীয়া ।। ১৫৮
- **অন্ধবিশ্বাস আৰু ডাইনী হত্যা ৰোধত বিজ্ঞানমনস্ক নাৰী পদ্মশ্ৰী বীৰুবালা ৰাভাৰ ভূমিকা ঃ এক ঐতিহাসিক আভাস**
  ববিতা ডেকা ।। ১৬১

গ্ৰন্থকোণ

- **পাঠকৰ দৃষ্টিৰে 'বৰদোৱানী' উপন্যাসৰ এটি সমালোচনা**
  মূৰ্ছনা বেজবৰুৱা ।। ১৬৩
- **গঠনমূলক দৃষ্টিভংগীত 'বকুল ফুলৰ দৰে'**
  দীপশিখা দেৱী ।। ১৬৬

চলচ্চিত্ৰ আলোচনা

- **ANEK : An Attempt of Abolishing or Establishing The 'Mainlander's Gaze' towards the NE !**
  Arlin Siblina ।। ১৬৮
- **ডাঃ সান্ত্বনা বৰদলৈৰ 'মাজ ৰাতি কেতেকী' ঃ এটি পৰ্যৱেক্ষণ**
  মৃগাংক কাশ্যপ ।। ১৭১

গল্প কথা

- **সমাধি**
  বিস্মিতা শৰ্মা ।। ১৭৩
- **বৃদ্ধাশ্ৰম, শেষ উপহাৰ**
  কল্যাণ ৰঞ্জন চহৰীয়া ।। ১৭৪, ১৭৫
- **ভিন্ন সময়ৰ ভিন্ন ৰং**
  জয়শ্ৰী নাথ ।। ১৭৬
- **জীপাল**
  বাবলি কলিতা ।। ১৭৭

কথা-বাৰ্তা

- **লোকসংস্কৃতিৰ অন্যতম সাধক (গুৰু) দ্ৰোণ ভূঞাৰ সৈতে এখন্তেক ।।** ১৭৮

কথা কৱিতা

- **কথাকল্প-চিন্তাশিল্প**
  কৌশিক জ্যোতি নাথ ।। ১৮২
- **অকথ্য অথচ সত্য**
  প্ৰাঞ্জল প্ৰতিম ডেকা ।। ১৮২

কাব্য শিল্প

- **কুঁহিয়াৰ শাল** ।। জয়ন্ত ৰাজবংশী ।। ১৮৩
- **Ubiquitous Geography** ।। Deepa Pradhan ।। ১৮৪
- **সোঁৱৰণী** ।। নিহাৰিকা ডেকা ।। ১৮৪
- **শেষ প্ৰহৰ** ।। নিশান্তা কাশ্যপ ।। ১৮৫
- **মৰম** ।। চাহনাজ ইয়াচমিন ।। ১৮৫
- **সেই চহৰত এতিয়া খৰাং পৰিছে** ।। অৰুনিমা চহৰীয়া ।। ১৮৬
- **কৱিতা** ।। মনালিছা ডেকা ।। ১৮৬
- **আশাৰ মৰীচিকা** ।। বৰষা মণি দেৱী ।। ১৮৭
- **নাৰী তুমি অনন্যা** ।। ৰিম্‌লী ডেকা ।। ১৮৭
- **ফাগুন** ।। পঞ্চমী সৰকাৰ ।। ১৮৮
- **অচিনাকি মন** ।। ৰিকিতা সাহা ।। ১৮৮
- **মুক্ত বিহংগ** ।। গুণেন্দ্ৰ মেধি ।। ১৮৯
- **জীৱনৰ ৰং** ।। প্ৰিয়ংকা শৰ্মা ।। ১৮৯
- **তাইৰ চহৰত এতিয়া জোনাক নামিছে** ।। ৰিতুপন ডেকা ।। ১৯০
- **আমাৰ ব'হাগ** ।। পাপু ডেকা ।। ১৯০
- **হাতৰ তুলিকা** ।। প্ৰিয়াংশু নাথ ।। ১৯১
- **এই বাটেৰে জীৱন নামে** ।। পৰিস্মিতা ভট্টাচাৰ্য্য ।। ১৯১
- **আবেলি** ।। হিয়ামণি নাথ ।। ১৯২
- **কালৰ চিঞৰ** ।। জ্যোতিস্মিতা ডেকা ।। ১৯২
- **নীৰৱতা বিচাৰো** ।। প্ৰণয় শৰ্মা ।। ১৯৩
- **নৱবৰ্ষ** ।। হীৰামণি নাথ ।। ১৯৩

লিমাৰিক

- দেৱাশীষ ৰাজকুমাৰ ।। ১৯৪

অৰঙে দৰঙে ভ্ৰমণ কাহিনী

- **মাতা বৈষ্ণোদেৱী ভ্ৰমণৰ অভিজ্ঞতা**
  ড° ৰুণজুন দেৱী।। ১৯৫
- **A day in Nature's Paradise**
  Hemashree Devi Chamuah।। ২০০
- **My First Discovery of Virgin Nature : Dzukou Valley**
  Sweta Baruah।। ২০২
- **কাঞ্চনজংঘাৰ দেশ চিকিম ঃ ভূগোল বিজ্ঞান বিভাগৰ ভ্ৰমণ লগতে কিছু কাহিনী**
  দৰ্শনা হাজৰিকা ।। ২০৪
- **Experience in My First NCC Camp**
  Bhaswati Saikia।। ২০৮

নাট্যকলা

- **নৰ সূৰুয**
  ভিজিত ডেকা।। ২০৯
- **এটি নষ্ট ল'ৰা**
  নীলকমল বৰুৱা।। ২১৪

অনুভৱৰ কলমত

- **মঙলদৈ মহাবিদ্যালয় ঃ এক অনুভৱ**
  হিমাশ্ৰী বৈশ্য ।। ২১৭
- **ভবা কথাবোৰ**
  কিৰ্তেন্দু বড়ো।। ২১৮
- **জীৱন তৃষ্ণা... অনুভৱৰ একলম**
  কৃষ্ণা ডেকা ।। ২১৯

নীলা খামৰ চিঠি

দীপাঙ্কৰ ওজা ।। ২২১
চুমি ডেকা ।। ২২২
লিজু ৰাজবংশী ।। ২২৩
বিনোদিনী গাৰ্গ।। ২২৪

পুৰস্কাৰপ্ৰাপ্ত কাব্য শিতান

- **প্ৰভঞ্জন**।। পম্পী কলিতা।। ২২৫
- **পানীৰ সোঁতে কোৱা কথা** ।। আছিক আলী।। ২২৬
- **অন্ধকাৰ গলিৰ তাম্ৰলিপি** ।। ঝৰ্ণালী ডেকা।। ২২৬
- **নাৰী বিষয়ক** ।। কেশৱ চাউ।। ২২৭
- **নাৰী নিৰ্যাতন**।। বিস্মিতা শৰ্মা।। ২২৭
- **তৰাফুল** ।। প্ৰাৰ্থনা সন্দিকৈ।। ২২৮
- **এটি সন্তাপিত শব্দ** ।। তুহিনকন্যা বৰা।। ২২৮
- **উষা** ।। মনোজ কুমাৰ বৰুৱা।। ২২৯
- **এদিন মই ছোৱালী হৈ জন্মিছিলোঁ** ।। গীতাঞ্জলি বৰা।। ২৩০
- **আইৰণি** ।। মাধুৰীকা শইকীয়া।। ২৩১

বিশেষ প্ৰতিবেদন

- **কৃষি বিপ্লৱৰ নতুন সূচনা ঃ গৰুখুঁটি বহুমুখী কৃষি প্ৰকল্প** ।। ২৩২
- **অসমৰ উদ্যোগিক আৰু ব্যৱসায়-বাণিজ্য জগতৰ এক অন্যতম চিনাকি নাম SRD গ্ৰুপ আৰু ৰিপোজ** ।। ২৩৫

ভিন্ন শিতান

- **২০২২ বৰ্ষৰ বিভিন্ন বঁটা** ।। ২৩৮
- **মুখপত্ৰৰ মুখ** ।। ২৩৯
- **প্ৰাচীৰ পঞ্জী** ।। ২৪০
- **আত্ম প্ৰতিকৃতি**।। ২৪২
- **ছাত্ৰ একতা সভাৰ বিভাগীয় সম্পাদকৰ প্ৰতিবেদন ঃ ২০২১-২০২২ বৰ্ষ** ।। ২৪৩
- List of Awardees of Mangaldai College Session : 2021-2022 ।। ২৫৯
- Principals of Mangaldai College ।। ২৬০
- **মঙলদৈ মহাবিদ্যালয় আলোচনীৰ বৰ্তমানলৈকে সম্পাদক আৰু তত্ত্বাৱধায়কসকল** ।। ২৬১

- **লেখক, লেখিকা, শিল্পী পৰিচয়** ।। ২৬৩



# হোমেন বৰগোহাঞি

## কিতাপ পঢ়াৰ আন্দোলন গঢ়ি তোলা ব্যক্তিগৰাকী

*"মানুহৰ চকুৰ আগত যেতিয়া এক বা একাধিক বিকল্প সম্ভাৱনাৰ পথ মুকলি হৈ থাকে তেতিয়ালৈকে মানুহে আশা হেৰুৱাই নেপেলায়।"*

*— হোমেন বৰগোহাঞি*

অসমীয়া সাহিত্য জগতৰ উজ্জ্বল নক্ষত্ৰ, গল্পকাৰ, ঔপন্যাসিক, সমালোচক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, অসমৰ জাতীয় জীৱনৰ অন্যতম হোতা তেখেতেই সেইগৰাকী যাৰ নামেই পৰিচয় ব্যক্তিগৰাকী হৈছে সাহিত্যিক হোমেন বৰগোহাঞি।

১৯৩২ চনৰ ৭ ডিচেম্বৰত, অসমৰ অবিভক্ত লখিমপুৰ জিলাৰ ঢকুৱাখনাত এটা আহোম পৰিয়ালত হোমেন বৰগোহাঞিৰ জন্ম হয়। বহু সময়ত তেওঁৰ জন্মৰ চনটোক লৈ মতানৈক্য দেখা যায়। এই কথাত আঁত ধৰি বৰগোহাঞিৰ তেওঁৰ সুখ দুখ শীৰ্ষক গ্ৰন্থখনত এইদৰে লিখিছে— "মই মোৰ নিজৰ জন্মদিন মনত পেলাবলৈ কোনোদিন চেষ্টা নকৰোঁ। সঁচা কথা ক'বলৈ গ'লে মই নিজৰ জন্মৰ তাৰিখ নাজানোৱেই। নামজ্বলা জ্যোতিষীয়ে কৰা মোৰ দুখন কোষ্ঠী বা সোঁৱৰণি আছিল। দুয়োখনকে মই বহু বছৰৰ আগতে নিজে ইচ্ছা কৰিয়েই নষ্ট কৰি পেলাইছোঁ। মোৰ জন্ম তাৰিখ বুলি যি দুটা চন তাৰিখ প্ৰচলিত আছে দুয়োটাই কাল্পনিক।"

নিজৰ লেখাসমূহত তথা প্ৰায়সংখ্যক কথা বাৰ্তা আৰু প্ৰবন্ধ, সম্পাদকীয়ত তেখেতৰ মাটিৰ মানুহৰ ভাৱ প্ৰকাশ পাইছিল নিজৰ জন্ম ঠাই ঢকুৱাখনাৰ চাৰিকড়িয়া নদীৰ কথাৰ উল্লেখেৰে। ১৯৫০ চনত ডিব্ৰুগড় চৰকাৰী

উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰ পৰা তেওঁ মেট্ৰিক পাছ কৰি কটন কলেজত ভৰ্তি হয়। ১৯৫২ চনত কটন কলেজৰপৰা আই.এছ.ছি. পৰীক্ষাত উত্তীৰ্ণ হয় আৰু ১৯৫৪ চনত ইংৰাজী বিষয়ত অনাৰ্ছসহ স্নাতক ডিগ্ৰী লাভ কৰে। তেখেতে কটন কলেজৰ ২নং ছাত্ৰাৱাস (বৰ্তমানৰ শ্বহীদ ৰঞ্জিত বৰপূজাৰী ছাত্ৰাৱাস)ত আছিল। হোমেন বৰগোহাঞিয়ে তেওঁৰ আত্মজীৱনীত নিজৰ ইচ্ছাৰ বিৰুদ্ধে বিজ্ঞানৰ শ্ৰেণীত ভৰ্তি হোৱা বুলি উল্লেখ কৰিছে। তেওঁ উল্লেখ কৰা মতে "নিজৰ ইচ্ছাৰ বিৰুদ্ধে তেওঁ বিজ্ঞানৰ শ্ৰেণীত ভৰ্তি হৈছিল, তাৰো কাৰণ আছিল- জেদ।" কলেজীয়া শিক্ষা গ্ৰহণ কৰাৰ আগতে অৱতীৰ্ণ হোৱা প্ৰৱেশিকা পৰীক্ষাত তেওঁৰ ফলাফল আশানুৰূপ হোৱা নাছিল। তেওঁ প্ৰথম বিভাগতহে উত্তীৰ্ণ হৈছিল। পৰীক্ষাৰ ফলাফল ঘোষণা হোৱাৰ দিনা সংস্কৃত শিক্ষক লক্ষ্মীনাথ ফুকনে তেওঁক কলা শাখাত পঢ়িবলৈহে নিৰ্দেশ দিছিল। অৱশ্যে হোমেন বৰগোহাঞিয়ে মনে মনে কলা শাখাতে পঢ়িম বুলিয়েই ঠিক কৰি থৈছিল। কিন্তু শিক্ষকগৰাকীৰ কথা শুনি তেওঁ জেদতে বিজ্ঞান শাখাত পঢ়িবলৈ থিৰাং কৰিলে। ইয়াৰ পিছত তেওঁ তৃতীয় বাৰ্ষিকত নাম লগাওঁতে ইংৰাজীত অনাৰ্ছ ল'লে আৰু বিজ্ঞান শাখাৰ পৰা কলা শাখালৈ আহিল। তেওঁৰ আত্মজীৱনী 'আত্মানুসন্ধান'ত কৈছে, "আৰ্টছলৈ আহি ঘৰৰ ল'ৰা ঘৰলৈ ঘূৰি অহাৰ নিচিনা বিৰাট স্বস্তি অনুভৱ কৰিলোঁ।"

সৃষ্টিশীল আৰু সমৃদ্ধিশালী ৰচনা সম্ভাৰেৰে জাতীয় সাহিত্যক বিশ্বৰ আগত সফলতাৰে দাঙি ধৰাৰ সমান্তৰালকৈ বিভিন্ন জনপ্ৰিয় তথা উচ্চমানদণ্ডৰ আলোচনী সম্পাদনাৰ জৰিয়তে সমগ্ৰ অসমতে ধনাত্মক তথা ইতিবাচক বৌদ্ধিক চিন্তাৰ বিকাশ সাধন কৰাৰ ক্ষেত্ৰত হোমেন বৰগোহাঞিৰ ভূমিকা আছিল অপৰিসীম। অসমৰ সাহিত্য-সংস্কৃতি, সংবাদ আদি জগতলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই থৈ যোৱা হোমেন বৰগোহাঞিৰ জীৱন, কৰ্ম, চিন্তা আৰু আদৰ্শই অসম আৰু অসমীয়াক কেৱল অনুপ্ৰাণিত কৰাই নহয়, জীৱনৰ সঠিক পথৰ সন্ধানত পথ প্ৰদৰ্শক ৰূপে জনজীৱনক ফলপ্ৰসূ কৰি তুলিছিল। সবল ব্যক্তিত্ব আৰু উচ্চ চিন্তাৰ অধিকাৰী হোমেন বৰগোহাঞি আছিল একাধাৰে সাহিত্যিক, শিক্ষাবিদ, বুদ্ধিজীৱী, সাংবাদিক আৰু লগতে এজন একনিষ্ঠ সমাজ সেৱক।

১৯৫৮ চনত তেওঁ নিৰুপমা তামুলীৰে সৈতে বিবাহপাশত আবদ্ধ হয়। নিৰুপমা তামুলীয়েই পাছলৈ নিৰুপমা বৰগোহাঞি, অসমৰ অন্যতম এগৰাকী জনপ্ৰিয় লেখিকা। তেওঁ নাৰীবাদী লেখাৰ বাবে বিখ্যাত অথবা জনপ্ৰিয়। তেওঁলোকৰ দুটি সন্তান অনিন্দ্য বৰগোহাঞি আৰু প্ৰদীপ্ত বৰগোহাঞি।

১৯৫৫ চনত হোমেন বৰগোহাঞিয়ে প্ৰশাসনিক সেৱাৰ পৰীক্ষাত অৱতীৰ্ণ হয় আৰু মাজুলীত উপ-প্ৰতি সমাহৰ্তা হিচাপে কৰ্মজীৱন আৰম্ভ কৰে। কিন্তু ১৯৬৮ চনত চৰকাৰী চাকৰি পৰিত্যাগ কৰে আৰু সাপ্তাহিক নীলাচল কাকতত সম্পাদক হিচাপে সাংবাদিক জীৱন আৰম্ভ কৰে। আত্মজীৱনী 'ধুমুহা আৰু ৰামধেনু' (দ্বিতীয় খণ্ড)ত হোমেন বৰগোহাঞিয়ে লেখক জীৱন কবিতাৰ জৰিয়তে আৰম্ভ কৰা বুলি মন্তব্য কৰিছে। বৰগোহাঞিয়ে সাংবাদিক জীৱনৰ পাতনি মেলিছিল মালিগাঁৱৰ পৰা প্ৰকাশিত দেৱেন্দ্ৰনাথ শৰ্মাৰ দ্বাৰা প্ৰকাশিত অসমীয়া কাকত 'দৈনিক শান্তিদূত'ৰ জৰিয়তে। ১৯৭৭ চনলৈকে নীলাচলৰ সম্পাদকৰ দায়িত্ব লোৱাৰ লগতে একেটা বৰ্ষতে 'সাপ্তাহিক নাগৰিক' নামৰ কাকতখনৰ প্ৰতিষ্ঠাপক সম্পাদক হিচাপে দায়িত্ব গ্ৰহণ কৰে। পৰৱৰ্তী ১৯৮০ চনত 'লোকায়ত' কাকতৰ সম্পাদকৰ দায়িত্ব লয়। ১৯৮১ চনত কলকাতাৰপৰা প্ৰকাশিত বঙালী ভাষাৰ কাকত 'আজকাল'ৰ তেওঁ আছিল উত্তৰ-পূৰ্বাঞ্চলৰ বিশেষ প্ৰতিনিধি। ইয়াৰ পাছতে তেওঁ ১৯৮৭ চনত 'সমকাল' আৰু ১৯৮৯ চনত 'সূত্ৰধাৰ' আলোচনীৰ প্ৰতিষ্ঠাপক সম্পাদক ৰূপে কাৰ্যনিৰ্বাহ কৰে আৰু ১৯৯১ চনত কিশোৰ-কিশোৰীৰ বাবে প্ৰকাশিত 'কিশোৰ' আলোচনীৰ প্ৰতিষ্ঠাপক সম্পাদকৰ দায়িত্ব লয়। ১৯৯৩ চনত তেওঁ সাপ্তাহিক কাকত 'অসম বাণী' সম্পাদনাৰ দায়িত্ব লয় আৰু ১৯৯৭ চনত 'আমাৰ অসম' কাকতৰ সম্পাদকৰূপে দায়িত্বভাৰ গ্ৰহণ কৰে। ২০০৪ চনত আমাৰ অসম এৰি 'দৈনিক বাতৰি' কাকতৰ প্ৰতিষ্ঠাপক সম্পাদকৰ দায়িত্ব লয়। ২০০৪ চনত তেওঁ 'আমাৰ অসম' কাকতৰ দায়িত্ব বাদ দিয়ে। ২০০5 চনৰপৰা তেওঁ বৌদ্ধিক আলোচনী 'সাতসৰী'ৰো সম্পাদক আছিল। ২০১৫ চনত তেওঁ নিয়মীয়া বাৰ্তা কাকতৰ মুখ্য সম্পাদকৰ দায়িত্ব লয় আৰু মৃত্যু পৰ্যন্ত এই কাকতখন চলায়। তেখেতে কিশোৰ-কিশোৰীৰ মাজত জনপ্ৰিয় নতুন মাহেকীয়া আলোচনী 'বাৰ-ওঠৰ'ৰ মুখ্য উপদেষ্টা পদত অধিষ্ঠিত আছিল। বৰগোহাঞি



এইগৰাকী বিশাল ব্যক্তিত্বৰ অধিকাৰী মহান গদ্য লেখকৰ সাহিত্যিক অৱদান বিশ্লেষণ তথা উল্লেখ কৰিব যোৱাটো আমাৰ বাবে হাতী মাৰি ভুৰুকাত ভৰোৱাৰ দৰে হ'ব লাগিব কাৰণ তেখেতৰ অসমীয়া সাহিত্যলৈ অৱদানৰ কথা লিখি শেষ কৰিব নোৱাৰি। অসমীয়া সাহিত্যৰ লগত জড়িত সাহিত্যিকৰ বাবে যদি যুগ বিভাজন কৰা হয় তেন্তে হোমেন বৰগোহাঞিৰ নামত এটি যুগ সৃষ্টি হ'বই।

আছিল অসমীয়া প্ৰতিদিন কাকতৰো স্তম্ভলেখক। তেওঁ নিউজ লাইভ'ত 'মুখামুখি' শীৰ্ষক এটা অনুষ্ঠান চলোৱাৰ লগতে পৰৱৰ্তী সময়ত একেটো চেটেলাইট চেনেলতে 'কথা-বাৰ্তা' নামৰ এটি অনুষ্ঠান চলাইছিল।

এগৰাকী সাহিত্যিক অথবা লেখক হিচাপে হোমেন বৰগোহাঞি আছিল অত্যন্ত যুক্তিবাদী। এবাৰ কোনো এটা ভয়ংকৰ প্ৰাকৃতিক দুৰ্যোগত লক্ষাধিক লোকে প্ৰাণ হেৰুওৱাৰ পাছত ঈশ্বৰৰ ভৱিষ্যত শীৰ্ষৰে তেখেতৰ এটা লেখা প্ৰকাশ পাইছিল। সেই লিখনিত তেওঁ প্ৰকাশ কৰিছিল যে সেই দুৰ্ঘটনাত মৃত্যু হোৱা লক্ষাধিক মানুহৰ কোনো এজনো প্ৰকৃততে ঈশ্বৰ ভক্ত নাছিল নেকি। এইখিনিতে এটা কথা লক্ষ্যণীয় যে তেওঁৰ লিখনিত প্ৰাচ্যতকৈ পাশ্চাত্যৰ চিন্তাধাৰা সামগ্ৰিকভাৱে বেছি দেখা গৈছিল। পাশ্চাত্যৰ যুক্তিবাদ, মানৱতাবাদ আদি ধাৰণাসমূহৰ দ্বাৰা পুষ্ট হৈ এক নতুন গতি প্ৰদান কৰি অসমীয়া সাহিত্যলৈ আধুনিকতাৰ জোৱাৰ অনিছিল। ইয়াৰ উপৰিও ভাৰতীয় চিন্তা চৰ্চা সমন্ধে তেখেতৰ বিশেষ দখল আছিল। ৰবীন্দ্ৰনাথৰ পৰা ঋষি অৰবিন্দৰ কৰ্মৰাজিলৈকে সকলো তেখেতৰ অধ্যয়নৰ পৰিধিৰ অন্তৰ্গত আছিল। সাহিত্য সমালোচক আৰু অত্যন্ত গভীৰ চিন্তাধাৰাৰ ব্যক্তি আছিল হোমেন বৰগোহাঞি। তেখেতৰ কৰ্মৰাজি সংস্কৃতি, বিশ্বৰ বিভিন্ন দেশৰ বহুতো গ্ৰন্থ অধ্যয়ন কৰি ভাৰতীয় আৰু অসমীয়া সাহিত্যলৈ তাৰ অনুবাদ আৰু তাৰ গভীৰ বিশ্লেষণ কৰি যি অৰিহণা অসমীয়া জাতিলৈ তেখেতে দি থৈ গ'ল সেয়া আছিল নিঃসন্দেহে প্ৰশংসনীয়।

এইগৰাকী বিশাল ব্যক্তিত্বৰ অধিকাৰী মহান গদ্য লেখকৰ সাহিত্যিক অৰদান বিশ্লেষণ তথা উল্লেখ কৰিব যোৱাটো আমাৰ বাবে হাতী মাৰি ভুৰুকাত ভৰোৱাৰ দৰে হ'ব লাগিব কাৰণ তেখেতৰ অসমীয়া সাহিত্যলৈ অৱদানৰ কথা লিখি শেষ কৰিব নোৱাৰি। অসমীয়া সাহিত্যৰ লগত জড়িত সাহিত্যিকৰ বাবে যদি যুগ বিভাজন কৰা হয় তেন্তে হোমেন বৰগোহাঞিৰ নামত এটি যুগ সৃষ্টি হ'বই। উপন্যাস, কবিতা পুথি, গল্প, প্ৰবন্ধ সংকলন, সম্পাদন কৰা গ্ৰন্থ, আলোচনী, বাতৰি কাকত আদিৰ জৰিয়তে তেখেতে অসমীয়া জাতিৰ মাজত গঢ়ি তুলিবলৈ প্ৰয়াস কৰিছিল গ্ৰন্থ পঢ়াৰ আন্দোলন। ইয়াৰ ওপৰিও তেখেতৰ আত্মজীৱনী ভালদৰে পঢ়িলে পোৱা যায় তেখেতে জীৱনত পাৰ কৰি অহা বিভিন্ন কথা কাহিনীৰ উমান। প্ৰত্যেক গ্ৰন্থ, আলোচনী, প্ৰবন্ধ আৰু তেখেতৰ সাহিত্যৰাজিত যিকোনো এটি বিষয় অতি গভীৰভাৱে বিশ্লেষণ কৰি তেখেতে সমাজত তাৰ একোখন চিত্ৰ দাঙি ধৰিছিল যাৰ দ্বাৰা আমি বিশ্বৰ সমাজ ব্যৱস্থা, যুদ্ধ-বিগ্ৰহ, ৰাজনীতি, সমাজনীতি ইত্যাদিৰ বিষয়ে বুজিব পাৰো।

সাংবাদিকতাৰ লগতে সাহিত্য ক্ষেত্ৰত আগবঢ়োৱা অসামান্য অৱদান আৰু অসমীয়া জাতি, ভাষা, সাহিত্যৰ প্ৰতি থকা হেঁপাহ আৰু কৰ্মই তেখেতক বহুতো ওপৰলৈ লৈ গৈছিল আৰু তেখেতে জীৱনজুৰি আগবঢ়োৱা এই অৱদানৰ বাবে লাভ কৰে বিভিন্ন সন্মান আৰু বঁটা বাহন। তাৰেই কিছু তলত উল্লেখ কৰা হ'ল—

(১) ১৯৭৮ চনত, 'পিতা-পুত্ৰ' উপন্যাসৰ বাবে, সাহিত্য অকাডেমি বঁটা।

(২) ১৯৯২ চনত, মেগৰ শৈক্ষিক ন্যাসে প্ৰদান কৰা, অসম উপত্যকা বঁটা।

(৩) ২০০০ চনত, অসম সাহিত্য সভাৰ কৃতী সাংবাদিকৰ 'লক্ষ্মীনাথ ফুকন বঁটা'।

(৪) ২০০২ চনত, উৎকৃষ্ট সাংবাদিকতাৰ বাবে 'জয়কৃষ্ণ ৰামদয়াল (দিল্লী) সমন্বয় বঁটা'।

(৫) নীলমণি ফুকন বঁটা।

(৬) অসম চৰকাৰৰ শ্ৰীমন্ত শংকৰদেৱ বঁটা।

(৭) মৎসেন্দ্ৰ নাথ বঁটা আৰু বহুতো।

তেখেতে ২০০১ আৰু ২০০২ চনৰ অসমৰ জাতীয় সাহিত্য জীৱনৰ অন্যতম অংশীদাৰ অসম সাহিত্য সভাৰ ক্ৰমে ডিব্ৰুগড় আৰু কলগাছিয়াৰ অধিৱেশনত সভাপতিৰ আসন অলংকৃত কৰিছিল।

২০২১ চনৰ ক'ভিড-১৯ বৈশ্বিক মহামাৰীৰ দ্বিতীয় ঢৌত তেওঁ আক্ৰান্ত হওঁতে গুৱাহাটীৰ জি.এন.আৰ.চি হাস্পতালত ভৰ্তি কৰোৱা হয় আৰু তাতে ১২ মে', ২০২১ তাৰিখে ৬-৫৮ বজাত শেষ নিশ্বাস ত্যাগ কৰে। জীৱনৰ অন্তিম সময়লৈ তেওঁ অসমীয়া বাতৰি কাকত 'নিয়মীয়া বাৰ্তা'ৰ মুখ্য সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল।

বৰগোহাঞিৰ নিজ গৃহ জিলা লখিমপুৰৰ চহৰৰ ঢকুৱাখনাত হোমেন বৰগোহাঞি ট্ৰাষ্ট প্ৰতিষ্ঠা কৰা হৈছে আৰু প্ৰতিবছৰে তেওঁলোকে বৰগোহাঞিৰ স্মৃতিত প্ৰদান কৰে 'সাহিত্য বঁটা'। বৰগোহাঞিৰ মৃত্যুৰ প্ৰতি সন্মান জনাই 'সাতসৰী' আলোচনীয়ে ২০২১ চন, জুলাই মাহ, দ্বাদশ সংখ্যাটো হোমেন বৰগোহাঞিৰ প্ৰতি শ্ৰদ্ধাঞ্জলি সংখ্যা হিচাপে প্ৰকাশ কৰিছে।

উক্ত সংখ্যাত সম্পাদক অনুৰাধা শৰ্মা পূজাৰীয়ে 'অসমত যোৱা দুটা দশক একপ্ৰকাৰ হোমেন বৰগোহাঞি ৰ বৌদ্ধিক দখলত আছিল বুলিলেও বঢ়াই কোৱা নহ'ব' বুলি সাতসৰীৰ সম্পাদকীয়ত উল্লেখ কৰিছে। পূজাৰীয়ে লিখিছে— 'হোমেন বৰগোহাঞিৰ জীৱনৰ দুটা বৈশিষ্ট্য লক্ষ্যণীয়। এক, নিঃসংগ জীৱনক গ্ৰহণ কৰি বহিৰ্মুখী সমাজ, প্ৰকৃতি বিশ্লেষণ। দুই, প্ৰজন্ম নিৰ্মাণৰ উদ্দেশ্য আগত ৰাখি সাহিত্য আৰু সাংবাদিকতাৰ ক্ষেত্ৰ দুখনক পূৰ্ণৰূপে ব্যৱহাৰ কৰাত তেখেত সমৰ্থ হৈছিল।'

তেখেতৰ যুক্তিবাদী চিন্তাধাৰা, সৃষ্টিশীল জীৱন, আৰু কৰ্ম উদ্যম মন আৰু ভাৱনাক সন্মান জনাই তেখেতক আমি শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। তেখেতৰ দৰে এজন চিন্তানায়ক বিৰল। অসমীয়া সাহিত্য আৰু সাংবাদিকতাৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদানৰ বাবে হোমেন বৰগোহাঞি অসমীয়া জাতীয় জীৱনত সদায় স্মৰণীয় হৈ ৰ'ব। এই চেগতে তেখেতলৈ যাচিলোঁ আমাৰ কৃতজ্ঞতাপূৰ্ণ শ্ৰদ্ধাঞ্জলি।❑

**— সম্পাদনা সমিতি**



# বশিষ্ঠ দেৱ শৰ্মা

## বৈষ্ণৱ সংস্কৃতিৰ অন্যতম সাধক বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া

বৈষ্ণৱ সংস্কৃতিৰ অন্যতম সাধক তথা গুৰি ধৰোঁতা অসমৰ শংকৰী কলা-কৃষ্টিক জীয়াই ৰখাৰ এগৰাকী হোতা আছিল শ্ৰীশ্ৰীমাধৱদেৱে প্ৰতিষ্ঠা কৰি থৈ যোৱা বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া বশিষ্ঠ দেৱ শৰ্মা।

তেখেত এজন ব্যক্তিয়েই নাছিল, এটা অনুষ্ঠান আছিল তেওঁ। কেৱল আধ্যাত্মিক সত্তাৰে নহয় সামাজিক দায়বদ্ধতাৰে তেওঁ সমাজখনক নেতৃত্ব দিছিল। তেওঁৰ মহাপ্ৰস্থানৰ পাছত কেৱল বৰপেটা সত্ৰতে নহয় সামগ্ৰিকভাৱে ৰাজ্যৰ বৌদ্ধিক, সাংস্কৃতিক আৰু আধ্যাত্মিক পৰিমণ্ডলত বৃহৎ শূন্যতা সৃষ্টি কৰিলে।

**জন্ম ঃ** ১৯৩৮ চনৰ ১ এপ্ৰিলত বৰপেটাৰ সুন্দৰীদিয়াত জন্ম হৈছিল তেওঁৰ। তেখেতৰ পিতৃৰ নাম আছিল গিৰীশ চন্দ্ৰ দেৱ শৰ্মা আৰু মাতৃৰ নাম আছিল দময়ন্তী দেৱী।

**শিক্ষক হিচাপে কৰ্মজীৱন ঃ** বশিষ্ঠ দেৱ শৰ্মাৰ কৰ্মজীৱন বৰপেটাৰ পল্লাৰপাম প্ৰাথমিক বিদ্যালয়ত সহকাৰী শিক্ষক হিচাপে যোগদান কৰি আৰম্ভ হয় আৰু সুন্দৰীদিয়াৰ দক্ষিণহাটী প্ৰাথমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰে।

**সাংস্কৃতিক কৰ্মজীৱন ঃ** সত্ৰীয়া পৰিৱেশত সত্ৰীয়া পৰম্পৰা অনুসৰণ কৰা দেৱ শৰ্মাই আকাশবাণীযোগেও কীৰ্তন, ঘোষা, নাও খেলৰ গীত, ভাওনা আদিৰ চৰ্চা কৰিছিল। সত্ৰীয়া সংস্কৃতি প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে জীৱন উছৰ্গা কৰি সেইবোৰ নিখুঁতভাৱে নৱপ্ৰজন্মক দি যাবৰ বাবে তেওঁৰ পৰিচালনা আৰু কণ্ঠদানেৰে বহুকেইখন শ্ৰব্য কেছেট

তেওঁ প্ৰস্তুত কৰিছিল। তাৰ ভিতৰত সুন্দৰ, হৰি গুণ গাই নাচা, দেৱ যদুপতি, বনমালী ৰাম উল্লেখযোগ্য।

১৯৯৩ চনত বৰপেটা সত্ৰৰ ডেকা সত্ৰাধিকাৰ হিচাপে তেওঁ নিৰ্বাচিত হৈছিল। বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া হিচাপে তেখেতে দায়িত্বভাৰ লয় ২০০৭ চনত। বৰপেটা সত্ৰৰ শাখা সত্ৰসমূহক পদ্ধতিগতভাৱে সংস্কাৰ আৰু উৎকৰ্ষ সাধনৰ বাবে তেওঁ গ্ৰহণ কৰিছিল বহু উল্লেখনীয় পদক্ষেপ।

মাধৱদেৱৰ নীতি আদৰ্শৰ ধ্বজাবাহক আছিল বশিষ্ঠ দেৱ শৰ্মা। তেখেত একাধাৰে এগৰাকী শিক্ষক আৰু বৈষ্ণৱ সংস্কৃতিৰ সাধকৰ লগতে আছিল এগৰাকী সু-অভিনেতাও। বিভিন্ন প্ৰান্তলৈ গৈ তেওঁ অভিনয়ো কৰিছিল। কেৱল বৰপেটাৰে সমাজ জীৱনৰ প্ৰাণস্পন্দন আৰু শ্ৰদ্ধাশীল ব্যক্তি নাছিল তেওঁ।

অসমৰ বিভিন্ন ঠাইত, বিভিন্ন ভিতৰুৱা অঞ্চলত পিছপৰা জাতি-জনগোষ্ঠীৰ মাজলৈ গৈ বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ কৰি অসমৰ ইমূৰৰ পৰা সিমূৰ তেওঁ ঘূৰি ফুৰিছিল আৰু ভক্তিৰস বিলাই ফুৰিছিল।

বশিষ্ঠ দেৱ শৰ্মা লগতে আছিল এজন সু-লেখকো। তেওঁ ৰচনা কৰি থৈ যোৱা বহুতো গুৰুত্বপূৰ্ণ প্ৰবন্ধ বিভিন্ন কাকত, আলোচনীত প্ৰকাশ পাইছিল। নাও খেলৰ গীত, মহোহৌ গীত, পূৰ্ণ মানৱ সমন্বয়ৰ গুৰু শ্ৰীমন্ত শংকৰদেৱ, সত্ৰীয়া নীতি-বিচাৰ, মানৱ জীৱন চন্দন কাঠ আদি তেওঁৰ সাহিত্য সৃষ্টিৰাজিৰ ভিতৰত পৰে। তেওঁৰ ৰচনাসমূহৰ ভিতৰত, নাওখেলৰ গীত, মহোহৌ গীত, থানৰ বাতৰি সোধা ভবা ৰোগৰ ঔষধ কৃষ্ণ কথা, সত্ৰত শৰণৰ ব্যৱস্থা, ৰাস তথ্য, শকত ব্যঞ্জন, মানৱ জীৱন, চন্দন কথা, ধৰ্ম আদি অন্যতম। তেওঁৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থৰ ভিতৰত 'সত্ৰীয়া নীতি বিচাৰ', শংকৰদেৱ, সুন্দৰীদিয়া, থিয় নাম, এক মধুৰ সোঁৱৰণী আদি উল্লেখযোগ্য।

উজনি, নামনি আৰু মধ্য অসমৰ বিভিন্ন স্থানত তেওঁ বৰপেটা সত্ৰৰ শাখা সত্ৰ স্থাপন কৰি পদ্ধতিগতভাৱে গুৰুজনাৰ ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰ কৰাৰ লগতে গুৰু সেৱা আগবঢ়াই থৈ গৈছে।

শৈশৱৰ পৰাই সৃষ্টিশীল অভিনয়েৰে তেওঁ লাখ লাখ মানুহৰ হৃদয় জয় কৰিছে। ড° ভূপেন হাজৰিকা পৰিচালিত 'এৰাবাটৰ সুৰ'ত তেওঁ 'ভোৰ-তাল নৃত্য' প্ৰদৰ্শন কৰিছিল। অসমৰ বিভিন্ন প্ৰান্তত তেওঁ বহু যাত্ৰা, নাটক, অংকীয়া ভাওনা মঞ্চস্থ কৰিছিল। তেওঁ বাংলাৰ পৰাও অসমীয়া ভাষালৈ বহুতো নাটক অনুবাদ কৰিছিল। তেওঁ অনুবাদ কৰা নাটৰ ভিতৰত মাটিৰ মানুহ, নহুষ উদ্ধাৰ, মহিষাসুৰ বধ, বেথাৰ পূজা আদি।

বশিষ্ঠ দেৱ শৰ্মাই বিহাৰৰ পাটনাৰ কলিঅ'দাস ৰংগ মঞ্চত বন্দী মাছৰ গদ্য নাটকত অভিনয় কৰি প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। বশিষ্ঠ দেৱ শৰ্মাই কিশোৰী মোহন পাঠকৰ দ্বাৰা ৰচিত মথুৰাপুৰীৰ মথুৰা দাস নাটকত তেওঁ মথুৰা দাস বুঢ়া আতাৰ চৰিত্ৰত অভিনয় কৰি ভক্ত দৰ্শকৰ মন মুহিছিল। তদুপৰি বশিষ্ঠ দেৱ শৰ্মা এগৰাকী জনপ্ৰিয় হোলী গীতৰ গায়ক হিচাপেও সমগ্ৰ অসমত প্ৰসিদ্ধ আছিল।

তেওঁ জনজাতীয়, চাহ বাগিছা আদিত বহু সত্ৰ নামঘৰ স্থাপন কৰি বৰপেটা সত্ৰৰ মূল ধাৰাটোৰ সৈতে সংযোগ কৰিছে। তেওঁ সমাজৰ অনুসূচিত জাতি-জনজাতি আৰু নিম্ন শ্ৰেণীৰ লোকসকলৰ মাজত ধৰ্মীয় দৰ্শনৰ ধৰ্ম প্ৰচাৰ কৰি আহিছে। তেওঁ ধৰ্মধ্বনি দি হিন্দু-সমাজৰ জনসাধাৰণক সত্ৰীয়া নামধৰ্মৰ সৈতে সংযোগ কৰি থৈ গৈছে। তেওঁ প্ৰায় ২৫-৩০ হাজাৰ নিম্ন বা পিচপৰা শ্ৰেণীৰ লোকক ভাগৱত ধৰ্মৰ প্ৰতি আগ্ৰহী কৰি তুলিছিল আৰু তেওঁলোকক প্ৰকৃত জীৱনশৈলী দেখুৱাইছিল। আনকি তেওঁ জনজাতীয় লোকসকলকো সত্ৰ নীতিৰে ধৰ্মধ্বনি দিছিল।

গহীন গম্ভীৰ কণ্ঠ, উদাৰ দৃষ্টিভংগী আৰু নতুন প্ৰজন্মক লোক-কৃষ্টিৰ পাঠ দি আগুৱাই নিয়া এই মহান ব্যক্তি বিশেষৰ ব্যক্তিত্বই সকলোকে সন্মোহিত কৰিছিল। বশিষ্ঠ দেৱ শৰ্মা আছিল আঁৰৰ মানুহ। এজন সাধাৰণভাৱে থকা অসাধাৰণ ব্যক্তি। তেওঁৰ কণ্ঠত নিগৰিত হোৱা ঘোষা, বৰগীত, হোলী গীতে মানুহৰ মনত ভক্তি ভাৱৰ সৃষ্টি কৰিছিল।

**তেখেতে লাভ কৰা বিভিন্ন বঁটা আৰু সন্মানসমূহ ঃ**

১। সাংস্কৃতিক মহাসভাৰ পৰা জীৱনজোৰা সাংস্কৃতিক সাধনা বঁটা
২। শ্ৰীমন্ত শংকৰদেৱ বঁটা
৩। লুইতপৰীয়া জীৱনজোৰা সাধনা বঁটা
৪। মাধৱদেৱ বঁটা
৫। ২০১১ চনত শ্ৰীশ্ৰীদৈত্যাৰি ঠাকুৰ দেৱ বঁটা, গুৱাহাটীৰ অসম জাতীয় বিদ্যালয়ৰ বৰপেটা ফেল 'শ্বিপ
৬। শ্ৰীশ্ৰীমথুৰাদাস বুঢ়া আতা বঁটা
৭। কমলাবাৰী সত্ৰ, অসমৰ শ্ৰীশ্ৰীবদলা পদ্ম আতা বঁটা
৮। ২০১৪ চনত যোৰহাটৰ 'শংকৰ মাধৱ সঞ্চাৰণ বঁটা
৯। ২০১৭ চনত কৃষ্ণনন্দ বঁটা নিৰ্ণায়ক সমিতিৰ পৰা 'কৃষ্ণনন্দ বঁটা'
১০। ২০১৮ চনত অখিল ভাৰত হিন্দু মহাসভা, অসম সমিতিৰ পৰা লুইতপৰীয়া জীৱন জোৰা সাধনা বঁটা
১১। হাউলী বঁটা
১২। গুৱাহাটীৰ অসম জাতীয় বিদ্যালয়ৰ বৰপেটা ফেল'শ্বিপ

সত্ৰীয়া সংস্কৃতিৰ প্ৰতিটো কথাই তেওঁৰ নখ দৰ্পণত। ঈশ্বৰত্ব সন্ধানৰ বাবে তেওঁৰ ব্যক্তিত্বই মানুহক সন্মোহিত কৰিছিল। দাম্ভিকতাৰ বিপৰীতে তেওঁৰ সৰলতাই সাধাৰণ লোকসকলক আকৰ্ষিত কৰিছিল। সেয়েহে তেওঁৰ বিয়োগৰ পাছত সকলোৱে এক মুখে, সশ্ৰদ্ধাৰে কৈছে— তেওঁৰ দৰে সত্ৰাধিকাৰ হয়তো আৰু আমি কেতিয়াও নাপাম।

এই মহান ব্যক্তিজনৰ বিয়োগত যি শূন্যতা সৃষ্টি হ'ল সেই অভাৱ আমি পদে পদে অনুভৱ কৰিম। কেতিয়াও তেওঁ কক্ষচ্যুত হোৱা নাছিল। গহীন গম্ভীৰভাৱে যিকোনো প্ৰত্যাহ্বানৰ তেওঁ সন্মুখীন হৈ সমাধানৰ বাট কৰ্ষণ কৰিছিল।

এইগৰাকী মহান মনীষী আমাৰ মাজৰ পৰা আঁতৰি যায়।❑

**—সম্পাদনা সমিতি**



# নীলপৱন বৰুৱা

## এক ৰঙীন শিল্পীসত্তা

*ৰং তুলিকাৰে জীৱনটো সজাব খোজা মানুহজনে মাটিত ভৰি থৈ আকাশ চুব খুজিছিল। নীলা আকাশ মানুহজনৰ প্ৰিয়। ১৯৩৬ চনৰ পহিলা জুনৰ দিনাখন যোৰহাট জিলাৰ টিয়কৰ ওচৰৰ তামুলীছিগা গাঁৱত ধ্বনি কবি ৰূপে খ্যাত বিনন্দ চন্দ্ৰ বৰুৱা আৰু লাৱণ্যপ্ৰভা বৰুৱাৰ এটি পুত্ৰ সন্তান জন্ম হৈছিল। নাম থৈছিল নীলপৱন বৰুৱা। সময় পাৰ হোৱাৰ লগে লগে ৰং তুলিকাবোৰ প্ৰথমে তেওঁৰ বাবে আকস্মিক আকৰ্ষণ আৰু পাছলৈ এৰাব নোৱাৰা নিছা হৈ পৰিছিল।*

**শিক্ষা ঃ**

হাইস্কুল শিক্ষান্ত পৰীক্ষা উত্তীৰ্ণ হোৱাৰ পাছত তেওঁ কলেজীয়া শিক্ষা লোৱা নাছিল। কিন্তু প্ৰমথনাথ বসুৰ এখন কিতাপৰ পৰা অনুপ্ৰাণিত হৈ তেওঁ শান্তি নিকেতনত শিক্ষা লোৱাৰ মানস কৰে আৰু কলিকতালৈ যায়। প্ৰথমে তেওঁৰ যদিও ইচ্ছা আছিল কৃষি বিষয়ত শিক্ষা লোৱাৰ কিন্তু পাছলৈ শান্তি নিকেতনত প্ৰদৰ্শিত চিত্ৰ আৰু পাঠদানৰ শ্ৰেণীসমূহ দেখি চিত্ৰকলালৈ আকৰ্ষিত হয় আৰু চিত্ৰকলা শাখাত শিক্ষা গ্ৰহণ কৰে। শান্তি নিকেতনৰ চিত্ৰকলাৰ শিক্ষা শেষ কৰি তেওঁ নিকেতনৰ পৰা ''Glazed Pottery'' বিষয়ত শিক্ষা লয়। পাছলৈ তেওঁ নতুন দিল্লীৰ 'গাৰ্হি ষ্টুডিঅ'তো চিত্ৰাংকণৰ শিক্ষা লৈছিল।

**কৰ্ম জীৱন ঃ**

১৯৬৬ চনত কলকাতাৰ পৰা নীলপৱন বৰুৱা অসমলৈ উভতি আহে আৰু দেউতাকৰ ইচ্ছানুসৰি ‘গুৱাহাটী আৰ্ট কলেজ’ত শিক্ষকৰ কামত যোগ দিয়ে। ১৯৭১ চনত তেওঁ অসম চাৰু-কাৰু কলা পৰিষদ প্ৰতিষ্ঠা কৰে। লগতে ‘বসুন্ধৰা কলা নিকেতন’ নামে অসমৰ প্ৰথমখন ব্যক্তিগত খণ্ডৰ চিত্ৰ-শিল্পৰ বিদ্যালয় স্থাপন কৰে। ইয়াৰ পাছৰে পৰা তেওঁ চিত্ৰ-শিল্প সৃষ্টিৰ কামত লাগি যায়।

**সামাজিক জীৱন ঃ**

কেৱল ছবি আঁকিয়েই দায়িত্ব শেষ বুলি নভবা মানুহজনে ছবি অঁকাৰ লগে লগে দেশৰ প্ৰতি, দহৰ প্ৰতি, সমাজৰ প্ৰতি আৰু অসমীয়া জাতিৰ প্ৰতি থকা দায়িত্ব আৰু কৰ্তব্য যি নিষ্ঠাৰে পালন কৰিছিল সেয়া লেখত ল’বলগীয়া। আনহাতে ব্যক্তিগত জীৱনটো প্ৰেমৰ প্ৰকৃত উদাহৰণস্বৰূপ ব্যতিক্ৰম প্ৰেমিকৰূপে চিনাকি দি থিয় হৈছিল তেওঁৰ সহধৰ্মিণী অসমৰ খ্যাতনামা কণ্ঠশিল্পী, কোকিলকণ্ঠী দীপালি বৰঠাকুৰৰ পৰিচৰ্যাত। অসমৰ নাইটিংগেল দীপালি বৰঠাকুৰৰ সৈতে নীলপৱন বৰুৱাৰ সম্পৰ্ক আছিল আদৰ্শৰ অন্য এক নাম। তেওঁলোকৰ প্ৰেম আছিল এক আদৰ্শ, এক উদাহৰণ, বহু জনমৰ মিলনৰ গান। মাত্ৰ ২৭ বছৰ বয়সতে মটৰ নিউৰণ ৰোগত আক্ৰান্ত হৈ কণ্ঠ হেৰুওৱাৰ লগতে জীয়াই থকাৰ হেঁপাহত আউল লাগি এক নতুন সংগ্ৰামৰ সৈতে চিনাকি হোৱাৰ সময়ত দীপালি বৰঠাকুৰৰ জীৱনলৈ আহে নীলপৱন বৰুৱা। এনে সময়তে বিয়া কৰোৱাৰ প্ৰস্তাৱ লৈ কাষ চাপিছিল দীপালি বৰঠাকুৰৰ জেষ্ঠ ভাতৃ মহেন্দ্ৰ বৰঠাকুৰৰ। পিছত বহু চিন্তা চৰ্চাৰ অন্তত তেওঁলোকৰ প্ৰেমবিবাহ সম্পন্ন হয়। দীপালি বৰঠাকুৰৰ সংগ্ৰামত এখন প্ৰেম আৰু দায়িত্বৰ হাত হৈ আজীৱন লগত থাকিল নীলপৱন বৰুৱা। সেই গধুৰ দায়িত্বক তেওঁ মৰমেৰে আঁকোৱালি ল’লে আৰু ধুমুহা বতাহে নেওচিব নোৱাৰাকৈ শিপা খামুচি ধুমুহাত হাউলি নপৰা এজোপা প্ৰেমৰ বৃক্ষ হৈ আজীৱন দীপালি নামৰ মৰমক ছাঁ দি থাকিল। ২০১৮ চনৰ ২১ ডিচেম্বৰৰ দিনাখন দীপালী বৰঠাকুৰে শেষ নিশ্বাস ত্যাগ কৰে আৰু নীলপৱন বৰুৱা অকলশৰীয়া হৈ পৰে।

**গ্ৰন্থপঞ্জী ঃ**

‘অন্য এক গতি (সংকলন)’, ‘বসুন্ধৰা-১’,‘ বসুন্ধৰা-২’, ‘নীলপৱন বৰুৱাৰ ছবি আৰু কবিতা’

**কেইখনমান উল্লেখযোগ্য চিত্ৰকৰ্ম ঃ**

‘গ্ৰীণ বাৰ্ড’, ‘কালিয় দমন’, ‘শংখচক্ৰ গদাপদ্ম’, ‘শায়িত মানুহ’, ‘বৰঢোল’, ‘ভিয়েটনামৰ জয়’, ‘চিএগুৰ’, ‘তিনিজন মাতব্বৰ’, ‘পটচিত্ৰ’ আৰু ‘দেৱীৰ তিনিখন মুখ’। ১৯৭০ আৰু ১৯৭১ চনত গুৱাহাটীত, ১৯৭২ আৰু ১৯৭৮ চনত লক্ষ্ণৌত, ১৯৬৫, ১৯৮৬ আৰু ২০১২ চনত, নৰকান্ত বৰুৱা ফাউণ্ডেচনে নীলপৱন বৰুৱাৰ প্ৰায় ৮৭ খন চিত্ৰৰে ৰাজ্যিক আৰ্ট গেলেৰীত ‘নীলপৱন বৰুৱা- চিত্ৰৰ প্ৰদৰ্শনী’ শীৰ্ষক এখন প্ৰদৰ্শনীৰ আয়োজন কৰিছিল আৰু ২০১৫ চনত কলকাতাৰ বিৰলা একাডেমী আৰু ভুবনেশ্বৰত বৰুৱাৰ একক চিত্ৰ প্ৰদৰ্শনী অনুষ্ঠিত হৈছিল।

**স্বীকৃতি ঃ**

বহু সন্মানেৰে সন্মানিত নীলপৱন বৰুৱাক ২০২১ চনত অসম চৰকাৰে ‘অসম সৌৰভ’ বঁটাৰে সন্মানিত কৰিছিল (Neel Pawan Baruah's achievement)।

**অন্যান্য বঁটা আৰু সন্মান ঃ**

| বৰ্ষ | বঁটা |
|---|---|
| ১৯৮৯ | অসম চৰকাৰৰ শিল্পী পেন্সন |
| ২০০৪ | প্ৰণৱ বৰুৱা বঁটা |
| ২০০৫ | বিষ্ণু ৰাভা বঁটা |
| ২০০৭ | লিঅ’ এক্সপ’ বঁটা |
| ২০০৮ | জ্যোতিৰূপা শিল্পী বঁটা |
| | ৰবীন্দ্ৰ জয়ন্তী শিল্পী সন্মান |
| ২০১৬ | চাটক বঁটা |
| | অসম জাতীয় বিদ্যালয়ৰ ফেল’শ্বিপ প্ৰদান |

২০২২ চনৰ ২৮ অক্টোবৰৰ দিনাখন ক’ভিডৰ পিছত হোৱা স্বাস্থ্য সম্পৰ্কীয় জটিলতাত ভুগি চিনাকি ৰং-তুলিকা, কেনভাচ্ এৰি নীল আকাশলৈ বুলি বাট বুলি চিৰদিনৰ বাবে নিজেই ছবিত বন্দী হৈ ৰ’ল প্ৰসিদ্ধ চিত্ৰশিল্পগৰাকী।

মহান চিত্ৰশিল্পী গৰাকীৰ অনন্য সৃষ্টিশীলতা, ত্যাগ, পবিত্ৰ সত্তা, নিস্বাৰ্থ মন, জাতিৰ প্ৰতি অৱদান, দায়িত্ব আৰু কৰ্মৰাজীক আমি প্ৰণিপাত জনাইছোঁ। তেওঁৰ যি জীৱন জীয়াৰ গান সেয়া আমাৰ বাবে আদৰ্শ। নীলপৱন বৰুৱা এজন চিৰযুগমীয়া প্ৰেমৰ প্ৰতীক যিয়ে সকলোকে প্ৰেমৰ নিৰ্মূল বাটটি দেখুৱাই থৈ গ’ল আৰু নতুনকৈ আকৌ এবাৰ অনুভৱ কৰালে প্ৰেম আচলতে হৃদয়ৰ উৎসৱ, যি প্ৰতিদিনে উদযাপন কৰিব পাৰি সকলো দুৰ্যোগ আওকাণ কৰি আৰু ৰঙীন কৰিব পাৰি নিঃস্বাৰ্থৰ ৰঙেৰে। তেখেত অসমীয়া জাতিৰ অমূল্য সম্পদ। তেখেতৰ অনুপস্থিতিত উকা হৈ ৰ’ব বহু কেনভাচ্। তেখেতক শ্ৰদ্ধাৰে সুঁৱৰিছো। কুশলে থাকক জোনৰ দেশত।❑

**— সম্পাদনা সমিতি**



# জন্ম শতবৰ্ষত অসমীয়া ৰহস্যধৰ্মী সাহিত্যৰ আলোড়নকাৰী সাহিত্যক

# ৰংমন ৰবীন দে

**চুমন ডেকা**

দস্যু ভাস্কৰ চিৰিজৰ জৰিয়তে আলোড়ন সৃষ্টি কৰা, এক বিৰল খিতাপৰ অধিকাৰী ৰবীন দে' ওৰফে ৰংমনৰ জন্ম হৈছিল ১৯২২ চনৰ ২২ মাৰ্চত শিৱসাগৰৰ নাজিৰাত। আমাৰ মনত স্বদেশপ্ৰেমৰ ভাৱ জগাই দিয়া সাহিত্যিক ডাকু, পৰ্বতৰ ৰেঙণি, পৰন কোঁৱৰ আদি মনোৰম শিশু উপন্যাসৰ স্ৰষ্টা এগৰাকী প্ৰকৃত অসমীয়া আছিল ৰংমন ওৰফে ৰবীন দে'। ১৯৩৫ চনত তেখেতে নাজিৰা হাইস্কুলত নামভৰ্ত্তি কৰে, ১৯৪৩ চনত তাৰ পৰাই প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ পাছত তেওঁ উচ্চ শিক্ষাৰ বাবে স্কটিছ চাৰ্চ কলেজত আই এ বিভাগত নামভৰ্তি। কিছু বছৰ তাতে শিক্ষা গ্ৰহণ কৰি তেখেত পুনৰ অসমলৈ উভতি আহে। আকৌ ১৯৬০ চন মানত তেখেত কলিকতালৈ যায়। পৰৱৰ্তী সময়ত 'ছোভিয়েট দেশ' আলোচনীত অসমীয়া ভাষাৰ আৰ্হি পাঠক হিচাপে নিযুক্ত হয়। সেই সময়ত গোটেই ভাৰতবৰ্ষ জুৰি চলা স্বাধীনতা আন্দোলনৰ লগত তেওঁ জড়িত হৈ পৰিছিল। ইয়াৰোপৰি তেওঁ নাজিৰা নাট্য সমিতিৰ সৈতেও জড়িত হৈছিল। ৰামধেনু যুগৰ উল্লেখযোগ্য আলোচনী 'আমাৰ প্ৰতিনিধি'ৰ জৰিয়তে তেওঁৰ সাহিত্যিক জীৱনৰ আৰম্ভণি ঘটে।

ওৰেটো জীৱন কেৱল মাত্ৰ অসমীয়া সাহিত্যক নিজৰ মূল চৰ্চা আৰু কৰ্ম হিচাপে লৈ সৃষ্টি কৰা বহুতো ৰহস্যময়ী উপন্যাসৰ মূল ব্যক্তি আছিল ৰবীন দে' ওৰফে ৰংমন। এখেত আছিল কলিকতাৰ এখন 'ছোভিয়েট দেশ' আলোচনীৰ প্ৰুফ ৰিডাৰ। কলাৰ জগতক অগ্ৰাধিকাৰ দি বিভিন্ন শিতানৰ জন্ম দিয়া 'আমাৰ প্ৰতিনিধি' আলোচনীতে ৰংমনে প্ৰথমখন উপন্যাস লিখিবলৈ আৰম্ভ কৰে। সেইখন আছিল ৰহস্যধৰ্মী উপন্যাস 'কুঁৱলীৰ আঁৰে আঁৰে'। যিখন সেই সময়ত খুব জনপ্ৰিয়তা লাভ কৰিছিল। কিন্তু পৰৱৰ্তী সময়ত 'দস্যু ভাস্কৰ' ছিৰিজৰ যোগেদিহে তেওঁ অধিক জনপ্ৰিয়তা লাভ কৰে। সত্তৰ আৰু আশীৰ দশকত ধাৰাবাহিকভাৱে প্ৰকাশিত এইলানি উপন্যাসৰ মুঠ সংখ্যা আছিল ৬১। এই ছিৰিজটোৰ প্ৰথমখন উপন্যাস হৈছে 'দস্যু ভাস্কৰৰ আৰ্বিভাৱ'। প্ৰকাশক আছিল কলিকতাৰ শ্ৰীভূমি পাব্লিছিং কোম্পানী। দস্যু ভাস্কৰৰ প্ৰত্যেকটো পৃষ্ঠাই আছিল, অসমৰ পঢ়ুৱৈসকলৰ বাবে ৰোমাঞ্চকৰ। 'ফেণ্টম'ৰ কিছু প্ৰভাৱ পৰা এই ছিৰিজটোৰ মূল চৰিত্ৰ আছিল ভাস্কৰ। ভাস্কৰৰ প্ৰতীক আছিল 'কটা হাতৰ ৰঙা ছাপ'। অৰ্থাৎ, দুষ্কৃতিকাৰীক এসেকা দি অথবা কিবা গুৰুত্বপূৰ্ণ সংকেতৰ অৰ্থ উদ্ধাৰ কৰি ভাস্কৰে এই বিশেষ চিহ্নটো ঘটনাস্থলীত এৰি থৈ আহিছিল। ভাস্কৰৰ প্ৰকৃত নামটো আছিল কমল বৰা। 'মানৱ সংঘ' নামেৰে এটা মানৱ দৰদী অনুষ্ঠান গঠন কৰি ভাস্কৰে দুখীয়া-দৰিদ্ৰক সহায় কৰাৰ পৰিকল্পনা ৰচিছিল। পৰৱৰ্তী পৰ্যায়ত এই সংঘৰ লগত চৰকাৰ-প্ৰশাসন যন্ত্ৰৰ সংঘাতৰ সৃষ্টি হয় আৰু ভাস্কৰে আত্মগোপন কৰি নিজৰ কাম-কাজ চলাবলগীয়া হয়। সমাজৰ শোষণ, লুণ্ঠন মষিমূৰ কৰিবৰ বাবে আৰু দেশদ্ৰোহীৰ কোপদৃষ্টিৰ পৰা অসমী আইক ৰক্ষা কৰিবৰ বাবে কমল বৰাই পৰিচিত পোছাকযোৰ ত্যাগ কৰি দস্যু ভাস্কৰৰ ৰূপ ধাৰণ কৰে। জয়ন্তীয়া পাহাৰৰ গুহা এটাৰ পৰা তেওঁলোকৰ কাম-কাজ নিয়ন্ত্ৰিত হয়। ভাস্কৰৰ অভিযানসমূহৰ মূল সংগী আছিল সোমন আও, পাৰ্থ, ডাঃ ধীৰেন, তীৰ্থংকৰ, ফেঁহু, বোন্দা, ফিঙা আৰু চম্পা। আনহাতে আৰক্ষী-প্ৰশাসনৰ পিনাকী শৰ্মা আৰু কিৰিটি শইকীয়া আছিল ছিৰিজটোৰ পৰিচিত চৰিত্ৰ। 'নতুন বাণী' কাকতৰ সম্পাদক পীতাম্বৰ তালুকদাৰে এফালে যদি দস্যু ভাস্কৰলৈ পৰোক্ষ সমৰ্থন আগবঢ়াইছিল, আনফালে নিৰ্দিষ্ট দূৰত্বত থাকি সামাজিক ভ্ৰষ্টাচাৰৰ দুৰ্দশাগ্ৰস্ত ছবি উন্মোচন কৰিছিল। ছিৰিজটোৰ প্ৰতিখন উপন্যাসেই ভিন্ন পটভূমিত ৰচিত। অভিযানৰ দুৰন্ত বৰ্ণনা, শিহৰণকাৰী সংঘাত, হাস্য-ব্যংগৰ বুদ্ধিদীপ্ত প্ৰয়োগ আছিল 'দস্যু ভাস্কৰ'ৰ মূল সম্পদ। ইয়াৰ কাহিনী আছিল দেশপ্ৰেম আৰু মানৱতাৰ এক নিদৰ্শন।




ভাষাৰ মানো আছিল লেখত ল'বলগীয়া। বেটুপাতবোৰে ভিতৰৰ কাহিনীৰ এটা আভাস দি পাঠকৰ মন আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। 'চক্ৰভেদী ভাস্কৰ', 'বিমান যুদ্ধত ভাস্কৰ', 'বহুৰূপী ভাস্কৰ', 'অধিবক্তা ভাস্কৰ', 'ভাস্কৰ আৰু ৰুদ্ৰপতি' আদি বিভিন্ন শিৰোনামেৰে প্ৰকাশিত গ্ৰন্থলানিৰ অন্তিমখন গ্ৰন্থ হৈছে 'গিৰিৰাম ভাস্কৰ'। শ্ৰীভূমি পাব্লিছিং কোম্পানীয়ে একবিংশ শতিকাৰ আৰম্ভণিতে (২০০৪ চন, অক্টোবৰ) এইসমূহ গ্ৰন্থৰ পৰিমাৰ্জিত সংস্কৰণ ছপা কৰে।

'ৰংমন' নামেৰে অপাৰ খ্যাতি অৰ্জন কৰা ৰবীন দে'ৰ আন এটি ছদ্মনাম হৈছে 'পৰাশৰ'।

এইটো ছদ্মনামেৰে তেখেতে 'নিপতিৰ পতি' নামেৰে এখন ধাৰাবাহিক উপন্যাস লিখে। ইয়াৰোপৰি তেখেতে ৰচনা কৰে 'পৰ্বতৰ ৰেঙণি', 'ডাকু' আৰু 'পবন কোঁৱৰ'ৰ দৰে শিশু উপযোগী গ্ৰন্থ। 'অৰুন্ধতী উদ্ধাৰ' হৈছে ৰবীন দে'ৰ সামাজিক উপন্যাস।

অসমৰ আগশাৰীৰ প্ৰকাশন গোষ্ঠী 'বনলতা'ই দস্যু ভাস্কৰ চিৰিজৰ গোটেইবোৰ গ্ৰন্থ পুনৰ মুদ্ৰণ কৰি উলিয়াইছে।

ৰবীন দে'ৰ অন্যান্য লিখনিসমূহ ---

১। কুঁৱলীৰ আৰে আৰে (ৰহস্য উপন্যাস)

২। পৰ্বতৰ ৰেঙণি (কিশোৰ উপন্যাস)

৩। পৱন কোঁৱৰ (কিশোৰ উপন্যাস)

৪। নিপাতৰ পাত (সামাজিক উপন্যাস)

৫। অৰুন্ধতী উদ্ধাৰ (সামাজিক উপন্যাস)

৭। ডাকু (শিশু উপন্যাস)

মাতৃভাষা বাংলা হ'লেও ৰবীন দে'ৰ সৃষ্টিৰাজি অসমীয়াতে আছিল। অতি পৰিতাপৰ কথা এয়ে আছিল যে, গোটেই জীৱন অসমীয়া সাহিত্যৰ সৈতে জড়িত হৈ অসমীয়া সাহিত্য সৃষ্টি কৰি, চৰ্চা কৰি শেষত অসম আন্দোলনৰ সময়ত তেখেতে বাংলাদেশী আখ্যাহে লাভ কৰিলে। যাৰ বাবে তেখেতে কলিকতালৈ গুচি গৈ তাত বসবাস কৰিব লগা হৈছিল।

অসমৰ ৰহস্যধৰ্মী সাহিত্যৰ ভঁৰালটোক অসাধাৰণ দীপ্তিৰে সমৃদ্ধ কৰি যোৱা এইগৰাকী সাহিত্যিকে ১৯৮০ চনৰ ২২ জুলাইত যাদৱপুৰৰ শ্ৰীকলনিৰ ভাড়াঘৰত হৃদৰোগত আক্ৰান্ত হৈ শেষ নিশ্বাস ত্যাগ কৰে। জন্ম শতবৰ্ষৰ এই ক্ষণত আমি মহান সাহিত্যিকগৰাকীলৈ শ্ৰদ্ধা নিবেদিছোঁ।❑



### অসম আন্দোলনত দৰঙৰ প্ৰথম গৰাকী জাতীয় শ্বহীদ
### মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ

# মুকুণ্ড বড়োলৈ গভীৰ শ্ৰদ্ধাঞ্জলি

সংগ্ৰাহক- **হিতেশ হাজৰিকা**

তাৰিখটো আছিল ১৯৭৯ চনৰ ২৭ নৱেম্বৰ। অসমৰ পৰা অবৈধ বিদেশী নাগৰিকক চিনাক্ত কৰি বহিষ্কৰণৰ দাবীত সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ যৌথ নেতৃত্বত সমগ্ৰ অসম জুৰি আৰম্ভ হোৱা ছবছৰীয়া অভূতপূৰ্ব গণ আন্দোলনটিয়ে মাথো পাঁচ মাহ ঊনৈশ দিন অতিক্ৰম কৰিছেহে। এই গণ আন্দোলনটিক নতুন মাত্ৰা দিয়াৰ বাবে তদানীন্তন মঙলদৈ জিলা ছাত্ৰ সন্থা (এতিয়াৰ ওদালগুৰি আৰু দৰং জিলাৰ এলেকা সামৰি) আৰু মঙলদৈ জিলা গণ সংগ্ৰাম সমিতিৰ উদ্যোগত মঙলদৈ চহৰৰ গান্ধী ময়দানত সিদিনা ১১-০০ বজাৰ পৰা আৰম্ভ হৈছে মঙলদৈৰ প্ৰথমখন বিশাল গণ সমাৰেশ! পুৱাৰে পৰা মঙলদৈ চহৰ লোকে লোকাৰণ্য। কলাইগাওঁ, টংলা, হৰিশিঙা, ডিমাকুছি, খৈৰাবাৰী, দুনী, ছিপাঝাৰ,

দিপীলা, দেওমৰনৈ, জনাৰামচৌকা, ভকতপাৰা, ৰৌতা, ওৰাং, মাজবাট আদি ঠাইৰ পৰা সংগ্ৰামী জনতাৰ অভাৱনীয় জনস্ৰোত। 'জয় আই অসম', 'বিদেশী নাগৰিক বহিষ্কাৰ কৰক', 'কোনে কয় লাচিত নাই, হেজাৰ লাচিত আগুৱায়', 'কোনে কয় মূলা নাই, হেজাৰ মূলা আগুৱায়', 'মৰে অসম জীয়ে কোন, জীয়ে অসম মৰে কোন', 'অসমখান গেল এ, কিবা এটা কৰ এ' আদি ধ্বনিৰে মুখৰিত সমগ্ৰ মহকুমাটিৰ আকাশ বতাহ! মঙলদৈ চহৰত কেনিও বিৰ দি বাট নোপোৱা অৱস্থা। আবাল বৃদ্ধ বণিতা, যুৱক ছাত্ৰ সকলোৱে অংশগ্ৰহণ কৰিছে এই ঐতিহাসিক গণ সমাৱেশত। জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোকৰ স্বতঃস্ফূৰ্ত অংশগ্ৰহণ!! আজিৰ তাৰিখত কল্পনা কৰিবই নোৱাৰি!!

অসম আন্দোলনৰ অন্যতম জনক বিশিষ্ট স্বাধীনতা সংগ্ৰামী, দৰং জিলাৰ প্ৰথম গৰাকী স্বীকৃতিপ্ৰাপ্ত সাংবাদিক তথা মঙলদৈ জিলা গণ সংগ্ৰাম পৰিষদৰ সভাপতি (প্ৰয়াত) পানী ৰাম দাস এই গণ সমাৱেশখনৰ সভাপতিৰ আসনত। সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰচাৰ সম্পাদক ধ্ৰুৱ প্ৰসাদ বৈশ্য, সদৌ অসম ছাত্ৰ সন্থাৰ স্বেচ্ছাসেৱক বাহিনীৰ সৰ্বাধিনায়ক জয়নাথ শৰ্মা, সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক ভৰত চন্দ্ৰ নৰহ (আন্দোলনৰ পিছত কংগ্ৰেছ দলত যোগদান কৰে), এতিয়াৰ বিশ্বনাথ, শোণিতপুৰ, ওদালগুৰি আৰু দৰং জিলাৰে গঠিত সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক কাৰ্তিক হাজৰিকাৰ উদ্দাত্ত ভাষণে সংগ্ৰামী বিশাল জনতাক আবেগিক কৰি তুলিছে। সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা নগেন শৰ্মাই (পিছলৈ অসম গণ পৰিষদ দলৰ চৰকাৰৰ মন্ত্ৰী হৈ থাকোতে উগ্ৰপন্থীৰ বিস্ফোৰণত নিহত হয়) ৰূপকোঁৱৰৰ 'ৰণ ৰণ ৰণ আলোড়ন কম্পন' কবিতাটি বলিষ্ঠ কণ্ঠৰে আবৃত্তি কৰি সমগ্ৰ জনতাক দেশপ্ৰেমৰ চেতনাৰে উদ্বুদ্ধ কৰি তুলিছে। ইপিনে সমাবেশলৈ বিশাল জনস্ৰোতৰ লানি নিছিগা সোঁত।

এনে সময়তে সমাৱেশৰ সভাপতি গৰাকীৰ এটি ঘোষণাই এই বিশাল সমাৱেশস্থলীত কাঁহ পৰি জীণ যোৱা পৰিৱেশৰ সৃষ্টি কৰিলে!! "শ্ৰদ্ধাৰ ৰাইজ, সমাৱেশলৈ অংশগ্ৰহণ কৰিবলৈ বাছ এখনেৰে আহি থকা সময়তে জাৰৰিকুছিৰ মঙলদৈ-ভূটীয়াচাং পথত সংঘটিত এক পথ দুৰ্ঘটনাত কলাইগাঁৱৰ উদীয়মান সংগ্ৰামী যুৱক মুকুণ্ড বড়োৰ থিতাতে পৰলোকপ্ৰাপ্তি হয়"! কলাইগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা শিক্ষা সাং কৰি মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণীৰ দ্বিতীয় বাৰ্ষিকত নামভৰ্তি কৰোৱা ছাত্ৰ মুকুণ্ড বড়ো জনাৰামচৌকা নিৱাসী কুহুৰাই মহাজনৰ (কুঁহিৰাম চহৰীয়া) 'হৰ গৌৰী' নামৰ যাত্ৰীবাহী বাছখনেৰে সমাৱেশলৈ আহি থাকোতেই দুৰ্ঘটনাটি সংঘটিত হয়। কোনোৱেই বিশ্বাস কৰিব পৰা নাই। সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃবৰ্গই ততালিকে এই গৰাকী সংগ্ৰামী যুৱক মুকুণ্ড বড়োক জাতীয় শ্বহীদ হিচাপে ঘোষণা কৰিলে। মঙলদৈ মহাবিদ্যালয়ৰেই নহয়, দৰং জিলাৰ প্ৰথম গৰাকী জাতীয় শ্বহীদ। মঙলদৈ অসামৰিক চিকিৎসালয়ত মৰণোত্তৰ পৰীক্ষা সম্পন্ন হোৱাৰ পিছত উত্তৰ মঙলদৈ ছাত্ৰ সন্থাৰ (এতিয়াৰ কলাইগাঁও আঞ্চলিক ছাত্ৰ সন্থা) ৰ সংগ্ৰাম সমিতিৰ সম্পাদক হীৰেন কুমাৰ চহৰীয়া আৰু কলাইগাঁৱৰ সমীপৰ চেঙাপথাৰৰ ৰঘু বড়োদেৱৰ কোলাত শুৱাই লৈ শ্বহীদ গৰাকীৰ শেষ যাত্ৰা আৰম্ভ হ'ল পৈতৃক গৃহলৈ। লগত এক বিশাল সমদল।

এতিয়াৰ ওদালগুৰি জিলাৰ অন্তৰ্গত কলাইগাঁৱৰ সমীপৰ তেজিয়ালপাৰা গাঁৱৰ তেজাল সুঠাম যুৱক শ্বহীদ মুকুণ্ড বড়ো দৰিদ্ৰ কৃষক চাবা ৰাম বড়ো আৰু লতেশ্বৰী বড়োৰ একমাত্ৰ পুত্ৰ সন্তান। তিনিগৰাকী ভগ্নী। একমাত্ৰ পুত্ৰ সন্তানৰ আকস্মিক মৃত্যুয়ে এই সহজ সৰল কৃষক পৰিয়ালটিৰ সংসাৰখন থানবান কৰিলে যদিও শ্বহীদ গৰাকীৰ মৃত্যুই সমগ্ৰ আন্দোলনটিকেই এক নতুন মাত্ৰা প্ৰদান কৰিছিল।

এইখিনিতে উল্লেখ কৰিব পাৰি যে ক্ৰম অনুসৰি অসম আন্দোলনৰ প্ৰথম গৰাকী শ্বহীদ নাহৰকটীয়াৰ পূৰ্ণকান্ত নিৰ্মলীয়া। ৮ নৱেম্বৰ ১৯৭৯। দ্বিতীয় গৰাকী শ্বহীদ তামোলপুৰৰ প্ৰমোদ কলিতা। ১২ নৱেম্বৰ ১৯৭৯। শ্বহীদ মুকুণ্ড বড়ো তৃতীয় গৰাকী। প্ৰথম গৰাকী শ্বহীদ হিচাপে খ্যাতি লাভ কৰা শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰ ক্ৰম হিচাবত অসম আন্দোলনৰ চতুৰ্থ গৰাকী শ্বহীদ। ১৯৭৯ চনৰ ১০ ডিচেম্বৰ।❑

*(বিঃদ্ৰঃ এইখিনি তথ্য সংগ্ৰহ কৰাত বিশেষ সহায় আগবঢ়োৱা সেই সময়ৰ উত্তৰ মঙলদৈ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক তথা পিছলৈ মঙলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক তথা 'দ্য ছেন্টিনেল' কাকতৰ জ্যেষ্ঠ সাংবাদিক ভাৰ্গৱ কুমাৰ দাসলৈ ধন্যবাদ যাচিলো।)*



মঙলদৈ মহাবিদ্যালয়ৰেই নহয়, দৰং জিলাৰ প্ৰথম গৰাকী জাতীয় শ্বহীদ। মঙলদৈ অসামৰিক চিকিৎসালয়ত মৰণোত্তৰ পৰীক্ষা সম্পন্ন হোৱাৰ পিছত উত্তৰ মঙলদৈ ছাত্ৰ সন্থাৰ (এতিয়াৰ কলাইগাঁও আঞ্চলিক ছাত্ৰ সন্থা) ৰ সংগ্ৰাম সমিতিৰ সম্পাদক হীৰেন কুমাৰ চহৰীয়া আৰু কলাইগাঁৱৰ সমীপৰ চেঙাপথাৰৰ ৰঘু বড়োদেৱৰ কোলাত শুৱাই লৈ শ্বহীদ গৰাকীৰ শেষ যাত্ৰা আৰম্ভ হ'ল পৈতৃক গৃহলৈ। লগত এক বিশাল সমদল।

# অসমীয়া ভাষা আৰু সংস্কৃতিৰ ঐতিহ্য তথা জাতীয় সম্পদ ঃ চৰ্যাপদ

ড° পৰমানন্দ ৰাজবংশী

নৰকায়া সাধনা বা দেহতত্ত্ব, মহাসুখকমলতস্থিত চৈতন্যময় চিত্ত বিশ্বৰ অদ্বিতীয় মুৰব্বী অথবা সদগুৰুৰ শৰণ আৰু কৃপা, চৰ্যা-অচৰ্যা, বোধিচিত্ত, যোগিনী বা নাৰী, ভাষা এই ছয়টা প্ৰধান আহিলাৰ জৰিয়তে চৰ্যা সাধন কৰিব পাৰি। সকলো বেদৰ চৰম তত্ত্ব ব্ৰহ্ম, পৰমাত্মা, ভগৱান অথবা সত্যম্ শিৱম্ সুন্দৰম্। সত্যই মংগলময় বা সুন্দৰ। এয়াই আনন্দ ব্ৰহ্ম, সহজানন্দ বা মহাসুখ। বৌদ্ধধৰ্মৰ পৰৱৰ্তী কালৰ এক ব্যতিক্ৰমী দেহতাত্ত্বিক এক পন্থা বা ধৰ্ম। এই ধৰ্ম বা পন্থাত ভগৱান নাই আছে সিদ্ধাচাৰ্যসকল। কঠোৰ সাধনাৰ মাজেৰে যিসকলে উত্তম স্তৰ বা মুক্তিত উপনীত হয় তেঁৱেই সিদ্ধাচাৰ্য। এই চৰম সহজানন্দৰ স্তৰত উপনীত হোৱা মাধ্যম বা কৰণ কাৰণেই হৈছে চৰ্যা অন্যথা অচৰ্যা। সেয়াই 'চৰ্যাচৰ্যবিনিশ্চয়'।

বৌদ্ধধৰ্মৰ পৰৱৰ্তী সময়ত যি সহজযানৰ উদ্ভৱ হ'ল তাৰ ফলতেই তদানীন্তন প্ৰাকৃত ভাষা আৰু উত্তৰ প্ৰাকৃত অপভ্ৰংশ স্তৰ মানেই আধুনিক ভাৰতীয় ভাষা সৃষ্টিৰ প্ৰাৰম্ভিক স্তৰ। পূৰ্ব মাগধীৰ পৰা সৃষ্টি হোৱা এই সংগীত কীৰ্তন বা পৰিৱেশ্য কলাৰ মাধ্যমেৰে গুৰুসকলে শিষ্য-প্ৰশিষ্যসকলক সহজযানৰ জ্ঞান বিয়পাই দিছিল।

ভাৰতীয় মাৰ্গীয় সংগীতৰ প্ৰাচীন ধাৰাটোৰ সৈতে খাপ-খুৱাই এই চৰ্যাপদে সমকালীন পোছাক পৰিধান কৰিছে। কীৰ্তনীয়া হিচাপে কোনো কোনো ঠাইত প্ৰচলিত এই চৰ্যাপদ নেপালৰ এক মাৰ্গীয় পৰিৱেশ্য কলাৰূপে পৰিচিত। নৱম শতিকাৰ পাছৰ বুলি প্ৰায়বোৰ বিশেষজ্ঞই মত প্ৰকাশ কৰা এই কলা প্ৰাচীন কামৰূপত কামৰূপী মাৰ্গীয় সংগীতধাৰাৰ আদি ৰূপ হিচাপে গণ্য কৰিব পাৰি। তাৰ পৰৱৰ্তী ওজাপালি আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ-মাধৱদেৱৰ বৰগীত আৰু সত্ৰীয়া নৃত্য পৰম্পৰাই প্ৰাচীন কামৰূপী সংগীত ধাৰাক প্ৰতিনিধিত্ব কৰি আহিছে। চৰ্যাপদ কীৰ্তনীয়া আৰু নৃত্যগীতৰ দ্বাৰা পৰিৱেশিত। একেদৰে ইয়াৰ মনসা মংগল কাব্যধাৰা মা কামাখ্যাক কেন্দ্ৰ কৰি দুৰ্গাবৰ, মনকৰ, পীতাম্বৰ আদি অবৈষ্ণৱ কবিসকলে শক্তিশালী কৰিছিল। কামাখ্যা আৰু ইয়াৰ নিকটৱৰ্তী অঞ্চলসমূহত মনসা মংগল কাব্যধাৰাত কীৰ্তনীয়া হিচাপে আৰু নৃত্য-গীতৰ দ্বাৰা প্ৰচলিত। দৰঙী ৰজা ধৰ্মনাৰায়ণৰ সময়ৰ পৰাই এই মনসা মংগল সংগীত ধাৰা সুকবি নাৰায়ণদেৱৰ পদ্মাপুৰাণৰ ভিত্তিত সমগ্ৰ অবিভক্ত কোচ-কমতাপুৰ ৰাজ্যত প্ৰচলিত হৈছিল। দুৰ্গাবৰ, মনকৰ, পীতাম্বৰৰ হাতত মাৰ্গীয় ধাৰা অক্ষত থাকিলেও সুকবি নাৰায়ণদেৱৰ কাব্য প্ৰবাহ লোকপৰম্পৰাৰ ধাৰাকো আঁকোৱালি ল'লে। ইয়াৰ মাজত দুৰ্গাবৰৰ গীতিৰামায়ণৰ প্ৰসংগও গুৰুত্বপূৰ্ণ। ইয়াৰ সমান্তৰালভাৱে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ-মাধৱদেৱৰ ভক্তি পৰম্পৰাত চৰ্যাপদৰ পৰৱৰ্তী ধাৰাটো প্ৰবাহিত হৈয়েই আছিল। দৰঙী ৰজাসকলৰ পৃষ্ঠপোষকতাত ব্যাস বা বিয়াহ ওজাপালিয়ে মাৰ্গীয় ধাৰাটোক গুৰুত্ব দিলে। ইয়াৰ বাবে 'ব্যাসপাৰা' নামেৰে এখন সংগীত সাধকৰ গাঁও গঢ়ি উঠিল। আকৌ কোচবেহাৰ আৰু দৰঙৰ মনসা মংগল পৰম্পৰাত লোককলাই গুৰুত্ব পোৱাৰ বাবে সমগ্ৰ পশ্চিম অসমত এই সুকনানি পৰম্পৰা অধিক জনপ্ৰিয় আৰু ব্যাপক হৈ পৰিল।

যিহেতু চৰ্যাপদ এক বিশেষ গুৰু পৰম্পৰাৰ সাধন মাৰ্গ, সেয়ে ইয়াৰ অৰ্থও ৰূপকধৰ্মী হৈ পৰিল। চৰ্যাপদৰ দেহত্বমূলক সংগীত ধাৰাই আকৌ বিচ্ছিন্ন ৰূপত লোক পৰম্পৰাত অসমৰ উজনি-নামনিত দেহবিচাৰ গীত, টোকাৰি গীত, বীণ বৰাগী গীত, চিয়াগীত হিচাপে পৰিগণিত হ'ল। নিঃসন্দেহে পালি-প্ৰাকৃতৰ পৰৱৰ্তী সাজ-পোছাকেৰে চৰ্যাপদৰ ভাষাই পূৰ্ব মাগধী প্ৰাকৃতৰ পৰা জন্ম হোৱা আধুনিক ভাৰতীয় ভাষা সমূহৰ অপভ্ৰংশ স্তৰ হিচাপে পৰিগণিত। চৰ্যাপদৰ এগৰাকী বিশেষজ্ঞ ড° নীলৰঞ্জন সেনৰ মতে— A hybrid style of Sanskrit developed through the sanskritization of various budhies scripters from prakrit and vernaculars.

আচাৰ্য মুনি দত্তৰ মতে 'শ্ৰীলুইপাদ, প্ৰাকৃত ভাষায়া ৰচয়িতুমাহ',

আকৌ 'কুকুৰীপাদাঃ সন্ধ্যা ভাষায়া প্ৰকটয়িতুমাহ'। ব্ৰজতন্ত্ৰৰ মতে, সন্ধ্যাভাষং মহৎ ভাষং সময় সংকেত বিস্তৰম। গুৰুৰ দ্বাৰা এই চৰ্যাপদৰ গূঢ়াৰ্থ সম্পাদন হয় বাবে সাধাৰণ অনিসন্ধিৎসু পাঠকৰ বাবে চৰ্যাপদক সান্ধ্যভাষা হিচাপে জনাজাত। এই ক্ষেত্ৰত ইলিয়াডৰ (Eliad) ভাষ্য পঢ়ো আহক— The Tantric text are frequently connected in international language a secret, obscene language with a double meaning, wherein a particular state of consciousness is expressed in optical terminology the mythological and cosmological vocabulary of which is charged both with Nath-yogic and with sexual significance.

২০১৩ চনৰ ১৬ আৰু ১৭ মাৰ্চত অসম সাহিত্য সভাই অসমৰ নাথ-যোগী সম্মিলনৰ সহযোগত গুৱাহাটী কাৰ্যালয়ত এই বিষয়ক এটি আলোচনা সত্ৰৰ আয়োজন কৰিছিল। এই সত্ৰলৈ নেপালৰ এটি বিশেষ চৰ্যাপদৰ দলক আমন্ত্ৰণ জনোৱা হৈছিল। অসমবাসী বহুতে নাজানে যে চৰ্যাপদ এক বিশিষ্ট পৰিৱেশ্য কলা। কেৱল হৰনাথ শাস্ত্ৰী মহোদয়ে নেপালৰ পৰা আৱিষ্কাৰ কৰি 'চৰ্যাচৰ্যবিনিশ্চয়' প্ৰকাশ কৰাৰ পাছতহে সংশ্লিষ্ট বাংলা, অসমীয়া, মাগধী আদি ভাষা বিশেষজ্ঞসকলৰ দৃষ্টিগোচৰ হ'ল। প্ৰাচীন কামৰূপ সাম্ৰাজ্যৰ মূলাধাৰ মা কামাখ্যাৰ নীলাচল পাহাৰ। চৰ্যাৰ 'ৰাতি ভইলে কামৰু যা' যি ৰূপক কেইবাগৰাকী সিদ্ধাচাৰ্যৰ বসতি কামৰূপ কামাখ্যা যে তন্ত্ৰ সাধকসকলৰ পীঠস্থান সেয়াই সূচিত কৰে। মধ্যযুগত মোগলৰ আক্ৰমণৰ বাবে কামৰূপ কামাখ্যাৰ পৰা পলাই যোৱা এই সিদ্ধাচাৰ্য তথা অন্যান্য সাধকসকলে নেপালৰ পশুপতি মন্দিৰক কেন্দ্ৰ কৰি নেপালৰ ৰজাসকলৰ পৃষ্ঠপোষকতাত আশ্ৰয় লৈছিল। সেই সাধকসকলে কঢ়িয়াই লৈ ফুৰা চৰ্যাপদৰ পুথি আৰু পৰিৱেশ্য কলা তাতেই সমাহাৰিত (Synthesis) প্ৰক্ৰিয়াত সংৰক্ষিত আৰু প্ৰচলিত হ'ল। আজিও নেপালতস্থিত এই কলাসাধকসকলে কামৰূপ-কামাখ্যা যে তেখেতসকলৰ পূৰ্ব সাধনস্থলী সেয়া অকপটে স্বীকাৰ কৰি আহিছে।

যিহেতু চৰ্যাপদ মাৰ্গীয় সংগীত সেয়ে পৰৱৰ্তী শংকৰদেৱ-মাধৱদেৱৰ বৰগীত আৰু সত্ৰীয়া নাচৰ সৈতে মিল থকাটো স্বাভাৱিক। সেয়ে অসমৰ পৰা বহু অনুসন্ধিৎসু গৱেষক আৰু কেইগৰাকীমান সত্ৰীয়া নৃত্য কলা-কুশলীক লগত লৈ আমি অসম সাহিত্য সভাৰ জৰিয়তে এই ঐতিহ্যমণ্ডিত কলা পুনৰ অসমত প্ৰচলন কৰি পৰম্পৰাক আৰু অধিক শক্তিশালী কৰাৰ বাবে এক আন্তৰ্জাতিক আলোচনা সত্ৰ নেপালত আয়োজন কৰিছিলো। নেপালৰ সংশ্লিষ্ট গৱেষক, পণ্ডিত আৰু চৰ্যাপদৰ নৃত্য বিশেষজ্ঞসকলৰ উপস্থিতিত।

এই ঐতিহ্যপূৰ্ণ সম্পদটি অসমলৈ ঘূৰাই আনি পুনঃপ্ৰতিষ্ঠাৰ বাবে যোৱা আলোচনা সত্ৰৰ ২০১৩ চনৰ ১৬ আৰু ১৭ মাৰ্চ তাৰিখে অসম সাহিত্য সভাই ভগৱতী প্ৰসাদ বৰুৱা ভৱনত এখনি আন্তঃৰাষ্ট্ৰীয় সন্মিলন আয়োজন কৰিছিল একমাত্ৰ এই যুগান্তকাৰী সম্পদৰ ভিত্তিত। অসম সাহিত্য সভাই নুমলীগড় তেল শোধানাগাৰৰ সহযোগত প্ৰদান কৰা বিশ্বৰত্ন ড° ভূপেন হাজৰিকা আন্তঃৰাষ্ট্ৰীয় সংহতি বঁটা পোনপ্ৰথমে লাভ কৰিছিল বাংলাদেশৰ প্ৰখ্যাত নৃত্য শিল্পী লুবনা মৰিয়ম ডাঙৰীয়ানীয়ে। তেখেতই আমাক জনাইছিল যে চৰ্যাপদ পৰিৱেশ্য কলা। এয়া প্ৰাচীন কামৰূপৰ। এতিয়াও নেপালত অক্ষত অৱস্থাত পৰিৱেশিত হৈ আছে।

নেপালৰ পৰা অহা সংগীত শিল্পীসকলেও আমাক মুকলিভাৱে জনালে যে এয়া কামৰূপ-কামাখ্যাৰ সম্পদ। মোগল আক্ৰমণৰ ফলত নেপাল দেশৰ ৰজা আৰু পশুপতি মন্দিৰত আশ্ৰয় লোৱা সিদ্ধাচাৰ্যসকলৰ প্ৰচেষ্টাত সেয়া নেপালত আজিও সংৰক্ষিত। তেওঁলোকে এই সংগীতধাৰা অসমত পুনঃপ্ৰতিষ্ঠা কৰিবৰ বাবে সভাক টানি অনুৰোধ জনাইছিল। ইমানদিনে অসমৰ পণ্ডিতসকলে চৰ্যাপদ অসমীয়া, বাংলা, মৈথেলী ভাষাৰ উমৈহতীয়া অপভ্ৰংশৰ স্তৰৰ সাহিত্যিক নিদৰ্শন হিচাপেহে জ্ঞাত আছিল।

নেপালত হোৱা ভূমিকম্পৰ বাবে আমাৰ চৰ্যাপদ পুনঃপ্ৰতিষ্ঠাৰ কাম-কাজ স্থগিত হৈ আছিল। পুনৰ আমি বিভিন্ন প্ৰতিকূল অৱস্থাৰ মাজতো সম্পূৰ্ণ নিজা খৰচত যোৱা ১৯, ২০, ২১ ফেব্ৰুৱাৰি, ২০২০ খ্ৰীষ্টাব্দ তাৰিখে নেপালৰ ত্ৰিভুৱন বিশ্ববিদ্যালয়ত চৰ্যাপদ বিষয়ক আন্তঃৰাষ্ট্ৰীয় আলোচনা সত্ৰৰ আয়োজন কৰিছিলো।

এই ঐতিহ্যপূৰ্ণ সম্পদটি পুনৰ অসমত প্ৰতিষ্ঠা আৰু প্ৰচলনৰ ব্যৱস্থা কৰিলে অসমীয়া ভাষা আৰু সংস্কৃতিৰ এক যুগান্তকাৰী নৱজাগৰণ তথা নৱ বিন্যাস সম্ভৱ হৈ পৰিব।

অসমীয়া ভাষা আৰু মাৰ্গীয় সংগীতৰ মূল উৎস 'চৰ্যাপদ' পুনৰ প্ৰতিষ্ঠাৰ মাজেৰে অসমীয়া সাহিত্য-সংস্কৃতিৰ ইতিহাসে বিজ্ঞানসন্মত চিন্তাধাৰা প্ৰৱৰ্তন কৰিব। ক্ষেত্ৰ অধ্যয়নৰ গতানুগতিক বিভ্ৰান্তিমূলক অভাৱৰ বাবে ইমানদিনে চৰ্যাপদ সম্পৰ্কীয় গতানুগতিক ধ্যান-ধাৰণাৰো অৱসান ঘটিব।❑








### ইতিহাসবিদে পাহৰা

# দৰঙৰ সোণসেৰীয়া গৌৰৱোজ্জ্বল ইতিহাসৰ পম খেদি

**ভাৰ্গৱ কুমাৰ দাস**

ক'ৰবাত পঢ়িবলৈ পাইছিলো "ইতিহাসবিদে পাহৰিব পাৰে, কিন্তু ইতিহাসে নেপাহৰে।" এয়াই যেন প্ৰতিফলিত হৈছে দৰঙী জনসাধাৰণৰ অসীম সাহসিকতা, স্বদেশপ্ৰেম আৰু বীৰত্বৰে বৰ্ণিল হৈ জিলিকি থকা কিন্তু ইতিহাসবিদৰ দ্বাৰা উপেক্ষিত দৰঙৰ গৌৰৱোজ্জ্বল ইতিহাসৰ ক্ষেত্ৰত। দৰঙী সেনাৰ শৌৰ্য্য আৰু বীৰত্বৰ গৌৰৱ গাথাই যেনেদৰে আমাৰ প্ৰতিটো প্ৰজন্মক অনুপ্ৰাণিত কৰি তুলিব লাগিছিল, সেয়া প্ৰকৃতাৰ্থত এতিয়াও হৈ উঠা নাই। কাৰণ ফঁহিয়াই চালে দোষটো আমাৰেই। সমকালীন দুই এগৰাকী ইতিহাসবিদ বা সাহিত্যিকৰ বাহিৰে আনসকলে কোনো অজ্ঞাত কাৰণত তেখেতসকলৰ লিখনিত ইচ্ছাকৃত ভাৱেই হয়তো দৰঙৰ গৌৰৱ গাথা উপেক্ষা কৰি গ'ল। কিন্তু আমাৰ ইতিহাসবিদ বা সাহিত্যিকসকলেও কোনো অজ্ঞাত কাৰণতেই হয়তো দৰঙৰ গৌৰৱোজ্জ্বল ইতিহাসৰ পম খেদিবলৈ আগ্ৰহী নহ'ল! হয়তো সঠিক তথ্য সংৰক্ষণৰ অভাৱ বা হয়তো প্ৰণালীবদ্ধ অধ্যয়ন আৰু গৱেষণাৰ বাবে আগ্ৰহৰ অভাৱ!!

শৈশৱৰ পৰাই আমাৰ প্ৰয়াত পিতৃদেৱ স্বাধীনতা সংগ্ৰামী তথা দৰঙৰ প্ৰথমগৰাকী স্বীকৃতিপ্ৰাপ্ত সাংবাদিক পানীৰাম দাসৰ পৰাই দৰঙী প্ৰজাৰ সাহস, বীৰত্ব আৰু প্ৰতিবাদী সংগ্ৰামী সত্তাৰ বিষয়ে শুনি আহিছিলো । কিন্তু তথ্য সহকাৰে কোনো কিতাপতেই পঢ়িব পোৱা নাছিলো।

বিগত ২০২৩ বৰ্ষৰ ২৬ নৱেম্বৰ তাৰিখৰ 'দৈনিক অসম' কাকতৰ প্ৰথম পৃষ্ঠাৰ প্ৰথম স্তম্ভটোতেই প্ৰকাশিত **"ৰংপুৰলৈ দৰঙী প্ৰজাৰ লং মাৰ্চ"** শীৰ্ষক অতি তথ্য সমৃদ্ধ লিখনিটো পঢ়ি আচৰিত হ'লো। লিখক গৰাকী ড° ৰক্তিম ৰঞ্জন শইকীয়া। আমি নজনা কিন্তু অতিকৈ গুৰুত্বপূৰ্ণ বিষয়টিৰ বিষয়ে তথ্য সহকাৰে সবিস্তাৰে লিখিছে। লিখনিটো পঢ়িয়েই মন ভৰি গ'ল। লগে লগেই ফোন যোগে বাৰ্তালাপ কৰিলো। মই ভবাৰ দৰে তেখেত ইতিহাস বা সাহিত্য বিভাগৰ নহয়, বৰঞ্চ যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ ভূতত্ব বিভাগৰহে অধ্যাপক ! অবাক হ'লো। যোৰহাটৰ বাসিন্দা হৈয়ো দৰঙৰ ইতিহাসৰ প্ৰতি থকা তেখেতৰ আগ্ৰহ দেখি। আৰু আচৰিত হ'লো যে তেখেতৰ লিখনিত সন্নিবিষ্ট কৰা তথ্যসমূহ ব্ৰিটিছ লাইব্ৰেৰীৰ পৰা নিজৰ জেপৰ ধন ভৰি সংগ্ৰহ কৰা বুলি শুনি।

ড° ৰক্তিম ৰঞ্জন শইকীয়াই দৰঙী প্ৰজাৰ আঢ়ৈশ বছৰ পূৰ্বৰ এই ঐতিহাসিক লং মাৰ্চক চীন দেশৰ গৃহযুদ্ধৰ সময়ত মাও চে টুঙে ১৯৩৪ চনৰ অক্টোবৰৰ পৰা ১৯৩৬ অক্টোবৰ মাহলৈকে আৰম্ভণি কৰা ৯০০০ কিলোমিটাৰ দূৰত্বৰ লং মাৰ্চ, মহাত্মা গান্ধীয়ে ১৯৩০ চনৰ ১২ মাৰ্চৰ পৰা সবৰমতী আশ্ৰমৰ পৰা দাণ্ডীলৈ আৰম্ভ কৰা ঐতিহাসিক 'দাণ্ডী যাত্ৰা' আৰু ১৯৬৩ চনৰ আগষ্ট মাহত এ ফিলিপ ৰেণ্ডলফ আৰু বেয়াৰ্ড ৰাষ্টিনে আৰম্ভ কৰা বিখ্যাত 'ৱাশ্বিংটন মাৰ্চ'ৰ লগত তুলনা কৰাই নহয়, ২৫০ বছৰ পূৰ্বে দৰঙী প্ৰজাই দৰঙৰ পৰা ৰংপুৰলৈ আৰম্ভ কৰা এই লং মাৰ্চক অতি গুৰুত্বপূৰ্ণ আৰু ঐতিহাসিক ঘটনা বুলি অভিহিত কৰিছে ।

লিখক ড° শইকীয়াই লিখা মতে— "এই ঘটনাৰ পটভূমি হ'ল মধ্যযুগৰ আহোম ৰাজ্যৰ এখন কৰদ ৰাজ্য দৰঙী কোচ ৰাজ্য। চিলাৰায়ৰ মৃত্যুৰ পাচত বৃহৎ কোচ ৰাজ্যৰ একাংশ নৰনাৰায়ণে চিলাৰায়ৰ পুত্ৰ ৰঘুদেৱক গতাই দিছিল। এই ৰাজ্য কোচ হাজো নামেৰে জনাজাত হৈছিল। ৰঘুদেৱ নাৰায়ণৰ পুত্ৰ পৰীক্ষিত নাৰায়ণৰ ৰাজত্বকালত ১৬১৩ খ্ৰীষ্টাব্দত ধুবুৰীত হোৱা প্ৰচণ্ড যুদ্ধত মোগলৰ হাতত পৰাস্ত হৈ বন্দী হয়। ইয়াৰ পাছতে পৰীক্ষিত নাৰায়ণৰ পুত্ৰ বলিনাৰায়ণে আহোম ৰজা প্ৰতাপ সিংহৰ আশ্ৰয় গ্ৰহণ কৰে। ১৬১৬ খ্ৰীষ্টাব্দত প্ৰতাপ সিংহই ধৰ্মনাৰায়ণক দৰঙত স্থাপন কৰে। এই দৰঙী ৰাজ্যৰ অধীনত আছিল ব্ৰহ্মপুত্ৰৰ দুইপাৰে অবিভক্ত কামৰূপ জিলা আৰু ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে ভৰলী আৰু দিক্ৰাই নদীৰ মাজৰ অঞ্চলটো। ধৰ্মনাৰায়ণ আৰু প্ৰতাপ সিংহৰ মাজৰ সম্পৰ্কটো পিতৃ আৰু পুত্ৰৰ দৰে আছিল যদিও পাছৰ আহোম ৰজাসকলৰ দিনত সম্পৰ্কটো বৰ্তি নাথাকিল।

লাহে লাহে আহোম ৰজাসকলে প্ৰণালীবদ্ধভাৱে দৰঙী ৰজাসকলৰ আৰ্থিক-সামৰিক ক্ষমতা কমাই অনিবলৈ আৰম্ভ কৰে। আহোম ৰজা গদাধৰ সিংহৰ সময়ত দৰঙী ৰজা আছিল ইন্দ্ৰনাৰায়ণ (১৬৮২-১৭২৫)। এই সময়তে দৰঙী ৰাজ্যত ভূমি আৰু মানুহ জৰীপ কৰি ৬০০০ দৰঙী পাইকক গুৱাহাটীৰ বৰফুকনৰ অধীনত সেৱা আগবঢ়াবলৈ নিৰ্দেশ দিয়া হয় (Wade, An Account of Assam, p. 233)। যিসকল দৰঙী প্ৰজাই আহোম ৰাজ্যত পাল সেৱাৰ পৰা অব্যাহতি ল'ব বিচাৰিছিল তেওঁলোকে অব্যাহতিৰ বিনিময়ত সোণ, ভেড়াৰ পিছ ঠেঙৰ পৰা কাটি উলিওৱা খহটা ঊণ (cowtails) আৰু ভূটীয়া কম্বল কৰ হিচাপে দিবলগীয়া হৈছিল। দৰঙী ৰজাই আহোম ৰজাক এই ৬০০০ পাইক প্ৰদান কৰাৰ উপৰিও আৰু অতিৰিক্ত কৰ দিব লগা হৈছিল (Anglo Assamese Relation, p. 266)। সেই সময়ৰ পৰাই আহোমসকলে দৰঙী ৰজাৰ অধিকাৰ ক্ষেত্ৰ সীমিত কৰি আনি আনি ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে পশ্চিমে বৰনদীৰ পৰা পূবে চাৰিদুৱাৰলৈ বৰ্তমানৰ মঙলদৈ মহকুমাত সীমাবদ্ধ কৰি পেলাইছিল (Anglo Assamese Relations, p. 259)। ইন্দ্ৰনাৰায়ণৰে ৰাজত্ব কালত আহোম ৰজা ৰুদ্ৰসিংহই ধনীৰাম নামৰ বিষয়াজনৰ জৰিয়তে দৰঙত এটা জৰীপ কৰাই প্ৰজাসকলৰ এখন তালিকা প্ৰস্তুত কৰাইছিল। ধনীৰামৰ জৰীপৰ উদ্দেশ্য আছিল ইন্দ্ৰনাৰায়ণেনো প্ৰকৃততে কিমান কৰ আদায় দিবলৈ সক্ষম তাৰ উমান লোৱা। গতিকে এই জৰীপত দৰঙী ৰাজ্যত ধন দিন ৰজাৰ ঘৰত পাইক খটাৰ পৰা ৰেহাই পোৱা কিমানজন চমুৱা পাইক আছে আৰু কিমানজন শাৰীৰিক পৰিশ্ৰমৰ বাবে উপযুক্ত পাইক আছে আদি তথ্যবোৰ বিশদভাৱে আহৰণ কৰা হৈছিল (Gait, The Koch king of Kamrupa, p. 308)।

লক্ষীসিংহৰ ৰাজত্বকালত ১৭৬৯ খ্ৰীষ্টাব্দৰ ১৫ চেপ্তেম্বৰত মোৱামৰীয়া বিদ্ৰোহ সংঘটিতহৈ ১৭৭০ খ্ৰীষ্টাব্দৰ ১৪ এপ্ৰিললৈকে ৭ মাহ ক্ষমতা দখল কৰিছিল। ৰজাঘৰীয়াই তাৰ পাচত আহোম ৰাজ্যৰ ৰাজধানী ৰংপুৰত ক্ষমতা দখলৰ পাচতেই খৰালি কালত দৰঙী প্ৰজাৰ মাজতো বৰ্ধিত কৰৰ ক্ষোভে চৰম সীমা পালেগৈ। তাৰ পাচতে ৪০০০ দৰঙী পাইকে ৰংপুৰলৈ পদযাত্ৰা আৰম্ভ কৰিলে। অসমৰ ইতিহাসত এইটোৱেই প্ৰথমটো নথিভুক্ত দীৰ্ঘ পদযাত্ৰা।





দৰঙত কেইবাদিশৰ পৰা আৰ্থিক শোষণ চলোৱা হৈছিল। সেইসময়ত দৰঙত থকা দুৱাৰসমূহ আন্তঃৰাজ্যিক বাণিজ্যৰ মূলপথ হিচাপে ব্যৱহাৰ কৰা হৈছিল। এই দুৱাৰসমূহৰো কিছুমান আহোম ৰজাই গুৱাহাটীৰ বৰফুকনৰ জৰিয়তে নিয়ন্ত্ৰণ কৰিছিল (S. K. Bhuyan, Studies in History of Assam, p. 51.)। ফ্ৰান্সিচ বুকানন হেমিল্টনৰ মতে দৰঙী ৰাজ্যৰ ভুটীয়া দুৱাৰসমূহ চোৱাচিতা কৰিবলৈ আহোম ৰজাই উজীৰ বৰুৱা নামৰ বিষয়াজনক নিযুক্ত কৰিছিল। এই বংশানুক্ৰমিক বিষয়াজনে মঙলদৈৰ উত্তৰে শিমলীয়াবাৰী নামৰ ঠাইত বসতি স্থাপন কৰি স্থানীয় ব্যৱসায়ী আৰু ভুটীয়া ব্যৱসায়ীৰ মাজত একচেতীয়া দালাল হৈ কোৰোণাৰে ধন চপাইছিল (Francis Hamilton, An Account of Assam, p. 50)। আহোম ৰজা শিৱ সিংহৰ সময়ত (১৭১৪-৪৪ খ্ৰীষ্টাব্দ) দৰঙত কৰ বৃদ্ধি কৰি বটাকুছি নামৰ ঠাইত এজন বৰুৱা নিযুক্তি দিয়া হ'ল (Francis Hamilton, An Account of Assam, p. 50)। এই কৰৰ হাৰ ইমানেই বেছি আছিল যে দৰঙী প্ৰজাৰ অৱস্থা অতি শোচনীয় হৈ পৰিছিল।

লক্ষীসিংহৰ ৰাজত্বকালত ১৭৬৯ খ্ৰীষ্টাব্দৰ ১৫ চেপ্তেম্বৰত মোৱামৰীয়া বিদ্ৰোহ সংঘটিতহৈ ১৭৭০ খ্ৰীষ্টাব্দৰ ১৪ এপ্ৰিললৈকে ৭ মাহ ক্ষমতা দখল কৰিছিল। ৰজাঘৰীয়াই তাৰ পাচত আহোম ৰাজ্যৰ ৰাজধানী ৰংপুৰত ক্ষমতা দখলৰ পাচতেই খৰালি কালত দৰঙী প্ৰজাৰ মাজতো বৰ্ধিত কৰৰ ক্ষোভে চৰম সীমা পালেগৈ। তাৰ পাচতে ৪০০০ দৰঙী পাইকে ৰংপুৰলৈ পদযাত্ৰা আৰম্ভ কৰিলে। অসমৰ ইতিহাসত এইটোৱেই প্ৰথমটো নথিভুক্ত দীৰ্ঘ পদযাত্ৰা। এই খেতিয়ক পাইকসকলৰ অৱশ্যে শাসনতন্ত্ৰটো ওফৰাই দিয়াৰ কোনো উদ্দেশ্য নাছিল। তেওঁলোকে মূলতঃ ৰাজধানীত অধিকাৰী বিষয়া বৰবৰুৱাক লগ কৰি নিজৰ দুখৰ বিষয়ে জনাবলৈহে আহিছিল। যাত্ৰাপথত থকা প্ৰতিটো চকী-ফাট তেওঁলোকে বলেৰে অতিক্ৰম কৰিলে। সেইকালত আহোম ৰাজধানীত দৰঙী আৰু কামৰূপী প্ৰজাৰ প্ৰৱেশ নিষিদ্ধ আছিল। সেই নিষেধাজ্ঞাকো অমান্য কৰি দৰঙী প্ৰজাসকল ৰংপুৰ নগৰৰ দুৱাৰ মুখত উপস্থিত হ'লগৈ। ৰজাই নগৰৰ দুৱাৰমুখত অৱস্থান কৰা দৰঙী প্ৰজাসকলক ছত্ৰভংগ দিয়াবলৈ এদল সেনা পঠাই দিলে। এই সেনাদলৰ লগত দুৱাৰমুখত অৱস্থান লোৱা প্ৰজাসকলৰ এটা চুৰ্চৰীয়া ধৰণৰ সংঘৰ্ষ হ'ল। কিন্তু দৃঢ়প্ৰতিজ্ঞ দৰঙী প্ৰজাসকলে তেওঁলোকৰ দুখৰ কোনো প্ৰতিকাৰ নহ'লে প্ৰাণ পৰ্যন্ত দিবলৈ প্ৰস্তুত হৈ আহিছিল। ইতিমধ্যে ৰক্তক্ষয়ী প্ৰথম মোৱামৰীয়া বিদ্ৰোহৰ পৰা ৰজাঘৰে কিছু শিক্ষা পাইছিল। সেয়ে তেওঁলোকে বিক্ষোভকাৰী প্ৰজাৰ বিৰুদ্ধে বেছি কঠোৰ হ'বলৈ সাহস নকৰিলে। দুদিন অচলাৱস্থা চলাৰ পাচত বৰবৰুৱা, বৰগোহাঁই আৰু মজিন্দাৰ বৰুৱাই গোটেই পৰিস্থিতিটো ব্যাখ্যা কৰিবলৈ ন-গোসাঁইক ৰজাৰ ওচৰলৈ প্ৰেৰণ কৰিলে। এই ন-গোসাঁই হ'ল মাজুলীৰ পদুমৰা চাপৰিত সত্ৰ পাতি থকা লক্ষী সিংহৰ দীক্ষাগুৰু ৰমানন্দ আচাৰ্যৰ জনপ্ৰিয় নাম। ৰমানন্দ আচাৰ্যৰ বুজনিত লক্ষী সিংহই দৰঙী প্ৰজাৰ দাবী মানি ল'লে। দৰঙৰ নতুন ভূমিনীতি ৰদ কৰিবলৈ আদেশ দিয়া হ'ল। এইদৰেই অসমৰ প্ৰথমটো "লং মাৰ্চ" বা দীৰ্ঘ পদযাত্ৰাৰ সফল সামৰণি পৰিল। দৰঙী প্ৰজাসকল ঘৰাঘৰি গ'ল।

দৰঙী প্ৰজাৰ এই দীৰ্ঘ পদযাত্ৰাৰ ঘটনাটো ডঃ সূৰ্য্য কুমাৰ ভূঞাই "লক্ষী সিংহৰ বুৰঞ্জী নামৰ পাণ্ডুলিপিৰ পৰা উদ্ধাৰ কৰি তেখেতৰ গৱেষণাগ্ৰন্থ "Anglo Assamese Relation" ত অন্তৰ্ভুক্ত কৰিছিল (Anglo Assamese relation, pp. 269- 270)। ডঃ ভূঞাই তেখেতৰ গৱেষণাগ্ৰন্থত উল্লেখ কৰা মতে পাণ্ডুলিপিটো অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ব বিভাগত "MS Chronicles of Lakshmi Singha" নামেৰে সংৰক্ষিত আছে। এই পাণ্ডুলিপিটোত মোৱামৰীয়া বিদ্ৰোহ সম্পৰ্কে গুৰুত্বপূৰ্ণ তথ্যৰ সমাহাৰ ঘটিছে বুলি অনুমান কৰিব পাৰি।"

আমাৰ পিতৃদেৰৰ পৰা জানিব পৰা মতে দৰঙৰ ফটিক হাজৰিকা নামৰ এগৰাকী সাহসী বীৰৰ নেতৃত্বত চাৰি হেজাৰ দৰঙী প্ৰজাই পদযাত্ৰা কৰি ব্ৰহ্মপুত্ৰ নদী কলৰ ভেলেৰে পাৰ হৈ ৰংপুৰত উপস্থিত হৈছিল। কিন্তু অতি পৰিতাপৰ বিষয় যে যিদৰে এই ঐতিহাসিক লং মাৰ্চৰ বিষয়ে আমাৰ ইতিহাসবিদসকল নিমাত, সেইদৰে এই গৰাকী বীৰ পুৰুষ ফটিক হাজৰিকাৰ বিষয়েও ইতিহাসবিদসকল নিমাত। অনুমান কৰিব পাৰি যে মানৰ আক্ৰমণৰ সময়ত বীৰত্বৰে যুঁজি মান সেনাক কচুকটা দিয়া আন এগৰাকী দৰঙী বীৰ পুৰুষ ক'লাপানী হাজৰিকাৰ উপৰিপুৰুষ এই গৰাকী বীৰ ফটিক হাজৰিকা। এই বিষয়ে প্ৰণালীবদ্ধ গৱেষণাৰ প্ৰয়োজন।

আনহাতে এই ঐতিহাসিক লং মাৰ্চৰ বিষয়ে বিশিষ্ট স্বাধীনতা সংগ্ৰামী, সাংবাদিক, কবি তথা ইতিহাসবিদ 'সাগৰ দেখিছা'ৰ কবি দেৱকান্ত বৰুৱা ডাঙৰীয়াই ১৯৪৬ চনৰ ২৫ অক্টোবৰ তাৰিখে আমাৰ পিতৃদেৰৰ দ্বাৰা মঙলদৈৰ সমীপৰ পুণিয়া বৰবৰী (মণিটাৰীত) এক বিশেষ পৰিস্থিতিত আয়োজন কৰা এখন বিশাল ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি প্ৰদান কৰা উদ্দাত্ত ভাষণত উল্লেখ কৰিছিল। এই সভাখনৰ বিষয়ে আমাৰ পিতৃদেৰে ১৯৯৯ চনৰ ১১ এপ্ৰিল তাৰিখে প্ৰকাশিত "দৰঙী ৰজা ৰাজকুমাৰ ভূপেন্দ্ৰ নাৰায়ণ দেৱলৈ শ্ৰদ্ধাঞ্জলি" শীৰ্ষক স্মৃতিগ্ৰন্থত লিখিছিল। দেৱকান্ত বৰুৱা ডাঙৰীয়াই তেখেতৰ ভাষণত এই লং মাৰ্চৰ বিষয়ে এনেদৰে কৈছিল— "আহোম ৰজাই নিজ কৰতলীয়া ৰাজ্য দৰঙত প্ৰজাৰ ওপৰত খাজনা বৃদ্ধি কল্পে মাটিৰ জৰীপৰ আঁচনি লোৱাৰ বিষয়ে জানিব পাৰি দৰঙী প্ৰজা জাঙুৰ খাই উঠিল আৰু লগে লগে বিৰাট ৰাইজমেল পাতি হাজৰিকাপাৰাৰ ফটিকা (ফটিক হাজৰিকা)ৰ নেতৃত্বত চাৰিহেজাৰ কৃষক প্ৰজাৰ দল এটি পদযাত্ৰা

কৰি আহোমৰ ৰাজধানী গড়গাঁও ওলাইছিলগৈ। এই চাৰিহাজাৰ দৰঙী প্ৰজা ব্ৰহ্মপুত্ৰ পাৰ হৈছিল কলৰ ভেলেৰে। আহোম ৰজাক সাক্ষাৎ কৰি তেওঁবিলাকৰ শক্তিশালী স্থিতি আৰু অকাট্য যুক্তিৰে প্ৰবল প্ৰতিবাদ সাব্যস্ত কৰি মাটিৰ জৰীপ তথা খাজনা বৃদ্ধিৰ প্ৰস্তাৱ ৰহিত কৰিবলৈ সমৰ্থ হৈছিল। তাকো অহিংসভাৱে। কৰতলীয়া হ'লেও সংগঠনত সিদ্ধহস্ত প্ৰজাৰঞ্জক দৰঙী ৰজাৰ এয়াই ঐতিহাসিক বৈশিষ্ট্য।"

সিদিনাৰ সেই বিশাল সভাখনত দেৱকান্ত বৰুৱাদেৱে তেখেতৰ ভাষণত আন এটি অতি গুৰুত্বপূৰ্ণ ঐতিহাসিক তথ্য উল্লেখ কৰিছিল। তেখেতে ভাষণত কৈছিল— **"ইতিহাস প্ৰসিদ্ধ শৰাইঘাটৰ যুদ্ধত দৰঙৰ ৰজা চন্দ্ৰ নাৰায়ণৰ আদৰ্শৰে তেওঁৰ সুযোগ্য বীৰ পুত্ৰ গন্ধৰ্ব নাৰায়ণে দুৰ্ধৰ্ষ ১২ হেজাৰ দৰঙী সেনা লৈ গৈ লাচিত বৰফুকনক সহায় নকৰাহেঁতেন, সিদিনাই অসমৰ ভাগ্যৰবি চিৰকালৰ বাবে অস্তমিত হ'লহেতেন।"** শৰাইঘাটৰ যুদ্ধত দৰঙী সেনাৰ বীৰত্বপূৰ্ণ অংশগ্ৰহণৰ বিষয়ে কিন্তু আজিও ইতিহাসবিদসকল নিমাত । তেখেতৰ ভাষণত দেৱকান্ত বৰুৱা ডাঙৰীয়াই মানৰ আক্ৰমণৰ সময়ত দৰঙী ৰজা কৃষ্ণ নাৰায়ণে অসীম সাহসেৰে ডাকচকী আৰু মানেইঘাটত মান সেনাক বিধ্বস্ত কৰাৰ গৌৰৱোজ্জ্বল কাহিনীয়ো ইতিহাসৰ এটি অমূল্য পাত বুলি উল্লেখ কৰিছিল ।

আনহাতে ড° ৰক্তিম ৰঞ্জন শইকীয়াই পুনৰ ব্যক্তিগত প্ৰচেষ্টাৰে দৰঙৰ বিলুপ্তপ্ৰায় গ্ৰন্থ এখন ব্ৰিটিছ লাইব্ৰেৰীৰ পৰা সংগ্ৰহ কৰি আনিছে। আনুমানিক ১৭৯৮ চনত 'দৰঙ্গ ৰাজবংশাৱলী' নামৰ গ্ৰন্থ ৰচনা কৰা সূৰ্য্যখড়ি দৈৱজ্ঞই জনশ্ৰুতি অনুসৰি সৰ্বমুঠ বাৰখন গ্ৰন্থৰ ৰচনা কৰিছিল যদিও এই 'দৰঙ্গ ৰাজবংশাৱলী'ৰ বাহিৰে আনবোৰ গ্ৰন্থৰ শুংসূত্ৰহীন হৈয়ে থাকিল । বুজন পৰিমাণৰ ধন পৰিশোধৰ বিনিময়ত ২০১৪ চনৰ অক্টোবৰ মাহত ১২২৩৫ সংখ্যক চনদভুক্ত 'Poem' অৰ্থাৎ কবিতা শীৰ্ষক তিনিখন সাঁচিপতীয়া পুথিৰ আংকিক (digital) প্ৰতিৰূপ এটা তেওঁ সংগ্ৰহ কৰিলে। একেই চনদ সংখ্যাৰ অন্তৰ্গত (B) উপশীৰ্ষৰে চিহ্নিত এই পুথিখন হৈছে 'সূৰ্য্যখড়ি' বিৰচিত 'কৰ্ম্মফল'। প্ৰসঙ্গত উল্লেখ্য যে টি হদ (T Hodd) নামৰ চাহাবজনে পুথিখনক ১৮৪২ খ্ৰীষ্টাব্দত অসমৰ (পূৰ্বৰ আহোম ৰাজ্য?)ৰ পৰা সংগ্ৰহ কৰাৰ বিষয়ে নথিৰ ওপৰত লিপিবদ্ধ হৈ আছে। সূৰ্য্যখড়ি দৈৱজ্ঞৰ অপ্ৰকাশিত ৰচনাৱলীৰ মাজৰে 'কৰ্ম্মফল' শীৰ্ষক আন এখন কাব্য-গ্ৰন্থ ব্ৰিটিছ লাইব্ৰেৰীত সংৰক্ষিত অৱস্থাত অতিসম্প্ৰতি উদ্ধাৰ হোৱাত সূৰ্য্যখড়ি সম্পৰ্কীয় প্ৰচলিত জনশ্ৰুতিৰ আংশিক হ'লেও সত্যতা প্ৰতিপন্ন হোৱাৰ পথত।

দৰঙৰ বাবে অতি গুৰুত্বপূৰ্ণ এই ঐতিহাসিক তথ্য ব্ৰিটিছ লাইব্ৰেৰীৰ পৰা নিজৰ গাঁঠিৰ ধনেৰে সংগ্ৰহ কৰি প্ৰকাশ কৰাৰ লগতে দৰঙৰ গৌৰৱ সূৰ্য্যখড়ি দৈৱজ্ঞ ৰচিত আৰু পিছলৈ বুটিছে লৈ যোৱা 'কৰ্মফল' গ্ৰন্থখন পুনৰুদ্ধাৰ কৰা বাবে এই ছেগতে শ্ৰদ্ধাৰ ড° ৰক্তিম ৰঞ্জন শইকীয়া ডাঙৰীয়ালৈ দৰঙী ৰাইজৰ হৈ আন্তৰিক কৃতজ্ঞতা যাচিলো।

আমাৰ মাজত থকা এটি ধাৰণা যে উজনি অসমৰ বাহিৰে মঙলদৈ বা দৰঙত বিহু উদযাপন কৰা হোৱা নাছিল। কিন্তু আজি কিছুদিন পূৰ্বে বন বিভাগৰ বিষয়া তথা অসমৰ গৌৰৱোজ্জ্বল ঐতিহ্য আৰু ইতিহাসৰ বিষয়ে বিশেষভাৱে অধ্যয়ন কৰি অহা লিখক ব্ৰহ্মানন্দ পাতিৰি ডাঙৰীয়াই তেওঁৰ লিখনিত ইতিহাসবিদ ড° সূৰ্য্য কুমাৰ ভূঞাৰ Anglo Assamese Relations 1971-1826 নামৰ গ্ৰন্থখনৰ উদ্ধৃতি দি এটি নতুন গুৰুত্বপূৰ্ণ তথ্য পোহৰলৈ আনিছে। **"অসমত সাৰ্বজনীন বিহু পতাৰ পুৰাতন বিবৰণ মঙলদৈ অঞ্চলত আছিল, তাত বহুকেইখন গাঁৱৰ ডেকা-গাভৰুৰ দলে মুকলি বিহু কৰাৰ নজিৰ আছে।"** পাতিৰি ডাঙৰীয়াই উল্লেখ কৰা এই গুৰুত্বপূৰ্ণ তথ্যৰ ওপৰতো প্ৰণালীবদ্ধ অধ্যয়ন আৰু গৱেষণা হোৱাটো অতি জৰুৰী।

ঐতিহাসিক পথৰুঘাটৰ কৃষক বিদ্ৰোহ আৰু এই বিদ্ৰোহত প্ৰাণাহুতি দিয়া সাতকুৰি কৃষক শ্বহীদৰ গৌৰৱোজ্জ্বল ইতিহাসো কিন্দু প্ৰতিষ্ঠিত ইতিহাসবিদ বা সাহিত্যিক সকলৰ দ্বাৰা উপেক্ষিত। 'মঙলদৈৰ বুৰঞ্জী'ৰ লিখক, প্ৰবাদপ্ৰতিম স্বাধীনতা সংগ্ৰামী, সাংবাদিক শ্ৰদ্ধাৰ পণ্ডিত দীনেশ্বৰ শৰ্মা ডাঙৰীয়া আৰু শিৱসাগৰৰ উপায়ুক্ত হিচাপে অৱসৰ গ্ৰহণ কৰা মঙলদৈৰ সন্তান প্ৰসন্ন শৰ্মাদেৱে নৰোত্তম দাসৰ 'দলি পুৰাণ' খন সংগ্ৰহ নকৰিলে আৰু পথৰুঘটীয়া ৰাইজ আৰু সদৌ অসম ছাত্ৰ সন্থাই সক্ৰিয় ভূমিকা নল'লে পথৰুঘাটৰ কৃষক বিদ্ৰোহো ইতিহাসৰ পৃষ্ঠাৰ পৰা বিলুপ্ত হ'লহেতেন! জালিৱানৱালাবাগৰ হত্যাকাণ্ডতকৈ পঁচিশ বছৰ পূৰ্বে সংঘটিত হোৱা পথৰুঘাটৰ কৃষক বিদ্ৰোহৰ বিষয়ে ভাৰতৰ মাননীয় ৰাষ্ট্ৰপতিক সবিশেষ জনাবলৈ আমাৰ বিগত সময়ৰ জন প্ৰতিনিধিসকলে সময়কে উলিয়াব নোৱাৰিলে! মঙলদৈৰ সাংসদ শ্ৰীযুত দিলীপ শইকীয়া ডাঙৰীয়াই এই বিষয়টি অতি গুৰুত্ব সহকাৰে লৈ সংসদৰ প্ৰথম অধিৱেশনখনতেই পথৰুঘাটৰ বিষয়ে সজোৰে উত্থাপন কৰাই নহয়, ২০২৩ চনৰ ৯ আগষ্ট তাৰিখৰ ঐতিহাসিক 'আগষ্ট ক্ৰান্তি দিৱস'ৰ দিনাই মাননীয়া ৰাষ্ট্ৰপতি মহোদয়াক ৰাষ্ট্ৰপতি ভৱনত সাক্ষাৎ কৰি এই কৃষক বিদ্ৰোহৰ বিষয়ে সবিস্তাৰে বৰ্ণনা কৰে আৰু পথৰুঘাটৰ কৃষক শ্বহীদ দিৱসলৈ আমন্ত্ৰণ যাছে। মাননীয়া ৰাষ্ট্ৰপতি মহোদয়াক সাক্ষাৎ কৰাৰ সময়ত সাংসদ শ্ৰীযুত দিলীপ শইকীয়াক এই লিখকৰ লগতে ছিপাঝাৰৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী আৰু দৰঙৰ জ্যেষ্ঠ সাংবাদিক তথা মঙলদৈ মিডিয়া চাৰ্কোলৰ সম্পাদক শ্ৰীময়ূখ গোস্বামীয়েও সংগ দিছিল।

আমি সকলোৱে দৰঙৰ সোণসেৰীয়া অথচ বিলুপ্ত গৌৰৱোজ্জ্বল ইতিহাসৰ পম খেদি সেয়া পুনৰ প্ৰতিষ্ঠা কৰাৰ সময় কিন্তু এয়াই। ইতিহাসবিদে পাহৰা বা উপেক্ষা কৰা আমাৰ বৰ্ণিল ইতিহাসৰ ভেটিতেই সৃষ্টি হওক নতুন ইতিহাস!!

আমাৰ জিলাৰ প্ৰতিখন মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে বিলুপ্তিৰ গ্ৰাসত পৰা এই গৌৰৱোজ্জ্বল ইতিহাসৰ বিষয়ে গৱেষণা কৰিব পাৰে।❑



## তামোলপুৰৰ পৰা ফৰ্ট উইলিয়ামলৈ এক বৰ্ণিল যাত্ৰা

### অসমৰ একমাত্ৰ আৰু প্ৰথমগৰাকী জি অ' চি ইন চি

# লেফটেনেণ্ট জেনেৰেল ৰাণা প্ৰতাপ কলিতা

সংগ্ৰাহক- **হিৰেন ডেকা**

সত্তৰৰ দশকত সেই সময়ৰ অখ্যাত তামোলপুৰ অঞ্চলৰ (এতিয়া তামোলপুৰ জিলাৰ সদৰ) এটি শিশুৱে সমনীয়া আন দহজন শিশুৰ দৰেই পৰিষ্কাৰ ইউনিফৰ্মৰ ওপৰত কান্ধত চিকচিকাই জিলিকি থকা তাৰকা আৰু বেজ পৰিধান কৰি অহা-যোৱা কৰা সেনা বিষয়া আৰু জোৱানসকলক দেখি আঁতৰৰ পৰাই হাত জোকাৰি অভিবাদন জনোৱাটো এটি নিয়মীয়া অভ্যাসলৈ পৰিণত কৰিছিল। শিশুটিৰ পিতৃ সামৰিক চাউনীটোৰ সমীপৰে বিদ্যালয় এখনৰ এগৰাকী স্বনামধন্য প্ৰধান শিক্ষক হোৱা সূত্ৰে শিশুটিয়ে সামৰিক শিবিৰৰ বিষয়া-জোৱানসকলক অতি কাষৰ পৰাই চোৱাৰ সৌভাগ্য হৈছিল। সেয়েহে চাগে ভাৰতীয় সেনা বাহিনীত যোগ দি নিজেও কান্ধত জিলিকি থকা তাৰকা আৰু বেজ আৰু ভৰিত চিকচিকাই থকা জোতাসহ পৰিষ্কাৰ ইউনিফৰ্ম পিন্ধাৰ দুৰ্বাৰ হেঁপাহ এটি সেই শিশুটিৰ মনত গঢ় লৈ উঠিল। পুত্ৰৰ এই আগ্ৰহ দেখি পিতৃ গৰাকীয়েও ১৯৭৩ চনত গোৱালপাৰাৰ সৈনিক বিদ্যালয়ত শিশুটিক নাম ভৰ্তি কৰোৱাই দিলে। সৈনিক বিদ্যালয়ত সুদক্ষ নেতৃত্ব প্ৰদান কৰিবলৈ সমৰ্থ হোৱাৰ লগতে বিদ্যায়তনিক দিশতো উজলি উঠা এই শিশুটিয়ে আৰু পিছলৈ উভটি চাবলগীয়া নহ'ল। সেনা বাহিনীৰ শীৰ্ষ পদত অধিষ্ঠিত হোৱা অসমৰেই নহয় সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথম আৰু একমাত্ৰ সন্তান হিচাপে বিৰল অভিলেখ ৰচনা কৰিলে। এই শিশুটিয়েই হৈছে সামৰিক বাহিনীত সুদীৰ্ঘ চল্লিশটা বছৰ দৃষ্টান্তমূলক সেৱা আগবঢ়াই অসামান্য বীৰত্ব, সাহসিকতা আৰু বিচক্ষণতা পূৰ্ণ নেতৃত্ব প্ৰদান কৰি কলকাতাৰ ফৰ্ট উইলিয়ামত থকা ভাৰতীয় সেনাবাহিনীৰ অন্যতম গুৰুত্বপূৰ্ণ গোট 'ইষ্টাৰ্ণ কামাণ্ড'ৰ সেনাধ্যক্ষ (General Officer Commanding in Chief) হিচাপে ২০২৩ চনৰ ৩১ ডিচেম্বৰৰ দিনা অৱসৰ গ্ৰহণ

কৰা অসমৰ সু-সন্তান লেফটেনেণ্ট জেনেৰেল (অৱসৰপ্ৰাপ্ত) ৰাণা প্ৰতাপ কলিতা ডাঙৰীয়া। ভাৰতীয় সেনাবাহিনীৰ অন্যতম গোট 'ক'ৰ' এটিৰ সেনাধ্যক্ষ পদত নিযুক্তি পোৱা (General Officer Commanding) আৰু যুদ্ধক্ষেত্ৰত প্ৰদৰ্শন কৰা বীৰত্ব আৰু সাহসিকতাপূৰ্ণ নেতৃত্ব প্ৰদান কৰা বাবে দেশৰ অতি সন্মানজনক 'উত্তম যুদ্ধ সেৱা মেডেল' লাভ কৰা প্ৰথম গৰাকী অসম সন্তান। এখেতৰ পূৰ্বে গোৱালপাৰা সৈনিক বিদ্যালয়ৰ ছাত্ৰ, মণিপুৰৰ বাসিন্দা লেফটেনেণ্ট জেনেৰেল হিমালয় সিং আছিল সেনা বাহিনীৰ 'ক'ৰ কামাণ্ডাৰ হিচাপে নিযুক্তি লাভ কৰা উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমগৰাকী সেনা বিষয়া।

ৰঙিয়াৰ কৃতী শিক্ষক যোগেন্দ্ৰ নাথ কলিতা আৰু ৰেণু কলিতাৰ সংসাৰ শুৱনি কৰা ৰাণা প্ৰতাপ কলিতা ডাঙৰীয়াই পিতৃৰ কৰ্মস্থলী তামোলপুৰতে প্ৰাথমিক শিক্ষা লাভ কৰিছিল। গোৱালপাৰা সৈনিক বিদ্যালয়ত শিক্ষা সমাপ্ত কৰি তেখেতে দেশৰ সামৰিক শিক্ষাৰ অতি সন্মানজনক অনুষ্ঠান পুণেৰ ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা একাডেমী (National Defence Academy) আৰু ডেৰাডুনৰ ভাৰতীয় সামৰিক একাডেমী (Indian Military Academy) ৰ পৰা সামৰিক শিক্ষা অতি সফলতাৰে সমাপ্ত কৰি পদাতিক বাহিনীত যোগ দিয়াৰ মানসেৰে ৯ নং কুমাও ৰেজিমেণ্টত ১৯৮৪ চনত যোগদান কৰে। সামৰিক বাহিনীত যোগদান কৰাৰ পিছতেই অশান্ত জৰ্জৰ জম্মু-কাশ্মীৰ আৰু উত্তৰ পূৰ্বাঞ্চলত সেৱা আগবঢ়াই লাভ কৰা অভিজ্ঞতা আৰু শ্ৰীলংকাত 'অপাৰেশ্যন জাফনা'ত লাভ কৰা অভিজ্ঞতাই তেখেতক এগৰাকী সফল সেনা বিষয়া হিচাপে গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা লয়।

এগৰাকী কৰ্ণেল হিচাপে কাশ্মীৰত ১৩ নং ৰাষ্ট্ৰীয় ৰাইফলচৰ কামাণ্ডিং অফিচাৰ, পিছত ৭১নং ইনফেণ্ট্ৰী ব্ৰিগেদৰ কামাণ্ডাৰ হিচাপে সুখ্যাতিৰে সেৱা আগবঢ়াই তেখেতে মেজৰ জেনেৰেল পদলৈ পদোন্নতি লাভ কৰি জম্মু কাশ্মীৰত ১৯নং পদাতিক ডিভিজন (Infantry Division)ত সেনাধ্যক্ষ (General Officer Commanding) আৰু পুনৰ লেফটেনেণ্ট জেনেৰেল পদলৈ পদোন্নতি লাভ কৰি ডিমাপুৰৰ ৰঙাপাহাৰত থকা ভাৰতীয় সেনাৰ তৃতীয় ক'ৰ'ৰ সেনাধ্যক্ষ (General Officer Commanding) হিচাপে সুখ্যাতিৰে সেৱা আগবঢ়ায়।

ৱেলিংটনৰ ডিফেন্স চাৰ্ভিচেচ ষ্টাফ কলেজ আৰু হায়াৰ কামাণ্ড এণ্ড নেশ্যনেল ডিফেন্স কলেজত বিশেষ শিক্ষা লাভ কৰা লেফটেনেণ্ট জেনেৰেল কলিতা ডাঙৰীয়াই ভাৰতীয় সেনাৰ মুখ্য কাৰ্যালয়ৰ সামৰিক সচিবৰ কাৰ্যালয়, অপাৰেশ্যনেল লজিষ্টিকচ সঞ্চালকালয় আৰু এডজুটেন্ট জেনেৰেলৰ শাখাটো নিযুক্তি লাভ কৰিছিল। তেখেতৰ কৃতিত্বপূৰ্ণ সেৱাৰ বাবে ৰাষ্ট্ৰসংঘৰ শান্তিৰক্ষী বাহিনীৰ হৈ চিয়েৰা লিয়ন আৰু চুডানত দুবাৰকৈ সামৰিক অভিযান সুচাৰুৰূপে পৰিচালনা কৰিছিল। নতুন দিল্লীৰ সামৰিক বাহিনীৰ মুখ্য কাৰ্যালয়ত উৎসৱ আৰু কল্যাণ বিভাগৰ অতিৰিক্ত সঞ্চালক প্ৰধান হিচাৰে সেৱা আগবঢ়াই থকাৰ সময়তেই তেখেতে প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ী দেৱৰ শেষকৃত্য অতি নিয়াৰিকৈ পৰিচালনা কৰি সমগ্ৰ দেশতে এক সুনাম অৰ্জন কৰিছিল।

এইগৰাকী অসম সন্তানে ২০২২ চনৰ পহিলা ফেব্ৰুৱাৰীৰ দিনা ভাৰতীয় সেনাবাহিনীৰ অন্যতম গুৰুত্বপূৰ্ণ গোট কলকাতাৰ ফৰ্ট উইলিয়াম স্থিত ইষ্টাৰ্ণ কামাণ্ডৰ সেনাধ্যক্ষ (General Officer Commanding in Chief) হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। ইয়াৰ পূৰ্বে তেখেতে নতুন দিল্লীৰ সেনাৰ মুখ্য কাৰ্যালয়ত মানৱ সম্পদ পৰিকল্পনা আৰু কৰ্মচাৰী বিভাগৰ সঞ্চালক প্ৰধান হিচাপে সেৱা আগবঢ়াইছিল। ইষ্টাৰ্ণ কামাণ্ডৰ সেনাধ্যক্ষৰ দায়িত্ব প্ৰায় দুবছৰ কাল অতি সুখ্যাতি আৰু কৃতিত্বৰে পালন কৰা এইগৰাকী অসম সন্তানৰ সৰল আৰু বিচক্ষণ নেতৃত্বত ভাৰত-চীন সীমান্তত সমৰ্থ উন্নয়ন আৰু চীনা সৈন্যৰ আগ্ৰাসনৰ সময়ত অতি তৎপৰতাৰে প্ৰতিৰোধমূলক ব্যৱস্থা লোৱাটো সম্ভৱ হৈ উঠিছিল। তেখেতৰ প্ৰচেষ্টাতেই ডুৰাণ্ড কাপ ফুটবল টুৰ্নামেণ্ট গুৱাহাটীকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন স্থানত সুচাৰুৰূপে আয়োজন কৰা হয়। চিকিমৰ গ্লেচিয়াৰ বিস্ফোৰণ আৰু মণিপুৰৰ গোষ্ঠীগত সংঘৰ্ষৰ সময়ত তেখেতৰ নেতৃত্বত সেনা বাহিনীয়ে জনসাধাৰণৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। উত্তৰ-পূবৰ লগতে অসম চৰকাৰৰ লগত সততে যোগাযোগ ৰখা লেফটেনেণ্ট জেনেৰেল কলিতাৰ কাৰ্যকালতেই নাৰেংগী সেনা চাউনীত মহাবীৰ লাচিত বৰফুকনৰ ৩৫ ফুট ওখ পূৰ্ণ দৈৰ্ঘ্যৰ প্ৰতিমূৰ্তি এটি স্থাপন কৰা হয়।

উল্লেখযোগ্য যে মঙলদৈৰ সাংবাদিকসকলৰ সংগঠন 'মঙলদৈ মিডিয়া চাৰ্কোল'ৰ অনুৰোধমৰ্মে তেখেতে ২০২৩ চনৰ ২৯ জানুৱাৰী তাৰিখে ইতিহাস প্ৰসিদ্ধ পথৰুঘাটত সেনা বাহিনীৰ ৰেড হৰ্ণচ ডিভিজনে আয়োজন কৰা 'কৃষক শ্বহীদ দিৱস'ৰ কাৰ্য্যসূচীত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি সাতকুৰি কৃষক শ্বহীদৰ পৱিত্ৰ সোঁৱৰণত সামৰিক প্ৰথাৰে শ্ৰদ্ধাঞ্জলি যাচে। পথৰুঘাট 'কৃষক শ্বহীদ দিৱস'ত অংশগ্ৰহণ কৰা তেখেতেই একমাত্ৰ শীৰ্ষ সেনা বিষয়া। এই গৰাকী অসম গৌৰৱে বিভিন্ন সময়ত দেশৰ হকে আগবঢ়োৱা উৎকৃষ্ট, সাহসী আৰু বীৰত্বমূলক অৱদানৰ বাবে ভাৰত চৰকাৰে প্ৰধান পৰম বিশিষ্ট সেৱা মেডেল, উত্তম যুদ্ধ সেৱা মেডেল, অতি বিশিষ্ট সেৱা মেডেল, বিশিষ্ট সেৱা মেডেল, সেনা বাহিনীৰ প্ৰধান সেনাধ্যক্ষ আৰু 'জি অ' চি ইন চীফ'ৰ প্ৰশংসা পত্ৰ ল'বলৈ সমৰ্থ হৈছিল।

এগৰাকী সু-গৃহিণী নিশা কলিতাৰ সৈতে বিবাহপাশত আৱদ্ধ হোৱা লেফটেনেণ্ট জেনেৰেল ৰাণা প্ৰতাপ কলিতাৰ একমাত্ৰ পুত্ৰয়ো ভাৰতীয় সেনা বাহিনীত এগৰাকী মেজৰ হিচাপে কৰ্মৰত হৈ আছে আৰু একমাত্ৰ জীয়ৰী দিল্লী বিশ্ববিদ্যালয়ত কৰ্মৰত।

নিজৰ মাতৃভূমিক প্ৰাণ ভৰি ভালপোৱা দেশপ্ৰেমিক এই সেনা বিষয়া গৰাকীয়ে অৱসৰৰ পিছত অসমতে স্থায়ীভাৱে বসবাস কৰাৰ বিষয়ে সিদ্ধান্ত লৈছে।❑



# খলিল জিব্রান

## এক প্ৰখ্যাত মানৱতাবাদী সাহিত্যিক

**মহম্মদ আছিৰ উদ্দিন**

যাৰ সাহিত্যত খাদ্যহীন আৰু বস্ত্ৰহীন লোকৰ স্থান সৰ্বোচ্চ আসনত, যাৰ সাহিত্যই ধনাঢ্য ব্যক্তিৰ বিলাসী জীৱন-যাপন বৰ্ণনা কৰাৰ পৰিৱৰ্তে দৰিদ্ৰ-পদদলিত মানুহবোৰক মুক্ত কৰাৰ সপোন দেখে, যাৰ সাহিত্যই সাধাৰণ মানুহৰ দুঃখ-বেদনা নাইবা অনুভূতি আৰু আবেগ নিৰীক্ষণ কৰিবলৈ বস্তি অঞ্চলৰ ভিতৰুৱা লেতেৰা ৰাস্তাবোৰত ঘূৰি ফুৰে আৰু যাৰ সাহিত্যত অসংগত, কঠিন আৰু বিনাসপূৰ্ণ শব্দৰ অভাৱ, সেইজনেই প্ৰখ্যাত কবি-সাহিত্যিক- শিল্পী জিব্রান খলিল জিব্রান।

আধুনিক আৰবী সাহিত্য জগতত প্ৰবন্ধ, উপন্যাস, চুটিগল্প, কবিতা আদিৰ জৰিয়তে আলোড়ন সৃষ্টিকাৰী খলিল জিব্রান ১৮৮৩ খৃঃত লেবাননৰ 'বুশ্বৰা' নামৰ গাওঁত জন্মগ্ৰহণ কৰে। জীৱনৰ আৰম্ভণিতেই অভাৱ-অনাটনৰ সীমা চেৰাই যোৱাত পিতৃয়ে সন্তান সহ ১৮৯৫ খৃঃত আমেৰিকালৈ গুচি যায় আৰু বোষ্টন চহৰত থাকিবলৈ লয়। কিন্তু আমেৰিকাতো খলিলৰ জীৱনলৈ এক প্ৰত্যাহ্বান আহিল। ১৯৯৮ খৃঃত তেওঁ আৰবী শিকিবলৈ লেবাননলৈ উভতি আহে। প্ৰথমতে তেওঁ 'মাদ্ৰাছাতুল হিকমা' (আইন বিদ্যালয়) ত নামভৰ্তি

কৰে য'ত তেওঁ ফ্ৰান্স, আৰবী আৰু বাইবেলৰ জ্ঞান লাভ কৰে। তাৰপিছত কলেজত অধ্যয়ন কৰে। এই সময়খিনিতে জিব্ৰানে প্ৰেমত পৰে। কিন্তু এয়াও আছিল তেওঁৰ বাবে এক দুৰ্ভাগ্যজনক অভিজ্ঞতা। কাৰণ তেওঁ ভালপোৱা ছোৱালীজনীৰ দেউতাকে একমাত্ৰ অতিকৈ দৰিদ্ৰ অৱস্থাৰ বাবেই জিব্ৰানক নাকচ কৰে। জিব্ৰানে হতাশ হয় আৰু সামাজিক অনিয়ম আৰু পৰম্পৰাৰ বিৰুদ্ধে জ্বলি-পুৰি ১৯০২ খৃঃত বোষ্টনলৈ উভতি যায়। সেই সময়ত তেওঁৰ ভনী চুলতানাৰ মৃত্যু হয় আৰু জিব্ৰানে শোকত বিহুল হৈ পৰে। তেওঁ কৈছিল ঃ "My God died with Sultana. How can I live without God?" তাৰ পিছত পৰিয়ালৰ সদস্য সকলক যক্ষ্মাৰোগে আক্ৰান্ত কৰে। জিব্ৰানৰ জ্যেষ্ঠ ভাতৃ আৰু মাতৃৰ মৃত্যু হয় আৰু সৰু ভনী মাৰিয়ানাক চোৱাচিতা কৰাৰো দায়িত্ব জিব্ৰানে গ্ৰহণ কৰিবলগীয়া হয়।

সেই সময়ৰ পৰাই জিব্ৰানৰ চিত্ৰবিদ্যা আৰু লেখাসমূহ প্ৰকাশ হ'বলৈ ধৰে। 'আল মুহাজিৰ' নামৰ বাতৰি কাকত আৰু 'আলফুনুন' নামৰ আলোচনীত তেওঁৰ প্ৰবন্ধসমূহ প্ৰকাশ পাব ধৰে। ১৯০৪ খৃঃত তেওঁৰ এখন চিত্ৰ প্ৰদৰ্শনীত জিব্ৰানে মেৰী হাচকেল নামৰ এগৰাকী মহিলাৰ সৈতে চিনাকি হয় যাৰ ফলত তেওঁৰ জীৱনৰ এটি নতুন মোৰ লয়। মহিলাগৰাকী আছিল এখন কলেজৰ অধ্যক্ষা। তেওঁ জিব্ৰানৰ চিত্ৰকলা আৰু লিখনিৰ প্ৰতি থকা প্ৰতিভাৰ দ্বাৰা প্ৰভাৱিত হৈছিল। তেওঁ জিব্ৰানক অৰ্থ-সাহায্য দি পেৰিচলৈ পঠিয়ায় য'ত তেওঁ ৰদিন নামৰ এজন লোকৰ তত্ত্বাৱধানত চিত্ৰকলা অধ্যয়ন কৰে। তাত তেওঁ তিনিবছৰ কটায় আৰু ১৯০৮ চনত চিত্ৰবিদ্যাৰ উচ্চ ডিগ্ৰী লাভ কৰে।

পেৰিচত থকা এই সময়ছোৱাত তেওঁ উইলিয়াম ব্লেকৰ লেখাসমূহ গভীৰভাৱে অধ্যয়ন কৰাৰ লগতে তেওঁৰ প্ৰশস্ত জ্ঞান আৰু বিদ্ৰোহাত্মক দৃষ্টিভংগীৰ দ্বাৰা প্ৰভাৱিত হৈ নিজৰ জীৱনত এক নৱযুগৰ সূচনা কৰে। ১৯১২ চনত আমেৰিকালৈ উভতি আহি নিউয়ৰ্ক চহৰত থিতাপি লয়। তাত তেওঁ বিশ বছৰ এখন ষ্টুডিঅ' চলাই সময় অতিবাহিত কৰে।

১৯২০ খৃঃত জিব্ৰানে আৰব-আমেৰিকান কবি-সাহিত্যিকসকল লৈ নিউয়ৰ্ক চহৰত এখন সাহিত্যক সংগঠন স্থাপন কৰে। যিখন আন-ৰাবিতা আন-কনোমীয়া বুলি খ্যাত। মিখাইল নুৱাইমা, নছীব আৰীদা, ইলিয়া আবু আদি প্ৰমুখ্যে সাহিত্যিকসকল তেওঁৰ সমসাময়িক আৰু সেই সংগঠনৰ সৈতে জড়িত। সেই সময়খিনি আছিল জিব্ৰানৰ জীৱনৰ এটা সৃষ্টিশীল কাল। তেওঁ আৰবী আৰু ইংৰাজী ভাষাত সমান্তৰালভাৱে অসংখ্য লিখনিৰ দ্বাৰা ইউৰোপীয়ানসকলক আৰবী সভ্যতা আৰু সংস্কৃতিৰ সৈতে পৰিচয় কৰাই দিছিল।

১৯২৪ খৃঃৰ পৰা নৰিয়াত ভুগি ১৯৩১ খৃঃত নিউয়ৰ্কৰ এখন চিকিৎসালয়ত তেওঁৰ মৃত্যু হয় যদিও লেবাননত জন্ম হোৱা গাঁও বুশ্বৰাত তেওঁক কবৰ দিয়া হয়।

**খলিল জিব্ৰানৰ উল্লেখযোগ্য লেখাসমূহ ঃ-**

১। আৰাইছ আল মাৰুজ (উপত্যকাৰ কইনা) - চুটি গল্প
২। আল আৰওয়াহ আলে মুতামাৰিদাহ (বিদ্ৰোহী আত্মাবোৰ) - চুটি গল্প
৩। আল আজনিহাত আল মুতাকাছিৰাহ (ভঙা ডেউকা) - চুটি গল্প
৪। দামআগত ওয়া ইবতিছামাহ (চকুলো আৰু হাঁহি) - গদ্য কাব্য
৫। আল-মাৰাকিব (শোভাযাত্ৰাবোৰ) - কবিতা
৬। আল আৰছিফ (ধুমুতাবোৰ) - গদ্য

খলিল জিব্ৰানৰ সাহিত্যৈ এক অভিনৱ সৃষ্টি, যিয়ে ব্যক্তি, প্ৰশাসন আৰু ধৰ্মীয় অজ্ঞতাৰ বিৰুদ্ধে এক শক্তিশালী আন্দোলনৰ সৃষ্টি কৰে। ইংৰাজ কবি উইলিয়াম ব্লেকৰ চিন্তাধাৰাৰে প্ৰভাৱিত হৈ জীৱনত ধন-সম্পদ, লোভ-মোহ আদি বিষয়বোৰত নিন্দাসূচক উপন্যাস ৰচনা কৰে। তেওঁৰ উপন্যাসবোৰ এনে সৃষ্টিশীল লেখাৰ দ্বাৰা পৰিপুষ্ট যিবোৰে তেওঁৰ সাহিত্যৰ অগাধ পাণ্ডিত্যৰ ইংগিত বহন কৰে। তেওঁ মানৱ চৰিত্ৰৰ অনুভূতিবোৰ এনেদৰে উপস্থাপন কৰিছে যাতে তেওঁৰ বৰ্ণনাই মানুহক চিন্তা কৰিবলৈ বাধ্য কৰে।

তেওঁৰ লিখনিৰ শব্দবোৰৰ সৌন্দৰ্য্য, মাধুৰ্য্যতা, নিৰ্মলতা, সুষমা আদিবোৰে পাঠকৰ মন অধিক আগ্ৰহী কৰি তোলে। তেওঁৰ কবিতা আৰু সাহিত্যত পৰিতৃপ্তি লাভ কৰা দেখা যায় য'ত বেছি ভাগেই চিন্তা, দুঃখ, কষ্ট, নৈৰাশ্য আদিৰ প্ৰতিচ্ছবি জিলিকি উঠে। কেতিয়াবা তেওঁৰ লিখনিত জাগৰণ আৰু বিদ্ৰোহৰ ধুমুহা সৃষ্টি হোৱা দেখা যায়। জিব্ৰানৰ "আল-নবী" (The Prophet) চিন্তা-গৱেষণাৰ এক উজ্জ্বল নিদৰ্শন। তেওঁৰ দাৰ্শনিক চিন্তাধাৰাই বিশ্বৰ আন আন ভাষাসমূহৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল।

জিব্ৰানৰ প্ৰবন্ধত বেছিভাগেই অনুভূতি আৰু চিন্তাৰ গভীৰতা উপলব্ধ। কিয়নো তেওঁ গোটেই জীৱন বেমাৰ-আজাৰ আৰু আৰ্থিক অভাৱ-অনাটনৰ মাজেদি অতিবাহিত কৰিছিল। তেওঁৰ চুটি গল্পবোৰত সমাজৰ অন্যায়-অবিচাৰ, সম্পৰ্ক ছেদ, প্ৰতিবেশীক অত্যাচাৰ-উৎপীড়ন কৰা আদিৰ বিৰুদ্ধে এক আন্দোলন গঢ়ি তুলিছিল। সামাজিক বৈষম্যৰ ওপৰত আলোকপাত কৰাটো জিব্ৰানৰ চুটি গল্পৰ প্ৰধান বৈশিষ্ট্য। 'আৰাইছুল মাৰুজ' ইয়াৰ শ্ৰেষ্ঠ উদাহৰণ। ইয়াত তিনিটা কাহিনী লিপিবদ্ধ কৰা হৈছে। মানৱ জীৱনত সামাজিক সমস্যাসমূহে লেবাননৰ উপত্যকাত বসবাস কৰা দুখীয়া মাৰতাৰ জীৱনক কেনেকৈ গ্ৰাস কৰিছিল তাক ব্যক্ত কৰা হৈছে। এজনী গাঁৱলীয়া দুখীয়া অনাথ জীয়ৰী কেনেকৈ চহৰৰ সম্ভ্ৰান্ত পৰিয়ালৰ লম্পট যুৱক এজনৰ দ্বাৰা প্ৰতাৰিত হৈ চহৰৰ লেতেৰা পৰিৱেশত তাইৰ জীৱনটো তিল তিলকৈ ধ্বংস হৈছিল তাকে 'মাৰতা আন বানিয়াত' বৰ্ণনা কৰা হৈছে।

খলিন জিব্ৰান একাধাৰে কবি, চিত্ৰকৰ, ঔপন্যাসিক, দাৰ্শনিক আৰু গল্পকাৰ আছিল। তেওঁৰ অতুলনীয় অৱদানৰ বাবে আৰবী সাহিত্যৰ ইতিহাসত তেওঁৰ নাম চিৰদিন জিলিকি থাকিব।❑



# জ্ঞানপীঠ বিজয়ী নীলমণি ফুকনৰ

## অসমীয়া সাহিত্য আৰু কাব্যকৃতি

**ভনিতা ডেকা**

যি কেইগৰাকী অসমীয়া কবি-সাহিত্যিকে জ্ঞান আৰু প্ৰজ্ঞাৰ সাধনাৰে অসমীয়া ভাষাটোক জাকত-জিলিকা কৰি থৈ গৈছে, সেইসকলৰ ভিতৰত উল্লেখযোগ্য সাহিত্যিক হ'ল নীলমণি ফুকন। তেখেত আছিল একাধাৰে কবি, কলা-সমালোচক, অধ্যাপক।

নীলমণি ফুকনদেৱে তেওঁ ৰচনা কৰা অসমীয়া কবিতাবোৰত প্ৰতীকবাদ আৰু চিত্ৰকল্পবাদৰ প্ৰয়োগ কৰিছিল। তেখেতে দীৰ্ঘদিন ধৰি অসমীয়া কবিতাৰ চৰ্চাত অব্যাহত থাকি আৰু নিজস্ব সাধনাৰ জৰিয়তে অসমীয়া কবিতাক সমৃদ্ধ কৰা এজন ভোটাতৰা সদৃশ কবি আছিল। ফুকনদেৱক অসমৰ এগৰাকী আগশাৰীৰ কলা বিশেষজ্ঞ লগতে জনজাতীয় আৰু লোককলাৰ সচেতন সমালোচক হিচাপে জনা যায়।

১৯৩৩ চনৰ ১০ ছেপ্টেম্বৰ তাৰিখে গোলাঘাট জিলাৰ দেৰগাঁওত নীলমণি ফুকনৰ জন্ম হয়। তেখেতৰ পিতৃৰ নাম আছিল কীৰ্তিনাথ ফুকন আৰু মাতৃৰ নাম আছিল বৰদাবালা ফুকন। তেখেতে শিশুকালতে মাতৃক হেৰুৱাব লগা হৈছিল।

ফুকনদেৱে দেৰগাঁও হাইস্কুলত স্কুলীয়া শিক্ষা গ্ৰহণ কৰি গুৱাহাটীৰ পৰা প্ৰাইভেট পৰীক্ষাৰ্থী হৈ ১৯৫৩ চনত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈছিল। ১৯৫৭ চনত তেখেতে কটন কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰিছিল আৰু ১৯৬০ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ইতিহাস বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল।

তেখেতে আনুষ্ঠানিক শিক্ষা শেষ কৰি ১৯৬১ চনত দেৰগাঁও বালিকা হাইস্কুলত শিক্ষক হিচাপে কৰ্মজীৱন আৰম্ভ কৰে। ৬ মাহ এই বিদ্যালয়ত শিক্ষকতা কৰি ১৯৬১ চনত আৰ্য বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষয় শিক্ষক হিচাপে যোগদান কৰে। ৩ বছৰ কাল আৰ্য বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কৰাৰ পাছত আৰ্য বিদ্যাপীঠ মহাবিদ্যালয় ১৯৬৪ চনত ইতিহাস বিভাগৰ প্ৰবক্তা হিচাপে যোগদান কৰে। সেইখন মহাবিদ্যালয়ৰ পৰাই ১৯৯২ চনত ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ

কৰে। তেখেতে শিক্ষকতাক জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰিছিল।

নীলমণি ফুকনদেৱে ১৯৫০ চনৰ পৰাই কবিতা লিখিবলৈ আৰম্ভ কৰিছিল। তেখেতৰ প্ৰথম কবিতাৰ সংকলন হ'ল "সূৰ্য হেনো নামি আহে এই নদীয়েদি"। এই কবিতা সংকলনখন ১৯৬৩ চনত প্ৰকাশিত হয়। ইয়াৰ উপৰিও তেখেতৰ আন সংকলিত কবিতা পুথিসমূহ হ'ল- 'নিৰ্জনতাৰ শব্দ' (১৯৬৫), 'আৰু কি নৈঃশব্দ' (১৯৬৮), 'ফুলি থকা সূৰ্যমুখী ফুলটোৰ ফালে' (১৯৭২), 'কঁাইট গোলাপ আৰু কঁাইট' (১৯৭৫), 'গোলাপী জামুৰ লগ্ন' (১৯৭৭), 'কবিতা' (১৯৮১), 'নৃত্যৰতা পৃথিৱী' (১৯৮৫), 'অলপ আগতে আমি কি কথা পাতিছিলো' (২০০৩), 'সম্পূৰ্ণ কবিতা' (২০০৩), 'Selected Poems' (২০০৭), 'নীলমণি' ফুকন ৰচনাৱলী' (২০১২)। ইয়াৰ উপৰি তেখেতে ১৯৯৪ চনত 'সাগৰ তলিত শংখ' শীৰ্ষক কাব্যসংকলন প্ৰকাশ কৰে। এই কাব্যসংকলনখন- ড° হীৰেণ গোঁহাইয়ে সম্পাদনা কৰিছিল।




নীলমণি ফুকনদেৱে অসমীয়া কাব্য সাহিত্যক এক নতুন ৰূপে সমৃদ্ধ কৰি তুলিছিল। তেখেত এগৰাকী প্ৰতীক আৰু চিত্ৰকল্প নিৰ্মাণত সিদ্ধহস্ত কবি আছিল। তেওঁৰ কবিতাত দেখিবলৈ পোৱা যায় জাপানী হাইকু আৰু টংক, স্পেনীজ কবি ফেডাৰিকা পাৰ্থিয়া লৰ্কা আৰু ফৰাচী প্ৰতীকবাদী আন্দোলনৰ প্ৰভাৱে তেওঁৰ কবিতাক সমৃদ্ধ কৰি তুলিছে। ফুকনদেৱৰ কবিতাৰ অন্যতম বৈশিষ্ট্য হৈছে সৌন্দৰ্যবোধ, প্ৰেম, দুঃস্বপ্ন, মৃত্যু চেতনা, ল'ৰালিৰ ধূসৰ স্মৃতি, প্ৰতীকী ব্যঞ্জনা। তেখেতে অতি কম শব্দ ব্যৱহাৰ কৰি অসমীয়া ভাষাৰ সুন্দৰ শব্দ প্ৰয়োগেৰে তেওঁৰ কবিতাবোৰক নতুন ৰূপ দিয়ে। এটা কথা উল্লেখ কৰিব লাগিব যে ফুকনদেৱৰ কবিতাতেই 'ৰামধেনু যুগ'ৰ কবিতাৰ জটিল ৰূপ প্ৰতিফলিত হৈছে।

ফুকনদেৱে কবিতাৰ বাবে সমগ্ৰ জীৱন উচৰ্গা কৰি কবিতাৰ সাধনা কৰা ব্যক্তি সত্বাটোৰ পৰিচয় দিয়ে। নীলমণি ফুকনদেৱক অসমীয়া কবিতাৰ উজ্জ্বল নক্ষত্ৰ বুলি কোৱা হয়। সেয়েহে তেওঁৰ কবিতাক বাদ দি আধুনিক অসমীয়া কবিতা সম্ভৱ নহয়। তেখেতৰ নিজস্ব অভিজ্ঞতা, স্মৃতি আৰু স্বপ্নৰ সমাহাৰেৰে সমৃদ্ধ প্ৰতিটো কবিতাৰ প্ৰকাশ ভাব-ভংগী তথা বিষয়বস্তুৰ প্ৰতি পাঠক সমাজ সহজে আকৃষ্ট হয়। ফুকনদেৱে অত্যন্ত ইন্দ্ৰিয় সচেতন, সংবেদনশীলতাৰ পৰিচয় দি তেখেতৰ কবিতাত ঐতিহ্য আৰু পৰম্পৰাৰ সংমিশ্ৰণ ঘটায়।

নীলমণি ফুকনদেৱে কবিতা বিষয়ক চিন্তা কবিতাৰ সমালোচনাত প্ৰকাশ হোৱা দেখা পোৱা নাযায়। তেওঁৰ কবিতাত প্ৰকাশ শিল্পকলাৰ আলোচনা আৰু সাক্ষাৎকাৰত। ফুকনদেৱে নিজৰ কবিতাৰ বিষয়ে কোৱা কথাই যদিও শেষ কথা নহয় কবিৰ কথা কবিতাৰ অধ্যয়নত সহায়ক। এই প্ৰসংগতে ফুকনদেৱৰ কিছু কথা উল্লেখ কৰা হ'ল- "পৌৰাণিক কালৰ, বিশেষকৈ আধুনিক সময়ৰ বহু কবিতাৰ বিষয়বস্তু, ইমেজ, মেটাফৰ চিত্ৰ ভাস্কৰ্যৰ পৰা লোৱা বহু চিত্ৰ ভাস্কৰ্যৰ উপজীব্য আৰু উৎস কবিতা। ..... কবিতা এটাই এখন ছবিৰ চিত্ৰলতাৰ, ছবি এখন কেতিয়াও কবিতা এটাৰ কাব্যিক মহিমা আৰু সৌন্দৰ্যৰ প্ৰতিকল্প হ'ব নোৱাৰে।...... লিঅ'নাৰ্ডোৱেও কবিতা লিখিছিল ফ্ল'ৰেন্সৰ বাটে-পথে তেওঁ ডান্টেৰ কবিতা মাতি ফুৰিছিল, কবিতাৰ আলোচনা কৰিছিল। চীনা-জাপানী চিত্ৰকৰসকলৰ অনেকেই কবি। ছবি এখন কেৱল চকুৰেহে চাব পাৰি যদিও চকুৰে চালেই ছবি এখন চোৱা নহয়; ভাল কবিতা এটা যেনেকৈ পঢ়ি শেষ কৰাৰ লগে লগে শেষ নহয়। কবিতা প্ৰতীক নিৰ্ভৰ কলা। কবিতাৰ শব্দ অৰ্থৰ প্ৰতীক। শব্দৰ ধ্বনি আৰু অৰ্থই কবিতাৰ প্ৰধান বৈভৱ। চিত্ৰত ৰং-ৰেখা, স্পেচ, পোহৰ, ছাঁ। কত ৰূপৰ মাজেৰে আত্মপ্ৰকাশ কৰিব পাৰে কবিতাই। নিসৰ্গ চিত্ৰ কবিতাৰেই আন এটা ৰূপ।"

নীলমণি ফুকনদেৱক 'কবিতা' শীৰ্ষক স্বনিৰ্বাচিত কাব্যগ্ৰন্থৰ বাবে ১৯৮১ চনত তেওঁক সাহিত্য অকাডেমি বঁটা প্ৰদান কৰা হয়। ফুকনদেৱে সাহিত্য অকাডেমিৰ বঁটা গ্ৰহণ কৰি তেওঁৰ কল্পনা থকা পৰম কবিতাটোৰ এটা ধাৰণা দিছে— 'লিখিছোনে এটা এটা কবিতা যি বচনাতীত আস্বাদ, আনন্দ ৰূপ অমৃত, নীল নিনাদি উঠা হুংকাৰ, যি জীৱৰ প্ৰতিকল্প, য'ত কালাতীত মহাজীৱনৰ ধ্বনিময়, ৰূপময়, গন্ধময়, বৰ্ণময় বাণী সোণ সংগীত হৈ বাজি উঠিছে? গুজৰি গুমৰি মাৰিছে। তেনে এটা কবিতাৰ কেৱল স্বপ্ন দেখি আহিছোঁ। ১৯৯০ চনত তেখেতক ভাৰত চৰকাৰে পদ্মশ্ৰী সন্মানেৰে সন্মানিত কৰে। ইয়াৰোপৰি ১৯৯১ চনত ছগনলাল জৈন বঁটা প্ৰদান কৰা হয়। ১৯৯৭ চনত তেখেতক অসম উপত্যকা সাহিত্য বঁটা প্ৰদান কৰা হয়। ফুকনদেৱক সাহিত্য অকাডেমিৰ ফালৰ পৰা শ্ৰেষ্ঠ সাহিত্যিক সন্মান সাহিত্য অকাডেমিৰ ফেল' ২০০২ চনত প্ৰদান কৰা হয়। ২০১৯ চনৰ ১৯ আগষ্ট তাৰিখে ডিব্ৰুগড় বিশ্ববিদ্যালয়ে সন্মানীয় 'ডি লিট' উপাধি প্ৰদান কৰে। নতুন দিল্লীস্থিত ভাৰতীয় জ্ঞানপীঠে ২০২১ চনত ফুকনদেৱক সাহিত্য ক্ষেত্ৰলৈ আগবঢ়োৱা তেওঁৰ অৱদানৰ বাবে ২০২০ বৰ্ষৰ জ্ঞানপীঠ বঁটা প্ৰদান কৰে। জ্ঞানপীঠ বঁটা লাভ কৰা তৃতীয় গৰাকী অসমীয়া সাহিত্যিক নীলমণি ফুকনদেৱ।

নীলমণি ফুকনদেৱে নিজস্ব চিন্তা-ভাৱনাৰে কবিতা ৰচি অসমীয়া জাতিক আৰু এখোজ আগলৈ আগবঢ়াই দিছে। তেওঁৰ কবিতাত চিত্ৰকল্প আৰু প্ৰতীকবাদৰ বহুল প্ৰয়োগ দেখা যায়।❑

# জ্যোতি নাটকত ধেমেলীয়া চৰিত্ৰ ঃ এটি অধ্যয়ন
## শোণিত কুঁৱৰী আৰু কাৰেঙৰ লিগিৰী নাটকৰ প্ৰসঙ্গত

**চিত্ৰ ৰঞ্জন নাথ**



*সুন্দৰে যে ফুলাৰ মন্ত্ৰ অহোৰাত্ৰি মাতে*
*সেয়েহে আজি ইমান ফুল প্ৰভাতে প্ৰভাতে।*

একাধাৰে নাট্যকাৰ, কবি, গীতিকাৰ, সুৰকাৰ, চিত্ৰকাৰ, কথাছবি নিৰ্মাতা, জীৱনীকাৰ, গল্পকাৰ আৰু অসমীয়া সংস্কৃতিৰ নৱ নিৰ্মাতা জ্যোতিপ্ৰসাদ আগৰৱালাই 'ৰূপান্তৰেই যে জগত ধুনীয়া কৰে' সেই দৰ্শনক সৰ্বোগত কৰি ৰচনা কৰা বাকীবোৰ সাহিত্য বাদ দি অকল নাটককেইখন মূল্যায়ন কৰিলেই তেওঁৰ সাহিত্য প্ৰতিভাৰ শ্ৰেষ্ঠতা অনুমান কৰিব পাৰি।

কুমলীয়া বয়সত (মাত্ৰ চৈধ্য বছৰ বয়সতেই) পৌৰাণিক কাহিনীৰ আধাৰত 'শোণিত কুঁৱৰী' নাটকখন ৰচনা কৰি অসমীয়া নাট্য সাহিত্যত নিজস্ব সৃষ্টিশীল প্ৰতিভাৰ পৰিচয় দিয়া এইগৰাকী নাট্যকাৰৰ দ্বাৰা ৰচিত নাটকসমূহৰ ভিতৰত— 'শোণিত কুঁৱৰী, কাৰেঙৰ লিগিৰী, ৰূপালীম, লভিতা, খনিকৰ, নিমাতী কইনা বা ৰূপকোঁৱৰ, সোণপখিলী'— এইকেইখন সম্পূৰ্ণ নাট আৰু 'কনকলতা আৰু সুন্দৰ কোঁৱৰ'— দুখন অসম্পূৰ্ণ নাটকো আছে।

জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকসমূহে অসমীয়া নাট্য সাহিত্যত এক সুকীয়া স্থান লাভ কৰি আহিছে। শংকৰদেৱৰ হাতত জন্ম লাভ কৰা অসমীয়া নাটকে আগৰৱালাৰ হাতৰ পৰশত আধুনিকতাৰ ৰূপ পৰিগ্ৰহ কৰে। ইতিমধ্যে জ্যোতি নাটকৰ বিষয়ে যথেষ্ট আলোচনা-বিলোচনা হৈছে যদিও এই নাটকসমূহৰ ধেমেলীয়া চৰিত্ৰসমূহৰ বিষয়ে যথোপযুক্ত আলোচনা পোৱা নাযায়। কিন্তু নাটকসমূহ উপস্থাপনত এই চৰিত্ৰসমূহৰ যথেষ্ট গুৰুত্ব আছে।

অসম এখন কৃষিভিত্তিক দেশ। কৃষিকৰ্মৰ লগত ব্যস্ত হৈ থকা এই লোকসকলে দিনটো কাম কৰি ভাগৰুৱা আৰু ক্লান্ত হৈ পৰে। তেনে ক্ষেত্ৰত কোনো গহীন নাটক উপভোগ কৰাৰ মানসিকতা তেওঁলোকৰ নাথাকে। তাৰ পৰিৱৰ্তে পাতল ধেমেলীয়া নাটকৰ

প্ৰতিহে তেওঁলোকৰ আগ্ৰহ। দৰ্শক শ্ৰোতাৰ ৰুচিৰ পৰিৱৰ্তনৰ কাৰণে, হাস্যৰসৰ যোগান ধৰিবৰ বাবে নাট্যকাৰে নাটকত ধেমেলীয়া চৰিত্ৰৰ অৱতাৰণা কৰে। নাটকৰ ভিতৰত থকা গহীন পৰিৱেশ কিছু পৰিমাণে লঘু কৰাৰ ক্ষেত্ৰতো এই ধৰণৰ চৰিত্ৰৰ ভূমিকা অস্বীকাৰ কৰিব নোৱাৰি। নাট্যকাৰে সমাজ সংস্কাৰ কৰিবৰ বাবে ব্যঙ্গাত্মকভাৱে এই ধৰণৰ চৰিত্ৰৰ সন্নিৱেশেৰে নাটক নিৰ্মাণ কৰে।

অতি প্ৰাচীন কালৰে পৰা অসমত সংস্কৃত নাটকৰ প্ৰচলন আছিল যদিও এই নাটকসমূহৰ ধেমেলীয়া চৰিত্ৰসমূহৰ প্ৰতিহে দৰ্শকে আকৰ্ষণ অনুভৱ কৰিছিল। সেয়ে হয়তো অসমত প্ৰচলিত লোকনাট্যসমূহৰ ধেমেলীয়া চৰিত্ৰৰ ভূমিকা বেছি। অতি প্ৰাচীন কালৰে পৰা অসমত প্ৰচলিত— ভাৰীগান, কুশান গান, খুলীয়া ভাউৰীয়া আদি লোকনাট্যানুষ্ঠানে এই কথাই প্ৰমাণ কৰে। গুৰুজনাৰ অংকীয়া নাটসমূহতো সেয়ে মাজে সময়ে ধেমেলীয়া চৰিত্ৰৰ অৱতাৰণা কৰা হৈছে। পৰৱৰ্তী সময়ত আধুনিক অসমীয়া নাটকতো নাট্যকাৰসকলে ধেমেলীয়া চৰিত্ৰ কিছুমান উপস্থাপন কৰিবলৈ ধৰিলে। অকল সেয়াই নহয়, একশ্ৰেণীৰ ব্যঙ্গাত্মক প্ৰহসন বা ধেমেলীয়া নাটকো ৰচনা হ'বলৈ ধৰিলে।

দৰ্শক-পাঠকক হাস্যৰসৰ যোগান ধৰাটোৱেই নাটকৰ ধেমেলীয়া চৰিত্ৰসমূহৰ মূল উদ্দেশ্য। মূল কাহিনী চাই থাকোঁতে দৰ্শকৰ মনত অনুভূত হোৱা বিষাদ বা দুখ-শোক মোচন কৰা অথবা, কেতিয়াবা বিৰক্তিদায়ক অৱস্থাৰ পৰা দৰ্শকক আঁতৰাই আনি আমোদ প্ৰদান তথা স্বাভাৱিক অৱস্থালৈ ওভোটাই লৈ আহে ধেমেলীয়া চৰিত্ৰই। আমাৰ এই প্ৰবন্ধত মূলতঃ জ্যোতিপ্ৰসাদৰ শোণিত কুৰঁৰী আৰু কাৰেঙৰ লিগিৰী নাটকৰ ধেমেলীয়া চৰিত্ৰৰ বিষয়ে আলোচনা কৰা হ'ব।

**শোণিত কুৱঁৰী নাটকৰ বিষয়বস্তু ঃ**

বিষয়বস্তুৰ ফালৰপৰা শোণিত কুঁৱৰী পৌৰাণিক নাটক হ'লেও ই তথাকথিত পৌৰাণিক নাটকৰ দৰে নহয়। ভাৱবস্তু, ৰূপবস্তুৰ দিশৰ পৰা ই ৰোমাণ্টিক ভাৱসমৃদ্ধ এখন আধুনিক নাটক। বিষয়বস্তু পীতাম্বৰ কবিৰ ঊষা পৰিণয় আৰু অনন্ত কন্দলিৰ কুমৰ হৰণ কাব্যৰ পৰা আহৰণ কৰা হৈছে। প্ৰাচীন কাব্যৰ পৰা বিষয়বস্তু আহৰণ কৰি তাত মৌলিকতাৰ ৰহণ সানি নাট্যকাৰে নাটকখনক আধুনিক ৰূপ প্ৰদান কৰে।

**শোণিত কুৱঁৰী নাটকৰ ধেমেলীয়া চৰিত্ৰ ঃ**

অসমীয়া নাটকৰ ইতিহাসত জ্যোতিপ্ৰসাদৰ শোণিত কুঁৱৰী নাটকখনৰ এটা সুকীয়া স্থান আছে। এই নাটকখনে অসমীয়া নাটকক এক নতুন গতি, নতুন শৈলী প্ৰদান কৰিছে।

শোণিত কুঁৱৰী নাটকখনত জ্যোতিপ্ৰসাদে ঊষা-অনিৰুদ্ধ, চিত্ৰলেখা, বাণৰজা, মধুমতী, কৃষ্ণ , বলোভদ্ৰ আদি মূল চৰিত্ৰসমূহৰ উপৰি কুঁজী, গণক, নাপিত, বাটৰুৱা আদি কেইটামান ধেমেলীয়া চৰিত্ৰ সন্নিবিষ্ট কৰিছে। এই চৰিত্ৰকেইটাই নাটকখনৰ কাহিনীৰ পৰিপুষ্টিত পোনপটীয়া ভূমিকা গ্ৰহণ নকৰিলেও জনসাধাৰণৰ মন যাতে নাটকৰ পৰা আঁতৰি নাযায়, সেই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

**কুঁজী ঃ**

কুঁজী বুঢ়ীৰ চৰিত্ৰটো নাট্যকাৰ জ্যোতিপ্ৰসাদৰ নিজা সৃষ্টি যদিও মূলত থকা নাৰদ চৰিত্ৰৰ ঠাইত জ্যোতিপ্ৰসাদে এই চৰিত্ৰটিৰ পুনঃসৃজন কৰিছে। চৰিত্ৰটিক টুটুকীয়া, নাৰীসুলভ দুৰ্বলতাৰে পৰিপূৰ্ণ আৰু লুভীয়া হিচাপে নাট্যকাৰে অংকন কৰিছে। এইক্ষেত্ৰত চৰিত্ৰটিৰ ওপৰত মাধৱ কন্দলিৰ ৰামায়ণৰ কুঁজী চৰিত্ৰৰ লগতে গাঁৱলীয়া সমাজ জীৱনৰ মেলেকীৰ প্ৰভাৱো কিছু পৰিমাণে দেখা যায়। কুঁজী চৰিত্ৰটিক নিম্ন মৰ্যাদাসম্পন্ন অশিক্ষিত, নিম্ন মানসিকতাৰ নাৰীয়ে যি আচৰণ কৰে, ঠিক তেনেদৰে অংকণ কৰিছে। কুঁজীৰ সংলাপত এই কথা প্ৰকাশ পাইছে—

"ঊষাই অচিনাকী ল'ৰা এটা আনি তাৰ সঙ্গত আছে।" (জ্যোতিপ্ৰসাদ ৰচনাৱলী, সম্পা. হীৰেন গোহাঁই, শোণিত কুঁৱৰী নাটক, পৃ. ৩৪)।

আচলতে পৰৰ চৰ্চাত ৰত সাধাৰণ নাৰী চৰিত্ৰৰ দৰে কুঁজীয়েও এইদৰে ঊষাৰ কথাবোৰ ৰাণী মধুমতীৰ আগত লগাইছে। আকৌ কুঁজীয়ে ৰজাৰ ওচৰলৈ যাওঁতে বাটতে নাপিতক যিদৰে সম্বোধন কৰিছে তাৰ পৰা তাইৰ প্ৰকৃত নিম্ন মৰ্যাদাসম্পন্ন আচৰণৰ কথা অনুমান কৰিব পাৰি— 'হেৰৌ কটাৰ পো, বন্দী নাপিত !" (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৩৬)।

কুঁজী চৰিত্ৰটি এটা উচ্চ অভিলাষী, উচ্চাকাংক্ষা কৰা চৰিত্ৰ। নিজৰ মৰ্যাদা সম্পৰ্কে তাই সচেতন নহয়। নহ'লেনো পৰিচাৰিকা এগৰাকী হৈ ৰজাৰ পটেশ্বৰী হোৱাৰ হাবিয়াস কৰেনে! ঊষা আৰু অনিৰুদ্ধ একেলগে থকা কথাষাৰ মধুমতীক কোৱাত সেই কথা আকৌ ৰজাক নক'বৰ বাবে ৰাণীয়ে ডিঙিৰ হাড়ডাল কুঁজীক উপহাৰ দিয়ে। এই উপহাৰ পাই কুঁজীৰ উচ্চাকাংক্ষা বাঢ়িল। তাই ভাবিলে— "আই-আই- এওঁত কওঁতেই দেখোন মুকুতামালা পালো একা ! ৰজাক ক'লে বা কি কৰে! নিশ্চয় মোক পটেশ্বৰী কৰিবই কৰিব।" (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৩৫)। তাইৰ এই উচ্চ অভিলাষে দৰ্শকক হাস্যৰসৰ যোগান ধৰিছে। পিছত তাই ৰজাৰ ওচৰত উপস্থিত হৈ স্থান, কাল, পাত্ৰৰ কথা নাভাবি ৰজাসভাতেই কৈছে— " ঊষাই এনে হেন অগ্নিগড় পাৰ কৰি ক'ৰবাৰ ডেকা ল'ৰা এটা আনি অন্তেষপুৰত ৰাখিছেহি। আমাৰ হাক বচন নুশুনে।" (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৩৮)। আচলতে পটেশ্বৰী হোৱাৰ আশাত সভাসদৰ আগত কৰা আচৰণৰ বাবে ৰজাই কুঁজীৰ নাক-কাণ কাটিবলৈ প্ৰহৰীক আদেশ দিয়ে। কুঁজীৰ এই অৱস্থাই এফালে দৰ্শক-পাঠকক বিমল হাস্যৰসৰ সোৱাদ দিয়ে, আনফালে চৰিত্ৰটো দৰ্শকৰ পুতৌৰ পাত্ৰ হয়।

নাৰীৰ নাৰ্চিচিষ্ট মনোভাৱ কুঁজী চৰিত্ৰটোৰ মাজেৰে প্ৰকাশ পাইছে। কিমান ৰজাৰ কোঁৱৰে তাইক ভুৱন ভুলোৱা ৰূপৰ বাবে বিয়া কৰাব খুজিছিল, অথচ তাইহে তেনে মানুহ'লৈ বিয়া হ'ব খোজা নাছিল— "বাটৰ মানুহে ৰ' লাগি চাই গৈছিল। কেইটা ৰজাৰ ল'ৰাই বিয়া কৰাবলৈ হাবাথুৰি খাই ফুৰিছিল। পিছে মই জানো তেনেকেটালৈ যাওঁ?" (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ১৬)। কুঁজীৰ দৰে কুন্ধচ নাৰী এগৰাকীয়ে

ৰজাৰ কোঁৱৰকো গুৰুত্ব নিদিয়া কথাই দৰাচলতে দৰ্শকক হাঁহিৰ খোৰাক দিয়ে। আকৌ ৰাজ পটেশ্বৰী হোৱাৰ হেঁপাহত সভালৈকে সাজি পাৰি, ডিঙিত মুকুতাৰ মালাধাৰ পিন্ধি চুলিকোছা ভালকৈ মেলাই ৰজাৰ মন মুহিবলৈ কৰা পৰিকল্পনা সঁচাকে হাস্যৰসাত্মক; নাপিতৰ পৰা দাপোণখন লৈ দাপোণখন চাই চাই সুধিছে—

"বাৰু চাচোন চা, মই দেখিবলৈ কেনে হৈছো? ডেকেৰীজনী যেন হোৱা নাইনে?"(পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৩৬)। সকলো নাৰীয়েই নিজকে ৰূপৱতী বুলি ভাবে। এয়া নাৰীৰ স্বাভাৱিক মনোবৃত্তি। সৌন্দৰ্যৰ প্ৰতি নাৰীৰ মোহ আছে। আনৰ পৰা তেওঁলোকে প্ৰশংসা পাব বিচাৰে। কুঁজী চৰিত্ৰও ইয়াৰ ব্যতিক্ৰম নহয়। কুব্জ বুঢ়ী এগৰাকীয়ে নিজকে ডেকেৰী বুলি কল্পনা কৰা কথাই দৰ্শকক ভাল আমোদ দিয়ে।

কুঁজীয়ে এনেকুৱা কিছুমান শব্দ সততে ব্যৱহাৰ কৰে, যিটো শব্দ বাৰে বাৰে শুনাৰ পিছত দৰ্শকৰ হাঁহি উঠে। তাৰ ভিতৰত সততে ব্যৱহৃত এটা শব্দ হ'ল— 'মাকে'।

—'পুৱাই পুৱাই মুকুতাৰ মালাধাৰ পালো, মাকে।'(পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৩৫)।

—'মই তাইক এশিকা শিকাম মাকে।' (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৩৫)।

—'মাকে আজি ৰজাৰ মন খুৱাইহে এৰিম।' (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৩৬)।

ইয়াৰোপৰি কটা খেকাৰ খোৱা, কুকুৰৰ পুতেক আদি শব্দৰে যিকোনো কাৰণতে মানুহক সম্বোধন কৰে। নিজকে টেঙৰী বুলি ভবা চৰিত্ৰটিয়ে দৰ্শকক আমোদ দিলেও শেষত নাক-কাণ কটা যোৱাত পুতৌৰ পাত্ৰী হয়।

**বাটৰুৱা ঃ**

জ্যোতিপ্ৰসাদৰ 'শোণিত কুঁৱৰী'ৰ ধেমেলীয়া চৰিত্ৰসমূহৰ ভিতৰত 'বাটৰুৱা' চৰিত্ৰটোও এটা অন্যতম চৰিত্ৰ। কেৱল এটা দৰ্শনত খুব কম সময়ৰ কাৰণে দেখা দিয়া চৰিত্ৰটোৰ কলা সুলভ মন এটা আছে যদিও আৰ্থিকভাৱে দুৰ্বল হোৱা বাবে নিজৰ ভাল লগা স্বত্বেও চিত্ৰ এখন কিনাৰ সামৰ্থ তেওঁৰ নাই। প্ৰথম অৱস্থাত গন্ধৰ্ব বেশী চিত্ৰলেখাক চিত্ৰ বিক্ৰেতা বুলি জানিব পাৰি তেওঁৰ পৰা চিত্ৰসমূহ চাব বিচাৰিছে— "বাৰু দিয়াচোন চাওঁ। লমনো কি, আমি চায়েই তেওঁ।" (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ২৫)।

ইয়াৰ পিছতেই চিত্ৰবোৰ এফালৰ পৰা চাই যাওঁতে এজনী সুন্দৰী যুৱতীৰ ছবি দেখি বাটৰুৱা থৰ লাগে— "অহ্ বৰ সুন্দৰ— বৰ সুন্দৰ। কিনো চাবা? মুখকে চাবানে, দাঁতকে চাবানে, চুলিটাৰিকে চাবা?— উস্! নোৱাৰি দেওহে, চকুত চমক লাগি যাব।" (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ২৫)। ছবিখন দেখিয়েই বাটৰুৱাই এইদৰে ভ্ৰম বকা দৃশ্যই দৰ্শকক হাস্যৰসৰ খোৰাক দিয়ে। সেই ছবিখন দেখি সুন্দৰী যুৱতী গৰাকীৰ প্ৰতি বাটৰুৱাৰ মন খাইছে যদিও তেনেকুৱা যুৱতী যে তেওঁৰ ভাগ্যত নাই সেই কথা ভাবি দুখ কৰিছে— "পিছে মন খালেনো হ'ব কি? নাখালেও বা হ'ব কি? আমি যেনে আছো সেয়েই।" (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ২৫)। মানুহজনী নহ'লেও ছবিখনকে লৈ যাবৰ কাৰণে গন্ধৰ্বই কোৱাত তেওঁ চতুৰ মানুহৰ দৰে আচৰণ কৰিছে। তেওঁ কৈছে— "সেই বুলিয়েই ধনকেইটা সৰকাব খুজিছা হ'বলা? এইখন নি আমি কৰিম কি? ধোঁৱাচাঙত তুলি থৈ ইফালে মূৰ ভুকুৱাই মৰিলেহে হ'ব?" (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ২৬)। ইয়াৰ পিছত গন্ধৰ্বৰ কথাৰ পাকত বাটৰুৱাজন ছবিখন কিনিবলৈ সাজু হয় যদিও ছবিখনৰ দাম 'দহ সুৱৰ্ণ মুদ্ৰা' বুলি জানিব পাৰি বাটৰুৱাৰ থৰকাচুটি হেৰাইছে— "আও মোৰ মতা গোঁসাই! আও মোৰ ক'লীয়া কৃষ্ণ গোঁসাই! জুই-চাই তপত, আও চুবকে নোৱাৰি। চুবকে নোৱাৰো। ওহোঁ— ওহোঁ— ওহোঁ—। ... নাই— নলওঁ— নলওঁ— ওহোঁ— ওহোঁ।"(পূৰ্বোক্ত গ্ৰন্থ, পৃ. ২৬)।

এই সংলাপে গোটেই দৰ্শক পাঠকক বিমল হাস্যৰসৰ সোৱাদ দিছে। চৰিত্ৰটিৰ মাজেৰে এফালে হাস্যৰসৰ বন্যা বৈছে আৰু আনফালে একশ্ৰেণীৰ অৰ্থনৈতিক ভাৱে দুৰ্বল মানুহৰ মনৰ অৱস্থাও উদ্ভাসিত হৈছে।

**নাপিত ঃ**

নাপিত চৰিত্ৰটি এফালে গহীন আনফালে হাস্যৰসাত্মক চৰিত্ৰ। নাটকখনত মাত্ৰ এটা দৃশ্যত চৰিত্ৰটিক দেখা যায়, এই কম সময়খিনিতে চৰিত্ৰটি দৰ্শক-পাঠকৰ আপোন হৈ পৰিছে। নাপিতে কুঁজীক জোকাই ভাল পায়, খং উঠাই স্ফূৰ্তি পায়। সাজি, পাৰি, তামোল খাই মুখ ৰঙা কৰি অহা কুঁজীক দেখিয়েই নাপিতে কৈছে—

"আমাৰ কুঁজী বাই দেখোন! সাজি-পাৰিনো ক'লৈ ওলাইছা? ক'ৰবাত মিতিৰ খাবলৈ যোৱা নেকি? বোলো তামোল খাই দেখোন মুখখন ফেচুলুকাৰ—" (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৩৬)। নিজকে ৰূপৱতী বুলি ভৰা কুঁজিক ফেচুলুকা বুলি কওঁতে খং উঠিছে। আকৌ তাই ৰজাৰ পটেশ্বৰী বুলি কওঁতে নাপিতে ঠাট্টা কৰি কৈছে— "খেমা' কৰিবা দেওহে। জানিলেনো আকৌ কওঁনে।'(পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৩৬)। সাজি পাৰি অহা কুঁজীৰ তামোল খাই ৰঙা কৰি অহা মুখখন দেখিবলৈ অদ্ভুত, বিকৃত। সেয়ে, তাইক ফেচুলুকা বুলি কৈ হাঁহিছে। কুঁজীয়ে নাপিতৰ দ্বাৰা দাপোণখন লৈ দাপোণত মুখখন চাই চাই তাইক দেখিবলৈ ভাল লাগিছেনে বুলি সোধোতে নাপিতে ঠাট্টা কৰি উত্তৰ দিছে — "মই বৰ ভাল দেখিছো ! সঁচাকৈয়ে যোল্ল বছৰীয়া দীপলিপ কইনাজনী যেন। মোৰ হ'লে একেবাৰে মন খাই গৈছে।"(পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৩৬)। তাৰ পিছতেই নাপিতক গালি পাৰি কুঁজী ৰজাৰ ওচৰলৈ যাওঁতে নাপিতে গোৰগোৰাই কৈছে— "যা যা ফেদেলী বুঢ়ী! ৰজাই তোক পটেশ্বৰী পাতিব। ভয় নকৰিবি দে; মই তোক হৰি নিবলৈ অহা নাই। যা যা মৰতী বুঢ়ী ৰজাই ভালকৈ তেল-খাৰনিৰে গা ধুৱাই ল'ব যা।" (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৩৬)।

আচলতে কুঁজীৰ উচ্চাকাংক্ষা আৰু নাৰ্চিচিষ্ট মনোভাৱ দেখি নাপিতৰো হাঁহি উঠে। কুঁজীৰ দৰে নাৰীয়ে যেতিয়া নিজকে ধুনীয়া বুলি ভাবি সাধাৰণ পুৰুষৰ কথা বাদেই, ৰাজকোঁৱৰকো পাত্তা নিদিয়ে বুলি কয় তেতিয়া নাপিতৰ এফালে হাঁহি উঠে আৰু আনফালে চৰিত্ৰটিৰ প্ৰতি পুতৌ ওপজে। নাপিতে ব্যঙ্গ কৰি প্ৰশংসা কৰা কথাবোৰ কুঁজীয়ে উপলব্ধি কৰিব নোৱাৰে।

আধুনিক পাশ্চাত্য নাট্য সাহিত্যত সৰ্বশ্ৰেষ্ঠ নাট্যকাৰ বুলি ক'লে যিদৰে হেনৰিক ইবচেন, মেটাৰ লিংক, শ্ব-গলছৱৰ্থিৰ কথা মনলৈ আহে তেনেদৰে অসমৰ বেলিকা দৰ্শক পাঠক আৰু নাট্য সমালোচকৰ মনলৈ আহে জ্যোতিপ্ৰসাদ আগৰৱালাৰ কথা।

**গণক ঃ**

শোণিত কুঁৱৰী নাটকখনৰ হাস্য ৰসাত্মক চৰিত্ৰসমূহৰ ভিতৰত আন এটা চৰিত্ৰ হ'ল গণক চৰিত্ৰ। নিজকে মহাপণ্ডিত বুলি দেখুৱাব খোজা চৰিত্ৰটিৰ মাজেৰে নিজৰ অজ্ঞানতা, মূৰ্খতা আৰু ভণ্ডামি প্ৰকাশ পাইছে।

চৰিত্ৰটোৰ প্ৰথম সংলাপতে দেখা যায় কিদৰে নিজকে পণ্ডিত বুলি প্ৰমাণ কৰিব বিচাৰে— "অহে কুঁজী বুঢ়ীং! কিং কৰিনাৎ?" (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৩৬)। নিজকে পণ্ডিত বুলি প্ৰমাণ কৰিবৰ কাৰণে আমি দৈনন্দিন জীৱনত ব্যৱহাৰ কৰি থকা শব্দবোৰ 'ং, ঃ, ৎ' আদি আখৰ ল'গ লগাই সংস্কৃত ৰূপ দিবলৈ যত্ন কৰে। এয়া সঁচাকে হাস্যৰসাত্মক। নিজে যদিও গণক, তথাপি তেওঁ সকলো কথা নাজানে, গম নাপায়। সেয়ে ঊষাই যে ল'ৰা এটা আনি অগ্নিগড়ত সুমুৱাই ৰাখিছে সেই কথা কুঁজী বুঢ়ীয়ে কোৱাৰ পিছত তৎক্ষণাৎ কৈছে— "অহ হ হ। ইতি সত্য, ইতি সত্য। আজি মই যোগবলত তাক জানো। যুৱাপুৰুষ নহয় জানো" (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৩৭)। আচলতে নিজকে মহাপণ্ডিত তথা যোগবলেৰে তেওঁ সকলো জানে বুলি দেখুৱাব বিচাৰে। গণেকে সেয়ে কুঁজীয়ে কোৱা কথাৰ ওপৰত ভিত্তি কৰিয়েই কোৱা কথাখিনিয়ে হাস্যৰসৰ খোৰাক দিয়ে— "যুৱা পুৰুষ নহয় জানো? ... কটিত মেখেলা যি ধাৰণ কৰে? ... মাজে মাজেং যে খোজকাঢ়ি ফুৰে আৰু মাজে মাজেং যে বহায়মান কৰে?" (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৩৭)। তেওঁৰ বিশ্বাস যে তেওঁৰ দৰে যোগী এই জগতত নাই— "যৰ্থাথং, যথাৰ্থং। মোৰ দৰে যোগী এই জগতত নাই।" (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৩৭)। এনেকুৱা এজন গণকক পাই কুঁজীয়ে সৰগখন হাততে ঢুকি পাইছে আৰু সেয়ে তাইৰ ভাগ্যত পটেশ্বৰী হোৱাৰ সৌভাগ্য আছেনে নাই, দিনটো গণি-পঢ়ি দিবলৈ অনুৰোধ জনোৱাত গণকে মহান জ্যোতিষীৰ দৰে মাটিত বহি আঁক পাৰি কয়, "অহ হ হ, উত্তম দিন। আজিং তোমাৰ কিবা এটা হ'বই হবঃ। কিন্তু ৰাহুৰ দোষ আছে। ব্ৰাহ্মণক এটি মুদ্ৰাং দদাৎ। এটি মোহৰ দান কৰিলে খণ্ডনং হ'ব। আৰু বাটত যাওঁতে ৰাহুৰ নামে এখন তামোল উছৰ্গৃতং কৰিব লাগিব।" (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৩৭)।

আচলতে এই গোটেই সংলাপখিনিয়েই হাস্যৰসাত্মক। ৰাহুৰ দোষৰ বাবে ব্ৰাহ্মণক মুদ্ৰা দান কৰা আৰু তামোল উৎসৰ্গা কৰিবলৈ দিয়া পৰামৰ্শই হাস্যৰসৰ খোৰাক যোগাইছে।

**'কাৰেঙৰ লিগিৰী' নাটকৰ বিষয়বস্তু ঃ**

'কাৰেঙৰ লিগিৰী' নাটকখন এখন ঐতিহাসিক নাটক হ'লেও ই প্ৰকৃততে এখন কাল্পনিক নাটকহে। এখন সামন্তযুগীয় সমাজৰ পটভূমিত নাটকখন ৰচনা কৰা হৈছে, য'ত ৰজাৰ ঈৰ্ষাই আইন। ৰাজমুকুটৰ মৰ্যাদাহে নাটকখনৰ সমস্ত ঘটনা নিয়ন্ত্ৰণ কৰিছে। সমাজ আৰু ব্যক্তিৰ মাজত যি সংঘৰ্ষ, প্ৰাচীন ৰীতি-নীতি, সংস্কাৰ আৰু নতুন আদৰ্শৰ মাজত যি বিৰোধ, সেই সংঘৰ্ষ বা বিৰোধে কেনেকৈ মানৱৰ অগ্ৰগতিৰ পথত বাধা দি জীৱন বিষময় কৰি তোলে, সেয়াই নাটকখনৰ বিষয়বস্তু।

**'কাৰেঙৰ লিগিৰী' নাটকৰ ধেমেলীয়া চৰিত্ৰ ঃ**

'কাৰেঙৰ লিগিৰী' জ্যোতিপ্ৰসাদৰ দ্বিতীয় নাটক। কাৰেঙৰ লিগিৰী জ্যোতিপ্ৰসাদৰ মানসকন্যা। এইখনেই তেওঁৰ শ্ৰেষ্ঠ নাটক। অকল তেওঁৰেই নহয়, অসমীয়া নাট্য সাহিত্যৰ ভিতৰতেই এখন শ্ৰেষ্ঠ নাটক হিচাপে অভিহিত কৰিব পাৰি। কাৰেঙৰ লিগিৰী নাটকখনত জ্যোতিপ্ৰসাদে সুন্দৰ কোঁৱৰ, সুদৰ্শন, অনঙ্গৰাম, ৰাজমাও, কাঞ্চনমতী, শেৱালী, ৰেৱতী, বুঢ়াগোহাঁয়নী, ৰুনুক, জুনুক, থুনুক আদি মূল চৰিত্ৰসমূহৰ উপৰিও বপুৰা, ৰেৱতী আদি ধেমেলীয়া চৰিত্ৰ সন্নিৱিষ্ট কৰিছে। এই ধেমেলীয়া চৰিত্ৰ দুটাই নাটকখনৰ কাহিনীৰ বিকাশতো যথেষ্ট ভূমিকা গ্ৰহণ কৰিছে।

নাটকখনত কেৱল হাস্যৰসৰ বাবে সুকীয়া দৃশ্য এটাও নাই। বিষন্ন সকাহ (tragical relief) দিবৰ বাবে এই চৰিত্ৰ দুটাৰ বচন আৰু ভংগীত হাস্যৰসৰ খোৰাক আছে।

**বপুৰা ঃ**

'কাৰেঙৰ লিগিৰী' নাটকখনত হাস্যৰসাত্মক পৰিস্থিতিবিলাক 'বপুৰা' নামৰ চৰিত্ৰটোক কেন্দ্ৰ কৰি গঢ়ি উঠিছে। এই চৰিত্ৰটো দৰ্শক-পাঠকক আমোদ দিবৰ কাৰণেই সৃষ্টি কৰা হৈছে বুলি ক'লে ভুল কোৱা নহ'ব। প্ৰাচীন সংস্কৃত নাটকৰ নায়কজনৰ বন্ধু বিদূষক চৰিত্ৰ। তেওঁ নায়কৰ বিশ্বাসী বন্ধু অথচ ভয়াতুৰ, কথাচহকী। আকৌ শ্বেক্সপীয়েৰৰ নাটকৰ 'Fool' চৰিত্ৰটো ঠিক তেনেকুৱাই। নায়কৰ বিশ্বাসভাজন এই চৰিত্ৰটো সদা সচেতন। তেওঁৰ আচৰণ লঘু যদিও কথা-বতৰাবোৰ গভীৰ অৰ্থবহ আৰু ব্যঙ্গাত্মক। কাৰেঙৰ লিগিৰী নাটকৰ বপুৰা চৰিত্ৰটোও সংস্কৃত নাটকৰ বিদূষক অথবা শ্বেক্সপীয়েৰ Fool চৰিত্ৰৰ নিচিনা। তেওঁ নায়ক সুন্দৰ কোঁৱৰৰ লগুৱা হ'লেও শ্বেক্সপীয়েৰৰ Fool চৰিত্ৰৰ দৰে ৰাজকোঁৱৰৰ লগত কথাৰ চুপতি মাৰিব পাৰে। বৰ গহীন অৱস্থাতো তেওঁ কেৱল পাতলামি কৰিব পাৰে। কথা এটা ক'বলৈ হ'লে তাৰ পাতনিতেই বহু সময় লাগে। সি যদিও বাহিৰত হজুৱা, কিন্তু ভিতৰি ভিতৰি নোম টেঙৰ। সি শব্দ প্ৰয়োগত ভুল কৰে, তাৰ আত্ম অহংকাৰ ভাব এটাও আছে।

'কাৰেঙৰ লিগিৰী' নাটকখনত প্ৰথম অংকৰ প্ৰথম আৰু দ্বিতীয়

দৰ্শন, দ্বিতীয় অংকৰ দ্বিতীয় আৰু তৃতীয় দৰ্শন, তৃতীয় অংকৰ তৃতীয় দৰ্শন আৰু নাটকখনৰ শেষত অৰ্থাৎ পঞ্চম অংকৰ দ্বিতীয় দৰ্শনত বপুৰা চৰিত্ৰক দেখা যায়। কাহিনী আৰম্ভ হোৱাৰ পিছৰেপৰা ভিন্ন ক্ৰিয়া-কলাপৰে নাটকৰ কাহিনী বিকাশত এই চৰিত্ৰটোৱে আগভাগ লোৱাৰ লগতে দৰ্শকক Tragic Relief দিছে।

বপুৰাৰ কথা কোৱা ভংগীটোৱেই হাস্যৰসাত্মক। বিভিন্ন বস্তুৰ লগত উপমা দি কথা কোৱা প্ৰৱণতা তাৰ বেছি। ৰেৱতীৰ লগত কথা কটা-কটি কৰিব নোৱাৰি কন্দনামুৱা হোৱা শেৱালীক দেখি বপুৰাই কয়, 'বোলো মেঘৰ গাজনি নেমাৰোতেই দেখোন হোৰ হোৰকৈ বৰষুণ?' (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৬০) বপুৰাৰ মুখৰ কথা শুনিলে সকলোৱে হাঁহি উঠিব; লাগিলে সি খঙতেই থাকক, বা কান্দিয়েই থাকক। কাজিয়া কৰি থকা ৰেৱতী-শেৱালীৰ চুলিয়া-চুলি কৰা দেখি বপুৰাই কৈছে—

*'চেংকলি নিকলি*
*কাঁহী-বাতি নুধুলি*
*ঠেহ পাতি নেখালি ভাত,*
*সাতপুৰীয়া সেন্দুৰৰ*
*যোৰ ফোট মাৰিলি*
*গোন্ধ তেল ঘঁহিলি গাত।'*
*(পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৬১)*

বপুৰাৰ এই ধৰণৰ কথা শুনি শেৱালী-ৰেৱতীয়েও হাঁহি ৰাখিব নোৱাৰিলে, মুখত সোপা দি হাঁহিবলৈ ধৰে। ৰেৱতী-শেৱালীয়ে কি কথা পাতিছে সেই কথাৰ আঁতি-গুৰি নাপালেও শেৱালীয়ে 'যোৱাই দিয়া' বুলি কোৱাত বপুৰাই তপৰাই মাত দিছে, 'তোকে মোকে সকলোৱে ভাল যোৱা হ'ব বুলি দেখিছে দেখিহে আকৌ।' (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৬১) সুন্দৰ কোঁৱৰৰ সৈতে শেৱালীক যোৱা দিয়াৰ কথা বপুৰাই ভাবিবই নোৱাৰে। সেয়ে ৰাজমাৰে শেৱালীক যোৱা দিয়া বুলি কওঁতে তাৰ লগত যোৱা দিয়া বুলি ভবা কথাই বিমল হাস্যৰসৰ সৃষ্টি কৰিছে।

বপুৰাৰ ঘূৰাই-পকাই কথা কোৱা প্ৰৱণতা বেছি। কথা এটা ক'বলৈ ওলাওঁতে তাৰ পাতনিতে বহু সময় লয়। শুনোতায়ো বিৰক্ত হৈ পৰে। এই মুদ্ৰাদোষজনিত কথাই দৰ্শকৰ হাঁহি তোলে—

'বপুৰাঃ তাইক মই এতিয়াহে চিনি পালো।

সুদৰ্শনঃ কাক অ' কাক?

বপুৰাঃ তাই বেটীৰ নিশাতো কাষতে থাকি বহি বহি নাম গাই থাকিব মন—

সুদৰ্শনঃ কাৰ অ' কাৰ?

বপুৰাঃ এ পদুমৰ পাহিৰে হেনো বিচনী এখন গোঁঠে।

সুদৰ্শনঃ কোনে?

বপুৰাঃ কি ক'ম, সাউদৰ পুতেকে দেউতা, বুকৰ সোণে

সুদৰ্শনঃ খপৰাই নকৰ কিয়?

বপুৰাঃ দীঘল আলিবাটটো নো কেনেকৈ খপৰাই চমু কৰো মোৰ গোসাঁই? তাই ভিতৰি ভিতৰি এনেকৈ সিন্ধি দিছে বুলিনো কোনে ক'ব পাৰিব।

সুদৰ্শন ঃ এঃ তই নকৰ যদি মই যাওঁ। (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৬২)

সুন্দৰ কোঁৱৰে শেৱালীক ভালপোৱাৰ কথাটো বপুৰাই আবিষ্কাৰ কৰা কথাটো সুদৰ্শনক কোৱাত তেওঁ বিশ্বাস কৰা নাছিল। বপুৰাৰ দৃষ্টিত শেৱালীক 'কাৰেঙত থলে কোঁৱৰৰ বিয়াখন হাতীকণীৰ ভিতৰত।' (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৬৩) তাতে আকৌ শেৱালীৰ প্ৰতি তাৰ আকৰ্ষণো আছে। সেয়ে সুন্দৰৰ পৰা শেৱালীক আঁতৰোৱাৰ দৰৰ আছে বুলি কৈছে। তাৰ মতে, 'বপুৰাৰ লগত তাইৰ (শেৱালীৰ) ৰাহি-যোৱা আমাৰ তিনি পুৰুষ আগৰে পৰা মিলি আছে। বপুৰাৰ এই ধৰণৰ পাকলগা অথচ উৎসুকতাপূৰ্ণ কথাই শ্ৰোতাক আমনি দিলেও দৰ্শকক কিন্তু হাঁহিৰ খোৰাক যোগাই।

নাটকখনৰ দ্বিতীয় অংকৰ দ্বিতীয় দৰ্শনত বপুৰাক দেখা যায় সুদৰ্শনৰ কোঠাত, মাজনিশা। সুন্দৰ আৰু কাঞ্চনমতীৰ বাক-বিতণ্ডাবোৰ লুকাই-চুৰকৈ শুনি থাকি সুদৰ্শনৰ আগত সেই বিষয়ে দোহাৰিব আহিছে মাজনিশা। বাহিৰৰপৰা দৰ্জা ঢকিয়াই মাতিছে যদিও সুদৰ্শনে দৰ্জাত কাণ পাতি কোন বুলি সোধাত সি কৈছে— 'হে মোৰ গোসাঁই! ডকাইতো নহওঁ, চোৰো নহওঁ।' (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৭১) তাৰ পিছত যেনিবা দৰ্জাখন খোলাত হাতেৰে চুৰিয়াখন ধৰি কঁকালত ৰাখি, কাপোৰত লাগি থকা বাঁহৰ জেং এডালৰ সৈতে কোঠাত প্ৰৱেশ কৰে। চৰিত্ৰটোৰ এই ধৰণৰ কথা আৰু কাৰ্যকলাপে দৰ্শকক হাঁহিৰ খোৰাক যোগাইছে।

বপুৰা ভয়াতুৰ। সুদৰ্শনৰ কোঠাত সুন্দৰক দেখি পলোৱা বপুৰাই সেই ৰাতি লিগিৰী টোলৰ পাছফালৰ কোঁটোহা বাঁহৰ তলেৰে আহি থাকে যদিও তাৰ ভয় লাগে। ভয়তে সি মুখত যি নাম আহে তাকে মাতে— 'দ'ত বাঁক যখ-যখিনী নিশাৰ নিশাচৰ জলদেৰ থলদেৰ বাঁকিনী শাঁকিনী— এই হেন আচানত পৰা বপুৰাক কৃপা কৰিবা। ........হে ৰাম প্ৰভু বাট দেখুৱাই নিবা।' (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৭২)

এই দৃশ্যতেই বপুৰাৰ মিছলীয়া ৰূপটো চকুত পৰে যদিও সি মিছা কথা ক'ব নাজানে, ধৰা পৰে। সুন্দৰ কোঁৱৰ আহি সেই ঠাইখিনি পোৱাত বপুৰাই তপৰাই ফাঁকি দিয়ে— 'আজি তিনিদিনে শুকান খৰিৰ দুখত— দিনত সময়ো নাপাওঁ— কোঁৱৰৰ আলপৈচান ধৰোঁতে।' কিন্তু আগমুহূৰ্তত সুদৰ্শনৰ কোঠাত যে দেখিছিল, সেই কথা কোৱাত বপুৰাৰ যি অৱস্থা হৈছে সেয়া হাস্যৰসাত্মক হৈছে। সি কৈছে— 'এঃ দেখিছিলেই যদি এনেয়ে মিছা মাতিলো পিছে—।'

(পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৭৩)

বপুৰা তিৰোতা বিদ্বেষী। বিয়া পতাৰ পিছৰ পৰা তিৰোতা মানুহৰ চৰিত্ৰ সম্পৰ্কে সি বহু কথা শিকিছে। তাৰ এই তিৰোতা বিদ্বেষী স্বভাৱটো প্ৰকাশ পাইছে তৃতীয় অংকৰ তৃতীয় দৰ্শনত। তাৰ মতে— 'তিৰোতা জাতিটো বৰ 'খেচ' জাতি। সংসাৰৰ কথা-বতৰা নিজেও নুবুজে, আনে বুজালেও কিবাখন খেলিমেলি কৰি বুজাকে বিমোৰত পেলাই।' (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৮২) বিয়া কৰোৱাৰ আগত 'সোণত সুৱগা চৰোৱা গাৰ বাকলিখন— ডালিমগুটিয়া দাঁতকেইটি, মাঘৰ বিহুৰ

মেজিৰ খৰিৰ মাজেদি ওলাই অহা জুইৰ নিচিনা বুকু পুৰি ভস্ম কৰা হাঁহিটো দেখি, বতাহে কোবোৰা বিৰিণাৰ সুহুৰি যেন মিঠা মাতটো শুনি' তিৰোতা গৰাকী বিচাৰি হামৰাও কাঢ়ি ফুৰিছিল। কিন্তু বিয়াৰ কেইদিনমান পাছতে সেইবোৰনো কোন মেৰতলিত লুকুৱালে সেয়া ভগৱতী গোসাঁনীয়েহে জানে। এই বাবে তাৰ গোটেই তিৰোতা জাতিৰ ওপৰত খং। তাক হেনো ঘৈণীয়েকে 'গুটি ধানৰ ভঁড়ালটো' বুলিহে ভাবে। ঘৈণীয়েকৰ খেচ-খেচনি আৰু কথা-বতৰাইয়ে বপুৰাক বহু বিজ্ঞ কৰি তুলিলে। তাৰ চিন্তা-ধাৰাও উচ্চমানদণ্ড হ'ল, ভাল ভাল তাৎপৰ্যপূৰ্ণ কথা তাৰ মুখেৰে ওলায়— 'মোৰ কপালখন কপাল নহয়, বিধাতাৰ চোতালহে হ'বলা। তাত বিধাতাই ওলাওঁতে এগছক, সোমাওঁতে এগছক মাৰি দুবৰিবোৰতো খাস্তাং কৰিলেই তাৰ উপৰিও বোকা তুলিলে। দুখীয়াৰ কপাল চোতাল হ'লে এয়েই হয়, ধনীৰ কপাল বিধাতাৰ চোতাল হ'লে আকৌ তাত মৰণা মাৰি ভালকৈ গুটিধান পেলাইহে যায়।' (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৮৩) এই ধৰণৰ তাৎপৰ্যপূৰ্ণ কথাই চৰিত্ৰটিৰ মানসিক অন্তৰ্দ্বন্দ্ব খুব সুন্দৰভাৱে হৃদয়ংগম কৰাইছে। সৰুতে পঢ়াশালিৰ মুখ নেদেখা বপুৰাই ইমান ভাল কথাবোৰ ক'ত শিকিলে বুলি সুন্দৰে সোধাত কৈছে- 'সৰুতে পঢ়াশালিত পঢ়িবলৈ নহ'ল। ক -টোৰ চুককেইটা তাৰে উৱাদিহ নাপাওঁ। পিছে এতিয়া বুঢ়াকালত আমাৰ শ্ৰীমতীয়ে যিখন পঢ়াশালি পাতিছেহি তাত শিকোৱা কথাৰ ভৰত বপুৰাৰ ৰাজহাড় ভেমেছা। কথাষাৰি এইদৰে ক'লেহে ভাল হয়—

*'গ'ল বপুৰা গ'ল বিয়া কৰাবলৈ গ'ল*
*শ্ৰীমতীৰ লগ পাই ডেকা বপুৰাকাই*
*যাঠি বছৰীয়া হ'ল।' (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৮৩)*

—বপুৰাৰ এইধৰণৰ নাৰী বিদ্বেষী চিন্তা-চৰ্চা আৰু সংলাপে এফালে এচাম তিৰোতাক তীব্ৰ ব্যংগ কৰিছে আৰু আনফালে দৰ্শকৰ হাঁহিত পেটৰ নাড়ী ছিঙি নিয়াৰ উপক্ৰম কৰিছে।

ইয়াৰ পিছতে নাটকখনৰ শেষৰ অংশত অৰ্থাৎ পঞ্চম অংকৰ দ্বিতীয় দৰ্শনত বপুৰা চৰিত্ৰটোক শেষবাৰৰ কাৰণে লগ পাওঁ। বপুৰাৰ আছে আত্মগৌৰৱ, আত্মঅহংকাৰ। নহ'লেনো বুঢ়া অঁহীয়া, তেনেই চুটি-চাপৰ, গাঁঠলু, ডাঢ়ি-গোঁফ নথকা শাওঁবৰণীয়া মুখৰ বপুৰাই অপেচৰী পাব বিচৰা কথা চিন্তা কৰিব পাৰেনে— 'আগৰজনীক--- হেঃ তাইক কাচি-কাচি তেল খাৰণি দি দলনিত পোনা মেলিমগৈ। তাই বেটীয়ে নাজানে এই বপুৰা ককাই লাগ বুলিলে কেইজনী অপেচৰী পাব পাৰে। মেনকাক আনিবলৈ বপুৰাৰ এটি চকুৰ টিপ, উৰ্ব্বশীক এটা সুহুৰি আৰু তিলোত্তমাক এটি তিলিকাৰহে 'বশ্যক'।' (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৯৬) বপুৰাই উৰ্ব্বশী, মেনকা, তিলোত্তমা আদি অপেচৰীক বশ কৰিব পৰা গুণ থকা বুলি নিজকে বিশ্বাস কৰে। এই ধৰণৰ চিন্তা-চৰ্চা আৰু কথা বৰ ৰসিক হৈছে। আকৌ আনক সহজতে বিশ্বাস নকৰা বপুৰাৰ মতে 'তিৰি মিৰি ভাটৌ কোৱা, এই চাৰি জাতিৰ আসৈ নোপোৱা।' পকোৱা কথা কৈ ভালপোৱা বপুৰাই নিজকে জ্ঞানী-মূৰ্খ বুলিহে ভাবে। বপুৰাৰ মতে 'এই কথা কেফাঁকি যি বাপেকৰ পুতেকে সৰজিলে, সিটো তাৰ বাপেকৰ পুতেকেই, আৰু ককাকৰো নাতিয়েক। সি পণ্ডিত নহৈ মুৰখ আছিল যদিও গিয়ানি মুৰুখ পুৰুষ প্ৰৱৰ।' (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৯৬)। সেয়ে হয়তো বপুৰাই ইন্দ্ৰৰ ভাগৰকেইজনীলৈ চকু নিদি এজনী নগা ছোৱালীকহে পুনৰ বিয়া পাতিবলৈ ইচ্ছা প্ৰকাশ কৰিছে— 'এতিয়াও পিছে মই ইন্দ্ৰৰ ভাগৰ কেইজনীলৈ চকু দিয়া নাই। দিমনো কেলৈ? ভাল মানুহৰ ভাল কথা। পিছে এই বোলেনে কিম্ভূত প্ৰকাৰে এজনী নাগেশ্বৰীকহে মোৰ গাটো মেৰপাক খুৱাই ধৰিবলৈহে সুবিধা কৰি দিছো।' (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৯৭)।

এই ধৰণৰ কথা-বতৰা আৰু ক্ৰিয়া-কৰ্মৰ বাবে চৰিত্ৰটো দৰ্শকৰ বৰ আপোন। বপুৰাই কেৱল হাস্যৰসৰ সোৱাদ দিয়েই যে ক্ষান্ত আছে তেনে নহয়, সি সুন্দৰ কোঁৱৰকো ভাল পাই। শেৱালীৰ প্ৰতিও তাৰ সহানুভূতি আছে। যিখন সমাজে সুন্দৰ-শেৱালীৰ মিলনক স্বীকৃতি দিয়া নাই সেইখন সমাজৰ বিৰোধিতা কৰি বপুৰাই কিন্তু দুয়োৰে মিলনত স্ফূৰ্তি পাইছে— 'খাই-বৈ, শেৱালী কুঁৱৰীক তহঁতৰ কাণত তুলি গায়নে বায়নে গিজ তাওঁ গিজ তাওঁকৈ নগৰ হেন্দোপদোপ দল্‌দোপ লগাই পেলামগৈ নহয়। মই নিজে ঢোল বাই আগে আগে যাম বুজিছ— 'ধিন দাওঁ খিত্ তাওঁ, 'ধিন দাওঁ খিত্ তাওঁ, খিতি খিতি তাওঁ, তাওঁ তাওঁ তাওঁ তাওঁ, খিতা ঘিনা খিতি তাওঁ ধিন্দাক ধেই।' ঢোলত বজাব নোৱাৰিলেও এইদৰে 'মুখ বায়ন' হৈয়ে বপুৰাই শেৱালী-সুন্দৰৰ মিলনত আনন্দ প্ৰকাশ কৰিছে।

বপুৰা সুন্দৰ কোঁৱৰৰ বিশ্বাসী ভৃত্য, বন্ধু। চৰিত্ৰটোৰ সম্পৰ্কত মাখন প্ৰসাদ দুৱৰাই কৈছে 'এই চৰিত্ৰটো স্বতন্ত্ৰ, স্বকীয় আৰু জাতে-পাতে অসমীয়া বপুৰা। (মোৰ মনৰ জ্যোতিপ্ৰসাদ আৰু তেখেতৰ সান্নিধ্য, প্ৰকাশ, জানুৱাৰী, ৮২, পৃঃ ৬২) নাটকৰ চৰিত্ৰৰ প্ৰতি দৰ্শকক আগ্ৰহী কৰি তুলিব পৰা গুণ যে জ্যোতিপ্ৰসাদৰ আছিল, বাকী চৰিত্ৰৰ কথা বাদ দিলেও এই চৰিত্ৰটোৱেই প্ৰমাণ কৰে।

**ৰেৱতী ঃ**

'কাৰেঙৰ লিগিৰী' নাটকৰ ধেমেলীয়া চৰিত্ৰ হিচাপে পৰিচয় দিয়া আন এটা চৰিত্ৰ হ'ল ৰেৱতী। অনাহকতে শেৱালীৰ লগত মুখ চুপতি মাৰি কাজিয়া কৰি থকা এই চৰিত্ৰটি নাটকখনৰ প্ৰথম অংকৰ প্ৰথম দৰ্শন, পঞ্চম দৰ্শন, তৃতীয় অংকৰ প্ৰথম দৰ্শন, আৰু তৃতীয় দৰ্শনত দেখা পোৱা যায়। চাৰিটা দৰ্শনত দেখা পোৱা এই চৰিত্ৰটোৱে নাটকীয় কাহিনীক গতিশীলতা প্ৰদান কৰি জটিল কৰি তোলাত সহায় কৰিছে। স্বভাৱতে ৰেৱতী অসমীয়া দন্দুৰী ছোৱালীৰ প্ৰতিভূ। তাইৰ মুখ চোকা শেৱালীৰ দৰে সাধাৰণ আৰু সৰল মনৰ ছোৱালীয়ে তাইৰ সৈতে কথাৰ কটা-কটি কৰিব নোৱাৰে। সেয়ে কথাত বলে নোৱাৰি কান্দিবলৈ বাধ্য হয়।

নাটকৰ প্ৰথম অংকৰ প্ৰথম দৰ্শনত, সুন্দৰ কোঁৱৰৰ শোৱনি কোঠাত চৰিত্ৰটোক প্ৰথম লগ পাওঁ। বেকাঁ-বেঁকিকৈ কথা কোৱাত ওস্তাদ এই চৰিত্ৰটোৱে কাট্ মাৰি কথা কোৱাত পাকৈত। তাইৰ কথাত বুকুত শেলে বিন্ধাদি বিন্ধে। সুন্দৰ কোঁৱৰৰ মতে ৰেৱতীৰ কথা শুনোৱাত তাই সেই কথাষাৰলৈ শেৱালীক ওলোটাই কথা শুনায়। ৰ'দত চুলি মেলাই গোন্ধ তেল ঘঁহি ফুৰা ৰেৱতীয়ে কাট্ মাৰি শেৱালীক

কয়, 'এতিয়া মোৰ গাতহে খোপটো লাগিলগৈ? ময়ে চাওঁ নে আন কোনোবাই, বুজোতাই বুজি কৈ গ'ল নহয়। উলুৰ লগত মই মাজতে বগৰী পুৰিলো।' (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৬০)।

যোজনা-পটন্তৰত সিদ্ধহস্ত ৰেৱতী। কথাই প্ৰতি যোজনা-পটন্তৰ ব্যৱহাৰ কৰিব পাৰে তাই। সুন্দৰ কোঁৱৰৰ দৰে ল'ৰালৈ তাইৰ মন নাখায়, কোঁৱৰ দৰালৈ তাইৰ মন নাই—

*'কাঁহীত নাখাওঁ বাটিত নাখাওঁ*
*নাখাওঁ সফুঁৰাত গুৱা,*
*মনৰ জোখাই নাপাওঁ মানে*
*দেহাকো নকৰোঁ চুৰা।' (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৬০)*

ৰেৱতীয়ে নিজে শেৱালীৰ লগত কাজিয়া কৰিলেও, তাই শেৱালীক কথা শুনালেও সুন্দৰ কোঁৱৰক কোনোবাই কথা শুনালে, কিবা ক'লে তাই সহ্য কৰিব নোৱাৰে। ৰাজমাৰে সুন্দৰৰ বিয়াৰ বাবে কথাৰ যুঁজ বাগৰ কৰাত ৰেৱতীয়ে ভয় খাইছে। সেয়ে ৰাজমাৰৰ ওচৰৰপৰা কোঁৱৰক আঁতৰাই আনিবলৈ সুদৰ্শনক পাচিছে—

'হে মোৰ দেউতাটি! সৌ কোঁৱৰক আইদেউতাৰ ওচৰৰ পৰা লৈ আহকগৈ। বলকনিৰ প্ৰতাপত এতিয়া আইচু দেউতাৰ যিকেইডাল চুলি আছে তাকো পকাবগৈ।' (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৬৭)।

নাটকখনৰ ৰেৱতী আৰু শেৱালীৰ য'তেই দেখা দেখি হয়, তাতেই খেয়লা-খেৰলি হয়। তৃতীয় অংকৰ প্ৰথম দৰ্শনত সুন্দৰৰ শোৱনি কোঠা সজাই থকা সময়ত সন্মুখত থকা আইনা এখনত নিজৰ মুখ চোৱা বাবেই শেৱালীক নানা কৰ্কথনা কৰিব ধৰিলে— 'ছিঃ কটা লাজো নালাগে। মোৰ এনেবোৰ কথা ওলোৱা হ'লে মই দাপোণ চাই মূৰ মেলাও ছাৰি বৰপুখুৰীত জাপ দি মৰিলোহেঁতেন।' (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৭৭)।

ৰেৱতী যিকোনো মুহূৰ্ততে ৰাজমাওক সন্তুষ্ট কৰিব বিচাৰে। ৰাজমাওক সন্তুষ্ট কৰাৰ নামত হোৱাই নোহোৱাই শেৱালিক গালি পাৰে, শেৱালিৰ বিৰুদ্ধে উচটনি দিয়ে। চৰিত্ৰটোৰ এই ধৰণৰ কাৰ্যকলাপে আৰু কথা কোৱাৰ ধৰণে নাটকীয় কাহিনীক জটিলতা প্ৰদান কৰাৰ লগতে লঘু হাস্যৰসৰো অৱতাৰণা কৰিছে।

**উপসংহাৰঃ**

আধুনিক পাশ্চাত্য নাট্য সাহিত্যত সৰ্বশ্ৰেষ্ঠ নাট্যকাৰ বুলি ক'লে যিদৰে হেনৰিক ইবচেন, মেটাৰলিংক, শ্ব-গলচ্ছৰ্থিৰ কথা মনলৈ আহে তেনেদৰে অসমৰ বেলিকা দৰ্শক পাঠক আৰু নাট্য সমালোচকৰ মনলৈ আহে জ্যোতিপ্ৰসাদ আগৰৱালাৰ কথা। তেওঁ সুন্দৰৰ পূজাৰী, সংস্কৃতিৰ সাধক। সত্য সুন্দৰৰ আৰাধনা কৰোঁতে তেওঁৰ মন প্ৰাণ সংস্কৃতিৰ মাজতে আৱদ্ধ হৈ পৰিছে। ধেমেলীয়া চৰিত্ৰবোৰ কেৱল জনসাধাৰণক হাস্যৰসৰ খোৰাক দিবলৈয়ে যে অৱতাৰণা কৰিছে, এনে নহয়। নাটকৰ কাহিনী বিকাশতো চৰিত্ৰকেইটাই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। তেওঁৰ 'শোণিত কুঁৱৰী' আৰু 'কাৰেঙৰ লিগিৰী' নাটক দুখনত উপস্থাপন কৰা ধেমেলীয়া চৰিত্ৰকেইটা নাট্যকাৰৰ নিজস্ব চিন্তাৰ ফচল যদিও চৰিত্ৰকেইটা তথাকথিত সমাজৰপৰাই আৰ্হি লৈ অংকন কৰিছে। কুঁজী, গণক এই চৰিত্ৰকেইটাৰ মাজেৰে সমাজৰ সেই শ্ৰেণীৰ মানুহক ব্যঙ্গ কৰিছে নাট্যকাৰে। আকৌ আনৰ ঘৰত লিগিৰী হিচাপে থকা ৰেৱতীৰো এখন নাৰী হৃদয় আছে। অথচ নাৰী হৃদয়ৰ সুখ-দুখ প্ৰকাশ কৰাৰ সময় নাই। কাৰণ তাই লিগিৰী। ঠিক সেইদৰে বপুৰা সুন্দৰ কোঁৱৰৰ বিশ্বাসী বন্ধু হ'লেও তাৰ সুখ-দুখলৈ যেন কাৰো চিন্তা নাই। ৰজাৰ পিছে পিছে মাথোঁ ৰ'দ গৰম নেওচি দৌৰিব লাগে। দৰ্শক পাঠককো নাট্যকাৰে চৰিত্ৰকেইটাৰ বিষয়ে ভাবিবলৈ অৱকাশ দিয়া নাই। এয়াই নাট্যকাৰৰ সাৰ্থকতা। মাথোঁ হাস্যৰসাত্মক চৰিত্ৰ হিচাপে অৱতাৰণা কৰা চৰিত্ৰকেইটাৰ মাজেদি নাট্যকাৰে হাস্যৰসৰ বন্যা বোৱালেও সিহঁতৰ মনৰ স্থিতি বিশ্লেষণ কৰিলে অন্তৰত নিহিত হৈ থকা চৰম কাৰুণ্য দেখা যায়। চৰিত্ৰকেইটাৰ মাজেৰে নাট্যকাৰে হাস্যৰসৰ খোৰাক দিছে যদিও সমাজখনকে ব্যঙ্গ কৰিছে। নাটকখনৰ এই চৰিত্ৰকেইটাৰ দৰে তেওঁৰ বাকীকেইখন নাটকৰো ধেমেলীয়া চৰিত্ৰসমূহৰ বিষয়ে অধ্যয়ন কৰাৰ স্থল আছে।❑

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .


**মুখ্য সমল**

গোহাঁই, হীৰেন (সম্পা.)। *জ্যোতিপ্ৰসাদ ৰচনাৱলী*। অসম প্ৰকাশন পৰিষদ। সপ্তম পৰিবৰ্ধিত সংস্কৰণ, ২০০৭, । মুদ্ৰিত।

**গৌণ সমল**

গোস্বামী, ভূপেন (সম্পা.)। নাট্যচিন্তা নাট্যচৰ্চা। শৰাইঘাট অফছেট প্ৰেছ, বামুণীমৈদাম, গুৱাহাটীঃ প্ৰথম প্ৰকাশ, ২০১৬। মুদ্ৰিত।

দত্ত, সিদ্ধাৰ্থ (সম্পা.)। *ৰূপকোঁৱৰ*। অৰিন্দম অফ্চেট এণ্ড ইমেজিং চিষ্টেমচ্, ৰাজগড়, গুৱাহাটীঃ ২০১৫। মুদ্ৰিত।

দাস, গোবিন্দ। *জ্যোতিপ্ৰসাদৰ নাট্য মনীষা*। জ্যোতি প্ৰকাশন, পাণবজাৰ,গুৱাহাটীঃ দ্বিতীয় প্ৰকাশ,মাৰ্চ, ২০১০। মুদ্ৰিত।

নাথ, প্ৰফুল্ল কুমাৰ। *নাটক, প্ৰাচীন আৰু আধুনিক*। চন্দ্ৰ প্ৰকাশ, গুৱাহাটীঃ দ্বিতীয় পৰিবৰ্ধিত সংস্কৰণ,২০১০। মুদ্ৰিত।

বৰুৱা, প্ৰফুল্ল কুমাৰ। *জ্যোতিপ্ৰসাদৰ নাটক*। বনলতা, ডিব্ৰুগড়ঃ চতুৰ্থ সংস্কৰণ, জুলাই, ২০০৯। মুদ্ৰিত।

বৰুৱা, প্ৰহ্লাদ কুমাৰ। *জ্যোতি মনীষা*। বনলতা, ডিব্ৰুগড়-১। পঞ্চম প্ৰকাশ, জানুৱাৰী, ২০১৫। মুদ্ৰিত।

বৰুৱা, ভৱেন। *প্ৰসঙ্গঃ জ্যোতিপ্ৰসাদ*। বনলতা, নতুন বজাৰ, ডিব্ৰুগড়ঃ দ্বিতীয় পৰিবৰ্ধিত সংস্কৰণ, ২০১২। মুদ্ৰিত।

ভট্টাচাৰ্য, হৰিচন্দ্ৰ। *অসমীয়া নাট্য সাহিত্যৰ জিলিঙণি*। লয়াৰ্চ বুকষ্টল, পাণবজাৰ, গুৱাহাটী, পুনৰ মুদ্ৰণ, ২০১৩। মুদ্ৰিত।

মহন্ত, পোণা । *নাটকৰ ৰং ৰূপ*। অসম প্ৰকাশন পৰিষদ; গুৱাহাটীঃ প্ৰথম প্ৰকাশ, ২০০৮। মুদ্ৰিত।

মহন্ত, পোণা । *নাটকৰ কথা*। বনলতা, ডিব্ৰুগড়ঃ প্ৰথম সংস্কৰণ, ২০০৪। মুদ্ৰিত।

মহন্ত, পোণা আৰু অন্যান্য । *ৰূপান্তৰৰ শিল্পী জ্যোতিপ্ৰসাদ।* বনলতা, নতুন বজাৰ, ডিব্ৰুগড়ঃ প্ৰথম প্ৰকাশ, ২০০৩। মুদ্ৰিত।

হোছেইন, ইছমাইল। *জ্যোতিপ্ৰসাদৰ জীৱন আৰু দৰ্শন*। জ্যোতি প্ৰকাশন, গুৱাহাটী। ষষ্ঠ প্ৰকাশ, ২০১৪। মুদ্ৰিত।



# সাম্প্ৰতিক সময়ত ভাষিক স্থিতি হিচাপে ৰাভা ভাষাৰ এক অধ্যয়ন

চন্দ্ৰমা কলিতা

ভাষা মানৱ জীৱনৰ অতি আৱশ্যকীয় সম্পদ। ভাষাৰ জৰিয়তে মানৱ সমাজে যুগে যুগে মনৰ ভাবৰ আদান-প্ৰদান কৰি কথিত, লিখিত, খোদিত, অংকিত আদি বিবিধ ৰূপত সামাজিক অভিজ্ঞানৰ স্বাক্ষৰ বহন কৰি আহিছে। এই ভিন ভিন ভাষাসমূহক কিছুমান পৰিয়ালৰ অন্তৰ্ভুক্ত কৰি বহুতো গোষ্ঠী, শাখা উপশাখাত ভাগ কৰি ভাষা বিজ্ঞানৰ জৰিয়তে ইয়াৰ চৰ্চা কৰি আহিছে। ভাষাৰ এনে চৰ্চাৰ ভিতৰত এচিয়া মহাদেশৰ অন্তৰ্গত বৃহত্তৰ চীন-তিব্বতীয় ভাষা পৰিয়াল উল্লেখযোগ্য ভাষা-গোষ্ঠী ৰূপে পৰিচিত। চীন-তীব্বতীয় ভাষা পৰিয়ালটো পশ্চিমে জম্মু আৰু কাশ্মীৰৰ পৰা অসম, ইণ্ডো-চীন আৰু পূবে চীনৰ কিয়দাংশলৈকে বিস্তৃত হৈ আছে। এই শাখাৰ অন্তৰ্ভুক্ত তিবব্বতবৰ্মী শাখা যথাক্ৰমে তিব্বত, অসম আৰু বংগদেশত বিয়পি আছে।

ঊনবিংশ শতিকাৰ চতুৰ্থ দশকত অসমত শুভাৰম্ভ ঘটা ভাষা সম্পৰ্কীয় চিন্তা-চৰ্চাই ব্ৰিটিছ ৰাজত্ব কালৰ পৰা ক্ৰমান্বয়ে বৃদ্ধি পাবলৈ ধৰে আৰু ভাষা চৰ্চা কৰাৰ দৰে তিব্বতবৰ্মীয় ভাষাৰ অন্তৰ্ভুক্ত বড়ো, কাৰ্বি, মিচিং আদি ভাষাৰ লগতে ৰাভা ভাষাৰো চৰ্চা কৰিবলৈ লয়। যিহেতু অধ্যয়ন চৰ্চা আৰু সম্প্ৰসাৰণ অবিহনে কোনো ভাষাই বৰ্তি থকা অসম্ভৱ সেয়েহে অসমত প্ৰচলিত তিব্বতবৰ্মী ভাষাসমূহৰ অতীত আৰু বৰ্তমান ভাষিক স্থিতি সম্পৰ্কে আলোচনা কৰাটো প্ৰয়োজনীয় হৈ পৰিছে। তিব্বতবৰ্মীয় ভাষাৰ ওপৰত বৰ্তমান বিভিন্ন লোকে গৱেষণা কৰিছে। তিব্বতবৰ্মীয় ভাষাৰ ভিতৰত ৰাভা ভাষাৰো ভাষিক স্থিতিৰ ওপৰত বিভিন্ন গৱেষকসকলে আলোচনা আগবঢ়াইছে।

**অধ্যয়নৰ উদ্দেশ্য আৰু গুৰুত্ব ঃ**

ক) তিব্বতবৰ্মীয় ভাষা আৰু ৰাভা ভাষাৰ এক পৰিচয় দাঙি ধৰা।

খ) ৰাভা ভাষাৰ ভৌগোলিক অৱস্থান সম্পৰ্কে।

গ) ৰাভা ভাষাৰ জনসংখ্যা, শৈক্ষিক দিশ আৰু বৰ্তমান সময়ত তাৰ স্থিতি সম্পৰ্কে অধ্যয়ন কৰা।

ঘ) উক্ত বিষয়ৰ অধ্যয়নৰ জৰিয়তে নৱ-প্ৰজন্মৰ মাজত ৰাভা ভাষাৰ ভাষিক স্থিতিৰ গুৰুত্ব সম্পৰ্কে দাঙি ধৰা।

**অধ্যয়নৰ পৰিসৰ ঃ**

ভাষিক স্থিতিৰ পৰিসৰ অতি বিশাল। প্ৰত্যেক ভাষাৰে ভাষিক স্থিতিৰ উচ্চাৰণ প্ৰক্ৰিয়া বেলেগ বেলেগ। ৰাভা ভাষাৰো এক সুকীয়া ভাষিক স্থিতি আছে। যি কিছুমান সুকীয়া বিশেষত্বৰে পৰিপূৰ্ণ। ৰাভা ভাষাৰ বৰ্তমান ভাষিক স্থিতি সম্পৰ্কে আলোচনা কৰাই মূলতঃ আলোচনা পত্ৰখনৰ পৰিসৰৰ অন্তৰ্ভুক্ত।

**তিব্বতবৰ্মীয় ভাষা আৰু ৰাভা ভাষাৰ পৰিচয় ঃ**

**তিব্বতবৰ্মীয় ভাষাৰ পৰিচয় ঃ**

ভাৰতৰ পূব-প্ৰান্তত অৱস্থিত অসম ৰাজ্য। অসম ৰাজ্যকে ধৰি পূব প্ৰান্তত অৱস্থিত সাতোখন ৰাজ্যৰে গঠিত বৃহৎ অঞ্চল পূৰ্বাঞ্চল নামে জনা যায়। এই পূৰ্বাঞ্চলত আৰ্য্য, অষ্ট্ৰিক, তিব্বত, চীন আদি বিভিন্ন ভাষা-গোষ্ঠীৰ লোকে বসবাস কৰি আছে। কিছুদিনৰ আগলৈকে পূৰ্বাঞ্চলৰ সকলো ভাষা-ভাষী লোকে একেলগে বসবাস কৰিছিল। সময়ৰ গতিত ৰাজনৈতিক বিভাজন অনুসৰি খণ্ড খণ্ড হৈ পৰিছে। চাৰিওফালে পাহাৰে আৱৰা ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠী আৰু ভাষিক জনগোষ্ঠীয়ে বাস কৰা এই অসম দেশৰ ৰাজ্যিক ভাষা হ'ল ভাৰতীয় সংবিধানৰ অষ্টম অনুচ্ছেদ অনুযায়ী স্বীকৃত অসমীয়া ভাষা। অসম ৰাজ্যৰ পাহাৰে ভৈয়ামে বাস কৰা জনগোষ্ঠীসমূহৰ প্ৰত্যেকৰে একোটাকৈ নিজা কথিত ভাষা আছে যদিও ভাষিক পৰিৱেশত এই লোকসকলে অসমীয়া ভাষাকে শিক্ষা-দীক্ষা, ব্যৱসায়-বাণিজ্য আদি ক্ষেত্ৰত দৈনন্দিন কাম-কাজত কথিত আৰু লিখিত ভাষা ৰূপে ব্যৱহাৰ কৰিছে। ইয়াৰ ভিতৰত কিছুমান জনজাতিৰ লোকে তেওঁলোকৰ পূৰ্বৰ ভাষা ত্যাগ কৰি সম্পূৰ্ণ অসমীয়া ভাষাকে মাতৃভাষাৰূপে গ্ৰহণ কৰিছে। ইয়াত ভিতৰত তিব্বতবৰ্মীয় ভাষা পৰিয়ালৰ পৰা, মিচিং, কাৰ্বিৰ লগতে ৰাজ্যৰ কিছুসংখ্যক লোকৰ কথা উল্লেখ কৰিব পাৰি যিয়ে দৈনন্দিন জীৱনৰ কাম-কাজত নিজা নিজা ভাষাক ব্যৱহাৰ কৰাৰ উপৰিও, অসমীয়া ভাষাক দ্বিতীয় ভাষাৰূপে গ্ৰহণ কৰিছে। সেই তিব্বতবৰ্মীয় ভাষাসমূহৰ ভিতৰত ৰাভা ভাষাৰ কথা বিশেষভাৱে উল্লেখ কৰিব পাৰোঁ।

**ৰাভা ভাষাৰ পৰিচয় ঃ**

চীন তিব্বতীয় ভাষা পৰিয়ালৰ অন্তৰ্গত তিব্বতবৰ্মীয় ভাষা জনগোষ্ঠীৰ ভিতৰত এটি অন্যতম ভাষাগোষ্ঠী হৈছে ৰাভা জনগোষ্ঠী। ইণ্ডো, মংগোলয়ড নৃ-গোষ্ঠীৰ তিব্বতবৰ্মীয় মূলৰ ভাষা-ভাষী ৰাভাসকল ঘাইকৈ অসমৰ কামৰূপ, গোৱালপাৰা আৰু দৰং জিলাত সিঁচৰতি হৈ আছে। একেদৰে মেঘালয়, গাৰো পাহাৰ, পশ্চিম বংগৰ কোচবিহাৰ আৰু নেপালতো কিছু সংখ্যক ৰাভা লোকে বসবাস কৰে। ৰাভাসকলৰ মূলতঃ আঠটা ফৈদ আছে। মূলত ৰাভাসকল ৰাংদানি, মায়তাৰি আৰু কোচ এই তিনিটা উপ ভাষাৰ সমষ্টি। অসমৰ গোৱালপাৰা জিলাত ৰাভাসকলৰ প্ৰধান বসতি স্থান।

**ৰাভা ভাষাৰ ভৌগোলিক পৰিস্থিতি ঃ**

ৰাভাসকল মূলতঃ আদিম জাতি। এওঁলোক অসম মেঘালয় আৰু পশ্চিমবঙ্গৰ বিভিন্ন স্থানত অধ্যুষিত হৈ আছে। সাম্প্ৰতিক সময়ত ৰাভা জাতিৰ স্থান, জনসংখ্যা, পৰিচয় ক্ৰমাগতভাৱে পোহৰলৈ আহিছে আৰু বিজ্ঞানসন্মতভাৱে ৰাভা জাতিৰ ঐতিহাসিক পটভূমি স্পষ্ট আৰু সঠিক ৰূপত পোৱা যায়। ১৯০৩ চনত প্ৰকাশিত Linguistic survey of India ৰ মতে গাৰো পাহাৰ জিলাৰ 'ফুলবাৰীৰ' পৰা দক্ষিণ কামৰূপৰ ৰাণীলৈকে, গাৰো পাহাৰ আৰু খাচীয়া পাহাৰ জিলাৰ উত্তৰ সীমান্তৱৰ্তী কিছু অঞ্চল সামৰি ৰাভাসকলৰ বাসভূমি। ইয়াৰোপৰি বিভিন্ন জিলা কোকৰাঝাৰ, চিৰাং, বাক্সা, ওদালগুৰি, কামৰূপ, শোণিতপুৰ, গোলাঘাট, নগাঁও, ডিব্ৰুগড়, শিৱসাগৰ আদি জিলাৰ বিভিন্ন ঠাইত এওঁলোক বসবাস কৰি আছে।

১৮৭২ চনৰ লোকপিয়ল অনুসৰি এই এলেকাসমূহত ৰাভা জনসংখ্যা বেছি পোৱা গৈছে। এইটোৱেই আছিল ৰাভাসকলৰ প্ৰথম জনসংখ্যা গণনা। এই লোকপিয়লৰ তুলনাত বৰ্তমান ৰাভা জনসংখ্যা বৃদ্ধি কম বুলি অনুমান কৰা হয়। উক্ত লোক পিয়লত ৭৩,০৬৮ জন ৰাভা জনসংখ্যা দেখুওৱা হৈছে। উল্লেখনীয় যে টোটোলা আৰু মদাহি জনসংখ্যাৰ হিচাপ ইয়াত ধৰা হোৱা নাছিল।

ৰাভা অসমৰ ভৈয়ামৰ জনগোষ্ঠী সমূহৰ ভিতৰত অন্যতম। ৰাভাসকল মূলতঃ বৃহত্তম উপজাতি। এই ৰাজ্যত দুই লাখ সাতসত্তৰ হাজাৰ ৰাভা লোকে বসবাস কৰে। ৰাভাসকলৰ আঠটা ফৈদৰ ভিতৰত ৰাংদানি , মায়তৰি আৰু কোচা এই তিনিটা উপভাষাৰ সমষ্টি। ইয়াৰে ৰংদানি গোৱালপাৰা, কামৰূপ, কোচসকল কোকৰাঝাৰ, মায়তৰি সকল বিশেষভাৱে গোৱালপাৰা, কামৰূপ আদি ঠাইত বসবাস কৰা দেখা যায়।

**ৰাভা ভাষাৰ জনসংখ্যা ঃ**

লোকপিয়লৰ তথ্যমতে ১৯৭১ চনলৈকে মুঠ ৰাভা লোকৰ এক তৃতীয়াংশৰ মাজতহে ৰাভা ভাষাৰ প্ৰচলন আছিল। সংখ্যা হিচাপত উপৰোক্ত তথ্য অনুসৰি ৰাভা ভাষী লোকৰ সংখ্যা ৪৩,২৪১ জন। কিন্তু ১৯৯১ চনৰ লোকপিয়লত এই সংখ্যা ১,১২,৪২৪ জনলৈ বৃদ্ধি পালে। স্বাভাৱিকতে ৰাভা ভাষাই মাধ্যম হিচাপে স্বীকৃতি পোৱা গ্ৰহণযোগ্যতাক ই প্ৰতিপন্ন কৰিছে। ৰাভা ভাষাত ৰাংদানি উপভাষাকে মান্য বুলি গ্ৰহণ কৰা হৈছে।

ৰাভা ভাষা অধ্যয়নৰ বিশেষ তাৎপৰ্যপূৰ্ণ ৰাভা- অসমীয়া - ইংৰাজী অভিধান খুৰাংমুকত ৰাভা ভাষী মানুহৰ জনসংখ্যিক নিৰ্ধাৰণত R.H.D.C. জমা দিয়া স্মাৰক পত্ৰত উল্লেখিত ১৯৯১ চনৰ লোকপিয়ল অনুসৰি মুঠ ৰাভা লোকৰ সংখ্যা অসমত ২,৩১,২০২

জন বুলি লিপিবদ্ধ হৈছে। উল্লেখিত স্মাৰক পত্ৰ অনুসৰি অন্য চুবুৰীয়া সংগঠনৰ মতৰ জৰিয়তে অনুসন্ধান কৰা তথ্যত ৰাভাৰ জনসংখ্যা পাঁচ লাখৰ কম নহ'ব বুলি দেখুওৱা হৈছে। ১৯৯১ চনৰ লোকপিয়লত সন্নিবিষ্ট তথ্য অনুসৰি বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৰাভা কোৱা লোকৰ সংখ্যা মুঠ ১,৩৯,৩৬৫ জন। ২০০১ চনৰ লোকপিয়লত সমগ্ৰ ভাৰতৰ মুঠ ভাষিক জনসংখ্যা হ'ল ১,৬৪,৭৭০ জন। ইয়াৰে ৮৩,২২৯ জন পুৰুষ ৮১,৫৩১ গৰাকী মহিলা। একেদৰে ১,৬১,৯৮৭ সংখ্যক গ্ৰামাঞ্চলৰ আৰু ২,৭৮৩ সংখ্যক নগৰাঞ্চলৰ।

**ৰাভা ভাষাৰ ভাষা ঃ**

ৰাভা জাতিৰ নিজস্ব ভাষা (দোৱান) আছে। গাণিতিক সংখ্যাও পৰিপূৰ্ণভাৱে আছে। ৰাভা ভাষা নিশ্চিতভাৱে ব্যাকৰণসন্মত। গৱেষণা আৰু অনুশীলনৰ অভাৱত পূৰ্বতে ৰাভা ভাষা বিস্মৃতিৰ গৰ্ভত লীন হোৱাৰ উপক্ৰম হৈছিল যদিও সম্প্ৰতি এই ভাষা বহুখিনি উদ্ধাৰ হৈছে আৰু পুনৰ উদ্ধাৰ আৰু সংৰক্ষণৰ নতুন পদক্ষেপ লোৱাত ৰাভা ভাষা ঠন ধৰি উঠিছে।

ৰাভা ভাষাৰ অভিধান ইতিমধ্যে দুখন প্ৰকাশ হৈছে আৰু নিখিল ৰাভা সাহিত্যৰ তৰফৰ পৰা আৰু এখন অভিধান প্ৰকাশৰ পথত। ৰাভা, ইংৰাজী আৰু অসমীয়া ভাষাত 'ছামলাযাচিনি ৰাওচামি' নামৰ পূৰ্ণাঙ্গ প্ৰশাসনীয় পৰিভাষা প্ৰকাশ পাইছে। বৰ্তমান নিখিল ৰাভা সাহিত্য সভাৰ উদ্যোগত 'ফামানছিনি' (পৰিচয়) ৰ পৈৰমৈতকা পছিনি (স্নাতকোত্তৰ) শ্ৰেণীলৈ ৰাভা ভাষাৰ ডিপ্লমা কোৰ্চৰ পৰীক্ষাৰ বাবে নিজাববীয়া প্ৰচেষ্টাৰে পাঠ্যপুথি যুগুত কৰি উলিয়াইছে। ২০১১ চনৰ লোকপিয়ল অনুসৰি ৰাভা ভাষা কোৱা লোকৰ সংখ্যা ১,০১,৭৫২।

**ৰাভা ভাষা উত্তৰণৰ কালছোৱা আৰু শৈক্ষিক দিশ ঃ**

ৰাভা ভাষা উত্তৰণৰ সোণালী যুগ 'চাম্পায়' আৰু 'প্ৰাক চাম্পায়' বুলি কোৱা হৈছে। চাম্পায় আলোচনীৰ জৰিয়তে ৰাভা ভাষা জীৱন্ত হৈ আছে।

১৮০০ চনতে Hamiton এ লোকগণনাৰ বাবে আন ভাষাৰ লগতে ৰাভা ভাষাৰো শব্দ সংগ্ৰহ কৰিছিল। ১৯৭৩ চনত 'ৰাভা সাহিত্য সভা' প্ৰতিষ্ঠা হয়। সেইসময়ৰ পৰাই ৰাভা ভাষাৰ উন্নতিৰ হকে প্ৰচেষ্টা চলাই আহিছে। ১৯৮৮ চনৰ ১৯ মাৰ্চত অবিভক্ত গোৱালপাৰা, কোকৰাঝাৰ, ধুবুৰী আদি ৰাভা বসতিপূৰ্ণ অঞ্চলত ৭০ খন প্ৰাথমিক বিদ্যালয়ত এটি বিষয় হিচাপে অসমীয়া লিপিৰে ৰাভা ভাষা প্ৰৱৰ্তিত হৈছে। এই বিদ্যালয়সমূহৰ প্ৰত্যেকখনতে একোজনকৈ শিক্ষক নিযুক্তি দিয়া হৈছে। উক্ত নিযুক্তি তিনি বছৰ ৰাভা ভাষা পৰীক্ষামূলক হিচাপে চপোৱাৰ পিছত চৰকাৰে অসমীয়াৰ পৰিৱৰ্তে ৰাভা ভাষাক মাধ্যম কৰাৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু দুৰ্ভাগ্যবশতঃ বহু দাবী কৰিও বৰ্তমানলৈকে ৰাভা ভাষাক মাধ্যম হিচাপে গ্ৰহণ নকৰিলে। ইয়াৰ বিপৰীতে আনুষ্ঠানিক প্ৰচেষ্টাত গোৱালপাৰাৰ চাম্পাই হৰিয়ে 'চাম্পাই' নামৰ এক আলোচনী প্ৰকাশ কৰি ৰাভা ভাষাক জীয়াই ৰখোৱাৰ প্ৰচেষ্টা চলায়। সেয়ে ৰাভা ভাষাৰ উত্তৰণৰ কালছোৱাক 'চাম্পায়' আৰু 'প্ৰাক্ চাম্পায়' বুলি কোৱা হয়। ২০০৫ চনত এই ভাষাৰ প্ৰথম পযেকীয়া বাতৰি কাকত 'চিঙিখুৰাং' প্ৰকাশ হয়।

ৰাভা ভাষা উন্নতিকৰণৰ হকে চিন্তা কৰি ২০১০ চনত ৰাভা সাহিত্য সভাই নতুনকৈ 'ৰাভা ডিপ্লমা' পৰীক্ষা ব'ৰ্ড গঠন কৰে। এই ব'ৰ্ডৰ উদ্দেশ্য আছিল ৰাভা ভাষাৰ উত্তৰণ আৰু সম্প্ৰসাৰণ কৰা।

২০১১ চনৰ পৰা নিখিল ৰাভা সাহিত্য সভাই অসমৰ লগতে মেঘালয়ত প্ৰতিবাৰে ডিপ্লমা পৰীক্ষা অনুষ্ঠিত কৰি আহিছে। তদুপৰি ঠাই সমূহত (BTC) ৰ ২২৪ খন বিদ্যালয় নিৰ্বাচন কৰি ২২৪ জন শিক্ষক পৰীক্ষামূলকভাৱে বাছনি কৰিছে। ইয়াৰে ২০১৪ চনত কোকৰাঝাৰত ৮৬ জন, চিৰাঙত ১২ জন, বাক্সাত ৩৫ জন, ওদালগুৰিত ৮১ জন বুলি জানিব পৰা গৈছে।

**ৰাভা ভাষাৰ লিপি ঃ**

ৰাভা ভাষাৰ নিজস্ব লিপি নাই। ৰাভা ভাষা লিখিবলৈ অসমীয়া বাংলা লিপি ব্যৱহাৰ কৰা হয়। আনহাতে ১৯৯৩ চনত খ্ৰীষ্টান সাহিত্য সমূহে মেঘালয়ত ৰাভা ভাষা লিখিবলৈ ৰোমান লিপি প্ৰয়োগ কৰে।

ৰাভা ভাষাৰ লিপি আৰু বানান ৰীতিৰ দিশত সাম্প্ৰতিক কাললৈ প্ৰধান তিনিটা ধাৰাই বিশেষ ভাৱে প্ৰভাৱিত কৰি ৰাখিছে বুলি উপেন ৰাভা হাকাচামে স্পষ্টকৈ দেখুৱাইছে। হাকাচামৰ উল্লেখ অনুসৰি তিনিটা ধাৰা এনেধৰণৰ—

১। খ্ৰীষ্টান মিছনেৰীৰ দ্বাৰা পৃষ্ঠপোষকতা পোৱা ৰোমান লিপিৰ ধাৰা।

২। বেবাক ৰাভা ক্ৰৌৰাং ৰুঞ্চুমৰ দ্বাৰা অনুমোদিত সংশোধিত অসমীয়া লিপিৰ ধাৰা।

৩। ৰাভা ভাষা পৰিষদৰ দ্বাৰা শেহতীয়াভাৱে পৰিৱৰ্তন ঘটোৱা পূৰ্বী লিপি বা বাংলা অসমীয়া লিপিৰ আধাৰত নিৰ্মিত ৰাভা লিপিৰ ধাৰা।

তিব্বতবৰ্মীয় ভাষাগোষ্ঠী ৰাভা ভাষাৰ ভাষিক স্থিতি সম্পৰ্কে বৰ্তমান বহু ভাষা বিশ্লেষণকাৰীয়ে সুন্দৰভাৱে চৰ্চা কৰিছে। বিশেষভাৱে নিখিল ৰাভা সাহিত্য সভাৰ জৰিয়তে ৰাভা ভাষাৰ চৰ্চা কৰি আহিছে। সেইসকলৰ ভিতৰত উপেন ৰাভা হাকাচাম, ৰাজকুমাৰ ৰাভা, ললিত চন্দ্ৰ ৰাভা, বিশ্বনাথ ৰাভা, অমল ৰাভা, অনুপমা ৰাভা আদিৰ নাম উল্লেখযোগ্য।

মুঠতে ৰাভা ভাষাৰ উন্নতি, প্ৰচাৰ, প্ৰসাৰৰ বাবে ৰাভা সাহিত্য সভাই বৰ্তমান বহু আঁচনি হাতত লৈছে ।❑

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

**সহায়ক গ্ৰন্থপঞ্জী ঃ**


- দেৱী, প্ৰণিতা ঃ তিব্বতবৰ্মীয় ভাষাৰ সম্বন্ধবাচক শব্দৰ অধ্যয়ন, প্ৰতিশ্ৰুতি প্ৰকাশন, গুৱাহাটী, প্ৰথম প্ৰকাশ ২০১৬
- হাকাচাম উপেন ৰাভা ঃ ৰাভা ভাষা আৰু সাহিত্য, বীণা লাইব্ৰেৰী, চতুৰ্থ সংস্কৰণ, ২০২১
- পি এইচ ডি গৱেষণা গ্ৰন্থ ঃ ভূঞা সীমা ঃ অসমত তিব্বতবৰ্মী ভাষা চৰ্চাৰ পৰম্পৰা আৰু বৰ্তমান স্থিতি (প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্যৰ বিশেষ উল্লিখনেৰে), ২০২০



# প্ৰাচীন ভাৰতীয় সাহিত্যৰাজি

**পুনম ডেকা**

সাহিত্যৰ জগতখনত ভাৰতবৰ্ষ যথেষ্ট সমৃদ্ধিশালী। বিশ্বৰ আন প্ৰান্তত মানৱ সমাজ সভ্য হোৱাৰ আগতেই ভাৰতবৰ্ষত সাহিত্য চৰ্চাৰ আৰম্ভ হৈছিল। প্ৰাচীন ভাৰতৰ সাহিত্যৰাজিৰ বিষয়ে জনাটো আমাৰ বাবে অতি আৱশ্যক। কিয়নো এই সাহিত্য সমূহৰ পৰাই প্ৰাচীন ভাৰতবৰ্ষৰ ইতিহাস জানিব পাৰি। বৰ্তমানৰ বিষয়ে জনাৰ লগতে আমি আমাৰ ইতিহাসৰ লগতো পৰিচিত হোৱা উচিত। ভাৰতবৰ্ষৰ নাগৰিক আৰু ভাৰতীয় সংস্কৃতিৰ অবিচ্ছেদ্য অংগ হিচাপে আমাৰ, ভাৰতীয় প্ৰাচীন সভ্যতা-সংস্কৃতিৰ বিষয়ে জ্ঞান থাকিব লাগে। এই বিষয়ে প্ৰাচীন ভাৰতীয় সাহিত্যাৱলীত পোৱা যায়। তলত প্ৰাচীন ভাৰতীয় সাহিত্যাৱলীৰ চমু আভাস দিবলৈ চেষ্টা কৰা হৈছে।

**বৈদিক সাহিত্য** ঃ ভাৰতবৰ্ষৰ সাহিত্যাৱলীৰ ভিতৰত সৰ্ব প্ৰথম সাহিত্যকৰ্ম হৈছে বেদ। সংস্কৃত শব্দ 'বিদ'ৰ পৰা বেদ শব্দটো উদ্ভূত হৈছে। যাৰ অৰ্থ হৈছে জ্ঞান। বেদ চাৰিখন- ঋগ বেদ, সাম বেদ, যজুঃ বেদ, অথৰ্ব বেদ। ঋক বেদ হৈছে বিশ্বৰ প্ৰাচীনতম সাহিত্য। প্ৰায় এহাজাৰ শ্লোক সম্বলিত আৰু দহটা মণ্ডলত বিভক্ত ঋগবেদ খ্ৰীঃ পূঃ ১৫০০ ৰ পৰা খ্ৰীঃ পূঃ ১০০০ ভিতৰত ৰচিত হৈছিল বুলি অনুমান কৰা হয়। কাৰণ বেদত সময়ৰ উল্লেখ কৰা হোৱা নাই। পৰৱৰ্তী তিনিখন বেদ খ্ৰীঃ পূঃ ১০০০ ৰ পৰা খ্ৰীঃ পূঃ ৭০০ ৰ ভিতৰত সংকলিত হৈছিল বুলি ভবা হয়।

প্ৰতিখন বেদৰ সুকীয়াকৈ চাৰিটা ভাগ থাকে। সংহিতা, ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদ এই চাৰিটা ভাগ থাকে। বেদৰ মূল খণ্ডটোক সংহিতা বোলা হয়। ব্ৰাহ্মণসমূহত সংহিতাৰ শ্লোকবোৰৰ গদ্যৰূপত বিশ্লেষণ কৰা হৈছে। আৰণ্যকসমূহে বলি-বিধান পৰম্পৰাৰ প্ৰতীকী আৰু দাৰ্শনিক ব্যাখ্যা আগবঢ়াইছে। আত্মা, ব্ৰহ্ম, সৃষ্টি আদি সম্পৰ্কীয় গভীৰ দাৰ্শনিক তত্ত্বৰে উপনিষদসমূহ সমৃদ্ধ আছিল। সামবেদ ভাৰতীয় উচ্চাঙ্গ বা শাস্ত্ৰীয় সংগীতৰ সপ্তস্বৰৰ উৎস। অথৰ্ব বেদ চিকিৎসা বিজ্ঞান সম্পৰ্কীয়। যজুৰ্বেদত বিভিন্ন যাগ-যজ্ঞাদি ৰীতি-নীতিসমূহৰ উল্লেখ পোৱা যায়।

বৈদিক সাহিত্যৰাজিয়ে সমসাময়িক ভাৰতবৰ্ষৰ ভৌগলিক তথ্য, ধৰ্মীয় চিন্তা, দৰ্শন, আৰ্য-অনাৰ্য সংস্কৃতি আদিৰ বিষয়ে

জানিবলৈ দিয়ে। সমকালীন ভাৰতৰ অৰ্থনীতি, ৰাজনীতি, সামাজিক, সাংস্কৃতিক তথা দাৰ্শনিক ইতিহাস ৰচনাৰ ক্ষেত্ৰত বৈদিক সাহিত্যৰাজিৰ গুৰুত্ব অপৰীসীম।

ব্ৰাহ্মণ সাহিত্যৰ ভিৰত প্ৰধান চাৰিখন ব্ৰাহ্মণ হ'ল- ঐতৰীয় ব্ৰাহ্মণ, সতপথ ব্ৰাহ্মণ, সাম ব্ৰাহ্মণ আৰু গোপথ ব্ৰাহ্মণ। উপনিষদৰ সংখ্যা মুঠতে ১০৮ খন বুলি জনা গৈছে। কেইখনমান প্ৰধান উপনিষদ হ'ল— কথা উপনিষদ, ঈশো উপনিষদ, প্ৰশ্নো উপনিষদ, মুণ্ডক উপনিষদ, তৈতৰীয় উপনিষদ, মাণ্ডুক্য উপনিষদ, বৃহদাৰণ্যক উপনিষদ, ঐতৰীয় উপনিষদ, ছান্দোগ্য উপনিষদ।

**বেদাঙ্গ** ঃ বেদাঙ্গসমূহ খ্ৰীঃ পূঃ ৬০০ ৰ পৰা খ্ৰীঃ পূঃ ২০০ ৰ ভিতৰত ৰচিত হৈছিল। ইয়াৰ ছয়খন প্ৰধান দৰ্শনত ষড়দৰ্শন হিচাপে জনা যায়। এইসমূহ হৈছে। কণাডৰ বৈশেষিক, পতঞ্জলিৰ যোগ, গৌতমৰ ন্যায়, কপিলৰ সাংখ্য, জৈমিনিৰ পূৰ্ব মীমাংসা আৰু বেদ ব্যাসৰ উত্তৰ-মীমাংসা। প্ৰাচীন ভাৰতৰ ঋষিসকলে ৰচনা কৰা এই দৰ্শনশাস্ত্ৰসমূহত অতি উচ্চমানৰ দৰ্শন প্ৰতিফলিত হৈছে। এই দৰ্শনশাস্ত্ৰ সমূহৰ পৰা সেই সময়ৰ ভাৰতীয়সকলৰ জীৱনযাত্ৰা প্ৰণালী, চিন্তাৰ বিকাশ, ধ্যান-ধাৰণা, মগজুৰ বিকাশ, জীৱন-দৰ্শন, ধৰ্মীয়-দৰ্শন আদি বহু তথ্য পাব পাৰি।

**মহাকাব্যদ্বয়** ঃ বেদব্যাস দ্বাৰা ৰচিত 'মহাভাৰত' আৰু বাল্মীকিৰ দ্বাৰা ৰচিত 'ৰামায়ণ' ভাৰতৰ অতি জনপ্ৰিয় মহাকাব্য। ৰামচন্দ্ৰৰ জীৱনক লৈ ৰচিত ৰামায়ণৰ ৰচনাকাল খ্ৰীঃ পূঃ ৫০০ ৰ পৰা খ্ৰীঃ পূঃ ৩০০ বুলি অনুমান কৰা হৈছে। আনখন মহাকাব্য মহাভাৰতৰ ৰচনাকাল খ্ৰীঃ পূঃ প্ৰায় ৪০০ ৰ পৰা খ্ৰীঃ পূঃ প্ৰায় ৩০০ বুলি অনুমান কৰা হৈছে। মহাভাৰতত কৌৰৱ আৰু পাণ্ডৱৰ মাজত হোৱা কুৰুক্ষেত্ৰৰ যুদ্ধৰ বৰ্ণনা কৰা হৈছে। এই মহাকাব্যদ্বয়ত বৰ্ণিত কাহিনীসমূহৰ পৰা সমসাময়িক সমাজ-ব্যৱস্থা, ধৰ্মব্যৱস্থা, অৰ্থনৈতিক ব্যৱস্থা, জ্ঞান, দৰ্শন, যুদ্ধকৌশল, শিল্পকলা আদিৰ বিষয়ে তথ্য পোৱা যায়।

**পুৰাণসমূহ** ঃ পুৰাণ অসংখ্য ৰচিত হৈছিল যদিও প্ৰধান বা মূল পুৰাণ ওঠৰখন। বেছিভাগ পুৰাণৰ ৰচনাকাল খ্ৰীঃ পূঃ প্ৰায় ৩০০ ৰ পৰা খৃঃ পূঃ দশম শতিকামান হ'ব বুলি অনুমান কৰা হৈছে। ওঠৰখন মূল পুৰাণ হ'ল- ব্ৰহ্মপুৰাণ, পদ্ম-পুৰাণ, বিষ্ণু পুৰাণ, মৎস্যপুৰাণ, শিৱপুৰাণ, বা বায়ু পুৰাণ, ভাগৱত পুৰাণ, নাৰদ পুৰাণ, গৰুড় পুৰাণ, মাৰ্কাণ্ডেয় পুৰাণ, ভৱিষ্য পুৰাণ, অগ্নি পুৰাণ, ব্ৰহ্মবৈৱৰ্ত পুৰাণ, লিংগ পুৰাণ, বৰাহ পুৰাণ, স্কন্দ পুৰাণ, বামন পুৰাণ, কুৰ্ম পুৰাণ আৰু ব্ৰহ্মাণ্ড পুৰাণ। কেইখনমান উপপুৰাণ হ'ল- কল্কিপুৰাণ, কালিকা পুৰাণ আদি। পুৰাণসমূহত ঈশ্বৰ তত্ব, ধৰ্মীয় দৰ্শন, উপাসনা-পদ্ধতি, সমাজ ব্যৱস্থা, শিল্পকলা, স্থাপত্য-ভাস্কৰ্য্য, ভৌগলিক অৱস্থা আৰু দেৱতাৰ পৰা আৰম্ভ কৰি ৰাজবংশৰ তালিকা তথা বংশাৱলীৰ তথ্য পোৱা যায়।

**ধৰ্মসূত্ৰ** ঃ ধৰ্ম বিষয়ক লৈ ধৰ্মসূত্ৰসমূহ ৰচিত হৈছিল। খ্ৰীঃ পূঃ ষষ্ঠ শতিকাৰ পৰা খ্ৰীঃ পূঃ তৃতীয় শতিকাৰ ভিতৰত এই গ্ৰন্থসমূহ ৰচিত হৈছিল। গৃহসূত্ৰ আৰু ধৰ্মসূত্ৰ নামৰ গ্ৰন্থ দুখন সূত্ৰ সাহিত্যসমূহৰ ভিতৰত অতি উচ্চমানৰ। ইয়াত বিভিন্ন ধৰ্মীয় উৎসৱ তথা অনুষ্ঠানৰ আচাৰ-ৰীতিসমূহৰ উল্লেখ আছে।

**স্মৃতিশাস্ত্ৰ** ঃ স্মৃতিশাস্ত্ৰ সমূহৰ ৰচনাকাল খ্ৰীঃ পূঃ দ্বিতীয় শতিকাৰ পৰা খ্ৰীঃ পূঃ নৱম শতিকা বুলি অনুমান কৰা হৈছে। স্মৃতিশাস্ত্ৰসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল মনুস্মৃতি আৰু যাজ্ঞ্যৱল্ক সংহিতা। তাৰোপৰি নাৰদস্মৃতি, বৃহস্পতিস্মৃতি, কাত্যায়ন স্মৃতি, শুক্ৰস্মৃতি আদি বহু স্মৃতিশাস্ত্ৰ ৰচিত হৈছিল। এই সমূহৰ পৰা সামাজিক অৱস্থা, আইন-কানুন, বিচাৰ-ব্যৱস্থা, দণ্ডবিধি আদিৰ বিষয়ে বহু তথ্য লাভ কৰিব পাৰি।

ইয়াৰ উপৰিও আৰু অসংখ্য প্ৰাচীন ভাৰতীয় সাহিত্য ৰচিত হৈছিল। সাহিত্যৰ ক্ষেত্ৰত ভাৰতবৰ্ষ ইমানেই চহকী যে এফালৰ পৰা বৰ্ণনা কৰিবলৈ গ'লে কেতিয়া অন্ত পৰিব তাক অনুমান কৰিব নোৱাৰি। ওপৰত উল্লেখ কৰা সাহিত্য গ্ৰন্থসমূহ এটা অংশহে মাথোন। এনে আৰু অনেক সাহিত্যৰে ভাৰতীয় সাহিত্য জগত সমৃদ্ধিশালী।❑


**সহায়ক গ্ৰন্থপঞ্জী ঃ**

- ড° প্ৰদ্যুম্ন শৰ্মা, ড° গাৰ্গী শৰ্মা ঃ ভাৰতৰ ইতিহাস (প্ৰথম পৰ্ব) ঃ ইতিহাস বিভাগৰ স্নাতক মহলাৰ প্ৰথম যাণ্মাসিকৰ অনাৰ্চ পাঠ্যক্ৰমৰ প্ৰথম কাকত (HIS-HC-1016)
- Ancient India : V.D. Mahajan (S. Chand Publication)





বৈদিক সাহিত্যৰাজিয়ে সমসাময়িক ভাৰতবৰ্ষৰ ভৌগলিক তথ্য, ধৰ্মীয় চিন্তা, দৰ্শন, আৰ্য-অনাৰ্য সংস্কৃতি আদিৰ বিষয়ে জানিবলৈ দিয়ে। সমকালীন ভাৰতৰ অৰ্থনীতি, ৰাজনীতি, সামাজিক, সাংস্কৃতিক তথা দাৰ্শনিক ইতিহাস ৰচনাৰ ক্ষেত্ৰত বৈদিক সাহিত্যৰাজিৰ গুৰুত্ব অপৰীসীম।




# ভাৰতবৰ্ষৰ নতুন শিক্ষানীতি- ২০২০

## আৰু ছাত্ৰ-ছাত্ৰীৰ ওপৰত ইয়াৰ প্ৰভাৱ

## সামগ্ৰিক পৰ্যালোচনা

**জ্যোতিপ্ৰিয়া শইকীয়া**

শিক্ষা হৈছে এক জীৱনজোৰা প্ৰক্ৰিয়া। জন্মৰ পিছৰ পৰাই শিক্ষা গ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ হয়। এক সুখী আৰু সফল জীৱন যাপনৰ বাবে মানুহক বিভিন্ন জ্ঞানৰ প্ৰয়োজন হয়। এই আটাইবোৰে জ্ঞান মানুহে বিভিন্ন ব্যক্তি আৰু অনুষ্ঠানৰ মাধ্যমেৰে সমাজত থাকি লাভ কৰিব পাৰে। সমাজৰ সভ্যতা আৰু সংস্কৃতিৰ সংৰক্ষণ আৰু ক্ৰমবিকাশৰ বাবে মানুহে নিৰৱচ্ছিন্নভাৱে শিক্ষাৰ আদান-প্ৰদান এটা পুৰুষৰ বাবে আন এটা পুৰুষলৈ কৰি আহিছে। গতিকে ব্যক্তিক সমাজৰ প্ৰত্যক্ষ অভিজ্ঞতা আৰু ভাবধৰা আয়ত্তকৰণত শিক্ষাই যথেষ্ট সহায় কৰে। শিক্ষা হৈছে এক ধাৰাবাহিক প্ৰক্ৰিয়া যাৰ আদি আৰু অন্ত ঠাৱৰ কৰিব পৰাটো টান।

মহাত্মা গান্ধীয়ে কৈছিল, "শিক্ষাৰ দ্বাৰা মই শিশু আৰু প্ৰাপ্তবয়স্ক সকলৰ দেহ মন আৰু আত্মাৰ সৰ্বতোপ্ৰকাৰ বিকাশকেই বুজো।" (By Education, I mean an all-round drawing out of the best in child and man-body mind and spirit)

প্ৰত্যকখন দেশে নিজৰ দেশৰ শিক্ষাৰ মানদণ্ড উন্নয়নৰ বাবে এক সু-পৰিকল্পিত শিক্ষানীতি প্ৰণয়ন কৰি আহিছে। আমাৰ দেশ ভাৰতবৰ্ষয়ো আন আন দেশৰ দৰে স্বাধীনতা লাভ কৰাৰ পিছৰ পৰা 'ৰাষ্ট্ৰীয় শিক্ষানীতি' অভিধাৰে কিছুমান সময় আৰু পৰিস্থিতি লৈ লক্ষ্য ৰাখি শিক্ষা নীতি প্ৰণয়ন কৰি আহিছে, সময়ে সময়ে শিক্ষানীতি সংশোধন কৰা হৈছে।

বৰ্তমান ভাৰতৰ প্ৰধানমন্ত্ৰী 'নৰেন্দ্ৰ মোডী'ৰ কেবিনেটে ভাৰতবৰ্ষৰ নতুন শিক্ষানীতি, ২০২০ অনুমোদন জনায় ৯ জুলাই ২০২০ চনত। পূৰ্বৰ প্ৰধানমন্ত্ৰী 'ৰাজীৱ গান্ধী' ডাঙৰীয়াই ৰূপায়ণ কৰা 'ৰাষ্ট্ৰীয় শিক্ষানীতি' ১৯৮৬ৰ স্থান ভাৰতৰ নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ য়ে ল'ব পাৰিব শিক্ষাবিদসকলে মত পোষণ কৰিছে। এই নতুন 'ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০' য়ে ভাৰতৰ গ্ৰাম্য আৰু চহৰাঞ্চল উভয়তে প্ৰাথমিক স্তৰৰ পৰা উচ্চ স্তৰলৈকে শিক্ষাক লগতে বহুমুখী শিক্ষাকো এক নতুন দৃষ্টিভংগীৰে বহল প্ৰেক্ষাপটত সামৰি ল'ব। এই নতুন 'ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০'ৰ লক্ষ্য হৈছে ২০৪০ চনলৈ ভাৰতৰ বৰ্তমানৰ প্ৰচলিত শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তন সাধন কৰি এক নতুন ৰূপ তথা গাঁথনি প্ৰদান কৰা।

ভাৰতবৰ্ষৰ নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ পটভূমি হৈছে পূৰ্বৰ ৰাষ্ট্ৰীয় শিক্ষানীতি, ১৯৮৬ ৰ ৰূপৰেখা। ২০১৪ চনৰ লোকসভা নিৰ্বাচনৰ প্ৰাকক্ষণত প্ৰকাশ পোৱা ভাৰতীয় জনতা পাৰ্টীৰ নিৰ্বাচনী মেনিফেষ্টোত এই কথা উল্লেখ আছিল যে, দেশত শিক্ষাৰ মানদণ্ড আৰু ব্যৱস্থা উন্নত কৰিবলৈ নতুন শিক্ষা নীতিৰ প্ৰচলন কৰা হ'ব। সেই উদ্দেশ্যক বাস্তৱায়িত কৰিবলৈ ২০১৫ চনৰ জানুৱাৰীত প্ৰাক্তন কেবিনেট সচিব টি এছ আৰ সুব্ৰমনিয়ামৰ অধীনত এখন কমিটিয়ে নতুন শিক্ষা নীতিৰ বাবে পৰামৰ্শ দানৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হয়। ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ISRO)ৰ প্ৰাক্তন অধ্যক্ষ কৃষ্ণস্বামী কস্তুৰীৰংগনৰ নেতৃত্বত এখন খচৰা কমিটি গঠন কৰি দিয়া হয়। আৰু এই কমিটিয়ে খচৰা দাখিল কৰে ২০১৯ চনত। এই নতুন শিক্ষা নীতিৰ খচৰাখন দেশৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ে প্ৰকাশ কৰে। এই নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ খচৰাখন সৰ্বমুঠ ৪৮৪ পৃষ্ঠাযুক্ত আছিল। অৱশেষত প্ৰায় ২ লাখতকৈ অধিক জনসাধাৰণৰ পৰামৰ্শ গ্ৰহণ কৰি সকলো চালি-জাৰি চাই নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০ গ্ৰহণ অৰ্থাৎ অনুমোদন জনোৱা হয়।

**ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ ৰ নীতি-উদ্দেশ্য ঃ**

প্ৰায় ১৩৮ কোটি জনসংখ্যাৰে পৰিপূৰ্ণ ভাৰতবৰ্ষৰ দৰে এখন জনবহুল দেশৰ নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০য়ে শিক্ষাৰ ক্ষেত্ৰত ব্যাপক পৰিৱৰ্তনৰ বাট মুকলি কৰিছে। নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০ ৰ মতে ভাৰতে প্ৰত্যেক বছৰে নিজৰ দেশৰ মুঠ জি ডি পি (Gross Domestic Product) ৰ ৪ ৰ পৰা ৬ শতাংশ শিক্ষাক্ষেত্ৰত খৰচ কৰিব আৰু ভাৰতৰ ৰাজ্যসমূহেও এই হিচাপতে ব্যয় কৰিব লাগিব। ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ ত অন্তৰ্ভুক্ত হোৱা উল্লেখযোগ্য পৰিৱৰ্তনকামী নীতি-উদ্দেশ্য তলত বিশদভাৱে আলোচনা কৰা হ'ল-

**১। ভাষা ঃ** ভাৰতৰ নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০ য়ে মাতৃভাষা আৰু ৰাজ্যিক ভাষাসমূহক অধিক গুৰুত্ব প্ৰদান কৰিব। পঞ্চম শ্ৰেণীলৈকে সকলো শিক্ষাৰ্থীক নিজৰ ৰাজ্যৰ মাতৃভাষাতে পাঠদান কৰিব লাগিব। সংস্কৃত আৰু অন্যান্য বিদেশী ভাষাকো গুৰুত্ব প্ৰদান কৰা হ'ব। এই নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০য়ে কোনো শিক্ষাৰ্থীৰ ওপৰত কোনো ভাষা বলপূৰ্বকভাৱে প্ৰয়োগ নকৰে বা কৰিব নোৱাৰিব।



**২। বিদ্যালয় শিক্ষা ঃ** বৃহত্তম গণতান্ত্ৰিক দেশ ভাৰতৰ বিদ্যালয়সমূহৰ বৰ্তমানৰ গঠন '১০+২' মডেলৰ সলনি '৫+৩+৩+৪' মডেলত গঠন কৰা হ'ব। এই নতুন '৫+৩+৩+৪' মডেল অনুসৰি এনেদৰে গঠন হ'ব—

**নিৰ্মাণৰ স্তৰ ঃ** প্ৰথম স্তৰটো বহুলভাৱে দুভাগত বিভক্ত কৰা হ'ব প্ৰথমতে, তিনি বছৰৰ প্ৰাক্-স্কুল বা অংগনবাদী আৰু দ্বিতীয়তে, প্ৰথম শ্ৰেণী আৰু দ্বিতীয় শ্ৰেণীক প্ৰাথমিক বিদ্যালয় বিদ্যালয়ত হ'ব। এই স্তৰে ৩ ৰ পৰা ৮ বছৰীয়া শিশুক সামৰি ল'ব। ইয়াৰ জৰিয়তে মূলতঃ কাৰ্যকলাপৰ জৰিয়তে অধ্যয়নক গুৰুত্ব আৰোপ কৰা হ'ব।

**প্ৰাথমিক স্তৰ ঃ** এই স্তৰত তৃতীয় শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ সন্নিবিষ্ট হ'ব আৰু এই স্তৰে ৮ ৰ পৰা ১১ বছৰৰ শিক্ষাৰ্থীক সামৰি ল'ব। নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০ ৰ মতে এই স্তৰতে ক্ৰমান্বয়ে লাহে লাহে কোৱা, পঢ়া, লিখা, শাৰীৰিক শিক্ষা, ভাষা, কলা, বিজ্ঞান আৰু গণিত আদি বিষয় সন্নিৱিষ্ট কৰিব।

**মধ্যম স্তৰ ঃ** এই স্তৰত ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ সন্নিৱিষ্ট হ'ব আৰু লগতে ইয়াত ১১ ৰ পৰা ১৩ বছৰৰ শিক্ষাৰ্থী সকলক সামৰি ল'ব। এইটো স্তৰত সমাজ বিজ্ঞান, কলা, বিজ্ঞান, গণিত আৰু ইংৰাজী বিষয়ৰ বিশদভাৱে সুপৰিকল্পিত ৰূপত পাঠদান আগবঢ়োৱা হ'ব।

**মাধ্যমিক স্তৰ ঃ** এই স্তৰত নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ সন্নিৱিষ্ট হ'ব আৰু ই ১৪ ৰ পৰা ১৮ বছৰৰ শিক্ষাৰ্থীসকলক সামৰি ল'ব। আৰু এই মাধ্যমিক স্তৰটো দুটা পৰ্য্যায়ৰ হ'ব। প্ৰথম পৰ্য্যায়ত - নৱম আৰু দশম শ্ৰেণীৰ আৰু দ্বিতীয় পৰ্যায়ত একাদশ আৰু দ্বাদশ শ্ৰেণী। শিক্ষাৰ এই চাৰিবছৰতে শিক্ষাৰ্থীক বহুমুখী পাঠ্যক্ৰমৰ জ্ঞান দিয়া হ'ব আৰু লগতে গভীৰ আৰু জটিল চিন্তাধাৰাৰ প্ৰতি আকৃষ্ট কৰা হ'ব। শিক্ষাৰ এইটো স্তৰত বহু বিষয় গ্ৰহণৰ বিকল্প দিয়া হ'ব। বিদ্যালয় পৰ্য্যায়ত শিক্ষাৰ্থীসকলে অষ্টম শ্ৰেণীলৈকে কেৱল মাত্ৰ তিনিটা পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব আৰু সেইকেইটা হৈছে তৃতীয়,

পঞ্চম আৰু অষ্টম শ্ৰেণীত।

**ছাত্ৰ-ছাত্ৰীৰ ওপৰত ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে পেলোৱা প্ৰভাৱসমূহ ঃ**

১। ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ ৰ নিৰ্দেশনা অনুসৰি ছাত্ৰ-ছাত্ৰীৰ পাঠ্যক্ৰমৰ অতিৰিক্ত বোজা হ্ৰাস কৰিব বা ইতিমধ্যে কৰিছে, যিয়ে ছাত্ৰ-ছাত্ৰীৰ মানসিক শাৰীৰিক দুয়োটা দিশ নিয়ন্ত্ৰণত ৰাখিব।

২। ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰা এক উল্লেখযোগ্য সুবিধা হ'ল এটা বিভাগত অধ্যয়নৰত শিক্ষাৰ্থীয়ে আন এটা বিভাগৰ বিষয়ে অধ্যয়ন কৰিব পাৰিব আৰু ইচ্ছা অনুযায়ী যিকোনো ভাষা অধ্যয়নৰ সুবিধা লাভ কৰিব। যি ব্যৱস্থাই ভাষা, জ্ঞান আহৰণত ছাত্ৰ-ছাত্ৰীক সহায় কৰিব আৰু নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে দক্ষতাত অধিক গুৰুত্ব প্ৰদান কৰিছে।

৩। নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ ত ষষ্ঠ শ্ৰেণীৰ পৰাই কম্পিউটাৰ ক'ডিং শিক্ষণ আৰম্ভণি কৰিছে আৰু অভিজ্ঞতাপূৰ্ণ শিক্ষণৰ কাৰ্যসূচী গ্ৰহণ কৰিছে।

৪। ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ নিৰ্দেশনা মৰ্মে মধ্যাহ্ন ভোজন আঁচনিৰ প্ৰসাৰ ঘটোৱা হ'ব ছাত্ৰ-ছাত্ৰীৰ প্ৰতি লক্ষ্য ৰাখি।

তাৰ সমান্তৰালভাৱে ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ ৰ মতে প্ৰাতঃভোজনো আগবঢ়োৱা হ'ব। প্ৰধানতঃ ছাত্ৰ-ছাত্ৰীৰ মানসিক-শাৰীৰিক দুয়োটা দিশৰ স্বাস্থ্যত সমানে গুৰুত্ব প্ৰদান কৰা হ'ব।

৫। ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ মৰ্মে শিক্ষাৰ মানদণ্ড উন্নীতকৰণ হ'ব ফলত ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীণ বিকাশ হ'ব।

৬। নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ মতে কাৰিকৰী শিক্ষাৰ প্ৰসাৰে ছাত্ৰ-ছাত্ৰীক ভৱিষ্যতে কৰ্মমুখী কৰি তুলিব।

৭। নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০, অন্য এক সুবিধা হ'ল- যিসকল ছাত্ৰ-ছাত্ৰীয়ে আধাতে শিক্ষা সাং কৰিছে তেওঁলোকক পুনৰ অধ্যয়নৰ সুবিধা প্ৰদান কৰা।

ৰাষ্ট্ৰীয় শিক্ষানীতি অনুসৰি, জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে শিক্ষাৰ সম্প্ৰসাৰণ কৰা ফলত সকলোৱে সমানে শিক্ষা লাভৰ সুবিধা পাইছে।

২০২০ ৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ যিদৰে কেতবোৰ ভাল প্ৰভাৱ আছে ঠিক তেনেদৰে কেতবোৰ বেয়া প্ৰভাৱ অথবা দুৰ্বলতাও পৰিলক্ষিত হৈছে। যেনে-

১) ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ ত ভাষা এটা নেতিবাচক কাৰক কাৰণ ভাৰতত শিক্ষক আৰু ছাত্ৰ অনুপাত সমস্যাজনক, এইদৰে শৈক্ষিক প্ৰতিষ্ঠানত প্ৰতিটো বিষয়ৰ বাবে মাতৃভাষা প্ৰৱৰ্তন কৰাটো এটা সমস্যা। কেতিয়াবা, এজন দক্ষ শিক্ষক বিচাৰি উলিওৱাটো এটা সমস্যা হৈ পৰে আৰু এতিয়া আন এক প্ৰত্যাহ্বান আহি পৰে NEP 2020 প্ৰৱৰ্তনৰ লগে লগে, যিয়ে মাতৃভাষাত অধ্যয়নৰ সামগ্ৰী আনিছে।

২) ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ অনুসৰি স্নাতক সম্পূৰ্ণ কৰিবলৈ ইচ্ছুক ছাত্ৰ-ছাত্ৰীয়ে চাৰি বছৰ অধ্যয়ন লাগিব। আনহাতে এজনে সহজতে দুবছৰতে ডিপ্লোমা ডিগ্ৰী সম্পূৰ্ণ কৰিব পাৰিব। ইয়াৰ ফলত ছাত্ৰজনে পাঠ্যক্ৰমটো মাজভাগত এৰি যাবলৈ উৎসাহিত হ'ব পাৰে।

৩) ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ অনুসৰি ব্যক্তিগত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক চৰকাৰী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীত কৈ বহু কম বয়সত ইংৰাজী ভাষাৰ সৈতে পৰিচয় কৰাই দিয়া হ'ব। শৈক্ষিক পাঠ্যক্ৰমত চৰকাৰী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ নিজ নিজ আঞ্চলিক ভাষাত পাঠদান কৰা হ'ব। এইটো এটা ডাঙৰ নতুন শিক্ষা নীতিৰ অসুবিধা কাৰণ ইয়াৰ ফলত ইংৰাজীত যোগাযোগ কৰাত অস্বস্তিকৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাব যাৰ ফলত সমাজৰ শ্ৰেণীসমূহৰ মাজত ব্যৱধান বৃদ্ধি পাব।

ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ উপযুক্তভাৱে ভাৰতবৰ্ষৰ প্ৰতিখন শিক্ষানুষ্ঠানত ৰূপায়ণ হ'লে নিশ্চয়কৈ ভাৰতবৰ্ষৰ বাবে হ'ব বিশ্বত নেতৃত্ব লোৱাৰ এক সবল আৰু প্ৰথম খোজ। কাৰণ UNESCO ই একবিংশ শতিকাৰ শিক্ষাৰ লক্ষ্য বা উদ্দেশ্য চাৰিটা নিৰ্ধাৰণ কৰিছে সেই কেইটা হৈছে-

১। Learning to know (জানিবলৈ শিকা)

২। Learning to do (কাম কৰিবলৈ শিকা)

৩। Learning to live together (একেলগে বাস কৰিবলৈ শিকা)

৪। Learrming to be (বিকশিত হ'বলৈ শিকা)

ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ য়ে ভাৰতবৰ্ষৰ দৰে ১৩৮ কোটি (২০২২ চনৰ পৰিসংখ্যা মতে) জনসংখ্যাৰে পৰিপূৰ্ণ দেশত শিক্ষা ব্যৱস্থাৰ পৰিসৰ বহল কৰিব তাৰ সমান্তৰালভাৱে শিক্ষাৰ মানদণ্ডৰ মাপকাঠী ওপৰৰ দিশে ধাৱমান হোৱাত সহায়ক হ'ব। ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ এক সময়োপযোগী পদক্ষেপ।❑

শিক্ষা হৈছে এক জীৱনজোৰা প্ৰক্ৰিয়া। জন্মৰ পিছৰ পৰাই শিক্ষা গ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ হয়। এক সুখী আৰু সফল জীৱন যাপনৰ বাবে মানুহক বিভিন্ন জ্ঞানৰ প্ৰয়োজন হয়। এই আটাইবোৰে জ্ঞান মানুহে বিভিন্ন ব্যক্তি আৰু অনুষ্ঠানৰ মাধ্যমেৰে সমাজত থাকি লাভ কৰিব পাৰে। সমাজৰ সভ্যতা আৰু সংস্কৃতিৰ সংৰক্ষণ আৰু ক্ৰমবিকাশৰ বাবে মানুহে নিৰৱচ্ছিন্নভাৱে শিক্ষাৰ আদান-প্ৰদান এটা পুৰুষৰ বাবে আন এটা পুৰুষলৈ কৰি আহিছে।




# অলপ কুইজিকেল পৰ্যবেক্ষণ

গগনজ্যোতি ডেকা

কুইজ আৰু প্ৰশ্নোত্তৰ দুয়োবিধ বস্তু সমগোত্ৰীয় যদিও অভিন্ন নহয়। দুয়োৰে মাজৰ এক বৃহৎ পাৰ্থক্য বিৰাজমান। প্ৰশ্নোত্তৰ প্ৰতিযোগিতা ব্যক্তি এজনৰ সাধাৰণ জ্ঞান (General awareness) জোখাৰ মাপকাঠী। আনহাতে কুইজ হ'ল সাধাৰণভাৱে গ্ৰহণ কৰা জ্ঞানৰ অসাধাৰণ প্ৰয়োগ। কুইজত জনা বিষয়ৰ ওপৰত সোধা প্ৰশ্ন এটিৰ বিপৰীতে কেইবাটাও তথ্যসূত্ৰ দিয়া থাকিব। এই তথ্যসূত্ৰসমূহ নিৰ্ধাৰিত সময়ৰ ভিতৰত ব্যৱহাৰ কৰি এটা উত্তৰৰ বাবে সন্ধান চলাব লাগিব। বহু সম্বদ্ধত এই প্ৰক্ৰিয়াটো হৈ পৰে চেষ্টা আৰু ত্ৰুটীৰ প্ৰক্ৰিয়া, য'ত শুদ্ধ উত্তৰ এটা নজনাৰ বাবে অনুমানসিদ্ধ উত্তৰৰ আশ্ৰয় ল'বলগীয়াত পৰে। প্ৰশ্নোত্তৰ প্ৰতিযোগিতাত এই প্ৰক্ৰিয়াৰ সুবিধা লোৱাৰ অৱকাশ নিচেই কম। গতিকে প্ৰশ্নোত্তৰ প্ৰতিযোগিতাত নজনা বস্তু এটাৰ উত্তৰ দিয়াটো তুলনামূলভাৱে কঠিন। আনহাতে কুইজৰ নজনা প্ৰশ্ন এটাৰ উত্তৰ যেতিয়া প্ৰদত্ত সূত্ৰসমূহৰ সহায়ত উলিয়াই (শুদ্ধ) হোৱাৰ বাবে নম্বৰ পোৱা যায় তাক আনন্দ, জনা প্ৰশ্ন এটাৰ উত্তৰ দি পোৱা আনন্দতকৈ বহু গুণে বেছি। প্ৰশ্নোত্তৰ প্ৰতিযোগিতাৰ সৈতে কুইজৰ যিবোৰ প্ৰশ্নৰ সুগন্ধ একে তাক কুইজৰ ভাষাত তাক শুকান (Dry) প্ৰশ্ন বোলা হয়। এনে শুকান প্ৰশ্নক কোনো কোনোৱে এশৰীয়া (One liner) প্ৰশ্ন বুলিও কয়। মাল্টিমিডিয়াৰ আগমনৰ পূৰ্বে অসমত কুইজত এনে এশৰীয়া শুকান প্ৰশ্নৰ প্ৰয়োভৰ বেছি আছিল। প্ৰজেক্টৰ আৰু মাল্টিমিডিয়াৰ বহুল প্ৰয়োগে কুইজৰ জগতখনতো পৰিৱৰ্তনৰ সুচনা কৰিলে। যি সময়ত অসমৰ বহুতো ঠাইত ভাৰতবৰ্ষৰ শ্ৰেষ্ঠ কুইজবোৰৰ সমমানৰ কুইজ অনুষ্ঠিত হয়, তেনে সময়ত এতিয়াও পুৰণি নীতি-নিয়মত আৰু একে খিনি প্ৰশ্নকেই ঘূৰাই পকাই সুধি থকা কুইজ বহু ঠাইত অনুষ্ঠিত হৈ আছে। এনে পশ্চাদগামী কাৰ্যৰ ফলত সেই ঠাইখনৰ উঠি অহা প্ৰতিভাসম্পন্ন প্ৰজন্মই এখন উপযুক্ত মঞ্চ পোৱাৰ পৰা বঞ্চিত হয়। আনহাতে একেখিনি প্ৰশ্ন পাঁচ বছৰ আগতে আৰু বৰ্তমানেও সোধাৰ ফলত যি অংশগ্ৰহণকাৰীসকলৰ নতুন কোনো কথা শিকা নহয়, একেখিনি প্ৰশ্নকেই কোনো এটা দলে আয়ত্ত কৰি ল'লে, নতুন দলসমূহৰ বাবে ভাল ফল দেখুৱাটো হৈ পৰে দুৰূহ। কুইজৰ দলসমূহৰ স্থানৰ অৱস্থিতিয়েও বহুক্ষেত্ৰত ফলাফল নিৰ্ণয় কৰাত মুখ্য ভূমিকা লয়। এনে পৰিস্থিতিত Pounce পদ্ধতিৰ প্ৰয়োগে সমুলঞ্চে নহ'লেও যথেষ্ট পৰিমাণে ভাগকাৰক (luck factor) বিধ নাইকিয়া কৰে। Pounceৰ ব্যৱস্থা কুইজ সমূহত প্ৰচলিত চিৰাচৰিত নিয়মত অন্তৰ্ভুক্ত নহয় বাবে ভাগ্যৰ কাৰক এশ শতাংশ ৰোধ কৰিব পৰাটো সম্ভৱপৰ হোৱা নাই। কুইজৰ মাষ্টাৰসকলে এই কথাটো মন কৰিব।

কুইজ নকৰা বা কুইজ নেদেখা বা কুইজৰ লগত জড়িত নথকা ব্যক্তি কুইজৰ উদ্যোক্তা হোৱাৰ বাবে কেতিয়াবা মহা পয়মালৰ সৃষ্টি হয়। কুইজ এখন সুকলমে আৰু সৰ্বাঙ্গসুন্দৰভাৱে অনুষ্ঠিত হ'বৰ বাবে কিছু সময়ৰ প্ৰয়োজন হয়। সময়ানুৱৰ্তিতা মানি নচলা উদ্যোক্তাই অন্য কাৰ্যসূচীৰ অজুহাতত কুইজৰ সময় হ্ৰাস কৰোৱাৰ ফলত ইয়াৰ মাদকতা আৰু মান দুয়োটাই হ্ৰাস পায়। কোনো কোনো উদ্যোক্তাই সময়মতে বঁটা বিতৰণ নকৰাৰ বাবে দূৰণিবটীয়া প্ৰতিযোগীয়ে কষ্ট ভুগিবলগীয়া হয়। বঁটা বিজয়ী দলক প্ৰতিশ্ৰুতি অনুসৰি পুৰস্কৃত নকৰা বা পুৰস্কাৰৰ ধনৰাশিৰ খেলি-মেলিৰ কথা নকলোৱেই যেনিবা।

স্বামী বিবেকানন্দই ইয়াৰ পৰৱৰ্তী ধাৰণা হিচাপে বিশ্বজনীন ধাৰণা আগবঢ়াই যি কোনো ধৰ্মীয় মত বা বিশ্বাসৰ অধীন নহয়। ধৰ্মীয় মত বা পন্থা গুৰুত্বপূৰ্ণ কথা নহয়, বৰঞ্চ আমি অনুভৱেৰে যি ঢুকি পাওঁ সেয়াহে। বিশ্বৰ মহান ধৰ্মীয় চিন্তাকাৰীসকলে শিক্ষা দি গৈছে যে বাহ্যিক ৰূপবোৰ নহয়, বৰঞ্চ মানুহৰ গাত অন্তৰ্নিহিত শক্তিয়েহে মুক্তি সম্ভৱ কৰি তুলিব পাৰে। মানুহে জীয়াই থাকি ঈশ্বৰ সন্ধানত অবিৰত যাত্ৰা অব্যাহত ৰাখে। গ্ৰন্থসমূহে ধৰ্মৰ সৃষ্টি কৰা নাই, বৰঞ্চ ধৰ্মবোৰহে গ্ৰন্থবোৰৰ সৃষ্টিকৰ্তা। সকলো ধৰ্মৰ শেষ কথা হ'ল নিজতে ঈশ্বৰৰ অনুভৱ তথা হৃদয়ঙ্গম কৰণ। সেয়াই একক বিশ্বজনীন ধৰ্মৰ স্বৰূপ। বিবেকানন্দৰ মতে, এনেদৰে একক বিশ্বজনীন সত্যতা হিচাপে সৰ্ব ধৰ্মতে নিজতে ঈশ্বৰৰ অস্তিত্ব অনুভৱ কৰাটো। তেওঁ কৈছে যে আদৰ্শ আৰু পদ্ধতিবোৰ নিমিলিব পাৰে, কিন্তু সেয়াই কেন্দ্ৰীয় বিষয়বস্তু। যেতিয়া কোনোবা এজনে কয় যে তেওঁ অথবা তেওঁৰ গিৰ্জা বা মন্দিৰ বা মছজিদ বা গুৰুদ্বাৰটো সঁচা আৰু আন সকলো মিছা, দুৰ্ভাগ্যজনকভাবে তেওঁ বুজিব নোৱাৰে যে অইন সকলোৰে প্ৰমাণৰ ওপৰত নিৰ্ভৰ কৰিহে তেওঁৰ নিজৰ প্ৰমাণ নিসৃত হ'ব পাৰে। বিবেকানন্দই অনুভৱ কৰিছিল যে পাশ্চাত্যৰ পৰা প্ৰাচ্যই ল'ব লগা ভালেখিনি আছে, ঠিক সেইদৰে






পাশ্চাত্যৰো প্ৰাচ্যৰ পৰা ল'ব লগা যথেষ্ট আছে। তেওঁ বিশ্বজনীন ধৰ্মৰ প্ৰচাৰ কৰিছিল আৰু যিটো কথাৰ ওপৰত তেওঁ আটাইতকৈ গুৰুত্ব দিছিল সেয়া হ'ল ব্যক্তি সত্তাৰ মূল্য আৰু গুৰুত্ব। তেওঁৰ মূল কথা আছিল যে প্ৰত্যেক ব্যক্তিয়ে ঈশ্বৰৰ একো-একোটা অংশ জ্যোতি স্বৰূপ। সেয়ে, সকলো ব্যক্তি সত্তা একে, কিয়নো প্ৰত্যেক ব্যক্তিৰ আভ্যন্তৰত এই জ্যোতি বহন কৰি আছে, এয়াই প্ৰকৃততে ধৰ্মৰ মূল কথা। বিবেকানন্দৰ মতে, প্ৰত্যেক ব্যক্তিয়ে সৰ্বত্ৰতে ঈশ্বৰক লাভ কৰিব পাৰে, মন্দিৰ, গিৰ্জা, মছজিদ অথবা ইহুদি সকলোৰে প্ৰাৰ্থনাঘৰ যিয়েই নহওক কিয়, ঈশ্বৰ সৰ্বব্যাপ্ত আৰু তেওঁক আৱিষ্কাৰ কৰাৰ বাবে কোনো ধৰ্মীয় পন্থা নতুবা যাগ-যজ্ঞ নতুবা ক্ৰিয়া-কাণ্ডৰ আশ্ৰয় লোৱাৰ প্ৰয়োজন নাই। সেয়ে, ঈশ্বৰ অনুভৱ বিভিন্ন ধৰ্মীয় পৰম্পৰাৰ বিভিন্নজনৰ বাবে শেষ কথা।

বিবেকানন্দই কৈছে যে জীৱনটো এক গতানুগতিকতাৰ নামান্তৰ নহয়, ইয়াৰ উন্নয়নৰ হেতু বিচিত্ৰতা অপৰিহাৰ্য। ঠিক সেইদৰে বিশ্বাস অথবা আস্থাৰ বিচিত্ৰতাই আত্মাৰ জগতখনক সম্পদশালী কৰি তোলে আৰু ই মানুহৰ প্ৰতিটো দিশকেই বোধগম্য কৰি তোলে।

বিবেকানন্দই কৈছে যে জীৱনটো এক গতানুগতিকতাৰ নামান্তৰ নহয়, ইয়াৰ উন্নয়নৰ হেতু বিচিত্ৰতা অপৰিহাৰ্য। ঠিক সেইদৰে বিশ্বাস অথবা আস্থাৰ বিচিত্ৰতাই আত্মাৰ জগতখনক সম্পদশালী কৰি তোলে আৰু ই মানুহৰ প্ৰতিটো দিশকেই বোধগম্য কৰি তোলে।

মানুহ প্ৰকৃতিগতভাৱে বিভিন্ন, সেয়ে একেটা পদ্ধতি আমাৰ মাজৰ যিকোনো দুজন ব্যক্তিৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব নোৱাৰি। কিছুমান প্ৰকৃতিগতভাৱে অতিশয় আৱেগিক, কিছুমান অতিকৈ দাৰ্শনিক, যুক্তিপৰায়ণ, আন কিছুমান আকৌ যাগ-যজ্ঞৰ যুগৰ ওপৰত নিৰ্ভৰশীল ইত্যাদি। শ্ৰীৰামকৃষ্ণ পৰমহংস আৰু স্বামী বিবেকানন্দ উভয়ে বিচিত্ৰতাৰ অপৰিহাৰ্যতাৰ ওপৰত বাৰুকৈয়ে জোৰ দিছিল। বিশ্বত সকলো ধৰ্ম বিৰোধবাধক অথবা বিৰোধী চৰিত্ৰৰ নহয়। সকলো ধৰ্মকে এজন অনন্ত ঈশ্বৰৰ বিভিন্ন অংশ হিচাপে গণ্য কৰা উচিত। সেই একক অনন্ত ধৰ্ম বিভিন্ন ক্ষেত্ৰত প্ৰয়োগ কৰা হৈছে আৰু লগতে বিভিন্ন জাতি আৰু বিভিন্ন মনৰ মন্তব্যলৈও এই একক অনন্ত ধৰ্ম প্ৰয়োগ কৰিব পাৰি।

বিবেকানন্দই 'অদ্বৈতবাদ'ক ধৰ্মীয় পন্থাবোৰৰ ক্ষেত্ৰত শেষ শব্দ বুলি অনুভৱ কৰিছে আৰু এই গভীৰ অনুভৱ আৰু প্ৰত্যাশাই বেদান্তৰ ধ্বজাৰ অধীনত সকলো গোষ্ঠীৰ মাজত ঐক্যতা স্থাপনৰ প্ৰেৰণা লাভ কৰিছিল। তেওঁ বেদান্তৰ প্ৰকৃত পৰাবিদ্যা আৰু বিশ্বজনীনতা গ্ৰহণ কৰিছে। বেদান্তই সৰ্বধৰ্মীয় জিজ্ঞাসাৰ বাস্তৱায়িকতা পৰিপূৰ্ণ কৰায়। বেদান্তৰ মহান আদৰ্শ সকলোবে ক্ষেত্ৰত একতা, অসীম সত্তা আৰু অব্যক্তিক সত্তাৰ পৰিপ্ৰেক্ষিতত, মানৱৰ অনন্ত আত্মাৰ ধাৰণা, বস্তুবোৰৰ সন্ধানত অবিৰাম যাত্ৰা, বিশ্বৰ অসীমত্বৰ ক্ষেত্ৰত প্ৰযোজ্য। বেদান্তই কোনো কৰ্তৃত্বশীল ব্যক্তিৰ ওপৰত নিৰ্ভৰ নকৰাকৈ এনে নীতি সামৰি লৈছে। সেয়ে, বেদান্তকে মাত্ৰ- 'বিশ্বজনীন ধৰ্ম' বুলি গণ্য কৰা হয়। ব্যক্তিৰ ওপৰত নিৰ্ভৰ কৰি গঢ় লৈ উঠা কোনো ধৰ্মকেই সমগ্ৰ মানৱ শ্ৰেণীয়ে এক ধৰণ বুলি গ্ৰহণ নকৰে। সেয়ে, সকলো মানুহ মূলতঃ একে আৰু একে মহা সত্তাৰ প্ৰতিচ্ছবি সদৃশ। বিবেকানন্দই সকলো মানুহৰ ক্ষেত্ৰত আত্মাৰ ঐক্যতাৰ ওপৰত বাৰুকৈয়ে জোৰ দিছিল। তেওঁৰ বিশ্বজনীন ধৰ্ম সম্বন্ধীয় ধাৰণা তেওঁৰ বেদান্তবাদী চিন্তা-ধাৰাতেই নিহিত হৈ আছিল। বিবেকানন্দই এই ধাৰণা তেওঁৰ আধ্যাত্মিক গুৰু শ্ৰীৰামকৃষ্ণ পৰমহংসৰ জীৱন আৰু শিক্ষাত প্ৰতিফলিত হোৱা আদৰ্শবোধৰ পৰা আৱিষ্কাৰ কৰিছিল।

মানৱ জাতিৰ ইতিহাস লক্ষ্য কৰিলে দেখা যায় যে বিভিন্ন যুদ্ধ-বিগ্ৰহৰ বা অশান্তিৰ পৰিৱেশ সৃষ্টিৰ মূলতে আছে সাম্প্ৰদায়িক ভিন্নতা। বিভিন্ন ধৰ্মৰ মাজত থকা কিছুমান ঠেক মনোবৃত্তিৰ বাবে ধৰ্মযুদ্ধ পৰ্যন্ত সংঘটিত হৈছে। কিন্তু ধৰ্মৰ তুলনামূলক অধ্যয়নৰ পৰা জানিব পৰা গৈছে যে পৃথিৱীৰ সকলো ধৰ্মৰ লক্ষ্য আৰু উদ্দেশ্য একে। ইয়াৰ ভিতৰত ঈশ্বৰ ভক্তি আৰু মানৱ প্ৰেমেই প্ৰধান। সেয়ে বিবেকানন্দই গোটেই বিশ্বতে এক ধৰ্মৰ সপোন দেখিছিল আৰু উদাত্তকণ্ঠে জনতাক এক ধৰ্মত শৰণাপন্ন হ'বলৈ কৈছিল। সেই ধৰ্মৰ নামেই হৈছে বিশ্বজনীন ধৰ্ম, যাক মানৱ ধৰ্ম বুলি ক'ব পাৰি। দুখৰ বিষয় বিবেকানন্দৰ সপোন আজিও সপোন হৈয়ে ৰ'ল। ইতিমধ্যে পৃথিৱীৰ বিভিন্ন ধৰ্মই মানুহৰ মাজত এনেদৰে খোপনি পুতিলে যে কোনেও নিজৰ ধৰ্ম এৰি দিব নোখোজে। সেয়ে আজি একৈশ শতিকাতো মানুহে ধৰ্মৰ প্ৰকৃত অৰ্থ বুজি নুঠিল আৰু স্বামীজীৰ এক বিশ্বধৰ্ম প্ৰতিষ্ঠা নহ'ল।❑

আৰম্ভণিতে মঙলদৈৰ প্ৰশাসন ব্ৰিটিছসকলে ১৮৩৩ চন মানলৈকে গুৱাহাটীৰ পৰা পৰিচালিত কৰিছিল। ১৮৩৩ চনত মঙলদৈক সদৰ ঠাই হিচাপে লৈ দৰং জিলা গঠন কৰা হৈছিল। কিন্তু অৰুণাচলৰ ডফলা সকলৰ উপদ্ৰৱ নিয়ন্ত্ৰণ কৰিবলৈ ১৮৩৫ চনত মঙলদৈৰ পৰা সদৰ ঠাই তেজপুৰলৈ উঠাই নিয়া হয়।

## উপনিৱেশিক দৰঙৰ মঙলদৈত

# ব্ৰিটিছ্ প্ৰশাসনযন্ত্ৰৰ প্ৰভাৱ

ড° পবিত্ৰ কুমাৰ নাথ

**দৰং জিলাত ব্ৰিটিছ প্ৰশাসনৰ আৰম্ভণি ঃ**

ভাৰতবৰ্ষৰ বিভিন্ন স্থানত গঢ়ি উঠা পৌৰ বসতিসমূহৰ ক্ষেত্ৰত ব্ৰিটিছ প্ৰশাসনযন্ত্ৰৰ উল্লেখযোগ্য বৰঙণি আছে। বৰ্তমান অসম তথা ভাৰতবৰ্ষৰ যি প্ৰশাসনিক ব্যৱস্থা তাত ব্ৰিটিছ প্ৰশাসনৰ চাপ সুস্পষ্ট। আজিৰ ভূমিৰ ব্যৱস্থা, আইনী ব্যৱস্থা, বিভিন্ন স্তৰৰ প্ৰশাসনিক ব্যৱস্থা, ডাক সেৱা, শিক্ষা, স্বাস্থ্য, জনসেৱা বিভাগ আদি প্ৰশাসনিক দিশসমূহ ব্ৰিটিছ যুগৰ অৱদান।

দৰং জিলাত ব্ৰিটিছ প্ৰশাসনৰ বাট খৰতকীয়া কৰাৰ ক্ষেত্ৰত ডেভিদ স্কটৰ নাম উল্লেখযোগ্য। তেওঁ ''খেলৱাৰী'' ব্যৱস্থা পৰিৱৰ্তন কৰি তহচিলদাৰী ব্যৱস্থা সূচনা কৰে। এই ব্যৱস্থাৰ বাবে সমাজত এক নতুন সামাজিক শ্ৰেণীৰ সৃষ্টি হয়। তাৰ ভিতৰত চৌধুৰী, মজুমদাৰ, কাকতি, মণ্ডল, কানন্‌গো আদি পদবীৰ নাম ল'ব পাৰি। এই বিষয়াসকলে ৰায়তসকলক মাটি বিতৰণ আৰু খাজনা সংগ্ৰহ কৰাৰ বাবে কাৰ্য্য সম্পাদন কৰিছিল। কিন্তু ডেভিদ স্কটৰ আকস্মিক বিয়োগে দৰঙৰ প্ৰশাসনত ১৮৩৫ চনলৈ কিছু ব্যাঘাত সৃষ্টি কৰে। ইয়াৰ পিছত ১৮৩৫ চনৰ পৰা ১৮৬১ চনলৈ কেপ্তেইন ফ্ৰানচিচ জেনিকিনৰ ভূমিকা গুৰুত্বপূৰ্ণ। তেওঁ দৰঙত চাহ বাগান সৃষ্টি আৰু প্ৰসাৰত যথেষ্ট মনোযোগ দিছিল। উল্লেখযোগ্য যে সেই সময়ৰ দৰং জিলাই বৰ্তমানৰ দৰং জিলাৰ লগতে ওদালগুৰি, শোণিতপুৰ আৰু বিশ্বনাথ জিলাক সামৰি লৈছিল। সেই সময়ত দৰঙত চাহখেতিৰ বাবে উৎসাহী লোকক ''Waste lands grants'' নীতিৰ আধাৰত সহজ প্ৰথাৰে মাটিৰ বিতৰণ সম্ভৱ কৰিছিল। এই নীতিয়ে ব্ৰিটিছ চাহ খেতিয়কসকলক তেতিয়াৰ দৰং জিলাৰ পতিত ভূমিত চাহখেতি কৰিবলৈ যথেষ্ট উৎসাহ যোগাইছিল। তেনে অঞ্চলসমূহত ১৮৫৪ চন মানৰ পৰা পশ্চিমবঙ্গ, উৰিষ্যা, বিহাৰ, ঝাৰখণ্ড, ছট্টিশগড় আদি ৰাজ্যৰ পৰা অহা চাহবাগিছাৰ বনুৱাসকলৰ বসতি গঢ়ি উঠে। আকৌ প্ৰথম বিশ্বযুদ্ধৰ পিছত সৃষ্টি হোৱা খাদ্য সংকটৰ সময়ত ব্ৰিটিছ প্ৰসাশনৰ 'Grow more food' নীতিয়ে জিলাখনলৈ তেতিয়াৰ পূৰ্ব বঙ্গৰ কৃষিজীৱী লোকৰ আগমনত অৰিহণা যোগাইছিল। ইয়াৰ উপৰিও ব্ৰিটিছসকলে উদ্ভাৱন কৰা বিভিন্ন শ্ৰেণীত বিভক্ত প্ৰশাসনে সমগ্ৰ অসমৰ লগতে জিলাখনত এক নতুন সেৱা আৰু বজাৰ কেন্দ্ৰৰ তন্ত্ৰৰ (System) সৃষ্টি কৰে। এই প্ৰশাসনিক স্বাস্থ্য আদি সেৱা আৰু বজাৰ কেন্দ্ৰসমূহ আচলতে নতুনকৈ সৃষ্টি হোৱা থানা, ডাক, কৰ্ট, চিকিৎসালয়, তহচিলদাৰ, মৌজাদাৰৰ কাৰ্য্যালয়, খাদ্য আৰু অন্যান্য বস্তুৰ ভঁৰাল আদি অনুষ্ঠানসমূহৰ ফল।

**মঙলদৈত ব্ৰিটিছ কোম্পানীৰ পদাৰ্পণ** ঃ ব্ৰিটিছ কোম্পানী পোন প্ৰথমে দৰঙৰ মাটিত ভৰি দিছিল যি সময়ত কেপ্তেইন ওৱেলছ্‌ৰ বাহিনীয়ে ১৭৯২ চনত বৰনদী মোহনাৰ ওচৰত দৰঙীৰজা কৃষ্ণনাৰায়ণৰ সৈন্য বাহিনীক শোচনীয়ভাৱে পৰাস্ত কৰিছিল যদিও কেপ্তেইন ওৱেলছ্‌ৰ সৈন্য বাহিনী খাটিকুছিৰ পৰা উভতি যায়। তেওঁলোকে দৰঙলৈ অহা নতুন পথ মুকলি কৰে। কেপ্তেইন ওৱেল্‌ছে কমিছ্নাৰলৈ প্ৰেৰণ কৰা পত্ৰত মঙলদৈ নামৰ শব্দটোৰ ব্যৱহাৰ পোৱা যায়। হয়তো সেই সময়ত এই নামটো বহল পৰিসৰত ব্যৱহাৰ কৰিছিল। পিছত ১৮২৬ চনৰ

পৰা ব্ৰিটিছ কোম্পানীয়ে সমগ্ৰ অসমতে ব্যৱসায়-বাণিজ্য প্ৰসাৰৰ সুবিধা পায়। যদিও ইয়াণ্ডাবু সন্ধিমতে অসম ব্ৰিটিছৰ অধীনলৈ যায়, ব্ৰিটিছ প্ৰশাসকসকলে দৰঙী কোচ ৰাজ্যৰ ৰাজধানী হাউলী মোহনপুৰৰ ৰাজ পৰিয়ালক উচ্ছেদ কৰা নাছিল। অৱশ্যে সেইসময়ত আহোমৰ কৰতলীয়া এই ৰজা আদিত্য নাৰায়ণ পৰিয়ালৰ আভ্যন্তৰীণ কন্দলত অৰ্থনৈতিকভাৱে বিধ্বস্ত হৈছিল। অৰ্থনৈতিকভাৱে জুৰুলা হোৱা এই ৰাজধানীখনৰ প্ৰতি ব্ৰিটিছসকলে মনোযোগ দিয়া নাছিল। সেইবাবে কোচ ৰজা তেতিয়া নামতহে ৰজা হিচাপে অধিস্থিত হৈ আছিল।

ব্ৰিটিছৰ কোম্পানী জাহাজ ১৮৩০ চন মানত মঙলদৈ নৈৰে উজাই আহি বৰ্তমান মঙলদৈ ক'ৰ্টৰ ওচৰত লঙ্গৰ পেলাইছিল, য'ত সেইসময়ত বড়ো জনজাতিৰ এক চুঙাপাৰা নামৰ সৰু গাঁও আছিল। এক সূত্ৰমতে ব্ৰিটিছসকলে চুঙাপাৰা ঘাট জাহাজ আৰু নাও বান্ধিবলৈ প্ৰায় ১৮৭৫ চন মানলৈ ব্যৱহাৰ কৰে। ক্ৰমান্বয়ে ব্ৰিটিছ বিষয়া আৰু তেওঁলোকৰ প্ৰশাসনিক কাৰ্য্যৰ সহায়কাৰী হিচাপে অহা বিহাৰ, পশ্চিমবঙ্গ আদিৰ পৰা অহা লোকৰ বসতি বাঢ়ি অহাত এই বড়ো জনজাতি লোকসকলে উত্তৰলৈ প্ৰব্ৰজন কৰে আৰু গাঁওখনৰ অস্তিত্ব নাইকিয়া হয়।

**মঙলদৈ নগৰৰ বিকাশ প্ৰক্ৰিয়া ঃ** আৰম্ভণিতে মঙলদৈৰ প্ৰশাসন ব্ৰিটিছসকলে ১৮৩৩ চন মানলৈকে গুৱাহাটীৰ পৰা পৰিচালিত কৰিছিল। ১৮৩৩ চনত মঙলদৈক সদৰ ঠাই হিচাপে লৈ দৰং জিলা গঠন কৰা হৈছিল। কিন্তু অৰুণাচলৰ ডফলা সকলৰ উপদ্ৰৱ নিয়ন্ত্ৰণ কৰিবলৈ ১৮৩৫ চনত মঙলদৈৰ পৰা সদৰ ঠাই তেজপুৰলৈ উঠাই নিয়া হয়। মফ্ট মিলৰ প্ৰতিবেদনত পোৱা যায় যে দৰঙত আদালতৰ আইনী ব্যৱস্থাৰ প্ৰথম সূচনা হয় ১৮৩৫-৩৬ চনত আৰু তেতিয়াৰ পৰাই মঙলদৈ এক নগৰীয়া অঞ্চল হিচাপে গঢ় লৈ উঠে। ব্ৰিটিছসকলে চুঙাপাৰা ঘাটত পদাৰ্পণ কৰা পিছত তেওঁলোকে ব্যৱসায়-বাণিজ্য দিশটোত যথেষ্ট মনোযোগ দিছিল। সেই উদ্দেশ্য আগত ৰাখি তেওঁলোকে ইয়াত কিছুমান সা-সামগ্ৰী মজুত ৰাখিবলৈ ডাঙৰ ভঁৰাল (Godown) নিৰ্মাণ কৰে। শ্ৰদ্ধাৰ শিক্ষাবিদ প্ৰয়াত ধনপতি কলিতাদেৱে তেওঁৰ 'মঙলদৈ নগৰৰ ইতিহাস' নামৰ গ্ৰন্থখনত উল্লেখ কৰা মতে সেইসময়ত ইয়াৰ ওচৰ-চুবুৰীয়া লোকসকলে মঙলদৈক 'গুদাম' বুলিহে সম্বোধন কৰিছিল। সৌ সিদিনালৈকে বয়োবৃদ্ধ লোকসকলে মঙলদৈক গুদাম বুলিয়ে কৈছিল। ব্ৰিটিছৰ ব্যৱসায়িক কাম-কাজ বৃদ্ধি হোৱাৰ লগে লগে মঙলদৈত "বালি লোণ" (White salt) (যি সময়ত অসমত দুৰ্লভ আছিল) আৰু উদ্যোগত তৈয়াৰ হোৱা কাপোৰৰ জনপ্ৰিয়তা বাঢ়িবলৈ ধৰে। ১৮৩৫-৩৬ চনৰ পৰা মঙলদৈত প্ৰতি বুধবাৰে এখন সাপ্তাহিক বজাৰ অনুষ্ঠিত হ'বলৈ আৰম্ভ কৰে। এইদৰে ব্যৱসায়িক আৰু প্ৰশাসনিক কাম-কাজ বৃদ্ধি পোৱাৰ লগে লগে দৰঙলৈ বিভিন্ন ব্যৱসায়ী, প্ৰশাসনীয় কৰ্মচাৰী, কাৰ্য্যালয় সহায়কাৰী আদি লোক মৈমনসিং, কুমিলা, চিটাগং, চিলেট, পশ্চিমবঙ্গ, ৰাজস্থান, বিহাৰ, উত্তৰ প্ৰদেশ আদি অঞ্চলৰ পৰা এই জিলালৈ আগমন ঘটে আৰু তেওঁলোক নগৰৰ কেন্দ্ৰীয় অঞ্চলত বসতি কৰিবলৈ লয়।

**আন্তঃগাঁথনিৰ উন্নয়ন প্ৰক্ৰিয়া ঃ** প্ৰায় ১৮৩৬ চনৰ পৰা ১৮৪৫ চন মানলৈকে মঙলদৈ অঞ্চলত ব্ৰিটিছ প্ৰশাসকৰ উল্লেখযোগ্য আন্তঃগাঁথনি নিৰ্মাণ হোৱা দেখা নাযায়। ১৮৫২ চনত পোন প্ৰথমে মঙলদৈত ইটাৰ গাঁথনিৰে এক কোষাগাৰ নিৰ্মাণ কৰে। বৰ্তমান মঙলদৈ ক'ৰ্টৰ কাষতে থকা এই ভৱনটো 'ঐতিহ্য ভৱন' হিচাপে চিহ্নিত কৰা হৈছে। ইয়াৰোপৰি মঙলদৈ আৰু বেগা নদীৰ ওপৰত ১৫নং ৰাষ্ট্ৰীয় ঘাইপথত এখনকৈ লো আৰু ইটাৰ দ্বাৰা দলং এখন নিৰ্মাণ কৰে। ব্ৰিটিছ বিষয়া প্লেফেয়াৰৰ তত্ত্বাৱধানত ১৮৫৯ চনত সাধাৰণ লোকৰ খোৱা পানীৰ অভাৱ পূৰণ কৰিবলৈ নগৰৰ মাজমজিয়াত এটা পুখুৰী খন্দা হয় যিটো বৰ্তমান নগৰৰ বৰপুখুৰী বুলি কোৱা হয়। যাৰ অস্তিত্বৰ সংকট আহি পৰিছে। ১৮৮২ চনত লোকেল ব'ৰ্ড মঙলদৈ মহকুমাত গঠন হয়। লোকেল ব'ৰ্ডে নিৰ্মাণ কৰা কেইটামান উল্লেখযোগ্য ৰাস্তা হ'ল- (১) মঙলদৈৰ পৰা উত্তৰ গুৱাহাটী পথ (২) মঙলদৈৰ পৰা তেজপুৰ পথ (৩) মঙলদৈ-ভুটীয়াচাং পথ (৪) মঙলদৈ-খৈৰাবাৰী পথ (৫) দুমুনীচকী-কুৰুৱা পথ (৬) মঙলদৈ-ওদালগুৰি পথ (৭) আউলাচৌকা-কলাইগাঁও-বেংবাৰী (মেকেঞ্জি পথ) (৮) মঙলদৈ-খাৰুপেটীয়া জাহাজঘাট পথ।

এই কথা উল্লেখযোগ্য যে ১৯৩৬ চনৰ পিছতহে মঙলদৈ-উত্তৰ গুৱাহাটী পথত পোন প্ৰথমে বাছ সেৱা প্ৰচলন হয়। ১৯৩৯ চনত দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত গুৱাহাটী-মঙলদৈ-তেজপুৰ-ভালুকপুং পথৰ দ্ৰুত গতিত উন্নয়ন হয়।

**সামৰণি ঃ** নগৰ বসতিৰ বিকাশ বা ক্ৰমবৰ্ধন এক পৰিৱৰ্তনশীল প্ৰক্ৰিয়া। বসতি সমূহৰ প্ৰতিৰূপ সৃষ্টিত প্ৰভাৱ পেলোৱা প্ৰকাৰ্যসমূহত সাংস্কৃতিক, সামাজিক তথা ৰাজনৈতিক কাৰকৰ যথেষ্ট প্ৰভাৱ আছে। সেইবাবে ঐতিহাসিক ঘটনা বা কাৰকৰ সঠিক বিশ্লেষণেহে কোনো এক সাংস্কৃতিক ভূমিদৃশ্যৰ (Cultural landscape) জন্ম আৰু বিখ্যাত ভূগোলবিদ কাৰ্ল অ' চৱাৰে এনে অধ্যয়ন আগবঢ়াইছিল। গতিকে এই কথা উল্লেখযোগ্য যে ব্ৰিটিছ উপনিৱেশিক কালছোৱাত অসমত বহু কেইখন চহৰ নগৰৰ বিকাশ প্ৰক্ৰিয়া আৰম্ভ হৈছিল আৰু সেই সমূহ অধ্যয়ন কৰিবলৈ এক ঐতিহাসিক-ভৌগোলিক দৃষ্টিভংগী অৱলম্বন কৰা প্ৰয়োজনীয়।❑

**সহায়ক গ্ৰন্থ পঞ্জী ঃ**


1. Gait, E.A., A History of Assam, Lawyer's Book Publication, Guwahati, 1951
2. Gazetteer of India, Assam state Darrang District, Government of Assam, Guwahati, 1978
3. Kalita, D., Mangaldai Nagar Itihas, Barnali Kalita Publication, 2007
4. Nath, L., Darrang District Through the Ages, Published by Karuna Medhi, Sonitpur, Assam, 2005
5. Sarma, D., Mangaldai Buranji, Publication Books, Assam, Guwahati, 1974
6. Taher, M., An Introduction to Social Geography, North East Geographical Society, 1993.



# তেজে ধোৱা পথৰুঘাট

## এক তুলনামূলক অধ্যয়ন

**মঃ নুৰ আলম**

স্বাধীনতাৰ প্ৰাক্কালত বংগদেশৰ মৌজাদাৰৰ বিৰুদ্ধে কৃষকসকলে চেগা-চোৰোকা আন্দোলনত অৱতীৰ্ণ হৈছিল। ইয়াৰ পিছতো মাটিৰ খাজনা বৃদ্ধিত ব্ৰিটিছৰ বিৰুদ্ধে ঠায়ে ঠায়ে কৃষক ৰাইজ সংঘবদ্ধ হৈছিল। ১৮৬১ চনৰ ১৮ ডিচেম্বৰত অসমৰ ফুলগুৰিত আফিং খেতিৰ ওপৰত ব্ৰিটিছে কৰ লগোৱাত কৃষকসকল সমাবেত হৈ এক বিপ্লৱৰ সূচনা কৰিছিল মাত্ৰ। বংগদেশৰ কৃষক বিদ্ৰোহত স্বৰাজ উদ্ধাৰৰ তেনে কোনো মনোভাৱ সম্পৃক্ত হোৱা নাছিল। আফিং খেতিৰ দৰে অপকাৰী খেতিৰ ওপৰত কৰ বৃদ্ধিত ব্ৰিটিছক প্ৰকাৰান্তৰে দূষিব নোৱাৰি যদিও “তহঁত বগা বঙালে আমাৰ খেতিৰ ওপৰত কৰ লগাবলৈ কোন” এনে মনোভাৱ প্ৰচ্ছন্ন আছিল, অৰ্থাৎ বিদেশী ইংৰাজৰ বিৰুদ্ধে কৃষক ৰাইজৰ উমৈহতীয়া ক্ষোভৰ প্ৰকাশ ‘ফুলুগুৰিৰ ধেৱা’ বুলি আখ্যা দিব পাৰি।

ইয়াৰ পিছতেই পৰ্যায়ক্ৰমে ব্ৰিটিছৰ খাজনা বৃদ্ধিত নামনি অসমৰ ৰাইজ সংঘবদ্ধ হৈছিল। ঠায়ে ঠায়ে সৰু সুৰা বিদ্ৰোহো আৰম্ভ কৰিছিল। কিন্তু এই সৰু সুৰা আঙনি স্বৰূপ বিদ্ৰোহো বনজুইৰ দৰে বিয়পি প্ৰবল ৰূপত আত্মপ্ৰকাশ কৰে ১৮৯৪ চনৰ ২৮ জানুৱাৰী তাৰিখে দৰঙৰ পথৰুঘাটত। এই নিৰ্দিষ্ট দিনটোতেই স্বাধীনচিতীয়া দৰঙীয়া প্ৰজাসকলে ইংৰাজৰ বিৰুদ্ধে স্বতঃস্ফূৰ্তভাৱে একত্ৰিত হৈ সংঘৰ্ষত লিপ্ত হৈ পৰিছিল। মূলতঃ অৰ্থনৈতিক শোষণত জৰ্জৰিত হৈ প্ৰবল প্ৰতাপী ইংৰাজৰ বিৰুদ্ধে সাধাৰণ প্ৰজাই বিদ্ৰোহ ঘোষণা কৰাৰ নজিৰ ইয়াৰ আগতে নাছিল। বন্দুকৰ সন্মুখত দলি চপৰাৰ ৰণ বিশ্বতে বিৰল।

দৰঙৰ সদৰ মঙলদৈ চহৰৰ পৰা প্ৰায় ১০ মাইল পশ্চিমে অৱস্থিত পথৰুঘাট নামৰ ঠাইখনতেই সংঘটিত হৈছিল স্বাধীনতা আন্দোলনৰ এই প্ৰথম ৰণ। অঞ্চলটোৰ অধিকাংশ অধিবাসীয়েই মুছলমান। অঞ্চলটোৰ নাম পথৰুঘাট হোৱাৰ

মূলতে পথৰু নামৰ এগৰাকী ঘাটুৰৈ। তেওঁ দ্বিগজৰ এই ঘাটটোত নিয়মিত যাত্ৰী ইপাৰ-সিপাৰ কৰাইছিল।

এই পথৰুঘাটতে ইংৰাজৰ ডাকবঙলাটো অৱস্থিত। ইয়াৰ আধা ফাৰ্লং পূবে অৱস্থিত তহচিলদাৰৰ অফিচটো। ইয়াৰ মাজতে দ্বিগজ পাৰত বহিছিল বৃহস্পতিবাৰৰ বজাৰখন। আহোমৰ বিৰুদ্ধে, মোগলৰ বিৰুদ্ধে তথা ব্ৰিটিছৰ বিৰুদ্ধে এই পথৰুঘাট অঞ্চলৰ কেইবাজনো সেনাপতি, পালি সেনাপতিৰ কীৰ্তি কাহিনী আজিও স্থানীয় মানুহৰ মুখে মুখে প্ৰচলিত। ১৮৪১ চনলৈ কামৰূপ আৰু দৰঙৰ ৰাইজে হালখনে প্ৰতি বছৰে তিনি টকাকৈ খাজনা পৰিশোধ কৰিব লাগিছিল। ১৮৪২ চনত সমূহ মাটি পিয়ল কৰি বস্তি, ৰূপিত আৰু ফৰিঙতি এই তিনি শ্ৰেণী কৰি ইংৰাজে খাজনা বৃদ্ধি কৰিছিল। ১৮৬২ চনত ইংৰাজে মাটি পিয়ল কৰি পুনৰ খাজনাৰ নিৰিখ বৃদ্ধি কৰিলে।

চিপাহী বিদ্ৰোহৰ পাছত ইংৰাজৰ প্ৰতি থকা অসন্তুষ্টি আৰু বৃদ্ধি পালে। কামৰূপ, দৰঙৰ ৰাইজে ৰাইজমেলৰ জৰিয়তে ঠায়ে ঠায়ে সংগঠিত হ'ল। ১৮৬৮ চনত পথৰুঘাটৰ ডাকবঙলাৰ সন্মুখত জিলাধিপতি আৰু মহকুমাধিপতিৰ সন্মুখত খাজনা বঢ়োৱা প্ৰতিবাদ সাব্যস্ত কৰিবলৈ ৰাইজমেলৰ দ্বাৰা হাজাৰ হাজাৰ মানুহ সমবেত হৈছিল। ইংৰাজ বিষয়াই দাবী মানি লোৱা নাছিল যদিও এগৰাকী নেতৃস্থানীয় ব্যক্তিৰ প্ৰচেষ্টাত পৰিস্থিতি শাম কাটিছিল। ইয়াৰ পিছতো মাজে সময়ে খাজনা বৃদ্ধি কৰিছিল। ১৮৯৩ চনত অসমৰ মুখ্য আয়ুক্ত চাৰ উইলিয়াম ৱাৰ্ডে খাজনা বৃদ্ধিত বিশেষ গুৰুত্ব দিছিল। ১৮৯২-৯৩ চনত পুনৰ মাটি পিয়ল কৰি ৫ টকাৰ হাৰত খাজনা বৃদ্ধি কৰা হয়। এনে ধৰণৰ খাজনাৰ ফলত ৰাইজ জুৰুলা আৰু অতিষ্ঠ হৈ পৰি পথৰুঘাটত ৰাইজমেল পাতি ব্ৰিটিছৰ খাজনা নিদিবলৈ সিদ্ধান্ত লয়। লগতে ব্ৰিটিছকো সকীয়নি দিয়ে যে খাজনা কম নকৰিলে ৰাইজে বিদ্ৰোহৰ পথ ল'বলৈ বাধ্য হ'ব।

এতিয়া আহো বিদ্ৰোহৰ মূল ঘটনাৱলীলৈ। ১৮৯৪ চনৰ ২৬ জানুৱাৰী তাৰিখে খাজনা বৃদ্ধিৰ প্ৰতিবাদত পথৰুঘাটত ৰাইজমেল বহিল। এই ৰাইজমেলতে সমবেত ৰাইজে তদানীন্তন তহচিলদাৰ ভৱানীচৰণ ভট্টাচাৰ্যক বৰ্ধিত খাজনা পৰিশোধ কৰিব নোৱাৰোঁ বুলি জনাই দিয়াত তেওঁ ২৮ জানুৱাৰী তাৰিখে বৰচাহাবৰ সন্মুখত আপত্তি দৰ্শাবলৈ ৰাইজক পৰামৰ্শ দিলে। উক্ত দিনা বৰচাহাব আপত্তি শুনিবলৈ অহাৰ কথা।

১৮৯৪ চনৰ ২৮ জানুৱাৰীৰ দিনা দূৰ-দূৰণিৰ গাঁৱলীয়া কৃষক ৰাইজ খাজনা বৃদ্ধিৰ প্ৰতিবাদত দৰং জিলাৰ পথৰুঘাট নামৰ ঠাইখনত মিলিত হৈছিল। তহচিলদাৰৰ বাংলোৰ আগত সমবেত হৈ 'হৰি বোল', 'আল্লাহু আকবৰ' আদি ধ্বনি দি ব্ৰিটিছৰ আগত প্ৰতিবাদ আৰম্ভ কৰি খাজনা কমাবলৈ দাবী উত্থাপন কৰিলে। তাতেই দৰং জিলাৰ জিলাধিপতি মিঃ এণ্ডাৰচন, আৰক্ষী অধীক্ষক জে আৰ বেৰিংটন আৰু মঙলদৈৰ মহকুমাধিপতি মিঃ ৰেমিংটনো সশস্ত্ৰ বাহিনীসহ তাত উপস্থিত হ'ল আৰু খাজনা কমাই দিয়া নহ'ব বুলি দৃঢ় অৱস্থান গ্ৰহণ কৰে। ৰাইজ উত্তেজিত হৈ পৰে আৰু দুইপক্ষৰ মাজত তৰ্ক-বিতৰ্কৰ সৃষ্টি



হয়। ক্ৰমশঃ পৰিস্থিতি উত্তেজনাপূৰ্ণ হৈ পৰে আৰু চৰকাৰী বাহিনীয়ে বেৰিংটনৰ আদেশমৰ্মে মানুহৰ ওপৰত গুলীচালনা কৰে। ৰাইজেও উত্তেজনাৰ বশৱৰ্তী হৈ বন্দুকৰ গুলীৰ প্ৰত্যুত্তৰ দিলে পথাৰৰ দলিচপৰা, কুঁহিয়াৰ, খৰি আদিৰে। পুলিচৰ গুলীত ১৪০ জনে প্ৰাণ দিলে আৰু বহুজন চিৰদিনলৈ পংগু হ'ল। ইংৰাজে দোষ ঢাকিবলৈ ১৫জন মৃত আৰু ৩৭জনক আহত ঘোষণা কৰিলে। এনে নৃশংস হত্যালীলাত প্ৰশাসনে নিজৰ দোষ ঢাকিবলৈ গুণী বৰ্ষণ কৰা কাৰ্য প্ৰতিপন্ন কৰে একপক্ষীয়ভাৱে। Assam District Gazetteer, by B. C. Allen, Vol. V Darrag 1995ত এই বিষয়ে উল্লেখ আছে।

কিন্তু তাৎপৰ্যপূৰ্ণ বিষয় এই যে পঞ্জাৱৰ জালিয়ানৱালাবাগতকৈ ২৫ বছৰ আগতে সংঘটিত হোৱা কৃষক বিদ্ৰোহৰ অধ্যয়ন, প্ৰচাৰ আৰু প্ৰসাৰ আজিও সীমিত। চৰকাৰ, প্ৰশাসন তথা বিভিন্ন দল সংগঠনে ২৮ জানুৱাৰীৰ দিনটোৰ বাহিৰে যেন আনদিনবোৰত পথৰুঘাটৰ ৰণৰ বিষয়ে পাহৰি যায়। বৰ্তমান কিন্তু কিছু পৰিমাণে পৰিস্থিতি উন্নত হৈছে। কেৱল ঐতিহাসিক দিশৰ পৰাই নহয়, অসমৰ সাম্প্ৰতিক পৰিস্থিতিত তথা অদূৰ ভৱিষ্যতেও পথৰুঘাটৰ ৰণৰ ত্যাগ, সম্প্ৰতি, সাহস, প্ৰেৰণা আৰু আদৰ্শৰ তাৎপৰ্য আছে, আছিল আৰু থাকিব। নিজ নাঙল, মাটি আৰু দেশৰ মানুহৰ বাবে আত্মোৎসৰ্গৰ এনে উদাহৰণ ভাৰততে নহয় সমগ্ৰ বিশ্বতে বিৰল। ❑

..................................................

**সমল ব্যক্তি ঃ**

মঃ ছাজিছ আলম, পাথৰিঘাট

**সমল গ্ৰন্থ ঃ**

দৰঙৰ ঐতিহ্যক্ষেত্ৰ পথৰুঘাট আৰু খটৰা সত্ৰ, কমলাকান্ত ডেকা




# ৪০০ বছৰীয়া জয়ন্তীত

## অসম বুৰঞ্জীৰ অন্যতম যোদ্ধা

# লাচিত বৰফুকন

**ৰাকেশ ডেকা**

"*যুদ্ধত মই মৰিলেও মৰিম। কিন্তু মই মোৰ মানুহখিনিক যুদ্ধক্ষেত্ৰত এৰি মই পলাই যাব নোৱাৰো। সকলো সৈন্যই যুদ্ধক্ষেত্ৰ এৰাৰ পাছতহে মই যুদ্ধক্ষেত্ৰ এৰিম।*"

—এয়াই আছিল এগৰাকী মহাপ্ৰতাপী অসমীয়া বীৰ যোদ্ধা, সংগ্ৰামী ব্যক্তি, আহোম সেনাপতি লাচিত বৰফুকনৰ দেশৰ হকে যুদ্ধক্ষেত্ৰৰ পৰা দিয়া উক্তি।

দেশৰ হকে যুঁজ দিয়া, দেশৰ হকে যুঁজ দিবলৈ মৰণপণ কৰা সংগ্ৰাম, ত্যাগ, দেশপ্ৰেম, গুণ-গৰিমা, কৰ্মোদ্যম, শকতি সকলো যদি আমি কোনো ব্যক্তিৰ পৰা আদৰ্শ হিচাপে শিকিবলৈ বিচাৰো অথবা আমি শিকো সেই শিক্ষা তথা আদৰ্শৰ আগত এগৰাকী অসমীয়া হিচাপে পোনপ্ৰথমেই নাম আহিব বীৰ আহোম সেনাপতি লাচিত বৰফুকনৰ। যাৰ বাহুবল আৰু একাগ্ৰতাই সোঁৱৰাই দি গ'ল অসমীয়া জনতাৰ মাজত ইতিবাচক এনে বহু কথা যি কথা, কামৰ দ্বাৰা অনুপ্ৰাণিত হৈ বৰ্তমানৰ ডিজিটেল যুগত, নেতিবাচক সমাজত আমি মূৰ দাঙি সাহসেৰে, কৰ্মৰে আগুৱাই যোৱাৰ শক্তি লাভ কৰো। অসম বুৰঞ্জী অথবা অসমীয়া ইতিহাসৰ কথা মনলৈ আহিলেই প্ৰথমে যিদৰে আমাৰ মনত আহোম বুৰঞ্জীৰ কথাই আমে ঠিক একেদৰেই এই বুৰঞ্জী অথবা আহোম বুৰঞ্জীৰ বৃহৎ জ্ঞানৰ পৰিসৰৰ মাজত পোনপ্ৰথমে ১৬২২ খ্ৰীষ্টাব্দৰ ২৪ নৱেম্বৰ তাৰিখে সেই সময়ৰ আহোমৰ প্ৰথম ৰাজধানী চেং-লুং-মুঙ, চৰাইদেউত জন্মগ্ৰহণ কৰা শৰাইঘাট ৰণৰ মূল সেনাপতি লাচিত বৰফুকনৰ কথাই মনলৈ আছে।

অসমৰ বুৰঞ্জীৰ পাতত লাচিত বৰফুকন বিষয়ক বিভিন্ন তথ্য পোৱা যায় যদিও সকলো বুৰঞ্জী ভালদৰে অধ্যয়ন কৰি মিলাই চালে লাচিত বৰফুকন বিষয়ক সকলো তথ্যই এশ শতাংশই শুদ্ধ হিচাপে গ্ৰহণযোগ্য নহয়। অসম বুৰঞ্জীৰ বহুতো গ্ৰন্থৰ মাজত বিশেষকৈ পদ্মনাথ গোহাঞি বৰুৱাৰ 'অসম বুৰঞ্জী', 'ক্ষেত্ৰধৰ বৰগোহাঁই ৰচনাৱলী', সূৰ্যকুমাৰ ভূঞাৰ 'Lachit Borphukan and his times', প্ৰবীণ ফুকনৰ 'লাচিত বৰফুকন' নাট ইত্যাদিৰ যোগেদি লাচিত বৰফুকন বিষয়ক ভিন্ন তথ্য পোৱা যায়।

এই বুৰঞ্জীৰ পৰা উল্লিখিত গৱেষণা জড়িত শুদ্ধ তথ্যমতে- লাচিত বৰফুকন ছশবছৰীয়া আহোম ৰাজত্বৰ ইতিহাসত উজ্জ্বল নক্ষত্ৰ। ছৌ পুং মৌং স্বৰ্গদেৱৰ দিনৰ লামফিমা বংশৰ বৰবৰুৱাৰ সন্তান লাচিত ফুকনে ফুকন নুং (বৰফুকন) পদৱী পাই নৰমজন বৰফুকন ৰূপে পৰিগণিত হয়। বিখ্যাত শৰাইঘাটৰ যুদ্ধত লাচিত বৰফুকনৰ ৰণকৌশল, বীৰত্ব আৰু বিচক্ষণতাৰ বাবেই ৰজা ৰামসিংহৰ নেতৃত্বত অহা প্ৰবল পৰাক্ৰমী মোগল বাহিনীক পৰাজিত কৰাৰ লগতে এই শৰাইঘাটৰ বিখ্যাত যুদ্ধই লাচিত বৰফুকনক ইতিহাসৰ পাতত তথা বিশ্ববাসীৰ সন্মুখত অমৰ কৰি তুলিলে। ৰাজবুৰঞ্জীৰ ১৭৯ পৃষ্ঠাত উল্লেখ কৰা মতে--

"সেই বছৰেই ডীন চিত মাহত স্বৰ্গদেৱে লানডিমা বংশৰ বৰবৰুৱাৰ পুত্ৰ লাচিত বৰফুকনক কলিয়াবৰলৈ গৈ দুৰ্গ এটা বনাবলৈ ক'লে। তেওঁ তালৈ গৈ উৰ্দুমাৰিঙৰ পোতাকলঙত এটা দুৰ্গ বনালে।" উক্ত তথ্যৰ পৰা বুজা যায় যে, লাচিত বৰফুকন হৈছে মৌং মাও লুঙৰ পৰা চাও ফা চাও লুঙ ছৌ কা ফাৰ লগত অহা লানফিমা বংশৰ পৰিনাতি। আৰু লাচিত বৰফুকনৰ পিতৃৰ পদবী আছিল 'ফু কে লুং' অৰ্থাৎ মোমাই তামুলী বৰবৰুৱাৰ সন্তান আছিল। লাচিত বৰফুকন মধ্যযুগৰ অসমৰ এজন জাতীয় বীৰ আৰু অসমৰ ইতিহাসৰ এক উজ্জ্বল নক্ষত্ৰ। তেখেতৰ কৰ্তব্য, বিচক্ষণতা আৰু ৰণকৌশলৰ ইতিহাস আমি বিশ্ববাসীৰ আগত সঠিক ৰূপত উপস্থাপন কৰাটো আমাৰ জাতীয় কৰ্তব্য। কেৱল অসমতেই নহয় সমগ্ৰ ভাৰতবৰ্ষতে বীৰ লাচিত বৰফুকন আৰু শৰাইঘাট

লাচিতৰ নেতৃত্বতেই শৰাইঘাটৰ যুদ্ধত অসমীয়া সেনাই মোগলক পৰাভূত কৰি বিজয় নিচান উৰুৱাইছিল। অসম বিদেশীৰ হাতলৈ যোৱাৰ সংশয়ৰ সংকটপূৰ্ণ সময়ত অসম ৰক্ষাৰ ভাৰ বীৰ লাচিতে কান্ধ পাতি লৈছিল। শৈশৱৰ পৰাই সাহস, সততা, কৰ্তব্যনিষ্ঠা, স্পষ্টবাদিতা আৰু নিয়মানুৱৰ্তিতাৰ প্ৰতীক আছিল লাচিত বৰফুকন।



যুদ্ধৰ এক বিশেষ স্থান আছে। লাচিতৰ নেতৃত্বতেই শৰাইঘাটৰ যুদ্ধত অসমীয়া সেনাই মোগলক পৰাভূত কৰি বিজয় নিচান উৰুৱাইছিল। অসম বিদেশীৰ হাতলৈ যোৱাৰ সংশয়ৰ সংকটপূৰ্ণ সময়ত অসম ৰক্ষাৰ ভাৰ বীৰ লাচিতে কান্ধ পাতি লৈছিল। শৈশৱৰ পৰাই সাহস, সততা, কৰ্তব্যনিষ্ঠা, স্পষ্টবাদিতা আৰু নিয়মানুৱৰ্তিতাৰ প্ৰতীক আছিল লাচিত বৰফুকন। লাচিতে জীৱশ্ৰেষ্ঠ মানৱৰ মাজত অন্তৰ্নিহিত এই গুণবোৰ তেখেতৰ পিতৃ মোমাই তামুলীৰ পৰা লাভ কৰিছিল।

বুৰঞ্জীৰ তথ্যমতে ৰজা চক্ৰধ্বজ সিংহই লাচিতৰ বিষয়ে পাঠ-মন্ত্ৰীসকলৰ মতে আলোচনা কৰি লাচিতক সেনাপতি পদত অধিস্থিত কৰাৰ আগেয়ে এক পৰীক্ষাত অৱতীৰ্ণ কৰাইছিল আৰু সেই পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছতহে বৰসেনাপতি ৰূপে নিযুক্তি দিয়া হ'ল। বৰসেনাপতি পদত নিযুক্তি পোৱাৰ পিছত লাচিতক স্বৰ্গদেউৱে আনুষ্ঠানিকভাৱে সেনাপতি আৰু বৰফুকন পদ প্ৰদান কৰে। সেনাপতিৰূপে লাচিতে সমগ্ৰ আহোম বাহিনীৰ সৰ্বাধিনায়কৰ দায়িত্ব লাভ কৰে। ইয়াৰ লগতে তেখেতে নামনি অসমৰো দায়িত্ব লাভ কৰিছিল আৰু নামনি অসমৰ যিসমূহ অঞ্চল মোগলৰ অধীনত আছিল তাৰ উদ্ধাৰৰ দায়িত্বও তেখেতৰ ওপৰতেই পৰিছিল। লাচিতৰ নেতৃত্বতেই ১৬৬৭ চনৰ ২০ আগষ্টত আহোম সৈন্যই গুৱাহাটী উদ্ধাৰ অভিযানত মোগলৰ বিৰুদ্ধে যুদ্ধ আৰম্ভ কৰিছিল আৰু তেওঁৰ নেতৃত্বতেই কাজলীৰ দুৰ্গকে ধৰি গুৱাহাটীৰ ওচৰ-পাজৰৰ অনেক গুৰুত্বপূৰ্ণ স্থান আহোমে নিজৰ দখলত আনিবলৈ সক্ষম হৈছিল।

শৰাইঘাটৰ যুদ্ধৰ সময়তেই তেখেতৰ টান নৰিয়া হৈ আছিল। কথাতেই কয়— 'দেহা থাকিলেহে বেহা'। চল্লিছ বছৰ নহওঁতেই অসুখে তেখেতক আলৰ বৃদ্ধ কৰি পেলালে। তিনি বছৰ ধৰি তেখেতে দিনে নিশাই দেশক ৰক্ষা কৰিবলৈ গৈ দুৰ্বল হৈ পৰিছিল আৰু এইদৰেই এদিন তেওঁৰ জীৱন বন্তি নুমাই থাকিল।

তেওঁ পৰলোকলৈ গতি কৰিলে। এগৰাকী মহানায়কৰ মহাপ্ৰস্থানে অসম মাতৃৰ বুকু সৰ্বকালৰ বাবে উকা কৰি পেলালে। নিজ কৰ্মৰে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি শত্ৰুৰ হাতৰ পৰা নিজৰ দেশ মাতৃক উদ্ধাৰ কৰি তেওঁ যাউতিযুগীয়া কৰি থৈ গ'ল।

লাচিত বৰফুকনেই আমাৰ দেশ অসমৰ, অসম বুৰঞ্জীৰ মহানায়ক, মহাবীৰ আৰু দেশপ্ৰেমিকৰ অম্লান নক্ষত্ৰৰ এক জ্যোতিৰ্ময় স্বপ্ন। আজিও মহাবাহু ব্ৰহ্মপুত্ৰৰ বুকুত আৰু গুৱাহাটীৰ দীঘলীপুখুৰীৰ পাৰত তেওঁৰ কীৰ্ত্তিস্তম্ভ গৌৰৱেৰে থিয় হৈ আছে। এইগৰাকী অসম তথা দেশপ্ৰেমিকৰ আদৰ্শ কৰ্ম আগত ৰাখিয়েই বহুতো সাহিত্যৰ সৃষ্টি হ'ল, নাটকৰ, চিনেমাৰ লগতে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ সৃষ্টি আৰু জন্ম হ'ল। এইবেলি ২০২২ বৰ্ষত অসম চৰকাৰে তেখেতৰ ৪০০ বছৰীয়া জয়ন্তী সমগ্ৰ দেশতেই উলহ-মালহেৰে বিভিন্ন কাৰ্যসূচীৰে বছৰজুৰি আয়োজিত কৰে। এইগৰাকী আদৰ্শৱান দেশপ্ৰেমিকৰ ত্যাগ, আদৰ্শ, সংগ্ৰামী সত্তাক আমাৰ অসমীয়াই পূৰ্বৰে পৰাই আহৰণ কৰি আঁকোৱালি লৈ আহিছে আৰু অনাগত দিনতো লৈ থকাটো আৰু আহৰণ কৰি যোৱাটো প্ৰয়োজন।

বৰলুইতৰ পানী যেতিয়ালৈকে বৈ থাকিব তেতিয়ালৈকে বৰসেনাপতি লাচিত বৰফুকনৰ নাম অসম আৰু অসমীয়াৰ মাজত অসম বুৰঞ্জীৰ পাতত সোণালী আখৰেৰে লিপিবদ্ধ হৈ থাকিব।❑



# পৰিৱেশ সচেতক ৰবীন্দ্ৰনাথ

মৌচুমী কংসবণিক

"যাহাৰা তোমাৰ বিষাইছে বায়ু,
নিভাইছে তব আলো,
তুমি কি তাদেৰ ক্ষমা কৰিয়াছ,
তুমি কি বেসেছে ভালো।"

আজি গোটেই বিশ্বজুৰি এক ডাঙৰ সমস্যাই দেখা দিছে, সেইটো হ'ল পৃথিবীৰ বায়ুমণ্ডলৰ উষ্ণতা দিনে দিনে বৃদ্ধি পাবলৈ আৰম্ভ হৈছে। এই হাৰত যদি ভূ-পৃষ্ঠৰ বায়ুমণ্ডলৰ উষ্ণতা বৃদ্ধি পাই থাকে তেনেহ'লে অদূৰ ভৱিষ্যতত পৃথিৱীবাসী সমূহৰ বিপদ আগত। উন্নত আৰু উন্নয়নশীল গোটেই দেশৰ ৰাষ্ট্ৰ নায়কহঁতৰ চিন্তা আৰু মূৰৰ বিষৰ কাৰণ হৈছে এই জ্বলন্ত সমস্যা। গ্লোবেল ৱাৰ্মিঙৰ হাতৰ পৰা ৰক্ষা পোৱাৰ কাৰণে আবেদন উঠিছে বিশ্বৰ বিভিন্ন প্ৰান্তত। চলিছে নানা ধৰণৰ অনুসন্ধান, চলিছে সমাধান সূত্ৰ আৱিষ্কাৰৰ প্ৰয়াস। কিন্তু ক'ত কি? প্ৰতি নিয়ত উষ্ণ জুইত জ্বলিছে আমাৰ বসুন্ধৰা। উষ্ণায়নৰ ফলত পৰ্বতৰ বৰফ গলিছে, ধ্বংস হৈ আছে হিমবাহ, জলস্তৰ বাঢ়ি গৈ আছে ক্ৰমান্বয়ে। এই ধাৰা চলি থাকিলে সংকটৰ সন্মুখত থিয় দিব মানৱ সমাজ। কিন্তু বায়ুমণ্ডলৰ উষ্ণতা বৃদ্ধিৰ মূল কাৰণ যে পৰিৱেশৰ প্ৰতি মানৱ সভ্যতাৰ বিৰূপ আৰু নিষ্ঠুৰ আচৰণ এইটো এক প্ৰকাৰ পৰিষ্কাৰ। সেই কাৰণে চলিছে প্ৰকৃতিক ভালপোৱাৰ, ৰক্ষা কৰাৰ, দূষণ মুক্ত কৰাৰ নানান সাজ-পোছাকৰ প্ৰচাৰ। সমূহ বিপদ দেখা পাই আজি বিশ্ববাসী সচেতন হোৱাৰ চেষ্টা কৰিছে আৰু ইয়াৰ প্ৰায় এশ (১০০) বছৰ আগতে পৰিৱেশৰ কাৰণে সচেতন হৈছিল কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ। বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ কবি, সাহিত্যিক, গল্পকাৰ, ঔপন্যাসিক, প্ৰবন্ধকাৰ, নাট্যকাৰ, গীতিকাৰ, সুৰকাৰ আৰু তেওঁ এজন পৰিবেশ বিজ্ঞানীও আছিল। মানুহৰ প্ৰকৃতিৰ নিবিড় সম্পৰ্কৰ কথা বাৰম্বাৰ ধ্বনিত হৈছে তেওঁৰ সাহিত্য সৃষ্টিত। প্ৰকৃতিৰ লগত মানুহৰ অন্তৰৰ মিলন নহ'লে মানুহৰ মুক্তি সম্ভৱ নহয়, এই কথা তেওঁ বাৰে বাৰে উল্লেখ কৰিছে।

কলিকতাৰ বিখ্যাত ঠাকুৰ পৰিয়ালত ১৮৬১ চনৰ ব'হাগৰ ২৫ তাৰিখে ৰবীন্দ্ৰনাথ ঠাকুৰৰ জন্ম হয়। কলিকতা নগৰত ডাঙৰ-দীঘল হোৱাৰ কাৰণে প্ৰথম জীৱনত প্ৰকৃতিৰ লগত নিবিড় যোগাযোগ হোৱা নাছিল। কিন্তু বাংলাদেশৰ পদ্মা নদীৰ পাৰত জমিদাৰীৰ কাম-কাজ চোৱা-চিতাৰ পৰা অৱকাশ পালেই তেওঁ প্ৰকৃতিৰ লগত মানুহৰ অন্তগূঢ় সম্পৰ্ক আৱিষ্কাৰ কৰিলে। প্ৰকৃতিৰ লগত তেওঁ একাত্মতাৰ কথা ফুটি উঠিছে বিভিন্ন গানত। বাংলাদেশত থকা সময়ত তেওঁ ৰচনা কৰিছে তেওঁৰ বিখ্যাত কাব্যগ্ৰন্থ 'সোণাৰ তৰী' আৰু ৰচনা কৰিছে জীৱনৰ শ্ৰেষ্ঠ চুটিগল্পসমূহ। এই সময়ত বৃক্ষ চিন্তাই তেওঁৰ মনৰ গভীৰত দৃঢ় ৰূপ লাভ কৰিছিল 'বলাই' নামৰ চুটি গল্পত তেওঁ দেখুৱাইছে গছক কেনেকৈ ভাল পাব লাগে। 'বলাই' গল্পত বলাই মুখ্য চৰিত্ৰ; গছেই তাৰ প্ৰাণ, গছৰ অংকুৰণৰ পৰা হৈ উঠাৰ ভিতৰত তাৰ আনন্দ।

বিশ্ব স্বাস্থ্য সংস্থাই উল্লেখ কৰিছে পৃথিবীৰ সকলোতকৈ দূষিত ২০খন চহৰৰ ভিতৰত ১৪খন আছে ভাৰতত চৰম পৰিৱেশ বিপৰ্যয়ৰ যুগত বহি যেতিয়া ৰবীন্দ্ৰনাথৰ নিৰ্মোহ চিন্তা বহুতো উন্নত আছিল। তেতিয়াৰ পৰিৱেশ আছিল স্বৰ্গ তুল্য। বৈজ্ঞানিক গৱেষণাৰ ফল স্বৰূপে আমি গম পাওঁ মাত্ৰাধিক কাৰ্বন নিঃসৰণৰ ফলত গোটেই বিশ্বৰ পৰিৱেশ মানুহ আৰু প্ৰাণীৰ বসবাসৰ অনুপযোগী হৈ পৰিছে। কিন্তু বৰ্তমানৰ এই গুৰুত্বপূৰ্ণ বিষয়ৰ কথা ৰবীন্দ্ৰনাথ ঠাকুৰৰ পৰিৱেশ সচেতনতা সম্বন্ধে অনুভূতি আছিল কাৰণে তেওঁ 'অৰণ্য দেৱতা' প্ৰবন্ধত লিখিছে— ".... মানুষের সৰ্বত্ৰাসী লোভের হাতথেকে অৰণ্য সম্পদকে ৰক্ষা কর। সৰ্বত্ৰই সমস্যা হয়ে দাড়িয়েছে।.... বিধাতা পাঠিয়েছিলেন প্ৰাণকে, চরি দিকে তারই আয়োজন করে রেখেছিলেন মানুষেই নিজের লোভের দ্বারা মরণের উপকরণ যুপিয়েছে।.... লুব্ধ

মানুষ অৰণ্যকে ধ্বংস করে নিজেরই ক্ষতিকে ডেকে এনেছে বায়ুকে নির্মল করবার ভার লে গাছ পালার উপর, থার পত্র বনরেণিয়ে ভূমিকে উর্বতাৰ দেয়, তাকেই সে নির্মূল করেছে। বিধাতার যা কিছু কল্যাণের দান, আপনার বিস্তৃত হয়ে মানুষ তাকেই নষ্ট করেছে.....।”

আমাৰ বৰ্তমানৰ যি নানা বিধ জটিল ৰোগ, পৰিৱেশ উষ্ণতায়ন, আবহাৱাৰ বিৰূপ আচৰণৰ কাৰণে দায়ী মানৱ সমাজ। মানুহৰ লোভ পৰিৱেশৰ সমূহ ক্ষতি কৰিছে। এই পৰিবেশ বিপৰ্যয় বা ভাৰসাম্যহীনতা যি আজিৰ যুগৰ পৰিৱেশ বিশেষজ্ঞৰ চিন্তাৰ কাৰণ এই কথাটো ৰবীন্দ্রনাথে বহুত আগতেই চিন্তা কৰিছে, উপলব্ধি কৰিছে সেই প্রকৃতিবাদী দৰ্শন চিন্তাৰ প্রতিফলন ঘটিছে তেওঁৰ বিভিন্ন কাজ সাহিত্যত।

পৃথিৱীব্যাপী এতিয়া যি অস্থিৰতা বিৰাজ কৰিছে কাৰ্বন নিঃসৰণ পাৰমানৱিক গতিবিধি চিন্তনীয় বিষয় হৈ উঠিছে সেই উপলব্ধি ৰবীন্দ্রনাথ আগতেই কবিয়ে কৈছিল— “দাওফিরে যে অরণ্য, লও এ নগর”। তেওঁ প্রকৃতিৰ সমন্বয় আৰু ঐক্যৰে সমৰ্থন কৰিছে।

ৰবীন্দ্রনাথে প্রথম পৰিৱেশৰ বিষয়ে তেওঁৰ নজৰত আহিছে জাপান যাত্রাৰ সময়ত ১৯১৪ চনত এটি জাহাজৰ পৰা তেল পটিনত পৰৰ দেখি আধুনিক মানুহৰ এই উদাসীন মনোভাব প্রকৃতি প্রেমিক ৰবীন্দ্রনাথক তীব্রভাবে আঘাত কৰে। ইয়াৰ ফলশ্রুতিত ৰবীন্দ্রনাথৰ অজস্র লিখা পৰিৱেশ সচেতনতা বিশেষভাৱে লক্ষ্য কৰা যায়, ৰবীন্দ্রনাথৰ..... তেওঁৰ প্রবন্ধ ‘পল্লী প্রকৃতি’, ‘শহর ও নশর’, অরণ্য দেৱতা, হলকর্ষণ উপেক্ষিতাপল্লি, তেওঁৰ কবিতা ‘দুই পাখি’, বসুন্ধৰা, প্রশ্ন আৰু গীতিনাট্য ‘ৰক্তকৰবী’ আৰু ‘মুক্তধাৰা’। নাটকত আৰু তেওঁৰ চিঠি-পত্র ছিন্নপতাৱলীত তেওঁৰ গভীৰ পৰিবেশ সচেতনতা আৰু তেওঁৰ যি পৰিৱেশ ভাবনাক নতুন ৰূপত আৱিষ্কাৰ কৰাৰ অনুপ্রেৰণা দিয়ে। পৰিৱেশক বিপৰ্যস্ত আৰু বিপন্ন হ’ব লক্ষ্য কৰি কৰি বিচলিত হৈ পৰিছে। ‘তপোবন’ প্রৱন্ধতে তেওঁ লিখিছে... .... মানুষকে বেষ্টন কৰে এই যে জগৎ প্রকৃতি আছে, এয়ে অত্যন্ত অন্তৰঙ্গভাবে মানুষেৰ সকল চিন্তা সকল কাজেৰ সঙ্গে জড়িত হয়ে আছে। .... .... এই প্রকৃতি মানুষেৰ সমস্ত সুখ-দুখেৰ মধ্যে যে অনন্তেৰ সুৰটি মিলিয়ে ৰাখেছে সেই সুৰটিকে আমাদেৰ দেশেৰ প্রাচীন কবিৰা সৰ্বদাই আদেব কাজেৰ মধ্যে বাজিয়ে বেখেছেন।

পৃথিৱীত যি আজি লক্ষ লক্ষ হেক্টৰ অৰণ্য ভূমি বিনষ্ট হৈ আছে। বিলুপ্ত হৈছে হেজাৰ হেজাৰ জীৱ, অৰণ্য প্রকৃতিৰ সম্ভাৰ, বৃক্ষ ধ্বংসৰ কাৰণে পৃথিৱীত তাপমাত্রা বাঢ়ি আছে। জলস্ফীতি ঘটিছে, আবহাৱাৰ পৰিৱৰ্তন হৈছে, অৰণ্য ধ্বংস মানে ক্ষতি যুগ যুগ ধৰি যি আমাৰ জীৱনত প্রাণ সঞ্চাৰ কৰিছে, সেই সেউজীয়া আৱৰণ ক্রমে নোহোৱা হৈ গৈ আছে। ইয়াৰ পৰা মুক্তিৰ একমাত্র উপায় হৈছে অৰণ্য প্রকৃতিৰ প্রতি মানুহৰ ভালপোৱা ঘূৰাই অনা। এই অৰণ্য প্রকৃতিৰ প্রতি ভালপোৱা হৈছে শত বছৰ পূৰ্বেই কবিৰ কাৰ্যাৱলীৰ মাজেদি।

কবিয়ে বিভিন্ন উৎসৱৰ নিচিনা শান্তি নিকেতনৰ আশ্রম বালকহঁতক দ্বাৰা পালন কৰিছে ‘বৃক্ষৰোপণ’ উৎসৱ ১৯২৭ খ্রীঃ মার্চ মাহত। ১৯২২ খ্রীষ্টাব্দৰ ফেব্রুৱাৰী মাহত ‘শ্রীনিকেতন’ প্রতিষ্ঠা কৰাৰ পৰাই তেওঁৰ মনত এই পৰিকল্পনাবিলাক কাম কৰি আছিল। মাটিৰ ওপৰত আমি বহুত দিন বহুতো ‘দস্যুবৃত্তি’ কৰিছো, কিন্তু মাটিয়ে আমাৰ লগত কেতিয়াও প্রতাৰণা কৰা নাই। এতিয়া মাটিৰ ওচৰত আমাৰ ঋণ স্বীকাৰ কৰাৰ সময়। সেই কাৰণতে ‘শ্রীনিকেতন’ প্রতিষ্ঠাৰ সময় ৰচিত হ’ল— ‘ফিরে চল মাটির টানে’। সেউজীয়া ঘাঁহ বা দূবৰি বনক কবিয়ে কৈছিল, ‘ওরা যে এই প্রাণের রণে মরুজয়ের সেনা’ ‘বৃক্ষৰোপণ’ উৎসৱত এই তত্ত্বৰ বাস্তৱায়ন ঘটিছিল। এই উৎসৱৰ তাৎপৰ্য আছিল ইয়াৰ মাধ্যমত গাঁৱে গাঁৱে অৰণ্যকৰণ কৰাৰ।

এই সঁচা কথাটো তেওঁ জানিছিল যে অৰণ্যকৰণ নহ’লে বৰষুণ তথা কৃষি সমস্যাৰ সমাধান নহ’ব। সেই কাৰণে ‘বৃক্ষৰোপণ’ উৎসৱৰ কাৰণে লিখিছিল

“মরুবিজয়ের কেতন উড়াও শূন্যে হে প্রবল প্রাণ।
ধূলিরে ধন্য করো করুণার পুণ্য হে কোমল প্রাণ।
মৌনী মাটির মর্মের গান উঠিবে ধ্বনিয়া মর্মর তব রবে
মাধুরী ভরিবে ফুলে পল্লবে হে মোহন প্রাণ।।”

এই গান আশ্রমৰ ল’ৰাবিলাকে ‘বৃক্ষৰোপণ’ উৎসৱৰ ২২ বছৰ পিছত ১৯৫০ চনত ভাৰত চৰকাৰে ‘বৃক্ষৰোপণ’ আৰু ‘বন মহোৎসৱ’ৰ প্রচলন কৰে আৰু ১৯৬৫ খ্রীষ্টাব্দত ভাৰতীয় বন আইন চালু হয়। শ্রীনিকেতনত ‘হলকৰ্ষণ’ উৎসৱৰ প্রৱৰ্তন কৰে তেওঁ। ইয়াৰ মূল উদ্দেশ্য আছিল গাঁও আৰু গাঁৱত বসবাস কৰা মানুহৰ সৈতে চহৰৰ জনতাৰ সংযোগ স্থাপন। ‘গ্রাম সংগঠন’ৰ কামত নামি তেওঁ কৃষকৰ প্রতি থকা ভদ্র মানুহৰ ঘৃণা দূৰ কৰাৰ প্রয়াসত ‘হলকৰ্ষণ’ বা ‘সীতা যজ্ঞ’ উৎসৱ আৰম্ভ কৰে। তেওঁ জানিছিল উৎসৱৰ দ্বাৰা মানুহৰ লগত মানুহৰ মেলবন্ধন সম্ভৱ।

মানুহৰ প্রতি মমত্ববোধৰ পৰাই কবি বৃক্ষলতা-বন-বনানিৰ মাজত দেখিছে ‘নিত্য জীৱন’ৰ সুস্থ, নিৰ্মল পৰিৱেশ— যি পৰিৱেশে মানুহক সুন্দৰ কৰি বচাই ৰাখিব পাৰে। কবি যে আন্তৰিকতাত পৰিৱেশ সচেতন ব্যক্তি আছিল তাক সম্পূর্ণ ৰূপত প্রকাশিত হৈছে ‘অৰণ্য দেৱতা’ প্রবন্ধৰ ভিতৰত। কবিয়ে এই প্রবন্ধত কৈছে— ‘মানুষ অরণ্যকে ধ্বংস করে নিজের ক্ষতিকেই ডেকে এনেছে। বায়ুকে নির্মল করবার ভার যে গাছ পালার যার পত্র করে যিয়ে ভূমিকে উর্বরতা দেয় তাকেই যে নির্মূল করছে’।

বৰ্তমান যন্ত্র সভ্যতাৰ যুগত নিৰ্মমভাৱে বৃক্ষছেদন, ঔদ্যোগিক প্রক্রিয়াৰ সম্প্রসাৰণ, নগৰীকৰণ প্রভৃতিৰ কাৰণে বায়ুমণ্ডলত ‘গ্রীণ হাউচ’গেছৰ পৰিমাণ বাঢ়ি গৈছে। এই গ্রীণ হাউচ গেছৰ পৰিমাণ বৃদ্ধি পোৱাৰ ফলত দেখা দিছে বিশ্বৰ সৰ্ববৃহৎ সমস্যা ‘গ্লোবাল ওয়ার্মিং’ৰ ভয়াবহ ৰূপ কৰি ৰবীন্দ্রনাথে শত বছৰ আগত অনুভৱ কৰিব পাৰিছিল। সেই কাৰণে তেওঁ গোটেই দেশতে বনানিকৰণ বিচাৰিছিল। এই প্রচেষ্টা সফল কৰাৰ কাৰণে তেওঁ আয়োজন কৰিছিল ‘বৃক্ষৰোপণ’ আৰু ‘হলকৰ্ষণ’ৰ নিচিনা উৎসৱৰ। ববীন্দ্রনাথেই প্রথম ভাৰতীয় যি পৰিৱেশ সুৰক্ষাৰ কথা প্রথম উপলব্ধি কবিছিল। একবিংশ শতিকাত থিয় দি অনুভৱ হয় যে ৰবীন্দ্রনাথ ঠাকুৰ আজিও কিমান প্রাসঙ্গিক।❑



# অৰণ্যই যাৰ জীৱনসঙ্গী 'মুলাই কাঠনি'ৰ আঁৰৰ মানুহজন

সংগীতা বসুমতাৰী

"প্ৰকৃতি থাকিলেহে মানুহ জীয়াই থাকিব।" এই বাক্যশাৰীকে জীৱনৰ সম্বল হিচাপে আগত লৈ গুৰেটো জীৱন কেৱল প্ৰকৃতি সংৰক্ষণত গুৰুত্ব প্ৰদান কৰা আমাৰ সকলোৰে পৰিচিত ব্যক্তিজন হৈছে যাদৱ পায়েং যাক 'অৰণ্য মানৱ' বুলিও কোৱা হয়। যাদৱ পায়েং এজন অসাধাৰণ ব্যক্তি সম্পন্ন জনজাতীয় লোক, যিজনে সেউজীয়া প্ৰকৃতিৰ লগত গঢ়ি তুলিছে এক গভীৰ আত্মিক সম্পৰ্ক। এওঁ এগৰাকী পৰিৱেশ কৰ্মী, নিৰ্বনীকৰণে এক ব্যাধিৰ দৰে আমাৰ গোটেই পৃথিৱীত ভাবুকি কঢ়িয়াই অনাৰ সময়তে প্ৰকৃতি সংৰক্ষণৰ বাবে নিৰলসভাৱে সাধনা কৰি গৈছে। কঠোৰ পৰিশ্ৰম আৰু একনিষ্ঠ সাধনাই আজি যাদৱ পায়েংদেৱক এক জীৱন্ত কিংবদন্তিলৈ পৰিণত কৰিছে।

যাদৱ পায়েং দেৱৰ জন্ম চনটো তেওঁ সঠিককৈ ক'ব নোৱাৰে যদিও ১৯৬৩ চনত বুলি অনুমানত ধৰি লোৱা আছে। যোৰহাট জিলাৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰৰ মাজৰ বৰঘোপ নামৰ এটা চাপৰিত তেওঁৰ জন্ম হৈছিল। তেওঁৰ পিতৃ লক্ষীৰাম পায়েং আৰু মাতৃ এফুলি পায়েং আৰু তেওঁৰ পত্নী বিনীতা পায়েং। বৰ্তমান মুলাই অৰণ্যতে পজাঘৰ সাজি পত্নী, দুজন পুত্ৰ আৰু এগৰাকী কন্যাৰে সৈতে যাদৱ পায়েং বসবাস কৰে। যিহেতু তেওঁ এজন কৃষিজীৱী পৰিয়ালৰ সন্তান আছিল সেয়েহে সেই আদৰ্শ আগত ৰাখিয়েই গৰু আৰু ম'হৰ গাখীৰ বিক্ৰী কৰি জীৱিকা চলাই আহিছে।

'মুলাই' হৈছে যাদৱ পায়েংদেৱক সমাজে দিয়া এটা উপনাম। সৰুতে দেখাত হেনো তেওঁ বগা মুলাৰ দৰে বগা আছিল সেই দেখি তেওঁক মুলাৰ পৰা মুলাই নাম দিয়া হৈছিল। তেখেতে অসমৰ যোৰহাট জিলাৰ ককিলামুখৰ ওচৰৰ ব্ৰহ্মপুত্ৰৰ 'ঊনামুখ চাপৰি'ৰ এক বৃহৎ এলেকাত গছপুলি ৰোপণ কৰি সেই ঠাই এখন ডাঠ অৰণ্যলৈ ৰূপান্তৰ কৰিছিল। প্ৰায় ৫৫০ হেক্টৰ অঞ্চল জুৰি থকা এই অৰণ্যখন 'মুলাই কাঠনি' নামেৰে যাদৱ পায়েঙৰ সন্মানাৰ্থে নামকৰণ কৰা হৈছে।

ঊনামুখ চাপৰিটো ব্ৰহ্মপুত্ৰৰ এটা বৃহৎ চৰ। ইয়াৰ দৈৰ্ঘ্য প্ৰায় ১৭ কিলোমিটাৰ আৰু বহলে ১৫ কিলোমিটাৰ। মুলাই অৰণ্যত এতিয়া শতাধিক হাতী, সকলো প্ৰজাতিৰ হৰিণা, গঁড়, বাঘ আদিৰ উপৰিও বন-গাহৰি, শগুণ আৰু অনেক প্ৰজাতিৰ চৰায়ো পোৱা যায়। তাৰ উপৰিও এই অৰণ্যখন অৰ্জুন, এজাৰ, কৰৈ, শিমলু আদি মূল্যবান গছ-গছনিৰে ভৰপুৰ।

যাদৱ পায়েংদেৱে এই কৰ্মজীৱনত আজি পৰ্যন্ত বহু বঁটা আৰু সন্মান লাভ কৰিছে। ২০১২ চনৰ ২২ এপ্ৰিলত, ধৰিত্ৰী দিৱসৰ দিনা জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ে যাদৱ পায়েঙক "ভাৰতৰ অৰণ্য মানৱ" উপাধি প্ৰদান কৰে। আকৌ সেই বছৰতে উইলিয়াম ডগলাছ

২০১২ চনৰ ২২ এপ্ৰিলত, ধৰিত্ৰী দিৱসৰ দিনা জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ে যাদৱ পায়েঙক "ভাৰতৰ অৰণ্য মানৱ" উপাধি প্ৰদান কৰে। আকৌ সেই বছৰতে উইলিয়াম ডগলাছ মেকমাষ্টাৰ নামৰ কানাডাৰ তথ্যচিত্ৰ নিৰ্মাতা এজনে পায়েঙৰ কৰ্ম আধাৰত "Forest Man" নামেৰে তথ্যচিত্ৰ এখনি নিৰ্মাণ কৰে। ২০১৩ বৰ্ষৰ 'কা' চলচিত্ৰ মহোৎসৱত এই তথ্যচিত্ৰখনে শ্ৰেষ্ঠ তথ্যচিত্ৰৰ সন্মানো লাভ কৰিছে।



মেকমাষ্টাৰ নামৰ কানাডাৰ তথ্যচিত্ৰ নিৰ্মাতা এজনে পায়েঙৰ কৰ্ম আধাৰত "Forest Man" নামেৰে তথ্যচিত্ৰ এখনি নিৰ্মাণ কৰে। ২০১৩ বৰ্ষৰ 'কা' চলচিত্ৰ মহোৎসৱত এই তথ্যচিত্ৰখনে শ্ৰেষ্ঠ তথ্যচিত্ৰৰ সন্মানো লাভ কৰিছে। ২০১২ চনত "ছেংচুৱাৰি এছিয়া ৱাইল্ড লাইফ বঁটা" প্ৰদান কৰা হয়। আকৌ ২০১৪ চনৰ বিশ্ব পৰিৱেশ দিৱস ৫ জুনৰ দিনা "দা হিন্দু" কাকতৰ প্ৰথম পৃষ্ঠাত পায়েঙৰ কৰ্ম আৰু জীৱনক লৈ এটি অনবদ্য চিত্ৰ-কৰ্ম প্ৰকাশ হৈছিল, ২০১৫ চনৰ ২৬ জানুৱাৰীত তেওঁক ভাৰতবৰ্ষৰ চতুৰ্থ সৰ্বোচ্চ অসামৰিক সন্মান 'পদ্মশ্ৰী বঁটা' প্ৰদান কৰা হয়। সেই একে বছৰৰে ১৪ ফেব্ৰুৱাৰীত গুৱাহাটী বিশ্ববিদ্যালয়ে তেওঁক সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদান কৰে। ২০১৬ চনত বিনায়ক বাৰ্মা নামৰ এজন ব্যক্তিয়ে "Jadav and Tree-Place" নামেৰে এখন সচিত্ৰ শিশু গ্ৰন্থ ৰচনা কৰিছে। এনেদৰে বহুকেইটা বঁটা আৰু সন্মান আগবঢ়োৱা উপৰি তেওঁ বহুতো অনুষ্ঠানলৈ পৰিৱেশ সজাগতা সম্পৰ্কীয় বক্তৃতা প্ৰদান কৰিবলৈ নিমন্ত্ৰণো কৰি আহিছে।

যাদৱ পায়েঙে আজি পৰ্যন্ত নিয়মীয়াকৈ গছ ৰোৱা, গছ প্ৰতিপাল কৰা কাম কৰি আহিছে। তেওঁৰ হাতেৰে ৰোৱা এটা গছপুলিও মৰি নাযায়, তেওঁ কোৱা মতে তেওঁ সাধাৰণতে গছপুলিবোৰ এপ্ৰিল মাহত ৰোপণ কৰে। যাদৱ পায়েং কেৱল মুলাই কাঠনিৰ স্ৰষ্টাই নহয় তেওঁ মুলাই কাঠনিৰ অতন্দ্ৰ প্ৰহৰী। এবাৰ চোৰাং চিকাৰীৰ দল এটাক খেদি পঠাইছিল আৰু বনবিভাগে সেই দলটোৰ পৰা বহু অস্ত্ৰ-শস্ত্ৰ জব্দ কৰিবলৈ সক্ষমো হৈছিল। যাদৱ পায়েং এতিয়া আকৌ এবাৰ সাজু আন এখন ঠাইত অৰণ্য সৃষ্টিৰ বাবে। কিন্তু তেওঁ বন বিভাগৰ হাতত মুলাই হাবিখন এৰি দিবলৈ ইচ্ছাবোধ কৰা নাই। কিন্তু যদিহে বন বিভাগে এই মুলাই অৰণ্যখন সুচাৰুৰূপে পৰিচালনা কৰিবলৈ লয় তেনেহ'লে এইখন অৰণ্য বন বিভাগক গতাই দি আন ঠাইত তেওঁ আকৌ অৰণ্যৰ কাম হাতত ল'ব বুলি কৈছে।

যাদৱ পায়েঙৰ গছৰ প্ৰতি থকা যি নিঃস্বাৰ্থ প্ৰেম এই প্ৰেমৰ বাবেই তেওঁ গোটেই জগততেই বিখ্যাত হৈ আছে। তেওঁ অসমৰেই নহয় সমগ্ৰ ভাৰতকে ধৰি গোটেই বিশ্বতে এজন 'অৰণ্য মানৱ' ৰূপে খ্যাত। তেওঁ প্ৰায়ে কয় "মোৰ তাত থকা চৰাইবোৰে গছ ৰুব জানে, মোৰ তাত থকা গৰু বিলাকে গছপুলি ৰুব জানে, মোৰ তাত থকা হৰিণাই গছপুলি ৰুব জানে, গঁড়ে গছ পুলি ৰুব জানে, মহাবাহু ব্ৰহ্মপুত্ৰই গছপুলি ৰুব জানে কিন্তু জীৱশ্ৰেষ্ঠ মানুহে কেনৈ কাটিব জানে?" আৰু কৈছে যে গছ পুলি ৰুব নালাগে গছবোৰ মানুহে নাকাটিলে হ'ল গছ নিজে নিজেই হ'ব।

গতিকে তেওঁৰ এই যি আদৰ্শ এই আদৰ্শ গোটেই বিশ্ববাসীয়ে গ্ৰহণ কৰিব লাগে, তেওঁৰ এই মহান আদৰ্শ গোটেই বিশ্বতে বিয়পি পৰক। এই আদৰ্শৰ দৃঢ়তাৰ বাবেই তেওঁ সকলোৰে দৃষ্টিত আজি আলোক হৈ ধৰা দিছে। তেওঁৰ এই আলোক পৃথিৱীৰ সকলোৱে অনুসৰণ কৰা উচিত।❑



# অসমৰ নদ-নদী

## কৃষিক্ষেত্ৰত ইয়াৰ প্ৰভাৱ আৰু বানপানীৰ বিৱৰণ

**কল্পজিৎ শইকীয়া**

অসম, উত্তৰ-পূব ভাৰতবৰ্ষৰ দুৱাৰমুখ বুলি জনাজাত এখন নদীমাতৃক ৰাজ্য। নদীমাতৃক এইবাবেই কিয়নো বহুতো সৰু-বৰ নদী-উপনদীয়ে অসমখনক আগুৰি আছে। ব্ৰহ্মপুত্ৰ আৰু বৰাক হ'ল অসমৰ প্ৰধান নৈ। ব্ৰহ্মপুত্ৰ নদীক লুইত, বৰলুইত, চিৰিলুইত, লৌহিত্য আদি নামেৰেও জনা যায়। প্ৰায় ২৯০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই নদীখন বৈ যোৱা পানীৰ পৰিমাণৰ ক্ষেত্ৰত বিশ্বৰ তৃতীয় বৃহৎ নদী তথা দ্বিতীয় সৰ্বাধিক গেদ কঢ়িওৱা নদী। ইয়াৰ আগলি ভাগ চাংপো নৈ, এই নৈৰ উৎপত্তিস্থল তিব্বতৰ কৈলাস পৰ্বতৰ 'চেমা-যুংদুং' নামৰ হিমবাহ, যাৰ উচ্চতা ৫১৫০ মিটাৰ। মানস সৰোবৰৰপৰা ৭৫ কিঃ মিঃ পশ্চিমে উত্তৰে ইয়েন চেন টাংলা আৰু দক্ষিণে হিমালয় পৰ্বতমালাৰ মাজৰ ঠেক উপত্যকাৰ মাজেদি, হিমালয়ৰ ঠিক সমান্তৰালকৈ ১৬০ কিঃ মিঃ উত্তৰেদি চাংপো নৈখন পূবমুৱা হৈ ১৬০০ কিঃ মিঃ বৈ আহিছে। তিব্বতী ভাষাত চাংপো শব্দৰ অৰ্থ হ'ল 'প্ৰতিশোধক'। চীনাসকলে ইয়াক 'য়া-লু টাং পুচিয়াং' বোলে। তিব্বতৰ ভিতৰত নৈখনৰ আন স্থানীয় নামো আছে। এই চাংপো নৈখনে 'মোংকু' নামৰ ঠাইত চীন-ভাৰত আন্তৰ্জাতিক সীমায়েদি প্ৰৱেশ কৰি ৫ কিঃ মিঃ দক্ষিণ-পূবমুৱা হৈ আহি অৰুণাচল প্ৰদেশৰ 'কোৰবো' নামৰ ঠাই পায়। শদিয়াৰ পশ্চিমৰ দিবাং-লোহিত-দিহাং সংগমৰ পৰা অসম উপত্যকাৰ মাজেদি ব্ৰহ্মপুত্ৰ ৰূপেৰে ৬৫০ কিঃ মিঃ বৈ গৈ বাংলাদেশত সোমায়। এই পথছোৱাত ব্ৰহ্মপুত্ৰৰ লগত উত্তৰৰ পৰা ৫৭খন আৰু দক্ষিণৰ পৰা ৩৩খন সৰু-বৰ উপনৈ যোগ হৈছে। তদুপৰি ব্ৰহ্মপুত্ৰৰ তিনিটা প্ৰসিদ্ধ বুঢ়ীসুঁতি, লোহিত সুঁতি আৰু কলং সুঁতিৰ উপৰিও সৰু সুৰা সুঁতিৰ ৰূপত বহুত শাখা নৈ আছে।

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ প্ৰধান উপনৈসমূহ হৈছে-

**কামেং নৈ ঃ** অৰুণাচল প্ৰদেশৰ টাৱাং জিলাৰ গৌৰী ছেন পৰ্বতৰ এটা হিমবাহৰ পৰা কামেং নদীৰ উৎপত্তি হৈছে। বৰ্তমান ইয়াক অৰুণাচল প্ৰদেশত 'কামেং' আৰু অসমত 'জীয়া ভৰলী' বুলি জনা যায়। কামেং নদীৰ দৈৰ্ঘ্য প্ৰায় ২৬৪ কিঃ মিঃ এই নদীৰ অৱবাহিকা প্ৰায় ১১,৮৪৩ বৰ্গ কিঃ মিঃ জুৰি বিস্তৃত হৈ আছে। তিপ্পি নদী কামেং নদীৰ প্ৰধান উপনৈ। আন উপনৈসমূহ হৈছে টেঙা, বিচম, ডিৰাঙ ছু ইত্যাদি।

**সোৱণশিৰি নৈ ঃ** ই হৈছে ব্ৰহ্মপুত্ৰৰ আটাইতকৈ ডাঙৰ উপনৈ। ই অসম আৰু অৰুণাচল প্ৰদেশ আৰু চীনৰ অধীনত থকা তিব্বতৰ মাজেদি বৈ গৈছে। ইয়াৰ দৈৰ্ঘ্য হৈছে ৪৪২ কিঃ মিঃ আৰু অৱবাহিকাৰ কালি ৩২,৬৪০ বৰ্গ কিঃ মিঃ এই ব্ৰহ্মপুত্ৰৰ মুঠ জলৰাশিৰ ৭.৯২% যোগান ধৰে। 'সোৱণশিৰি' নামটো সংস্কৃতৰ 'স্বৰ্ণ' শব্দৰ পৰা আহিছে, যাৰ অৰ্থ হৈছে 'সোণ'। তিব্বতৰ প'ৰম পৰ্বতৰ ওচৰৰ হিমালয়ত সোৱণশিৰি নদীৰ উৎপত্তি হয়। ই তাকচিং চহৰৰ ওচৰত ভাৰতত প্ৰৱেশ কৰি মিৰি পাহাৰৰ মাজেৰে পূব আৰু দক্ষিণ-পূব দিশলৈ বৈ যায়, তাৰ পিছত দক্ষিণে ধেমাজি জিলাৰ দুলাংমুখৰ অসম উপত্যকালৈ, য'ত ই লখিমপুৰ জিলাৰ জামুৰিঘাটত ব্ৰহ্মপুত্ৰ নদীৰ সৈতে মিলি যায়। এই নৈৰ নিৰ্গমন প্ৰতি ছেকেণ্ডত সৰ্বোচ্চ ১৮,৭৯৯ ঘনমিটাৰ (৬৬৩,৯০০ ঘনফুট/চেকেণ্ড), আৰু সৰ্বনিম্ন ১৩১ মিটাৰ কুইন্টল/চেকেণ্ড (৪,৬০০ ঘনফুট/চেকেণ্ড)। ৰঙানদী, ডিক্ৰং, কমলা হৈছে ইয়াৰ প্ৰধান উপনৈ।

**ৰঙানদী ঃ** অৰুণাচল প্ৰদেশৰ হিমালয়ৰ পাদদেশৰ নীলাম, মাটা আৰু তাপো পৰ্বতমালাৰ পৰা এই নৈৰ উৎপত্তি হৈছে। তাৰ পিছত লখিমপুৰ জিলাৰ জোহিংত ৰঙানদীখনে অসমত প্ৰৱেশ কৰি লখিমপুৰ জিলাৰ মাজেৰে ৬০ কিলোমিটাৰ প্ৰবাহিত হৈ লখিমপুৰ জিলাৰ পকোনিয়াঘাটত সোৱণশিৰি নদীৰ সৈতে সংগম হোৱাৰ আগতে লখিমপুৰ জিলাৰ মাজেৰে ৬০ কিলোমিটাৰ প্ৰবাহিত হয়। ৰঙানদীৰ মুঠ ২৯৪১ বৰ্গ কিলোমিটাৰ জলাশয় অৰুণাচল প্ৰদেশ আৰু অসমৰ মাজত ভাগ কৰা হৈছে। ইয়াৰে ৭০০ বৰ্গ কিলোমিটাৰ অসমৰ লখিমপুৰ জিলাত আৰু বাকী ২২৪১ বৰ্গ কিলোমিটাৰ অৰুণাচল প্ৰদেশত অৱস্থিত। নদীখনৰ মুঠ দৈৰ্ঘ্য ১৪৫ কিঃ মিঃ।

**মানস ঃ** ই ভূটানৰ সৰ্ববৃহৎ নদী, ইয়াৰ মুঠ অৱবাহিকাৰ কালি ৪১,৩৫০ বৰ্গ কিলোমিটাৰ আৰু নদীখনৰ মুঠ দৈৰ্ঘ্য ৪০০ কিলোমিটাৰ। লহব্ৰাক বা কুৰি চু, আই আৰু কুৰ নৈ মানসৰ প্ৰধান উপনৈ। যোগিনীতন্ত্ৰ মতে প্ৰাচীন কামৰূপ ৰাজ্যক যি চাৰিটা পীঠত ভাগ কৰা হৈছিল তাৰে ৰত্নপীঠ আৰু কামপীঠৰ মধ্যৱৰ্তী সীমা আছিল মানাস (মানস)। মানস নদী দক্ষিণ ভুটান আৰু ভাৰতৰ সীমামূৰীয়া অঞ্চলৰ এটা জলপ্ৰবাহ। ভূটান ৰাষ্ট্ৰৰ জনসাধাৰণে এই দেশৰ পাহাৰৰ মাজেৰে বৈ অহা নদীখনক 'ডাং মে চু' নামেৰে অভিহিত কৰে। নদীখন তললৈ নামি আহি থাকোতে ভুটানৰ পাংৱান জিলাত 'মাং দে চ্যু' নামৰ নদী এখনৰ লগ হৈ ভাৰতত সোমায়। ভাৰতত 'মানাস' তিনিটা ভাগত বিভক্ত হৈ মানস, বেঁকী আৰু হাকোৱা নাম লৈ প্ৰথমে পূবমুৱা হৈ মানস ৰাষ্ট্ৰীয় উদ্যানৰ মাজলৈ গতি কৰে। তাৰ পিছত বিভিন্ন ঠাইৰ মাজেৰে দিশ সলাই দক্ষিণ দিশে ধাৱমান হয়। হাকোৱা নৈখন কিছুদূৰ নামি আহি পুনৰ মানস নৈত লগ লাগে। তেনেদৰে মানস নৈৰ পৰা এটি সুঁতি নল-খাগৰিৰ মাজেৰে একা-বেঁকাকৈ বৈ আহি বেঁকী নদীত পৰে- যিটো সুঁতি জনসাধাৰণৰ মাজত 'নলযোৰা' নামে পৰিচিত।

'মানস' নামটোৰ উৎপত্তিৰ বিভিন্ন কাহিনী প্ৰচলিত আছে। মানসকলে অসম আক্ৰমণ কৰি বাধাহীনভাৱে পূবৰ পৰা পশ্চিমলৈ এটা বিস্তৃত অঞ্চল নিজৰ অধীনলৈ আনিছিল। কিন্তু এঠাইত এখন বিশেষ নদীয়ে তেওঁলোকৰ এই অভিযানত বাধাৰ সৃষ্টি কৰে। নদীখন পাৰ হ'ব নোৱাৰি থমকি ৰবলগীয়া হয় মানসকল। নদীখনৰ পাৰটোতে মানসকলে জয়ৰ শেষ সীমা কৰি উভতি যাবলগীয়া হয়। মানসকল এই নদীৰ পাৰ পৰ্যন্ত আহিছিল বাবেই সেই অঞ্চলেৰে প্ৰবাহিত নদীখনৰ নাম 'মানস (মান+আহ)' হৈছিল বুলি কিছুমানে বিশ্বাস কৰে।

আন এচামৰ মতে নিজৰ সুতীব্ৰ জলৰাশিৰে মানসকলৰ অগ্ৰগতিত এই নদীখনে বাধাৰ সৃষ্টি কৰিছিল বাবেই ইয়াৰ নাম মানস হ'ল 'মানা অৰ্থাৎ বাধা দিয়া কাৰ্য'।



একেদৰেই মানস ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত বৰ্তমানৰ মঠনগুৰিত ভগৱান শিৱৰ মঠ এটা থকা বাবে ঠাইখনৰ নাম 'মঠনগুৰি' হয়। হিমালয় পৰ্বতৰ কৈলাসত মহাদেৱৰ বাসস্থান আৰু তাৰ পৰা কিছু নিলগত তেওঁৰ জীয়ৰী মনসাৰ বাসস্থান। এই মঠনগুৰিত দেৱী মনসাৰো এটি মঠ আছিল। তাত ভক্তগণে তেওঁক আগবঢ়োৱা পূজাত সন্তুষ্ট হৈ উৎফুল্ল মনেৰে সেই ঠাইত বিচৰণ কৰিছিল আৰু হিমালয়ৰ নামনিৰে বৈ অহা নিৰ্মল জলধাৰাত স্নান কৰি তৃপ্ত হৈছিল। দেৱী মনসাৰ বিচৰণভূমিৰ জলধাৰা তেওঁৰ নামেৰেই মানাস বা মানস নামেৰে জনাজাত হোৱা বুলি জনশ্ৰুতিও বিদ্যমান।

আন এটা কাহিনী অনুযায়ী কোচ ৰাজাৰ সিংহাসনচ্যুত ৰজা নৰসিংহই ৰজা নৰনাৰায়ণৰ ভয়ত নিজে স্থাপন কৰা আইৰিনি নদীৰ পাৰৰ গাঁৱৰ পৰা নেপাললৈ পলাই যায়। কিন্তু তেওঁৰ কন্যা মানসীয়ে পিতৃক অনুকৰণ নকৰি ভূটানৰ পাদদেশত আশ্ৰয় লয় আৰু মন্দিৰ সাজি শিৱৰ আৰাধনাত ব্ৰতী হয়। সেই মন্দিৰৰ ভগ্নাৱশেষ ঐতিহ্যৰ

আকৰ্ষণ হিচাপে এতিয়াও আছে। তেওঁৰ নামেৰে ঠাইখনৰ নাম মানাস, পিছলৈ মানস হোৱা বুলিও মানুহে ধাৰণা কৰে।

**আই ঃ** এই এই নদীখনৰ উৎপত্তি হৈছে ভূটানৰ ক'লা পৰ্বতৰ পৰা। আই নৈ অসমৰ চিৰাং জিলাৰ মাজেৰে বৈ গৈ চিৰাং জিলাৰ বাংপাৰীত মানস নদীৰ লগত মিলি যায়। আই মানে অসমীয়া ভাষাত মাতৃ। চিৰাং জিলাৰ হাগ্ৰামা দলঙৰ সমীপত আই নদীৰ পাৰতেই উদ্‌যাপন কৰা হয় অসমৰ সংস্কৃতিৰ এক বৰ্ণিল উৎসৱ 'দ্বিজিং'।

**পাগলাদিয়া ঃ** এই নৈখন ভূটান পাহাৰৰ পৰা উৎপত্তি হৈ ব্ৰহ্মপুত্ৰ নদীৰ সৈতে সংগম হোৱাৰ আগতেই বাক্সা জিলা আৰু নলবাৰী জিলাৰ মাজেৰে বৈ যায়। পাগলাদিয়া নদী বহু বৰ্ষজীৱী, অতি অগভীৰ, আৰু ইয়াৰ বৈশিষ্ট্যপূৰ্ণভাৱে আকস্মিক বানপানী আৰু উচ্চ নিৰ্গমনৰ হাৰৰ বাবে জনাজাত যাৰ বাবেই বাৰিষাকালত এই অঞ্চলত প্ৰলয়ংকাৰী বানপানীৰ সৃষ্টি হয়।

**গাভৰু ঃ** পশ্চিম কামেং জিলাৰ অৰুণাচল প্ৰদেশৰ কলাফাংগাপো পাহাৰৰ পৰা উৎপত্তি হোৱা গাভৰু নৈখন শোণিতপুৰ জিলাৰ গধৰু মুখ (চাপৰি গাঁও)ত ব্ৰহ্মপুত্ৰ নদীৰ সৈতে সংগম হোৱাৰ পূৰ্বে অসমৰ শোণিতপুৰ জিলাৰ মাজেৰে বৈ যায়। সোনাই ৰূপাই নদী আৰু গেলগেলি নদী নামেৰে জনাজাত দুখন সোঁপাৰৰ উপ-উপনৈৰে গঠিত গাভৰু নদী আৰু মোৰা দেপোটা নদী বাওঁপাৰৰ উপ-উপনদী। গাভৰুৰ সৰ্বমুঠ দৈৰ্ঘ্য ৫৮ কিলোমিটাৰ।

ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ প্ৰধান উপনৈসমূহ হৈছে-

**লোহিত ঃ** লোহিত নৈখন চীন দেশৰ য়কো শৃংগৰ পৰা 'জায়ুল চু' নামেৰে ওলাই দক্ষিণ-পূব দিশেৰে ১০০ কিঃ মিঃ বৈ আহি পশ্চিমমুৱা হৈ অৰুণাচলৰ উত্তৰ সীমায়েদি আহি লোহিত জিলাত সোমায়। ইয়াৰ পিচত পশ্চিমমুৱা হৈ পৰশুৰাম কুণ্ডত প্ৰৱেশ কৰি, তেজু চহৰৰ কাষেৰে বৈ আহোঁতে তেজু নৈ লোহিতৰ লগ লাগে। তেজুৰ পৰা ১৫ কিঃ মিঃ পশ্চিমলৈ আহি সৌপাৰে ডিগাৰু ঘাট আৰু বাওঁপাৰে চৌখাম পায়। ইয়াৰ পৰা লোহিতখনে শদিয়াৰ মহকুমাৰ চুনপোৱা হৈ বছাগাঁও আৰু বালিজান চাপৰি পাৰ হৈ ২৫ কিঃ মিঃ আহি কুণ্ডিল বজাৰত কুণ্ডিল নৈৰ লগ লাগে। তাৰ পৰা ৬ কিঃ মিঃ আহি দক্ষিণ পাৰৰ ঢলাৰ বিপৰীতে দিবাং আৰু ছিকাং নৈৰ লগ লাগে। তাৰ পাচত ৮ কিঃ মিঃ ভটিয়াই লোহিতে দিবাঙৰ পশ্চিমত গংগো নৈ লগ হয়। তাৰ পৰা ২ কিঃ মিঃ ভটিয়াই আহি লোহিতৰ লগত দিহাং নৈ পূব শাখা ছিবিয়া নৈত আহি যোগ হয়, যাৰ পৰাই লোহিতক ব্ৰহ্মপুত্ৰ বুলি জনা যায়। লোহিত নৈখনৰ সৰ্বমুঠ দৈৰ্ঘ্য ২৬৭৭ কিঃ মিঃ আৰু অৱবাহিকাৰ কালি ২৯,৪৩৭ বৰ্গ কিঃ মিঃ। এই নদীৰ ওপৰতে নিৰ্মিত হৈছে ভাৰতবৰ্ষৰ আটাইতকৈ দীঘল দলং 'ভূপেন হাজৰিকা সেতু' যাৰ দৈৰ্ঘ্য ৯.১৫ কিঃ মিঃ।

লোহিতৰ কেইবাখনো উপনৈ আছে, তাৰ ভিতৰত উল্লেখযোগ্য হৈছে কুণ্ডিল নৈ, দিবাং বা ছিকাং নৈ, ন দিহিং। আকৌ ডিৰাক হৈছে দিহিঙৰ উপনৈ।

**আজুকা নৈ বা লাইকা জান ঃ** ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰত যোগ হোৱা প্ৰথম উপনৈখন হ'ল লাইকা নৈ। ছেখোৱা নৈৰ এটা শাখা দক্ষিণ-পশ্চিমমুৱা হৈ ৬ কিঃ মিঃ আহি আজুকা নাম লৈ ছেখোৱা বনৰ মাজেদি আহি কাৱোনি বিলৰ কাষ পায়। ইয়াৰ পৰাই আজুকা নৈক লাইকাজান বোলে। নৈখনে পশ্চিম দিশত আৰু ৬ কিঃ মিঃ আহি ফাঁচি দিয়া লাইকা নামৰ ঠাইৰ পশ্চিমে ব্ৰহ্মপুত্ৰত পৰে।

**ডিব্ৰু নৈ বা ডিবুৰু নৈ ঃ** ডিব্ৰু নৈখন তিনিচুকীয়া জিলাৰ পূব সীমাৰ বুঢ়ী দিহিং সংৰক্ষিত বনৰ মাজৰ খেৰেম নামৰ ঠাইৰ পৰা ডিব্ৰুজান নামেৰে ওলাই তাৰ পৰা ডুমডুমা, বালিজান, চাবুৱা হৈ ডিব্ৰুগড় নগৰ পৰা ১৮ কিঃ মিঃ পূবত ব্ৰহ্মপুত্ৰত পৰে।

**মাইজান ঃ** মাইজান নৈ, এসময়ত ডিব্ৰু নৈৰ উপনৈ আছিল, বৰ্তমান ব্ৰহ্মপুত্ৰৰ খহনীয়াত পোনে, পোনে ব্ৰহ্মপুত্ৰত পৰে। মাইজান নৈ এখন সৰু জান, দিনজান বিমান ঘাটিৰ পৰা পশ্চিমমুৱা হৈ খাৰজান চাহবাগিছা, দিনজয় গাঁও, থানাই আৰু হেজেল বেংক চাহবাগিছা-ডিব্ৰুগড পথ পাৰ হৈ মধুপুৰৰ ওচৰত মেৰবিল সৃষ্টি কৰে। তাৰ পিছত তেল পানীৰ সংগমৰ পৰা বুঢ়ী দিহিং ৩৭নং ঘাইপথ পাৰ হৈ চেঁচা নৈৰ সৈতে লগ লাগি চেঁচামুখৰ পৰা ৪ কিঃ মিঃ আহি উত্তৰমুৱা হৈ দিহিংমুখত ব্ৰহ্মপুত্ৰত পৰে। বুঢ়ী দিহিং নৈৰ সৰ্বমুঠ দৈৰ্ঘ্য ৩৬০ কিঃ মিঃ।

**দিচাং নৈ ঃ** এই নৈখন অৰুণাচলৰ টিৰাপ জিলাৰ দক্ষিণ অংশৰ পাটকাই পৰ্বতৰ ২৬০০ মিটাৰ ওখ বুম আ পৰা ওলাইছে। তাৰ পাচত অৰুণাচল আৰু অসমৰ সীমাৰ কাষেৰে বৈ আহি দিল্লি নৈ নাম লৈ নামৰূপৰ দিল্লিঘাট হৈ নামৰূপ ষ্টেচনৰ পৰা ১ কিঃ মিঃ দক্ষিণে বৈ গৈ সাপেখাতী সংৰক্ষিত বনাঞ্চল সীমাইদি বৈ লংপতিয়া হৈ টিমক নৈৰ লগ হয়। ইয়াৰ পৰা ৩০ কিঃ মিঃ পশ্চিম-দক্ষিণ দিশত বৈ গৈ টাওকাক নৈৰ লগ হয়। তাৰ পাচত ১২ কিঃ মিঃ আহি চফ্ৰাই নৈৰ সৈতে লগ লাগি ৫ কিঃ মিঃ ভাটিয়াই নঙলামৰা হৈ ৰজাবাৰীত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ পাৰ হৈ ৫ কিঃ মিঃ আহি আখৈফুটীয়াৰ বিপৰীত পাৰে বৰ পালেঙী জানৰ লগ হয়। তাৰ পাচত ডিমৌ নৈ লগ হৈ ৫ কিঃ মিঃ ভটিয়াই আহি দিচাংমুখত ব্ৰহ্মপুত্ৰত পৰে। দিচাং নৈৰ দৈৰ্ঘ্য ২৩০ কিঃ মিঃ আৰু অৱবাহিকাৰ কালি ৩৯৫০ বৰ্গ কিঃ মিঃ।

**দৰিকা নৈ ঃ** এই নৈখন শিৱসাগৰ জিলাৰ নাজিৰা মহকুমাৰ চণ্টক চাহ বাগিছাৰ পূবত থকা নগা পাহাৰৰ নামনি অংশৰ পৰা ওলাইছে। ইয়াৰ পৰা ওলাই চণ্টক বাগিছাৰ পূবেদি বৈ গৈ শিমলুগুৰিৰ পৰা ৩ কিঃ মিঃ পূবত ধোদৰ আলিৰ পুৰণি শিলৰ সাঁকোৰ তলেদি পাৰ হৈ, চৰাইদেউৰ পাহাৰ ওলাই দিজৈখনাৰ লগ হৈ, দৰিকা নৈখনে উত্তৰমুৱা হৈ দৰিকা গাঁও পায়। ইয়াৰ পৰা উত্তৰ-পশ্চিমমুৱা হৈ নিমাইজানৰ লগ হৈ শিৱসাগৰৰ নগৰৰ পৰা ডেৰ কিঃ মিঃ পূবত ৩৭ ৰাষ্ট্ৰীয় ঘাইপথ পাৰ হয়। তাৰ পৰা ৮ কিঃ মিঃ বৈ গৈ মৰি দিলিহি নৈৰ লগ হয়। আকৌ তাৰ পৰা ৫ কিঃ মিঃ আহি দেউঘৰীয়াত দিখৌ নৈ পৰা ঠাইতে একেলগে ব্ৰহ্মপুত্ৰত পৰে।

**ধনশিৰি ঃ** এই নদীখন হৈছে অসমৰ গোলাঘাট জিলা আৰু নাগালেণ্ডৰ ডিমাপুৰ জিলাৰ মুখ্য নদী। এই নদীখন নাগালেণ্ডৰ লাইছাং শৃংগ (Laisang peak)ৰ পৰা উৎপত্তি হৈছে। ইয়াৰ মুঠ দৈৰ্ঘ্য হৈছে

৩৫২ কিঃ মিঃ। ই দক্ষিণৰ পৰা উত্তৰলৈ বৈ গৈ ব্ৰহ্মপুত্ৰ নদীত পৰে এই নদীৰ অৱবাহিকাৰ মুঠ কালি হৈছে ১২২০ বৰ্গ কিঃ মিঃ।

জুজা আৰু ডিফু নৈ হৈছে ইয়াৰ প্ৰধান উপনৈ।

**দিখৌ নৈ ঃ** অসমীয়া গীতবোৰত জনপ্ৰিয় এটি নাম দিখৌ নৈখন দীঘে ২০০ কিঃ মিঃ আৰু ইয়াৰ অৱবাহিকাই ৪৩৭২ বৰ্গ কিঃ মিঃ আগুৰি আছে। এই নৈখন নাগালেণ্ডৰ ১৮২৩ মিঃ উচ্চতাৰ খোমি নামৰ ঠাইৰ পৰা লংগা নামেৰে উত্তৰ-পশ্চিম দিশত ২০ কিঃ মিঃ আহি উত্তৰ-পূবমুৱা হয়। এইদৰে ২৫ কিঃ মিঃ আহি চিমংচি নৈ লগ লাগি নতুন নাম লয় তেজলা বা নংগা বা দিখৌ। তাৰ পৰা এটা গিৰিখাটেদি ৩৫ কিঃ মিঃ আহি প্ৰধান উপনৈ য়াংমুনৰ সৈতে লগ লাগে। ইয়াৰ পৰা নৈখনে টুৱেনচাং আৰু মন জিলাৰ উত্তৰ দিশেদি ১৮ কিঃ মিঃ আহি নাগালেণ্ডৰ নাগিনীমৰা পৰা ২ কিঃ মিঃ দক্ষিণত ছেতাপ নৈত লগ লাগি শিৱসাগৰ জিলাত সোমাই। নাগিনীমৰাৰ পৰা দিখৌ নৈখনে ২ কিঃ মিঃ আহি বামুণি পুখুৰী চাহ বাগিছা পায়। এই বাগিছাৰ পৰা ৩ কিঃ মিঃ বৈ আহি চণ্টকত চণ্টক নৈ লগ হয়। চণ্টকৰ পৰা দিখৌখন উত্তৰ-পশ্চিমমুৱা হৈ নাগিনীমৰা-শিমলুগুৰি ৰেলপথৰ কাষেদি ১৬ কিঃ মিঃ নাজিৰা নগৰৰ পূবেদি এটা পাকমাৰি ধোদৰ আলি পাৰ হৈ ২ কিঃ মিঃ আহি গড়গাঁও পায়। গড়গাঁৰৰ পৰা ৮ কিঃ মিঃ ভটিয়াই নৈখন চেৰেকাপাৰ পায়হি। চেৰেকাপাৰৰ পৰা নৈখন সম্পূৰ্ণকৈ পশ্চিমমুৱা হৈ পানীচকী আৰু মেটেকাঘাত পাৰ হৈ ৪ কিঃ মিঃ আহি শিৱসাগৰ নগৰ পায়। শিৱসাগৰৰ পৰা ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ পাৰ হৈ ৪ কিঃ মিঃ আহি ৰূপহীমুখ পায়। ৰূপহীমুখৰ পৰা দিখৌ নৈখন পশ্চিমমুৱা হৈ ৩ কিঃ মিঃ আহি নামদাং নৈৰ সৈতে লগ লাগে। তাৰ পাছত দিখৌখন আকৌ উত্তৰ পশ্চিমমুৱা হয়। এইদৰে ১ কিঃ মিঃ আহি নৈখন গৌৰীসাগৰ পায়। ইয়াৰ পৰা নৈখন ৯ কিঃ মিঃ ভটিয়াই দিখৌমুখৰ পৰা ৪ কিঃ মিঃ পূবত দেওঘৰীয়াৰ ওচৰত ব্ৰহ্মপুত্ৰত পৰে।

দিখৌ নৈৰ উপনৈবোৰ হৈছে নামদাং, টিফুক বা নামতি নৈ, ডিমৌ নৈ।

**জাঁজী নৈ ঃ** ১৯১৭ চনৰ মেপৰ মতে জাঁজী নৈখনৰ দৈৰ্ঘ্য ১০৭ কিঃ মিঃ আৰু অৱবাহিকাৰ কালি ১৩৫০ বৰ্গ কিঃ মিঃ। এই নৈখন নগালেণ্ডৰ মোককচাং নগৰৰ কিছু উত্তৰ পৰা মেলেক নৈ নামেৰে ওলাই উত্তৰ-পশ্চিমমুৱা হৈ ১২ কিঃ মিঃ আহি উত্তৰ-পূবমুৱা হয়। তাৰ পিচত মেলেক নৈখনে ১৬ কিঃ মিঃ আহি মেনুং নামৰ এখন নৈৰ লগ লাগি মেলেক নৈখনে জাঁজী নাম লয়। জাঁজী নৈয়ে যোৰহাট আৰু শিৱসাগৰ জিলাৰ সীমাইদি বৈ আহি শিমলুগুৰিৰ পৰা উত্তৰমুৱা হৈ ৪ কিঃ মিঃ আহি আমগুৰি ৰে'লপথ পাৰ হয়। আমগুৰিৰ পৰা উত্তৰ-পশ্চিমমুৱা হৈ বৈ আহি জাঁজী নামৰ ঠাইত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ পাৰ হয়। তাৰ পাচত বহুতো জান আৰু সৰু নৈ লগ লাগি ধনতোলা পায়। তাৰ পৰা ৫ কিঃ মিঃ ভটিয়াই বনাই পায়, বনাই পৰা ৭ কিঃ মিঃ ভটিয়াই চীনাতলিৰ ন-জাঁজী ওচৰত নৈখন ঠেক হৈ আৰু ৫ কিঃ মিঃ আহি কুমাৰ গাঁৱত মিটিং-মৰি জাঁজী নৈ সৈতে লগ লাগি জাঁজীমুখত ব্ৰহ্মপুত্ৰৰ লগ লাগে।

**কপিলী নদী ঃ** এই নৈখন মেঘালয় মালভূমিৰ পৰা উৎপত্তি হৈ ডিমা হাছাও জিলাৰে অসমত প্ৰৱেশ কৰিছে। তাৰপিছত ই পশ্চিম কাৰ্বি আংলং জিলা, কাৰ্বি আংলং জিলা, হোজাই জিলা, নগাঁও জিলা, মৰিগাঁও জিলাৰ মাজেৰে বৈ কামৰূপ মহানগৰ জিলাত ব্ৰহ্মপুত্ৰ নদত পৰে। নদীখনৰ মুঠ দৈৰ্ঘ্য ২৯০ কিলোমিটাৰ আৰু ইয়াৰ অৱবাহিকাৰ মাটিকালি ১,৬৪২ বৰ্গ কিলোমিটাৰ। ইয়াৰ গতিপথত কেইবাটাও জলপ্ৰপাত আছে। নগাঁও জিলাৰ সমভূমিলৈ প্ৰৱেশ কৰাৰ আগতে কপিলী প্ৰায় ১২০ কিলোমিটাৰ ঠেক পাহাৰীয়া গড়াৰ মাজেৰে তীব্ৰ গতিৰে প্ৰবাহিত হয়।

খাৰকোৰ, মিন্ট্ৰিয়াং, দিনাৰ, লংছম, আমৰিং, উমৰং, লংকু আৰু লংক্ৰি কপিলীৰ প্ৰধান উপনৈ।

**ভৰলু নদী ঃ** ভৰলু নৈ মেঘালয়ৰ খাচী পাহাৰত উৎপত্তি হৈ কামৰূপ মহানগৰ জিলাৰে অসমত প্ৰৱেশ কৰিছে। অসমত প্ৰৱেশ কৰাৰ পিছত ই গুৱাহাটী মহানগৰৰ মাজেৰে বৈ গৈ ভৰলুমুখত ব্ৰহ্মপুত্ৰ নদীত পৰে। ভৰলু নদী অসমৰ আটাইতকৈ প্ৰদূষিত নদীসমূহৰ ভিতৰত অন্যতম। এই নৈখনৰ দৈৰ্ঘ্য ৬.২ কিঃ মিঃ আৰু ইয়াৰ অৱবাহিকাৰ মাটিকালি ১২০ বৰ্গ কিলোমিটাৰ।

**ভোগদৈ নদীঃ** নগা পাহাৰত উৎপত্তিৰ পৰা ই যোৰহাট নগৰৰ মাজেৰে বৈ যায় আৰু তাৰ পিছত ই আন এখন নদীৰ লগত মিলি যায় আৰু ইয়াৰ নাম 'গেলাবিল' হয়। নদীখনৰ আগৰ নাম আছিল 'দেসোই'। বছৰ বছৰ ধৰি ভোগদৈ নৈখন অত্যন্ত প্ৰদূষিত হৈ পৰে। নদীখনৰ দৈৰ্ঘ্য ১৬০ কিলোমিটাৰ। ইয়াৰে ৯৫ কিলোমিটাৰ সমভূমিত আৰু ৬৫ কিলোমিটাৰ পাহাৰত। ভোগদৈ নৈৰ মুঠ জলাশয়ৰ আয়তন হৈছে ১৫৪৫ বৰ্গ কিলোমিটাৰ। এই নদীৰ বাওঁপাৰৰ অন্যতম উপনৈৰ ভিতৰত জংকা, দৈৰ্ঘ্য ১৭ কিলোমিটাৰ আৰু উপ অৱবাহিকাৰ জলাশয়ৰ এলেকা ৪২ বৰ্গ কিলোমিটাৰ। টোকু নদী ভোগদৈ নদীৰ বাওঁপাৰৰ অন্যতম উপনৈ। টোকুৰ দৈৰ্ঘ্য ১২.৫ কিলোমিটাৰ আৰু জলাশয়ৰ এলেকা ২৩ বৰ্গ কিলোমিটাৰ। আন এখন বাওঁপাৰৰ উপনৈ হৈছে কাকডোঙা।

**কুলসী নদী ঃ** মেঘালয়ৰ পশ্চিম খাচী পাহাৰৰ পৰা এই নৈৰ উৎপত্তি হৈছে। কুলসী নৈৰ উৎপত্তিস্থলত খিৰ নৈ নামেৰে জনাজাত। মেঘালয়ত ১২ কিলোমিটাৰ অতিক্ৰম কৰাৰ পিছত এই নৈখনে তেতিয়া অসমৰ কামৰূপ জিলাৰ মাজেৰে বৈ গৈ কুলসী নামেৰে জনাজাত। নদীৰ দৈৰ্ঘ্য ৭৬ কিলোমিটাৰ। কুলসী নদীৰ অৱবাহিকাৰ জলাশয় ২৩২৪ বৰ্গ কিঃমিঃ কুলসী নদীখন বিপন্ন দক্ষিণ এছিয়াৰ নদীৰ ডলফিনৰ বাসস্থান যাক অসমীয়াত 'শিহু' বুলি জনা যায়।

বৰাক অসমৰ আনখন মুখ্য নদী যি মণিপুৰ, নাগালেণ্ড, মিজোৰাম আৰু অসম ৰাজ্যৰ মাজেৰে বৈ গৈছে। ইয়াৰ পিছত ই বাংলাদেশত প্ৰৱেশ কৰে য'ত ইয়াক সুৰমা আৰু কুশিয়াৰা নামেৰে জনা যায় আৰু পিছলৈ গংগা আৰু ব্ৰহ্মপুত্ৰৰ সংযুক্ত প্ৰবাহ লাভ কৰাৰ আগতে মেঘনা বুলি কোৱা হয়। ই বাংলাদেশ হৈ

বংগোপসাগৰলৈ বৈ যায়। ইয়াৰ সৰ্বমুঠ দৈৰ্ঘ্য ১০০ কিঃ মিঃ য'ৰ ৫২৪ কিলোমিটাৰ ভাৰতত, ৩১ কিলোমিটাৰ ভাৰত-বাংলাদেশ সীমান্তত আৰু বাকীখিনি বাংলাদেশত। ইয়াৰ নৌ পৰিবহণযোগ্য অংশৰ ওপৰৰ অংশ ভাৰতত আছে য'ত ২০১৬ চনত ঘোষিত হৈছে ৰাষ্ট্ৰীয় জলপথ 6, (NW-6) হিচাপে। বৰাক নদীৰ অৱবাহিকাৰ মাটিকালি ৫২,০০০ বৰ্গ কিলোমিটাৰ ব্ৰহ্মপুত্ৰৰ দৰে বৰাকত বৰ বেছি উপনৈ নাই যদিও ইয়াৰ কিছু উল্লেখযোগ্য উপনৈবোৰ হৈছে-

**সোণাই নৈ ঃ** ই উত্তৰ দিশত কাছাৰ জিলাৰ ফালে বৈ গৈ সোণাই চহৰৰ ওচৰৰ ডুংগ্ৰিপাৰ গাঁৱত বৰাক নদীৰ সৈতে মিলি যায়। এই নদীখনৰ দৈৰ্ঘ্য প্ৰায় ১১৭ কিলোমিটাৰ আৰু অৱবাহিকাৰ কালি ১৮৬১ বৰ্গ কিঃ মিঃ। ইয়াৰ উৎপত্তি হৈছে আইজল জিলাৰ চাউইলুং পাহাৰৰ পৰা (আইজলৰ পৰা ৬২ কিলোমিটাৰ)। ই উত্তৰ দিশলৈ বৈ গৈ অসমৰ বৰাক নদীৰ লগত মিলি যায়।

**লংগাই নদী ঃ** ই ভাৰত আৰু বাংলাদেশৰ সীমা অতিক্ৰম কৰা নদী। ইয়াৰ উৎপত্তি ত্ৰিপুৰাৰ জামপুই পাহাৰৰ পৰা। অসমৰ কৰিমগঞ্জ জিলাত প্ৰৱেশ কৰাৰ আগতে এই নদী মিজোৰামৰ কোনোবা এটা অংশৰ মাজেৰে বৈ যায়। লংগাই নদীৰ সৰ্বমুঠ দৈৰ্ঘ্য হৈছে ১২০ কিঃ মিঃ আৰু ইয়াৰ অৱবাহিকাৰ মাটিকালি ৩৪২ বৰ্গ কিঃ মিঃ।

**জিৰি নদী ঃ** ডিমা হাচাও জিলাৰ বড়ো নিংলো অঞ্চলৰ পৰা এই নৈৰ উৎপত্তি হৈছে। জিৰি নৈয়ে মণিপুৰ আৰু অসমৰ মাজত আন্তঃৰাজ্যিক সীমা হিচাপে কাম কৰি জিৰিমুখত বৰাক নদীৰ সৈতে মিলি যায়।

অসমৰ এই নদ-নদী, উপনৈসমূহে অসমক জীপাল কৰি ৰাখিছে। এই নদীবোৰত সৃষ্ট সৰু-সুৰা বানপানীৰ বাবে নদীৰ দাঁতিকাষৰীয়া অঞ্চলবোৰত পলস পৰে। যাৰ ফলত অসমৰ মাটি কেৱল ভাৰতবৰ্ষৰ ভিতৰতেই নহয় সমগ্ৰ বিশ্বৰ ভিতৰত অন্যতম সাৰুৱা মাটি। পুৰণিকলীয়া কৃষি ব্যৱস্থাৰ বাবে যদিওবা অসমৰ কৃষি উৎপাদন কম, তথাপিও অসম ভাৰতবৰ্ষৰ এখন লেখত ল'বলগীয়া কৃষিপ্ৰধান ৰাজ্য ভৱিষ্যতে উত্তৰ, মধ্য, দক্ষিণ ভাৰতৰ কেইবাখনো ৰাজ্যত পানীৰ নাটনি বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে, তেনেস্থলত এই নদীবোৰৰ কৃপাত অসম ভাৰতবৰ্ষৰ এখন অগ্ৰণী কৃষি উৎপাদনকাৰী ৰাজ্য হোৱাটো প্ৰায় নিশ্চিত। কিন্তু অসমৰ যি কৃষিভূমি এই নদী-নদীবোৰৰ কৃপাত ১৯৫০ চনৰ বৰভুঁইকঁপৰ পিছত যেন বন্ধ হ'ল। পূৰ্বতে কম জনসংখ্যাৰ বাবে ডাঙৰ বানপানীবোৰৰ ক্ষয়-ক্ষতিৰ পৰিমাণ কম আছিল। বৰ্তমান জলবায়ু পৰিৱৰ্তনৰ বাবে অনিয়মীয়া বৃষ্টিপাত আৰু হিমালয়ৰ বৰফবোৰৰ অধিক হাৰত গলন, বৰ্ধিত জনসংখ্যা, নগৰীকৰণৰ হেঁচা, চৰকাৰ আৰু চৰকাৰী বিষয়াবোৰৰ হেমাহিৰ বাবে অসম্পূৰ্ণভাৱে ৰূপায়িত আঁচনিবোৰৰ কুপ্ৰভাৱত ২০১৫ৰ পৰা গড়ে প্ৰায় ডেৰ লাখ হেক্টৰ কৃষিভূমি আৰু ৪০ লাখৰো অধিক লোক বানপানীৰদ্বাৰা ক্ষতিগ্ৰস্ত হৈ আহিছে। কেইটিমান উল্লেখযোগ্য বানপানীৰ বৰ্ণনা তলত কৰা হ'ল ঃ

**২০১৫ ৰ বানপানী ঃ** এই বৰ্ষত আগষ্ট মাহৰ শেষৰফালে অৰুণাচল প্ৰদেশত হোৱা মুষলধাৰ বৰষুণে তাৰ মাজেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰৰ উপনৈসমূহক বুৰাই পেলায় আৰু নামনিত অৰ্থাৎ অসমত বানৰ সৃষ্টি কৰে। পাহাৰীয়া অঞ্চলবোৰত বৰষুণৰ বাবে সৃষ্ট ভূমিস্খলন আৰু নামনিৰ বানপানীৰ ফলত ৪২জন লোকৰ প্ৰাণহানি হয়। ২১খন জিলাত বানে ২১০০ গাঁৱৰ ১ লাখ ৭৮ হাজাৰ হেক্টৰ কৃষিভূমিৰ ক্ষতিসাধন কৰে যাৰ ফলত ১৬.৫ লাখ লোক এই দুৰ্যোগৰ দ্বাৰা প্ৰভাৱিত হয়। এই বৰ্ষৰ জুলাই মাহত আগৰ বছৰতকৈ অসমত ৬০% বেছি বৰষুণ হয়। ৫ জুলাইত ব্ৰহ্মপুত্ৰ নদীৰ পানীয়ে বিপদসীমা অতিক্ৰম কৰে আৰু সাতখন জিলা ক্ৰমে লখিমপুৰ, ধেমাজি, নগাঁও, যোৰহাট, গোলাঘাট, মৰিগাঁও আৰু বিশ্বনাথত বানপানীৰ সৃষ্টি কৰে। এই বানপানীয়ে পুনৰ এবাৰ ১৬ লাখৰো অধিক লোকক প্ৰভাৱিত কৰে, ২৮ জন লোকৰ প্ৰাণহানি হয় আৰু প্ৰায় ১ লাখ ৯ হাজাৰ হেক্টৰ কৃষিভূমি নষ্ট হয়। ভাৰতীয় চাহ সংস্থাৰ অসম শাখাৰ মতে এই বানপানীত ২১%-৩০% চাহ খেতি নষ্ট হয়। তদুপৰি ২০১৬ ৰ বানপানীত পবিতৰা অভয়াৰণ্য আৰু কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ৮০% ৰো অধিক এলেকা পানীত ডুব যায় যাৰ ফলত ৩ শতাধিকৰো অধিক বন্যপ্ৰাণীৰ মৃত্যু হয়। অৱশ্যে বন বিষয়া আৰু স্থানীয় লোকৰ প্ৰচেষ্টাত ১০০ৰো অধিক বন্যপ্ৰাণীক উদ্ধাৰ কৰা হয়।



**২০১৭ ৰ বানপানী ঃ** উক্ত বৰ্ষৰ জুলাই মাহত উত্তৰ পূৰ ভাৰতত হোৱা আটাইতকৈ ডাঙৰ বানপানীয়ে মূলতঃ চাৰিখন ৰাজ্যক প্ৰভাৱিত কৰে— অসম, মণিপুৰ, অৰুণাচল প্ৰদেশ আৰু মণিপুৰ। উক্ত বৰ্ষত হোৱা তিনিটাকৈ ডাঙৰ বানপানীত অসমৰ ৩০ লাখৰো অধিক লোক প্ৰভাৱিত হয় আৰু ১৬০ ৰো অধিক লোকৰ প্ৰাণহানি ঘটে। এই বানপানীয়ে পবিতৰা অভয়াৰণ্য, কাজিৰঙা আৰু নামেৰী উদ্যানৰ বিস্তৰ ক্ষতিসাধন কৰে আৰু ৪ শতাধিকৰো অধিক বন্যপ্ৰাণীৰ মৃত্যু হয়।

**২০১৮ ৰ বানপানী ঃ** বৰষুণৰ পৰিমাণ পূৰ্বৰ বছৰবোৰতকৈ কমকৈ হোৱা সত্বেও এইটো বৰ্ষত হোৱা ডাঙৰ বানপানীয়ে ২২ খন জিলাৰ ২ লাখ হেক্টৰ কৃষিভূমি নষ্ট কৰে যাৰ বাবে পোনপটীয়াকৈ ৮ লাখ লোক প্ৰভাৱিত হয় ইয়াৰোপৰি ৫০ জনৰো অধিক লোকৰ প্ৰাণহানি হয়।



**২০১৯ ৰ বানপানী ঃ** এই বৰ্ষত জুলাই মাহত হোৱা প্ৰলয়ংকাৰী বানপানীয়ে দৰং জিলাৰ বিস্তৰ ক্ষতিসাধন কৰে। বিশেষকৈ জিলা সদৰ মঙলদৈৰ নগৰৰাহী গাঁৱৰ ওচৰৰ নোৱা নৈয়ে মথাউৰি ছিঙি সৃষ্টি কৰা বানপানীৰ ফলত মঙলদৈ চহৰৰ ভিতৰলৈ পানী আগুৱাই আহে। ইয়াৰ ফলত মঙলদৈ মহাবিদ্যালয়ৰ ওচৰৰ উপহুপাৰাকে ধৰি মঙলদৈৰ বিভিন্ন উপকণ্ঠ অঞ্চল (urban and suburban area) পানীৰে উপচি পৰে। ইয়াৰ ফলত প্ৰথমবাৰ এনেবোৰ অঞ্চলত সেই সময়ৰ বিধায়ক গুৰুজ্যোতি দাসদেৰৰ তত্বাৱধানত ৰাজ্যিক দুৰ্যোগ ব্যৱস্থা বাহিনী নিয়োগ কৰা হয়। অসমৰ ৩০ খন জিলাত প্ৰায় ৫২,৫৯,১৪২ জন লোক, প্ৰায় ১,৬৩,৯৬২ হেক্টৰ শস্য ভূমি ক্ষতিগ্ৰস্ত হয় আৰু ৯০ ৰো অধিক লোকৰ লগতে ২০০ ৰো অধিক বন্যপ্ৰাণীৰ প্ৰাণহানি হয়।

**২০২০ ৰ বানপানী ঃ** ক'ভিড মহামাৰীৰ প্ৰথম ঢৌৰ মাজত মে'ৰ পৰা অক্টোবৰ মাহৰ সময়ছোৱাত হোৱা বানপানীয়ে ৩০ খনৰো অধিক জিলাত ২.৮ লাখ হেক্টৰ কৃষিভূমিৰ ক্ষতিসাধন কৰে যাৰ ফলত ৫৭ লাখৰো অধিক লোকক প্ৰভাৱিত হয়। এই বানত প্ৰায় ১২০ জন লোক আৰু ১৩০ ৰো অধিক বন্যপ্ৰাণী মৃত্যুমুখত পৰে।

**২০২১ ৰ বানপানী ঃ** ক'ভিডৰ দ্বিতীয় ঢৌৰ মাজত জুলাইৰ পৰা ছেপ্টেম্বৰলৈ হোৱা বানপানীত ২২ খনতকৈও অধিক জিলা আৰু প্ৰায় ৬৪ লাখ লোক ক্ষতিগ্ৰস্ত হয়, ৩৯ হাজাৰ ৫০০ হেক্টৰ শস্যৰ ভূমি প্লাৱিত হয়, ১৩০০ খনতকৈও অধিক গাঁও ক্ষতিগ্ৰস্ত হয়।

২০২২ বৰ্ষত বিগত বছৰবোৰতকৈ বানপানীয়ে আৰু প্ৰলয়ংকাৰী ৰূপ ধাৰণ কৰিছে। জেঠ মাহৰ আৰম্ভণিত অৰ্থাৎ মে' মাহৰ অন্তিমটো সপ্তাহত অতিবৃষ্টি, গৰাখহনীয়া আৰু মথাউৰি ছিঙাৰ ফলত সৃষ্ট বানপানীয়ে ১ লাখৰো অধিক হেক্টৰ ভূমিৰ ক্ষতিসাধন কৰে আৰু ডিমা হাচাও জিলাক ৰাজ্যৰ পৰা বিচ্ছিন্ন কৰে। অসমৰ একমাত্ৰ পাৰ্বত্য নিবাসস্থান হাফলং চহৰ প্ৰায় ধ্বংসস্তূপত পৰিণত হয়। পিছে আহাৰ মাহৰ আৰম্ভণিত হোৱা নতুন বানপানীয়ে অসমৰ ৩২ খন জিলাক প্লাৱিত কৰে যাৰ ফলত ৫৫ লাখৰো অধিক লোক প্ৰভাৱিত হয়, ১,০৮,০০০ হেক্টৰ কৃষিভূমি প্ৰভাৱিত হয় আৰু ১২০ জনৰো অধিক লোকৰ এই পৰ্যন্ত প্ৰাণহানি হয়। নতুন বানপানীত আটাইতকৈ ক্ষতিগ্ৰস্ত হয় বৰাক উপত্যকা তথা এই উপত্যকাৰ আটাইতকৈ ডাঙৰ চহৰ শিলচৰ, য'ত পানী ইমান ভিতৰলৈ সোমায় যে কেৱল নাৱেৰে সকলো ঠাইলৈ পৰিবহণ কৰিব লগা হয়। এই বানপানীয়ে দৰং জিলাৰ যথেষ্ট ক্ষতিসাধন কৰে আৰু তিনি দশকৰ মূৰত মঙলদৈ চহৰৰ মাজমজিয়া প্লাৱিত হোৱা পৰিলক্ষিত হয়। তদুপৰি দুই বানপানীতে বাৰে বাৰে মঙলদৈ-গুৱাহাটী সংযোগী পথ বন্ধ হোৱাৰ ফলত এই অঞ্চলবাসী আৰ্থিকভাৱে আৰু অধিক ক্ষতিগ্ৰস্ত হয়।❑

*(বিঃদ্রঃ- লেখা প্ৰস্তুত কৰা সময়লৈকে অসমত ২০২২ বৰ্ষত আৰু নতুন বানপানী হোৱা নাই)*




# Goods and Service Tax
## and its Impact on the Economy of India

**Mursida Ara Khanam**

Goods and Services Tax (GST) is a uniform indirect tax levied on the manufacturing and sales of goods and services across the country. The tax is charged at every stage of the manufacturing process. GST is applicable for both the customer and the manufacturer. It is a destination-based tax. This means that GST is to be collected at the point of consumption. So, if a product is manufactured in Mumbai and is sold in Mangaldai, the tax will be levied in Mangaldai. Moreover, at every stage of the manufacturing process where value is added to the product, GST is collected. Ultimately, GST is paid by the consumers but is remitted to the government by the businesses selling goods and services

GST was introduced on 1 July, 2017 mainly to replace the multiple taxes and have a single tax system. GST brings in "One Nation, One Tax" to unite indirect taxes under one umbrella and facilitate Indian business to be globally competitive. The Indian GST case is

structured for efficient tax collection, reduction in corruption, easy inter-state movement of goods etc. Consequently, the GST is a comprehensive, destination-based and multi-stage tax that is levied on every value addition.




France was the first country to implement GST in 1954 to reduce tax evasion. Since then, more than 140 countries have implemented GST with some countries having Dual-GST (example, Brazil Canada etc) Model. India has chosen the Canadian model of dual GST. GST was proposed to be a dual levy where the Central Government would levy and collect Central GST (CGST) and the State would levy and collect State GST (SGST) on intra-state supply of goods or services. The Centre would also levy and collect Integrated GST (IGST) on inter-state supply of goods or services. Thus, GST is a unifier that Integrates various taxes being levied by the Centre and the State at present and provides a platform for forging an economic union of the country.

**CGST (Central Goods and Services Tax) :** the central government collects the tax on the intrastate sale of goods and services.

**SGST (State Goods and Services Tax) :** The state government collects this tax based on the intrastate supply of services and products.

**IGST (Integrated Goods and Services Tax) :** The tax is charged on the supply of products and services between two states. The taxes are shared between the central and state governments.

After the GST has been introduced, it has become easier for people to pay taxes as the filing work got simpler than earlier system. The total tax payable on a product is also expected to get lower by 20-30% in the new system. Moreover, in this system the people involved in the supply chain can avail credit of the amount which he has already paid. This also has made people bound to get into the system which ultimately increased the number of assesse at each stage. Again, there is a better tax administration facility in GST so manipulation in taxes is not possible.

For the public, the actual impact of any economy is when the prices of their necessity become affected. For the public in large when prices become low for the day-to-day goods and services that are consumed, the economy is good otherwise, if the inflation rate is higher, then the public gets unsatisfied with the changes done by the government. For any government policy, it is important that the satisfaction in public should be there, as without satisfaction the policy will not succeed in the same way in which the government has planned. It also has put an end to the cascading effect (levying tax on already taxed goods and services) as GST has replaced all other kinds of indirect taxes which were used to be charged in different places and different time on the same products.

| The central taxes replaced by GST are as follows: | The state level taxes replaced by GST are as follows: |
|---|---|
| ● Central excise duty<br>● Central sales tax<br>● Additional duties of customs<br>● Additional duties of excise<br>● Excise duty levied under the textiles and textile products | ● Purchase tax<br>● Central sales tax<br>● VAT<br>● Surcharges and cess<br>● Entry tax<br>● Taxes on lottery, gambling and betting<br>● Taxes on advertisement |




**GST Impact on the Indian economy**

The implementation of GST has significantly affected the Indian economy in the following ways:

**Simplification of the tax structure :** GST has simplified the taxation system of the country. As GST is a single tax, calculating taxes at the multiple stages of the supply chain has become easier. Through this, both customers and manufacturers get a clear idea of the amount of tax they are charged and its basis. Further, hassles of handling tax officials and authorities can also be avoided.

**Tax Rate under GST :** Under GST, all products and services have an associated HSN and SAC code for allocating the correct GST rate. Tax Rates under GST rates are divided into five categories which are 0%, 5%, 12%, 18%, 28%. All the basic need requirement goods are placed in 0% category like food grains, bread, salt, books etc. Goods like paneer, packed food, tea coffee etc are placed under 5% category. Mobiles, sweets, medicine, are under 12%. All types of services are under 18% category. All other remaining luxury items are placed under the last head of 28%. Petrol, gas, crude oil, diesel etc. are still out from the criteria of GST.

**Fostering production :** As per the Indian retail industry, the total tax component is around 30% of the product cost. Due to the impact of GST, the taxes have gone down. So, the end consumer has to pay lesser taxes. The reduced burden of taxes has enhanced the production and growth of the retail and other industries.

**SME support :** Small and medium enterprises can now register under the Composition Scheme introduced by GST. Through this scheme, they pay taxes according to their annual turnover. Therefore, businesses having an annual turnover of Rs. 1.5 crores only have to pay 1% GST.

Moreover, other enterprises having a turnover of Rs. 50 lakh are required to pay 6% as GST.

**Enhanced pan India operations :** Companies can now avoid taxation roadblocks, such as toll plazas and check posts. Earlier, these created problems, including damage to unpreserved products while transporting them. So, manufacturers had to keep buffer stock to make up for the damages. These overhead costs of storing and warehousing hampered their profit. A single taxation system has reduced these problems. They can now transport their goods easily across India. This has resulted in the improvement of their pan India operations.

**Increase in exports :**

GST has reduced the customs duty on exporting goods. The cost of production in the local markets has also decreased due to GST. All these factors have increased the rate of exports in the country. Companies have become more competitive when it comes to expanding their businesses globally.

Thus, the introduction of GST has helped merge the taxes of the state and central governments. This has helped remove the cascading effect of multiple taxes. Therefore, the burden of taxes has reduced for companies and customers. Not just this, taxpayers have increased in number and hence, the tax revenues have also increased significantly. The overall taxation system is now easier to administer. Moreover, small- and medium-sized enterprises are able to enhance their businesses. It is expected that GST will help more Indian organisations to establish themselves in the international markets.❑

# এটি কলি দুটি পাত

## অসমত অৰ্থনৈতিক আন্দোলন গঢ় দিয়াত
## ঊনৈশ শতিকাৰ পৰা বৰ্তমানলৈ চাহ উদ্যোগৰ বৰ্ণিল পৰিক্ৰমা

**চুমন ডেকা**



চাহ বুলিলেই মনলৈ আহে ধৰাৰ বুকুৰ এখনি সেউজীয়া চাদৰৰ প্ৰতিচ্ছবি। মনলৈ আহে চাপৰৰ চাদৰ গছবোৰৰ মাজেৰে ৰাতিপুৱাৰ কেঁচা বেলিৰ সজল পোহৰ পৰি জিলিকি উঠা কোমল কলিটিৰ লাৱণ্যময়ী ৰূপটোৰ কথা। বিশ্বৰ প্ৰায়ভাগ লোকেই ৰাতিপুৱাটো একাপ চাহেৰেই আৰম্ভ কৰে। আলস্য আৰু ভাগৰুৱা দেহ-মন সজীৱ কৰিবলৈ একাপ গৰম চাহেই যথেষ্ট। চাহপাতত কেফেইন আৰু টেনিন নামৰ দুবিধ দ্ৰব্য পোৱা যায়। চাহ পোনপ্ৰথমে চীন দেশতেই পোৱা গৈছিল বুলি বৈজ্ঞানিকসকলে অনুমান কৰে। যদিও অসমত বাস কৰা চিংফৌসকলে পৰম্পৰাগত পানীয়ৰূপে "ফানাপ" বা "ফিনাপ" নামেৰে চাহক সেৱন কৰি আহিছে।

চাহগছৰ বাবে ক্ৰান্তীয় (Tropical) আৰু উপ-ক্ৰান্তীয় (Sub-Tropical) জলবায়ু বৰ উপযোগী। এইবোৰৰ বৃদ্ধিৰ বাবে নাইট্ৰ'জেন বৰ প্ৰয়োজন হয়। সেমেকা বতাহ, কিন্‌কিনিয়া বৰষুণ আৰু পুৱাৰ ভাগত কুঁৱলী চাহ গছৰ বাবে এক আদৰ্শ পৰিৱেশ। সচৰাচৰ চাহগছৰ কৃষি পাহাৰৰ পাদ দেশত (Foothill) পানী জমা নোহোৱা এঢলীয়া পুৰণি পলসুৱা মাটিত ভাল হয়। ভৰতবৰ্ষৰ অসম, পশ্চিমবঙ্গ, চিকিম, আদিৰ লগতে বৃষ্টিবহুল নীলগিৰি, কৰ্ডামম পাহাৰৰ দক্ষিণ-পশ্চিমৰ নামনি এঢলীয়া অঞ্চলত চাহ খেতি ভাল হয়। অসম আৰু উত্তৰ বংগৰ ভুৰ্বাছ অঞ্চলত দেশৰ ৭৬ শতাংশ চাহপাত উৎপাদন হয়। অকল অসমতে দেশৰ প্ৰায় ৫৫ শতাংশ চাহপাত উৎপাদন হয়। চাহ উৎপাদনৰ ক্ষেত্ৰত চীন দেশ প্ৰথম স্থানত আছে। তাৰ পিছতেই দ্বিতীয় স্থানত আছে ভাৰতবৰ্ষ। অসমৰ মুঠ কৃষিভূমিৰ ৫৩.২ শতাংশ এলেকাত চাহৰ খেতি কৰা হয়।

১৮২৩ চনতে ৰবাৰ্ট ব্ৰুচে ব্ৰহ্মপুত্ৰ উপত্যকাত চাহ গছৰ আৱিষ্কাৰ কৰে। যদিও ১৮৩২ চন মানলৈকে অসমত চাহখেতিৰ একো ব্যৱস্থা কৰা নহ'ল। ১৮৩৯ চনত "The Assam Tea Company" নামেৰে কোম্পানীটো ৰবাৰ্ট ব্ৰুচ আৰু তেওঁৰ ভাতৃ চাৰ্লচ ব্ৰুচে আৰম্ভণি কৰিলে, লগত সহযোগ কৰিলে মণিৰাম দেৱানে। চাহখেতিৰ আৰম্ভৰ লগে লগে প্ৰয়োজন হ'ল পাতবোৰ ছিঙিবৰ বাবে বনুৱাৰ। সেয়ে পশ্চিমবঙ্গ, বিহাৰ, ঝাৰখণ্ড, মধ্যপ্ৰদেশ আদি ঠাইৰ কিছুমান জনগোষ্ঠী যেনে— কোল, মুণ্ডা, চাওতাল আদিক অসমলৈ আনি চাহ বাগানবোৰৰ কাষতে তেওঁলোকক ঠাই দি গাঁও সাজি দিলে। অসমৰ প্ৰথমখন চাহ বাগিচা প্ৰতিষ্ঠা কৰা হৈছিল চাবুৱাত। কথিত আছে যে 'চাহ' গছ 'বোৱা' বা ৰোৱাৰ লগত সম্পৰ্ক হৈ 'চাহবোৱা'ৰ পৰা 'চাবুৱা' হৈছে। ১৮৮১ চনত অসমত ৰে'ল গাড়ীৰ প্ৰচলনৰ লগে লগে চাহপাতবোৰ এখন ঠাইৰ পৰা আন এখন ঠাইলৈ পঠিয়াব পৰা হ'ল। লগে লগে অসমৰ চাহৰ খেতিৰ ধাৰাটোও উন্নত হ'বলৈ ধৰিলে। এইদৰেই অসমত চাহ খেতিৰ জোৱাৰ উঠিল। চাহ খেতি কৰা প্ৰথম অসমীয়া দুগৰাকী



হ'ল- মণিৰাম দেৱান আৰু জগন্নাথ বৰুৱা।

বৰ্তমান অসমত চাহ বাগিচাৰ সংখ্যা প্ৰায় ৮০০ খন। ক্ষুদ্ৰ চাহ বাগিচাও যথেষ্ট সংখ্যক আছে। ক্ষুদ্ৰ চাহ উৎপাদনকাৰীয়ে অসমৰ মুঠ উৎপাদিত চাহৰ প্ৰায় ৩৫ শতাংশ চাহপাত উৎপাদন কৰিবলৈ সক্ষম হৈছে। ২০১৩ চনৰ তথ্যমতে অসমৰ মুঠ চাহৰ উৎপাদন আছিল ৫৯৬.৮৬ নিযুত কিলোগ্ৰাম। আমাৰ ৰাজ্যখনৰ ভালেমান অঞ্চলত নিৰনুৱা যুৱকে ক্ষুদ্ৰ চাহখেতি কৰি চাহপাত উৎপাদন কৰি বিভিন্ন দেশলৈ ৰপ্তানি কৰিছে। চৰকাৰে মুঠ উৎপাদিত চাহপাতৰ ৪০ শতাংশ নিলাম কৰাৰ নীতি পালন কৰি আহিছে। গুৱাহাটীৰ চাহ নিলাম কেন্দ্ৰত প্ৰতিৱেশী ৰাজ্য, পশ্চিমবঙ্গ আৰু ত্ৰিপুৰায়ো অংশগ্ৰহণ কৰিছে। উল্লেখ্য যে, ৰাজ্যখনৰ মুঠ কৃষি আয়কৰৰ প্ৰায় ৭৭.৭ শতাংশ চাহবাগানবোৰৰ পৰাই আহে। ২০২১ চনৰ অসমৰ G.D.P. আছিল ৪.০৯ ত্ৰিলিয়ন ভাৰতীয় মুদ্ৰা (৬৩ মিলিয়ন U.S. ডলাৰ)। ইয়াৰে ৬০ শতাংশ চাহ উদ্যোগৰ পৰাই আহিছে। গতিকে, অসমৰ অৰ্থনীতিত চাহ উদ্যোগৰ ভূমিকা যথেষ্ট আছে।

অসমৰ চাহ বহিঃ বিশ্বত যথেষ্ট জনপ্ৰিয়। অসমৰ চাহৰ এক সুকীয়া নাম আছে। অসমৰ চাহৰ বিভিন্ন ব্ৰেণ্ডবোৰে বিশ্বৰ চাহপ্ৰেমী জনসাধাৰণৰ মাজত খলকনিৰ সৃষ্টি কৰিছে। তলত কেইটিমান অসমীয়া চাহৰ ব্ৰেণ্ডৰ নাম দিয়া হ'ল—

(1) Gingia Premium, - যাৰ মূল্য হৈছে- ১০০ গ্ৰামত ৬.৯৫ ইউৰোপিয়ান মুদ্ৰা।

(2) Handrolled Assam, Bohea tea, - যাৰ মূল্য হৈছে- ৫০ গ্ৰামত ৯.৫৫ ইউৰোপিয়ান মুদ্ৰা।

(3) "Golden Tippy" What-cha, - যাৰ মূল্য হ'ল- ৫০ গ্ৰামত ৬ ইউৰোপিয়ান মুদ্ৰা।

(4) Assam Breakfast, - যাৰ মূল্য হ'ল- ৫০ গ্ৰামত ৪.৬৫ ইউৰোপিয়ান মুদ্ৰা।

(5) Assam Manjushree

অসমত চাহ উদ্যোগ ইমান সুদূৰ প্ৰসাৰী হোৱাৰ অন্তৰালতো যথেষ্ট সমস্যা লুকাই আছে। এই সমস্যাবোৰে চাহ উদ্যোগক বিশেষভাৱে প্ৰভাৱ পেলাই আহিছে। চাহ উদ্যোগৰ বাবে যথেষ্ট ভূমিৰ প্ৰয়োজন, সেই ভূমিৰ ব্যৱস্থা আজিলৈকে হোৱা নাই। চাহ বাগানবোৰত পুলিৰোপণ, সম্প্ৰসাৰণৰ বাবে চাহ ব'ৰ্ডে যি পৰিমাণৰ সাহায্য প্ৰদান কৰি আহিছে, সেইখিনিয়ে যথেষ্ট নহয়। চাহ বাগানত কাম কৰা বনুৱাখিনিৰ মাজত ভাল চিকিৎসালয়, ভাল শিক্ষা, ভাল বাসস্থান আদিৰ অভাৱ দীৰ্ঘদিন ধৰি চলি আহিছে। যাৰ ফলত তেওঁলোকৰ মাজত নানান অৰাজকতাৰ সৃষ্টি হৈ আহিছে। চাহ বনুৱাবোৰক তেওঁলোকৰ প্ৰকৃত মজুৰিৰ পৰা বিৰত থাকিবলগীয়া হয়। এনে ধৰণৰ এশ এবুৰি সমস্যাই অসমৰ চাহ উদ্যোগক প্ৰভাৱ পেলাইছে। যদি এইবোৰ সমস্যা সমাধানৰ চিন্তা কৰা নহয়; তেন্তে অসমে এই কেঁচাসোণ লাভৰ পৰা চিৰদিনৰ বাবে বঞ্চিত হ'বলগীয়া হ'ব পাৰে।

সমস্যা যিদৰে আছে সমাধানো আছে। ভাল চাহ উৎপাদনৰ লক্ষ্য হাতত ৰাখি কিছুমান পদক্ষেপ গ্ৰহণ কৰিলে, অসমৰ চাহ উদ্যোগটো নিশ্চয় ভালৰ দিশলৈ আহিব।

(ক) চৰকাৰে ৰেহাই মূল্যত চাহ বাগানবোৰত সাৰ যোগান ধৰিব পাৰে।

(খ) চাহপাতৰ ৰপ্তানিৰ বাবে পৰিবহন ব্যৱস্থাৰ উন্নতি কৰা।

(গ) ক্ষুদ্ৰ চাহ উৎপাদকসকলক আৰ্থিক সাহায্য প্ৰদান কৰা।

(ঘ) নিৰনুৱাসকলক চাহ উদ্যোগৰ ফালে আকৃষ্ট কৰা।

(ঙ) চাহবাগানবোৰত সঘনাই হাতী-মানুহৰ সংঘাত দেখিবলৈ পোৱা যায়, এই সমস্যাৰ নিৰাময় কৰা।

(চ) বাগানৰ বনুৱাবোৰক উচিত মজুৰি দি আৰ্থিক সকাহ প্ৰদান কৰা।

(ছ) টোকলাইস্থিত চাহ গৱেষণা কেন্দ্ৰটোৰ পৰিসৰ বিশাল কৰা।

(জ) চাহ উৎপাদনৰ দিশে আগ্ৰহী কৰিবলৈ নৱ-প্ৰজন্মক উৎসাহিত কৰা বা উৎসাহ প্ৰদান কৰা।

চাহৰ বৈজ্ঞানিক নাম হ'ল 'Camellla Sinensis' চাহ 'Theaceae' পৰিয়ালৰ পৰা আহিছে। চীনদেশত ২৭২৭ খ্ৰীঃ পূৰ্বত চেন নুং নামৰ চীনা ৰজা গৰাকীয়ে চাহ পোনপ্ৰথমে সেৱন কৰিছিল। তাৰ পিছতেই গোটেই বিশ্বত চাহ পৰিচিত হৈছিল।

আজি পৃথিৱীত কেঁচা সোণৰ দেশ বুলি অসমে এক সুকীয়া স্থানত অধিষ্ঠিত হৈ আছে। ওখ ওখ শিৰীষৰ কোমল ছায়াত বিকাশ হোৱা চাহ পাতবোৰ যেতিয়া চাহপাত ছিঙাৰ সময় আহি পৰে, এটি কলি, দুটি পাত নিয়মেৰে ছিঙাৰ পদ্ধতিৰে ছিঙা হয়। বাগানৰ প্ৰকৃত বন্ধু তাত বাস কৰা জনজাতিসকলৰ নিজা সংস্কৃতি, ভাষা আছে, আৰু তেওঁলোকৰ সংস্কৃতিৰ আভাই অসমৰ কৃষ্টিৰ বৰপথাৰখনক সাৰুৱা কৰি গঢ় দিছে। তেওঁলোক কৃষ্টি আৰু পাতৰ মাজৰ সম্পৰ্ক ৰাখিয়েই ভাৰত ৰত্ন ড° ভূপেন হাজৰিকাই তেখেতৰ গীতত লিখিছে—

*"অ'....*
*এটি কলি দুটি পাত ৰতনপুৰৰ বাগিছাত*
*লহপহীয়া হাতেৰে কোনেনো ছিঙিলে*
*অ' কোনেনো ছিঙিলে.... ।"*❑

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

**সহায়ক গ্ৰন্থ ঃ**

*'চাহ গছৰ মাজে মাজে' ঃ সুশীল কুৰ্মী, প্ৰকাশক - অসম সাহিত্য সভা*
*'চাহ খেতি' ঃ অনিৰ্বাণ কুমাৰ গোস্বামী আৰু মনোজ কুমাৰ গোস্বামী, প্ৰকাশক - সংস্কৃতি প্ৰকাশন*







## ভৱিষ্যত ভাৰতীয় অৰ্থনীতিৰ অন্যতম চাবি-কাঠি

# ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ ভিন্ন শিল্পকলা

লিজু ৰাজবংশী

অসমৰ কলা-শিল্পৰ ঐতিহ্য বুলিলে অসমীয়া মানুহৰ দৈনন্দিন জীৱনত প্ৰয়োজনীয় সামগ্ৰীসমূহ আৰু বিভিন্ন অনুষ্ঠানত বিশেষ ৰূপত প্ৰয়োজনীয় সৃষ্টিৰাজিকেই বুজো। বাঁহ-বেত, বয়ন শিল্প, ধাতু শিল্প, মুখা শিল্প আদিলৈকে ইয়াৰ পৰিসৰ ব্যাপ্ত।

**বয়ন শিল্প ঃ**

অসমৰ সকলো জনগোষ্ঠীয়ে বোৱা-কটাত অপূৰ্ব কলা প্ৰদৰ্শন কৰি আহিছে। অসমীয়া নাৰীয়ে ৰাতিটোৰ ভিতৰতে কপাহ নেওঠি, পাঁজি বটি, সূতা কাটি, কবচ কাপোৰ বৈ স্বামীক ৰণলৈ পঠোৱাৰ অতীতৰ সেই দিনবোৰেই বোৱা-কটাত নিপুণতাৰ আটাইতকৈ সুন্দৰ উদাহৰণ।

ঘৰতে লেটাই, চেৰেকী, উঘা, খুটি, ৰাচ, ব তোলা চুঙা, টোলোঠা, নাচনী, কাণমাৰী, মহুৰা, যঁতৰ, দোৰপতি, গৰকা, ফুলতোলা কাঠী আৰু শলিৰ সঁজুলিৰে অসমীয়া নাৰীয়ে এৰি, মুগা, পাট, মেজাংকৰী কাপোৰত সোণ-বৰণীয়া ফুল তুলি অভিনৱ কাৰুকাৰ্য্য কৰা অথবা সোণোৱালী গুণাৰে বন কৰা ছাঁতে শুকুৱা, মুঠিতে লুকুৱা অসমীয়া পাট-মুগাৰ কাপোৰে বিশ্ব-বজাৰত এক বিশেষ স্থান দখল কৰিবলৈ সক্ষম হৈছে। অসমীয়া নিৰক্ষৰ জীয়ৰী-বোৱাৰীয়ে নিজৰ কল্পনাৰে এশ, দুশ, তিনিশ ফুলতোলা কাঠীৰে গামোচা, চাদৰ-মেখেলা, চেলেং, বৰ-কাপোৰ আদিত ফুল বাছে। ৰঙীণ সূতা আৰু গুণাৰে মিনা কৰি চালিধৰা ময়ূৰ, উৰণীয়া মইনা, শেন, আদি বিভিন্ন চৰাই অতি সুন্দৰকৈ তোলে। গোসাঁইৰ গামোচা আৰু সিংহাসনৰ কাপোৰত গছা, বস্তি, শৰাই, ধূপদানি, ৰামনাম আদিও তোলে। কলগছ, বৰগছ, নাৰিকল গছ, আদি বিভিন্ন গছ, বেলপতীয়া লতা, লিহিৰি, কাযৰি, চপা চাকলি ফুল, কেৰুমুখীয়া ফুল, আঠপহীয়া, ছপহীয়া, চাৰিপহীয়া ফুল, লটকন, কঙা, জোন, তৰা, পখিলা, আদিয়ে অনায়াসে তাঁত জিলিকাই তোলে। জনজাতিসকলে ৰেখা, ত্ৰিভুজ, আদি ধৰণৰ জ্যামিতিক চিত্ৰও আঁকে। অসমীয়াৰ ঘৰে ঘৰে থকা তাঁতশাল অসমীয়াৰ অৰ্থনৈতিক জীৱনৰ এক এৰাব নোৱাৰা আহিলা। জীৱিকাৰ অন্য উপাই নোহোৱা দুখীয়া বিধবায়ো তাঁতশালখনকেই সাবটি জীৱিকাৰ পথ মুকলি কৰে। সামৰণ কাপোৰৰ উপৰিও নিতৌ ব্যৱহাৰ কৰা চাদৰ-মেখেলা, ৰিহা, চোলা, চুৰীয়া, সকলো কাপোৰ অসমীয়া শিপিনীয়ে ঘৰতে বৈ লোৱা নিয়ম আছে।




**বাঁহ-বেত শিল্প ঃ**

অসমৰ লোক-সংস্কৃতি তথা শিল্পসমূহৰ ভিতৰত বাঁহ-বেত শিল্পও অপৰিহাৰ্য্য। পাহাৰে-ভৈয়ামে উভৈনদী ৰূপত থকা বিভিন্ন জাতিৰ বাঁহ-বেতেৰে তৈয়াৰ কৰা হয় অসমীয়াৰ জাতীয় জীৱনৰ নিত্য প্ৰয়োজনীয় সামগ্ৰী।

অৰণ্য এৰি কৃষিমুখী হোৱাৰ দিনৰে পৰাই অসমীয়া মানুহে টকৌপাত, ঢকুৰা, কল-মাৰলীৰে ৰ'দ-বৰষুণৰ পৰা হাত সাৰিবলৈ আশ্ৰয় গ্ৰহণ কৰাৰে পৰা বনৰীয়া প্ৰাণী চিকাৰ কৰিবলৈ সহায়ক হিচাপে বাঁহ ব্যৱহাৰ কৰিছিল, তেতিয়াৰে পৰাই হয়তো বাঁহ অসমীয়াৰ অজস্ৰ শিল্প কাৰ্যৰ প্ৰধান আহিলা হৈ পৰিল। অসমীয়া মানুহে নিজে থাকিবলৈ ব্যৱহাৰ কৰা ঘৰৰ খুঁটা, চৌতি, মাৰলি, বেৰ, চাল তৈয়াৰ কৰিবলৈ বাঁহ ব্যৱহাৰ কৰা হয়।

মাছ ধৰিবলৈ ব্যৱহাৰ কৰা সঁজুলি যেনে- জাকৈ, খালৈ, পল, চেপা, ঘণী, খোকা, দলঙা, বাণ, জাল পাতিবলৈ পেং, পাঁৰৰি আদি বিভিন্ন সঁজুলি নিৰ্মাণত বাঁহ ব্যৱহাৰ কৰা হয়।

তাৰোপৰি কৃষি কাৰ্য্যত ব্যৱহাৰ হোৱা সঁজুলি যেনে— ধান থোৱা ভঁৰাল, ডুলি, পাচি, খৰাহি, ধান থোৱা দোন, ওখোন, কোহোনা, যুঁৱলি, গৰুগাড়ীৰ কিছু অংশ, মৈ, কোৰৰ নাল, বিৰিয়া, হোলোঙা, জাপি, বিভিন্ন সময়ত ঘৰুৱা কামত ব্যৱহাৰ হোৱা কুলা, চালনী, ডলা, ঢাৰি, বাঁহৰ বিচনী, বাঢ়নী আদি অজস্ৰ বস্তুৰ উপৰিও শোৱা চাং, জেওৰা, জপনা, গোজ, দলং, চকোৱা, আৰু তাঁতশালৰ সঁজুলি উঘা, চেৰেকী, লেটাই, ব চুঙা, খুঁটি, কাণমাৰি, শলি, ৰাচ, চিৰি, মহুৰা, দোৰপতি, ফুল তোলা কাঠি, তাঁতশালৰ নাচনি, গৰকা আদিৰ লগতে বহিবলৈ ব্যৱহাৰ কৰা কঠ, মূঢ়াত বোৱা মোৰ আদিত বাঁহ ব্যৱহাৰ কৰা হয়। অসমীয়া জাপিটিও লোক কলাৰ এক সুন্দৰ নিদৰ্শন। গছৰ পাত, বাঁহ আৰু বেতেৰে সজা পদুমীয়া সৰুদৈয়া, ফুলাম আৰু বৰজাপি, পাহাৰ ভৈয়াম দুয়ো ঠাইৰে মানুহৰ বৰ আদৰৰ। সৰু উকা জাপি আকৌ বনুৱা, হালোৱা আৰু গৰখীয়াই ৰ'দ-বৰষুণৰ পৰা সাৰিবলৈ ব্যৱহাৰ কৰে।

সত্ৰৰ বেতৰ বিচনীৰ কাৰুকাৰ্য্য চালে চকুৰোৱা। এনে বিচনী মাজুলীৰ সত্ৰসমূহত দেখা যায়। বাঁহৰ শলিৰ মোৰ দি বেতেৰে সজা জপা, বেতৰ শৰাই, মূঢ়া, বেগ, মেজ, চকী, আৰামী চকী, চোফা, দোলনা, বাকচ, ফুলৰ পাত্ৰ, আদি বেতেৰে অতি সুন্দৰকৈ নিৰ্মিত হৈছে।

**ধাতু শিল্প ঃ**

বিভিন্ন ধাতু যেনে-কাঁহ, লো, পিতল আদিৰ পৰা নিৰ্মিত বিভিন্ন বয়বস্তুৰে অসম চহকী। কাঁহ ধাতুৰ পৰাই কাঁহৰ বাচন-বৰ্তন তৈয়াৰ কৰা হয়। কাঁহৰ বাচন-বৰ্তন নিৰ্মাণ প্ৰণালীটোৰো এক বিশেষ কৌশল আছে। প্ৰথমতে কাঁহখিনি আফৰৰ জুইত মুহিৰ ভিতৰত থৈ গলাই লোৱা হয়। তাৰ পাছত গলিত ধাতুখিনিত আঁকৰ ঢালি দিয়া হয়। চেঁচা হোৱাৰ পাছত ই টান হৈ পিঠাৰ আকৃতি লয়। তাৰপিছত এইবোৰ তপতাই লৈ নিয়াৰিত থৈ হাতুৰীৰে প্ৰস্তুত কৰিব লোৱা বাচন গঢ় লোৱালৈকে কোবাই থকা হয়। মূল ওজা কঁহাৰজনে সঁৰাহেৰে ইয়াক টানকৈ ধৰি লৈ ঘূৰাই থাকে আৰু বাকী পালি কঁহাৰসকলে এটা গতিত হাতুৰীৰে কোবাই থাকে। ডাঙৰ হাতুৰীৰ চিনবোৰ আকৌ জুইৰ তাপ দি সৰু হাতুৰীৰে কোবাই মিহি কৰা হয়। ইয়াৰ পাছত পানীত কিছুসময় জুবুৰিয়াই চেঁচা কৰি তাক অ'ৰে ঘঁহি মিহি কৰাৰ লগতে চাফা কৰা হয়। পিছত আকৌ কুন্দাত দি গুণা টানি প্ৰয়োজন অনুসৰি মিহি কৰা হয়। শেষত ইয়াৰ ওপৰত ছেনাৰ সহায়ত ফুল-পাত, লতা আদি কটা হয়। যি ঠাইত এই প্ৰস্তুতকৰণ প্ৰণালী সম্ভৱ হয় তাক গঢ়শাল বুলি কোৱা হয়। গঢ়শালত কমেও আঠ-দহজনীয়া লোকৰ একোটা দলৰ লোকে কাম কৰে। গঢ়শালৰ মুখ্য কঁহাৰজনক 'ওজা কঁহাৰ' আৰু বাকীকেইজনক 'ভাইগা কঁহাৰ' বুলি কোৱা হয়।

**অসমীয়া মানুহৰ ধাতু শিল্পত থকা দক্ষতা আৰু উচ্চ ৰুচিৰ প্ৰমাণ ঃ**

ঘৰলৈ আলহী-অতিথি আহিলেই অভ্যৰ্থনা কৰা কাঁহৰ সৰু-বৰ ফুলাম বটাটো আৰু বিশেষ উৎসৱ উপলক্ষে নিমন্ত্ৰণ আগবঢ়াওঁতে ব্যৱহাৰ কৰা শৰাইখনতেই। মিহি ফুলাম লোটা, ঘট, চৰিয়া, আহাৰ খাবলৈ ব্যৱহাৰ কৰা বৰ কাঁহী, বিভিন্ন আকৃতিৰ বানবাতি, খুৰীবাতি, মেলাহী বাতি, বৰ বাতি, কৰ্দ্দৈশিৰীয়া বাতি, গিলাচ, সাঁফৰ দিয়া গিলাচ, পানীথোৱা পিতলৰ কলহ, টেকেলী, গাগৰি, পিতলৰ টৌ, খৰাহি, ভোগজৰা, গোসাঁইৰ পূজাত ব্যৱহাৰ কৰা কাঁহৰ ঘণ্টা, তামৰ কলহ, ঘট, থাল, চুৰ্পা-চুৰ্পি, কোষা-অৰ্ঘা, বিয়া-বাৰু, অন্নপ্ৰাশনত প্ৰয়োজন হোৱা ৰূপৰ কাৰুকাৰ্য খচিত ঘট, পিতলৰ জালিকটা দুৰলি, আদিয়ে অসমৰ ধাতু শিল্পক বিশিষ্ট মৰ্যাদা দি আহিছে। কাঁহৰ শিল্পৰ বাবে বিখ্যাত অসমৰ হাজো, সৰ্থেবাৰী, তিতাবৰ (তিতাবৰৰ কাঁহৰ লোটা উল্লেখনীয়) আদি ঠাইৰ কাঁহৰ সাজ-বাচনে জীয়াই ৰাখিছে কাঁহ শিল্পটি। বিয়া, অন্নপ্ৰাশনত কাঁহৰ বয়-বস্তু উপহাৰ দিয়াটো অসমীয়া মানুহৰ বাবে সন্মানৰ চিন বুলি গণ্য কৰা হয়।

অসমীয়া কমাৰৰ হাতৰ পৰশত নলীয়া কটাৰী, ডবুৱা কটাৰী, দা, মেচি দা, কেৰাহী, যাতি, কোৰ, কুঠাৰ, মৈদা, কাঁচি, খন্তি, চিপৰাং, আদি বিভিন্ন বয়-বস্তু নিৰ্মাণ হৈছে। চৰাইৰ পাখি, জন্তুৰ হাড়, দাঁত অথবা ধাতুৰে নিৰ্মিত অলঙ্কাৰ স্ত্ৰী-পুৰুষে শোভাবৰ্ধনৰ বাবেই ব্যৱহাৰ কৰা দেখা যায়।

**প্ৰাচীন কালৰে পৰা প্ৰচলিত হৈ অহা গহনা-গাঁথৰিৰ মানদণ্ড ঃ**

অসমীয়া কাৰিকৰৰ হাতৰ পৰশতে সৃষ্টি হৈছে অসমীয়াৰ কৃষ্টিৰ সমন্বয়ৰ ৰূপ। পাত সোণেৰে মেৰিওৱা তথা সোণখটোৱা জাংফাই বা পণিয়লী বাখৰ দিয়া কাণৰ ডালিম-ফুলীয়া কেৰুৰ ভিতৰত লা দি ফোঁপোলা কৰি ওপৰত পাত সোণৰ, বনকৰা, বাখৰ খটোৱা ডিঙিৰ গেজেৰা, জোনবিৰি, দুগ্‌দুগী বা বেনা আৰু হাতৰ খাৰু, গামখাৰু, মুঠি খাৰু, বাৰুটি আদিত চিক্‌মিকাই থকা অসমীয়াৰ ধাতু শিল্পৰ পাকৈত শিল্পীসকলৰ দক্ষতা প্ৰকাশ কৰি আহিছে। অসমীয়া দৰিদ্ৰসকলেও সোণৰ বস্তু এপদ গাত ৰাখিবলৈ চেষ্টাৰ ক্ৰটি নকৰে। বিয়াৰ দিনা কইনাই চিতি-পাতি, গলপতা, সাতসৰী, বেনা, কেৰু, গামখাৰু, মুঠিখাৰু, বালা, পাজোপ আৰু জুনুকাৰে চকুত লগাকৈ সাজি কাচি থাকে।

অতীজতে পুৰুষেও অলঙ্কাৰ পিন্ধিছিল যেনে-মটামণি, লোকাপাৰ, লংকেৰু, খাৰু, আঙঠি, আদি আছিল পুৰুষৰ অলঙ্কাৰ। আহোম স্বৰ্গদেউ সকলে পুৰস্কাৰৰ চিন হিচাপে পুৰুষক সোণৰ লগুণ আৰু মোছ বা গোঁফত ওলোমাই ল'ব পৰাকৈ অলঙ্কাৰো প্ৰদান কৰিছিল। পুৰুষৰ অলঙ্কাৰসমূহৰ ভিতৰত- ওঁন্তি, কদমা, সুধা, খাৰু, নোলো, বাজু, হাঁসুলী, সল, পাতি আদিয়েই প্ৰধান আছিল। হাতীৰ দাঁত, বাঘৰ দাঁতৰ ওপৰতো সোণ খটাই অসমীয়া মানুহে অলঙ্কাৰ কৰি ব্যৱহাৰ কৰে। কেইবিধমান ধাতুৰে নিৰ্মিত অলঙ্কাৰৰ আকৃতি যেনেঃ-

১। কাণৰ কেৰুৰ মুখখন ডালিমফুল পাহৰ দৰে।
২। নাকৰ নাকফুল টেঙেচী টেঙাৰ পাতৰ দৰে।
৩। নোলক বৰষুণৰ টোপালৰ দৰে।।
৪। সেউজীয়া আৰু ৰঙা ৰঙৰ দুগ্‌দুগী পাণ এখিলাৰ দৰে।
৫। গলপতা শেৱালি ফুলৰ দৰে।
৬। বেনা বা গেজেৰা কাচিজোনৰ দৰে।
৭। আঙঠি জেঠী, ভোমোৰা, পখিলা, শেন চৰাই, ময়ূৰৰ পাখি, হৰিণৰ চকুৰ আৰ্হিৰ।
৮। সোণা ডামডেউকা গুটি হাতেৰে টিপা মাৰি দিলে হোৱা আকৃতিৰ।
৯। কাণফুল বকুল ফুল, পদুমফুল বা লংফুলৰ আকৃতিৰ।
১০। গামখাৰু আৰু মুঠিখাৰুত বনৰীয়া লতা-ফুল দি মাজে মাজে বাখৰ খটুৱাই দিয়া হয়।





অসমৰ শিল্পসমূহৰ ভিতৰত মুখাশিল্পৰ এক উল্লেখযোগ্য অৱদান আছে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ অংকীয়া ভাওনাসমূহত থকা বিভিন্ন চৰিত্ৰৰ মুখমণ্ডলৰ হুবহু গঢ় দিবলৈ শিল্পীয়ে সুদক্ষ হাতেৰে মুখাসমূহ গঢ়ি তোলে। এই মুখাসমূহৰ ভিতৰত গৰুড় পক্ষী, জটায়ু পক্ষী, বাঘ, সিংহ, জাম্বৱন্তৰ মুখ, বক, কন্ধ, বৰাহ, গণেশ আদিৰ মুখা হুবহু ৰূপত সাজি তাত তুলিকাৰে অংকিত কৰি সম্পূৰ্ণ ৰূপ ফুটাই তোলে। অংকীয়া নাট পৰিৱেশনৰ সময়ত ভাৱৰীয়াসকলে চৰিত্ৰানুসাৰে এই মুখাসমূহ পৰিধান কৰি মূল চৰিত্ৰ প্ৰদৰ্শন কৰে।

মাজুলীৰ শিল্পীসকলৰ মুখ্য-শিল্পৰ সৃষ্টি সমূহ উল্লেখনীয়। ইয়াৰ উপৰিও পুতলা ভাওনাতো প্ৰতিখন নাটৰ ভাৱৰীয়াবোৰ কেৱল মুখাই নহয় গোটেই শৰীৰটোৱেই শিল্পীৰ হাত আৰু তুলিকাত প্ৰাণ পাই উঠে। মুখাবোৰ তৈয়াৰ কৰিবলৈ শিল্পীগৰাকীয়ে প্ৰথমে নাট, ভাওনাসমূহৰ চৰিত্ৰবোৰৰ বৰ্ণনাসমূহ ভালদৰে বুজি আয়ত্ত কৰিলে, সেই চৰিত্ৰৰ লগত খাপখোৱাকৈ সাজিবলৈ ডাঠ কাগজ, কেতিয়াবা ঢকুৱা, খেৰ, মৰাপাট আদি ব্যৱহাৰ কৰিছিল। ডাঠ কাগজত মুখৰ আকৃতিত প্ৰথমে কোনো বস্তুৰে হেঁচা দি কেইবাদিনো থৈ দিছিল, যেতিয়া সেইবোৰ মুখৰ আকৃতিৰ হৈ পৰে তেতিয়া তাত দাঁত, জিভা, চকু, কাণ, নাক, মুখ আদি অংকন কৰি তুলিছিল। চুলিৰ সদৃশ্য আনিবলৈ শুকান মৰাপাট ভালদৰে অহিয়াই বা ফণিয়াই তাত ক'লা বা বগা ৰং কৰি চুলিৰ দৰে ব্যৱহাৰ কৰিছিল। বিভিন্ন ধৰণৰ প্ৰসাধন প্ৰয়োগ কৰি সম্পূৰ্ণ কৰিছিল একোখন মুখা।

অসমৰ থলুৱা শিল্প সমূহৰ লগতে চিত্ৰকলাও জড়িত হৈ আছে। অসমৰ জনজাতীয় লোকসকলে টেটু পদ্ধতিৰে নিজৰ গাত ফুল-জালি আঁকি লোৱা প্ৰথা ঠাই বিশেষে দেখা যায়। আনহাতেদি অসমৰ পুথিত লতা-পাত অঁকাৰ যি পদ্ধতি প্ৰাচীন কালৰে পৰা দেখা যায় সেয়া একেবাৰে বিবল। উদাহৰণস্বৰূপে অসমৰ একমাত্ৰ এই বিৰল প্ৰাচীন কলাৰ চিহ্ন সংৰক্ষণৰ ঠাই নগাওঁৰ বালিসত্ৰ। বৰ্তমানলৈকে বালিসত্ৰত চিত্ৰ-ভাগৱতকে আমি কৰি বহু কেইখন চিত্ৰপুথি সংৰক্ষিত আছে।❑



## বিশ্বদৰবাৰত অসমীয়া সংস্কৃতিৰ চানেকি

# ঐতিহ্যমণ্ডিত বাৰেচহৰীয়া ভাওনা

**সৌৰভ জ্যোতি চলিহা**

ৰূপহী অসমৰ বাৰেৰহণীয়া সংস্কৃতিৰ অন্যতম অংশ শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ পকামূৰা পথাৰত প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে অনুষ্ঠিত হৈ অহা বাৰেচহৰীয়া ভাওনা মহোৎসৱ। এই বাৰেচহৰীয়া ভাওনা মহোৎসৱ কেৱল মাত্ৰ অসমৰেই নহয় ই ভাৰতৰ সংস্কৃতিৰ গুৰুত্ব আৰু তাৎপৰ্য দুয়োটাই বহন কৰি আহিছে। অসমৰ শোণিতপুৰৰ ন দুৱাৰ অঞ্চলৰ জামুগুৰিহাটত আনুমানিক ১৭৯৭-১৭৯৮ চনত পোনপ্ৰথমবাৰৰ বাবে অনুষ্ঠিত কৰা এই ভাওনা মহোৎসৱে অসমৰ সাংস্কৃতিক ঐতিহ্য বহন কৰি অহাৰ লগতে ই সম্প্ৰীতিৰ এনাজৰীডাল অধিক মজবুত কৰি অসমীয়া সংস্কৃতিক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত অৰিহণা যোগাইছে। তথ্যমতে উক্ত ১৯৯৭-১৭৯৮ চনত জামুগুৰিহাটৰ পাছিগাঁৱৰ পশ্চিমে থকা ৰঘুদলনি নামে পথাৰত এই মহোৎসৱ অনুষ্ঠিত হৈছিল। বৰ্তমান উক্ত ঠাইত মহোৎসৱভাগি অনুষ্ঠিত নহৈ ৰঘুদলনি পথাৰৰ পৰা কিছু দূৰত অৱস্থিত পকামূৰা পথাৰত উক্ত অনুষ্ঠানভাগি অনুষ্ঠিত হৈ আহিছে।

বাৰেচহৰীয়া ভাওনাৰ ইতিহাস খুচৰিবলৈ যোৱাৰ আগতেই ইয়াৰ নামৰ অৰ্থ জনাটো অন্যতম গুৰুত্বপূৰ্ণ। বাৰেচহৰীয়া শব্দটিয়ে কোনো এখন চহৰক বুজোৱা নাই অথবা বাৰ সংখ্যাটিকো বুজোৱা নাই। বাৰে মানে অনেক আৰু চহৰীয়া মানে ৰাইজ। অৰ্থাৎ কেইবাখনো গাঁৱৰ ৰাইজে লগ লাগি সমূহীয়াভাৱে ভাওনা অনুষ্ঠিত কৰে অথবা ভাওনা প্ৰদৰ্শন কৰে তাকেই বাৰেচহৰীয়া ভাওনা বুলি কোৱা হয়। সংস্কৃতিৰ অন্যতম কঠীয়াতলী বুলি জনাজাত জামুগুৰিহাটৰ মুঠ আঠখন গাঁৱৰ সমূহীয়া প্ৰচেষ্টাত বাৰেচহৰীয়া ভাওনা অনুষ্ঠিত কৰা হয়।

বাৰেচহৰীয়া ভাওনাৰ প্ৰসাৰ আৰু স্বীকৃতিৰ ক্ষেত্ৰত 'শোণিত কোঁৱৰ' গজেন বৰুৱাই আগভাগ লৈছিল।

এই বাৰেচহৰীয়া ভাওনাৰ ঘাই সূত্ৰধাৰ হ'ল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ। নৱবৈষ্ণৱ ধৰ্মৰ মহৎ ফলশ্ৰুতি, জগতগুৰু শংকৰদেৱৰ মহান শিল্পকৃতি ভাওনাক তেৰাই এহাতে যেনেকৈ ভক্তিধৰ্ম প্ৰচাৰৰ এক মাধ্যম, এক সামাজিক কলা হিচাপে সৃষ্টি কৰিছিল, ঠিক সেইদৰে সংগীত-নৃত্য-নাট্যাভিনয় সমন্বিতে ব্যঞ্জনাময় বিচিত্ৰ উপাদানেৰে পূৰ্ণ কৰি ভাওনাৰ গাঁথনিতো বৰ্ণাঢ্যতাৰ প্ৰকাশ ঘটাইছে। তদুপৰি সামাজিক কলা হিচাপে ইয়াৰ মাজত নিহিত হৈ আছে ঐক্য-সংহতি আৰু সমন্বয়ৰ আদৰ্শ। গাঁৱে-ভূঞে আজিও ই সামাজিক জীৱনৰ পৱিত্ৰ ধৰ্ম সাধনাৰ অংগৰূপে বন্দিত।

শংকৰী কলা-সংস্কৃতিৰ মহিমামণ্ডিত ভাওনাৰ মাজত নিহিত

হৈ থকা সংহতি আৰু সমন্বয়ৰ আদৰ্শত উদ্বুদ্ধ জামুগুৰিহাটৰ চহা ৰাইজে আজিৰ পৰা প্ৰায় দুশ বছৰৰ পূৰ্বেই সম্প্ৰতি অসমীয়া সামাজিক আৰু সাংস্কৃতিক জীৱন ধাৰণৰ অনুপম ৰূপৰেখা হিচাপে চিহ্নিত বাৰেচহৰীয়া ভাওনাৰ পুলি ৰোপণ কৰিছিল। সমন্বয়-সম্প্ৰীতিৰে ভৰপূৰ প্ৰাণৱন্ত বাৰেচহৰীয়া ভাওনাথলীত হৰিনাম, খোল-তাল-ডবাৰ শব্দত তিনি-চাৰি দিন আকাশ-বতাহ মুখৰিত হৈ থাকে। প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে জাতি-ধৰ্ম, বৰ্ণ-ভাষা নিৰ্বিশেষে লাখ লাখ ভক্তপ্ৰাণ ৰাইজৰ মহামিলনৰ তীৰ্থত পৰিণত হয় জামুগুৰিহাট। ৰাইজৰ পদধূলাত জামুগুৰিহাটবাসী ধন্য হয়। এই মহান অনুষ্ঠানটিয়ে ধাৰাবাহিকতা ৰক্ষা কৰি অহাৰ মূলতে আছে জামুগুৰীয়া ৰাইজৰ মহান ত্যাগ, ভকতি, একতা আৰু ঐকান্তিকতা।

এই বাৰেচহৰীয়া ভাওনা বুলি ক'লেই প্ৰথমে আমাৰ মনত মণ্ডপৰ কথা আহে। মণ্ডপটো পদুম ফুলৰ চকাৰ আৰ্হিত নিৰ্মাণ কৰা হয়। পদুমৰ প্ৰতিটো পাহত একোখনকৈ 'খলা' নিৰ্মাণ কৰা হয়। একোখন খলাত সাতযোৰকৈ খুঁটা থাকে। বাঁহৰ কামিৰে নিৰ্মাণ কৰা চালৰ ওপৰত ন-খেৰেৰে চাঁৱনি দিয়া হয়। মণ্ডপৰ সোঁমাজত গম্বুজ সাজি তাৰ ওপৰত স্বৰ্ণাভ কলচী প্ৰতিষ্ঠা কৰা হয়। প্ৰতিখন খলাৰ কেন্দ্ৰস্থল দৌলত সিংহাসন প্ৰতিষ্ঠা কৰা হয়। খলাবোৰৰ সন্মুখত একোটাকৈ বাটচ'ৰা থাকে আৰু তাৰ কাষতে একোটা ছোঁঘৰ থাকে। প্ৰত্যেক খলা, বাটচ'ৰা আৰু ছোঁঘৰৰ আৰ্হি সম্পূৰ্ণ একে।

গম্বুজৰ সৈতে ৰভাখন আৰু খলাসমূহক সাতটা ভাগত বিভক্ত কৰা হয়।

ভাগকেইটা হৈছে--

(ক) গুৰু আসন
(খ) বিশিষ্ট লোকসকলৰ আসন
(গ) গুৰু আসন প্ৰদক্ষিণ পথ
(ঘ) ৰংগভূমি বা অভিনয় ক্ষেত্ৰ
(ঙ) বাটচ'ৰা
(চ) মুকলি ঠাই
(ছ) মূল বাটচ'ৰা

প্ৰত্যেকবাৰ মহোৎসৱতেই এই সুবিশাল অনুষ্ঠানভাগ সাফল্যমণ্ডিত হৈ আহিছে। ডেকাৰ পৰা বৃদ্ধলৈকে সকলো শ্ৰেণীৰ ৰাইজৰ কায়িক, মানসিক, আৰ্থিক তথা আন্তৰিক সহায়-সহযোগিতাই এই অনুষ্ঠান সফল হোৱাৰ আন এক মন্ত্ৰ। প্ৰায় অৰ্ধশতাধিক গাঁৱৰে পৰিৱেষ্টিত জামুগুৰিহাটৰ গাঁওসমূহৰ মাজত অতীজৰে পৰা থকা আন্তৰিক বুজা-পৰা, মিলা-প্ৰীতি, একতা সমগ্ৰ অসমৰ বাবেই অনুপ্ৰেৰণাৰ উৎস। এয়া সম্ভৱ হৈছে কেৱল বাৰেচহৰীয়া ভাওনাৰ দৰে গৰিমামণ্ডিত সাংস্কৃতিক বৈভৱৰ বাবে। তদুপৰি গাঁৱে গাঁৱে থকা নামঘৰ আৰু নিয়মীয়াকৈ অনুষ্ঠিত ভাওনা সংস্কৃতিয়েও জামুগুৰিহাটৰ আন এক পৰিচয় দাঙি ধৰে। এটা প্ৰজন্মই আন এটা প্ৰজন্মক ভাওনা সংস্কৃতিৰ প্ৰতি আকৰ্ষিত কৰি অহাৰ এক অন্যতম নিদৰ্শন এই ভাওনা মহোৎসৱ। প্ৰকৃতাৰ্থত বাৰেচহৰীয়া ভাওনাই শ্ৰোতা-দৰ্শকৰ অন্তৰত আধ্যাত্মিক চেতনা জাগ্ৰত কৰি তেওঁলোকক ভগৱৎ চিন্তাত নিমগ্ন কৰি তোলে। প্ৰায় ১৫-১৬ একৰ মাটি জুৰি সজা এখন সুবৃহৎ পদুম ফুলৰ আকৃতিৰ মণ্ডপৰ তলত অঞ্চলটোৰ ৫০-৫৫ খন গাঁও বা ২০-২৫ টা খেলৰ ৰাইজে একেলগে ভাওনা কৰে আৰু তাকে চাবলৈ লক্ষাধিক দৰ্শকৰ সমাগম হয়। অৱশ্যে বিগত বাৰেচহৰীয়া ভাওনা (২০১৩)-ৰ পৰা এই পৰম্পৰাৰ কিছু সাল-সলনি ঘটাই একতা-সদ্ভাৱ-সম্প্ৰীতিৰ এনাজৰীডাল আৰু অধিক সবল কৰাৰ মানসেৰে অসমৰ বিভিন্ন ধৰ্মীয় পন্থা বা সমাজ আৰু কেইবাখনো জাতি-জনগোষ্ঠীৰ সমাজেও এই ভাওনা মহোৎসৱত একেখন ৰভাৰ তলতে একেলগে ভাওনা কৰা, নাম-প্ৰসংগ, গীত-মাত গোৱাৰ শুভ পৰম্পৰা আৰম্ভ কৰা হৈছে। এয়া নিশ্চিতভাৱে এক শুভ লক্ষণ আৰু সাম্প্ৰতিক অসমীয়া সমাজৰ বাবে ই এক ইতিবাচক বাৰ্তা বহন কৰে।

মাঘ মাহৰ পৱিত্ৰ মাঘী পূৰ্ণিমা তিথিত বাৰেচহৰীয়া ভাওনাৰ ধ্বজা স্থাপনৰ পাছৰ পৰাই ৰাইজে অত্যন্ত শ্ৰম আৰু ত্যাগেৰে বাৰেচহৰীয়া ভাওনাৰ মণ্ডপ আৰু ৰভা নিৰ্মাণত ব্যস্ত হৈ পৰে। সেই গাঁওসমূহৰ ৰাইজে নিজেই শ্ৰমদান কৰে। নিজ নিজ গাঁৱৰ পৰা বাঁহ, গছৰ ডাল, খৰি, বিভিন্ন ধৰণৰ সামগ্ৰী সংগ্ৰহ কৰি এই অনুষ্ঠানভাগি সাফল্যমণ্ডিত কৰি ৰখাত সহায় কৰি আহিছে। কোনো আনুষ্ঠানিক প্ৰশিক্ষণ নোহোৱাকৈ লগতে কোনো বিশেষজ্ঞৰ সহায় নোলোৱাকৈয়েই গাঁৱৰ ৰাইজে ইমান সুন্দৰকৈ মহোৎসৱৰ স্থলী নিৰ্মাণ কৰে। গাঁৱৰ ৰাইজে সন্মিলিতভাৱে কৰা এই কাম আৰু প্ৰচেষ্টাত 'হুজ' বুলি কোৱা হয়। শংকৰী কলা-কৃষ্টিৰে সমৃদ্ধ অসমৰ বৰ্ণিল সংস্কৃতিৰ এনাজৰীডাল ভাওনাৰ দৰে কৃষ্টিয়ে জীয়াই ৰাখিছে। বৰগীত, লোকগীত, নাম-কীৰ্তন, গায়ন-বায়ন, পাল নাম, নাগাৰা নাম, খোল বাদন ইত্যাদিয়েই এই শংকৰী বৈষ্ণৱ সংস্কৃতিৰ মহত্ব প্ৰতিফলিত কৰিছে। সেয়াও বাৰেচহৰীয়া ভাওনাত আলোচ্য বিষয়সমূহৰ এক অন্যতম অংশ।

ভাওনা প্ৰদৰ্শনৰ দিশৰ পৰা বাৰেচহৰীয়া

"শংকৰী কলা-কৃষ্টিৰে সমৃদ্ধ অসমৰ বৰ্ণিল সংস্কৃতিৰ এনাজৰীডাল ভাওনাৰ দৰে কৃষ্টিয়ে জীয়াই ৰাখিছে। বৰগীত, লোকগীত, নাম-কীৰ্তন, গায়ন-বায়ন, পাল নাম, নাগাৰা নাম, খোল বাদন ইত্যাদিয়েই এই শংকৰী বৈষ্ণৱ সংস্কৃতিৰ মহত্ব প্ৰতিফলিত কৰিছে। সেয়াও বাৰেচহৰীয়া ভাওনাত আলোচ্য বিষয়সমূহৰ এক অন্যতম অংশ।"

ভাওনা ভাগৰ গুৰুত্বপূৰ্ণ দিশ হ'ল প্ৰদৰ্শন কৰিবলগীয়া নাটসমূহৰ প্ৰদৰ্শন নিজৰ নিজৰ খলাৰ ৰাইজে নিজ নিজ ৰুচিমতে কৰে। মূল থাপনা বা গুৰু আসনলৈ মুখ কৰি ঠিক পশ্চিমৰ খলাখনক এক নম্বৰ খলা হিচাপে ধৰি ক্ৰমে সোঁহাতলৈ খলাসমূহৰ বিভাজন আৰু নামকৰণ কৰা হয়। প্ৰথম খলাখনেই ভাওনাৰ ঐক্য-সংহতি ৰক্ষা কৰে। গন্ধোৎসৱ, প্ৰাতঃপ্ৰসংগ, দুপৰীয়াৰ নাম-কীৰ্তন আদিৰ লগতে সেৱা জনোৱা, হৰিধ্বনি দিয়া, দেউৰী-বিলনীয়াই বিলোৱা, ভকত-বৈষ্ণৱসকলে খোৱা আদি আটাইবোৰ খলাতে একেলগে হয়। সন্ধ্যা এক নং খলাৰ ডবাত কোব পৰাৰ লগে-লগে সকলো খলাতে ডবা-কাঁহ বাজি উঠে। লগে লগে সকলো খলাতে জোৰা আৰম্ভ হৈ প্ৰথম খলাৰ গায়ন-বায়নে সকলো খলাৰ গায়ন-বায়নৰ সৈতে সকলো খলাতে সম্পূৰ্ণ তিনি পাক দি আহি নিজ নিজ খলাত নৃত্য-গীত সমাপ্ত কৰে। গায়ন-বায়নৰ দৰেই সূত্ৰধাৰ, ভাৱৰীয়া সকলোৱে শৃংখলা ৰক্ষা কৰি সকলো খলাতে এপাক মাৰি আহি নিজৰ নিজৰ খলাত অভিনয় কৰেহি। যেতিয়া ২০-২৫ খন খলাত প্ৰতি খলাতে অৰ্ধ শতাধিক গায়ন-বায়ন-ভাৱৰীয়াই অভিনয় কৰে, তেতিয়া বাৰেচহৰীয়া ভাওনাৰ গোটেই মণ্ডপটি এক জ্যোতিৰ্ময় বৈকুণ্ঠপুৰীত পৰিণত হয় আৰু দৰ্শকসকলে নিজকে খন্তেকৰ বাবে হ'লেও পাহৰি ভগৱত চিন্তাত বিলীন হৈ যায়।



প্ৰধানকৈ বাঁহ, খেৰ, কাঠ, তামোলগছ, কলগছ, বেত, পাতি দৈ ইত্যাদি প্ৰকৃতিৰ পৰা পোৱা উপাদানেই মহোৎসৱৰ মণ্ডপ নিৰ্মাণ কৰাৰ প্ৰধান কেঁচামাল। কলগছৰ ব্যৱহাৰে মণ্ডপক সম্পূৰ্ণতা প্ৰদান কৰে আৰু ই মণ্ডপক সুন্দৰ ৰূপত সজায় তোলে। প্ৰতিকুল বতৰ স্বত্বেও সকলোধৰণৰ কাম কাজত গাঁৱৰ ৰাইজ ব্যস্ত হৈ থাকে।

এই মহোৎসৱৰ ভাগ কেৱল মাত্ৰ অসমতেই সীমাবদ্ধ নাথাকি ই ভাৰতৰ বিভিন্ন প্ৰান্তলৈ বিয়পি গৈছে। ১৯৬৯ চনত পকামূৰা পথাৰত অনুষ্ঠিত হোৱা মহোৎসৱৰ ভাওনা মণ্ডপত উপস্থিত আছিল ৰাষ্ট্ৰীয় থিয়েটাৰৰ সঞ্চালক পদ্মশ্ৰী ইব্ৰাহীম আলোক, ভাৰত চৰকাৰৰ সংগীত নাটক একাডেমীৰ প্ৰধান সচিব ডঃ সুৰেশ অৱস্থি ইত্যাদি। এওঁলোকেই এই মহৎ আৰু বৃহৎ অনুষ্ঠানটিৰ সমগ্ৰ বিশ্বত প্ৰচাৰ আৰু প্ৰসাৰৰ অতি প্ৰয়োজন বুলি অভিহিত কৰিছিল। এবাৰ এই মহোৎসৱত সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকা, পণ্ডিত ডঃ মহেশ্বৰ নেওগ, ডঃ লক্ষ্মীনন্দন বৰা, ডঃ অমৰজ্যোতি চৌধুৰী, ভাৰত চৰকাৰৰ কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং দেৰেও এই ভাওনা সপক্ষে মতামত আগবঢ়াই যোৱাৰ লগতে সকলোকে ইয়াৰ প্ৰচাৰৰ বাবে একত্ৰিত হ'বলৈ আহ্বান জনাইছিল। অসমৰ পৰ্যটন মানচিত্ৰত অসমৰ চাহ, ব্ৰহ্মপুত্ৰ, এশিঙীয়া গঁড়, শৰাইঘাট, শিৱসাগৰ, কাজিৰঙা, মাজুলী, ইত্যাদিৰ উপৰিও এনেধৰণৰ সংস্কৃতিৰ অমিয়া চিনাকি বৃহৎ বাৰেচহৰীয়া ভাওনায়ো স্থান পাব লাগে। পৰ্য্যটকৰ পদধূলিৰে জীপাল অসমৰ আন স্থলীৰ লগতে অসম চৰকাৰ, কেন্দ্ৰীয় চৰকাৰ, আমাৰ, প্ৰশাসনৰ সমূহীয়া প্ৰচেষ্টাত এই অনুষ্ঠান অতি সুন্দৰকৈ সফল হৈ ইয়াতো দেশী-বিদেশী পৰ্য্যটকে ভিৰ কৰিবহি লাগে।

শোণিতকোঁৰৰ গজেন বৰুৱাৰ সুদূৰপ্ৰসাৰী চিন্তাধাৰা আৰু সৃজনীশীল প্ৰতিভাৰ পৰশত বাৰেচহৰীয়া ভাওনা ন-ৰূপত জিলিকি উঠে আৰু দেশৰ পৰা বিদেশলৈ ইয়াৰ সৌৰভ সিঁচৰতি হৈ পৰে। ১৯৬৯ চনৰ বাৰেচহৰীয়া ভাওনাই বৰুৱাদেৰৰ নেতৃত্বত সাংস্কৃতিক আদান-প্ৰদানৰ মাজেদি বিভিন্ন জনগোষ্ঠী আৰু পাহাৰ-ভৈয়ামৰ মাজত সমন্বয়ৰ এক সেতু বন্ধন কৰে। আচলতে বাৰেচহৰীয়া ভাওনাৰ মূল তাৎপৰ্যই হৈছে সদ্ভাৱ-সম্প্ৰীতি, ঐক্য-সংহতিৰ বতৰা বিলোৱা। সামাজিক ভেদাভেদ, ৰাজনীতিয়ে কলুষিত কৰা মনবোৰ ধুই নিকা কৰি হৃদয়ৰ পৰা হৃদয়লৈ মৰম-চেনেহ, আন্তৰিকতা, সমন্বয়ৰ বৰসাঁকো গঢ়ে বাৰেচহৰীয়া ভাওনাই। জাতি-ধৰ্ম, বৰ্ণ-ভাষা, উচ্চ-নীচ ভেদাভেদ পাহৰি সকলো শ্ৰেণীৰ ৰাইজ সমবেত হয় সমন্বয়-সম্প্ৰীতিৰ একেখনি চন্দ্ৰতাপৰ তলত। শোণিত কোঁৱৰ গজেন বৰুৱাদেৱে অৰুণাচল জিলাৰ মনপা, নিচি, মিছিং, মেঘালয়ৰ গাৰো, ৰাভা, আৰু স্থানীয় জনজাতীয় লোকসকলৰ বাৰেৰহণীয়া কৃষ্টি সংস্কৃতিৰ সমাৱেশ এই অনুষ্ঠানত প্ৰদৰ্শন কৰাত সুবিধা কৰি উৎসৱটিক ঐক্য আৰু সংহতিৰ এক সমাৰোহলৈ ৰূপান্তৰ কৰিবলৈ প্ৰয়াস কৰে। এই ৰূপান্তৰ প্ৰয়াসে অসম আৰু অসমীয়া সংস্কৃতিক অধিক উজলাই থৈ গ'ল।

বাৰেচহৰীয়া ভাওনা অসমৰ পৰা গৈ ভাৰত আৰু বিশ্বত উজলি উঠক আৰু চিৰদিন জিলিকি থাকক তাৰেই কামনা।❑

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

*উৎস ঃ বিভিন্ন গ্ৰন্থ, গুৱাহাটী বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলাৰ আলোচনী, বিভিন্ন প্ৰবন্ধ আলোচনী আৰু ইন্টাৰনেটৰ সহায় লৈ।*

# অসমীয়া সংস্কৃতিত চহকী
# দৰঙী লোককলা-সংস্কৃতি

মনালিছা শৰ্মা










সংস্কৃতি প্ৰতিটো জাতিৰ স্বকীয় পৰিচয়ৰ ধ্বজাবাহক। সংস্কৃতি অবিহনে এখন দেশ, এখন ৰাজ্য, এটা জাতি সম্পূৰ্ণৰূপে স্বৰূপহীন হৈ পৰে। ভাৰতবৰ্ষৰ পূৰ্ব প্ৰান্তৰ এখন ৰাজ্য হৈছে অসম ৰাজ্য, যি অসংখ্য জাতি-জনজাতিৰ মিলনভূমি। প্ৰত্যেক জাতি-জনজাতিৰে প্ৰত্যেক সংস্কৃতি লগ লাগি বাৰে-ৰহণীয়া অসমীয়া সংস্কৃতি গঢ়ি উঠিছে। প্ৰত্যেক জাতি-জনজাতিয়ে নিজস্ব নিজস্ব লোক-সংস্কৃতিৰে বিভূষিত। লোক সংস্কৃতি মানে হৈছে নিৰ্দিষ্ট এখন ঠাইত প্ৰচলিত লোক-কথা, নৃত্য-গীত, বাদ্য-যন্ত্ৰ, সাহিত্যৰ সমাহাৰ।

অসমৰ মধ্যৱৰ্তী জিলা দৰং জিলাও এখন লোক-সংস্কৃতিৰে ভৰপূৰ জিলা। যিয়ে নিজৰ স্বকীয় কলা-সংস্কৃতিৰ কাৰণে ৰাজ্যখনতে নিজস্ব সুকীয়া অস্তিত্ব বহন কৰিবলৈ সক্ষম হৈছে।

দৰং জিলাৰ লোক সংস্কৃতিৰ এটি চমু অৱলোকন তলত দাঙি ধৰা হ'ল—

**ওজাপালি ঃ** জীৱনৰ চৌষষ্ঠিবিধ কলাৰ ভিতৰত বিশেষকৈ সাহিত্য, সংগীত আৰু নৃত্যকলাৰ এক সমন্বয় হ'ল ওজা-পালি। দৰঙী লোককলাৰ এক অন্যতম নিদৰ্শন এই ওজাপালি অনুষ্ঠান। প্ৰাক্ শংকৰী যুগৰো আগৰ এই ওজাপালি নৃত্য সৰ্বভাৰতীয় অৰ্ধনাটকীয় তথা পৰম্পৰাগত নৃত্যসমূহৰ এটা উজ্জ্বল ধ্বজাবাহক। এই ওজাপালি অনুষ্ঠান দৰঙৰ এক পাৰিৱেশিক ক'লা। সন্ধিমতে ওজা + পালি = ওজাপালি। ওজা শব্দৰ শাব্দিক অৰ্থ হৈছে কোনো বিদ্যাত পাৰ্গত বা সৰ্বজ্ঞ লোক, আৰু তেওঁৰ আঁত ধৰা সংগীকেইজনেই হৈছে পালি। আধুনিক অভিধানত উল্লেখিত অনুসৰি সুকন্নানী বা বিয়াহৰ পদ লগাই দিয়াজন ওজা আৰু ওজাৰ লগৰ বা তলতীয়া কৰ্মীকেইজন পালি। ওজাপালিক দটা ভাগত ভগোৱা হয়-

১) ব্যাস সংগীত বা বিয়াহৰ ওজাপালি

২) সুকন্নানী ওজাপালি

**ব্যাস সংগীত বা বিয়াহৰ ওজাপালি ঃ**

কোৱা হয় যে সংগীতাচাৰ্য সৰ্বানন্দ ব্যাসে সংগীত আৰু ব্যাস নৃত্য পাৰিজাতি নামৰ এগৰাকী ৰমনীৰ পৰা লাভ কৰিছিল। এই সৰ্বানন্দ ব্যাসৰ পৰাই এই ভাগটোক 'ব্যাসৰ ওজা' বা 'বিয়াহৰ ওজা' বোলে। এই ধৰণৰ ওজাপালিয়ে ৰামায়ণ, মহাভাৰত, পুৰাণ, উপপুৰাণ পদ পৰিৱেশন কৰে। ৰাইজৰ সভা, সকাম, নিকাম, গোন্ধচৌপৰি সভা এই সমূহত সাধাৰণতে এই ওজা গোৱা হয়। ইয়াক সভা গোৱা ওজা বুলিও কোৱা হয়। এই ওজাৰ একমাত্ৰ বাদ্য যন্ত্ৰ হ'ল কাঁহৰ তাল। ওজাৰ লগত ৪ বা ৬ জন পালি থাকে। পালিসকলে মূৰত বগা পাগ, ধুতি বগা হাত কটা দুয়োকাষে জেপ থকা চোলা ব্যৱহাৰ কৰে। ওজাজনে মূৰত টোকনীয়াধোত পাগুৰি, চুলিৰ খোপা, কপালৰ মাজত বগা চন্দনৰ ফোঁট লয়। গাত ঠোগা চাপক চোলা, ডিঙিত ঢোল মাদলী, কাণত কণ্ঠী, হাতত গামখাৰু, পিন্ধে। ককাঁলত ভৰিলৈ ওলমি পৰা বগা জামা, কান্ধৰ ওপৰেৰে নমাই আনি ককাঁলত বান্ধি লয়। ভৰিৰ ওপৰত বুঢ়া আঙুলিত নেপুৰ বেঁকা কৰি বান্ধি লয়। ওজাই গুৰু বন্দনা দিয়াৰ পিছত প্ৰায় ২৭ টা মান ৰাগৰ ব্যৱহাৰ কৰে। সভাগোৱা এই ব্যাসৰ ওজা দৰঙত অতিকৈ প্ৰচলিত বিশেষকৈ জেঠমাহৰ সভাসমূহত।

**সুকন্নানী ওজাপালি ঃ**

মনসা বা পদ্মা দেৱীৰ পূজাক গোঁসানী পূজা বুলি কোৱা হয়। এই পূজাক দৰঙত গোঁসানী কাজ, মাৰৈ পূজা, মনসা পূজা, ৰং পূজা আদি নামেৰে জনা যায়। এই মনসা পূজাৰ লগত সুকন্নানী ওজাপালি ওতপ্ৰোতভাৱে জড়িত। এই সুকন্নানী ওজাপালিয়ে বেউলা লক্ষীন্দাৰৰ কাহিনী সম্বলিত পদ্মপুৰাণৰ গীতসমূহ গায় আৰু এই পদসমূহ পৰিৱেশন কৰোঁতে খুঁটিতাল ব্যৱহাৰ কৰে।

বিশেষকৈ সুকবি নাৰায়ণদেৱ বিৰচিত পদ্মপুৰাণৰ গীতসমূহ গোৱা কাৰণে এই ওজাপালিক সুকন্নানী বোলা হয়। ওজাপালি অনুষ্ঠানটিত এজন ওজা, এজন দাইনাপালি আৰু ৩-৪ জন পালি থাকে। ওজাৰ সোঁহাতস্বৰূপজনক দাইনাপালি বোলা হয়। এই দাইনাপালিজনে ওজাই গোৱা পদ সৰ্বসাধাৰণ মানুহক সুন্দৰকৈ ভাঙনি কৰি ব্যাখ্যা কৰি বুজাই দিয়ে। ধুতি, পাঞ্জাৱী, চাদৰ ওজাৰ সাজপাৰ হিচাপে বিবেচিত। তাৰোপৰি মূৰত দীঘল চাদৰ এখনৰ পাগ। ওজাৰ পাগুৰীয়ে আগফালে মিহি। পাগটো কুহুমীয়া পাগুৰি বা জিম পাগ নামেৰে জনা যায়। ওজাই গলত ঢোলমাদলী, কাণত কেৰু, হাতত মুঠিখাৰু, আঙুলিত আঙঠি, কপালত চন্দনৰ ফোঁট লয়। পালিসকলে গেঞ্জি-ধুতি পৰিধান কৰে। কান্ধত ফুলাম গামোছা আৰু মৈৰাচালি পাগুৰি মূৰত মাৰে। সুকন্নানি ওজাপালিৰ মনসা পূজাত এটি ধৰাবন্ধা নিয়ম আছে সেইটো হ'ল জয়ঢোল মাৰা বা বজোৱা। একপৰীয়া পূজাৰ পৰা সাতদিনীয়া মাৰৈ পূজাৰ জয়ঢোলৰ বাদিবিলাক বেলেগ বেলেগ। জয়ঢোলৰ কেইটিমান বাদি হ'ল- দেওবাদি, পানীতোলাবাদি, প্ৰদক্ষিণবাদি, যোগান বাদি, বলিকটাবাদি, গোৰবাদি, কচাৰীবাদি, ৰণচণ্ডীবাদি ইত্যাদি।

সুকন্নানী ওজাপালিৰ আন এটি অবিচ্ছেদ্য অংগ হৈছে দেওধনী নৃত্য। এই নৃত্য মনসা পূজাৰ লগত জড়িত।

এনেদৰে আমাৰ দৰঙত এই দুইবিধ ওজাপালি প্ৰচলিত হৈ আছে। ই দৰঙৰ লোক সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ।

**দেওধনী নৃত্য ঃ**

দৰঙৰ বাৰেৰহণীয়া কৃষ্টিৰ অন্য এক নিদৰ্শন হৈছে দেওধনী নৃত্য। এই দেওধনী নৃত্য সুকন্নানী ওজাপালিৰ লগত জড়িত। মনসা পূজাত এই দেওধনী নৃত্য প্ৰদৰ্শন কৰা হয়।

মহেশ্বৰ নেওগৰ মতে দেওধনী শব্দৰ উৎপত্তি 'দেৱ' আৰু 'ধ্বনি' শব্দ দুটিৰ পৰা হৈছে, যাৰ অৰ্থ যথাক্ৰমে 'ভগৱান' আৰু 'নাৰী' অৰ্থাৎ ভগৱানৰ কাৰণে নৃত্য কৰা নাৰী। কিংবদন্তি অনুসৰি বেউলাই লক্ষীন্দাৰক জীয়াই তুলিবলৈ স্বৰ্গত গৈ স্বৰ্গৰ দেৱতাসকলক নিজৰ নৃত্যৰে মোহিত কৰে। আৰু ই নৃত্যই মনসা দেৱীক সন্তুষ্ট কৰিবলৈ কৰা হয়। ইয়াক দেওধনী নৃত্য বুলি কোৱা হয়।

দেওধনী নৃত্যৰ সাজ-সজ্জা হ'ল- কঁকালত কপাহী বা মুগাৰ বা বগা মেখেলা, গাত চুটি হাতৰ ৰঙা ব্লাউজ, বাওঁ কান্ধৰ পৰা ভৰিৰ সৰু গাঠিলৈকে বুটা বচা ফুলাম চাদৰ বা ৰঙা চাদৰ ওলোমাই লয়। বুকুত প্ৰায় ১৮০ মিটাৰ দৈঘ্যৰ আৰু ৩০ চেন্টিমিটাৰ প্ৰস্থৰ ৰঙীন চাদৰে বুকু বান্ধনী আৰু কঁকালত একে জোখৰে কঁকাল বান্ধনী মাৰি লয়। বুকুৰ বান্ধনীখন নীলা আৰু কঁকালৰ বান্ধনীখন হালধীয়া হয়। বুকুবান্ধনী পিছফালে ওলমি থকা মূৰত দুটা আৰু কঁকাল বান্ধনীৰ আগফালৰ মূৰত এনেকে মুঠ তিনিটা গাঁঠি বন্ধা, বিষ্ণু আৰু মহেশ্বৰৰ প্ৰতীকৰূপে বন্ধা হয়। আ-অলংকাৰ হিচাপে ডিঙিত চন্দ্ৰহাৰ, হাতত গামখাৰু বা মুঠিখাৰু, কাণত জাংফাই বা কান্ধুলি, নাকত নাকফুল, আঙঠি, কপালত ডাঙৰকৈ ফোঁট লয়। চুলিকোছা মেলি লয়।

ওজাপালি পৰিৱেশন কৰি থকা দেওধনীয়ে বেশভূষাৰে সজ্জিত হৈ পূজাথলীত হ'লে কলপাতৰ ওপৰত বহি দেৱীৰ আৰধনা কৰে আৰু ওজাৰ ঢোলৰ চেৱে চেৱে চুলি ঘূৰাই ঘূৰাই নৃত্য কৰে। এই নৃত্যত ব্যৱহাৰ কৰা বাদ্যযন্ত্ৰসমূহৰ ভিতৰত খুঁটিতাল, ভোৰতাল, জয়ঢোল প্ৰধান। ইয়াৰ প্ৰধান বাদিসমূহ হ'ল- দেওবাদি, খৰবাদি, গোৰবাদি, যোগানবাদি, ধনতোলাবাদি, ৰণচণ্ডী বাদি ইত্যাদি। এই নৃত্যৰ মুদ্ৰাসমূহ হ'ল- ধ্যানমগ্ন মুদ্ৰা, স্বতিক মুদ্ৰা, মূৰৰ চুলি ঘূৰোৱা, ত্ৰিভংগযোগ, দেহভংগী যোগ, কঁকাল ভঙা, কলিমুদ্ৰা ইত্যাদি। দেওধনী নৃত্যৰ অন্তৰ্গত কিছুমান নৃত্য হ'ল- হাড়ি নাচ, ইয়াত বাঢ়নীৰ প্ৰয়োজন, শিৱনাচ- এই নাচত কলঠৰুৱাৰ ডম্বৰু লোৱা হয়, চণ্ডীনাচত দা বা তৰোৱাল লৈ নচা হয়, লক্ষ্মী নাচত ধানৰ দোণ লৈ নচা হয়, কাৰ্তিক নাচত জ্বলন্ত জোঁৰ লৈ নচা হয় ইত্যাদি।

পূৰ্বতে দেওধনী নৃত্য কৰা ছোৱালীক বেয়া দৃষ্টিৰে গ্ৰহণ কৰা হৈছিল কিন্তু সময় পৰিৱৰ্তনৰ লগে লগে এই নৃত্যই বিশ্ব দৰবাৰত নিজৰ চিনাকী দিবলৈ সক্ষম হৈছে আৰু ভূয়সী প্ৰশংসা লাভ কৰিছে।

**মহোহৌ ঃ**

দৰঙৰ অন্য এক জনপ্ৰিয় তথা পৰম্পৰাগত লোক-সংস্কৃতি



হৈছে মহোহোঁ। বিশেষকৈ দৰঙতে এই মহোহোঁ গীত বা নৃত্যৰ প্ৰচলন আছে। মহোহোঁ বা মহখেলা উৎসৱ বিশেষকৈ কৃষিৰ লগত জড়িত। আঘোণ মাহৰ পূৰ্ণিমা তিথিত পালন কৰা এই উৎসৱটিৰ জৰিয়তে মহ খেদা হয় বুলি জনবিশ্বাস আছে। দৰঙৰ বিশেষকৈ গাঁও অঞ্চলত এই উৎসৱ অতি জনপ্ৰিয় আৰু উৎসাহেৰে পালিত হয়। পূৰ্বতে গৰখীয়া ল'ৰাসকলে হাতত একোডাল টোকন লৈ মহখেলা গীত বা মহোহোঁ গাইছিল। বৰ্তমান যিহেতু গৰখীয়া ল'ৰা নাই, গাঁৱৰ ডেকা আৰু জ্যেষ্ঠ ব্যক্তিসকলে লগ লাগি মহোহোঁ গীত গায়।

মহোহোঁ গীত ডেকাসকলে হাতত একোডাল টোকন লৈ এটা বা দুটা ঢোল লৈ, হাতত তাল লৈ চোতালত ঘূৰি ঘূৰি গায়। এই মহোহোঁৰ অন্যতম এক বৈশিষ্ট্য হৈছে 'ভালুক নাচ'। ঘূৰণীয়া হৈ ডেকাসকলে ভালুক লৈ নাচে। এই ভালুকটো সঁচা জন্তু নহয়, এজন মানুহে কলৰ শুকান পাত আনি ধুনীয়াকৈ দেহত মেৰাই লয়, শিয়াল নেজীয়া বনেৰে মূৰত টুপী সাজি সাইলাখ ভালুকৰ দৰে হয় আৰু মহোহোঁ গীতৰ তালে তালে নাচিবলৈ ধৰে।

মহোহোৰ পৰম্পৰাগত গীত গাই নাচ শেষ কৰি সদৌ শেষত হৰিধ্বনিৰে গিৰিহঁতক আশীৰ্বাদ দি চাউল টকা-পইচা, ঘি দিয়ে, তাকে লৈ গৈ সকলোৱে মিলি ভোজ-ভাত খায়।

এই মহোহোঁ বা মহ খেদা দৰঙৰ অতি প্ৰাচীন উৎসৱ। মহৰ পৰা, মেলেৰীয়া আদি নানা জ্বৰ বা ৰোগৰ সৃষ্টি হয়। সেয়ে এই উৎসৱটিৰ জৰিয়তে মহৰ দ্বাৰা এই বেমাৰ আজাৰবোৰ যাতে নহয়, সমগ্ৰ অঞ্চল যাতে সুখে-সন্তোষে থাকি পথাৰৰ লখিমী ঘৰলৈ আনিব পাৰে তাকে কামনা কৰা হয়। দৰঙৰ এই উৎসৱ অতি প্ৰাচীন আৰু পৰম্পৰাগত।

**খুলীয়া ভাউৰীয়া ঃ**

দৰঙৰ লোক-সংস্কৃতিৰ ধ্বজাবাহক অন্য এক কলা-কৃষ্টি হ'ল খুলীয়া ভাউৰীয়া। খুলীয়া ভাউৰীয়াৰ নাম মনলৈ আহিলেই দৰঙৰ ছবি মানসপটত জিলিকি উঠে। বিশেষকৈ দৰঙত ব'হাগ মাহত দেউল উৎসৱত এই খুলীয়া ভাউৰীয়া প্ৰদৰ্শন কৰা হয়। খুলীয়া ভাউৰীয়া শব্দ দুটা খুলীয়া অৰ্থাৎ খোল বাওঁতা আৰু ভাউৰীয়া অৰ্থাৎ 'ভাও দিওঁতা এই শব্দ দুটাৰ যোগত হৈছে। খুলীয়া ভাউৰীয়া অভিনয়, সংলাপ, গীত-নৃত্য, আৰু কৌতুকৰ সমাহাৰ। এই অনুষ্ঠানটি স্থানীয় কলা-কুশলীৰ দ্বাৰাই অনুষ্ঠিত কৰা হয়। খুলীয়া ভাউৰীয়াৰ বাবে দৰঙত কোনো মঞ্চৰ ব্যৱস্থা নাই। ৰাজহুৱা ঠাইত অস্থায়ীভাৱে দিয়া ৰভাৰ তলত ভাৱৰীয়া সকলে ভাওনা প্ৰদৰ্শন কৰে। ৰভাৰ তিনিওকাষে দৰ্শক বহে একাষে আঁৰ কাপোৰ থাকে আৰু তাৰ আঁৰত ভাৱৰীয়া, সূত্ৰধাৰ, খোলবাদক, ওজাপালি থাকে। মাজৰ মুকলি ঠাইখিনিত ভাওনা প্ৰদৰ্শন কৰা হয়।

দৰঙত পৰিৱেশিত এই খুলীয়া ভাউৰীয়াৰ কাহিনীভাগ মূলতঃ ৰামায়ণ, মহাভাৰত, পুৰাণ, উপপুৰাণ আদিৰ পৰা লোৱা হয়। তদুপৰি কেতিয়াবা সামাজিক আৰু ঐতিহাসিক কাহিনীও প্ৰদৰ্শন কৰা হয়। খুলীয়া ভাওৰীয়াৰ প্ৰথমতে 'খোল ঘাতা' হয়। ইয়াৰ পাছত সোঁহাতেৰে চোঁৱৰ নচুৱাই বিভিন্ন নৃত্য-গীতেৰে ওজাই প্ৰৱেশ কৰে। ওজাৰ পিছে পিছে এজন খুলীয়া আৰু এজন তালুৱৈ নৃত্য কৰি প্ৰৱেশ কৰে আৰু ৰভাৰ মালিতা, খোলৰ মালিতা আৰু তালৰ মালিতা গোৱা হয়।

দৰঙৰ খুলীয়া ভাউৰীয়াৰ প্ৰধান ভূমিকা এই ওজা বা সূত্ৰধাৰজনেই কৰে। সূত্ৰধাৰে মূৰত বং বিৰঙৰ আগফালে আৰু পিছফালে জোঙা নৌকাসদৃশীয়া টুপি পিন্ধে। দীঘল হাতৰ চোলা পিন্ধে যদিও কঁকালত জামা পিন্ধে বাবে চোলাটো কঁকাললৈকেহে দেখা পায়। এই জামাটো বগা কাপোৰৰ হয় আৰু কঁকালত কোঁচ দিয়া থাকে। যাৰ ফলত ওজাই গীত গাই নাচিলে জামাটো ফুলি উঠে। ওজাই ডিঙিত মণি, গলত ঢোল মাদলি, হাতত গামখাৰু, কাণত কেৰু পিন্ধা দেখা যায় আৰু কপালত বগা ফোঁট লয়। বাদ্যযন্ত্ৰীসকলে বগা ধুতি-কুৰ্তা পিন্ধে। এই সূত্ৰধাৰজনেই সমস্ত ভাওনাখনৰ আঁত ধৰি সুন্দৰকৈ প্ৰদৰ্শিত কৰে।

খুলীয়া ভাউৰীয়াত ভাৱৰীয়াসকল পুৰুষে হৈনাৰীৰ ভাওবোৰো পুৰুষেই দিয়ে। ৰজা-মহাৰাজাৰ কাহিনী সম্বলিত ভাওনাই বেছিকৈ প্ৰদৰ্শিত হয়, সেয়ে ভাৱৰীয়াসকলৰ সাজ-পাৰবিলাকো ৰাজকীয় হয়। ৰাজকীয় পোছাক মণি-মালা আদি বিভিন্ন আ-অলংকাৰৰ ব্যৱহাৰ কৰা হয়। ৰাক্ষস-ৰাক্ষসী, হনুমান, জটায়ু, আদি চৰিত্ৰবোৰ ৰূপায়ণৰ বাবে মুখাৰ ব্যৱহাৰো কৰা হয়। নাৰী চৰিত্ৰৰ কাৰণে পুৰুষে দীঘল চুলি আ-অলংকাৰ আদি ব্যৱহাৰ কৰে।



খুলীয়া ভাউৰীয়াৰ অন্য এক উল্লেখনীয় চৰিত্ৰ হৈছে বহুৱা। এই বহুৱা কাহিনীৰ অন্তৰ্গত নহয় যদিও ই ভাওনাখন হাস্যমধুৰ কৰি তোলে। হাস্যৰসৰ সৃষ্টি কৰাই বহুৱাৰ কাম। বহুৰঙী পোছাক, দাড়ি-গোফ, নকল দাঁত-আদি ব্যৱহাৰ কৰি এটি হাস্যকৰ বেশভূষাৰে বহুৱা সজ্জিত হয় আৰু ভাওনাত প্ৰৱেশ কৰি হাস্যকৰ পৰিৱেশৰ সৃষ্টি কৰে।

দৰঙত অনুষ্ঠিত এই খুলীয়া ভাউৰীয়া অনুষ্ঠানটি অতি মনোৰঞ্জনমূলক। দৰঙৰ প্ৰায় প্ৰতিখন গাঁৱতে খুলীয়া ভাউৰীয়াৰ এটিকৈ দল আছিল, কিন্তু বৰ্তমান সময়ত ইয়াৰ প্ৰচলন কমি আহিছে। গতিকে যুৱ সমাজে ইয়াৰ বহুল প্ৰচাৰৰ ওপৰত দৃষ্টিগোচৰ কৰাটো অতি আৱশ্যক।

**ঢেপা ঢুলীয়া ঃ**

দৰঙৰ অন্য এক লোক-পাৰিৱেশ্য কলা হৈছে ঢেপা-ঢুলীয়া। এই ঢেপা ঢুলীয়া কৃষ্টি কেৱল দৰঙতে বিৰাজমান যদিও ই আজি বিলুপ্তিৰ পথত। দৰঙৰ এই অনুষ্ঠান বিবাহ, চূড়াকৰণ, দেউল আদিত পৰিৱেশন কৰা হয়। দুতৰপীয়া চালেৰে নিৰ্মিত ঢোলৰ ভিতৰত পানী ভৰাই দিয়া হয়, যাৰ ফলত ইয়াৰ পৰা ঢেপ্ ঢেপ্‌কৈ শব্দ হয়, সেইবাবে ইয়াক ঢেপা ঢোল বোলা হয় আৰু ঢুলীয়াজনক ঢেপা ঢুলীয়া বোলা হয়। এই ঢেপা ঢোলটো দুই-তিনি ফুট মান হয়। এটা মূৰ সৰু আৰু আনটো মূৰ ডাঙৰ হয়। নাচন, গাহন আৰু বাদি এই তিনিবিধ ঢুলীয়া পৰিৱেশন কাৰ্যৰ অপৰিহাৰ্য অংগ। ঢুলীয়া সকলে গাত ৰংবিৰঙৰ আঁঠুৰ তললৈ যোৱা জামা আৰু ৰঙীন চোলা পিন্ধে। ঢেপা ঢুলীয়া ৬ৰ পৰা ১০-১২ জন ঢুলীয়া থাকে। আৰু লগত তালুৱৈও থাকে। এইবিধ অনুষ্ঠানত পৰিৱেশন কৰা গীতবোৰত লোকজীৱনৰ কথা, লোকবিশ্বাস, হাঁহি-ধেমালি, উপহাস আদি থাকে। ঢোলৰ বাদিবোৰ এনেধৰণৰ হয়- গোৰবাদি, পাতালবাদি, খৰবাদি, কাণ কটা বাদি, নাক কটা বাদি ইত্যাদি।

ছিপাঝাৰৰ নিকটৱৰ্তী ধোকাপাৰা গাৱঁৰ বিপিন চন্দ্ৰ ডেকাক ঢেপা ঢোলৰ ওজা বুলি কোৱা হয়। তেখেত ঢেপা ঢুলীয়া আৰু ওজাপালিৰ দাইনাপালি ৰূপে খ্যাত।

বৰ্তমান এই ঢেপা ঢুলীয়া কৃষ্টি দৰঙত বিলুপ্তৰ পথলৈ আহিছে যদিও নৱ-প্ৰজন্মই ইয়াক পুনৰুজ্জীৱিত কৰা উচিত।

**নাঙেলী গীত ঃ**

দৰঙৰ পাৰিৱেশ্য লোককলাৰ অন্যতম হৈছে আইনাম, নাঙেলী গীত। নাঙেলী গীত কেৱল দৰঙতে উপলব্ধ। গৰখীয়া ল'ৰাসকলে পুৰ্বতে গৰু চৰাই থাকোঁতে বা ঘৰলৈ লৈ আহোঁতে নিৰ্জন ঠাইত চিঞৰি চিঞৰি এই গীতবোৰ গাইছিল। ছোৱালীবোৰক উদ্দেশ্য কৰি এই গীতবোৰ গোৱা হৈছিল তাৰ প্ৰত্যুত্তৰ হিচাপে ছোৱালীবোৰেও এই গীত গাইছিল। এই গীতসমূহৰ মাজত নগ্ন আৰু যৌনতাৰ প্ৰকাশ পাইছিল। গীতবোৰ ভাষাবোৰ খুব সাৱলীল নাছিল, অশ্লীলতাই ঠাই পাইছিল। এয়াই দৰঙৰ অন্যতম লোক গীত নাঙেলী গীত। যিয়ে দৰঙৰ চহা জীৱনৰ মুক্ত প্ৰকাশ। ই লোক সাহিত্যৰ অপূৰ্ব প্ৰকাশ।

দৰং জিলা লোক সংস্কৃতিৰ ভঁৰাল। ইয়াৰ লোক-কলা কৃষ্টিৰ বৰ্ণনা কৰাটো অতি কঠিন, কিয়নো ইয়াৰ পৰিসৰ অতি বিস্তৃত। দৰঙৰ লোক-কলা-কৃষ্টিৰ এতি অতি সংক্ষিপ্ত বিৱৰণহে দাঙি ধৰা হ'ল। লোক-সংস্কৃতিয়ে জাতি এটাক জীয়াই ৰাখে, অতীতৰ পৰা বৰ্তমানলৈ আৰু বৰ্তমানৰ পৰা ভৱিষ্যতলৈ।

এই পৰম্পৰাৰ ধাৰাবাহিকতা জীয়াই ৰখাটো নৱ-প্ৰজন্মৰ দায়িত্ব আৰু কৰ্তব্য। দৰঙীয়া লিকিৰা-ঝিয়া হিচাপে দৰঙী লোক-কৃষ্টিৰ পৰম্পৰা অটুট ৰখাটো আমাৰ দায়িত্ব। দৰঙৰ লোক-সংস্কৃতি সঁচাকৈয়ে অতি মনোৰঞ্জনমূলক আৰু উৎকৃষ্ট সংস্কৃতি।❑



# অসমৰ জাতীয় চিনাকি বিহু আৰু ভিন্ন জনগোষ্ঠীৰ মাজত ইয়াৰ ভিন্ন ৰূপ

মৃন্ময়ী কলিতা

*"বিহুৱে বিৰিণা পাতে সমনীয়া,*
*বিহুৱে বিৰিণা পাত*
*বিহু থাকে মানে বিহুকে বিনাবি*
*বিহু গ'লে বিনাবি কাক"*

অসম বুলিলেই ঢোল, পেঁপা, গগনাৰ মাত আৰু বিহু। অসমৰ প্ৰথম চিনাকি বিহুৱেই আৰম্ভ হয় অথবা বিহুৱেই আৰম্ভ কৰিব পাৰি। সেই অসমৰ বৰ্ণিল কৃষ্টি সংস্কৃতিৰ বৰঘৰত বিহুৰ আসন সদায় আটাইতকৈ ওপৰত আছে আৰু থাকিব। অসমৰ জাতীয় উৎসৱ এই বিহু। যাক তিনিবাৰ তিনিটা বিশেষ বিহু হিচাপে পালন কৰা হয়। তিনিটা বিশেষ ঋতুত এই তিনি বিহু পালন কৰা হয়। অসমীয়া বাৰ মাহৰ ভিতৰত এটা বিহু বছৰৰ আৰম্ভণিত, এটা মাজভাগত আৰু এটা শেষৰ ফালে পালন কৰা হয়। তিনিওটা বিহুকেই সমাহৰণ উৎসৱ বুলিব পাৰি। আৰ্য্য আৰু অনা আৰ্য্য সাংস্কৃতিক উপাদানৰ সংশ্লেষণ বিহু উৎসৱত পৰিদৃষ্ট হয়। বিহু উৎসৱ প্ৰকৃততে উৰ্বৰতাৰ উৎসৱ।

বিহু উৎসৱ তিনিটা। বিভিন্ন তিনিটা ঋতুৰ ভিতৰত বসন্ত কাল অৰ্থাৎ ঋতুত ব'হাগ মাহত উদযাপন কৰা হয় বহাগ বিহু বা ৰঙালী বিহু। শীতকালত অৰ্থাৎ মাঘ মাহত অনুষ্ঠিত হয় মাঘ বিহু অথবা ভোগালী বিহু। আৰু কাতি বা কঙালী বিহু পালন কৰা হয় কাতি মাহত অৰ্থাৎ শৰৎ কালত।

বড়োসকলৰ মাজত ব'হাগ বিহু বৈশাগু ৰূপে পালন কৰা হয়। অসমীয়াসকলৰ দৰে বড়োসকলেও এই বিহু সাতদিনকৈ পালন কৰে। ৰাভাসকলৰ মাজত এই উৎসৱ বায়খু (বায়খ') ৰূপে পৰিচিত। মিছিংসকলৰ বসন্তকালীন এই উৎসৱৰ নাম আলি-আই-লিগাং অৰ্থাৎ





শস্য সিঁচা উৎসৱ। ইয়াৰোপৰি দেউৰীসকলে তিনিওটা বিহু পালন কৰে কিন্তু তেওঁলোকে বিহুৰ সলনি ‘বিচু’ পদটোহে ব্যৱহাৰ কৰে।

তিৰাসকলেও বহাগৰ প্ৰথম বুধবাৰে বিহুৰ এই বিচু পালন কৰে। অসমৰ প্ৰত্যেক জাতি জনগোষ্ঠীৰ নিজা নিজা বিহু অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত নিজা পৰম্পৰা লুকাই আছে।

বড়োসকলে চ'ত মাহৰ সংক্ৰান্তিৰ পৰা আৰম্ভ কৰি সাতদিনলৈ বৈশাগু পালন কৰে। বড়োসকলে মানুহ বিহুৰ দিনা ছত্ৰাঞ্জলি চিফুং অৰ্থাৎ বাঁহীৰে এই বিহুৰ আৰম্ভণি কৰে। বাঁহীৰ সুৰ শুনিলে সাপৰ কণী ঘোলা হয় বুলি বড়োসকলে বিশ্বাস কৰি আহিছে। তিৰাসকলে ব'হাগৰ প্ৰথম বুধবাৰেহে বিচু অৰ্থাৎ বিহু পালন কৰে। সোণোৱাল কছাৰীসকলে গৰু বিহুৰ দিনা পিঠাগুৰি মিহলোৱা পানীৰে ঘৰ শুচি কৰি লয়। গৰু বিহুৰ দিনা সোণোৱাল কুাৰী সকলে গাঁৱৰ বিষয়াই নিৰ্বাচন কৰি দিয়া তিনিজন লোকৰ তত্বাৱধানত হুঁচৰি গোৱা আৰম্ভ কৰে। হুঁচৰি গাবলৈ যাওঁতে তেৰটা পাব থকা ভলুকা বাঁহ এডাল তিনিডাল বাঁহৰ ওপৰত থৈ বাঁহডালৰ তলত ধৰি গীতৰ সুৰে সুৰে নৃত্য কৰে ইয়াক হাইদাং নৃত্য বোলে। উজনি অসমৰ মৰাণসকলেও ব'হাগ মাহৰ প্ৰথম বুধবাৰে বিহু পাতে। সেয়ে তেওঁলোকৰ বিহুক বুধবৰীয়া বিহু বোলে। আদিতে তেওঁলোকে কেঁচাইখাইতি থানত বলি দি বিহু আৰম্ভ কৰিছিল।

প্ৰায় সকলোৰে পৰিচিত অবিভক্ত কামৰূপ জিলাত ব'হাগ মাহত ভঠেলি উৎসৱ পতা হয়। ঠিক তেনেদৰে বজালী জিলাত অথবা বজালী অঞ্চলত পাউৰা তোলা, নলবাৰী জিলাৰ উত্তৰ অঞ্চলত দহৰ ফুটোৱা, দক্ষিণ কামৰূপৰ সুঁৱেৰি, দৰঙৰ ঐতিহাসিক দেউল উৎসৱ, গোৱালপাৰা জিলা, উত্তৰ নলবাৰী, ওদালগুৰি জিলাৰ বাঁহপূজা, জালি পুতেলিৰ বিয়া, আদি বিহুৰ সহধৰ্মী হিচাপে পালন কৰা হয়।

অজনজাতীয় অসমীয়া আৰু বড়োসকলে পালন কৰা ৰঙালী বিহু উৎসৱৰ এসপ্তাহ বা দুসপ্তাহৰ মূৰত কোনোবা এটা বুধবাৰৰ পৰা তিৱা বা লালুংসকলে ব'হাগ বিহু পাতে- গীত নৃত্য আৰু বাদ্যৰ সহায়ত। তিৰাসকলে ফাগুন মাহৰ কোনোবা এটি ৰবিবাৰ নাইবা বুধবাৰে ছগ্ৰামিছাৰা উৎসৱ পালন কৰে আড়ম্বৰপূৰ্ণভাৱে। সকলোৰে মিলি নচা নাচৰ নামেই ছগ্ৰামিছাৰা। এই উৎসৱত অবিবাহিত ডেকা-গাভৰুসকলে অংশগ্ৰহন কৰে। যৌনগন্ধী গীত-পদে অৰ্থাৎ ছাগ্ৰাই প্ৰাধান্য লাভ কৰে এই উৎসৱত। চুতীয়াসকলৰ মতে বিহু শব্দটো চুতীয়া ভাষাৰ পৰা আহিব পাৰে। তেওঁলোকৰ মাজত প্ৰচলিত বিচু বা বিসু শব্দৰ অৰ্থ অতিশয় আনন্দ। ডিমাচাসকলে চৈত সংক্ৰান্তিৰ দিনৰে পৰা বুচু বা বাশাগী সাঞ্জোৰা পালন কৰে গীত-পদ-নৃত্য নাচৰ সৈতে। শস্যৰ দেৱতা ব্ৰাই শিব্ৰাই আৰু বৃষ্টিদাত্ৰী দেৱী গামাদীক সন্তুষ্ট কৰিবলৈ এই উৎসৱ পালন কৰে। হাজংসকলেও চৈত সংক্ৰান্তি বা ব'হাগ বিহু পালন কৰে গীত নৃত্যৰ মাধ্যমেৰে। ভৈয়ামৰ কাৰ্বিসকলেও ব'হাগ বিহু বা ব'হাগ দোমাহী উদ্‌যাপন কৰে দোমাহী আলুন আৰু দোমাহী কেকানৰ জৰিয়তে। ৰঙালী বিহুৰ প্ৰসংগত সোণোৱালসকলে হগ্ৰা নৃত্য পৰিৱেশন কৰে। অঞ্চল বিশেষে বহুৱা নাচো নাচে। অসমৰ তাই বৌদ্ধসকলে ৰঙালী বিহুৰ প্ৰসংগত ‘পয়চাংকেন’ উৎসৱ বৰ উৎসাহ-উদ্দীপনাৰে পালন কৰে। ‘পয়চাংকেন’ উৎসৱ এফালে বসন্ত উৎসৱ আৰু আনফালে সংক্ৰান্তি উৎসৱ।

উজনি অসমত ধৰ্মীয় কৃত্য আৰু গীত-নৃত্যৰ মাজেৰে ৰঙালী বিহু উৎসৱ পালিত হয়। অন্যহাতে নামনি অসমত ভঠেলি, পাওৰা, পাৰা, সুৱী, সুঁৱেৰী, দেউল, গাছ-বিয়া আদিৰে ব'হাগ বিহু অনুষ্ঠিত হয়। গোৱালপাৰা অঞ্চলত বিশেষকৈ কমতা অঞ্চলত বহাগ বা ৰঙালী বিহু বিষুৱা বা বিষমা বা বোযোমা নামেৰে পৰিচিত। পূৰ্বৰ দৰং জিলা অথবা দৰং ৰাজ্যত বাশ-পূজাই দেউল পূজাৰূপে পৰিগণিত হৈছে।

আৱৰসকলৰ উঝিং (Uing) বা আৰাণ (Aran) উৎসৱৰ সৈতে ৰঙালী বিহুৰ মিল পৰিলক্ষিত নোহোৱাকৈ নাথাকে। ৰাঞ্চোসমাজত ৰঙালী বিহুৰ সমধৰ্মী উৎসৱ ‘লুকু’ প্ৰচলিত। নক্টেসকলৰ মাজতো বিহু সদৃশ্য উৎসৱ পালন কৰাৰ পৰম্পৰা প্ৰচলিত। টাংছোসকলৰ দ্বাৰা উদ্‌যাপিত চামবুনমোৰ উৎসৱৰ লগত ব'হাগ বা ৰঙালী বিহুৰ সাদৃশ্য মন কৰিবলগীয়া। আদি গোলংসকলৰ দ্বাৰা উদ্‌যাপিত ‘মপিন’ বা ‘চলোং’, ৰঙালী বিহুৰ দৰে কৃষি উৎসৱ। কুকিসকলে বসন্ত কালত উদ্‌যাপন কৰা ‘আৰেম’ উৎসৱো ঋতুকালীন উৎসৱ।

অসমীয়া জাতীয় উৎসৱ বিহুৰে নিজ স্বকীয় কৃষ্টি-সংস্কৃতিৰে ভিন্ন জাতি জনগোষ্ঠীৰে ভৰপূৰ অসমৰ চুকে-কোণে ভিন্ন ৰূপত সিঁচৰতি হৈ আছে। আৰু বিহুৰ এই পৰম্পৰা নিজা ৰীতি-নীতি, আচাৰ, কৃষ্টি সকলোৰে সন্মিলনত ই এক বিশেষ স্থান পাই আহিছে। বিদেশী পৰ্যটক এগৰাকী আহিলেই অসমৰ জাপি, গামোচা এখনেৰে আদৰণি জনোৱাৰ লগতে যেতিয়া ঢোল-পেঁপাৰে আদৰি অনা হয় তেতিয়াই জাতিটো জীয়াই উঠে, তেতিয়াই আমাৰ বিহু যে জীয়াই আছে সেই কথা পৰিস্ফুট হৈ উঠে।

ৰাভাসকলে চ'ত সংক্ৰান্তিৰ দিনা গোহালিত দেওপূজা পাতি গৰু বিহু পালন কৰে। ডিমা হাছাও জিলাৰ ডিমাছাসকলে নৱেম্বৰ মাহৰ পৰা আৰম্ভ কৰি মাৰ্চ মাহৰ ভিতৰত বিসু উৎসৱ পালন কৰে। ঠেঙাল কুৰী সকলে ব'হাগ বিহুৰ দিনা মৃতকৰ উদ্দেশ্যে আনে নেদেখাকৈ ৰান্ধনী ঘৰত সাতখন বা নখন কলপাতত জীৱিত কালত লোকজনে খোৱা বস্তুবোৰ, ভাত, মদ, আদিৰে নৈবেদ্য আগবঢ়ায়।

ইয়াৰ পিছতেই আহি পৰে ভোগালী বিহু। অসমৰ বিভিন্ন জাতি-উপজাতিৰ মাজত ভোগৰ বিহু ৰূপেই মাঘবিহু বা ভোগালী বিহু জনাজাত।

অসমৰ বিভিন্ন অঞ্চলত গো-পূজা, অগ্নি পূজা, নামপ্ৰসংগ, কীৰ্তন-শ্ৰৱণ-বন্দন, মেলা- সভা আৰু বিলাসপূৰ্ণ ভোজনৰ সৈতে মাঘ বিহু বা ভোগালী বিহু পালিত হয়। বড়ো, ৰাভা, মিচিং, ভৈয়ামৰ কাৰ্বি আৰু পৰ্বতৰ কাৰ্বি, তিৱা, সোণোৱাল, ডিমাছা, দেউৰী, হাজং,খামতি, তাই- আহোম আদি বিভিন্ন নৃ-গোষ্ঠীৰ মাজত মাঘ বিহু বা ভোগালী বিহু বিভিন্ন নামেৰে পৰিচিত হ'লেও প্ৰত্যেকৰ তাৎপৰ্য প্ৰায় একেই।

অঞ্চল বিশেষে মাঘ বিহু পুষণা নামেৰে প্ৰচলিত।

মাঘৰ মাহ ধৰ্মৰ মাহ বুলিও কোৱা হয়। এই সময়ত অসমৰ বিভিন্ন অঞ্চলত সভা, মেলা, যাগ- যজ্ঞ, পূজা-সেৱা আদি পালন কৰা হয়। ব'হাগ বিহু বা মাঘ বিহু প্ৰসংগত ম'হ যুঁজ, হাতী যুঁজ, শেন-কনুৰা যুঁজ আদিও অনুষ্ঠিত হোৱা দেখা যায়। মাঘ বিহুৰ সময়ত হাজোৰ মাধৱ মন্দিৰত বুলবুলি যুঁজ অনুষ্ঠিত হয়। পুষ-সংক্ৰান্তি বা পুষণাৰ সময়তেই বাঘ-দেৱতা অৰ্থাৎ সোণাৰায়ক পূজা কৰা হয়-- যাতে গৰু-ম'হ বধ কৰি মানুহক অত্যাচাৰ নকৰে।

শস্য সিঁচা আৰু ৰোৱা সম্পূৰ্ণ হোৱাৰ ইংগিত বহন কৰে কাতি বিহু বা কঙালী বিহুৱে। তুলসী পূজা আৰু খেতি পথাৰত অনুষ্ঠিত ধৰ্মীয় কৃত্যই কাতিবিহুৰ প্ৰধান বিশেষত্ব। এই বিহুত খোৱা-লোৱাৰ বিশেষ ধুমধাম নাথাকে বাবে ইয়াৰ নাম কঙালী বিহু। কাতি বিহুৰ প্ৰসংগত তিৱাসকলে লাংথুন-পূজা অৰ্থাৎ বাঁহ পূজা পাতে। কাতি বিহুৰ দিনাৰ পৰাই ভৈয়ামৰ তিৱাসকলে 'বৰত উছৱ' উদযাপন কৰিবলৈ লয়। গীত আৰু নৃত্যই এই উৎসৱত প্ৰাধান্য লাভ কৰে। কামাখ্যা মন্দিৰত প্ৰচলিত কুমাৰী পূজাৰ সৈতে 'বৰত উছৱ'ৰ সম্পৰ্ক থাকিব পাৰে বুলি কোনো কোনো পণ্ডিতে ভাবে। আকৌ কোনো কোনো পণ্ডিতৰ মতে ঊষা-অনিৰুদ্ধ আখ্যানৰ আধাৰত বৰত উছৱ পল্লৱিত হৈছে। বৰত উছৱৰ প্ৰসংগত চৰাই লেৱা-নাচ আৰু আন মুখা নৃত্য অনুষ্ঠিত হয়।

এনেধৰণেই অসমীয়া জাতীয় উৎসৱ বিহুৰে নিজ স্বকীয় কৃষ্টি-সংস্কৃতিৰে ভিন্ন জাতি জনগোষ্ঠীৰে ভৰপূৰ অসমৰ চুকে-কোণে ভিন্ন ৰূপত সিঁচৰতি হৈ আছে। আৰু বিহুৰ এই পৰম্পৰা নিজা ৰীতি-নীতি, আচাৰ, কৃষ্টি সকলোৰে সন্মিলনত ই এক বিশেষ স্থান পাই আহিছে। বিদেশী পৰ্যটক এগৰাকী আহিলেই অসমৰ জাপি, গামোচা এখনেৰে আদৰণি জনোৱাৰ লগতে যেতিয়া ঢোল-পেঁপাৰে আদৰি অনা হয় তেতিয়াই জাতিটো জীয়াই উঠে, তেতিয়াই আমাৰ বিহু যে জীয়াই আছে সেই কথা পৰিস্ফুট হৈ উঠে।

এইদৰে ভিন্ন জাতি-জনজাতি অথবা ভিন্ন জনগোষ্ঠীৰ মাজত তেওঁলোকৰ নিজ-নিজ ৰীতি নীতিৰ জৰিয়তে এই বিহু পালন কৰা হয়। সকলো জনজাতীয় লোকে তেওঁলোকৰ নিজ নিজ কৃষ্টি-সংস্কৃতিৰ শিকলিডাল মজবুত কৈ ধৰি ৰখাত সদা প্ৰস্তুত।❑

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

*উৎস ঃ ব'হাগ বিহুৰ বিচিত্ৰ ৰূপ- ডঃ বিজয় কুমাৰ শৰ্মা, বিভিন্ন গ্ৰন্থ আৰু কাকত-আলোচনীত প্ৰকাশিত প্ৰবন্ধ, ইণ্টাৰনেটত প্ৰকাশিত তথ্য আৰু কিছু প্ৰবন্ধৰ সহায় লৈ।*



# ঐতিহাসিক সত্ৰানুষ্ঠানসমূহৰ বৈষ্ণৱ সংস্কৃতি, লোকবিশ্বাস আৰু খটৰা সত্ৰৰ পাচেতি মহোৎসৱ

## এক বিশ্লেষণ

**নিকুমণি বৰুৱা**

দৰঙৰ ঐতিহ্যমণ্ডিত খটৰা সত্ৰ অসমৰ আন সত্ৰসমূহৰ তুলনাত কেইবাটাও দিশত বৈশিষ্ট্যপূৰ্ণ। লোক ভাষাত "খটৰা গোসাঁই ঘৰ" হিচাপে অধিক পৰিচিত এই সত্ৰানুষ্ঠানখনি মূলতঃ বৈষ্ণৱ, শাক্ত, শৈৱ আদি সকলো পন্থৰ লোকৰ বাবে ভক্তিধৰ্মৰ ক্ষেত্ৰত হিয়াৰ আমঠুস্বৰূপ। তদুপৰি অসমৰ সত্ৰসমূহৰ লেখিয়াকৈ ইয়াত নিৰ্দিষ্ট সত্ৰাধিকাৰ নাই; বৰং গণতান্ত্ৰিকভাৱে নিৰ্বাচিত সমিতিৰ দ্বাৰা সত্ৰখন সুপৰিচালিত। একেদৰে ইয়াত সংস্থাপিত ৰাম-লক্ষ্মণ-সীতা আৰু হনুমানৰ মূৰ্ত্তিয়ে মূৰ্ত্তি উপাসনাত বিশ্বাসীসকলক যিদৰে আকৰ্ষণ কৰে তদ্ৰূপ সুবিশাল নামঘৰটিত সাত খলপীয়া গুৰুআসন, শৰাই, থাপনা আদিয়ে বৈষ্ণৱীয় দিশটো সমানে প্ৰকট কৰি আহিছে। একালত সত্ৰৰ গৃহ নিৰ্মাণত ভক্তপ্ৰাণ ৰাইজৰ লগতে পথৰুঘাটৰ দিদাৰুদ্দিন তহছিলদাৰেও কায়িক আৰু আৰ্থিক অনুদান আগবঢ়োৱা কথাই হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ কথাকে প্ৰতীয়মান কৰে। প্ৰণিধানযোগ্য যে সত্ৰৰ প্ৰতিষ্ঠাপক লেচাকণীয়া গোবিন্দ আতাৰ কোনো সন্তান নথকাৰ পৰিপ্ৰেক্ষিতত সম্ভৱতঃ তেখেতৰ অবৰ্তমানত সত্ৰাধিকাৰ ব্যৱস্থা নাইকিয়া হোৱা বুলি ধাৰণা কৰিব পাৰি। চৰিত পুথিত তেখেতৰ তিনিগৰাকী পত্নী- যথাক্ৰমে লক্ষ্মী, সুমিত্ৰা আৰু গঙ্গাৰ নাম আছে যদিও কোনো সতি-সন্ততিৰ কথা উল্লেখ নাই। সেয়ে পৰলোকপ্ৰাপ্তিৰ আগদিনা গোবিন্দই ভক্তসকলক মাতি আনি সত্ৰৰ ভাৰ তেওঁলোকৰ ওপৰতে ন্যস্ত কৰে। অৱশ্যে পুষ্যাপুত্ৰ পদোক তদাৰকী মুৰব্বী পাতে। এই কথাৰ উল্লেখ এনেদৰে বৰ্ণিত হৈছে- "গোবিন্দও বুলিলন্ত সমূহক চাই। মোহোৰ ভক্তৰ মাজে কোনো মুৰব্বী নাই। কিন্তু পদো পুত্ৰক যে ৰাখিবা তাহাৰ বাক্যক পালি সমূহ চলিবা।।" উল্লেখযোগ্য যে, বিভিন্ন ঋতুত, বিভিন্ন লোক উৎসৱ-পাৰ্বণ আদি সত্ৰখনিত নিয়াৰিকৈ সম্পাদিত হৈ আহিছে অতীজৰে পৰা। এই উৎসৱসমূহৰ ভিতৰত কৃষ্ণৰ জন্মকেন্দ্ৰিক অনুষ্ঠান— পাচেতি অন্যতম। মূলতঃ ভাদ আৰু আহিন মাহৰ সংক্ৰান্তিৰ দিনা অনুষ্ঠিত এই লোক উৎসৱৰ লগত সঙ্গতি ৰাখি দধিমন্থন অনুষ্ঠান হয়। মোমায়েক কংসই গম নোপোৱাকৈ নন্দ বতাই কৃষ্ণ ওপজাৰ পাঁচদিনৰ দিনা এই উৎসৱ পালন কৰিছিল। পিছলৈ এই উৎসৱ পাচেতি নামেৰে জনাজাত হৈ পৰে। প্ৰসঙ্গত উল্লেখ

কৰাটো সমীচিন হ'ব যে কৃষ্ণৰ জন্ম হৈছিল ভাদ মাহৰ অষ্টমী তিথিত। সেইফালৰ পৰা অষ্টমীৰ পাঁচদিন অৰ্থাৎ দ্বাদশী তিথিতহে এই উৎসৱ পালন কৰাৰ যুক্তিযুক্ততা আছে। এনে তিথিৰ ওপৰত ভিত্তি কৰি অসমৰ অন্য সত্ৰ বিশেষকৈ সুন্দৰীদিয়া সত্ৰত অদ্যপিও দ্বাদশী তিথিত পাচেতি উৎসৱ পালন কৰাৰ তথ্য পোৱা যায়। কিন্তু খটৰা সত্ৰত পলমকৈ অৰ্থাৎ ভাদ আৰু আহিন মাহৰ সংক্ৰান্তিৰ দিনা পাচেতি পালন কৰাৰ কেতবোৰ কাৰণো নথকা নহয়।

শ্ৰীকৃষ্ণৰ জন্মৰ পাঁচ দিনত নন্দ ৰজাৰ ঘৰত গকুলবাসীয়ে আনন্দত আত্মহাৰা হৈ পাচেতি উৎসৱ পালন কৰিছিল। তদানীন্তন পৰম্পৰা আৰু ধৰ্মীয় বিশ্বাস ৰূপে খটৰা সত্ৰতো জন্মাষ্টমীৰ পাঁচ দিনত পাচতি উৎসৱ পালন কৰিছিল। পাচেতি উৎসৱ দৰঙৰ স্থানীয় ভাষাত পাচেতি ৰূপে জনা যায়। খটৰা সত্ৰত পোনতে জন্মাষ্টমীৰ পঞ্চম দিনা পাচেতি উৎসৱ পালন কৰা হৈছিল যদিও পিছলৈ ভাদ-আহিনৰ দোমাহী আৰু আহিনৰ এক তাৰিখত পাচেতি উৎসৱ পালন কৰা পৰম্পৰা চলিত হয়। এনে হোৱাৰ কাৰণ হৈছে জন্মাষ্টমীৰ সময়ছোৱাত খটৰা সত্ৰৰ পাৰ্শ্বৱৰ্তী কৃষক ৰাইজৰ কৃষি কাৰ্যৰ ভৰপক সময়। হাল বোৱা, কোৰ মৰা, কঠীয়া তোলা, ভূঁই ৰোৱা আদি কামত অধিকভাৱে ব্যস্ত থাকিবলগীয়া হোৱাত জন্মাষ্টমীৰ সময়ত পাচেতি উৎসৱ পালন কৰাত অসুবিধা হয়। সেয়ে খেতি-খোলা সামৰি আজৰি হৈ ভাদ-আহিনৰ সংক্ৰান্তিত পাচেতি উৎসৱ পালন কৰা পৰম্পৰা খটৰা সত্ৰত প্ৰচলিত হয়।

'পাচতি' বা 'পচতি' উৎসৱ দৰং জিলাত 'পাচেতি' ৰূপে পৰিচিত। পাচেতি শব্দটো সংস্কৃত পঞ্চ শব্দৰ পৰা উদ্ভৱ হৈছে। পঞ্চতি, পাঞ্চতি আদি শব্দ পাচেতি বা পচতি শব্দৰ সমাৰ্থক। পাচেতি অনুষ্ঠান জীৱন-বৃত্ত সম্পৰ্কীয় উৎসৱ, জন্মকৃত্যৰ লগত সম্পৰ্কযুক্ত। জন্মকৃত্যৰ লগত জড়িত বিভিন্ন কৃত্য সন্তান জন্ম হোৱাৰ পাঁচদিন, এঘাৰদিন, একৈশ দিন আৰু ত্ৰিশ দিনত উদ্‌যাপিত হোৱা দেখা যায়। প্ৰত্যেকটি কৃত্যৰ অন্তৰালত সন্তানৰ কল্যাণকামিতা নিহিত হৈ থাকে।

ল'ৰা-ছোৱালীৰ জন্মৰ পাঁচদিনৰ দিনা সন্তানক ঘৰৰ পৰা বাহিৰ উলিয়াই সূৰ্য দৰ্শন কৰায়। সেইদিনাই সন্তানৰ নামকৰণ অনুষ্ঠান কৰা হয়। ইয়েই পাচেতি। পিছলৈ এই অনুষ্ঠান কৃষ্ণৰ লগত সম্পৃক্ত হৈ পৰিল আৰু উৎসৱ হিচাপে সত্ৰসমূহত উদ্‌যাপিত হ'বলৈ ধৰিলে। কৃষ্ণ জন্ম হৈছিল ভাদ মাহৰ কৃষ্ণাষ্টমী তিথিত। অষ্টমী তিথিৰ পাঁচদিন পিছত অৰ্থাৎ দ্বাদশী তিথিত পাচেতি উৎসৱ পালন কৰে। স্থান বিশেষে ইয়াৰ ব্যতিক্ৰমো দেখা যায়। কৃষ্ণ জন্মৰ পঞ্চম দিনত কংস ৰজাই খবৰ নোপোৱাকৈ নন্দ ৰজাই গোপনে পাচেতি উৎসৱ পালন কৰিছিল। সেই পৰম্পৰামতে আজিও সুন্দৰীদিয়া সত্ৰত গোপনে পাচেতি উৎসৱ পালন কৰে। অৱশ্যে ৰাইজৰ মাজত ই গোপনীয় নহয়। সুন্দৰীদিয়া সত্ৰৰ বাহিৰেও কোনো কোনো সত্ৰত এই উৎসৱ পালন কৰা দেখা যায়।

জন্মাষ্টমী কৃত্যৰ লগত পাচেতি কৃত্যৰ সাদৃশ্য লক্ষ্য কৰিব পাৰি। বৈষ্ণৱ আদৰ্শ বিশেষকৈ বাৎসল্য ভাৱৰ পাৰাকাষ্ঠা প্ৰকাশ পাইছে পাচেতিৰ লোক ভাওনা, দধিমন্থন আদি অনুশীলনসমূহৰ সংযোগত। পাচেতি সম্পৰ্কীয় গীত-পদবোৰ নাৰী সমাজত সীমিত যদিও পুৰুষ সমাজতো ইয়াৰ পৰম্পৰা নাই বুলি ক'ব নোৱাৰি। খটৰা সত্ৰত অনুষ্ঠিত দধিমন্থন অনুষ্ঠান তিৰোতাৰ ভাওত পুৰুষেই সমাধা কৰে। অবিভক্ত কামৰূপ জিলাৰ অন্তৰ্গত বজালী অঞ্চলত জন্মাষ্টমীৰ পিছৰে পৰা এমাহলৈ পাচেতি গায়। উত্তৰ কামৰূপত নৱ-জাতকৰ মংগল কামনাৰে শ্ৰীকৃষ্ণ, যশোদা, গোপিনী আদি চৰিত্ৰৰ উপস্থিতিত পাচেতিৰ

'পাচতি' বা 'পচতি' উৎসৱ দৰং জিলাত 'পাচেতি' ৰূপে পৰিচিত। পাচেতি শব্দটো সংস্কৃত পঞ্চ শব্দৰ পৰা উদ্ভৱ হৈছে। পঞ্চতি, পাঞ্চতি আদি শব্দ পাচেতি বা পচতি শব্দৰ সমাৰ্থক। পাচেতি অনুষ্ঠান জীৱন-বৃত্ত সম্পৰ্কীয় উৎসৱ, জন্মকৃত্যৰ লগত সম্পৰ্কযুক্ত।

আনুষংগিক অনুষ্ঠানৰূপে দধিমন্থন অনুষ্ঠিত হয়। উত্তৰ কামৰূপৰ লাউপাৰা সত্ৰত কৃষ্ণাষ্টমীৰ পঞ্চম দিনত দধিমন্থন, তিৰোতাৰ নাম, ভাওনা, আদিৰে পাচেতি উৎসৱ উদ্‌যাপিত হয়। পাটবাউসী, ভাগৱতী সত্ৰ, লোচ সত্ৰ, কটৰা, খুদীয়া, জাগৰা আদি সত্ৰত অনুষ্টুপীয়াকৈ এই উৎসৱ পালন কৰে। দৰং জিলাৰ খটৰা সত্ৰ, দেবানন্দ সত্ৰ আৰু বৰঔতলা সত্ৰত পৰম্পৰাগতভাৱে পাচেতি উৎসৱ উদ্‌যাপিত হৈ আহিছে।

অসমত নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰসাৰৰ লগে লগে পাচেতি অনুষ্ঠানত নতুন নতুন অৰ্থ সংযোজিত হোৱাত ই পৰিৱেশ্য কলা ৰীতিলৈ উত্তৰিত হ'ল। পচতি গোৱা ৰীতি আৰু নামৰ আৰ্হিত 'জন্মযাত্ৰা', 'নন্দোৎসৱ নাট', 'পচতি' আদি গ্ৰন্থৰ উপৰিও সত্ৰত সত্ৰাধিকাৰসকলে আৰু আয়তীসকলে কৃষ্ণৰ অলৌকিক কাৰ্যাৱলীৰ গুণানুকীৰ্ত্তন কৰি মৌখিকভাৱে সাৱলীল পদ ৰচনা কৰাৰ প্ৰমাণ পোৱা যায়।

খটৰা সত্ৰত ভাদ মাহৰ শেষ দিনা আৰু আহিন মাহৰ প্ৰথমদিনা পাচেতি উৎসৱ অনুষ্ঠিত হয়। সংক্ৰান্তিৰ আগদিনা সত্ৰৰ দেউৰীসকলে পৰম্পৰাগতভাৱে অধিবাস পালন কৰে। এই দিনটোক পাচেতিৰ গোন্ধ বোলা হয়। অধিবাসৰ দিনা সত্ৰৰ নামঘৰৰ ভিতৰত চাকি-বন্তি, ধূপ-দ্বীপ জ্বলাই শৰাই পতা হয়। সত্ৰৰ খলাত ৰভা দি তাৰ তলত ভক্তি ভাৱেৰে ভাগৱত গ্ৰন্থ থাপন কৰে। ওচৰতে দধিমন্থনৰ বাবে বাঁহ আৰু কল পটুৱাৰে মন্থনী স্থান নিৰ্মাণ কৰে। মন্থনৰ শাল নিৰ্মাণ কৰা কাৰ্যত শিল্পীৰ কুশলতাৰ পৰিচয় পোৱা যায়। কাৰুকাৰ্য খচিত প্ৰায় তিনি হাত ওখ কাঠৰ খুঁটা ছয়টাত সমান সমান দূৰত্বত পাঁচটা ফুটা কৰা হয়



অথবা বিন্ধাযুক্ত বাটাম এডাল তাত সংযোগ কৰা দেখা যায়। ছয় হাত দীঘল জাতি বাঁহ পাঁচডালৰ ওপৰ ভাগত পৰম্পৰাৰ বিপৰীতভাৱে দুটা ফুটা কৰি তাত দুখন ধনু ওপৰ মুৰাকৈ সুমুৱাই দি বাঁহডাল আৰু ধনুখনৰ চাৰিটা মূৰত মৰাপাটেৰে চোঁৰৰ সাজি আঁৰি দিয়া হয়। কাঠডালৰ বিন্ধাকেইটাৰে ধনুযুক্ত বাঁহডাল সুমুৱাই গুৰিৰ ফালে এটা চুঙা পুতি বাঁহকেইডালৰ ওপৰ ভাগত কিন্তু ধনুকেইখনৰ তলত একোটা কাঠৰ চকা খুৰাই দিয়ে। কাঠডালৰ তলত বাঁহকেইডালত সৰু টান ৰচী এনেভাৱে লগাই দিয়া হয়, যাতে কাঠডালৰ দুয়োফালে দুজন লোকে ৰচীদালৰ মূৰত ধৰি দুয়োফালে টনাটনিকৈ থাকিলে বাঁহডাল ঘূৰে। এই পাঁচটা দধিমন্থনৰ শাল। সোঁমাজৰ শালখনৰ পূৰফালে কাঠৰ খুঁটাত সংলগ্ন কৰি দুটা কলপুলি পোতে।

সন্ধিয়া ছয়মান বজাৰ পৰা নামঘৰত নাম-প্ৰসঙ্গ আৰম্ভ হয়। নাম-প্ৰসঙ্গৰ অন্ততহে নাম ঘৰৰ পৰা শিৰত তুলি ভাগৱত গ্ৰন্থখন পৱিত্ৰভাৱে দেউৰীয়ে উলিয়াই আনে আৰু গায়ন-বায়নে পিছে পিছে খোল-তাল-চাপৰি বাই নাম-কীৰ্ত্তন কৰি আহি খলাত স্থাপন কৰে। ইয়াৰ পিছতেই দেউৰী অথবা যিকোনো এজন ব্যক্তিয়ে সত্ৰৰ নামঘৰৰ উত্তৰে থকা পুখুৰীৰ পৰা পানী তুলিবলৈ তিৰোতাৰ দৰে সাজপাৰ পিন্ধি সুভদ্ৰাৰ ভাও লয়। তেওঁ হাতত এখন কাঁহীৰ ওপৰত পাঁচটা মিঠাতেলৰ চাকি, এযোৰ তামোল-পাণ আৰু আনখন হাতত এটা কলহ লয়। তেওঁৰ পিছত গায়ন-বায়নে খোল-তাল বাদ্য বজাই পুখুৰীলৈ যাত্ৰা কৰে। সুভদ্ৰাৰূপী ব্যক্তিজনে পুখুৰীৰ পাৰত কাঁহীখন থৈ পাণ-তামোলযোৰ পুখুৰীত অৰ্পণ কৰি কলহটোত পানী ভৰাই, পানী লৈ তেওঁ নামঘৰলৈ আহে আৰু গায়ন-বায়নে পূৰ্বৰ দৰে গীত-বাদ্য কৰে। তেওঁ আহি আহি নামঘৰৰ সিংহ দুৱাৰ পালে ৰাইজে হৰিধ্বনি দিয়ে। তিনিবাৰ নামঘৰটো প্ৰদক্ষিণ কৰি কলহটো মন্থনী শাললৈ আনি ইতিপূৰ্বে মন্থনীশালত দধিৰ ভাণ্ড হিচাপে পাতি থোৱা পাত্ৰটোত পানীখিনি ঢালি দিয়ে। সুভদ্ৰা আগে আগে আৰু গোপিনী বেশ ধাৰণ কৰা ল'ৰা কেইজনমানে মন্থনীশাল এবাৰ পদক্ষিণ কৰি দধিমন্থন কাৰ্য আৰম্ভ কৰে। দধিমন্থনৰ সময়ত ওজাই (সূত্ৰধাৰে) পদ লগাই দিয়ে আৰু পালিসকলে মন্থনীশালৰ চাৰিওফালে ঘূৰি ঘূৰি পদৰ ছন্দে ছন্দে নাচি নাচি পদবোৰ দোহাৰে। ভৰা কলহসহ নামঘৰ প্ৰদক্ষিণ কৰোঁতে গোৱা দিহা কেইটামান তলত উল্লেখ কৰা হ'ল—

*"ঘিউৰ বাতি লৈ কৃষ্ণকে মাতোগৈ*
*ঘিউৰ বাতি লৈ কৃষ্ণকে মাতোগৈ।।*
*গোবিন্দ মুৰাৰি এ হৰি হে ৰামে জয়*
*আপুনি যশোৱা দধি মথিবা যায় এ।।"*

মন্থন কাৰ্যৰ সামৰণি পৰিলে ৰভাৰ তলত থিয়নাম ধৰে। থিয়নামত কৃষ্ণৰ স্তুতিসূচক কীৰ্তন, দশম, নামঘোষা আদিৰ পদ গায়। নামৰ অন্তত খলাত স্থাপন কৰা গ্ৰন্থখন খোলৰ ছেওসহ, গীত-পদ আবৃত্তি কৰি নামঘৰৰ মণিকূটত থয়। ৰাতি 'দধিমন্থন যাত্ৰা' অভিনীত হয়। পিছদিনা অৰ্থাৎ দোমাহীৰ দিনা দেউৰীয়ে গা-পা ধুই নামঘৰত ঠগি-থাপনা পাতি চাকি-বন্তি জ্বলাই দিয়ে। দহ মান বজাত ভক্তসকলে নাম-কীৰ্তন কৰি আগদিনাখন স্থাপন কৰা ভাগৱতখন নামঘৰৰ পৰা আনি বাহিৰৰ খলাৰ ৰভাৰ তলত পুনঃ 'থাপন' কৰে। গ্ৰন্থখনৰ ওচৰত 'কৃষ্ণ'ৰ সাদৃশ্যত 'কুশ'ৰ মূৰ্তিটো নামঘৰৰ পৰা উলিয়াই আনি স্থাপন কৰে। দুপৰীয়া সময়ত আগদিনাখন ৰাতিৰ দৰে দধি মন্থন কৰে।

খটৰা সত্ৰ আৰু বৈনাতাৰা সত্ৰ 'হনুমান' উপাসনাৰ বাবে প্ৰখ্যাত। হনুমানক কেন্দ্ৰ কৰি অনেক লোক-বিশ্বাসৰ সৃষ্টি হৈছে। বৃষ্টি আনয়ন কৃত্য হিচাপে হনুমানৰ মূৰ্তি সত্ৰৰ বাহিৰত উলিয়াই খৰাং বতৰত বৰষুণ কামনা কৰা প্ৰথা অধুনাও অব্যাহত। অবিবাহিত গাভৰুৰ স্বামী লাভ, সন্তানহীনা ৰমণীৰ সন্তান লাভ, খেতি-বাতিৰ মংগল কামনা আদি বিশ্বাসৰ লগত হনুমান সম্পৃক্ত। এই ফালৰ পৰা হনুমানক প্ৰজনন দেৱতাৰূপে অভিহিত কৰিব পাৰি।

পাচেতিৰ দিনা অনুষ্ঠিত হোৱা দধিমন্থন অভিনয় চোৱাৰ উপৰিও ৰাম, লক্ষ্মণ, সীতা, হনুমান, লৱ-কুশ, আদিৰ মূৰ্তি দৰ্শন কৰি পূজা-সেৱা কৰিবলৈ দৰং জিলাৰ উপৰিও কামৰূপ, নগাঁও, শোণিতপুৰ, বৰপেটা আদি জিলাৰ পৰা অনেক যাত্ৰীৰ সমাগম ঘটে। যাত্ৰীসকলৰ অধিকাংশ স্ত্ৰী আৰু গাভৰু। জনজাতি আৰু অ-জনজাতি গাভৰু আৰু স্ত্ৰীসকলে তামোল-পাণ, পইচা আদি 'ৰাম' বিগ্ৰহৰ ওচৰত অৰ্পণ কৰি সেৱা জনায়। এই প্ৰসঙ্গত তামোলৰ লগত আগবঢ়োৱা পাণ চিত্‌কৈ অৰ্পণ কৰা দেখা যায়।

পাচেতি উপলক্ষে সত্ৰৰ খলাত মেলা বহে। মেলাত দৈনন্দিন জীৱনৰ বাবে প্ৰয়োজনীয় সকলোবোৰ বস্তু বেচা-কিনা কৰা হয়।

খটৰাৰ পাচেতিত বিভিন্ন শ্ৰেণীৰ লোকে যোগ দিয়াৰ উদ্দেশ্য প্ৰধানভাৱে দুটা ঃ (১) ধৰ্মীয় আৰু (২) অৰ্থনৈতিক অৰ্থাৎ উপাৰ্জিত বস্তু বিক্ৰী কৰা আৰু প্ৰয়োজনীয় বস্তু খৰিদ কৰা। দূৰণিবটীয়া যাত্ৰীসকল ৰাতি সত্ৰত থাকে। সত্ৰৰ ফালৰ পৰা এই সকলৰ থকা-মেলা আৰু খোৱা-লোৱাৰ ব্যৱস্থা কৰা হয়। মেলা চাবলৈ হিন্দু, মুছলমান, খ্ৰীষ্টান আদি ধৰ্মাৱলম্বী লোকৰো সমাগম ঘটে। পাচেতিৰ দিনা সত্ৰ দৰ্শন, মূৰ্তি সেৱা আদি কৰিলে মনোবাঞ্ছা পূৰ্ণ হয় আৰু পুণ্য সঞ্চয় হয় বুলি যাত্ৰীসকলে বিশ্বাস কৰে।

পাচেতিৰ দিনা ৰাতিও দধিমন্থন যাত্ৰা অভিনয় হয়। পাচেতিৰ পিছদিনা বাহী পাচেতি। এই দিনা সত্ৰৰ ভকতসকলে বোকা ভাওনা খেলে। স্ত্ৰী-পুত্ৰৰে সৈতে থকা ৰাম আৰু হনুমানৰ মূৰ্তিৰ ওপৰত জনসাধাৰণৰ বিশ্বাস অপৰিসীম। এই বিশ্বাসৰ অন্তৰালত আছে প্ৰজনন-শক্তিৰ প্ৰতি থকা আনুগত্য।❑

# History, Culture and Festivals of The Bodos

**Jimi Basumatary**



The Bodos who are also called "The Boro kachari" is the largest primitive Ethnologistic group of NE India. The Bodos also reside in West Bengal, Myanmar, Bangladesh and in some parts of Nepal. The history of Bodos is first found in "Yajurveda" and in the epics like the Ramayana, the Mahabharata and in Bishnupuran, Kalikapuran and Juganitantra. In these holy books the Bodo kachari is known as "The Khirats Mlecho".The Bodos belongs to the Tibeto Burman language family of Mongoloid origin. There are many heroic warriors among Bodos, the Maharinga danab(Sanskrit)/ Mairong(Bodo) one of those great warriors was the First king of Bodos (The Khirats). In the 14th century under the patronage of the Bodo king Mahamanikya, the great Assamese scholar Madhab Kandali translated the original Sanskrit Ramayana into the Assamese language. Irragdao (In Bodo) or Gobindra chandra is the last king of Bodos. The Bodos are rich in culture,they have a very powerful language of their own and in due course of time this culture and language have spread over a large area.

Traditional Bodo religion:- Among the Bodo community we can see a diverse religion, this religion includes Brahma, Christainity and Bathou. The traditional religion of Bodo is now called the "Bathou " but generally the propagator of Bathou cannot be found. Bathou is part of Hinduism. 'Bathou' is named after the supreme God "Shiva" As in the mythology like Bishnupuran, Kalikapuran and Jugunitantra. it is stated that 'Shiva' Is worshipped as 'Bathou'. So, the Bathou or "Bathou bwrai" is also known as 'Sibwrai'.

**A SIJOU PLANT**

Bathou is represented by a Siju plant. The Siju plant is surrounded by a round fence of small bamboo strips oven by five other bite symbolizing the five religious and spiritual principles of Bathou religion. The fence is erected by either sixteen or eighteen pairs of bamboo strips symbolizing the deities they belief in . Three pairs of these strips are then twisted in the front side in traditional style symbolizing the three fold of power – **'The creation**,' **'The preservation'** and **'The destruction'** of the Almighty and is called "Daothu Bikha".



The word 'Bathou' is composed of two words 'Ba' means 'five 'and' Thou' means 'depth'. It is interesting to note that the religious philosophy of Bathou is very much related to number 5 . The universe consists of five elements : Soil, Air, Water, Fire and Sky. These five principles must be followed by every devout person of this religion. These five principles are morally expressed in the following piece of verse:

*Thai Girni khongah khongba*
*Sijouni chiriya chiriba*
*Sifungni gudungah gudungba*
*Bathouni bandwa bandwba*
*Boro bwraini acharabw fongba*

This verse says that just as the Dillenia (Thaiger is the bodo word while 'ou' in Assamese) has five rinds, the Sijou plants has five ridges, the Sifung (Flute) has five holes, Bathou(The bamboo fencing around the bathou alter in a bodo courtyard) has five knots, so do the great saintly old men(Referring to bathou bwrai) has five principles to preach. Thus the concept of five has been very mysteriously endowed in Bathou religion and philosophy.

In the Bodo community, the people worshiping 'Bathou' dharma regard Tuesday as a very holy day and from every single family of a village one person must be present in the community Thansali(Temple). They dedicate this day to worship their chief God 'Bathou Bwrai' and also the consumption of non-veg is restricted on this day.

According to the rituals of the Bathou puja a banana leaflet(thalir bilai) is laid down on which a pair of betel nut(Tamul/goi) and betel leaf(Panpat) a bunch of banana fruits, incense and a lamp wick are placed. Then the worship supreme God Bathou bwrai takes place with most purity and devotion and the awakening of Bathow continues with reciting of the holy hymns in an companiment of traditional musical instruments such as Kham(drum), Sifung(Flute) and Jotha (Cymbal).

In the community worship, person like deuri (Priest)have very important roles to perform. The deuri leads the worship from the beginning to the last. He is neither Brahmin nor does he belong to any priestly class as there is no authorized priestly caste among the Bodos. He is an elderly man of a community with good social respect. His office is not hereditary but any one versed in the usual forms of exorcism can discharge

## Traditional Religious Festival :

"Kherai" is a part of 'Bathuism' and is the largest religious festival observed in the Bodo community. The chief God of the community 'Bathou' is worshipped and along with it the Goddesses of wealth in Hindu that is The "Lakshmi" is worshipped as "Mainou" during the Kherai puja. As the people here belongs largely to the Agricultural community, the great Kherai puja is directly connected with the harvest of crop generally perform in the kartik (Oct-Nov) and

Aghan(June-july) in order to be blessed by Bathou bwrai and Mainao buri for the bumper harvest of Ahaan Sali ; and also for the welfare of the human community. The dates of this annual puja do not seem to be at all rigidly fixed but are usually performed for a day and night during which Kherai dances are organised to entertain 'Bathou bwrai' and his deities. While performing the Kherai Puja all people from the villages as well as the neighboring villages take part.

The 'Doudini' plays a major role in this festival. The ' Doudini' is a women or a girl who is the key dancer at the kherai puja. The deuri is entrusted with reciting the holy hymns to hypnotize the 'Doudini'. Her role bears a great importance among the Bodo peoples, they belief that after being hypnotised the Doudini loses her genuine consciousness an acquires a supernatural power from the deity. These people have a faith that she can predict and tell anything and everything about the individual of a village community as she posses a mythodological power from God. So far as sacrifice concerned usually a pig or a he goat is offered to 'Sibwrai'.It is said that The Doudini immediately suck it on behalf of Sibwrai. As the sucking is over she becomes unconscious and one or two person of her party catch her to prevent from falling to the ground while others begin to utter loudly at her ears to bring her back to consciousness. And all throughout Kham, Sifung and Jotha are played rhythmically on the traditional tunes. After one or two minutes she regain consciousness and begin to dance around the alter five times for the deity without exhaustion and discontinuation.

In this way the process goes on till the end comes. The practice of sacrificing birds and an animals to bathou however is on wane instead fruits (Prasad) an flowers are being given now a days. Most probably it is due to the growing influence of Brahma Dharma in the Bodo community (By Gurudev Kalicharan Brahma) and primarily to make it more scientific and adjustable with the changing socio-religious thoughts of modern time.

## Traditional Cultural Festival :

"The Bwisagu" is the most important cultural festival of Bodos, which is the start of the new year and remains till 7days.The Bodos celebrate the popular seasonal festival of Bwisagu around the Mid-april. The bodo term 'Bwisagu' is derived from two other bodo words— 'Bwisa' and 'Agu'. 'Bwisa' connotes 'age or year' while 'Agu' means 'Start' or 'commence'. Hence the meaning of the combo bodo word 'Bwisagu' is the commencement or starting of a new year.

The characteristics of the Bwisagu festivals can be classified as follows:

- Gwkha Gwkhwi janai(eating bitter sour tasting vegetable)
- Mwsou thukhwinai (Bathing of cattle)
- Worshipping of God's and goddesses
- Worshiping ancestors etc.

The first day of the Bwisagu is meant for the 'cow' and is called as 'Mwsou ni Bwisagu', on this day the rituals of Mwsou thukhwinai (bathing of cattle) takes place. They make some marks on cows with the help of burning ashes and take their cattle in the rivers to bath them. On this day(The day of sankranti) the Gwkha Gwkhwi janai (Eating of bitter & sour tasting wild vegetables) is also done. They belief that by eating bitter and sour vegetables the

The second day is meant for 'Manshi' Or 'Men' but starts with worshiping the Gods and Goddess that is the worship of Bathou Bwrai and Mainau Burwi. On this day along with the worshiping of gods and goddesses the worshiping of their ancestors are also done. They worship their ancestors by offering food and drinks to them.

The prime characteristics of Bwisagu is Merry making, Singing and Dancing to the rhythm of bodo folk music. During Bwisagu celebration the bodos play their ethnic musical instruments Kham (Drum) Sifung (Flute) Serja, Kotha, Torkha (Made from split bamboo piece). The bodo males play various rhythmic beats and tunes on the kham, sifung and tharkha. The bodo boys,girls, Mens,women along with all the elderly people of

the village dance and sings together with the musical beats from door to door.

**Magw Domashi :** This seasonal festival of Bodos is known as Domashi. Domashi is known as the harvest festival because this festival is held during the latter part of the harvesting period. The word Domashi means the junction of the sixth month. The farmers are overjoyed at the harvesting of their crops for which they had worked hard during the whole summer. The food grains are then available in the familles. They prepare different traditional snacks from the harvested food grains and enjoy sharing these with other members of the village. For this reason, this festival is called the festival of food too.

Apart from the enjoyment of making snacks the villagers perform some rituals connected to their beliefs on trees and castles. They believe that during Domashi the souls of fruit trees wish to visit the counterparts of other families and during this course it may happen that the tree soul forget to come back to it's body.In case that happen the fruits of such trees lose their taste and turns tasteless.Therefore in order to make the soul unable to leave, the trees are tied round by ropes prepared by twisting straws.

A special feature of the domashi festival is the construction of Bhelaghar by the young boys, particularly the cowherds with dried Banana leaves and green bamboo. They would collect food grains and other things from the villagers, spend the night in Bhelaghar amidst much merriment and would have their dinner by midnight. With the breaks of dawn an after taking baths, the Bhelaghar would be set on fire with the recitation of hymns and prayers for the wellbeing of the cattle and the prosperity of the village



**Kati Fwrbw :** Kati Gasa is a seasonal festival which is observed on the last day of the month ashin. This is the festival of crisis. This festival is observed by people to welcome Mainao Buri Or the goddesses of wealth and crops. On the last month of Ashin this festival would be carried out but in a simple manner. This is being done by lighting gasa at the paddy field, Bathow altar, Gali (Cowshed) and at the Bakhri (Granary). Also the old man, girls and women go to the paddy field with a Gasa, Sewari, ( A long bamboo stick used in weaving) Fruits (Prasad), Flowers, Incense stick and they place the sewari between the paddy field in which the thaigir (Dillenia, Ou in Assamese) Khong (Rinds) is placed then they pour some mustard oil in it and light it up. By doing this they belief that the paddy plants would bear a large seal of paddy.

**CULTURE :**

The culture of the whole society of Bodo community includes :- Agriculture, Sericulture, Fishing, Attires, Traditional Musical Instrument, Dance, Cuisine etc.

**AGRICULTURE :** Agriculture is the chief occupation of BodoS. They are an agricultural community. They mainly depend on paddy cultivation. Their method of cultivation is primitive, for Tilling the soil they use wooden plough that is the Nangwl (Plough) and other tools like Mwi (Harrow), Khodal (Hoe) etc. For cultivation they mainly depend on monsoon rain. They select plain and alluvial land for Agriculture, Normally they prefer such a plot of land where cultivation is done with the help of rain water. They supply artificial irrigation system to supply water in the paddy field. THEY construct artificial irrigation system to supply water in the paddy field. They also construct embankment for preserving water to use in cultivation. They divert the preserve water through canals to paddy field.

However it is seen that the method of cultivation are changing slowly due impact of modernity in course of time. Today some of the farmers use hybrid or high yielding seeds and modern scientific methods. They use modern scientific tools like –tractor, sprayer, duster, chemical fertilizers, pesticides etc. for more products.

**SERICULTURE :** Eri silk is a legacy of Bodo's. Bodo people are enthusiastically engaged in rearing silkworm and hence producing Silk .The art of Eri silkworm rearing , spinning and weaving is first introduced by Bodo's communities in Assam. The use of eri silk is closely associated with the culture and tradition of Bodo society. You can see a large number of swathes of silkworms in Bodo courtyards. They weave



their own silk too. We can see a family loom where Bodo women were weaving their own Dokhona. Hundreds of Bodo handmade designs are there which always bloom on Bodo traditional attires.They give various Agor (Design) to their traditional attires to make it look very attractive and Most of the Bodo weavers says that, the Hajw Agor (Design of hills) and parwo megon (Design like pigeon eye) is the most common and important design in bodo traditional attires.



**TRADITIONAL ATTIRES :**

DOKHONA is the traditional dress of Bodo women. In general the length and width of the Dokhona is 3 meters and 1.5 metres respectively. Sometimes it depends on the figure of the body. It is worn to cover the whole body from the chest region to the legs by wrapping one round at a time over the waist. Varieties of Agor and different types of colours are used to weave a dokhona

JWMGRA the Bodo women use (scarf ) to cover the upper portion of their body (length-around 2.5 meters ,width around 1 metere) . They wear various colours of jwmgra with varieties of Agor (design) to beautify themselves . The Hajw Agor (mountain design)is one of the most popular design among different designs.

ARONAI is a small scarf used by both men and women . Aronai is the sign of bodo tradition and is used to facilitate guests with honour , as a gift . In winter it is wrapped around the neck to warm up the body and generally used in performance of bodo dance .

GAMSHA is the Bodo male traditional attire generally, it is 2 meters in length and 1.2metere in width. The Boro men used it to cover the knee by trying it around their waist. Gamsha can be different colours but Green with White (in borde) is




the most common colour in Boro Gamsha .Gamsha is compulsory to wear while worshipping God and for the boro bridegroom.

Apart from the above mention attires , the boro women weave many types of traditional clothes such as sima (like a bedcover), wool (big wool scarf) , jwmgra gidir (big scarf) and phalli (handkerchief) etc

**MUSICAL INSTRUMENTS :** Among the many different musical instruments, the Boros use: Kham , Siphung , Serja Jotha, Jabsring , khawang, Bingi, Rege.

**Siphung :** This is a long bamboo flute with only five holes rather than six as the noth indian Bansuri would have and is also much longer than it, producing a much lower tone.

**Serja :** This is a violin – like instrument . it has a round body and the scroll is bent forward.

**Thorkha/Khawang:** It is a block of bamboo split into two halves for clapping.

**Kham :** It is a long drum of wood and skin of goat.❑

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

REFERENCES :-


- Dr. Rupnath Owary , 2021 ; Impact of modernity on cultivation of the Bodos , http://www.iosrjournals.org
- Dandhiram Brahma , The cultural and religious background of the bodo community http://www.bullentinmonumental.com
- Festivals of bodo, http://www.jetir.org



# বিলুপ্তিৰ পথত পুতলা নাচ

## এক আপুৰুগীয়া কলা

**লিপিকা নাথ**

যুগ যুগ ধৰি সমগ্ৰ বিশ্বৰ মানুহে উপভোগ কৰি অহা পৰম্পৰাগত মনোৰঞ্জন আৰু শিল্পৰ এক প্ৰকাৰ হৈছে পুতলা শিল্প। ভাৰতবৰ্ষত পুতলা শিল্প প্ৰজন্মৰ পিছত প্ৰজন্ম ধৰি চলি অহা এক জনপ্ৰিয় কলা। ভাৰতবৰ্ষত পুতলাৰ অন্যতম জনপ্ৰিয় ৰূপ হ'ল পুতলা নৃত্য, যিটো নৃত্য প্ৰদৰ্শনত পুতলাৰ ব্যৱহাৰৰ সৈতে জড়িত এক অনন্য কলা। ভাৰতৰ উত্তৰ-পূবৰ এখন ৰাজ্য অসমত যুগ যুগ ধৰি চলি অহা পুতনা নৃত্যৰ এক অনন্য ৰূপ। স্থানীয় ভাষাত 'পুতলা নাচ' বুলিও জনাজাত এই ধৰণৰ পুতলা নাচত ডাঙৰ ডাঙৰ পুতলা ব্যৱহাৰ কৰা হয় যিবোৰক দক্ষ পুতলা নাচকে হেঁচা মাৰি ধৰি জটিল নৃত্যৰ গতি প্ৰদৰ্শন কৰে। অসমৰ পুতলা নৃত্যৰ ইতিহাস মধ্যযুগীয় যুগৰ পৰাই অনুসন্ধান কৰিব পাৰি, যেতিয়া ইয়াক প্ৰধানকৈ শাসক শ্ৰেণীৰ মনোৰঞ্জনৰ ৰূপ হিচাপে ব্যৱহাৰ কৰা হৈছিল। সময়ৰ লগে লগে এই শিল্পৰূপটোৰ বিকাশ ঘটি সাধাৰণ মানুহৰ মাজতো জনপ্ৰিয় হৈ পৰে। আজি পুতলা নৃত্য অসমীয়া সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ, আৰু বিভিন্ন উৎসৱ আৰু সাংস্কৃতিক অনুষ্ঠানৰ সময়ত পৰিৱেশন কৰা হয়।

**অসমত পুতলা নৃত্যৰ ইতিহাস ঃ**

অসমত যুগ যুগ ধৰি পুতলা শিল্পৰ চৰ্চা চলি আহিছে, আৰু ত্ৰয়োদশ শতিকাৰ পৰা ১৯ শতিকালৈকে এই অঞ্চলত শাসন কৰা আহোম বংশৰ সময়ত ইয়াৰ উৎপত্তি হোৱা বুলি বিশ্বাস কৰা হয়। এই সময়ছোৱাত পুতলা নাটক মূলতঃ শাসক শ্ৰেণীৰ বাবে মনোৰঞ্জনৰ প্ৰকাৰ হিচাপে ব্যৱহাৰ কৰা হৈছিল, আৰু ৰাজদৰবাৰত ইয়াক পৰিৱেশন কৰা হৈছিল। সময়ৰ লগে লগে পুতলা শিল্পৰ বিকাশ ঘটি সাধাৰণ মানুহৰ মাজতো জনপ্ৰিয় হৈ পৰে। উৎসৱ আৰু অন্যান্য সাংস্কৃতিক অনুষ্ঠানৰ সময়ত পুতলা প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছিল, আৰু ক্ৰমান্বয়ে অসমীয়া সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ হৈ পৰিছিল।

অসমত যুগ যুগ ধৰি পুতলা শিল্পৰ চৰ্চা চলি আহিছে, আৰু ত্ৰয়োদশ শতিকাৰ পৰা ১৯ শতিকালৈকে এই অঞ্চলত শাসন কৰা আহোম বংশৰ সময়ত ইয়াৰ উৎপত্তি হোৱা বুলি বিশ্বাস কৰা হয়। এই সময়ছোৱাত পুতলা নাটক মূলতঃ শাসক শ্ৰেণীৰ বাবে মনোৰঞ্জনৰ প্ৰকাৰ হিচাপে ব্যৱহাৰ কৰা হৈছিল, আৰু ৰাজদৰবাৰত ইয়াক পৰিৱেশন কৰা হৈছিল।



ঔপনিৱেশিক কালত পশ্চিমীয়া সংস্কৃতিৰ প্ৰভাৱৰ বাবে পুতলা শিল্পৰ অৱনতি ঘটিছিল। কিন্তু ১৯৪৭ চনত ভাৰতে স্বাধীনতা লাভ কৰাৰ পিছত পুতলা শিল্পকে ধৰি পৰম্পৰাগত শিল্পৰ প্ৰতি নতুন আগ্ৰহৰ সৃষ্টি হয়। আজি সমগ্ৰ অসমতে বিভিন্ন উৎসৱ আৰু সাংস্কৃতিক অনুষ্ঠানৰ সময়ত পুতলা নৃত্য প্ৰদৰ্শন কৰা হয়।

**অসমত ব্যৱহৃত পুতলাৰ প্ৰকাৰ ঃ**

অসমীয়া পুতলা নৃত্যত ব্যৱহৃত পুতলা সাধাৰণতে ডাঙৰ আৰু কাঠৰ। দক্ষ শিল্পীয়ে খোদিত কৰা এইবোৰ প্ৰায়ে স্পন্দনশীল ৰং আৰু জটিল ডিজাইনেৰে সজাই তোলা হয়।

অসমীয়া পুতলা নৃত্যত কেইবাবিধো পুতলা ব্যৱহাৰ কৰা হয়, য'ত—

১। **ৰ'ড পুতলা ঃ** এই পুতলাবোৰ পুতলাৰ মূৰ, হাত আৰু ভৰিৰ লগত সংলগ্ন ৰ'ড ব্যৱহাৰ কৰি চলোৱা হয়। পুতলা নাচকে পুতলাটোক লৰচৰ কৰিবলৈ ৰ'ডবোৰত হেঁচা মাৰি ধৰে।

২। **গ্লভছ পুতলা ঃ** এই পুতলাবোৰ পুতলা নাচকে পিন্ধা গ্লভছ ব্যৱহাৰ কৰি চলোৱা হয়। পুতলাটো গ্লভছৰ লগত সংলগ্ন কৰা হয় আৰু পুতলা নাচকে গ্লভছৰ আঙুলিবোৰত হেতালি খেলি পুতলাটোক নৰচৰ কৰে।

৩। **ছায়া পুতলা ঃ** এই পুতলাবোৰ চামৰাৰ পাতল, সমতল টুকুৰা বা অন্যান্য সামগ্ৰীৰে তৈয়াৰ কৰা হয়। পোহৰৰ উৎসৰ সন্মুখত ৰখা হয়, আৰু ইহঁতৰ ছাঁবোৰ পৰ্দাত প্ৰক্ষেপ কৰা হয়।

৪। **ষ্ট্ৰিং পুতলা ঃ** এই পুতলাবোৰ পুতলাৰ অংগৰ লগত সংযুক্ত ষ্ট্ৰিং ব্যৱহাৰ কৰি চলোৱা হয়। পুতলা নাচকে পুতলাটোক লৰচৰ কৰিবলৈ ডোঙাবোৰ হেঁচা মাৰি ধৰে।

অসমৰ পুতলা নৃত্যত কাঠ, কাপোৰ, আৰু অন্যান্য সামগ্ৰীৰে তৈয়াৰী ডোঙা পুতলা বা পুতল নাচ পুতলা ব্যৱহাৰ কৰা হয়। অসমত পুতলা নৃত্যত ব্যৱহৃত কৌশলত পুতলাৰ বিভিন্ন অংশত লাগি থকা তাঁৰবোৰত হেতালি খেলি বিভিন্ন গতি আৰু ইংগিত সৃষ্টি কৰা হয়। পুতলা নাচকজনে পৰ্দা বা পৰ্দাৰ আঁৰত বহি পুতলাটোৰ শৰীৰৰ বিভিন্ন অংশত বান্ধি খোৱা ডোঙাৰ সহায়ত পুতলাটোক নিয়ন্ত্ৰণ কৰে। পুতলা নাচকে ষ্ট্ৰিংবোৰ সমন্বিতভাৱে লৰচৰ কৰি জীৱন্ত গতি আৰু অভিব্যক্তি সৃষ্টি কৰে। অসমৰ পুতলা নৃত্যত প্ৰায়ে হিন্দু পৌৰাণিক কাহিনী বা অঞ্চলটোৰ লোককথাৰ কাহিনী চিত্ৰিত কৰা হয়। পুতলা নাচকে পুতলাবোৰক হেঁচা মাৰি ধৰি কাহিনীটোও ক'লে, যাৰ ফলত সামগ্ৰিক অভিনয়ত আৰু অধিক গুৰুত্ব আৰোপ হয়।

**পুতলাক হেঁচা মাৰি ধৰিবলৈ ব্যৱহাৰ কৰা কৌশল ঃ**

পুতলাক হেঁচা মাৰি ধৰিবলৈ যথেষ্ট দক্ষতা আৰু অনুশীলনৰ প্ৰয়োজন। পুতলা নাচকসকলে তেওঁলোকৰ পুতলাবোৰক বাস্তৱসন্মত আৰু পতিয়নযোগ্যভাৱে গতি কৰিবলৈ বিভিন্ন কৌশল ব্যৱহাৰ কৰে।

**অসমীয়া পুতলা নৃত্যত ব্যৱহৃত কিছুমান কৌশল হ'ল—**

১। হাতৰ গতি ঃ পুতলা নাচকসকলে নিজৰ হাত ব্যৱহাৰ কৰি পুতলাৰ মূৰ, হাত আৰু ভৰিৰ লগত হেতালি খেলে। বিভিন্ন ধৰণে হাত লৰচৰ কৰি পুতলাটোক বিভিন্ন ধৰণৰ নৃত্যৰ গতি প্ৰদৰ্শন কৰিবলৈ বাধ্য কৰিব পাৰে।

২। ৰ'ড মেনিপুলেচন ঃ ৰ'ড পুতলা সংলগ্ন ৰ'ড ব্যৱহাৰ কৰি চলোৱা হয়, ইত্যাদি।

অসমত পুতলা শিল্পৰ কলা প্ৰজন্মৰ পৰা প্ৰজন্মলৈ চলি আহিছে আৰু এতিয়াও সামান্য সংখ্যক শিল্পী আৰু পৰিৱেশকে চৰ্চা কৰি আছে। অঞ্চলটোৰ সাংস্কৃতিক ঐতিহ্যৰ অবিচ্ছেদ্য অংগ আৰু উৎসৱ-উৎসৱ আৰু অন্যান্য সাংস্কৃতিক অনুষ্ঠানৰ সময়ত এই উদযাপন কৰা হয়।

এই পুতলা শিল্প তথা পুতলা নাচৰ চৰ্চা তথা প্ৰচলন অধিক হোৱাৰ প্ৰয়োজন আছে লগতে পুতলা নাচ অথবা অসমৰ ঠায়ে ঠায়ে এতিয়াও প্ৰচলিত পুতলা থিয়েটাৰৰ প্ৰসাৰ প্ৰচাৰ আৰু ইয়াৰ উন্নয়ন কৰাৰ থল প্ৰকট কৰিব লাগিব তেতিয়াহে পুতলা নাচ যুগ যুগান্তৰ তথা পিছৰ প্ৰজন্মলৈ জীয়াই থাকিব আৰু ইয়াৰ উত্তৰণ সম্ভৱ হৈ উঠিব।❑




# অসমৰ পৰ্যটন আৰু ইয়াৰ সম্ভাৱনীয়তা

পৰাগ জ্যোতি কাশ্যপ

ভাৰতৰ উত্তৰ-পূব প্ৰান্তত অৱস্থিত অসম; ইয়াৰ প্ৰাকতিক শোভা, অপূৰ্ব কলা-কৃষ্টি, বৈচিত্ৰ্যময় ভাষা-জনগোষ্ঠী, আৰু ঐতিহাসিক সমলবোৰে অসমক অতি চহকী আৰু অনন্য কৰি তুলিছে। কিন্তু স্বাধীনোত্তৰ ৭৫ বছৰ পিছতো ভাৰতৰ আন ৰাজ্যতকৈ উন্নয়নৰ গতি অতি দুখজনক। ভৌগলিক স্থিতি, প্ৰতিবছৰে হোৱা বানপানী, সন্ত্ৰাসবাদ, পৰিপক্ক পৰিকল্পনাৰ আদিয়ে উন্নয়নৰ গতি ত্বৰান্বিত নোহোৱাৰ মূল কাৰণ। কেঁচামালৰ অভাৱ, অনুন্নত যাতায়াত আৰু যোগাযোগ ব্যৱস্থা, বজাৰৰ অভাৱ আদি কাৰণবোৰৰ বাবে বিভিন্ন উদ্যোগ প্ৰতিষ্ঠানে অসমত উদ্যোগ প্ৰতিষ্ঠা কৰিব নিবিচাৰে। যাৰ ফলত অসমে হেৰুৱাইছে বৃহৎ সংখ্যক নিয়োগৰ সুবিধা আৰু ৰাজহ। হাজাৰ হাজাৰ অসমীয়া ডেকাই নিয়োগৰ সুবিধা বিচাৰি বহিঃৰাজ্যমুখী হৈছে, ইয়াৰ ফলত অসমে হেৰুৱাইছে কৰ্মদ্যোমী শক্তি। অবৈজ্ঞানিক, পৰম্পৰাগত কৃষি পদ্ধতি, কৃষি বজাৰৰ অভাৱ আদি কাৰণবোৰৰ বাবেও অসমে কৃষি ক্ষেত্ৰত বিশেষ উন্নতি কৰিব পৰা নাই। অসমত সুস্থ শৈক্ষিক পৰিৱেশৰ অভাৱৰ বাবেও বহু মেধাৰ অপমৃত্যু হৈছে। যাৰ ফলত সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাত বিশেষ পাৰদৰ্শিতা দেখাব পৰা নাই অসমৰ শিক্ষাৰ্থীয়ে। ইমানবোৰ সমস্যাৰে জৰ্জৰিত হোৱাৰ পিছতো অসমৰ সম্ভাৱনীয়তা যথেষ্ট আছে। তাৰ বাবে লাগিব চৰকাৰৰ উদাৰ মনোভাৱ, পৰিপক্ক পৰিকল্পনা আৰু লাগিব জনসাধাৰণৰ যোগাত্মক চিন্তা। অসমত পৰ্যটন উদ্যোগৰ সম্ভাৱনীয়তা যথেষ্ট। সেই পৰ্যটন হ'ব পাৰে স্বাস্থ্য, শিক্ষা আৰু অৱসৰ বিনোদনৰ। যদি অসমৰ বুকুত আমি গঢ় দিব পাৰো উন্নত চিকিৎসালয় তেন্তে অসমলৈ চিকিৎসা পৰ্যটন উদ্যোগে বিশেষ অৰিহণা যোগাব।

গুৰুগ্ৰাম, দিল্লী, নয়ডা, মুম্বাই, কলকাতা, চেন্নাই, হায়দৰাবাদ আদি ঠাইবোৰৰ দৰে অধিক সংখ্যক উন্নত মানৰ চিকিৎসালয় নিৰ্মাণৰ দ্বাৰা কৰ্ম সংস্থাপন, ৰাজহ আদি বৃদ্ধি কৰিব পৰা যাব। বৃহৎ আৰু উন্নত মানৰ শিক্ষানুষ্ঠান নিৰ্মাণৰ দ্বাৰাও শৈক্ষিক পৰ্যটন উদ্যোগ গঢ় দিব পৰা যাব। ইউক্ৰেইন, ৰাছিয়া, ফিলিপাইন, কাজাগিস্থান আদি ৰাষ্ট্ৰলৈ ভাৰতৰ পৰা বহু সংখ্যক ছাত্ৰ-ছাত্ৰী চিকিৎসা বিজ্ঞান অধ্যয়নৰ বাবে আৰু কানাডা, ব্ৰিটেইন অষ্ট্ৰেলিয়া, নিউজিলেণ্ড আদি ৰাষ্ট্ৰসমূহলৈ বাণিজ্য, হোটেল মেনেজমেন্ট আদি বিষয়বোৰ অধ্যায়নৰ বাবে যায়। যদি অসমে শৈক্ষিক পৰ্যটন উদ্যোগৰ নিৰ্মাণৰ বাবে উন্নত শিক্ষানুষ্ঠান নিৰ্মাণ কৰিব পাৰে তেন্তে শৈক্ষিক পৰ্যটন উদ্যোগৰ পৰা বৃহৎ ৰাজহ লাভ কৰাৰ উপৰিও অসমৰ নতুন প্ৰজন্মক এক উন্নত মানদণ্ডৰ শৈক্ষিক পৰিৱেশ উপহাৰ দিব পাৰিব। ৰাজস্থান, দিল্লী আৰু দক্ষিণ ভাৰতৰ ঐতিহাসিক সমলবোৰ দৰ্শন কৰিবলৈ বহু সংখ্যক পৰ্যটক আহে। যদি অসমে শিৱসাগৰৰ লগতে অসমৰ আন আন ঠাইত থকা ঐতিহাসিক সমলবোৰৰ প্ৰচাৰ প্ৰসাৰ আন্তগাঁথনি নিৰ্মাণ কৰে তেন্তে পৰ্যটকৰ সংখ্যা বৃদ্ধি পাব।

অসমৰ ৰাষ্ট্ৰীয় উদ্যান, অভয়াৰণ্যবোৰৰ লগতে মাজুলী, কামাখ্যা, উমানন্দ আদিত পৰ্যটনৰ বাবে আন্তগাঁথনি নিৰ্মাণ, সুচল ব্যৱস্থাপনাৰ জড়িয়তে পৰ্যটন উদ্যোগটো আগবঢ়াই নিব পৰা যায়। কৃষিখণ্ডৰ উন্নয়নৰ বাবে পঞ্চায়ত পৰ্যায়ত মাটিৰ গুণাগুণ পৰীক্ষা কেন্দ্ৰ নিৰ্মাণ, উন্নতমানৰ বীজ, উন্নত কৃষি প্ৰযুক্তিৰ ব্যৱহাৰ, উচ্চমানৰ প্ৰশিক্ষণ আদিৰ দ্বাৰা কৃষি উৎপাদন বৃদ্ধি কৰিব পৰা যায়। অসমৰ প্ৰত্যেকখন জিলাত শাৰীৰিক প্ৰশিক্ষণ একাডেমী নিৰ্মাণ কৰি অসমৰ বৃহৎ সংখ্যক যুৱক-যুৱতীক সামৰিক সেৱাত নিযুক্ত হ'বৰ বাবে সাজু কৰিব পৰা যাব। অসমে ৭ খন ৰাজ্য আৰু দুখন বিদেশ ৰাষ্ট্ৰৰ সৈতে সীমা ভাগ-বতৰা কৰিছে; ইয়াৰ উপৰিও ম্যানমাৰ, লাউচ, থাইলেণ্ড, মালয়েছিয়া, ভিয়েটনাম, ইণ্ডোনেছীয়া আদি দক্ষিণ পূব এছিয়াৰ সৈতে যদি যোগাযোগ আৰু পথ পৰিবহন ব্যৱস্থা উন্নত কৰিব পৰা যায় তেন্তে অসমৰ তামোল, বাঁহ, কল আদিৰ বজাৰ মূল্য বৃদ্ধি পাব লগতে অসমত এখন বৃহৎ বজাৰ গঢ় লৈ উঠাৰ সম্ভাৱনীয়তা অধিক আৰু বিভিন্ন উদ্যোগ প্ৰতিষ্ঠান অসমলৈ আকৰ্ষিত হ'ব। যদি আমি সম্ভাৱনীয়তাবোৰ বিচাৰ কৰি উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিব পাৰো তেন্তে অসম ভাৰতৰ অতি উন্নত আৰু শক্তিশালী ৰাজ্য হৈ পৰিব।❑



# অসমৰ ভিন্ন জাতি-জনগোষ্ঠীৰ মাজৰ সমাজ ব্যৱস্থা

বিনোদিনী গাৰ্গ

*"...... নানা জাতি উপজাতি*
*ৰহণীয়া কৃষ্টি*
*আঁকোৱালি লৈ হৈছিল সৃষ্টি,*
*এই মোৰ অসম দেশ......"*

ব্ৰহ্মপুত্ৰ আৰু বৰাকৰ বিস্তৃৰ্ণ দুয়োপাৰৰ বিভিন্ন ভৌগোলিক অঞ্চলসমূহত অৱস্থিত পাহাৰ-ভৈয়াম, জান-জুৰি, উপনদী, হাবি-বননিৰে অসম এক বৈচিত্ৰ্যময় দেশ। এই বৈচিত্ৰ্যময় ভৌগোলিক অৱস্থানসমূহত ভিন্নভাষী, ভিন্ন সংস্কৃতিৰ, বিভিন্ন জনজাতিৰ বাসস্থান। এই জনগোষ্ঠীসমূহ ভিন্ন ভাষা আৰু ভিন্ন পৰিচয়েৰে অনৈক্যৰ মাজত অসমীয়া হিচাপে এক ঐক্যৰ সৃষ্টি কৰি অনাদিকালৰ পৰা বসবাস কৰি আহিছে আৰু প্ৰব্ৰজিত নতুনকো আদৰি লৈছে। এই সংস্কৃতিময় অসমৰ বৰ্ণাঢ্য সমাজ ব্যৱস্থাৰ প্ৰাচুৰ্য্যতাৰ প্ৰশংসা কৰি সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱে ১৯৬৮ চনতে 'আমি অসমীয়া নহওঁ দুখীয়া' শীৰ্ষক গীতৰ মাজেৰে অসম আৰু অসমীয়াৰ উদাৰতাক বৰ্ণনা কৰি থৈ গৈছে। উত্তৰ-পূৰ্বাঞ্চল জনগোষ্ঠীয়, নৃগোষ্ঠীয় অধ্যয়নৰ বাবে সম্পদৰ ভঁৰাল। নৃতাত্ত্বিক আৰু সমাজতাত্ত্বিকভাৱে জনজাতিৰ অৰ্থ বিশাল। প্ৰকৃতাৰ্থতে জনজাতি আৰু জাতিৰ মৌলিক পাৰ্থক্যসমূহ বহুক্ষেত্ৰত জটিল।

ত্ৰয়োদশ শতিকাৰ হুকং উপত্যকা আৰু চীনদেশৰ দক্ষিণ-পশ্চিম অঞ্চলৰ পৰা মঙ্গোলীয় বহিৰাগত গোষ্ঠীসমূহৰ প্ৰব্ৰজনৰ পূৰ্বলৈকে অসম আছিল অনাৰ্য্য জাতি তথা জনজাতীয় গোষ্ঠীসমূহৰ গৃহভূমি। বৰ্তমান অসমত সংবিধান স্বীকৃত ভৈয়াম জনজাতি ৯ টা আৰু পাৰ্বত্য জনজাতি ১৪ টা সন্মিলিত হৈ মুঠতে ২৩ টা জনগোষ্ঠীৰ অৱস্থিতি সম্বন্ধে তথ্য পোৱা যায়। ইয়াৰ ভিতৰত বিভিন্ন ক্ষুদ্ৰ জাতি-উপজাতি অন্তৰ্ভুক্ত হৈ আছে।

অসমৰ ভূমি, নানা ঠাইত বসবাসকাৰী, কাৰ্বি, মিচিং, গাৰো, চাওঁতাল, নগা, টাইমূলীয় বিভিন্ন জনজাতিসকলকে ধৰি গৰিয়া-মৰিয়া, অভিবাসী মুছলমানলৈকে বিভিন্ন জাতি-জনজাতিৰ খনি স্বৰূপ। নিৰ্দিষ্ট সাংস্কৃতিক গণ্ডী তথা নিৰ্দিষ্ট ভৌগোলিক পৰিৱেষ্টনীত বিদ্যমান জাতি-জনগোষ্ঠীসমূহৰ জীৱন-ধাৰণৰ পদ্ধতি তথা সমাজ পৰিচালনাৰ ৰীতি ভিন ভিন হোৱা পৰিলক্ষিত হয়।

সাংস্কৃতিক উত্তৰণেই সমাজ উত্তৰণৰ ঘাইমন্ত্ৰ। সমাজ আৰু সংস্কৃতি এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। এটা অবিহনে আনটোৰ অস্তিত্ব আধৰুৱা বুলিলেও নিশ্চয় অত্যুক্তি কৰা নহ'ব। সাতভনীৰ অন্যতম অসম প্ৰদেশৰ জনগোষ্ঠীয়ে ভিন্নতাৰ সমভাৱে বৈশিষ্ট্যময় সমাজ ব্যৱস্থা দৃষ্টিগোচৰ হয়। এটা জাতিত পৰম্পৰাগতভাৱে প্ৰচলিত জন্ম, বিবাহ, অন্ত্যেষ্টিক্ৰিয়া, লোক-বিশ্বাস, লোক-উৎসৱ, ঈশ্বৰ উপাসনাৰ পদ্ধতি আদিৰ দ্বাৰা সমাজ ব্যৱস্থা নিৰূপিত হোৱাৰ উপৰিও জনসমূহৰ মাজত বৰ্তমান বাদ্যযন্ত্ৰ, লোকনৃত্য, লোকগীত, সাজপাৰ, খাদ্য-প্ৰণালী, খেল-ধেমালি, গৃহ নিৰ্মাণৰ পদ্ধতি, লোক শিল্প, স্থাপত্য-ভাস্কৰ্য্য প্ৰভৃতি উপাদানৰ দ্বাৰা সভ্যতা-সংস্কৃতিৰ আভাস পোৱা যায়।

**জনগোষ্ঠীয় বিৱৰণ ঃ**

**(ক) কাৰ্বিসকল ঃ** 'অসমৰ কলস্বাছ' ৰূপে আখ্যায়িত কাৰ্বিসকল অসমৰ এটি উল্লেখযোগ্য জনগোষ্ঠী। অসমৰ সোঁমাজতে থকা কাৰ্বি-আংলং আৰু পশ্চিম কাৰ্বি-আংলঙেই কাৰ্বিসকলৰ প্ৰধান বসতি স্থান। ইয়াৰোপৰি শোণিতপুৰ, বিশ্বনাথ, লখিমপুৰ, কামৰূপ, সোণাপুৰ আদি ঠাইতো কাৰ্বিসকলৰ বসতি দেখা যায়। কাৰ্বিসকলৰ মাজত পাঁচ প্ৰকাৰৰ ফৈদ দেখা যায়। সেইবোৰ- টিমুং, টেৰন, তেৰাং, ইংহি আৰু ইংতি। কাৰ্বি পুৰুষসকলে আঁঠুমুৰীয়া পে চেলেং, চই হংথৰ, চই ইক্, চই লক্, পহ', চেপান আবু ইত্যাদি পৰিধান কৰাৰ লগতে নাৰীসকলে পিনি, পেকক, ৱানকক, পে চেলেং, পে খনজাৰী, পে চাৰপি আদিয়েই প্ৰধানভাৱে পৰিধান কৰা দেখা যায়। কাৰ্বি আ-অলংকাৰৰ ভিতৰত লেক হিকি, নথেংপী, ন'লাংপং, ন'জাং-ছাই, লোকৰূপে, লেক পাংখাৰা, লাং আৰ', ৰই-পাংখাৰা, ৰই পাহু আদিয়েই বিশেষ।

**(খ) কোচ-ৰাজবংশীসকল ঃ** কোচ ৰাজবংশী এক হিন্দু ধৰ্মীয় জনগোষ্ঠী। কোচ ৰাজবংশীসকলৰ জন্ম-মৃত্যু, বিয়াৰ নিজস্ব ৰীতি, নানা ঐন্দ্ৰজালিক ক্ৰিয়া, তন্ত্ৰ-মন্ত্ৰাদি বিশ্বাস, প্ৰকৃতিৰ সৃষ্টিকৰ্তাক জননীৰূপে অৰ্চনা, বটবৃক্ষ জীৱ-জন্তু, টোটেম ইত্যাদিৰ পূজা, ভূত-প্ৰেতাদিৰ বিশ্বাস কৰে বুলি জনা যায়। এওঁলোকৰ কাতিগজা, হোলি, চড়ক পূজা, মনসা, বিষহৰি, শীতলা, কালি আদি পূজা-পদ্ধতিত জনজাতীয় বৈশিষ্ট্য বিদ্যমান। ৰাজহুৱা কামত চাউল, কল, কলৰ গছ, নাৰিকল, তামোল-পাণ, পিঠাগুৰিৰ ব্যৱহাৰ লক্ষণীয়। খাদ্যভাসৰ ভিতৰত ছেকা, পেস্কা, ভেস্কা, টোপোলাভাত, সুট্‌কা স্বকীয় বৈশিষ্ট্য সম্পন্ন খাদ্য সাজ-পাৰৰ ভিতৰত- নাৰীসকলৰ পাটানী, বুকুনী, ফোতা ছেউতা আৰু আ-অলংকাৰৰ ভিতৰত হাতৰ মুঠাখাৰু, চুৰি বাজু, গলৰ সূৰ্য্যহাৰ, চন্দ্ৰহাৰ, সিক্কাহাৰ, কাণৰ মাকিৰি, অন্তি, নাকত নোলোক, ফুল, ভৰিত তোলা খাৰু, ফেলা খাৰু আদি বিখ্যাত। আনহাতে গীত-মাতসমূহৰ ভিতৰত ৰাবাণ গান, কুশান গান, দোতোৰা গান, মাৰৈ পূজাৰ গান, লাহাং কাৰী গান, নটুয়া, জাগ গান আদি স্বতন্ত্ৰ বৈশিষ্ট্য সম্পন্ন।

**(গ) তিৱাসকল ঃ** তিৱাসকল প্ৰাচীন কালৰে পৰা অসমত বাস কৰি অহা এটা নৃগোষ্ঠী। বৰ্তমান এই গোষ্ঠীৰ লোকসকল অসমৰ নগাঁও, মৰিগাঁও, কামৰূপ, কাৰ্বিআংলং, যোৰহাট, ধেমাজি, লক্ষীমপুৰ, শদিয়া ইত্যাদি স্থানত সিঁচৰতি হৈ আছে। মূলতঃ মাতৃ-সূত্ৰীয় অৱস্থাৰ পৰা উদ্ভৱ হোৱা তিৱা সমাজ গাঁথনিটো ক্ৰমে পৰিয়াল, মাহাৰী, কুল বা খুটা, খেল আৰু শেষত গাঁও সংগঠিত কৰে। ডেকাচাং বা চামাদি তিৱা সংস্কৃতিৰ প্ৰধান প্ৰাণকেন্দ্ৰ। ধৰ্মীয় দিশৰ পৰা তিৱাসকল মূলতঃ জড়বাদী আৰু পূৰ্বপুৰুষৰ উপাসক। তিৱাসকলৰ সংস্কৃতিক সমৃদ্ধ কৰা জোনবিল মেলা ভাতৃত্ববোধৰ বিৰল চানেকি। তেওঁলোকৰ উৎসৱ-পাৰ্বণবোৰৰ ভিতৰত— পাহাৰ অঞ্চলত ৱানচুৱা, ছগ্ৰা, য়াংলী, লাংখন, মাই পথালা, মাই ৰাৱা, পান্থাইচ্যৱা ইত্যাদি উল্লেখযোগ্য, আনহাতে ভৈয়ামত বিহু, মেলা ইত্যাদিয়েই বিশেষ। বাদ্যসমূহ হ'ল- খ্ৰাম্ (ঢোল) বাৰ, খ্ৰাম্ খুজুৰা, দুমদিং, দগৰ, ম'হৰ শিঙৰ পেঁপা, মুহুৰি আদি। তিৱা পুৰুষসকলে থানা, তাগ্‌লা, থেনাচ্, ফালি, ফাগা ইত্যাদি আৰু মহিলাই কাছাং, ফাছকাই, নাৱা আদি পৰিধান কৰে। তদুপৰি কেইবাবিধ মণি চাপ্‌ল, চিংলিল, কল্‌পান্থা আৰু কাণত খাইদাং, ছন্যানে খাইদং আৰু ৰূফানে খাইদং নামৰ অলংকাৰ পৰিধান কৰে। তদুপৰি তিৱা খাদ্যভ্যাসৰ ভিতৰত টু মেছাম (কুকুৰাৰ মঙহ) আৰু ৱা মেছাম্ (গাহৰিৰ মঙহ) প্ৰিয়।



**(ঘ) ডিমাছাসকল ঃ** ডিমাছাসকল মূলতঃ বৰ্তমানৰ ডিমাহাচাও জিলাৰ বাসিন্দা যদিও নগাঁৰৰ হোজাই অঞ্চল আৰু কাৰ্বি আংলঙৰ বিভিন্ন অঞ্চলৰ বাসিন্দাৰূপে পৰিচিত। ডিমাছাসকলৰ ডিমাছা ভাষা বড়ো ভাষাৰ সৈতে প্ৰায় একেই। তেওঁলোকৰ কোনো পৰিয়াল (উপ-গোত্ৰ) প্ৰথা নাই। কিন্তু স্ব-গোত্ৰৰ ভিতৰত বিয়া-বাৰু সম্বন্ধ নিষিদ্ধ। তেওঁলোকে মাতৃ বংশৰ ল'ৰা-ছোৱালীৰে বিবাহ কৰাত বিশেষ বাধা নাই কিন্তু দৰা আৰু কইনা উভয়েৰে মাতৃবংশ একে হ'লে বিবাহ নিষিদ্ধ। ডিমাছাসকল ব্ৰায়-চিব্ৰায় আৰু আমাং-গামাংডি বা শিৱ-পাৰ্বতী পৰম্পৰাত বিশ্বাসী যদিও গোড়া বৈষ্ণৱী হিন্দু আৰু বলি-বিধানতো বিশ্বাসী, অতি ৰক্ষণশীল। ডিমাছাসকলে বিছু ডিমা নামে এটি উৎসৱ পালন কৰে। এই অনুষ্ঠানত কুকুৰা কাটি পূজা দিয়াৰ লগতে মদ, গাহৰি আদিৰে সমজুৱাই ভোজ ভাত খাই ঢোল-পেঁপাৰ তালত নৃত্য কৰে। এওঁলোকৰ বিবাহৰ বিশেষ ৰীতি নাই যদিও মদ আৰু কুকুৰা কাটি পূজা দি লগতে গাহৰি বা ম'হৰ মাংসৰ ভোজ দি বিবাহ উৎসৱ পালন কৰা হয়। চিতাৰ অগ্নিত মদ-গাহৰিৰে মৃতকৰ শ্ৰাদ্ধ পালন কৰা হয়।

**(ঙ) দেউৰীসকল ঃ** অসমৰ মঙ্গোলয়ডসকলৰ ভিতৰত দেউৰীসকল অন্যতম জনগোষ্ঠী। দেউৰীসকল ব্ৰহ্মপুত্ৰৰ উজনি অংশত, বৰ্তমান অৰুণাচল প্ৰদেশৰ লোহিত জিলাৰ অন্তৰ্গত জৈদাম পাহাৰৰ আশে-পাশে বাস কৰিবলৈ লয়। দেউৰীসকল সামাজিকভাৱে চাৰিটা খেলত বিভক্ত— ডিবঙীয়া, টেঙাপনীয়া, বৰগঞা আৰু পাটৰ গঞা। দেউৰীসকল বৰ্তমান অসমৰ বিভিন্ন জিলা— তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, মাজুলী, ধেমাজি, লখিমপুৰ আৰু বিশ্বনাথ জিলাত আছে। দেউৰীসকলৰ ভাষা 'দেউৰী'য়ে ২০০৫ চনৰ ২৮ জানুৱাৰী তাৰিখে চৰকাৰী ভাষাৰূপে স্বীকৃতি লাভ কৰে। তেওঁলোকে 'কুন্দি' ধৰ্মক বিশ্বাস কৰে। 'কুন্দিমামা' হ'ল তেওঁলোকৰ

উপাস্য দেৱতা। দেউৰীসকল সাধাৰণতে কৃষিজীৱী লোক। ধান, মাহ, সৰিয়হ, মৰাপাট আৰু বিভিন্ন প্ৰকাৰৰ শাক-পাচলি তেওঁলোকৰ প্ৰধান খেতি। বাসস্থানৰ বাবে সাধাৰণতে দেউৰীসকলে নৈপৰীয়া অঞ্চলৰ ঠাই নিৰ্দ্ধাৰণ কৰে। দেউৰীসকলে তাহানিৰে পৰা কাঠ, বাঁহ, বেত আৰু খেৰেৰে চাংঘৰ সাজি বাস কৰি আছে। দেউৰীসকলৰ উৎসৱসমূহৰ ভিতৰত বিহু প্ৰধান যদিও (বসন্ত আদৰণী উৎসৱ) বিবা বচু গিবা মেচ্চু, বিদু দাবেবা মেচ্চু, মিদি দেৰুৱা মেচ্চু ধৰ্মৰ লগত জড়িত আৰু শাওণীয়া পূজা পালন কৰে।

**(চ) বড়োসকল ঃ** বড়োসকল উত্তৰ-পূব ভাৰতৰ আদিম জনগোষ্ঠী। বড়োমূলীয় উপগোষ্ঠী— সোণোৱাল কছাৰী, ঠেঙাল কছাৰী, চুতীয়া, দেউৰী, লালুং, ৰাভা, গাৰ', হাজং আৰু ত্ৰিপুৰী লোকসকল লখিমপুৰ, তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ আদি বিভিন্ন ঠাইত বসবাস কৰা দেখিবলৈ পোৱা যায়। কাৰ্বি আংলং আৰু ডিমাহাচাও জিলাৰ ডিমাছা কছাৰী সকলো বৃহৎ বড়ো গোষ্ঠীৰ এটি শাখা। বড়ো হ'ল বড়োসকলৰ মাতৃভাষা। বড়োসকলৰ অতি পুৰণি ধৰ্মটো হৈছে বাথৌ ধৰ্ম। বাথৌ-বৌৱাই বড়োসকলৰ শ্ৰেষ্ঠ দেৱতা। তেওঁলোকে পঞ্চতত্ত্বৰ সৃষ্টিকৰ্তাজনক ঈশ্বৰ হিচাপে মানি লয়। খেৰাই উৎসৱ বড়োসকলৰ ধৰ্মীয় উৎসৱ। সমাজৰ সকলোৰে মঙ্গলৰ কাৰণে দৌদিনি আৰু দৌৰিৰ সহযোগত খেৰাই উৎসৱ উদ্‌যাপন কৰা হয়। 'আৰাইন'খন বড়োসকলে শ্ৰদ্ধা আৰু সন্মানৰ চিন স্বৰূপে ব্যৱহাৰ কৰে। বড়োসকলৰ গীতসমূহ তিনিটা ভাগত ভাগ কৰিব পাৰি— প্ৰাৰ্থনা গীত (খেৰাই প্ৰাৰ্থনা গীত, চেৰজা আৰু দহাৰ গীত); লোক গীত (বৈশাগু গীত, বিয়া গীত); আৰু আধুনিক গীত (বৰ্তমান প্ৰচলিত গীত)। বড়ো নৃত্য দুবিধ- পুৰণি আৰু আধুনিক বড়ো নৃত্য। বড়োসকলৰ প্ৰধান বাদ্যযন্ত্ৰবোৰ হৈছে— খাম (মাদল), চিফুং (বাঁহী), জতা (তাল), চেৰজা আৰু গংগনা। বড়োসকলৰ বাগুৰুম্বা আৰু বাৰদৈচিখ্‌লা নৃত্যই ভাৰতবৰ্ষৰ লগতে সমগ্ৰ এছিয়াতে খ্যাতি অৰ্জন কৰিছে।

**(ছ) মৰাণসকল ঃ** মৰাণসকল অসমৰ এক অতি প্ৰাচীন কিৰাত-মঙ্গোলীয় মূলৰ জনগোষ্ঠী। এওঁলোক অসমৰ আদিম অধিবাসী আছিল। সম্প্ৰতি মৰাণসকল তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, চৰাইদেউ, যোৰহাট, ধেমাজি আদি জিলাসমূহত সিঁচৰতি হৈ আছে। বিহুৰেই মৰাণসকলৰ প্ৰধান উৎসৱ। অতি সম্প্ৰতি মৰাণসকলৰ বিহুক 'মৰাণ বিহু' নামেৰে জনা যায়। মৰাণসকলৰ ঢোলৰ আকৃতি, বাদনৰ লয়-তাল, বিহু নৃত্যৰ ভংগীমা, গীতৰ তাল-লহৰ আদিৰ নিজস্ব বৈশিষ্ট্য বিদ্যমান। মৰাণসকলৰ সাংস্কৃতিক সম্ভাৰসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল কুলা-বুঢ়ী নৃত্য, যঁজা নৃত্য, ৰণুৱা নৃত্য-গীত, ধ্ৰুতং, গৰখীয়া গীত, ঝুম তলীৰ গীত, হাতী শিকোৱা গীত, বিভিন্ন খেৰ ইত্যাদি। মৰাণসকলৰ প্ৰতিখন গাঁৱত ৰাইজৰ দ্বাৰা নিৰ্বাচিত এজন গাঁওবুঢ়া থাকে লগতে প্ৰয়োজন অনুসৰি দুজন বা ততোধিক বৰবুঢ়া থাকে। মৰাণসকলৰ জাতীয় খেতিৰ ভিতৰত সুমথিৰা বা কমলা টেঙা অন্যতম।

**(জ) মিচিংসকল ঃ** অসমৰ দ্বিতীয় সৰ্ববৃহৎ জনজাতীয় জনগোষ্ঠীটো হ'ল মিচিং। মিচিংসকলক 'মিৰি' নামেৰেও জনা যায়। মিচিং সমাজত মিৰি শব্দটো মিবু বা পুৰোহিতৰ ক্ষেত্ৰতহে ব্যৱহাৰ কৰে। মিচিং জনগোষ্ঠীৰ মাজত কেইবাপ্ৰকাৰে বিবাহ সম্পাদিত হয়। বংশ বা গোত্ৰ গণনা পুৰুষৰ ফালৰ পৰা কৰা হয়। মনে বিচৰা জীৱন সংগী বিচৰাত ডেকা-গাভৰুসকলৰ মাজত স্বাধীনতা আছে। কিন্তু বিয়া একোটা কুলৰ মাজত সম্পাদিত নহয়। কুল বিচাৰত উচ্চ-নীচৰ বিচাৰ বা ভাব নাথাকে। থাকে মাথোঁ মিতিৰ সম্বন্ধহে। মিচিংসকলৰ জীৱিকাৰ সম্বল হ'ল কৃষি। বছৰত তেওঁলোকে আহু আৰু শালি ধানৰ খেতি কৰে আৰু লগতে আলু, কচু, সৰিয়হ আদিৰো খেতি কৰে। মিচিং গাঁওবিলাকত একোজন গাওঁবুঢ়া থাকে। মিচিং পুৰুষসকলে পৰম্পৰাগত মিবু গালুগ, গনৰ, উগন্‌, টঙালি, দুমেৰ পৰিধান কৰে আৰু মহিলাসকলে ৰিহা-মেখেলা, ৰিবি-গাচেং আদি পৰিধান কৰে। মিচিং মহিলাসকল পাকৈত শিপিনী হোৱাৰ লগতে 'গাদু' বা 'মিৰিজিম' মিচিংসকলৰ জাতীয় সম্বল। 'দঞি-পল' মিচিংসকলৰ মূল ধৰ্ম। লোক-বিশ্বাসত অত্যন্ত বিশ্বাসী মিচিংসকলে কুকুৰাক সততেই বিপদ-আপদৰ ৰক্ষা কবচ হিচাপে বিশ্বাস কৰে। ধৰ্মীয় উৎসৱ দবুৰ পূজা তাৎপৰ্য্য পূৰ্ণ মিচিংসকলে প্ৰধান উৎসৱ হিচাপে আলি-আয়ে-লৃগাং পালন কৰাৰ উপৰিও বিহু পালন কৰে। আলি-আয়ে-লৃগাং বীজ ৰোপণৰ শুভাৰম্ভণিৰ উৎসৱৰূপে প্ৰচলিত। ফাগুন মাহৰ প্ৰথম বুধবাৰত এই উৎসৱ পালন কৰে। পুৰাং আপিন বা টোপোলা ভাতৰ লগত দিন চান, ঙচান অৰ্থাৎ শুকান মাছ, মঙহ আৰু আপঙেই এই উৎসৱৰ প্ৰধান খাদ্য। গুম্‌ৰাগ নৃত্য আৰু গীতে মিচিংসকলৰ ঐতিহ্য আৰু শান্তিপ্ৰিয়তাৰ পৰিচয়কে বহন কৰে। মিচিং সমাজত পুৰুষ-মহিলাৰ সমান অংশগ্ৰহণ আছে।

এইদৰে অসমৰ বৈচিত্ৰ্যপূৰ্ণ সমাজ ব্যৱস্থাত জাতি-জনগোষ্ঠীসমূহৰ স্বতন্ত্ৰ বৈশিষ্ট্য ফুটি উঠে। ওপৰত আলোচনা কৰা জনজাতিসমূহৰ উপৰিও অসমত অন্যান্য বহুতো জাতি-জনগোষ্ঠী বিদ্যমান। সেইবোৰৰ ভিতৰত গাৰো, চাওতাল, চুতীয়া, কলিতা, মণিপুৰী, ৰাভা, সোণোৱাল কছাৰী, হাজং, কৈৱৰ্ত, হীৰা-বণিয়া, সুত, বৰাহী, মেচ, খামতি, ৰেংমা কুকী, চিংফৌ, হালৈ ইত্যাদি জাতি-জনগোষ্ঠীৰ নাম বিশেষভাৱে উল্লেখযোগ্য। এই জাতি-জনগোষ্ঠীসমূহৰো সুকীয়া সুকীয়া আচাৰ-আচৰণ দেখা যায়। সভ্যতা সংস্কৃতিৰ ক্ষেত্ৰত বৈচিত্ৰ্যপূৰ্ণ অসমত থকা এই জাতি-জনগোষ্ঠীসমূহে নিজৰ সংস্কৃতিৰ বিতৰণ আৰু অন্য সংস্কৃতিৰ প্ৰভাৱেৰে প্ৰভাৱান্বিত হৈ এক বিৰাট অসমীয়া সংস্কৃতিৰ গঢ় দিছে।

অসম আৰু অসমীয়াৰ উদাৰতা, ভৌগোলিক তথা সাংস্কৃতিক ভিন্নতাৰ নিদৰ্শন চালুকীয়া শব্দৰ বিন্যাসেৰে বৰ্ণাই শেষ কৰিব নোৱাৰি। বৰ অসমৰ বৰপীৰাত বহি সমগ্ৰ বিশ্বতে অসমীয়া সংস্কৃতিয়ে স্বতন্ত্ৰ বিভিন্নতাৰ যি আদৰ্শ দাঙি ধৰিছে বিশ্বভ্ৰাতৃত্বত এই অৱদান মহান আদৰ্শ হৈ ৰ'ব। বৃহত্তৰ অসমীয়া জাতিৰ হোতাস্বৰূপ প্ৰাতঃ স্মৰণীয় অগ্ৰজসকলক স্মৰণ কৰি বৃহৎ অসমৰ জাতি-জনগোষ্ঠীৰ সমাজ পদ্ধতি সম্বন্ধীয় প্ৰবন্ধলানিৰ সামৰণি মাৰিছোঁ।❑

# অসম আৰু জাতীয়তাবাদ

**দীপাঙ্কৰ ওজা**



জাতীয়তাবাদৰ পৱিত্ৰতা আৰু প্ৰাসংগিকতাক উপলব্ধি কৰিবলৈ এষাৰ সংস্কৃত শ্লোকেই যথেষ্ট—
''নমস্তে সদা বৎসলে মাতৃভূমে ত্বয়া হিন্দুভূমে সুখং বৰ্ধিতোহম্।
মহামঙ্গলে পুণ্যভূমে ত্বদৰ্থে পদত্বেষ কায়ো নমস্তে নমস্তে।।''

সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱে কৈছিল—
*"আমি অসমীয়া নহওঁ দুখীয়া*
*বুলি সান্তনা লভিলে নহ'ব*
*আজিৰ অসমীয়াই নিজক নিচিনিলে*
*অসম ৰসাতলে যাব।"*

নিজকে চিনি, আই অসমীৰ পূজাৰ বেদীত সমৰ্পণ ভাবেই আমাৰ জাতীয়তাবাদ, অসমৰ জাতীয়তাবাদ। কিন্তু ইতিহাসৰ পৃষ্ঠা লুটিয়ালে অসমৰ জাতীয়তাবাদৰ এক তথ্য ভিত্তিক ৰূপৰেখা স্পষ্ট পৰিলক্ষিত হয়। জাতীয়তাবাদ হ'ল একোটা জাতিৰ জাতীয় মতাদৰ্শ। একেটা অঞ্চলতে সুদীৰ্ঘ কাল ধৰি সহাৱস্থান কৰি থকা বিভিন্ন জনসমষ্টি নিৰ্দিষ্ট ঐতিহাসিক পৰিক্ৰমাৰ জৰিয়তে এটা উমৈহতীয়া মানসিক গঢ়ৰ গৰাকী হৈ পৰে। বিভিন্ন দিশত মিল থকা এটা বৃহত্তৰ সাংস্কৃতিক জীৱন তেওঁলোকৰ মাজত উমৈহতীয়া সাঁচেৰে গঢ়ি উঠে। তাৰ ফলতেই "আমি একে জাতিৰ মানুহ" —এই ভাব তেওঁলোকৰ মাজত অংকুৰিত হয়। এই ভাবনাই হ'ল জাতীয় চেতনা আৰু সেই জাতীয় চেতনায়েই জন্ম দিয়ে জাতীয় পৰিচয়ৰ, অথবা জাতীয় সত্তাৰ। এনেকৈয়ে একোখন সামন্তীয়, অথবা ক্ষেত্ৰবিশেষে অৰ্ধ জনজাতীয় সমাজত ওচৰা-ওচৰিকৈ বহুকাল ধৰি বসবাস কৰা বিভিন্ন জনসমষ্টি একেটা জাতীয় চিনাকিৰ এনাজৰীৰ বান্ধোনেৰে একীভূত হৈ সৃষ্টি কৰে একোটা জাতিৰ । সেই জাতিৰ জাতীয় জীৱনৰ আৱেগ-অনুভূতি, আশা-আকাংক্ষা যি আদৰ্শবাদত ঘনীভূত হৈ মতাদৰ্শৰ ৰূপ লৈ বহিঃপ্ৰকাশ কৰে সেই মতাদৰ্শই হ'ল জাতীয়তাবাদ।

কিন্তু জাতীয়তাবাদ যদিও জাতিৰপৰাই উৎপত্তি হয়, পিছে তাৰ সৃষ্টি স্বতঃস্ফূৰ্ত নহয়। চকুৰ আগতেই থকা সমলবোৰ গোটাই সচেতন বৌদ্ধিক প্ৰচেষ্টাৰে জাতীয়তাবাদৰ জন্ম সেই সমাজৰ অগ্ৰণী চামে দিয়ে । সমলবোৰ থাকিলেই জাতীয় জীৱনৰ সৃষ্টি নহয়, যদি কোনোবাই আগবাঢ়ি আহি সেইবোৰক ভিত্তি হিচাপে লৈ জাতীয় চিন্তা-চৰ্চাৰ জন্ম নিদিয়ে। নক'লেও চলে যে তেনে চিন্তা-চৰ্চা কৰিবলৈ প্ৰয়োজনীয় সচেতনতা তথা শিক্ষা-দীক্ষাৰ প্ৰয়োজন। তেনে চিন্তা-চৰ্চা কৰিব পৰা লোক যথেষ্ট পৰিমাণে এখন সমাজত সৃষ্টি হ'লেহে সেই চৰ্চাৰ প্ৰচলন ঘটে। ইতিহাসে স্পষ্ট কৰি দিয়ে যে এখন সমাজত মধ্যবিত্তসকলেই এনে চিন্তা-চৰ্চা কৰা লোকসকল। অৰ্থাৎ এটা জাতিয়ে অতি সংহত ৰূপ লৈ নিজ জাতীয়তাবাদী চিন্তা-চৰ্চা তেতিয়াহে আৰম্ভ কৰিব পাৰে যেতিয়া সেই সমাজত মধ্যবিত্তৰ উৎপত্তি হয়। সকলো



ঊনবিংশ শতিকাৰ প্ৰথমভাগৰ শেষ অংশৰপৰা পোখা মেলা অসমীয়া জাতীয়তাবাদে দুটা ধাৰাৰে তাৰ পৰিক্ৰমা আৰম্ভ কৰিছিল। এটা ধাৰাৰ নেতৃত্বত আছিল মণিৰাম দেৱান আৰু আনটোৰ নেতৃত্বত আছিল আনন্দৰাম ঢেকিয়াল ফুকন। মণিৰাম আছিল এফালেদি আধুনিক পুঁজিবাদী অৰ্থনৈতিক স্বতন্ত্ৰ বিকাশৰ দৃঢ় চৰ্চাকাৰী, আনফালেদি পুৰণা সামন্তীয় সা-সুবিধাৰ দৃঢ় সমৰ্থক। তেওঁ আছিল এক অতি ব্যতিক্ৰমধৰ্মী চৰিত্ৰৰ।

জাতীয় জীৱনৰ দৰেই অসমীয়া জাতীয় জীৱনৰো সমল আৰু জাতীয়তাবাদ - এই দুটা একেটা সত্তাৰেই দুটা অংশ আৰু দুয়োটাৰে ইতিহাস, অৰ্থাৎ গতিধাৰা সুকীয়া সুকীয়া। তাৰে প্ৰথমটোৰ গতিধাৰা সম্পৰ্কে নিশ্চিতভাৱে কোৱাটো সম্ভৱ নহয়। কিমান জনগোষ্ঠীৰ সংমিশ্ৰণত বৃহত্তৰ অসমীয়া জাতি গঢ়ি উঠিল, তাক সঠিকভাৱে সেই প্ৰক্ৰিয়াৰ বিচিত্ৰতাৰ বাবে কোৱা টান। তেওঁলোকৰ মাজত বৰাহীৰ দৰে জনগোষ্ঠীও আছে, যিসকল সংমিশ্ৰণৰ প্ৰক্ৰিয়াত ইমানেই সম্পূৰ্ণভাৱে জীণ গ'ল যে এতিয়া আৰু তেওঁলোকৰ কোনো সুকীয়া বৈশিষ্ট্য বিচাৰি পোৱা নাযায়। এই দিশৰ গতিধাৰাত দুটা নাম বিশেষভাৱে উল্লেখযোগ্য। সেই দুটা হ'ল- চাওলুং চুকাফা আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ ।ইয়াৰ লগতে উল্লেখযোগ্য আজান ফকীৰৰ নামো বিশেষভাৱে উল্লেখনীয়। চাওলুং চুকাফা আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বৃহত্তৰ অসমীয়া জাতীয় জীৱনৰ ক্ৰমে ৰাজনৈতিক প্ৰাণপুৰুষ আৰু সাংস্কৃতিক প্ৰাণপুৰুষ। এই কথা সত্য যে চাওলুং চুকাফাৰ দিনত অসমীয়া জাতিৰ কথাতো বাদেই, আনকি 'অসম' নামটো, অথবা আধুনিক অসমীয়া ভাষাৰো উৎপত্তি হোৱা নাছিল। তথাপি তেৱেঁই বৃহত্তৰ অসমীয়া জাতীয় জীৱনৰ ৰাজনৈতিক প্ৰাণপুৰুষ এইবাবেই যে- "একেখন ৰাজ্যত সহৰস্থান কৰা আমি একে মানুহ" এই ভাৱধাৰা অসমীয়া জাতীয় জীৱনৰ ক্ষেত্ৰত যিখন আহল-বহল আৰু দীৰ্ঘস্থায়ী ৰাজ্যৰ জৰিয়তে সৃষ্টি হৈছিল, সেই 'আহোম ৰাজ্য'খনৰ প্ৰতিষ্ঠাপক আছিল চাওলুং চুকাফা ।'সাত ৰাজ যোৱা দি এক ৰাজ' কৰি তেওঁ স্থাপন কৰা ৰাজ্যখনেই পিছলৈ বিস্তৃতি লাভ কৰি সেই বৃহৎ ৰাজ্যখনলৈ পৰিণত হৈছিল, যিখন হৈছিলগৈ 'বৰ অসম'ৰ ভেটি, যি ভেটিত গঢ়ি উঠিল বৃহত্তৰ অসমীয়া জাতি। এই দিশত কোচ মহাৰজা নৰনাৰায়ণ আৰু মহাবীৰ চিলাৰায়ৰো অতি গুৰুত্বপূৰ্ণ অৰিহণা আছে। আনহাতেদি, যি ধৰ্মীয়, ভাষিক আৰু জনগোষ্ঠীয় সম্প্ৰীতি, সমন্বয় আৰু সংমিশ্ৰণেৰে পিছলৈ বৃহত্তৰ অসমীয়া জাতি গঢ়ি উঠিল তাৰ ৰাজনৈতিক পথ প্ৰদৰ্শকো আছিল চাওলুং চুকাফা।

ঠিক তেনেদৰে যি 'অসম' নামটোৰপৰা 'অসমীয়া' চিনাকিৰ উৎপত্তি হৈছিল সেই 'অসম'ৰ লিখিত উল্লেখ শ্ৰীমন্ত শংকৰদেৱৰ পূৰ্বে আৱিষ্কাৰ হোৱা নাই। 'অসম মুলুক' এই কথাষাৰ শ্ৰীমন্ত শংকৰদেৱেও নিজ লিখনিত মাথোঁ এবাৰেই ব্যৱহাৰ কৰিছিল, টাই আহোমসকল তথা আহোম ৰাজ্যক বুজাবলৈ । শ্ৰীমন্ত শংকৰদেৱৰ সময়তো অসমীয়া জাতীয় জীৱনৰ অংকুৰণ কিমান প্ৰাথমিক স্তৰত আছিল ই তাৰেই চানেকি। আহোম ৰাজ্যত মহাপুৰুষ মাধৱদেৱ শাস্তিৰ সন্মুখীন হোৱাৰ দৰে ঘটনাও ঘটিছিল। এনে ইতিহাস সত্বেও মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে বৃহত্তৰ অসমীয়া জাতীয় জীৱনৰ সাংস্কৃতিক প্ৰাণপুৰুষ এইবাবেই যে যি সংস্কৃতিৰ ভেটিৰ ওপৰত বৃহত্তৰ অসমীয়া জাতীয় জীৱন প্ৰতিষ্ঠিত তাৰ মৰ্মগত পৰিকাঠামোটো তেওঁ সাজি দি গৈছে। ই ধৰ্মগত বা আধ্যাত্মিক পৰিকাঠামোতকৈ মূলতঃ সাংস্কৃতিক মৰ্মগত পৰিকাঠামোহে আছিল। এইবোৰে পিছলৈ অসমীয়া জাতীয় জীৱনক অতি উচ্চখাপৰ ধ্ৰুপদী সাংস্কৃতিক সমলৰ গৰাকী কৰাৰ লগতে এক সহিষ্ণু তথা সম্প্ৰীতিময় সাংস্কৃতিক ঐতিহ্যৰো গৰাকী কৰিলে। তাৰ স্পষ্ট প্ৰভাৱ অতি চমৎকাৰ দৃষ্টান্তৰে প্ৰতিনিধিত্ব কৰিছিল আজান ফকীৰে। এই ছুফী পীৰজনাই অসমত প্ৰৱৰ্তন কৰা ইছলাম ধৰ্ম এফালেদি কেনেকৈ ছুফী উদাৰপন্থাৰে প্ৰাণময়, ঠিক তেনেকৈয়ে শ্ৰীমন্ত শংকৰী সহিষ্ণু পৰম্পৰাৰেও সমৃদ্ধ। তেওঁ সৃষ্টি কৰি যোৱা জিকিৰ-জাৰিবোৰত তাৰ স্পষ্ট প্ৰতিধ্বনি শুনা যায়। এই বৈশিষ্ট্যৰ বাবেই 'শংকৰ-আজানৰ দেশ' আৰু অসমীয়া মননৰ প্ৰতিনিধি, যিটো দেশৰ আন জাতিত পোৱাটো কঠিন।

আনহাতে ঊনবিংশ শতিকাৰ প্ৰথমভাগৰ শেষ অংশৰপৰা পোখা মেলা অসমীয়া জাতীয়তাবাদে দুটা ধাৰাৰে তাৰ পৰিক্ৰমা আৰম্ভ কৰিছিল। এটা ধাৰাৰ নেতৃত্বত আছিল মণিৰাম দেৱান আৰু আনটোৰ নেতৃত্বত আছিল আনন্দৰাম ঢেকিয়াল ফুকন। মণিৰাম আছিল এফালেদি আধুনিক পুঁজিবাদী অৰ্থনৈতিক স্বতন্ত্ৰ বিকাশৰ দৃঢ় চৰ্চাকাৰী, আনফালেদি পুৰণা সামন্তীয় সা-সুবিধাৰ দৃঢ় সমৰ্থক। তেওঁ আছিল এক অতি ব্যতিক্ৰমধৰ্মী চৰিত্ৰৰ। সামন্তীয় পুনৰুত্থানবাদৰ পথ আছিল অন্ধগলি। আনহাতে, পুঁজিবাদী উৎসাহেৰে আৰু ভীষণ সাহসেৰে অসমৰ প্ৰথম চাহ

বাগিছাৰ খিলঞ্জীয়া মালিক হ'ব খোজা মণিৰাম দেৱানৰ এই প্ৰচেষ্টা আছিল সাম্ৰাজ্যবাদী চাহ বাগিছাৰ মালিকবোৰক জনোৱা অৰ্থনৈতিক জাতীয়তাবাদী প্ৰত্যাহ্বান। ১৮৫৭ চনৰ দেশৰ প্ৰথম স্বাধীনতা সংগ্ৰামত জড়িত হোৱাৰ ঘটনাক অতিৰঞ্জিত কৰি মণিৰাম দেৱানক সাম্ৰাজ্যবাদী শক্তিয়ে ফাঁচিকাঠত ওলমাইছিল, প্ৰকৃততে তেওঁ সাম্ৰাজ্যবাদী চাহ শিল্পপতিক জনোৱা জাতীয়তাবাদী অৰ্থনৈতিক প্ৰত্যাহ্বানৰ বাবেহে । মণিৰামৰ ফাঁচিৰ লগতেই অসমীয়া জাতীয় জীৱনত স্বতন্ত্ৰ জাতীয় অৰ্থনীতি গঢ়াৰ অৰ্থনৈতিক জাতীয়তাবাদৰো হত্যা হ'ল। অসমীয়া জাতীয়তাবাদত সেই ধাৰাটো সুস্থ-সবল ৰূপেৰে আৰু কাহানিও গা কৰি উঠিব পৰা নাই।

প্ৰাক্ স্বাধীনতা সময়ছোৱাত অসমৰ জাতীয়তাবাদৰ উদীপ্ত বন্তিগছিত শলিতা বৰ্ধনত অগ্ৰণী ভূমিকা পালন কৰা অন্যতম পুৰুধা পুৰুষ দুগৰাকী হয় কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আৰু ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা । সৈনিক শিল্পী বিষ্ণু ৰাভাই অসমৰ অৱদমিত জনগোষ্ঠীসমূহৰ সম অধিকাৰ প্ৰতিষ্ঠা আৰু শোষিত, নিষ্পেষিত কৃষক-শ্ৰমিকৰ মুক্তিৰ প্ৰশ্নটোক সমস্বৰে তুলি ধৰিছিল। 'তোৰ বাহুতে লুকাই আছে অসীম শক্তি বল' বুলি কোৱা ৰাভাদেৱে কৃষক-বনুৱাক কেৱল পঞ্চায়তৰ হিতাধিকাৰীত অন্তৰ্ভুক্ত কৰি বিবেকহীন ভোট বেংকত পৰিণত কৰাৰ কথা কাহানিও কোৱা নাছিল। তেওঁ জনগণৰ চেতনাৰ ৰূপান্তৰৰ হকে বিপ্লৱী ৰাজনীতিৰহে পোষকতা কৰিছিল। অসমীয়া ভাষা-সাহিত্যত অনাৰ্যমুখী, জনজাতীয় উপাদানসমূহৰ পুনৰাৱিষ্কাৰেৰে ৰাভাদেৱে অসমীয়া জাতিসত্তাক এক নৱৰূপত চোৱাৰ প্ৰয়াস কৰিলে। 'আজি মন্দিৰ দুৱাৰ খোলা, বহে মিলন মেলা'ৰ ধ্বনি দিয়া কলাগুৰুজনাই মন্দিৰ-মছজিদক উগ্ৰ সাম্প্ৰদায়িক ৰাজনীতিৰ অন্ধ কুঠৰীত পৰিণত কৰাৰ বিপৰীতে সমন্বয়ৰ মিলন ভূমিৰূপে গঢ়ি তোলাৰ কল্পনা কৰিলে। আন্তৰ্জাতিকতাবাদী বিপ্লৱী মননৰ বলতেই বিচ্ছিন্নতাকামী, উগ্ৰ জনগোষ্ঠীয় ভাবাৱেগক তেওঁ হেলাৰঙে অতিক্ৰম কৰিছিল। বিষ্ণু ৰাভাদেৱে 'অসমীয়া কৃষ্টিৰ চমু আভাষ' শীৰ্ষক ৰচনাত কৃষ্টি আৰু সংস্কৃতি সম্পৰ্কে এক ভাবোদ্দীপক উক্তি প্ৰকাশ কৰিছিল । তেওঁৰ ভাষাত, "কাব্য, গান, শিল্প, দৰ্শন, ধ্যান-ধাৰণাই নাইবা আচাৰ-অনুষ্ঠান, ভদ্ৰতা-শিষ্টাচাৰ-নীতি-নিয়মকেই সাধাৰণতঃ মানুহে বুজে কৃষ্টি বা কালচাৰ বুলি।" জ্যোতিপ্ৰসাদৰ হাততে অসমীয়া গীতি-সাহিত্যই থলুৱা জন-জীৱনৰ সুৰ ঝংকাৰিত হয়।



প্ৰাক্ স্বাধীনতা সময়ছোৱাত অসমৰ জাতীয়তাবাদৰ উদীপ্ত বন্তি গছিত শলিতা বৰ্ধনত অগ্ৰণী ভূমিকা পালন কৰা অন্যতম পুৰুধা পুৰুষ দুগৰাকী হয় কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আৰু ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা। সৈনিক শিল্পী বিষ্ণু ৰাভাই অসমৰ অৱদমিত জনগোষ্ঠীসমূহৰ সম অধিকাৰ প্ৰতিষ্ঠা আৰু শোষিত, নিষ্পেষিত কৃষক-শ্ৰমিকৰ মুক্তিৰ প্ৰশ্নটোক সমস্বৰে তুলি ধৰিছিল।

আকৌ ভাৰতৰ স্বাধীনতাৰ পিছত ১৯৫২ চনৰ পৰা অসমত অসমীয়া ভাষাক চৰকাৰী ভাষা হিচাপে স্বীকৃতি আৰু অসমৰ শৈক্ষিক প্ৰতিষ্ঠান শিক্ষণৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰাৰ বাবে এক আন্দোলনৰ সূচনা হৈছিল। ভাষিক বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি ভাৰতৰ 'ৰাজ্য পুনৰ গঠন আইন, ১৯৫৬' বলৱৎ হোৱাত এই আন্দোলনে আৰু বল পায়। ভাষাৰ ওপৰত ভিত্তি কৰি ৰাজ্য গঠন হোৱা দেখি অসম সাহিত্য সভাই অসমীয়া ভাষাক অসমৰ একমাত্ৰ চৰকাৰী ভাষা হিচাপে স্বীকৃতি দিবলৈ দাবী জনাইছিল। এই আন্দোলনত অসমৰ ছাত্ৰ সমাজে প্ৰত্যক্ষ আৰু সক্ৰিয়ভাৱে যোগদান কৰিছিল। এই আন্দোলনতে ১৯৬০ চনৰ ৪ জুলাইৰ দিনা ৰঞ্জিত বৰপূজাৰী কটন কলেজৰ নিজ হোষ্টেলৰ ১১৩ নম্বৰ ৰুমৰ সন্মুখতে পুলিচৰ নিৰ্বিচাৰ গুলীত মৃত্যু বৰণ কৰিছিল। তেওঁৰ লগতে বহুতে এই আন্দোলনত শ্বহীদ হৈছিল। ইয়াক 'ভাষা আন্দোলন' বুলি অভিহিত কৰা হয় আৰু ৰঞ্জিত বৰপূজাৰীক ভাষা আন্দোলনৰ প্ৰথম শ্বহীদ হিচাপে মান্যতা প্ৰদান কৰা হয়। এই আন্দোলনৰ ফলশ্ৰুতিত অসম চৰকাৰী ভাষা আইন, ১৯৬০ প্ৰণয়ন কৰা হয় আৰু অসমীয়া ভাষাক ইংৰাজী ভাষাৰ সৈতে অসমৰ চৰকাৰী ভাষা হিচাপে স্বীকৃতি প্ৰদান কৰা হয়। এয়া আছিল স্বাধীনোত্তৰ পিছত কালছোৱাত অসমৰ ভাষিক জাতীয়তাবাদৰ অভ্যুত্থান। তদুপৰি ১৯৭২ ৰ জুন মাহৰ পৰা ১৯৭৩ ৰ জানুৱাৰীলৈ অসমত ধাৰাবাহিকভাৱে চলা মাধ্যম আন্দোলনো অসমৰ জাতীয়তাবাদৰ অন্য এক বলিষ্ঠ ধাৰা। অসমৰ ভৌগোলিক চাৰিসীমাৰ ভিতৰত অসমীয়া ভাষাক উচ্চ শিক্ষাৰ একমাত্ৰ মাধ্যম হিচাপে স্বীকৃতি দিয়াৰ



দাবীত চলা এই আন্দোলনৰ নেতৃত্ব দিছিল সদৌ অসম ছাত্ৰ সন্থা, গুৱাহাটী বিশ্ববিদ্যালয় স্নাতকোত্তৰ ছাত্ৰসন্থা আৰু গুৱাহাটী বিশ্ববিদ্যালয় আইন মহাবিদ্যালয় ছাত্ৰ সন্থাই। আইৰ মুখৰ ভাষা জীয়াই ৰখাৰ সংগ্ৰামত ১৯৭২ চনৰ ৫ অক্টোবৰত নিৰ্মমভাৱে অত্যাচাৰৰ বলি হৈ ৬ অক্টোবৰ তাৰিখে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত শ্বহীদ বৰণ কৰিছিল ফুলকুমলীয়া ছাত্ৰ মোজাম্মিল হকে, তেৱেঁই আছিল এই ঐতিহাসিক মাধ্যম আন্দোলনৰ প্ৰথমগৰাকী শ্বহীদ।

সম্ভৱতঃ স্বাধীনতা আন্দোলনৰ পিছৰ কালছোৱাত অসমীয়া জাতিৰ বুকুত উমি উমি জ্বলি থকা জুইকুৰাৰ আটাইতকৈ ভয়াবহ উদ্‌গীৰণ আছিল ঐতিহাসিক অসম আন্দোলন। এয়া কেৱল বিদেশী বহিস্কাৰৰ দাবীত কৰা আন্দোলন নাছিল এয়া আছিল জাতীয়তাবাদ প্ৰতিষ্ঠা কৰি অসমৰ ভাষা-সংস্কৃতি, সাহিত্য, থলুৱা অৰ্থনৈতিক চিৰদিনৰ বাবে ৰক্ষণাবেক্ষণ দিয়া এক সন্মিলিত প্ৰচেষ্টা । ১৯৭৯ চনৰ ২৭ জুনত সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত গুৱাহাটী বিশ্ববিদ্যালয় চৌদহত বহিৰাগত সমস্যাক লৈ অনুষ্ঠিত এখন সভাত জাতীয়তাবাদী দলে এই সমস্যাৰ সমাধান নোহোৱা পৰ্যন্ত অসমত নিৰ্বাচন আৰু লোকপিয়ল বন্ধ ৰাখিবলৈ চৰকাৰক অনুৰোধ জনায়। আছুৱে 'বিদেশী বহিষ্কাৰ'ক মূল দাবী হিচাপে লৈ আন্দোলন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিলে। ১৯৭৯ চনৰ ছেপ্টেম্বৰত শ্ৰেণী বৰ্জন আৰু ধৰ্ণা কাৰ্যসূচী পালন কৰা হয়। ইফালে মুখ্য নিৰ্বাচন আয়ুক্তই ১৯৭৮ চনৰ ভোটাৰ তালিকা অনুসৰি নিৰ্বাচন পাতিবলৈ নিৰ্দেশনা জাৰি কৰে। তেতিয়া বিদেশী ভোটাৰৰ নাম থকা ভোটাৰ তালিকাৰে অসমত নিৰ্বাচন অনুষ্ঠিত হ'ব নিদিবলৈ এক তীব্ৰ গণ আন্দোলনে গা কৰি উঠে। নিৰ্বাচনত মনোনয়ন পত্ৰ দিবলৈ যোৱা প্ৰাৰ্থীক বাধা প্ৰদান কৰিবলৈ গৈ ১৯৮০ চনৰ ১০ ডিচেম্বৰত ভৱানীপুৰত খৰ্গেশ্বৰ তালুকদাৰ অসম আন্দোলনৰ প্ৰথম শ্বহীদ হয়। সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ নেতৃত্বত চলা এই আন্দোলনত ৮৬০ গৰাকী (চৰকাৰী তথ্য অনুসৰি ৮৫৫) শ্বহীদে আইৰ পূজাৰ বেদীত প্ৰাণ আহুতি দিয়ে। অৱশেষত ১৯৮৫ চনৰ ১৫ আগষ্টত ছাত্ৰ সন্থাৰ নেতৃবৃন্দ আৰু ৰাজীৱ গান্ধী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ মাজত নতুন দিল্লীত 'অসম চুক্তি' স্বাক্ষৰিত হয় আৰু ছয়টা বছৰ চলা অসম আন্দোলনৰ সামৰণি পৰে। কিন্তু পৰিতাপৰ বিষয় এয়ে যে অসম চুক্তি স্বাক্ষৰিত হোৱা আজি ইমান বছৰ পিছতো অসম চুক্তি কাৰ্যকৰী নহ'ল। শেহতীয়াকৈ চৰকাৰে তৃতীয় শ্ৰেণীৰ পৰা ষষ্ঠ শ্ৰেণীলৈ বিজ্ঞান আৰু গণিত বিষয়ৰ পাঠ্যক্ৰমত অসমীয়া মাধ্যম বিলুপ্ত কৰি ইংৰাজী মাধ্যমৰ পুথি ছপা কৰি প্ৰকাশ কৰিছিল। যিটো সময়ত ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০ য়ে মাতৃভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ কথা কৈছিল সেই সময়ত আমাৰ ওপৰত বলপূৰ্বকভাৱে জাপি দিয়া হৈছিল ইংৰাজী মাধ্যম। ইয়াকে লৈ পুনৰ এক ভাষিক জাতীয়তাবাদী সংগ্ৰামে গা কৰি উঠিছিল য'ত জাতীয়তাবাদী শক্তিৰেই জয় হৈছিল আৰু চৰকাৰে দ্বি-ভাষিক পাঠ্যপুথি প্ৰকাশ কৰিবলৈ বাধ্য হৈছিল। জাতীয়তাবাদ অবিহনে অসম আৰু অসমীয়া শূন্য। চিৰদিন মাহীআইৰ দৃষ্টিৰে কেন্দ্ৰই অসমৰ প্ৰতি কৰা আওকাণ আৰু ভাষা-সংস্কৃতি, সাহিত্য তথা নিজৰ অস্তিত্ব ৰক্ষাৰ বাবে অসমীয়াই কৰিবলগীয়া সংগ্ৰামে অসমীয়াৰ জাতীয়তাবাদৰ প্ৰাসংগিকতা স্পষ্ট কৰে। শেষত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ এফাঁকি উদ্ধৃতি উল্লেখ নকৰিলে গোটেই লিখনিয়েই আধৰুৱা হ'ব।

*"আনৰ লগতে অসমীয়া অসমতে,*
*যদিহে নেবাচে বাৰু ক'তনো বাচিব!*
*মোৰ আইক ভাল পাওঁ বুলিলে,*
*আনৰ আইক জানো ঘিণ কৰাটো বুজাব?*
*আৰু দূৰণিৰ পৰা আহি, লুইতৰ পাৰৰে মাটিক*
*মাতৃ বোলা প্ৰতি ভাৰতীয় হ'ল,*
*নতুন ৰূপৰ অসমীয়া!*
*আমি সেইভাৱে থাকিলেই হ'ব।"* ❑

# COUNTRY OF YOUTH : INDIA

**Himangshu Bharadwaj**

"My Faith is in the Younger
generation the modern generation.
They will work out the whole problem's like lion."
–SWAMI VIVEKANANDA

Youth are the most energetic and dynamic segment of the population in any country.lt is believed that developing countries with large youth population could see tremendous growth. We can undoubtedly say that today's youth are tomorrow's innovators, creators, builders and leaders. Youth shows strong passion, motivation and will power which also make them most valuable human resource for fostering economic, cultural, training and opportunities to transform the future. But they need the required support in terms of good health, education, training and opportunities to transform the future.



Today, India is one of the youngest nations in the world with more than 62% of its population in the working age group(15- 59years) and more than 54%of its total population below 25 years of age. The youth (18-29 years) constitute 22% of India's population, which is more than 261million people larger the population of PAKISTHAN. So, somewhere India is called the country of youth. But this advantage often termed as demographic dividend will remain only a numerical strength unless India's positively and consciously focus on their overall development.

The youth of India report by the MINISTRY OF STATISTICS AND PRAGRAMME IMPLEMENTATION GOI states that the median age of Indias population is about 28 years in 2021 and will become 31 years by 2031. The youth of today is increasingly becoming restless and struggling g to remove the



disparities. However, more efforts need to be put in, if we are to become free from vicious circles of poverty, malnutrition, corruption, violence and underemployment. All these vices are still prevalent in society, which are not allowing our great nation to function in its real spirit.

As a nation, India is celebrating 75years of Independence as "Azadi Ka Amrit Mahotsav", we have been striving to eliminate these inequalities at all levels. India is ranked at 111 in Global Hunger Index, 126 in world Happiness Index, 62 in Inclusive Development Index, 108 gender Development Index.If India is to take the charge and come forward to fight against multiple inequalities and contribute the nation building.

> "Youth mind will be fresh and innovative if opportunities are given to the youth to represent their ideas and policies for the uplift of the nation, which helps in the progress of the country. They need to express the ideas and to implement their policies."

Youth mind will be fresh and innovative if opportunities are given to the youth to represent their ideas and policies for the uplift of the nation, which helps in the progress of the country. They need to express the ideas and to implement their policies. Young people should be motivated to take part in politics and to occupy the position in the government. If the ruling power is given in the hands of the youth, then definitely India will be a developed nation soon. One nation needs them to resolve most of our problems.Currently India is facing a lot of challenges, and youth are capable of solving them we just need to be given a chance to prove issues and challenges. Youth should be given an opportunity to expose the intelligence to the world and make themselves into someone Governments Civil society, voluntary organizations and make our land great and educated one. The youth will make the country proud. The youth need the support and enabling environment at family level, community level, society level, state level, national level and international level which in turn will help to perform their duties.

The role of youth in nation buildings is crucial. Youth are problem solvers. They have the ability to create and identify for ourselves and move the nation forward. However they will not be able to do this without the support from family, community Government and follow youths. Then the youths can make their beautiful land flourish and shine in success.❑

# পৰিৱেশ ৰক্ষাত যুৱ সমাজৰ
## ভূমিকা আৰু কৰণীয়

আৰফিনা বেগম

বৰ্তমান আধুনিকীকৰণ আৰু বিশ্বায়নৰ যুগত পৰিৱেশ তথা পৰিৱেশ সংৰক্ষণ এই বিষয় দুটা বিচাৰ্য আৰু চৰ্চিত বিষয়স্বৰূপে পৰিগণিত হৈছে। ২১ শতিকাৰ বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ, বৈজ্ঞানিক মানসিকতা তথা শিক্ষাৰ অগ্ৰাধিকাৰৰ যুগত 'সংৰক্ষণ বা ৰক্ষা কৰা' শব্দবোৰ মানৱ সমাজৰ বাবে এক লজ্জিত বিষয়। অনাদি কালৰে পৰা মানুহ আৰু পৰিৱেশৰ মাজত এক অতি গভীৰ সম্বন্ধ আছে। এই সম্বন্ধই কাৰ্বন-ডাই-অক্সাইড গ্ৰহণৰ বিপৰীতে অক্সিজেন প্ৰদান, খাদ্য প্ৰদান, আশ্ৰয়, ভাৰসাম্য বাতাবৰণ ইত্যাদিক সামৰি লয়। সাধাৰণতে পৰিৱেশ বুলি ক'লে আমি আমাৰ চৌপাশৰ জৈৱ-অজৈৱ সম্পদকে বুজো। এই সম্পদৰাজিৰ সু আৰু নিয়মিত ব্যৱহাৰে উন্নত পৰিৱেশতন্ত্ৰ, শান্তিপূৰ্ণ বৰ্তমান আৰু ভৱিষ্যত জীৱন গঢ়ি তোলে. আৰু এই সম্পদৰাজিসমূহৰ তাপ ব্যৱহাৰ, অনিষ্ট কাৰ্য্যাৱলী, বিনষ্টকৰণ ইত্যাদিয়ে পৰিৱেশ বিনষ্ট কৰে আৰু এই ধাৰণাই পৰিৱেশ সংৰক্ষণৰ দ্বৰে ধাৰণাৰ সৃষ্টি কৰে। দৰাচলতে যিবোৰ সম্পদ বা বস্তু পুনৰায় উৎপাদন কৰিব নোৱাৰি সেই বস্তুসমূহ যথোচিত পৰিমাণে ব্যৱহাৰ কৰা উচিত। ঠিক তেনেদৰে পৰিৱেশৰ অন্তৰ্ভুক্ত বিভিন্ন সম্পদ-কয়লা, পেট্ৰলিয়াম, খনিজ সম্পদ দ্বিতীয়বাৰ প্ৰস্তুত কৰা অতি কঠিন, সেয়ে এইসমূহৰ যথোচিত প্ৰয়োগ কৰিব লাগে কিন্তু বৰ্তমান ইয়াৰ বিপৰীতমুখী প্ৰক্ৰিয়াস্বৰূপে বিশ্ববাসীয়ে পৰিৱেশৰ এই সম্পদসমূহ যথেষ্ট পৰিমাণে ব্যৱহাৰৰ উপৰিও ব্যক্তিগত সুবিধাৰ স্বাৰ্থত, পৰিৱেশ ধ্বংস, গছ কটা, উদ্যোগৰ নামত বনাঞ্চল ধ্বংস, প্ৰদূষণ, জীৱকুল, ধ্বংস ইত্যাদিৰ দৰে বহু অমানৱীয় কাৰ্যাৱলী কৰা দেখা যায়, এই কাৰ্যাৱলীসমূহৰ বাবেই আজি পাৰিপাৰ্শ্বিক অৱনমনৰ সৃষ্টি হৈছে যাৰ ফলস্বৰূপে, গোলকীয় উষ্ণতা, পানী, মাটি, শব্দ, পাৰমানৱিক ইত্যাদিৰ দৰে সমস্যাৰ সৈতে বিশ্ববাসীয়ে যুঁজিবলগীয়া হৈছে।

বৰ্তমান ২১ শতিকাৰ যুগত মানুহৰ আশা-আকাংক্ষা বহু পৰিমাণে বৃদ্ধি পাই গৈ আছে আৰু এই আকাংক্ষা বৃদ্ধিৰ বাবেই বিজ্ঞান আৰু প্ৰযুক্তিক হাতিয়াৰ হিচাপে লৈ মানুহে প্ৰাকৃতিক সম্পদসমূহ নিৰ্বিচাৰে লুণ্ঠন কৰিব লৈছে। ফলত স্বাভাৱিক প্ৰাকৃতিক পৰিৱেশ বিনষ্ট হৈ সমস্যাৰ সৃষ্টি কৰিছে। আৰু পাৰিপাৰ্শ্বিক বিনষ্টৰ গতি এই প্ৰকাৰে চলি থাকিলে ভৱিষ্যতে পৃথিৱী আৰু মানুহ বুলি অস্তিত্ব নাথাকিব।

আজিৰ ছাত্ৰ কালিৰ নাগৰিক, অৰ্থাৎ আজিৰ যুৱ প্ৰজন্মস্বৰূপে খ্যাত শিক্ষাৰ্থীসকল ভৱিষ্যতৰ সমাজসেৱাৰ নাগৰিক দেশ এখনৰ সৰ্বোচ্চ শক্তিস্বৰূপে খ্যাত ব্যক্তি হ'ল যুৱসমাজ বা যুৱশক্তি। গতিকে তেওঁলোকৰ সজাগতাই বৰ্তমানৰ লগতে ভৱিষ্যৎ সংৰক্ষণতো অৰিহণা যোগায়। সেয়ে এই যুৱ প্ৰজন্মই পৰিৱেশ সংৰক্ষণত বিশেষ ভূমিকা পালন কৰে। ইয়াৰ বাবে যুৱ সমাজে কেতবোৰ সৰু সৰু পদক্ষেপৰ পৰা আৰম্ভণি কৰিব লাগে ইয়াৰ বাবে তেওঁলোক নিজ গৃহৰ পৰাই আৰম্ভণি কৰিব লাগে। নিজা আৱাসস্থলী প্ৰস্তুতকৰণৰ পৰা আৰম্ভ কৰি, ঘৰখনত পলিথিনৰ যথা সম্ভৱ প্ৰয়োগ বন্ধ কৰি কাপোৰৰ বেগ ব্যৱহাৰ কৰিব লাগে। নিজ চৌপাশ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰাখিব লাগে, যিমান পৰিমাণে পাৰি ঘৰখনৰ চাৰিওফালে গছৰোপণ কৰিব লাগে। এনেদৰে প্ৰত্যেকগৰাকী যুৱ-প্ৰজন্মই নিজ-নিজ গৃহৰ পৰা এই পৰিৱেশ সজাগতামূলক কাৰ্যসূচীৰ শুভাৰম্ভণিয়ে পৰিৱেশ ৰক্ষাৰ দিশে এক সফলকামী পদক্ষেপস্বৰূপে পৰিগণিত হ'ব।

যুৱ প্ৰজন্মই নিজ গৃহৰ পৰৱৰ্তী পৰ্যায়ত আপোন চৌপাশখনিৰ ৰক্ষাৰ দায়িত্ব ল'ব লাগে। চৌপাশৰ সম্পদবোৰ ৰক্ষাৰ বাবে যিমান পাৰি কৃত্ৰিমতা বৰ্জন কৰিব লাগে। চৌপাশত উপলব্ধ মূল্যৱান গছ, জীৱকুল, পক্ষীকুল ইত্যাদিৰ সংৰক্ষণ কৰিব লাগে। ইয়াৰ বাবে যুৱ প্ৰজন্মই যিমান পাৰি সজাগতাৰ সৃষ্টি কৰিব লাগে। পুথি, পুস্তিকা, বেনাৰ আদি প্ৰস্তুতকৰণৰ জৰিয়তে পৰিৱেশ সজাগতাৰ সৃষ্টি কৰিব



লাগে। বাটৰ নাট, নাটক ইত্যাদি বিভিন্ন মাধ্যমৰ জৰিয়তে সমাজবাসী, দেশবাসী তথা বিশ্ববাসীক তেওঁলোকৰ বাৰ্তা প্ৰেৰণ কৰিব লাগে।

নগৰাঞ্চলৰ বৃহৎ বৃহৎ অট্টালিকা হৈছে, বৰ্তমানৰ অগ্ৰগতিৰ লক্ষণ। কিন্তু এই অগ্ৰগতিয়ে আমাৰ পৰিৱেশৰ কিমান অনিষ্ট সাধন কৰিছে সেইটো আমি নিশ্চয় জ্ঞাত। পূৰ্বতে এই সমস্যাবোৰ আছিল জানো? সাধৰণ জীৱন-শৈলীৰে, সুন্দৰ সেউজীয়া জীপাল পৰিৱেশত জানো জীয়াই থকা সম্ভৱ নাছিল? এয়া প্ৰশ্ন হৈয়ে ৰ'ব। নগৰমুখিতা হৈছে ঔদ্যোগীকৰণ, ধ্বংসকৰণ, বিনষ্টকৰণ, প্ৰদূষণ ইত্যাদিৰ প্ৰধান কাৰক। সেয়ে ইয়াৰ পদক্ষেপস্বৰূপে যুৱ প্ৰজন্মই নগৰাঞ্চলৰ ব্যক্তিসকলক সজাগতামূলক অনুষ্ঠানৰ জৰিয়তে এইটো বোধগম্য কৰাব লাগে যাতে তেওঁলোক বৰ্তমানৰ বিলাসী জীৱনৰ বাবে ভৱিষ্যতৰ সামান্য জীৱন যেন প্ৰভাৱিত নহয় এইবোৰ বিভিন্ন দেৱালয় অংকিত ছবি, পোষ্টাৰ, গণমাধ্যমৰ জৰিয়তে এই প্ৰচাৰ কৰা উচিত।

বৰ্তমান মটৰ চাইকেল, গাড়ী তীব্ৰগতিত বৃদ্ধি পাইছে আৰু ইয়াৰ ফলস্বৰূপে তীব্ৰ পৰিমাণে বায়ু আৰু শব্দ প্ৰদূষণ সৃষ্টি হৈছে। এই গতিবেগ ৰোধৰ বাবে যুৱ প্ৰজন্মই যিমান পাৰি এই গাড়ী মটৰবোৰৰ বৰ্জন কৰি চাইকেল চলাব লাগে, ইয়ে পৰিৱেশত অশুদ্ধ ধোঁৱা, এই বাহনসমূহৰ বাবে লগা পেট্ৰল যিটো পুনৰ সৃষ্টি কৰিব নোৱাৰা সম্পদ এই সকলোবোৰক সংৰক্ষণ কৰিব পাৰি।

বৰ্তমানৰ শব্দ প্ৰদূষণ হোৱাৰ কাৰণবোৰ হয়তো আমি জানো বিভিন্ন প্ৰকাণ্ড প্ৰাকাণ্ড শব্দ, গাড়ী-মটৰৰ হৰ্ণৰ পৰা আৰম্ভ কৰি তীব্ৰবেগত মনোৰঞ্জনৰ বাবে চলি থকা স্পীকাৰ বা ডি জে বক্সৰ শব্দ। ইয়ে আমি নজনাকৈ শব্দ প্ৰদূষণ, প্ৰাণীকুলৰ সমস্যাৰ সৃষ্টি কৰে। ইয়াৰ বাবে যুৱ-প্ৰজন্মই এই শব্দৰ বেগ নিয়ন্ত্ৰণ কৰা উচিত। তেওঁলোকে এইটো ধ্যান ৰখা উচিত যে তেওঁলোকৰ অকনমান সচেতনতাই পৰিৱেশৰ সংৰক্ষণৰ বাবে এক পদক্ষেপ হ'ব।

বৰ্তমান সময়ত মোবাইল ফোনৰ পৰিমাণ তথা ব্যৱহাৰ অতি ক্ষীপ্ৰতৰ গতিত হৈছে। আৰু মোবাইল ফোনৰ বাবেই বিভিন্ন ইন্টাৰনেট সেৱাৰ বাবে বৃহৎ বৃহৎ ভল্টৰ টাৱাৰ নিৰ্মাণ কৰা হৈছে। কিন্তু আমি জানো নে এইসমূহ কাৰকৰ দ্বাৰাই পক্ষীকুলৰ কিমান অপকাৰ সাধন হৈছে। বহুতো পক্ষীৰ মৃত্যুবৰণ হৈছে আৰু এই সকলোবোৰ একমাত্ৰ মানৱীয় কাৰ্য-কলাপৰ দ্বাৰা। সেইবাবে যুৱ প্ৰজন্মই যিমান পাৰি ম'বাইল ফোনৰ ব্যৱহাৰ কম কৰিব লাগে, অৱসৰ সময়কণৰ সৎ ব্যৱহাৰৰ বাবে প্ৰকৃতিৰ মাজত বিলীন হ'ব লাগে, বিভিন্ন খেল-ধেমালি কৰিব লাগে, কিতাপ তথা ছবি আঁকিব লাগে।

যুৱ প্ৰজন্মৰ অন্য এক ভূমিকাস্বৰূপে ক'ব পাৰি যে যুৱ প্ৰজন্ম সচেতন হোৱা উচিত তেওঁলোকে নিতৌ ব্যৱহৃত বিভিন্ন প্লাষ্টিক, খোৱা বস্তুৰ পেকেট য'তে ত'তে নেপেলায় এটা নিৰ্দিষ্ট ঠাইত পেলাব লাগে। যিমান পাৰি এইবোৰৰ পুনঃ ব্যৱহাৰৰ ব্যৱস্থা কৰিব লাগে। আৱৰ্জনাবোৰেৰে জৈৱসাৰ, জৈৱগেছ আদি প্ৰস্তুত কৰিব লাগে।





বৰ্তমানৰ যুৱচামে খেতি পথাৰৰ কাম নকৰে। তেওঁলোকৰ ইয়াৰ প্ৰতি এক অনীহা ভাবৰ সৃষ্টি হয়। অথচ তেওঁলোকে মাটিৰ অৰ্থাৎ খেতিপথাৰৰ উৰ্বৰতা শক্তি বৃদ্ধিৰ বাবে প্ৰয়োজনীয় পদক্ষেপ, ৰাসায়নিক, কীটনাশক সাৰৰ নিষিদ্ধ ইত্যাদি বন্ধ কৰি এক পৰিৱেশ ক্ষতি নকৰা বিধৰ খেতিৰ কাম-কাজ কৰিব পাৰে।

বিভিন্ন সময়ত প্ৰচাৰিত অৰণ্য ধ্বংস কৰি উদ্যোগ স্থাপন, বিভিন্ন চৰকাৰী কাৰ্য্যাৱলীৰ বাবে প্ৰাকৃতিক সম্পদৰ বিনষ্ট এই কাৰ্য্যসূচীসমূহৰ বিপৰীতে যুৱ প্ৰজন্মই তীব্ৰভাৱে মাত মাতিব লাগে। যুৱ প্ৰজন্মই পৰিৱেশ সংৰক্ষণৰ বাবে বিভিন্ন অধ্যয়ন আৰু গৱেষণা কৰিব লাগে। বিভিন্ন পৰিৱেশ সংৰক্ষণৰ লগত জড়িত আইনসমূহৰ বিষয়ে অৱগত হ'ব লাগে আৰু জনসাধাৰণকো এই সম্পৰ্কে অৱগত কৰাব লাগে। পৰিৱেশ সংৰক্ষণৰ বাবে যুৱ-প্ৰজন্মই ক্ষেত্ৰ অধ্যয়নো কৰিব পাৰে। বিভিন্ন NGO ৰ সৈতে যুক্ত হৈ পৰিৱেশ সংৰক্ষণত সহায় কৰিব পাৰে। বৰ্ত্তমান সময়ত দেখিবলৈ পোৱা গৈছে যে বিভিন্ন জীৱ-জন্তু যেনে- বাঘ, হাতী ইত্যাদি অৰণ্যৰ পৰা ওলাই আহিছে। ইয়াৰ কাৰণস্বৰূপে ক'ব পাৰি খাদ্যৰ সন্ধান। উদাহৰণ স্বৰূপে হৰিণাৰ সংখ্যা কমিলে বাঘৰ খাদ্য নোহোৱা হ'ব আৰু বাঘ বাহিৰলৈ ওলাব সেইদৰে মেকুৰীৰ সংখ্যা কমিলে এন্দুৰ, নিগনিৰ সংখ্যা বৃদ্ধি হ'ব আৰু ফলত ভঁৰালৰ ধান নোহোৱা হ'ব। এনেদৰে এটা জীৱৰ কম-বেছিয়ে জৈৱ বৈচিত্ৰ্যত প্ৰভাৱ পেলায়। সেয়ে যুৱ-প্ৰজন্মই জৈৱ-বৈচিত্ৰ্য ৰক্ষাৰ ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰিব লাগে।

শিক্ষাই মানসিকতা পৰিবৰ্তন কৰি ব্যক্তিক ভাল-বেয়া, উচিত-অনুচিত পাৰ্থক্যক জ্ঞানেৰে জ্ঞানী কৰি তোলে। সেয়ে যুৱ-প্ৰজন্ম শিক্ষা গ্ৰহণ কৰি শিক্ষিত হোৱা উচিত এই শিক্ষাই তেওঁলোকক পৰিৱেশ সম্পৰ্কে, যথেষ্ট জ্ঞান দিব আৰু এই জ্ঞানৰ জৰিয়তে তেওঁ নিজ পৰিয়াল, সমাজক শিক্ষা প্ৰদান কৰিব পাৰিব। পৰিৱেশীয় সজাগতাৰ সৃষ্টি কৰিব পাৰিব।

**'এজোপা গছ এগৰাকী মানুহ'** এই ধাৰণা আগত ৰাখি যুৱ-প্ৰজন্ম তথা-সমাজৰ প্ৰত্যেক গৰাকী ব্যক্তিয়ে গছ ৰোপণ কৰিব লাগে। প্ৰত্যেকগৰাকী যুৱ প্ৰজন্মই তেওঁলোকৰ প্ৰত্যেক জন্মদিনতে একোটাকৈ গছপুলি ৰোপণ কৰিব লাগে আৰু যত্ন ল'ব লাগে। পৰিৱেশ ধ্বংসমুখী কাৰ্য্যসূচী বন্ধ কৰিব লাগে, বনাঞ্চল ধ্বংস, নিৰ্বননীকৰণ, পাহাৰ কটা, পৰম্পৰাগত কৃষি পদ্ধতি, কল-কাৰখানা, উদ্যোগ, জনসংখ্যা বৃদ্ধি, জীৱ-কুল ধ্বংস, প্লাষ্টিকৰ ব্যৱহাৰ, আধুনিক জীৱন-যাপন, অত্যাধিক যন্ত্ৰৰ ব্যৱহাৰ, যন্ত্ৰচালিত পদ্ধতি, আৱৰ্জনা, ইত্যাদিসমূহৰ বৰ্জন কৰিলেহে পৰিৱেশ সংৰক্ষণৰ দিশে আগবাঢ়ি এক সচেতন মনোভাৱ ভৱিষ্যত চিন্তাকাৰী মানসিকতাৰ দৰে মনোভাৱেৰেহে এখন সৰ্বাঙ্গসুন্দৰ ধৰা গঢ় ল'ব পাৰিব। সেয়ে সমাজৰ প্ৰত্যেক ব্যক্তি, তথা যুৱ-প্ৰজন্মই সৰু সৰু পদক্ষেপ সমূহেৰে পৃথিৱী সংৰক্ষণত অৰিহণা যোগাব পাৰে।❑



# Becoming a Cell Phone Junkie

**Ananya Shivam**

**What is a Mobile Phone ?**

An electronic telecommunication device often returned to as a cellular phone or cell phone. Mobile phones connect to a wireless communications network through radio wave or Satellite transmission.

Mobile phones provide voice communication, Short Message Service (SMS), Multimedia Message Service (MMS), receiver phones (Smart phones) may also provide internet services such as web browsing, e-mail and lots of applications.

**History of Smartphone**

A Smartphone is a term for distinguishing mobile phones with advanced features from basic feature phones. The tem "Smartphone" for the first time appeared in 1997, When Ericsson described GS 88 "Penelope" concept as Smartphone. This term was basically introduced in the market for a new clan of mobile phones that provide integrated services from communication, computing & mobile sectors such as voice communication, messaging, personal information management applications & wireless communication capability.

**Research study done on worldwide scenario of adolescents vulnerability to Smartphone use.**

The age group of 25-34 is found to have the highest Smartphone users rate of 62%. 50% of Android Smartphone users and 43% of Apple I-phone users are younger than 24 years. 53% of Smartphone users are male % 47% are female. The age group of 16-18 years Smartphone users have shown a rapid rise from 5% in 2012 to 25% in early 2014. Recently in 2013, there were around 51 million Smartphone users in urban India and rate of rise from year 2012 was 90%.




A research study done on phone users from 2017-2022, a period of 6 years shows a uprising graph which means the number of user are increasing as the days are passing.

**Hazards of mobile or its side-effect**

This is to aware or it's the high time to be aware for the phone users particularly the students for excessive use of mobile phones. As everything in the universe along with its merits or advantages also have demerits, similarly mobile phone can result in spoiling of a student life or it can also prove to be beneficial depending on the user's usage. Mobile phone causes many harmful effects on our body mind. The radiation from the phone along with harm to human can also affect birds. Birds are known to be sensitive to magnetic radiation. Increasing no of cell phone towers in cities apparently are bringing down bird population. The microwaves (300 MHz to 300 GHz) emitted by cell phone towers & handsets has been found to be responsible for damaging eggs and embryos of sparrows.

**Cell phone : boon or curse**

| | |
|---|---|
| - Cell phones can ensure safety & well-being<br>- Cell phones are great platforms for social media interaction.<br>- Cell phones can prove to be a boon for students with respect to education & if used properly.<br>- Cell phones are paramount for communication in today's generation.<br>- Business can reach to large audience.<br>- It is one of the most widely used platform for entertainment purpose like games & all. | – Cell phones have the potential to cause privacy and security issues.<br>– It can cause addiction especially among teens and Kids.<br>– Cell phones can cause problems with health, such as hearing & vision problems.<br>– Can cause distraction while driving.<br>– Cell phones can expose users to online bullying.<br>– Excessive cell phones usage also can strain relations. |



**MOBILE ADDICTION :**

**What addiction is ??**

Addiction is basically the fact or condition of being addicted to a particular substance or activity. Addiction is a treatable, chronic medical disease involving complex interactions among brain circuits, genetics environment and an individual's lift experiences.

Addiction is a chronic disease and is one of the most intractable health disorders faced around the world. Mobile addiction is a thriving concern. It is very easy to get addicted to cell phones but difficult to subdue them. A lot of people globally are addicted to their mobile phones. The mobile addict behavior pattern is more or less the same as the others. An addiction is the state of being enslaved to a habit or practice which we do regularly. Addiction is when a person becomes dependent on something & feels like they can't go without it.

**Are we getting addicted to our cell phones ??**

The answer is "yes". We are already addicted to our mobile phones.




Mobile phones give us the liberty to connect with anyone around the world spontaneously. They empower us to find any information we require and are a great source of entertainment. The usage of cell phones has become very addicting for the people in the world today. Those people who can't be without using mobile phones are addicted to phones that are called phone addiction. While this device was designed to empower us. Sadly, it's turning out to subjugate us. Almost every mobile user is suffering from the addiction of mobile these days. Everyone these days is pinned to his or her cell phone.

**Cell phone addiction studies** :

For participants aged under 21 years, 42.2% exhibited Smartphone addiction, compared to 34.2 and 28.0% of participants aged 22-25 years and over 26 years, respectively, of participants who used their Smartphone for 2 or less hours per day, 20.3% were addicted, compared to 53.9% of these who used it for more than 5 hours.

**How many hours is phone addiction?**

According to research from rescue time, one of several apps for IOS and Android created to monitor phone use, people generally spend on average of 3 hours and 15 minutes on their phones every day, with the top 20% of Smartphone users spending upwards of 4 and a half hours.

**How To Overcome Phone Addiction :**

Some ideas for non-screen activities –
Especially for the students

- Communicate with parents and Siblings.
- Socialize with friends.
- Read books



- Be creative.
- Use imagination power.
- Play outside and enjoy nature.
- Do homework.
- Cary out family chores.
- Get enough rest.
- Keep yourself on a schedule.
- Turn off as many push notifications as possible.
- Take distracting apps off your home screen.
- Keep your device or your phone out of bed.
- If you have a smart speaker, put it to use.
- Try timing on your phone's grayscale.
- Stay accountable.

Also use can limit for cell phone use to certain times of the day. We can set an alarm on our phone to alert us when we have reached our maximum time. For eg. We can allow easily to use our phone only from 6 pm to 7 pm. We can also drive our mind not to use it while at work or school.

But as all the stuffs have its own advantages or merits along with its drawbacks it entirely depends on us how we use a device. Like in the present time we do not control our Smartphone instead they have control on us.

**Necessity of mobile phones after lockdown due to Covid pandemic :**

During the pandemic of lockdown no other substance has become tool vital for us as compared to our cell phones or mobile phones as it is the solution to every problem we can say. Mobile phones are used for a variety of purposes. Such as keeping in touch with our family members, for conducting business and in order to have access to a telephone in case of an emergency. During this lockdown it had become more essential for us then it is as all the people are staying in the home and doing their activities from home by using this Smartphone. During this pandemic, millions of people have used their phones for various purposes like for studying, the online classes have made it useful for us to access our studies. Many people opted for working from home & also online shopping as there are several apps for our convenience like Myntra, Amazon, Flipkart or other platforms. One of the greatest usages is the great source of entertainment during this pandemic, it helped us to overcome our stress and depression related problems. So, the choice is our's whether we use it positively or adversely.❑



# আন্তৰ্জাতিক সংস্থা, সংগঠন

## গোলকীয় বিশ্ব আৰু মানৱ জাতিৰ লগত ইয়াৰ সম্পৰ্কৰ কিছু আভাস

**ভাস্বতী ডেকা**

বৰ্তমান সময়ত সমগ্ৰ বিশ্বত বিভিন্ন সমস্যাই গা কৰি উঠিছে। ৰাজ্য, দেশ, আৰু সমগ্ৰ বিশ্বৰ বিভিন্ন গোলকীয় ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় সমস্যাসমূহ ৰোধৰ ক্ষেত্ৰত মুখ্য ভূমিকা পালন কৰি আহিছে বৰ্তমান বিশ্বৰ বিভিন্ন সংস্থা আৰু সংগঠনে। মানুহৰ মাজত সজাগতা বৃদ্ধি কৰি এই সংস্থাসমূহে সকলোৰে মাজত গৈ সমস্যাৰ বিষয়ে জানি, অধ্যয়ন কৰি, সমাধান কৰি, বিজ্ঞান ভিত্তিক বিশ্লেষণ কৰি ই জনতাৰ মাজত গোলকীয় ৰূপত গ্ৰহণ কৰি আহিছে এক বিশেষ উল্লেখনীয় ভূমিকা। প্ৰথম বিশ্বযুদ্ধৰ পিছত বিশ্বত শান্তি স্থাপন আৰু যুদ্ধক চিৰদিনৰ বাবে বিদায় দিয়াৰ অৰ্থে গঠিত হোৱা আন্তৰ্জাতিক সংগঠন 'জাতিসংঘ', (League of Nations) ৰ বিফলতাৰ পিছত ১৯৩৯ চনত সংঘটিত হ'ল দ্বিতীয় বিশ্বযুদ্ধ। এই যুদ্ধই অনা ভয়াৱহতা আৰু অবৰ্ণনীয় ধ্বংসলীলাই আকৌ এবাৰ বিশ্ববাসীক ভয়াৰ্ত কৰি তোলাৰ বাবেই পুনৰ চিন্তা কৰা হ'ল আন এক বিশ্ব সংস্থা গঠনৰ কথা। সেই মৰ্মে ১৯৪৫ চনৰ ২৪ অক্টোবৰ তাৰিখে 'ৰাষ্ট্ৰসংঘ' (United Nations Organisation) শীৰ্ষক অনুষ্ঠানটোৰ জন্ম হ'ল। বিশ্বায়নৰ বিকাশৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ দৰেই পিছৰ সময়ত বিভিন্ন ক্ষেত্ৰ জড়িত আন আন আন্তঃৰাষ্ট্ৰীয় সংগঠনবোৰৰ জন্মও হ'ল আৰু ইয়াৰ ভূমিকা লেখত ল'বলগীয়া।

**বিশ্বৰ আন আন আন্তৰ্জাতিক সংস্থা আৰু তেওঁলোকৰ ভূমিকা ঃ**

**উত্তৰ আটলান্টিক চুক্তি সংগঠন (NATO)**

উত্তৰ আটলাণ্টিক চুক্তি সংগঠন (নাটো), সদস্য দেশসমূহৰ মাজত নিৰাপত্তা আৰু প্ৰতিৰক্ষাৰ সহযোগিতা বৃদ্ধিৰ বাবে ১৯৪৯ চনত স্থাপিত এক ৰাজনৈতিক আৰু সামৰিক মিত্ৰতা। ইয়াৰ প্ৰাথমিক উদ্দেশ্য হৈছে সামূহিক প্ৰতিৰক্ষা, অৰ্থাৎ এজন সদস্যৰ ওপৰত আক্ৰমণক সকলোৰে ওপৰত আক্ৰমণ বুলি গণ্য কৰা হয়। নাটোৰ কামত বিভিন্ন কাৰ্যকলাপ অন্তৰ্ভুক্ত আছে, যাৰ ভিতৰত আছে সামৰিক অনুশীলন, সংকট ব্যৱস্থাপনা, শান্তি ৰক্ষা অভিযান, আৰু অংশীদাৰ দেশসমূহৰ সৈতে সহযোগিতা। ই চাইবাৰ ভাবুকি, সন্ত্ৰাসবাদ আৰু হাইব্ৰিড যুদ্ধৰ দৰে উদীয়মান নিৰাপত্তা প্ৰত্যাহ্বানৰ মোকাবিলা কৰাৰ ওপৰতো ই গুৰুত্ব আৰোপ কৰে।

**জাতিসমূহৰ সংঘ (UNO)**

জতিসমূহৰ সংঘ হৈছে ৫৪ খন সদস্য ৰাষ্ট্ৰৰ সংগঠন, যাৰ বেছিভাগেই ব্ৰিটিছ সাম্ৰাজ্যৰ পূৰ্বৰ অঞ্চল আছিল। ই ইয়াৰ বিভিন্ন সদস্য দেশসমূহৰ মাজত গণতন্ত্ৰ, মানৱ অধিকাৰ আৰু অৰ্থনৈতিক বিকাশক উদগনি দিয়ে। ইয়াৰ কামৰ ভিতৰত আছে বাণিজ্যৰ সুবিধা প্ৰদান কৰা, সাংস্কৃতিক বিনিময়ৰ প্ৰচাৰ কৰা, আৰু শাসন আৰু বহনক্ষম উন্নয়নৰ দৰে ক্ষেত্ৰত সদস্য ৰাষ্ট্ৰসমূহক সহায় কৰা।

**বিশ্ব স্বাস্থ্য সংস্থা (WHO)**

বিশ্ব স্বাস্থ্য সংস্থা হৈছে আন্তৰ্জাতিক জনস্বাস্থ্যৰ বাবে দায়বদ্ধ ৰাষ্ট্ৰসংঘৰ এক বিশেষ সংস্থা। ১৯৪৮ চনত জন্ম হোৱা এই সংস্থাৰ মুখ্য কাৰ্য্যালয় আছে জেনেভাত। ই স্বাস্থ্যৰ প্ৰচাৰ, বিশ্বক সুৰক্ষিত ৰখা, আৰু বিশ্বব্যাপী স্বাস্থ্য বিষয়ত নেতৃত্ব প্ৰদান কৰি, স্বাস্থ্য গৱেষণা কাৰ্যসূচী গঠন কৰি, নিয়ম আৰু মানদণ্ড নিৰ্ধাৰণ কৰি, দেশবোৰক কাৰিকৰী সমৰ্থন প্ৰদান কৰি, আৰু স্বাস্থ্যৰ প্ৰৱণতা নিৰীক্ষণ আৰু মূল্যাংকন কৰি দুৰ্বল লোকসকলক সেৱা আগবঢ়োৱাৰ বাবে কাম কৰে। ইয়াৰ কামৰোগ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ, জৰুৰীকালীন সঁহাৰি, স্বাস্থ্য প্ৰণালী শক্তিশালী কৰা, আৰু স্বাস্থ্যৰ সমতা বৃদ্ধিকে ধৰি বিভিন্ন ক্ষেত্ৰত বিস্তৃত। ক'ভিড মহামাৰীৰ সময়ত বিশ্ব স্বাস্থ্য সংস্থাৰ ভূমিকাই আছিল বিশ্বত লেখত ল'বলগীয়া সোণালী আখৰেৰে লিখি থৈ যাব পৰা কিছু কাম। বিশ্বৰ কোটি কোটি জনতাক মহামাৰীৰ পৰা হাত সাৰি যোৱাৰ ক্ষেত্ৰত ভেকচিন, সজাগতা ইত্যাদিৰ দ্বাৰা ই লৈছিল মুখ্য ভূমিকা।

**দক্ষিণ এছীয় আঞ্চলিক সহযোগিতা সংস্থা (SAARC)**

চাৰ্ক হৈছে দক্ষিণ এছিয়াৰ আঞ্চলিক সহযোগিতা সংস্থা। ই দক্ষিণ এছিয়াৰ আঠখন ৰাষ্ট্ৰক লৈ গঠিত এটা সংগঠন— আফগানিস্তান, বাংলাদেশ, ভূটান, ভাৰত, মালদ্বীপ, নেপাল, পাকিস্তান আৰু শ্ৰীলংকা। ইয়াৰ গঠন হৈছিল ১৯৮৫ চনত বাংলাদেশৰ ঢাকাত। চাৰ্কৰ প্ৰাথমিক লক্ষ্য হৈছে অৰ্থনৈতিক আৰু আঞ্চলিক একত্ৰীকৰণৰ প্ৰচাৰ কৰা, লগতে বাণিজ্য, কৃষি, সংস্কৃতি আৰু প্ৰযুক্তিকে ধৰি বিভিন্ন ক্ষেত্ৰত সহযোগিতা। ই উমৈহতীয়া প্ৰত্যাহ্বানৰ মোকাবিলা কৰিবলৈ আৰু অঞ্চলটোৰ আৰ্থ-সামাজিক বিকাশ বৃদ্ধিৰ বাবে সদস্য দেশসমূহৰ মাজত আলোচনা আৰু সহযোগিতাৰ পৰা বাধাগ্ৰস্ত হৈছে। ইয়াৰ মুখ্য কাৰ্য্যালয় নেপালৰ কাঠমাণ্ডু চহৰত অৱস্থিত।

**বিশ্ব বাণিজ্য সংস্থা (WTO)**

ইয়াৰ জন্ম হৈছিল, ১৯৯৫ চনৰ ১ জানুৱাৰী তাৰিখে। ইয়াৰ মুখ্য কাৰ্য্যালয় চুইজাৰলেণ্ডৰ জেনেভাত আছে। বিশ্ব বাণিজ্য সংস্থা হৈছে এক আন্তৰ্জাতিক সংগঠন যি ৰাষ্ট্ৰসমূহৰ মাজত বাণিজ্যৰ বিশ্বব্যাপী নিয়মৰ সৈতে সম্পৰ্কিত। ই বাণিজ্য চুক্তিৰ আলোচনা আৰু বলবৎ কৰাত সহায় কৰে, বিবাদ নিষ্পত্তি কৰে, আৰু সদস্য দেশবোৰক বাণিজ্য সম্পৰ্কীয় বিষয়বোৰ আলোচনা কৰাৰ বাবে এক মঞ্চ প্ৰদান কৰে।

**ৰাষ্ট্ৰসংঘৰ শিক্ষা, বিজ্ঞান আৰু সাংস্কৃতিক সংগঠন (UNESCO)**

ইউনেস্কোৰ অৰ্থ হৈছে ৰাষ্ট্ৰসংঘৰ শৈক্ষিক, বৈজ্ঞানিক আৰু সাংস্কৃতিক সংগঠন। পেৰিছত মুখ্য কাৰ্য্যালয় থকা এই সংস্থাৰ জন্ম হৈছিল ১৯৪৫ চনৰ ১৬ নৱেম্বৰ লণ্ডনত। শিক্ষা, বিজ্ঞান, সংস্কৃতি আৰু যোগাযোগৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ জৰিয়তে শান্তি আৰু নিৰাপত্তা বৃদ্ধিৰ লক্ষ্যৰে ই ৰাষ্ট্ৰসংঘৰ এক বিশেষ সংস্থা। ইউনেস্কোৰ কামৰ ভিতৰত আছে বিশ্ব ঐতিহ্যক্ষেত্ৰ নিৰ্ধাৰণ কৰা, সাক্ষৰতাৰ প্ৰচাৰ কৰা, সাংস্কৃতিক বৈচিত্ৰ্যক সমৰ্থন কৰা, আৰু বৈজ্ঞানিক সহযোগিতা বৃদ্ধি কৰা। ই ছাত্ৰ-ছাত্ৰী সমাজৰ শিক্ষা, বিভিন্ন সামাজিক সমস্যা, বিশ্বত বিজ্ঞানৰ শ্ৰীবৃদ্ধি কৰা, আৰু বিভিন্ন ঐতিহাসিক স্থানৰ চিনাক্তকৰণ, সংৰক্ষণ, পাঠ্যক্ৰম প্ৰণয়ন আৰু

বিশ্বত ইয়াৰ সমাদৰ বৃদ্ধি কৰা আৰু ইয়াৰ বিতৰণৰ লগতে সকলো ঠাইৰ সংস্কৃতিক বিশ্ব দৰবাৰত প্ৰচাৰ, প্ৰসাৰৰ ক্ষেত্ৰত আৰু বিশেষকৈ বিশ্বৰ প্ৰত্যেক চুকে-কোণে ঠাইসমূহ চিনাক্তকৰণ আৰু ইতিহাস সংৰক্ষণত ই লৈ আহিছে গুৰুত্বপূৰ্ণ ভূমিকা।

### ৰাষ্ট্ৰসংঘৰ শিশু পুঁজি (UNICEF)

ৰাষ্ট্ৰসংঘৰ আন্তৰ্জাতিক শিশু জৰুৰীকালীন পুঁজি, হৈছে বিশ্বব্যাপী শিশুসকলক মানৱীয় সাহায্য প্ৰদান কৰাৰ বাবে সমৰ্পিত এক ৰাষ্ট্ৰসংঘৰ সংস্থা। তেওঁলোকে স্বাস্থ্য সেৱা, শিক্ষা, সুৰক্ষা আৰু জৰুৰীকালীন সাহায্যৰ দৰে বিষয়ত গুৰুত্ব দিয়ে, যি ১৯০ খনতকৈও অধিক দেশ আৰু অঞ্চলত কাম কৰে। ইয়াৰ জন্ম হৈছিল আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউয়ৰ্ক চহৰত আৰু ইয়াৰ জন্ম নিউয়ৰ্কতেই ১৯৪৬ চনত। মহামাৰী, শিশুৰ সমূহ সমস্যা, অন্ন, বস্ত্ৰ, বাসস্থান, খাদ্য, পানী, ইয়াৰ লগত শিশুৰ শিক্ষা আৰু ভৱিষ্যত সম্পৰ্কে ই অধ্যয়ন কৰে আৰু প্ৰয়োজনীয় সমস্যা সমাধানৰ বাট মুকলি কৰে।

### আন্তৰ্জাতিক সামুদ্ৰিক সংগঠন (IMO)

১৯৫৮ চনত জন্ম হোৱা আন্তৰ্জাতিক সামুদ্ৰিক সংগঠন (IMO) হৈছে ৰাষ্ট্ৰসংঘৰ এক বিশেষ সংস্থা যি জাহাজ চলাচল নিয়ন্ত্ৰণৰ বাবে দায়বদ্ধ। মুখ্য কাৰ্য্যালয় ইয়াৰ অৱস্থিত লণ্ডনত। ই সুৰক্ষা, পাৰিপাৰ্শ্বিক প্ৰদৰ্শন, আৰু আন্তৰ্জাতিক জাহাজ পৰিবহনত দক্ষতাৰ বাবে বিশ্বব্যাপী মানদণ্ড নিৰ্ধাৰণ কৰে। আই এম অ'ৰ লক্ষ্য হৈছে এক বহনক্ষম আৰু সুৰক্ষিত সামুদ্ৰিক পৰিবহন ব্যৱস্থা নিশ্চিত কৰাৰ বাবে চৰকাৰ আৰু সামুদ্ৰিক উদ্যোগৰ মাজত সহযোগিতা বৃদ্ধি কৰা।

### প্ৰকৃতিৰ বাবে বিশ্বব্যাপী পুঁজি (WWF)

১৯৬১ চনৰ ২৯ এপ্ৰিলত ৱৰ্ল্ড ৱাইড ফাণ্ড ফৰ নেচাৰ (WWF) হৈছে বিশ্বৰ অন্যতম বৃহৎ আৰু সন্মানীয় সংৰক্ষণ সংগঠন। ই পৰিৱেশ আৰু বন্যপ্ৰাণী সুৰক্ষা, জলবায়ু পৰিৱৰ্তন, বাসস্থান ধ্বংস, আৰু বিপদাপন্ন প্ৰজাতি সংৰক্ষণৰ দৰে সমস্যা সমাধানৰ বাবে কাম কৰাৰ ওপৰত গুৰুত্ব দিয়ে। পৰিৱেশৰ সৈতে জড়িত এক বিশ্বৰ মুখ্য সংস্থা ডব্লিউ.ডব্লিউ.এফে বিশ্বব্যাপী কাম কৰে। বহনক্ষম পদ্ধতিৰ প্ৰচাৰ আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণৰ বাবে চৰকাৰ, ব্যৱসায় আৰু সম্প্ৰদায়ৰ সৈতে সহযোগিতা কৰে। ইয়াৰ মুখ্য কাৰ্য্যালয় চুইজাৰলেণ্ডত অৱস্থিত।

### আন্তৰ্জাতিক মুদ্ৰা নিধি (IMF)

আন্তৰ্জাতিক মুদ্ৰা নিধি (IMF) হৈছে ৱাশ্বিংটন ডি চি-ত মুখ্য কাৰ্যালয় থকা এক আন্তৰ্জাতিক সংগঠন। জন্ম হৈছিল ইয়াৰ ১৯৪৪ চনত। ইয়াৰ লক্ষ্য হৈছে বিশ্বব্যাপী মুদ্ৰা সহযোগিতা বৃদ্ধি কৰা, বিত্তীয় স্থিৰতা সুৰক্ষিত কৰা, আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ সুবিধা প্ৰদান কৰা, উচ্চ নিযুক্তি আৰু বহনক্ষম অৰ্থনৈতিক বিকাশ বৃদ্ধি কৰা, আৰু সমগ্ৰ বিশ্বতে দৰিদ্ৰতা হ্ৰাস কৰা। আই এম এফে পৰিশোধৰ ভাৰসাম্যৰ সমস্যাৰ সন্মুখীন হোৱা সদস্য দেশবোৰক ঋণ প্ৰদান কৰে, নীতিগত পৰামৰ্শ আগবঢ়ায়, গৱেষণা কৰে, আৰু দেশবোৰক তেওঁলোকৰ অৰ্থনীতি শক্তিশালী কৰাত সহায় কৰিবলৈ কাৰিকৰী সহায় আৰু প্ৰশিক্ষণ প্ৰদান কৰে।

### খাদ্য আৰু কৃষি সংস্থা (FAO)

খাদ্য আৰু কৃষি সংস্থা (FAO) হৈছে ৰাষ্ট্ৰসংঘৰ এক বিশেষ সংস্থা যি ভোক পৰাজিত কৰাৰ বাবে আন্তৰ্জাতিক প্ৰচেষ্টাৰ নেতৃত্ব দিয়ে। ই সকলোৰে বাবে খাদ্য সুৰক্ষা প্ৰাপ্ত কৰিবলৈ আৰু সক্ৰিয় আৰু স্বাস্থ্যৱান জীৱন যাপন কৰিবলৈ লোকসকলে উচ্চ মানদণ্ডৰ খাদ্য প্ৰাপ্ত কৰাটো নিশ্চিত কৰিবলৈ কাম কৰে। ইয়াৰ জন্ম হয় ১৯৪৫ চনৰ, ১৬ অক্টোবৰ তাৰিখে। কানাডাত। ইয়াৰ মুখ্য কাৰ্য্যালয় আছে ইটালীৰ ৰোম চহৰত। এফ.এ.ও.-ৰ কাৰ্যকলাপবোৰৰ ভিতৰত আছে বহনক্ষম কৃষি পদ্ধতিৰ প্ৰচাৰ কৰা, দেশবোৰক কাৰিকৰী সহায় প্ৰদান কৰা, গৱেষণা কৰা, আৰু কৃষি আৰু গ্ৰাম্য বিকাশত সহায় কৰা নীতিৰ বাবে ওকালতি কৰা।

### আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংঘ (ILO)

ইয়াৰ জন্ম হৈছিল ১৯১৯ চনত। আন্তৰ্জাতিক শ্ৰমিক সংগঠন হৈছে ৰাষ্ট্ৰসংঘৰ এক বিশেষ সংস্থা যি শ্ৰমিক আৰু নিযুক্তিৰ বিষয়ত গুৰুত্ব দিয়ে। ই আন্তৰ্জাতিক শ্ৰমিকৰ মানদণ্ড নিৰ্ধাৰণ কৰে, উপযুক্ত কামৰ প্ৰচাৰ কৰে, আৰু বিশ্বব্যাপী শ্ৰমিক সম্পৰ্কীয় বিষয়ত কাৰিকৰী সহায় আৰু গৱেষণা প্ৰদান কৰে। ইয়াৰ মুখ্য কাৰ্য্যালয় চুইজাৰলেণ্ডৰ জেনেভাত অৱস্থিত।

### আন্তৰাষ্ট্ৰীয় ফুটবল ফেডাৰেচন (FIFA)

ফুটবলৰ (ফুটবল) বাবে আন্তৰ্জাতিক নিয়ন্ত্ৰক সংস্থা ফিফা। ইয়াৰ জন্ম হৈছিল পেৰিছ চহৰত ১৯০৪ চনত। মুখ্য কাৰ্য্যালয় অৱস্থিত চুইজাৰলেণ্ডৰ জুৰিখৰ। ফিফা বিশ্বকাপৰ দৰে গুৰুত্বপূৰ্ণ প্ৰতিযোগিতা আয়োজন কৰা আৰু খেলৰ নিয়মবোৰ তদাৰক কৰাৰ বাবে দায়বদ্ধ। তেওঁলোকে বিশ্বব্যাপী ফুটবলৰ প্ৰচাৰ আৰু তৃণমূল পৰ্যায়ৰ পৰা পেছাদাৰী লৈকে সকলো স্তৰত ক্ৰীড়াৰ বিকাশৰ ওপৰতো কাম কৰে। ইয়াৰ উপৰিও, ফুটবলক ইতিবাচক পৰিৱৰ্তনৰ সঁজুলি হিচাপে ব্যৱহাৰ কৰাৰ লক্ষ্যৰে ফিফা বিভিন্ন সামাজিক আৰু মানৱীয় পদক্ষেপত জড়িত হৈ আছে। অৱশ্যে, ফিফাই অতীতত দুৰ্নীতি আৰু শাসনৰ বিষয়ত বিতৰ্কৰ সন্মুখীন হৈছিল, যাৰ ফলত সংস্কাৰ আৰু চলি তদাৰক চলি আছিল।

### আন্তৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদ (ICC)

আন্তৰ্জাতিক ক্ৰিকেট পৰিষদ (আই.চি.চি.) হৈছে বিশ্বব্যাপী ক্ৰিকেটৰ পৰিচালনা সমিতি। প্ৰথমে ইয়াৰ গঠন হৈছিল ১৯০৯ চনত। ইয়াৰ মুখ্য কাৰ্য্যালয় ডুবাইত অৱস্থিত। ই খেলৰ নিয়ম আৰু নিয়মাৱলী তদাৰক কৰে, ক্ৰিকেট বিশ্বকাপৰ দৰে আন্তৰ্জাতিক প্ৰতিযোগিতা আয়োজন কৰে আৰু বিশ্বব্যাপী খেলৰ নিৰপেক্ষ খেল আৰু বিকাশ নিশ্চিত কৰে।

### জি-২০ বা গ্ৰুপ অৰ ২০ (G20)

হৈছে আগশাৰীৰ অৰ্থনীতিসমূহক একত্ৰিত কৰা এক গুৰুত্বপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় মঞ্চ। ইয়াৰ ভিতৰত ১৯ খন দেশ, ইউৰোপীয় সংঘ, আৰু আফ্ৰিকান সংঘ অন্তৰ্ভুক্ত। ইয়াৰ জন্ম হৈছিল ১৯৯৯ চনত। ইয়াৰ কোনো নিৰ্দিষ্ট কাৰ্য্যালয় বৰ্তমানলৈ স্থাপন হোৱা নাই। আৰ্জেণ্টিনা, অষ্ট্ৰেলিয়া, ব্ৰাজিল, কানাডা, চীন, ফ্ৰান্স, জাৰ্মানী, ভাৰত, ইণ্ডোনেছিয়া, ইটালী, জাপান, কোৰিয়া গণৰাজ্য, মেক্সিকো, ৰাছিয়া, চৌদি আৰব, দক্ষিণ আফ্ৰিকা, তুৰ্কি, ইউনাইটেড কিংডম আৰু আমেৰিকা যুক্তৰাজ্য হৈছে ইয়াৰ লগত জড়িত ১৯ খন দেশ। এই গোটটোৱে বিশ্ব অৰ্থনীতিক প্ৰভাৱিত কৰা জটিল বিষয়সমূহ, যেনে বিত্তীয় স্থিতিশীলতা, জলবায়ু পৰিৱৰ্তন, আৰু বহনক্ষম উন্নয়নৰ সৈতে মোকাবিলা কৰে। শীৰ্ষ সন্মিলন আৰু কৰ্মগোটৰ জৰিয়তে জি-২০ৰ সদস্যসকলে অধিক সমৃদ্ধিশালী আৰু নিৰাপদ বিশ্বৰ বাবে উমৈহতীয়া ভিত্তি বিচাৰি উলিওৱা আৰু নীতিৰ সমন্বয়ৰ লক্ষ্য ৰাখে।

অহা ২০২৩ বৰ্ষত ভাৰতে সভাপতিত্ব কৰিবলগীয়া G20 ত বিভিন্ন বিষয় সংলগ্ন কৰি বিভিন্ন আলোচনা চক্ৰ অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছে। ইয়াত যুৱ প্ৰজন্মৰ লগতে মহিলা আৰু গোলকীয় সমূহ ব্যৱস্থা, নিবনুৱা সমস্যা, উষ্ণতা বৃদ্ধি, দক্ষতা বিকাশ ইত্যাদিৰ সমাধানৰ ক্ষেত্ৰত বিভিন্ন প্ৰদক্ষেপ গ্ৰহণ কৰাৰ ক্ষেত্ৰত পৰিকল্পনা গ্ৰহণ কৰিছে। ইয়াৰ পিছত ব্ৰাজিলে জি-২০ ৰ সভাপতি পদত অধিষ্ঠিত হ'ব।

### ব্ৰিক্স (BRICS)

ব্ৰিক্স হৈছে পাঁচটা মুখ্য উদীয়মান অৰ্থনীতিৰ সংগঠনৰ এক সংক্ষিপ্ত ৰূপ: ব্ৰাজিল, ৰাছিয়া, ভাৰত, চীন আৰু দক্ষিণ আফ্ৰিকা। ১৬ জুন, ২০০৯ ত ইয়াৰ গঠন হৈছিল। ইয়াৰ মুখ্য কাৰ্য্যালয় চীনৰ ছাংহাইত অৱস্থিত। অৰ্থনৈতিক, ৰাজনৈতিক আৰু কৌশলগত বিষয়ত এই দেশসমূহৰ মাজত সহযোগিতা আৰু আলোচনা বৃদ্ধিৰ বাবে এই গোটটো গঠন কৰা হৈছিল। এইবোৰে বিশ্বৰ জনসংখ্যা, ভূমি এলেকা আৰু জিডিপিৰ এক গুৰুত্বপূৰ্ণ অংশক প্ৰতিনিধিত্ব কৰে।

### বিশ্ব বেংক (World Bank)

আন্তঃগাঁথনি, স্বাস্থ্য আৰু শিক্ষাৰ দৰে উন্নয়নমূলক প্ৰকল্পৰ বাবে উন্নয়নশীল দেশসমূহক বিত্তীয় আৰু কাৰিকৰী সহায় প্ৰদান কৰি দৰিদ্ৰতা হ্ৰাস কৰাৰ লক্ষ্য। ইয়াৰ মুখ্য কাৰ্য্যালয় ৱাছিংটন ডি.ছি ত অৱস্থিত বিশ্ব বেংকৰ জন্ম ১৯৪৪ চনত। ই বিশ্বৰ সমগ্ৰ দেশসমূহৰ মুখ্য বেংক বুলি কলেও ভুল কোৱা নহ'ব। এই বেংকৰ সৈতে বিশ্বৰ আটাইতকৈ ডাঙৰ সমস্যা, বৃহৎ অৰ্থনীতি, দেশসমূহৰ মাজত হোৱা বিভিন্ন আন্তঃৰাষ্ট্ৰীয় চুক্তি, বহুতো বৃহৎ কৰ্ম, প্ৰকল্প জড়িত হৈ থাকে।

এই আন্তৰ্জাতিক সংস্থা তথা বিশ্বৰ সংগঠনবোৰে বিশ্বত বিভিন্ন সমস্যা, প্ৰত্যাহ্বানৰ মোকাবিলা কৰাৰ লগতে, সহযোগিতা বৃদ্ধি কৰা, উন্নয়ন বৃদ্ধি কৰা, সমস্যা সমাধানত মুখ্য ভূমিকা পালন কৰা, মানৱতাবাদী, সামাজিক আৰু পাৰিপাৰ্শ্বিক কাৰণবোৰ আগবঢ়োৱাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা, দক্ষতা বৃদ্ধি কৰা, যুদ্ধ বিগ্ৰহ ৰোধ কৰা, বাধা দিয়া, অৰ্থনৈতিক উন্নয়নৰ হাৰ বৃদ্ধি কৰা, গোলকীয় পৰিৱেশৰ সমস্যাৰ সমাধানত আলোচনা বৃদ্ধি কৰি সমগ্ৰ বিশ্বত একেলগে কাম কৰা ইত্যাদি আন্তঃৰাষ্ট্ৰীয় সমস্যা ৰোধৰ ক্ষেত্ৰত উল্লেখনীয় ভূমিকা পালন কৰে।❑

# ড্ৰাগছ

## যুৱ প্ৰজন্ম আৰু সমাজৰ বাবে এক জটিল ভাবুকি

জ্যোতিৰ্ময় ডেকা

ড্ৰাগছ সেৱন হৈছে ব্যক্তি, পৰিয়াল আৰু সম্প্ৰদায়ৰ বাবে বিধ্বংসী পৰিণতিৰ বহুমুখী বিষয়। বৰ্তমান সময়ত ইয়াক জটিল সামাজিক ৰোগ হিচাপে চোৱাটো অধিক দৰকাৰী।

বিশ্ব স্বাস্থ্য সংস্থাৰ মতে— "যি বস্তু জীৱদেহত প্ৰয়োগ কৰিলে শৰীৰত এক বা ততোধিক পৰিৱৰ্তন ঘটায় সেই বস্তুক ড্ৰাগছ বোলা হয়।"

'জেক কেৰাওকে' নামৰ গ্ৰন্থখনত আমেৰিকাৰ একাংশ যুৱ প্ৰজন্মই ড্ৰাগছৰ কৰাল গ্ৰাসত পৰি কিদৰে শেষ হৈ যোৱাৰ উপক্ৰম হৈছিল আৰু ভয়াৱহতাৰ সন্মুখীন হৈছিল তাৰ সুন্দৰ অৱলোকন কৰি ইয়াৰ ভয়াৱহতা দাঙি ধৰিছিল।

গোটেই বিশ্বৰ ভিতৰত আমেৰিকাই হৈছে ড্ৰাগছৰ প্ৰধান ক্ৰেতা। ফলস্বৰূপে ড্ৰাগছৰ আসক্তিয়ে আমেৰিকাত আজি মহামাৰীৰ ৰূপ ধাৰণ কৰিছে। ঠিক একেদৰেই ভাৰতবৰ্ষতো একেই অৱস্থা বিৰাজ কৰাৰ উপক্ৰম ঘটিছে। আজি গুৱাহাটী, কলকাতা, চেন্নাই, মুম্বাই আদিৰ দৰে ডাঙৰ ডাঙৰ নগৰ-চহৰবোৰত ড্ৰাগছৰ প্ৰতি আসক্ত তৰুণ-তৰুণীৰ সংখ্যা অভাৱনীয় হাৰত বৃদ্ধি পাইছে। ড্ৰাগছৰ গ্ৰহণ এক সামাজিক ব্যাধিয়ে নহয়, ই মনোবৈজ্ঞানিক বিশ্লেষণৰো বিষয়বস্তু। কাৰণ ইয়ে যুৱপ্ৰজন্মৰ চিন্তন-মনন, জগতক বাৰুকৈয়ে প্ৰভাৱিত কৰে। এই কথা স্বাৰ্থহীনভাৱে কোৱাৰ প্ৰয়োজন আছে যে আত্ম অৱক্ষয় মানৱ সম্পদ উত্তৰণৰ পৰিপন্থী। ব্যক্তিৰ ধ্বংসাত্মক কাৰ্যকলাপে এটা পৰিয়ালকে নহয়, সমাজ এখনক প্ৰদূষিত কৰে।

যুৱক-যুৱতীসকলে ড্ৰাগছ সেৱনৰ কাৰণসমূহ বিচাৰিলে প্ৰধানত আমি দেখো যে, ই কাৰকৰ সংগম, কিছুমান আভ্যন্তৰীণ, কিছুমান বাহ্যিক। ইয়াৰে কিছু মূল কাৰকৰ ভিতৰত পৰে --

**সামাজিক চাপ ঃ** বিশেষকৈ কৈশোৰ কালত সমনীয়াৰ হেঁচা অপৰিসীম হ'ব পাৰে। শাৰীৰিকভাৱে সুঠাম হৈ থাকিবলৈ হোৱাৰ ইচ্ছাই, গ্ৰহণযোগ্য অনুভৱ কৰা বা শীতল যেন দেখাৰ ইচ্ছাই কিছুমান কিশোৰ-কিশোৰীক ড্ৰাগছৰ পৰীক্ষা-নিৰীক্ষা কৰিবলৈ বাধ্য কৰিব পাৰে।

**মানসিক অশান্তি ঃ** ড্ৰাগছ সেৱন উদ্বেগ, হতাশা বা আঘাতৰ সৈতে মোকাবিলা কৰাৰ ব্যৱস্থাও হ'ব পাৰে।

**ইতিবাচক চিন্তাধাৰাৰ অভাৱ ঃ** বিৰক্তি, উদ্দেশ্যৰ অভাৱ বা প্ৰত্যাহ্বানমূলক পৰিৱেশে কিছুমান যুৱক-যুৱতীক ড্ৰাগছৰ জৰিয়তে উত্তেজনা বা আত্ম-চিকিৎসা বিচাৰিবলৈ বাধ্য কৰিব পাৰে।

**পৰিয়ালৰ সমস্যা ঃ** পৰিয়ালৰ আভ্যন্তৰীণ সমস্যা, পিতৃ-মাতৃৰ অৱহেলা অথবা নিৰ্যাতনে এজন যুৱকৰ ড্ৰাগছ সেৱনৰ প্ৰতি দুৰ্বলতা বৃদ্ধি কৰিব পাৰে।

**সুলভতা ঃ** অবৈধ আৰু প্ৰেছক্ৰিপচন উভয়ে ড্ৰাগছ অথবা এনেধৰণৰ ঔষধৰ উপলব্ধতাই যুৱ-প্ৰজন্মক ড্ৰাগছৰ প্ৰতি এক বিশেষ ধৰণে আগবঢ়াই নিয়াত উল্লেখযোগ্য ভূমিকা ল'ব পাৰে।



আনহাতে সামাজিক মাধ্যমেও কেতিয়াবা এনেধৰণৰ ক্ষেত্ৰত এক জটিল ভূমিকা পালন কৰে। ই মানসিক স্বাস্থ্যৰ সৈতে যুঁজি থকা যুৱক-যুৱতীসকলৰ বাবে সমৰ্থন সংযোগ প্ৰদান কৰিব পাৰে। ই বৰ্তমান প্ৰচলিত হৈ থকা ড্ৰাগছৰ ব্যৱস্থাতকৈও অধিক ৰূপত ড্ৰাগছৰ ব্যৱস্থাৰ সুলভতাৰ বিষয়ে বাৰ্তা প্ৰেৰণত সহায় কৰে।

ড্ৰাগছে যুৱ প্ৰজন্মক বিশেষ ধৰণে প্ৰভাৱিত কৰি আহিছে। ড্ৰাগছ সেৱনে এজন যুৱকৰ জীৱনৰ সূক্ষ্ম ভাৰসাম্য বিঘ্নিত কৰে, চিন্তাশক্তি হ্ৰাস কৰে, যাৰ ফলত তেওঁলোকৰ শাৰীৰিক স্বাস্থ্য বিশেষকৈ ড্ৰাগছৰ ব্যৱহাৰে মগজু, যকৃত, হাওঁফাওঁ আদি গুৰুত্বপূৰ্ণ অংগসমূহৰ ক্ষতি



কৰিব পাৰে। ইয়াৰ উপৰি ই ৰোগ প্ৰতিৰোধ ক্ষমতা দুৰ্বল কৰি সংক্ৰমণৰ প্ৰতি সংবেদনশীলতা বৃদ্ধি কৰিব পাৰে। ড্ৰাগছে বৰ্তমানৰ মানসিক স্বাস্থ্যৰ সমস্যাসমূহ আৰু অধিক ভয়াৱহ কৰি তুলিব পাৰে আৰু নিচা, মনোৰোগ আৰু জ্ঞানমূলক কাৰ্য্যক্ষমতাত ব্যাঘাত জন্মাব পাৰে। যিকোনো বিষয়ত মনোনিৱেশ কৰাত অসুবিধা, স্মৃতিশক্তিৰ সমস্যা আৰু অনুপস্থিতি প্ৰায়ে ড্ৰাগছ সেৱনৰ ফলত ঘটিব পাৰে, যিয়ে শৈক্ষিক সফলতাত প্ৰভাৱ পেলায়।

পৰিয়াল আৰু বন্ধু-বান্ধৱীৰ সৈতে সম্পৰ্ক হ্ৰাস কৰাৰ বাবে ই লৈ আহিছে গুৰুত্বপূৰ্ণ ভূমিকা সেয়েহে ড্ৰাগছ সেৱনে সংঘাত বৃদ্ধি পোৱাত অৰিহণা যোগাই আৰু আপোনজনৰ সৈতে সম্পৰ্কত টান ঘটাব পাৰে।

ইয়াৰ অত্যধিক সেৱনে বিপদজনক যৌন আচৰণ, হিংসা আৰু অপৰাধমূলক কাৰ্যকলাপৰ সৃষ্টি কৰিব পাৰে। দুখৰ বিষয় যে ড্ৰাগছ সেৱনৰ পৰিণতি ব্যক্তিজনৰ বাহিৰলৈও বিস্তৃত। ইয়াৰ ফলত পৰিয়ালবোৰে অপৰিসীম মানসিক চাপ, আৰ্থিক কষ্ট আৰু আৱেগিক অস্থিৰতাৰ সন্মুখীন হয়। সম্প্ৰদায়সমূহৰ মাজত অপৰাধৰ হাৰ বৃদ্ধি, আৰু যুৱক-যুৱতীসকলৰ ভিতৰত যি সম্ভাৱনা সেয়া হেৰুওৱাৰ সন্মুখীন হয়।

**ড্ৰাগছৰ পৰা মুক্ত হোৱাৰ সমাধান আৰু কৌশল ঃ**

ড্ৰাগছৰ পৰা মুক্ত হ'বলৈ অথবা বাচিবলৈ সমাজখনেই হৈছে মূল চাবি-কাঠী অথবা ইয়াৰ অস্ত্ৰ। সমাজ সমস্বৰে আগবাঢ়িলে ড্ৰাগছৰ সমস্যাৰ পৰা মুক্তি পাব পাৰি। এই ড্ৰাগছ আৰু ঔষধৰ সমস্যাৰ সমাধানৰ বাবে বহুমুখী পদ্ধতিৰ প্ৰয়োজন, যিয়ে প্ৰতিৰোধ, চিকিৎসা আৰু ক্ষতি হ্ৰাসৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইয়াত কিছুমান মূল কৌশল হ'ল- ড্ৰাগছ সেৱনৰ বিপদসমূহ সম্বোধন কৰা, সুস্থ মোকাবিলা ব্যৱস্থাক প্ৰসাৰ কৰা, আৰু বিদ্যালয়ত সামাজিক আৰু আৱেগিক শিক্ষণ দক্ষতাক লালন-পালন কৰা শিক্ষামূলক কাৰ্যসূচীসমূহ অতি গুৰুত্বপূৰ্ণ।

পৰিয়াল শক্তিশালী কৰা ইয়াৰ আন এক গুৰুত্বপূৰ্ণ দিশ। ইতিবাচক অভিভাৱকত্ব দক্ষতা, যোগাযোগ আৰু সুস্থ পৰিয়ালৰ গতিশীলতাক প্ৰসাৰিত কৰা কাৰ্যসূচীয়ে স্থিতিস্থাপকতা গঢ়ি তুলিব পাৰে আৰু ড্ৰাগছ সেৱনৰ আশংকা হ্ৰাস কৰিব পাৰে। মানসিক স্বাস্থ্যজনিত সমস্যাৰ আগতীয়া চিনাক্তকৰণ আৰু চিকিৎসাই ঔষধৰ জৰিয়তে আত্ম-চিকিৎসাৰ সম্ভাৱনা হ্ৰাস কৰিব পাৰে। চিকিৎসা আৰু ঔষধ সহায়ক চিকিৎসাকে ধৰি সুলভ মূল্যৰ, প্ৰমাণভিত্তিক নিচাৰ চিকিৎসাৰ সুবিধা সম্প্ৰসাৰণ কৰাটো অতি প্ৰয়োজনীয়। যিবোৰ কাৰ্যসূচীয়ে পৰিষ্কাৰ বেজী আৰু নিৰাপদ ড্ৰাগছ ব্যৱহাৰৰ ওপৰত শিক্ষা প্ৰদান কৰে, সেইবোৰে জীৱন ৰক্ষা কৰিব পাৰে। প্ৰশাসন, বিশ্বাস ভিত্তিক সংস্থা, আৰু আইন প্ৰয়োগকাৰী সংস্থাক সহযোগিতামূলক প্ৰচেষ্টাত জড়িত কৰিলে ড্ৰাগছ সেৱনত অৰিহণা যোগোৱা অন্তৰ্নিহিত সামাজিক সমস্যাসমূহ সমাধান কৰিব পাৰি। ড্ৰাগছৰ সমস্যাৰ বিৰুদ্ধে যুঁজিবলৈ দৃষ্টিভংগীৰ পৰিৱৰ্তনৰ প্ৰয়োজন। ড্ৰাগছ সেৱন এটা ৰোগ, নৈতিক বিফলতা নহয়। নিচাৰ সৈতে যুঁজি থকা যুৱক-যুৱতীসকলক কেৱল নিন্দা আৰু শাস্তি নহয়, সহানুভূতি, বুজাবুজি আৰু সমৰ্থনৰ প্ৰয়োজন।

নিচাক কেন্দ্ৰ কৰি থকা কলংকৰ বিৰুদ্ধে যুঁজিলে সহায় বিচৰা আচৰণক উৎসাহিত কৰা হয় আৰু আৰোগ্যৰ বাবে অধিক সহায়ক পৰিৱেশৰ সৃষ্টি হয়।

বৰ্তমান সময়ত যুৱক-যুৱতীসকলৰ ওপৰত ড্ৰাগছৰ প্ৰভাৱ গভীৰ। ড্ৰাগছ সেৱনত অৰিহণা যোগোৱা বিভিন্ন কাৰক আৰু ইয়াৰ ক্ষতিকাৰক পৰিণতি বুজিলে আমি ফলপ্ৰসূ সমাধান উলিয়াব পাৰো। প্ৰতিৰোধ, চিকিৎসা, আৰু ক্ষতি হ্ৰাস কৌশলৰ সুৰক্ষাৰ জাল গঢ়ি তোলাৰ লগতে আমাৰ যুৱক-যুৱতীসকলক সুৰক্ষা দিয়া আৰু শক্তিশালী সম্প্ৰদায় গঢ়ি তোলাৰ বাবে অতি প্ৰয়োজনীয়।

কোনো একক চিন্তা বা চিকিৎসাৰে ড্ৰাগছৰ আসক্তিৰ পৰা বিৰত ৰখা অতি টান কাম। গতিকে কোনো ঔষধৰ পৰা বিৰত কৰি স্বাভাৱিক অৱস্থালৈ ঘূৰাই আনিবলৈ হ'লে যৌথ প্ৰচেষ্টাৰ প্ৰয়োজন। এই প্ৰচেষ্টা কেৱল চিকিৎসকজনেই কৰিব লাগিব, এনে নহয়। লগতে সহায়কাৰী হিচাপে লাগিব সমাজ বিজ্ঞানী, মনোবিজ্ঞানী, অভিভাৱক, শিক্ষক, বন্ধু-বান্ধৱ, আত্মীয়-স্বজনৰ সহায়-সহযোগ।

সজাগতা সভা, শিক্ষাৰ পাঠ্যক্ৰমত ড্ৰাগছৰ পৰা সজাগ হ'বলৈ পাঠ সন্নিবিষ্ট কৰি ছাত্ৰ-ছাত্ৰীক ইয়াৰ দিশসমূহৰ বিষয়ে জনোৱাৰ নিশ্চয় প্ৰয়োজন আছে বুলি ভাবো। যুৱ প্ৰজন্মৰ নিৰ্দিষ্ট প্ৰয়োজনীয়তাৰ ওপৰত অধিক গৱেষণা কৰাটো অতি গুৰুত্বপূৰ্ণ। ইয়াৰ উপৰিও পৰিয়াল আৰু সম্প্ৰদায়ৰ ভিতৰত ড্ৰাগছ আৰু মানসিক স্বাস্থ্যৰ বিষয়ে মুকলি কথোপকথন গঢ়ি তোলাটোৱেও এই জটিল বিষয়টোৰ সমাধানৰ বাবে পথ মুকলি কৰাৰ এক উপায়।❑

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

*উৎস ঃ বিভিন্ন গ্ৰন্থ, আলোচনী আৰু ইণ্টাৰনেটত প্ৰকাশিত প্ৰবন্ধৰ সহায় লৈ।*





# অসমৰ প্ৰেক্ষাপটত শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ একশৰণ নামধৰ্ম

চুমি ডেকা

যেতিয়া সমাজ এখনত প্ৰলয় নামি আহে, ধৰ্মৰ বিপৰীতে অধৰ্মই প্ৰভুত্ব বিস্তাৰ কৰে, অন্যায়-অনিয়মে গা কৰি উঠে, তেতিয়াই একো একোজন মহান পুৰুষৰ নেতৃত্বত সেই ধৰ্ম আৰু সমাজখনৰ পুনৰ প্ৰাণ প্ৰতিষ্ঠা হয়। অসমতো তেনে সময়ত দুজন মহান পুৰুষৰ আবিৰ্ভাব হয়। তেনে দুজন হৈছে— শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ। খ্ৰীষ্টীয় পঞ্চদশ শতিকাত আবিৰ্ভাৱ হোৱা শ্ৰীমন্ত শংকৰদেৱৰ নেতৃত্বত সেই সময়ত অসমীয়া সমাজ পৰিচালনা হোৱাই নহয়, তদানীন্তন অসমীয়া সমাজক নতুন দিগন্তৰ সন্ধান দি তেখেতে সমাজৰ দিক্ নিৰ্ণায়ক ভূমিকা পালন কৰিছিল।

শংকৰদেৱ গুৰুজনাৰ আবিৰ্ভাৱৰ আগত পৃথিবীত ধৰ্ম আছিল কিন্তু একশৰণ নাছিল। সেই ধৰ্মৰ নামটো চলিছিল অন্ধবিশ্বাস, কু-সংস্কাৰ আৰু বলিবিধান। একশৰণ পন্থাটো গীতা শাস্ত্ৰত উল্লেখ আছিল যদিও প্ৰচাৰ হোৱা নাছিল। মহাপুৰুষ শংকৰদেৱৰ দ্বাৰাহে সকলোৱে বুজিব পৰাকৈ সহজ-সৰল ভাষাত বেদ, বেদান্ত, গীতা, ভাগৱত, উপনিষদ আদিৰ পৰা সাৰ কাঢ়িয়াই আনি অসমত সৰ্বপ্ৰথম 'একশৰণ নাম ধৰ্ম' পন্থাটো প্ৰৱৰ্তন কৰিছিল। য'ত হৰি গুণ নাম-কীৰ্তনৰ জৰিয়তে সৰ্বসাধাৰণে অতি সহজে পৰমপুৰুষ পৰমেশ্বৰৰ সান্নিধ্য পাব পাৰে।

শ্ৰীমন্ত শংকৰদেৱৰ সবাতোকৈ জনপ্ৰিয় গ্ৰন্থ কীৰ্ত্তনতেই তেওঁ ধৰ্ম দৰ্শন সম্পৰ্কে স্পষ্ট ইংগিত দি থৈ গৈছে। শংকৰদেৱ মূলতঃ অদ্বৈতবাদী। 'পৰমেশ্বৰৰ প্ৰতি একনিষ্ঠ অব্যাভিচাৰী ভক্তি শংকৰ-মাধৱৰ প্ৰচাৰিত ধৰ্মৰ মূলভিত্তিক। অদ্বৈতবাদ অনুসৰি ব্ৰহ্ম আৰু জীৱৰ মাজত কোনো পাৰ্থক্য নাই জীৱও ব্ৰহ্মৰ নিচিনা মুক্ত। কোনো কাৰণৰ

লগত ভেদাভেদ নকৰি সকলোৰে একে ঈশ্বৰৰ সন্তান বুলি ভাবি সকলোৰে লগত মিলাপ্ৰীতিৰে থাকিব লাগে। শংকৰদেৱে কীৰ্ত্তনত লিখিছে—

"দেখি সখিগণে মোনো হাসে আমি বেঢ়ি।
মঞি সাধু ইটো চোৰ হেন লজ্জা এৰি।।
কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম।।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।।"

ঈশ্বৰ যেন সকলোৰে আত্মাতে আছে সেয়ে শংকৰদেৱে সকলোকে একে বুলি ভাবি সেৱা জনাব লাগে বুলি ব্যক্ত কৰিছে।

মহাপুৰুষ শংকৰদেৱে অসমত একশৰণ ভক্তি ধৰ্ম জৰিয়তে জনগণৰ আত্মিক চেতনা জাগ্ৰত কৰি ভক্তিপ্ৰেমৰ এনাজৰীৰে বৃহৎ মানৱ সমাজখনক একত্ৰিত কৰি ৰাখিবলৈ চেষ্টা কৰিছিল। তেখেতে সমাজত এনে এটা পৰিৱেশ সৃষ্টি কৰিছিল য'ত কুলীন ব্ৰাহ্মণ পণ্ডিতসকলো নিজৰ পাণ্ডিত্যৰ গৰ্ব, অহংকাৰ পৰিহাৰ কৰি গুৰুজনাৰ সৃষ্ট 'একশৰণ নামধৰ্ম'ত শৰণ গ্ৰহণ কৰিছিল। সমাজৰ নিম্ন শ্ৰেণী জনসাধাৰণক শোষণ, নিষ্পেষণৰ পৰা তেনেদৰেই মুক্তি কৰি দি সামাজিক আধ্যাত্মিক উত্তৰণৰ পথেদি আগুৱাই আনিছিল। মহাপুৰুষজনাই 'একশৰণ নামধৰ্ম' প্ৰচাৰৰ পথত নানান বাধা-বিঘিনিৰ সন্মুখীন হৈও ছিন্ন ভিন্ন হোৱা অসমখনৰ সৰ্বসাধাৰণক এই ধৰ্মৰ প্ৰতি আকৃষ্ট কৰিব পৰাকৈ বৰগীত, নৃত্য, নাট, ভাওনা, বাদ্য, ধৰ্মৰ বাণী আদি ৰচনা কৰি ধৰ্ম প্ৰচাৰ কৰিছিল। গুৰুজনাই লিখিছিল—

"জাতি কুলাচাৰ ধৰ্মে কোন কাৰ্য্য সাধিবেক
জ্ঞান কোন কাৰ্য্যত শকত
অজ্ঞানী অজাতি পাপী কৃষ্ণ ভজোক মাত্ৰ
তাৰো হৈব পৰম মহত।।" (ভাগৱত)

মহাপুৰুষ শংকৰদেৱৰ লগতে তেওঁৰ প্ৰিয় শিষ্য মহাপুৰুষ মাধৱদেৱেও 'একশৰণ নামধৰ্ম' প্ৰচাৰ কৰাত ঐশ্বৰ্য অৰিহণা যোগাইছে। দুয়োজনা গুৰুই লগ হৈ 'একশৰণ নামধৰ্ম' প্ৰচাৰ কৰি যথেষ্ট উপকৃত হয়। শ্ৰদ্ধা, বিশ্বাস, আত্মজ্ঞান, অধ্যৱসায়, চিন্তন-মনন, গুৰুৰ উপদেশ, ভকতৰ সংগ, ভাগৱত, কীৰ্ত্তন, নামঘোষা আদি আছিলে গুৰুদুজনাৰ ভক্তিদৰ্শনৰ সহায়ক তত্ব। এই ধৰ্মৰ বাবে অত্যন্ত মহত্বপূৰ্ণ আছিল— গুৰু, দেৱ, নাম আৰু ভকত।

'একশৰণ নামধৰ্ম'ৰ মূলতত্ব আছিল 'এক দেৱ এক সেৱ এক বিনে নাই কেৱ।' অৰ্থাৎ এক ঈশ্বৰত শৰণ ল'লে পৰম ভগৱন্তক লাভ কৰি সন্তুষ্টি পাব পাৰি। এই ধৰ্মত কোনো জাতি-ভেদ, উচ্চ-নীচ, ধনী-দুখীয়াৰ পাৰ্থক্য নাছিল। দুয়োজনা মহাপুৰুষে অসমৰ বিভিন্ন ঠাইত সত্ৰ, নামঘৰ অনুষ্ঠান পাতি ধৰ্ম প্ৰচাৰ কৰিছিল। এই ধৰ্মৰ উপাস্য দেৱতা আছিল বিষ্ণু অৰ্থাৎ কৃষ্ণ। কৃষ্ণকে সৰ্বশক্তিমান, বিশ্বস্ৰষ্টা মানি উপাস্য বা আৰাধনা কৰা হয়। কৃষ্ণয়েই সকলো, কৃষ্ণৰ বাহিৰে আন কোনো বস্তু স্থায়ী নহয়। তেৱেঁই পৰমসত্বা, কাৰ্যৰ কাৰণ। তেওঁৰ দ্বাৰাই এই গোটেই বিশ্ব চৰাচৰ কৰি আছে। সেয়ে গুৰুজনাই তেওঁক স্মৰণ কৰি কীৰ্ত্তনত লিখিছে—

"তুমি পৰমাত্মা জগতৰ ঈশ্ব এক।
একো বস্তু নাহিকে তোমাক ব্যতিৰেক।।
তুমি কাৰ্য্য কাৰণ সমস্তে চৰাচৰ।
সুৱৰ্ণ কুণ্ডলে যেন নাহিকে অন্তৰ।।" (হৰমোহন)

মহাপুৰুষ মাধৱদেৱৰ 'একশৰণ নামধৰ্ম' প্ৰচাৰৰ অৰ্থে সৰ্বলোকে সহজে বুজি পোৱাকৈ তেখেতে নামঘোষাত ব্যক্ত কৰিছে যে অন্তৰৰ মাজত যিজন ঈশ্বৰক জ্ঞান কৰোঁ অথবা ধ্যান কৰোঁ সেইজন ঈশ্বৰকে বাহিৰত ভিন্ন ৰূপত দেখি থাকোঁ। তেখেতৰ মতে ঈশ্বৰ সকলোতে বিৰাজমান। তেওঁ সকলোৰে মাজত ঘূৰি ফুৰে। তেওঁক বিচাৰি কোনো হাবাথুৰি খাই, দান-দক্ষিণা দি পূজিব নালাগে। 'ৰাম-নাম' লৈও ঈশ্বৰৰ সান্নিধ্য পাব পাৰি। তেখেতে নামঘোষাত লিখিছে—

"অন্তৰ এক ঈশ্বৰক দেখিয়োক নানা বাহিৰত
অন্তৰত বোধ বাহিৰত জড় প্ৰায়।
বুদ্ধিত সমস্ত তেজিয়োক বাহিৰত সংগ দেখায়োক
এইভাবে ৰাম লোকত ক্ষুৰা বেড়াই।।"

তেখেতে আকৌ নামঘোষাত লিখিছিল যে—

"ভগৱন্ত ভক্তি-যুক্ত পুৰুষৰ আত্ম-বোধ
মাধৱৰ প্ৰসাদে মিলয়।
কৃষ্ণৰ কৃপাত জানা গুচয় সংসাৰ বন্ধ
এহিমানে গীতাৰ নিৰ্ণয়।।
(নামঘোষা- ৬১৯)

এইজন পৰমেশ্বৰ ভগৱন্ত সদায় ভক্তিযুক্ত। মাধৱদেৱে ভক্তি কৰিলেহে পুৰুষৰ আত্মবোধ জাগৃত হয় ব্যক্ত কৰিছে। যিহেতু ভক্তিৰ দ্বাৰা ঈশ্বৰ মাধৱৰ কৃপা লাভ কৰিব পাৰি আৰু এনেদৰে ভক্তিৰ দ্বাৰা যুক্ত ভগৱানক সন্তুষ্ট কৰিব পাৰিলে ভগৱন্ত প্ৰসাদ লাভ কৰিব পাৰি। তেতিয়া আমাৰ মনত থকা সংসাৰৰ ভয় দূৰ হয়।

দুয়োজনা মহাপুৰুষে বৰ্তমান যুগৰ লগত উপযোগীকৈ অসমৰ সৰ্বপ্ৰান্ততে 'একশৰণ নামধৰ্ম' প্ৰচাৰ কৰি ভক্তি প্ৰদীপেৰে জ্যোতিষ্মান কৰি তুলিলে। তেওঁলোকৰ ভক্তিময় প্ৰকাশে জীৱক প্ৰেৰণা দিলে ভাৱনাৰ ভাষা বিচাৰি পোৱাত, মৃত্যুমুখত পৰি থকাজনে মুক্ত আশা লাভিছে। অসৎজনকো সৎপথত আনিবলৈ বাধ্য কৰালে। মূৰ্তি পূজা বৰ্জন কৰি একান্ত ভকতিৰ যোগেদিহে কৃষ্ণক ৰণ কৰিব দিলে। স্থাৱৰ, সঙ্গম সকলোৰে ভিতৰত মানুহৰ বাবেহে এই ভকতি সম্ভৱ। অসমৰ প্ৰেক্ষাপটত দুয়োজনা গুৰুৱে সকলোকে একতাৰ ডোলেৰে একত্ৰিত কৰি যি মহানতাৰ কাম কৰিলে তাৰ বাবে অসমীয়া সমাজৰ প্ৰতিজন অসমীয়াই তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ।❑



# অবিভক্ত দৰং জিলাৰ কেইটিমান ঐতিহাসিক মঠ-মন্দিৰ আৰু সত্ৰৰ এটি পৰিচয়মূলক টোকা

**সীমা ডেকা**

ঐতিহাসিক সমলৰ নিৰ্ভৰযোগ্য তথ্যই অতীতত ঘটা প্ৰকৃত ঘটনাৰ গ্ৰহণযোগ্য ধাৰাবাহিক বৰ্ণনা দাঙি ধৰে। বহু হাজাৰ বছৰৰ বিবৰ্তন, পৰিবৰ্তন আৰু পৰিবৰ্ধনৰ মাজেদি গঢ় লৈ উঠা আজিৰ মানৱ সভ্যতা-সংস্কৃতিৰ ক্ৰমবিকাশৰ খতিয়ান দাঙি ধৰে এই ঐতিহাসিক সমলবোৰে। উদাহৰণ স্বৰূপে--তামৰ লিপি, শিলালিপি, ভগ্নাৱশেষ, চিত্ৰ-ভাস্কৰ্য, মুদ্ৰা, বিভিন্ন সা-সঁজুলি, পাত্ৰ, আ-অলংকাৰ আদিৰ উপৰিও প্ৰাচীন সাহিত্য যেনে--বেদ, মহাভাৰত, ৰামায়ণ, তন্ত্ৰশাস্ত্ৰ, পুৰাণ, উপনিষদ আৰু বিদেশী পৰ্যটকসকলে লিখি থৈ যোৱা টোকাসমূহে অতীতৰ মানৱ সভ্যতা বিকাশৰ বিভিন্ন স্তৰৰ নিৰ্ভুল সম্ভেদ দিয়ে। ৰাজ্য-সাম্ৰাজ্য উত্থান-পতনৰ লগে লগে ৰাজনৈতিক, ধৰ্মীয় আৰু আৰ্থ-সামাজিক দিশবোৰৰো পৰিবৰ্তন ঘটে। ৰাজতন্ত্ৰৰ সমান্তৰালকৈ সামাজিক সচেতনতা আৰু আধ্যাত্মিক ধ্যান-ধাৰণায়ো গা কৰি উঠে। এনে পটভূমিতে বিভিন্ন ৰজাৰ পৃষ্ঠপোষকতাত ৰচিত হৈছিল প্ৰাচীন সাহিত্য যেনে--বেদ-বেদান্ত, ৰামায়ণ-মহাভাৰত, তাম্ৰলিপি-শিলালিপি ইত্যাদি। বিভিন্ন ঠাইত গঢ় লৈ উঠিছিল মঠ-মন্দিৰ, দেৱালয় আদি ধৰ্মীয় ক্ষেত্ৰসমূহ।

মঠ-মন্দিৰ, দেৱালয় বা সত্ৰসমূহ কেৱল যে ধৰ্মীয় বা আধ্যাত্মিক সংস্কৃতিৰ উপাদান আছিল তেনে নহয়। এইবোৰ আমাৰ ইতিহাসৰো প্ৰামাণ্য দলিলস্বৰূপ। মঠ-মন্দিৰ, দেৱালয় আৰু সত্ৰসমূহ আমাৰ বহু ইতিহাসৰ একো-একোটা অধ্যায় ৰূপে চিহ্নিত হৈ আহিছে। তদুপৰি প্ৰাচীন স্থাপত্য আৰু ভাস্কৰ্য শিল্পৰো এইবোৰ প্ৰকৃষ্ট নিদৰ্শন। অবিভক্ত দৰং জিলাত এনে বহু মঠ-মন্দিৰ বা সত্ৰ আছে যিবিলাকৰ প্ৰণালীবদ্ধ অধ্যয়ন বা গৱেষণাই ইতিহাসৰ নতুন দিগন্ত উন্মোচিত কৰিব পাৰে। অনুসন্ধিৎসু সকলৰ বাবে এই নিবন্ধত অবিভক্ত দৰং (বৰ্তমানৰ দৰং আৰু ওদালগুৰি জিলা) ৰ কেইটিমান ঐতিহাসিক মঠ-মন্দিৰ সত্ৰৰ এটি চমু পৰিচিতি দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে।

১। **ৰুদ্ৰেশ্বৰ দেৱালয়** ঃ দিপীলা মৌজাৰ মাহৰিপাৰা গাঁৱত ঐতিহ্যমণ্ডিত শৈৱ পীঠ ৰুদ্ৰেশ্বৰ দেৱালয় অৱস্থিত। উদ্ধাৰ হোৱা তামৰ ফলি মতে--দেৱালয়খন ১৭৮৮ চনত স্থাপিত হৈছিল। দৰঙী ৰজা স্বৰ্গনাৰায়ণদেৱে প্ৰজাৰ কথামতে আপোনা-আপুনি আবিৰ্ভাৱ হোৱা জাগ্ৰত শৈৱ পীঠখনৰ বিষয়ে আহোম ৰজা গৌৰীনাথ সিংহক অৱগত কৰায়। ৰজায়ো পূজাৰ নিমিত্তে ১৭০৮ শকত ১৬০ পুৰা মাটি তামৰ ফলি কৰি দিয়ে। ফলিখন অসম ৰাজ্যিক বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত সংৰক্ষিত হৈ আছে। ১৯৮৬ চনৰ ভূমি ৰাজহ বিভাগৰ আইন মতে দেৱালয়খনৰ মাটি চৰকাৰৰ হাতলৈ যায়। প্ৰতি বছৰে ধুম-ধামেৰে দুৰ্গাপূজা, শিৱৰাত্ৰি, দেউলৰ উপৰিও দেৱালয়খনৰ কাষতে থকা ৰুদ্ৰেশ্বৰ পুখুৰীত বৰ্তমান সদৌ অসম ভিত্তিত সাঁতোৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়।

২। **শ্ৰীশ্ৰীতাম্ৰেশ্বৰ দেৱালয়** ঃ ওদালগুৰি জিলাৰ চিনাকোণা মৌজাৰ খৈৰাবাৰীত শ্ৰীশ্ৰীতাম্ৰেশ্বৰ দেৱালয় অৱস্থিত। হাজাৰ বছৰীয়া পৰিক্ৰমাৰে ঐতিহ্যমণ্ডিত এই দেৱালয়খনৰ উৎপত্তি সম্পৰ্কে লিখিত সমল পোৱা নাযায়। উদ্ধাৰ হোৱা তামৰ ফলিখন সমসাময়িক ৰুদ্ৰেশ্বৰ দেৱালয়ৰ সৈতে একেই। সাধাৰণতে এখন দেৱালয়ৰ গৰ্ভকুণ্ডৰ সৈতে পুখুৰীৰ সংযোগ থকাৰ কথা শুনিবলৈ পোৱা যায়। তাৰ বিপৰীতে পূৰ্বতে এজন দলৈয়ে পৰিচালনা কৰা শ্ৰীশ্ৰীতাম্ৰেশ্বৰ দেৱালয় আৰু ৰুদ্ৰেশ্বৰ দেৱালয় দুখনৰ অন্তঃসলিলা ফল্গুধাৰাৰ সংযোগ বিশেষভাৱে মন কৰিবলগীয়া। এখন দেৱালয়ত অৰ্পণ কৰা দুগ্ধ-পুষ্প আনখন দেৱালয়ত দেখা গৈছিল বুলি জনা যায়। দেৱালয়খনৰ শেষৰজন দলৈয়ে লিখি যোৱা তথ্যত উল্লেখ কৰা মতে ১৫০৫ শকাব্দত চন্দ্ৰ নাৰায়ণ ৰজাই হয়গ্ৰীৱ সন্ন্যাসীক দান দিয়া মাটিতে স্বৰ্গদেউ গৌৰীনাথ সিংহই ১৭০৮ শকাব্দৰ ভাদ মাহত এই মঠৰ বাবে ১৯৯ বিঘা ৯ লেচা মাটি তামৰ ফলি কৰি দিয়ে। কালাপাহাৰে ধ্বংসস্তুপত পৰিণত কৰা এই মঠটি আহোম ৰজাই পুনৰ নিৰ্মাণ কৰে যদিও ১৮৯৭ চনত হোৱা প্ৰলয়ংকৰী ভূমিকম্পত পুনৰ ধ্বংসপ্ৰাপ্ত হয়। বৰ্তমান প্ৰকৃতিৰ নান্দনিক পৰিবেশে বিৰাজ কৰা দেৱালয়খনৰ উত্তৰে এটি প্ৰাচীন পুখুৰী। গৰ্ভগৃহত মূল বিগ্ৰহ শিৱলিংগৰ সৈতে ভিন্ন শৈলীৰ কামাখ্যা, পাৰ্বতী আদি দেৱ-দেৱীৰ শিলাখণ্ড আছে। তদুপৰি দেৱালয়খনৰ দক্ষিণ-পূব কোণত থকা সংগ্ৰহালয়ত নৃত্যৰত দেৱীৰ কেইবাটাও মূৰ্তি, অষ্টদল পদ্ম, স্তম্ভ আকৃতিৰ খুটা লগতে আন কেইবাটাও ভিন্ন শৈলীৰ শিলাখণ্ড সংৰক্ষিত হৈ আছে।

৩। **মুক্তেশ্বৰী দেৱালয়** ঃ এই দেৱালয়খন অম্বাগাঁও মৌজাৰ ওদলা গাঁৱত অৱস্থিত। জনশ্ৰুতি অনুসৰি কালিন্দী নদীৰ পাৰৰ এই ঠাইতেই শাহে ৰজাৰ নগৰ আছিল। শাহে ৰজাৰ জীয়ৰী বেউলাই গা-ধোৱা মুক্তেশ্বৰী ঘাটৰ কাষতে অৱস্থিত এই দেৱালয়খন--য'ত পূৰ্বতে সতী বেউলাই মনসা পূজা কৰিছিল। তদুপৰি চান্দো সদাগৰৰ ওপৰত আক্ষেপ থকা দেৱী পদ্মাৱতীয়ে ব্ৰাহ্মণী বেশেৰে বেউলাক বিধৱা হ'বলৈ শাও দিছিল। সতীত্বৰ গুণত বেউলাই তেওঁৰ মৃত স্বামীক পুনৰ জীয়াই তুলিবলৈ সক্ষম হয়। সুকবি নাৰায়ণদেৱৰ পদ্ম পুৰাণত এই কাহিনী সুন্দৰকৈ বৰ্ণিত হৈছে। দেৱালয়খনত মূলতঃ মনসাদেৱীক উপাসনা কৰা হয়। বলি-বিধানৰ পৰম্পৰা প্ৰচলিত দেৱালয়খনত পুৰণি কালৰ বলিশাল, বলিকটা দা আজিও বিদ্যমান। দেৱালয়খনত প্ৰতি বছৰে বহাগ মাহৰ ১৫ তাৰিখে উদ্‌যাপিত মনসা পূজাত ওজাপালিয়ে বেউলা লখিন্দাৰৰ আখ্যান গীত পৰিবেশন কৰে। তদুপৰি পাঁচৰ পৰা সাত দিনলৈ পদ্মা পূজা অনুষ্ঠিত হোৱা দেৱালয়খন প্ৰাচীন জাপৰী গোঁসাইৰ থান ৰূপেও খ্যাত।

৪। **নলখামাৰা দেৱালয়** ঃ ওদালগুৰি জিলাৰ অম্বাগাঁও মৌজাত অৱস্থিত নলখামাৰা দেৱালয় যোড়শ শতিকাত কোচ ৰজা নৰনাৰায়ণে নিৰ্মাণ কৰাৰ কথা দৰং ৰাজবংশাৱলীত এনেদৰে উল্লেখ পোৱা যায়--

"সসৈন্য সহিতে নৰনাৰায়ণ ৰায়।
সংগ্ৰামসিংহ আগ কৰি চলি যায়।।
..............................................
তৈৰ পৰা ৰৈলা গই ভ্ৰমৰা কুণ্ডত।
ত্ৰিশূল দেৱীৰ ধনেশ্বৰীৰ মধ্যত।।
দেৱীৰ প্ৰতিমা থাপি কৰি নমস্কাৰ।
মঠৰ দিলন্ত নাম নল যে খামৰ।।

পূৰ্বতে দেৱালয়খনৰ কাষত থকা চন্দনা নদীৰ পলসে দেৱালয়খন পুতি পেলায়। বৰ্তমান দেৱালয়খনত থকা দুটা শিলাখণ্ডৰ ভগ্নাৱশেষে অতীতৰ স্মৃতি বহন কৰি আছে। ১৯৮০ চনত প্ৰত্নতাত্ত্বিক জৰীপ চলাই ডঃ প্ৰদীপ শৰ্মাই 'অতীতৰ পম খেদি চন্দনাৰ পাৰে পাৰে' নামৰ প্ৰবন্ধত সেই শিলাখণ্ড কোনোবা শিলৰ মন্দিৰৰ স্তম্ভৰ মূৰত ব্যৱহৃত স্তম্ভশীৰ্ষ বুলি অভিহিত কৰিছে। দেৱালয়খনৰ দেৱোত্তৰ মাটিৰ পৰিমাণ ৫৪ বিঘা আছিল যদিও ১৯৭১ চনত কিছু মাটি চৰকাৰে ৰায়তৰ মাজত বিতৰণ কৰে।

৫। **খাম্পাহোলা মা কামাখ্যা দেৱালয়** ঃ কলাইগাঁৱৰ পৰা ১ কিঃমিঃ উত্তৰে গেৰুৱাত অৱস্থিত ঐতিহ্যমণ্ডিত মহাপীঠ খাম্পাহোলা মা কামাখ্যা দেৱালয়। এই ঠাইত পূৰ্বতে এখন ডাঙৰ বিল আছিল। ডঃ বিজয় কুমাৰ শৰ্মাদেৱৰ 'খাম্পাহোলা মা কামাখ্যা বুঢ়াগোঁসাই দেৱালয় ঃ উৎপত্তি আৰু মাহাত্ম্য' নামৰ পুস্তিকাখনিত ভূঞা ৰজাৰ দিনত খাম্পা নামৰ ভূটীয়া ৰজা এজনে এই বিল বা হোলাৰ পাৰত

বাস কৰে বাবে ঠাই খনৰ নাম খাম্পাহোলা হয় বুলি উল্লেখ আছে। বিলৰ পাৰতে এই দেৱালয়খন। প্ৰতি বছৰে হোৱা বানপানীয়ে এসময়ত বিলখন পুতি পেলায়।

দেৱালয়খনৰ উৎপত্তি সম্পৰ্কে তথ্য পোৱা নাযায়। গাঁৱৰ ৰাইজক সপোনত এই দেৱালয়খনৰ বিষয়ে জনায়। ৰাইজে দলে দলে গৈ প্ৰকৃতিৰ পৰিঘটনাত কালক্ৰমে ধ্বংসস্তূপত পৰিণত হৈ মাটিত পোত খোৱা দেৱ-দেৱী খচিত শিলাখণ্ডবোৰ উদ্ধাৰ কৰি বাঁহ-খেৰেৰে সেই স্থানতে মন্দিৰ সাজে। বিভিন্ন চৰকাৰী আঁচনিৰ অধীনত সম্প্ৰতি দেৱালয়খনৰ আন্তঃগাঁথনি কিছু উন্নত হৈছে। ১০০ ফুট দীঘল আৰু ২৫ ফুট প্ৰস্থৰ দেৱালয়খনৰ সভাগৃহটোৰ মূল দ্বাৰৰ দুয়োফালে গদাধাৰী দুজন দুৱৰী। মূল মঠৰ ভিতৰত উত্তৰ ফালৰ পৰা ক্ৰমে গণেশ, পাৰ্বতী, সৰু (চানা) আই, মাজু আই, ডাঙৰ (ডাঙৰ) আইৰ ৫ খন থান একেলগে। মূল মঠৰ সোঁমাজত বুঢ়াগোঁসাই শিৱ আৰু বিষ্ণুৰ বিগ্ৰহ। তাৰ দক্ষিণে ক্ৰমে দুৰ্গা গোঁসানী, কামাখ্যা, কালী, ধৰ্ম, সীতা, শোভাসিনী আৰু লক্ষ্মীৰ বিগ্ৰহ। দেৱালয়খনৰ দক্ষিণে বলি-বিধানৰ বাবে কেঁচাইখাইতীৰ সুকীয়া স্থান। দেৱালয়খনৰ উত্তৰে আন এটা শিৱ মন্দিৰ; য'ত মূল বিগ্ৰহ গোবিন্দৰ সৈতে কেইবাটাও শিৱলিঙ্গ আৰু দেৱ-দেৱীৰ শিলাখণ্ড আছে। জনবিশ্বাস মতে দেৱালয়খন মূৰাদেৱালয়ৰ ভনীয়েক। সেয়ে সমসাময়িক দেৱালয়খনৰ বিগ্ৰহ সমূহৰ মাজত মিল থকা দেখা যায়। প্ৰায় ছয় বিঘা মাটিকালিৰ দেৱালয়খনৰ উত্তৰে শগুনবাহী, দক্ষিণে কলাইগাঁও, পূবে চিন্তাগাঁও আৰু পশ্চিমে ভোলাবাৰী গাঁও অৱস্থিত। দেৱালয়খনৰ চৌহদত পূব গেৰুৱা প্ৰাথমিক বিদ্যালয়। দেৱালয়খনলৈ পূজা আগবঢ়াই বহুজনে চাকৰি লাভ কৰা, দুৰাৰোগ্য বেমাৰৰ পৰা আৰোগ্য হোৱা ভালেমান প্ৰমাণ আছে। ইয়াৰে দেউৰীজন অব্ৰাহ্মণ। দেৱালয়খনৰ মূল পূজাৰী সুধীৰাম শৰণীয়াই জনোৱা মতে পূজা আগবঢ়াবলৈ অহা অভ্যাগত সকলৰ বিষয়ে তেওঁ আগদিনা সপোনতে গম পায়। পূৰ্বৰে পৰা প্ৰতি বছৰে বহাগ মাহৰ ১ আৰু ৬ তাৰিখে বেছ আড়ম্বৰপূৰ্ণভাৱে পালি অহা দেৱালয়খনৰ দেউল উৎসৱলৈ নানা জাতি-সম্প্ৰদায়ে সহায় আৰু সহযোগিতা আগবঢ়াই আহিছে।

৬। **মূৰাদেৱালয়** ঃ কলাইগাঁৱৰ পৰা ৯ কিঃমিঃ উত্তৰে মূৰাদেৱৰ গাঁৱত কলাইগাঁও-হৰিশিঙা পকী পথৰ পূবে ১৩ বিঘা মাটিকালিৰে ঐতিহ্যমণ্ডিত মহাপীঠ মূৰাদেৱলয় অৱস্থিত। মূৰাদেৱালয়ৰ উৎপত্তি সম্বন্ধে লিখিত তথ্য পাবলৈ নাই। প্ৰচলিত প্ৰবাদ মতে--সংগীত আৰু নৃত্য বিশাৰদ কেন্দুকলাই নামৰ ব্ৰাহ্মণ এজনক কোচ ৰজা নৰনাৰায়ণে (১৫৪০-১৫৮৪) নীলাচলস্থিত কামাখ্যা মন্দিৰৰ পূজাৰীৰূপে নিয়োগ কৰে। কলাইৰ মালচি ৰাগ আৰু ত্ৰৌৰ্যত্ৰিক মুদ্ৰা পৰিবেশনত মুগ্ধ হৈ কামাখ্যা দেৱীয়ে সোঁশৰীৰে নৃত্য কৰিছিল। এই কথাৰ যাতে আনে একো ভু নাপায় তাৰ বাবে দেৱীয়ে কলাইক প্ৰতিজ্ঞাবদ্ধ কৰাইছিল। কিন্তু কলাইয়ে এই প্ৰতিজ্ঞা ৰাখিব নোৱাৰিলে আৰু কথা গৈ ৰজাৰ কাণত পৰিল। দেৱীৰ নৃত্য চাবলৈ ৰজাও অধীৰ হ'ল। উপায়ন্তৰ হৈ কলাইয়ে মন্দিৰৰ বেৰৰ জলঙাৰে গোপনে ৰজাক দেৱীৰ নৃত্য দৰ্শনৰ পৰামৰ্শ দিলে। পৰিকল্পিত দুষ্কৰ্মৰ কথা জানি দেৱীয়ে কলাইক প্ৰচণ্ড জোৰেৰে চৰ শোধোৱাত কলাইৰ ছিন্ন মূৰ আহি দেৱৰ গাঁৱত পৰে। তেতিয়াৰ পৰা ঠাইখন মূৰাদেৱৰ ৰূপে আৰু তাত থকা দেৱালয়খনো মূৰাদেৱালয় ৰূপে পৰিচিত হয়।

অন্য এটি জনশ্ৰুতি মতে-- বিনা নিমন্ত্ৰণে দক্ষ ৰজাৰ যজ্ঞত উপস্থিত হৈ স্বামী শিৱৰ ওপৰত আৰোপ কৰা কুবাক্য সহ্য কৰিব নোৱাৰি সেই স্থানতে সতীয়ে দেহ ত্যাগ কৰে। এই বাতৰিত ক্ৰোধান্বিত শিৱই যজ্ঞথলিতে মূৰ্ত হৈ দক্ষ ৰজাক শিৰচ্ছেদ কৰি মৃত সতীৰ দেহ কান্ধত লৈ পৃথিৱী পৰিভ্ৰমণ কৰাত পৃথিৱীবাসীৰ দুখ-যন্ত্ৰণা কুলাই-পাচিয়ে নধৰা হয়। উপায়বিহীন হৈ বিষ্ণুৱে শিৱৰ অলক্ষিতে সতীৰ দেহ সুদৰ্শন চক্ৰৰে কাটি খণ্ড-বিখণ্ড কৰে। সতীৰ মৃতদেহৰ খণ্ডিত অংগ যি স্থানত পৰে সেই স্থানতে পিছলৈ একো-একোখন মহাপীঠ উদ্ভূত হয়। সতীৰ মূৰৰ অংশ এই ঠাইত পৰে বাবে মহাপীঠখনৰ নাম মূৰাদেৱালয় হয়।

দেৱালয়খনৰ স্থাপত্য নিৰীক্ষণ কৰিলে নগাঁৱৰ শিলঘাটত থকা ভৈৰৱী দেৱালয়, তেজপুৰৰ মহাভৈৰৱ দেৱালয়ৰ সমসাময়িক বুলি পুৰাতাত্ত্বিক সকলে ধাৰণা কৰে। আহোম যুগত বৰা চাউল, কণীৰ কুহুম, মাটিমাহ আদিৰ সংযুতিত ইটাৰ গাঁথনিৰে ৰংঘৰ, কাৰেংঘৰ নিৰ্মাণ কৰা হৈছিল। সেই সাদৃশ্য বহন কৰাত ইয়াৰ উৎপত্তি আহোম যুগৰ বুলি কোনো কোনোৱে অনুমান কৰে। আকৌ ভাস্কৰ্য সমূহৰ পৰা মন্দিৰটো প্ৰস্তৰ যুগৰ বুলিও অনুমান হয়। দেৱালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি খিতেশ্বৰ ডেকাৰ পৰা জানিব পৰা মতে নীলাচলৰ কামাখ্যা মন্দিৰৰ উপৰি কালাপাহাৰে এই দেৱালয়খনো ধ্বংসস্তূপত পৰিণত কৰিছিল। ১৯ শতিকাত বনজুইয়ে দেৱালয়খনৰ বিস্তৰ ক্ষতি কৰে। কালক্ৰমত বিভিন্ন প্ৰাকৃতিক পৰিঘটনাতো ভাস্কৰ্যসমূহ মাটিত প্ৰোথিত হয়। পূৰ্বতে গঞা এজনে দেৱালয়খনৰ পূবত লাগি থকা পুখুৰীটোত মাছ ধৰিবলৈ পানী সিঁচি থাকোতে কিছুমান দেৱ-দেৱী খচিত শিলাখণ্ড প্ৰত্যক্ষ কৰে। পিছত গাঁৱৰ ৰাইজৰ সহযোগত সেইবোৰ উদ্ধাৰ কৰি পাৰত বাঁহ-খেৰেৰে জুপুৰী সাজি পূজা দিয়ে।

দেৱালয়খনৰ মূল প্ৰৱেশদ্বাৰৰ উত্তৰাংশত নৰসিংহৰ শৈল মূৰ্তি আছে। দেৱালয়খনৰ অন্তৰ্ভাগত ভিন্ন শৈলীৰ চাৰিটা শৈল শিৱলিংগ, মাটিৰ দৌল সদৃশ সৰস্বতী আৰু লক্ষ্মীৰ মূৰ্তি, দুৰ্গা আৰু কামাখ্যাৰ দুটি শৈল যোনি, পদ্মপুষ্পাকৃতিৰ বিশেষ যোনি লিংগ, বিষ্ণু বিগ্ৰহ শাৰীকৈ সজ্জিত কৰা আছে। সোঁমাজত মূল থাপনা। তাৰ পূব অংশত গৰ্ভকুণ্ডৰ শৈল দ্বাৰৰ উৰ্দ্ধাংশত গণেশ, দক্ষিণে পাৰ্বতীৰ বিগ্ৰহ। কুণ্ডটোৰ অন্তৰ্ভাগত ছয় ফুট উচ্চতা ডেৰ ফুট প্ৰস্থৰ থিয়কৈ আছে তিনিটা শিৱলিংগ। আন এটা লিংগ কুণ্ডৰ পানীভাগৰ তলত থাকে বাবে দৃশ্যমান নহয়। দেউৰী দ্বীপেন মেধিয়ে জনোৱা মতে ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ তিনিখন আসন কুণ্ডটোৰ পানীভাগত। গৰ্ভকুণ্ডটো অন্তঃসলিলা ফল্গুধাৰাৰে পশ্চিমে থকা পুখুৰীৰ লগত সংযুক্ত হৈ আছিল। কুণ্ডত অৰ্পিত পুষ্প পুখুৰীটোত দেখা গৈছিল। ১৯৫০ চনৰ ভূমিকম্পত এই ধাৰাৰ অন্ত পৰে। কিম্বদন্তী অনুসৰি কলাইৰ মূৰ

পৰা ঠাইত ৰজা নৰনাৰায়ণে গোঁহাইকমলক কামাখ্যাৰ আৰ্হিত মন্দিৰ নিৰ্মাণৰ আদেশ দিয়ে। সেয়ে নীলাচলৰ কামাখ্যা মন্দিৰৰ কুণ্ডৰ সৈতে মূৰাদেৱালয়ৰ গৰ্ভকুণ্ডৰ সাদৃশ্য মন কৰিবলগীয়া। দেৱালয়খনৰ উত্তৰে মা মনসা, নাগপঞ্চমী, আৰু কেঁচাইখাইতীৰ সুকীয়া সুকীয়া স্থান। মাজত স্থাপিত নৰবলিৰ শৈল শাল আৰু খড়গখনে ৰজা-মহাৰজাৰ দিনত এই স্থানত হোৱা নৰবলি প্ৰথাৰ সত্যতা প্ৰমাণ কৰে। বৃটিছ যুগত ভাইচৰয় উইলিয়াম বেন্টিঙে প্ৰণয়ন কৰা সমাজ সংস্কাৰ আইন অনুসৰি এই প্ৰথা লোপ পায়।

১৯৭০ চনৰ পৰা দেৱালয়খনৰ পৰিচালনা সমিতিয়ে দেউৰী নিৰ্বাচন কৰে। দেউৰীজন অব্ৰাহ্মণ। পূজাত বিসংগতি হ'লে বিমূৰ্ত অলৌকিক শক্তিয়ে সপোনত নানান দিহা-পৰামৰ্শ দিয়ে। মনোবাঞ্চা সিদ্ধিৰ বাবে ভক্তসকলে কেঁচাইখাইতীলৈ পঠা, হাঁহ-পাৰ, মাগুৰ মাছ, কোমোৰা আদি সভক্তিৰে আগবঢ়ায়। দেৱালয়খনলৈ পূজা আগবঢ়াই নিবনুৱাই চাকৰি, নিঃসন্তানে সন্তান আৰু বৰ বা কইনা লাভ কৰাৰ অনেক উদাহৰণ আছে বুলি মেধিদেৰে জনায়। শৈল দ্বাৰৰ গণেশ মূৰ্তিৰ চৰণ চুই কুণ্ডৰ পানী ভক্তিভাবে স্পৰ্শ কৰি মুখত ল'লে মনোবাঞ্চা সিদ্ধি হোৱা বিশ্বাস সমাজত প্ৰচলিত হৈ আছে। ১৯৮০ চনত দেৱালয়খন নতুন ৰূপেৰে সজোৱা হয়। সভাগৃহৰ দীঘ প্ৰস্থ ক্ৰমে ১০০ × ৪০ ফুট। ১৯৭০ চনৰ ৰায়তী আইন মৰ্মে দেৱালয়ৰ নামত থকা ৮০৭ বিঘা মাটিৰ মাত্ৰ ৮ বিঘা মাটি দেৱালয়ৰ বাবে ৰাখি চৰকাৰে ৰায়তসকলৰ নামত ম্যাদি পট্টা প্ৰদান কৰে। পশ্চিমে থকা পুখুৰীটোৰ মাটিকালিৰ সৈতে বৰ্তমান মন্দিৰৰ মুঠ মাটি ১৩ বিঘা।

৭। **শ্ৰীশ্ৰীকামাখ্যা মঠ দেৱালয় ঃ** কলাইগাঁৱৰ পৰা প্ৰায় ৮ কিঃমিঃ পশ্চিমে বালিপোতা গাঁৱত অৱস্থিত শ্ৰীশ্ৰীকামাখ্যা মঠ দেৱালয় এখন ঐতিহাসিক মহাপীঠ। ৮ বিঘা ৩ কঠা মাটিকালিৰে দেৱালয়খনৰ উত্তৰে কাইঠপাৰা, দক্ষিণে ঝাকুৰা আৰু পশ্চিমে লক্ষীমপুৰ গাঁও। দেৱালয়খনৰ উৎপত্তি সম্পৰ্কে চলিত প্ৰবাদ অনুসৰি মূৰাদেৱালয়, নীলাচলৰ কামাখ্যা মন্দিৰৰ সৈতে একে সময়তে উৎপত্তি হৈছিল শ্ৰীশ্ৰীকামাখ্যা মঠ দেৱালয়। মূৰ পৰি মূৰাদেৱালয়, যোনি অংশ পৰি কামাখ্যা মন্দিৰৰ সৃষ্টি হোৱাৰ লেখিয়াকৈ বিষ্ণুৰ সুদৰ্শন চক্ৰৰে খণ্ডিত হোৱা মৃত সতীৰ নাভি (জগত চক্ৰ) অংশ পৰি অভ্যুত্থান হৈছিল শ্ৰীশ্ৰীকামাখ্যা মঠৰ। কালাপাহাৰে এই মঠো ধ্বংসস্তূপত পৰিণত কৰিছিল।

১৬১৪ খ্ৰীষ্টাব্দত দৰঙী ৰজা ধৰ্মনাৰায়ণে এদিন চিকাৰলৈ গৈ থাকোতে হাবিৰ মাজত অলপ ওখ ঠাইত ভৰি দিয়া মাত্ৰকে হাতী আগলৈ যাব নোৱাৰা হোৱাত ৰজাই জ্যোতিষীৰ দ্বাৰা সেই ঠাইত ধ্বংসস্তূপ মহাপীঠৰ অৱস্থিতিৰ বিষয়ে জ্ঞাত হৈ শ্ৰীশ্ৰীকামাখ্যা মঠটি পুনৰ প্ৰতিষ্ঠা কৰে। মঠটিৰ অন্তৰ্ভাগত ১ মিটাৰ গভীৰ উত্তৰাংশত ২৪ পাহযুক্ত শিলত কটা পদ্মচক্ৰ। লোকবিশ্বাস মতে সেয়া সতীৰ নাভি। দক্ষিণে শিৱৰ বিগ্ৰহ স্থাপন কৰা আছে। উল্লেখযোগ্য যে পূৰ্বতে পদ্মচক্ৰত গাখীৰ ঢালিলে মঠটিৰ পশ্চিমে নাতিদূৰত থকা ১৯৫ বিঘা মাটিকালি ১৩ শতিকাৰ ঐতিহ্যমণ্ডিত লক্ষীমপুৰ পুখুৰীৰ পূব অংশত দৃশ্যমান হৈছিল। মঠটিৰ পশ্চিমাংশত কেঁচাইখাইতীৰ স্থান। পূৰ্বতে দেৱালয়ৰ পূজাৰীজন ব্ৰাহ্মণ আছিল যদিও বৰ্তমান অব্ৰাহ্মণ পূজাৰীয়ে সেৱা আগবঢ়াই আহিছে। স্বয়ং দেৱীয়ে কোন পূজাৰীৰ পূজা গ্ৰহণ কৰিব সেই কথা গঞাক সপোনত জনায়। প্ৰতি বছৰে ৩ বহাগত মঠটিত দেউল অনুষ্ঠিত হয়। তদুপৰি ফাগুনৰ পূৰ্ণিমা তিথিত উলহ-মালহেৰে ৰাইজে বিষ্ণু যজ্ঞ পালন কৰি আহিছে। ২০০৬ চনত লক্ষীমপুৰ আঞ্চলিক মীনমহল সমিতিয়ে মঠটিৰ মূল তোৰণ নিৰ্মাণ কৰি দিয়ে। অসম চৰকাৰৰ অসম দৰ্শন আঁচনিৰ (২০১৯-২০) অধীনত শ্ৰীশ্ৰীকামাখ্যা মঠ দেৱালয়খনৰ আন্তঃগাঁথনি পূৰ্বতকৈ কিছু উন্নত হৈছে।

৮। **ভাঙ্গাবৰুৱা দেৱালয় ঃ** কলাইগাঁৱৰ পৰা ৫ কিঃমিঃ উত্তৰ-পূবত, বটিয়ামাৰী নদীৰ পূব পাৰত ভাঙ্গাবৰুৱা ৰাজহ গাঁৱত অৱস্থিত ঐতিহ্যমণ্ডিত ভাঙ্গাবৰুৱা দেৱালয়। জনশ্ৰুতিমতে ৰায় বৰুৱা বংশৰ দ্বিতীয় ৰজা শ্যামৰায় বৰুৱাই অন্যায় কৰা মনোভাবেৰে তিনিডাল বাঁহ জোৰা দি মূৰাদেৱালয়ৰ গৰ্ভকুণ্ডটোৰ গভীৰতা জুখিবলৈ লোৱাত কুণ্ডৰ পৰা তেজ নিৰ্গত হয়। কুদৃষ্টি দিয়া বাবে বৰুৱা বংশ লোপ পাব বুলি কুণ্ডৰ পৰা দৈববাণী ভাঁহি আহে। দৈববাণী ফলিয়ায়। এজন-এজনকৈ বৰুৱা বংশৰ লোকৰ মৃত্যু হয়। শাপৰ কোপত এইদৰে মৰি মৰি বা ভাঙ্গি ভাঙ্গি বৰুৱা বংশ নিঃশেষ হৈ যোৱা বাবে ঠাইখনৰ নাম ভাঙ্গাবৰুৱা আৰু ঠাইৰ নামানুসাৰে ভাঙ্গাবৰুৱা দেৱালয় হয়।

দেৱালয়খনৰ উৎপত্তি সম্পৰ্কে তথ্য পাবলৈ নাই। গাঁওখনৰ সমাজকৰ্মী কৃষ্ণকান্ত ডেকাই জনোৱা মতে ১৬১৪ চনত দৰঙী ৰজাৰ তলতীয়া ৰায় বৰুৱা বংশৰ প্ৰথম ৰজা সূৰ্যমল ৰায় বৰুৱাৰ দিনত এজন ঋষিয়ে সাধনাৰ বাবে অনুমতি বিচাৰে। বৰুৱা ৰজায়ো বটিয়ামাৰী নদীৰ পাৰত গছৰ পাতেৰে সাধনাৰ বাবে তেওঁক কামাখ্যা মন্দিৰ সাজি দিয়ে। কালক্ৰমত বিভিন্ন প্ৰাকৃতিক পৰিক্ৰমাৎ মন্দিৰটো ধ্বংসস্তূপত পৰিণত হৈ নদীৰ গৰাত পোত খায়। ডেকাদেৱে জনোৱা মতে বুঢ়াগোঁসায়ে সপোনত এই মন্দিৰৰ বিষয়ে ৰাইজক অৱগত কৰায়। ৰাইজৰ সহযোগত ১৮৫২ চনত মন্দিৰটো পুনৰ স্থাপন কৰা হয়। এই কামাখ্যা মন্দিৰেই বৰ্তমানৰ ভাঙ্গাবৰুৱা দেৱালয়।

দেৱালয়খনৰ মূল মঠৰ দ্বাৰৰ দক্ষিণাংশত দুটা হাতীৰ সৈতে দুজন মাউতৰ ভাস্কৰ্য স্থাপন কৰা আছে। তেওঁলোক দুৱৰী। মূল মঠৰ ভিতৰলৈ বেয়া বস্তু সোমাব নিদিয়ে। মঠৰ ভিতৰত শিৱ, গণেশ, কাৰ্তিক, কামাখ্যা, দুৰ্গা যোনি, বিষ্ণু, মা-কালী, পদ্মা, ডাঙৰ আই, মাজু আই, সৰু আই আদিৰ ১১টা বিগ্ৰহ শাৰীকৈ সজাই থোৱা আছে। দুই বিঘা মাটিকালিৰে দেৱালয়খনৰ সভাগৃহটোৰ দীঘ, প্ৰস্থ ক্ৰমে ৭০X২৫ ফুট। সমাজত প্ৰচলিত আখ্যান মতে এই দেৱালয়খনো মূৰাদেৱালয়ৰ ভনীয়েক। সেয়ে দেৱালয় দুখনৰ বিগ্ৰহ সমূহৰ বিশেষকৈ দুৰ্গা যোনি আৰু শিৱৰ মিল থকা দেখা যায়।

প্ৰত্যেক বছৰৰ বহাগ মাহৰ ১৮ তাৰিখে ঐতিহাসিক ঝাৰৰ দেউল এই দেৱালয়খনত অনুষ্ঠিত হয়। বলি-বিধান এই দেৱালয়খনত নাই। দেৱালয়খনলৈ সভক্তিৰে শৰাই আগবঢ়াই সুফল পোৱা অনেক প্ৰমাণ আছে। মোহনপুৰ হাউলীৰ এজন ব্যক্তিয়ে গাঁৱৰে ল'ৰা এজনক

তেওঁৰ ঘৰলৈ নাৰিকল পাৰিবলৈ মাতে। দুৰ্ভাগ্যক্ৰমে নাৰিকল গছৰ পৰা পৰি ল'ৰাজন মৃত্যু হোৱাত; ল'ৰাজনৰ ঘৰৰ মানুহে ব্যক্তিজনৰ বিৰুদ্ধে থানাত গোচৰ তৰিলে। থানাত গোচৰ ৰুজু হোৱাৰে পৰা দুখীয়া ব্যক্তিজনৰ বিলায়-বিপত্তিয়ে সংগ নেৰা হ'ল। পিছলৈ তেওঁ চুবুৰীৰ কাৰোবাৰ কথা মতে এই দেৱালয়খনলৈ সেৱা আগবঢ়োৱাৰ পিছৰে পৰা ক্ৰমে দোষবোৰৰ পৰা মুক্তি পোৱা বুলি গাঁওখনৰ ৰাইজক জনায়। গাঁওখনৰ বিয়া দিয়া ছোৱালী এজনীয়ে বহু বছৰ ধৰি সন্তানৰ মুখ নেদেখি এই দেৱালয়খনলৈ শৰাই আগবঢ়াই সুফল পোৱা বুলি ডেকাদেৰে জনায়। দেৱালয়খনৰ উত্তৰে বৰুৱাহাউলী গাঁও। দেৱালয়খনৰ উত্তৰে গাতে লাগি আছে সাত বিঘা মাটিৰ ৰাজহুৱা খেলপথাৰ। শেহতীয়াকৈ আন্তঃগাঁথনি উন্নয়নৰ বাবে দেৱালয়খনলৈ অসম দৰ্শন আঁচনিয়ে ১০ লাখ টকাৰ অনুদান আগবঢ়ায়।

৯। **অত্ৰিমুনিৰ আশ্ৰম** ঃ ওদালগুৰি জিলাৰ উত্তৰ-পশ্চিমাংশত পানেৰীৰ পৰা ১৫ কিলোমিটাৰ পশ্চিমে আঠেৰীঘাট চাহ বাগিছাৰ গো-শালাত অৱস্থিত সপ্তৰ্ষি অত্ৰি ঋষিৰ যজ্ঞকুণ্ড আৰু যোগস্থলী তথা ঐতিহাসিক অত্ৰিমুনিৰ আশ্ৰম। কাষতেই অত্ৰিমুনিয়ে গা-ধোৱা অত্ৰিঘাট। জনবিশ্বাস মতে চলা-ফুৰাত অসুবিধাত পেলোৱা খৰস্ৰোতা শুক্লাই নদীখন অত্ৰিমুনিৰ শাপতেই শুকাই যায়। প্ৰায় ১০১ বিঘা মাটিকালিৰ গো-শালাখনত ৰাম-লক্ষ্মণ, সীতা, দুৰ্গাদেৱী, হনুমান, শিৱ মন্দিৰ নিৰ্মাণ কৰা হৈছে। তদুপৰি আশ্ৰমখনত প্ৰায় ১৫ ফুট গভীৰতাৰ এটি প্ৰাচীন বৰ্গক্ষেত্ৰাকাৰ যজ্ঞকুণ্ড আছে। অত্ৰিমুনিকে ধৰি আন আন ঋষিসকলে ইয়াত যজ্ঞ সম্পাদন কৰিছিল।

১০। **ধলপুৰ আশ্ৰম/ধলপুৰ ধাম** ঃ ছিপাঝাৰ সমষ্টিৰ অন্তৰ্গত দৰঙৰ আন এখন ঐতিহ্যমণ্ডিত স্থান হৈছে ধলপুৰ আশ্ৰম বা ধলপুৰ শিৱধাম। জনবিশ্বাস মতে-- কৈলাশৰ পৰা সোণৰ লৰুত ভাৰ আনি ভীমসেনে লোহিত্যৰ মাজত ধলপুৰাতে আশ্ৰম পাতে। পিছলৈ এই আশ্ৰমখনেই ক্ৰমে 'ধৱলপুৰ', 'ধৰমপুৰ'ৰ পৰা 'ধলপুৰ' হয়। তদুপৰি পাহাৰত অৱস্থিত এই আশ্ৰমখনত থকা যজ্ঞকুণ্ড আৰু বিভিন্ন ভাস্কৰ্য সমূহৰ পৰা পতিয়ন যাব পাৰি যে ষষ্ঠ শতিকাৰ পূৰ্বৰ সময়ছোৱাত বৰ্মন বংশৰ ৰজাই আশ্ৰমখন প্ৰতিষ্ঠা কৰে। দেও গুহা, নেপালী গুহা, যোগী গুহাকে ধৰি প্ৰায় ২০টা গুহা ধলপুৰৰ পাহাৰত পোৱা যায়। আশ্ৰমখনৰ শীৰ্ষভাগত শিৱৰ থান। ঠিক পশ্চিমে সিদ্ধিদাতা গণেশৰ উপাসনা থলি। তদুপৰি পাহাৰৰ গাতে লাগি থকা বিভিন্ন চিত্ৰ খোদিত শিলাখণ্ড সমূহে অতীতৰ সুনিপুণ কাৰুকাৰ্য খটোৱা বিদ্যাৰ সাক্ষ্য বহন কৰে। প্ৰকৃতিৰ বিনন্দীয়া পৰিবেশে বিৰাজ কৰা এই পবিত্ৰ শিৱধামখনে বৰ্তমান ৰাইজৰ অতি আদৰৰ। চৰকাৰ তথা সংশ্লিষ্ট কৰ্তৃপক্ষই ব্যৱস্থা গ্ৰহণ কৰিলে এই শিৱধামখনি পৰ্যটন থলি ৰূপে প্ৰসাৰতা লাভ কৰাটো নিশ্চিত।

১১। **মাজগাঁও গাছবিয়া শিৱ মন্দিৰ** ঃ হৰিশিঙা ৰাজহ চক্ৰৰ অন্তৰ্গত মাজগাঁৱত এই শিৱ মন্দিৰ অৱস্থিত। মন্দিৰটোৰ প্ৰতিষ্ঠা কাল ১৪০১ খ্ৰীষ্টাব্দ। মন্দিৰটোৰ উৎপত্তি সম্পৰ্কে তথ্য পোৱা নাযায়। প্ৰচলিত জনবিশ্বাস অনুসৰি শিৱ-পাৰ্বতীৰ বিয়া এই ঠাইতেই সম্পন্ন হৈছিল। সেই বিশ্বাসৰ আধাৰত ঝাৰগাঁও, ছাটিয়াপাৰা, পলাহগড় গাঁৱৰ ৰাইজে মিলি প্ৰতি বছৰে বহাগ মাহৰ ৮ তাৰিখে দেউল পাতি বাঁহ গছৰ ৰূপত শিৱ-পাৰ্বতীৰ বিয়া পাতে। পৰম্পৰা অনুসৰি এই বিয়া গৰু বিহুৰ দিনাৰ পৰাই আৰম্ভ হয়। পদোপুখুৰীৰ পানীত থকা দৰা-কইনাৰূপী বাঁহ দুডাল বিয়াৰ আগদিনা পানীৰ পৰা তুলি আনি মন্দিৰটোৰ সন্মুখৰ বৃহৎ বটগছ জোপাত বান্ধি থোৱা হয়। বিয়াৰ দিনা যথা সময়ত গছত বান্ধি থোৱা বাঁহ দুডাল নমাই আনি নোৱাই-ধুৱাই সম্পূৰ্ণ বৈবাহিক নীতি-নিয়মেৰে বিয়া সম্পন্ন কৰা হয়। বাঁহ দুডালৰ নিৰ্দিষ্ট দৈৰ্ঘ্য থাকে। এডালৰ দীঘ ২৪ হাত, আনডালৰ ৭ হাত। দীঘল বাঁহডালত চোঁৱৰ বন্ধা থাকে। সেয়া পাৰ্বতী। আনহাতে চুটি বাঁহডালত ৰুমাল আৰু গামোচা মেৰিয়াই দিয়া হয়। সেয়া শিৱ। মন্দিৰটোৰ বৰ্তমানৰ দেউৰী উমাকান্ত মদাহীয়ে জানিবলৈ দিয়া মতে এয়াই দৰঙৰ গাছবিয়াৰ দেউল। বাঁহৰ ৰূপত দৰা-কইনাক গছত বন্ধাৰ বাবে গাছবিয়া বা গছবিয়া হয়। মন্দিৰটোৰ মণিকূটত প্ৰাচীন শিৱ লিংগৰ লগতে শ্ৰীমদ্ভগৱদ্‌গীতা শাস্ত্ৰখনি প্ৰতিষ্ঠা কৰা হয়।

১২। **মাধ গোঁহাই থান** ঃ ওদালগুৰি জিলাৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাই পথৰ লালপুল চকৰ পৰা তিনি কিলোমিটাৰ পূবে পূব দলগাঁও মৌজাত অৱস্থিত মাধ গোঁহাই থান। এই থানৰ উৎপত্তি সম্পৰ্কে লিখিত তথ্য পোৱা নাযায়। শিল আৰু ইটাৰ আৰ্হিলৈ মন কৰিলে এই থানখনি আহোম যুগৰ বুলি ঠাৱৰ কৰিব পাৰি। জনবিশ্বাস মতে চুতীয়া সকলৰ আক্ৰমণৰ পৰা ৰক্ষা পাবলৈ আহোম সকলে পৃথক ক্ষুদ্ৰ ৰাজ্য দিয়া চুতীয়া সকলৰেই এজন জোঁৱাই মাধ গোঁসাইৰ নাম অনুসৰি থানখনৰ নাম মাধ গোঁহাই থান হয়। গুপ্তেশ্বৰ দেৱালয়ৰ সৈতে সাদৃশ্য থকা এই থানখনত প্ৰতি বছৰে ওচৰৰ চাৰিখন গাঁৱৰ ৰাইজে মিলি তিনিদিনীয়াকৈ শিৱৰাত্ৰি পালন কৰে।

১৩। **মহামুনি থান** ঃ ওৰাং-মাজবাট পথৰ পৰা ৮-৯ কিলোমিটাৰ নিলগত ওৰাং মৌজাত মহামুনি থান অৱস্থিত। বৌদ্ধসকলে এই ঠাইত উপাসনা কৰা মহামুনিৰ নামেৰে থানখনৰ নাম মহামুনি থান হয়। থানখনক বৌদ্ধসকলে নিৰ্মাণ কৰি যোৱা স্তুপে প্ৰমাণ কৰে যে পূৰ্বতে এই মন্দিৰ বা থানৰ পৰাই বৌদ্ধ ধৰ্মই দৰঙত প্ৰচাৰ আৰু প্ৰসাৰতা লাভ কৰে। তদুপৰি অতি প্ৰাচীন ৰামৰ পিতলৰ মূৰ্তি থকা এই থানে ভিন্ন ধৰ্মৰ মিলনৰ ক্ষেত্ৰ হিচাপে সাক্ষ্য বহন কৰে। হিন্দুসকলে এই থানক ৰামগোঁসাইৰ থান বুলিও কয়।

১৪। **পদ্মাঝাৰ থান** ঃ দৰঙৰ দিপীলা মৌজাত অৱস্থিত পদ্মাঝাৰ থানৰ উৎপত্তি সম্পৰ্কে তথ্য পোৱা নাযায়। প্ৰবাদ মতে এজন জ্যোতিষীয়ে সপোনত এই থান পাতিবলৈ আদেশ পায় আৰু থানখন পাতি সাতদিন ধৰি পদ্মা পূজা কৰা হয়। থানখনৰ মাটিকালি ১৮ বিঘা। কাষতে পদ্মা পুখুৰী। এই পুখুৰীটোৰ পানীকালি ৫ বিঘা। জনবিশ্বাস অনুসৰি পদ্মাদেৱী কোপিত হ'লে সৰ্পই দংশন কৰে। পূৰ্বতে সৰ্পই দংশন কৰা মুমূৰ্ষু ৰোগীক বৈদ্যই জৰা-ফুকা কৰি সুস্থ কৰাৰ পূৰ্বে পদ্মা পূজাৰ বাবে টোপোলা বন্ধা প্ৰথা দৰঙত বিশেষভাবে প্ৰচলিত আছিল। সৰ্পই দংশন কৰিলে কোনো কোনো অঞ্চলত আজিও

টোপোলা বন্ধা বা সঠা তোলা প্ৰথা আছে। পদ্মাঝাৰ পুখুৰী অজস্ৰ কাছৰ বাবে আকৰ্ষণৰ থলি হৈ পৰিছে। সম্প্ৰতি ৰাইজে পুখুৰীটো কাছপ্ৰকল্পৰূপে গঢ়ি তুলিছে। পদ্মাঝাৰ থানত দুৰ্গাপূজা আৰু কালীপূজা আড়ম্বৰপূৰ্ণভাৱে পালন কৰা হয়। অৱশ্যে ইয়াত বলি প্ৰথা নাই। বুদ্ধ পূৰ্ণিমাত দেউল উৎসৱৰো আয়োজন কৰা হয়।

১৫। **মঠাঝাৰ মঠ** ঃ ছিপাঝাৰ মৌজাৰ মঠাঝাৰ গাঁৱত অৱস্থিত মঠাঝাৰ মঠ। এই মঠৰো উৎপত্তি সম্পৰ্কে কোনো তথ্য পোৱা নাযায়। মঠৰ কাষতে থকা পুখুৰীটো ২০০২ চনৰ এপ্ৰিল মাহত খনন কাৰ্য চলাওঁতে বিষ্ণুমূৰ্তি আৰু মহামায়া দেৱীৰ লগতে শিৱলিংগৰ দৰে প্ৰাচীন শিলাখণ্ড গাঁৱৰ ৰাইজে উদ্ধাৰ কৰে। দক্ষিণ ভাৰতৰ প্ৰাচীন শিলাখণ্ডৰ সৈতে মিল থকা এই শিলাখণ্ডবোৰে মঠাঝাৰৰ দৰে ভিতৰুৱা অঞ্চলত প্ৰাচীন কালত সভ্য সনাতন ধৰ্মী লোকৰ বসতিৰ সাক্ষ্য বহন কৰে। শিৱ মন্দিৰ, বিষ্ণু মন্দিৰৰ উপৰি পুখুৰী পাৰত সৰুৱা, ডিমৰু, পাকৰি, আঁহত আৰু আন তিনি বিধ লতা জাতীয় উদ্ভিদ মিলি সৃষ্টি হোৱা এক পুৰণি বৃহৎ গছৰ তলতেই কামাখ্যাৰ থানো আছে।

১৬। **কাপোৰপুৰী থান** ঃ দৰং জিলাৰ ছিপাঝাৰ সমষ্টিৰ অন্তৰ্গত হিন্দুঘোপা মৌজাৰ কুৱাঁঝাৰ গাঁৱত মহিমামণ্ডিত কাপোৰপুৰী থান অৱস্থিত। আঁহত, কেন্দু, জৰী, তেতেলী, বকুল, সৰুৱা আৰু পাকৰি এই সাতডাল গছ মিলিত হৈ প্ৰকাণ্ড ৰূপ ধাৰণ কৰা বৃক্ষ জোপাৰ গুৰিতে থানখনৰ মূল বিগ্ৰহ সতীৰ যোনীৰ শিলাখণ্ড স্থাপন কৰা হৈছে। প্ৰকৃতিৰ নৈসৰ্গিক শোভাই ভক্তসকলৰ মন মোহিত কৰাত থানখনৰ দক্ষিণে বৈ গৈছে শাকতোলা নদী।

১৭। **নাৰিকলি শিৱ মন্দিৰ** ঃ ১৫নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতে দৰঙৰ বিখ্যাত শিৱ মন্দিৰ নাৰিকলি মন্দিৰ। মন্দিৰৰ শিলাখণ্ড অধ্যয়ন কৰি ইতিহাসবিদ ডঃ নগেন্দ্ৰ নাথ শৰ্মাদেৱে ই প্ৰাক্ আহোম যুগৰ উপাসনাৰ থলি বুলি অভিহিত কৰিছে। উৎপত্তি সন্দৰ্ভত তথ্যৰ সম্ভেদ নোহোৱা এই মন্দিৰটোৱে বৰ্তমান পৰ্যটন ক্ষেত্ৰৰূপে ৰাইজৰ মাজত প্ৰসিদ্ধি লাভ কৰিছে।

১৮। **অৰ্দ্ধনাৰীশ্বৰ শিৱ মন্দিৰ** ঃ মহাবীৰ চিলাৰায়ৰ পুত্ৰ ৰঘুৰায়ে ১৫৮৫ চনত নয়নাঞ্জন বিদ্যানিধিক বৰুৱা খিতাপ দি পাতিদৰং গাঁও প্ৰতিষ্ঠাৰ দিহা কৰে। এই পাতিদৰং গাঁৱতে প্ৰখ্যাত অৰ্দ্ধনাৰীশ্বৰ শিৱ মন্দিৰ অৱস্থিত। প্ৰবাদ অনুসৰি অৰ্দ্ধনাৰীশ্বৰ শিৱৰ মূৰ্তি এটা বৰ্তমানৰ অৰ্দ্ধনাৰীশ্বৰ মন্দিৰৰ স্থানত মাটি ফুটি ওপৰলৈ ওলাই আহিছিল আৰু সেই সময়ত গাঁওখনত বিভিন্ন মাৰি-মৰক, অপায়-অমংগলে দেখা দিছিল। এনে পৰিস্থিতিৰ পৰা পৰিত্ৰাণ পাবলৈ ৰাইজে অৰ্দ্ধনাৰীশ্বৰক পূজা দিওঁতে তেওঁ ৰাতি কাৰোবাক সপোনত কৈছিল যে পঞ্চতীৰ্থৰ মাটি আনি তেওঁৰ সেই ৰূপটো ঢাকি দিব লাগে। সেইমতে গঞাই পঞ্চতীৰ্থৰ মাটি আনি মূৰ্তিটো ঢাকি দিয়ে। তেতিয়াৰে পৰা মূৰ্তিটো অদৃশ্য হৈ থাকে। গাঁওবাসী ৰাইজে গভীৰভাৱে বিশ্বাস কৰে যে দেৱাদিদেৱ মহেশ্বৰ শিৱ অৰ্দ্ধনাৰীশ্বৰ ৰূপত এতিয়াও আছে। অৰ্দ্ধনাৰীশ্বৰ শিৱই ৰজা ৰঘুৰায়কো উপাসনাৰ ব্যৱস্থা কৰিবলৈ সপোনত আদেশ কৰে। সেইমতে ৰজাই জেঠ আৰু আহাৰৰ দোমাহীত জাগৰ পূজাৰ আয়োজন কৰিছিল। জাগৰ শব্দৰ অৰ্থ জাগ্ৰত কৰা বা জাগৰণ। জাগৰ পূজাত অষ্টধাতুৰে নিৰ্মিত চণ্ডিকাৰ মূৰ্তি খচিত মুদ্ৰা বা মুদ্ৰা হাতত লৈ ব্যাসৰ ওজাই মালচি ৰাগ পৰিবেশন কৰে। এসময়ত পচিশ গৰাকী পুৰোহিতে একেখন বিধিকে একেলগে আওৰাই পূজা সম্পন্ন কৰিছিল। জাগৰ পূজাৰ পৰম্পৰা তাহানিৰে পৰা আজিলৈ প্ৰচলিত হৈ আছে। আজিও ১৫-২০ গৰাকী পুৰোহিতে সেই পৰম্পৰা ৰক্ষা কৰি আহিছে। অৰ্দ্ধনাৰীশ্বৰ মন্দিৰত ভক্তিভাৱে পূজা-অৰ্চনা কৰিলে ঈপ্সিত ফল লাভ হয় বুলি ৰাইজে বিশ্বাস কৰে। মন্দিৰত বাসন্তী পূজাও ধুম-ধামেৰে আয়োজন কৰা হয়।

১৯। **খটৰা সত্ৰ** ঃ দৰঙৰ দিপীলা মৌজাৰ খটৰা গাঁৱত ঐতিহ্যমণ্ডিত খটৰা সত্ৰ অৱস্থিত। ১৫৬৮ খ্ৰীষ্টাব্দত মহাপুৰুষ মাধৱদেৱৰ শিষ্য লেচাকোণীয়া গোবিন্দ আতৈয়ে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ বাবে এই ঠাইত সত্ৰ পাতে। হাবি-অৰণ্যৰে পৰিপূৰ্ণ এই ঠাইত সেই সময়ৰ খট স্বভাৱৰ বা দুষ্ট প্ৰকৃতিৰ লোকে বাস কৰিছিল। সেই খটসকলৰ মাজত ধৰ্ম প্ৰচাৰত গোবিন্দ আতৈ নানান সমস্যাৰ সন্মুখীন হৈছিল। শেষত আতৈয়ে মাধৱদেৱৰ ৰাম যাত্ৰাৰ বাবে সজোৱা ৰাম-লক্ষ্মণ, সীতা আৰু হনুমানৰ মূৰ্তি আনি সত্ৰখনত স্থাপন কৰা দেখি খট সকলে আতৈৰ ওচৰত শৰণ ল'লে। কৌশলেৰে আতৈয়ে খট সকলৰ অসুৰ স্বভাৱ হৰণ কৰা বাবে জনবিশ্বাসত এই সত্ৰখনে খটৰা (খট হৰা) নাম পায়। উল্লেখযোগ্য যে বৰ্তমানেও এই মূৰ্তি সমূহ সত্ৰখনত শৃংখলাবদ্ধভাৱে স্থাপন কৰা আছে। ভাদ মাহৰ দোমাহীৰ পাচেতি উৎসৱ খটৰা সত্ৰৰ আটাইতকৈ বৈশিষ্ট্যপূৰ্ণ উৎসৱ। এই উৎসৱত ধৰ্মীয় আচাৰ-অনুষ্ঠানৰ উপৰি বাণিজ্য-মেলা, গ্ৰন্থ মেলা, সাংস্কৃতিক অনুষ্ঠান আদিৰ আয়োজন কৰা হয়। হিন্দু, মুছলমান, খ্ৰীষ্টান সকলো জাতি-ধৰ্মৰ মানুহৰ এই উৎসৱ সম্প্ৰতি সমন্বয়-সম্প্ৰীতি আৰু সংহতিৰ উৎসৱ ৰূপে পৰিগণিত হৈ পৰিছে। দধি মথন, বোকা ভাওনা, নিত্য প্ৰসংগ, জেঠমহীয়া নাম আদিত অনুষ্ঠান সমূহ খটৰা সত্ৰৰ পৰম্পৰাগত আচাৰ-অনুষ্ঠান।

২০। **দেৱানন্দ সত্ৰ** ঃ দৰঙৰ হাজৰিকাপাৰাৰ দেৱানন্দ সত্ৰখনি ১৬২৫ খ্ৰীষ্টাব্দত কান্যকুব্জৰ পৰা অহা ৰমানন্দ নামৰ সিদ্ধ পুৰুষ এজনে প্ৰতিষ্ঠা কৰে। ৰমানন্দৰ পিছত পাতিদৰঙৰ কমলাকান্ত শৰ্মাই গোস্বামী উপাধি লৈ এই সত্ৰ পৰিচালনা কৰে। পৰৱৰ্তী সময়ত তেওঁৰ জ্যেষ্ঠ পুত্ৰ সদানন্দই সত্ৰাধিকাৰ হয় যদিও পিছৰ কালছোৱাত সদানন্দৰ পুত্ৰ দেৱানন্দৰ নামানুসৰি সত্ৰখনৰ নাম দেৱানন্দ সত্ৰ হয়। ব্ৰহ্ম সংহতিভুক্ত এই সত্ৰখনত অনন্ত বাসুদেৱ লক্ষ্মী, জনাৰ্দন, সুদৰ্শন আদি বিগ্ৰহ আছে। প্ৰতি বছৰে কাতি মাহৰ দিনা দৰঙৰ বিখ্যাত 'মথনী' মহোৎসৱ এই সত্ৰতে অনুষ্ঠিত হয়। সত্ৰখনত ১১শ শতিকাৰ ক্লিমান শিলাখণ্ড দেখা যায়। তাহানিতে আহোম ৰজা শিৱসিংহই দেৱানন্দৰ দিনত দেৱোত্তৰ ভূমি দানৰ তামৰ ফলি আৰু ফুলেশ্বৰী ৰাণীয়ে দিয়া ফলিৰ নকলহে পোৱা যায়।

২১। **ঔতলা সত্ৰ** ঃ মঙলদৈ চহৰৰ পৰা ১০ কিলোমিটাৰ

উত্তৰ-পশ্চিমে বেঙ্গাবড়া গাঁৱত এই সত্ৰ অৱস্থিত। বৈষ্ণৱ ধৰ্মৰ (দামোদৰী সত্ৰ) প্ৰসাৰতাৰ বাবে দৰঙী ৰজা চন্দ্ৰ নাৰায়ণে শুকদেৱক দেৱোত্তৰ মাটি দি এই সত্ৰ প্ৰতিষ্ঠা কৰে। সেই অনুসৰি এই সত্ৰ প্ৰায় ১৬৪৩ চনৰ বুলি থাৰৰ কৰিব পাৰি। প্ৰতি বছৰে কাতি মাহৰ শেষ দিনটোত এই সত্ৰত পাচেতী উৎসৱ উলহ-মালহেৰে পালন কৰা হয়।

২২। **শিয়ালা বৈষ্ণৱ সত্ৰ** ঃ একাদশ শতিকাত বৰদৌলগুৰিত ‘দেউল’ পাতি বিষ্ণুপূজাক নতুন আয়তন দান কৰা ধৰ্মপ্ৰাণ ধৰ্মদেৱ বিপ্ৰ ভূঞাই পৰৱৰ্তী সময়ত দেওমৰনৈত বসতি কৰিবলৈ লয় আৰু দেওমৰনৈ থান বা সত্ৰ স্থাপন কৰে। অৱলীলাক্ৰমে শিয়ালৰ গৰ্তত ডাঙৰ হোৱা এটি শিশুৱে পিছলৈ পৰম ধাৰ্মিক আৰু শাস্ত্ৰজ্ঞ পুৰুষ ৰূপে খ্যাতিমান হৈ পৰে। শিশুটিৰ নাম আছিল সম্বৎসৰ। কিন্তু গাঁতত ডাঙৰ হোৱা বাবে পিছলৈ তেওঁ শিয়ালা গোঁসাই বা শিয়ালা বৈষ্ণৱ নামে খ্যাত হয়। শিয়ালা বৈষ্ণৱ এগৰাকী বাকসিদ্ধ বেদজ্ঞ পুৰুষ আছিল। প্ৰবাদ মতে একালৰ দিগ্বাসা নৈক অভিশাপ দি মৰানৈত পৰিণত কৰা এইগৰাকী অলৌকিক শক্তিসম্পন্ন সিদ্ধ পুৰুষৰ নামেৰে পিছলৈ ধৰ্মদেৱ ভূঞাৰ দ্বাৰা প্ৰতিষ্ঠিত সত্ৰখনি শিয়ালা বৈষ্ণৱ সত্ৰ ৰূপে পৰিচিত হয়। দেৱত্ব প্ৰাপকৰ মান্যতা দি কোনো দেৱ পুৰুষক ‘দেউ’ বুলি মতাৰ দৰে সম্বৎসৰকো সকলোৱে দেউ বুলি সম্বোধন কৰিছিল। এইগৰাকী দেউৱে বা দেৱে দিগ্বাসাক মৰানৈত পৰিণত কৰাৰ পিছত মৃত নৈখনক দেউৱে মৰা নৈ বোলা হৈছিল। সেই দেউৱে মৰা নৈ এলেকাটোৱে পৰৱৰ্তী কালত দেওমৰনৈ ৰূপে খ্যাতি লাভ কৰে। সি যি কি নহওক, এই থান বা সত্ৰখনিক লৈ বিভিন্ন লোকবিশ্বাস প্ৰচলিত হৈ আছে। বিশেষকৈ কোনোবাই মাঙ্গলিক অনুষ্ঠান আদি কৰিলে যাতে সেইদিনা বৰষুণ নহয় তাৰ বাবে আগতীয়াকৈ এই সত্ৰত নৈবেদ্য আগবঢ়োৱাটো ৰাইজৰ এক অবিচ্ছেদ্য পৰম্পৰা হৈ পৰিছে। সম্প্ৰতি বিভিন্ন উৎসৱ-পাৰ্বন উদ্‌যাপন কৰা এই সত্ৰখনিলৈ অজস্ৰ ভক্তৰ সমাগম হয়।

২৩। **শ্ৰীশ্ৰীগোবিন্দ মিশ্ৰ সত্ৰ** ঃ কলাইগাঁৱৰ পৰা ৮.৭ কিঃমিঃ উত্তৰ-পশ্চিমাংশত মঙলদৈ-ভূটীয়াচাং পথৰ দুশ মিটাৰ পশ্চিমে ৬ বিঘা মাটিকালিৰ ঐতিহাসিক শ্ৰীশ্ৰীগোবিন্দ মিশ্ৰ সত্ৰ অৱস্থিত। নিজডলাস্থিত এই সত্ৰখনৰ উত্তৰে মাকেলিকান্দা আৰু তামৰু; দক্ষিণে গণকপাৰা, নাহৰবাৰী; পূবে আমগুৰি আৰু পশ্চিমে তামৰু গাঁও। কুলশী নদীৰ পশ্চিম পাৰে থকা এই সত্ৰখনৰ উৎপত্তি সম্পৰ্কে আঁত বিচাৰি গ'লে-দীনেশ্বৰ শৰ্মাদেৱৰ ‘মঙ্গলদৈৰ বুৰঞ্জী’ৰ পৰা জনা যায় যোড়শ শতিকাৰ দৰঙী ৰজা ধৰ্মনাৰায়ণৰ ৰাজসভা অলংকৃত কৰা এগৰাকী বিদগ্ধ পণ্ডিত আছিল শ্ৰীশ্ৰীগোবিন্দ মিশ্ৰ। কোচ ৰজা নৰনাৰায়ণে কনৌজৰ পৰা তেওঁৰ পূৰ্বপুৰুষ সকলক অসমলৈ আনে। ভট্টদেৱৰ সমসাময়িক এই বৈষ্ণৱ কবিজনাই তেওঁৰ জন্মস্থান ডলাতে সত্ৰ পাতি শাস্ত্ৰ চৰ্চা কৰে। সেই সত্ৰখনেই বৰ্তমানৰ শ্ৰীশ্ৰীগোবিন্দ মিশ্ৰ সত্ৰ। ১৫২৩ খ্ৰীষ্টাব্দত জন্মগ্ৰহণ কৰা এই মহামনিষীজনে অগাধ পাণ্ডিত্যৰে ব্যাসদেৱৰ শ্ৰীমদ্ভগৱদগীতা সৰলকৈ পদ্য ছন্দত অসমীয়ালৈ অনুবাদ কৰি তাহানিতে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি গৈছে। সত্ৰখনক শ্ৰীশ্ৰীগোবিন্দ মিশ্ৰ সেৱাশ্ৰম বুলি জনা যায়। আদিৰে পৰা উৰল আকৃতিৰ বিষ্ণু বিগ্ৰহ এটি আজিও সত্ৰখনত বিদ্যমান। প্ৰতিবছৰে ৬ বহাগত সত্ৰখনত ‘ওকণি চাইতী’ দেউল পালন কৰা হয়। উল্লেখনীয় যে, পূৰ্বতে সেই স্থানত পৰীসকলে চুলি মেলি ওকণি চাই থকা বাটৰুৱা সকলে প্ৰত্যক্ষ কৰিছিল। সেয়ে দেউলটিৰ নাম ‘ওকণি চাইতী’ দেউল। জনজাতীয় মানুহৰ মুখত ওকণি খাইতী দেউল বুলিও শুনা যায়। পূৰ্বতে এই স্থানত কোনো মঠ-মন্দিৰ নাছিল। ডাঙৰ ডাঙৰ গছেৰে পূৰ্ণ জয়াল ঠাইখনলৈ মানুহ যাবলৈ ভয় কৰিছিল। বৰ্তমান ৰাইজৰ প্ৰচেষ্টাত নামঘৰ এটি প্ৰতিষ্ঠা হৈছে। আদিৰে পৰা শৰণীয়া সম্প্ৰদায়ৰ মানুহে সত্ৰখন পৰিচালনা কৰি আহিছে। উল্লেখ্য যে, এইগৰাকী বৈষ্ণৱ কবি গোবিন্দ মিশ্ৰদেৱে স্বৰ্গীয় মথুৰা শৰণীয়াক ‘ওদালৰ ডালত’ (কাইথেলি) লিখা সাঁচিপাতৰ গীতা এখন দান দিয়ে। বৰ্তমানৰ এই সাঁচিপাতৰ গীতাখন ডলা নিবাসী পঞ্চম শৰণীয়াৰ ঘৰত আছে বুলি সত্ৰখনৰ পৰিচালনা সমিতিৰ সম্পাদক দীপক শৰণীয়াই জনায়।

২৪। **গেলাবিল সত্ৰ** ঃ ওৰাঙৰ পৰা প্ৰায় পাঁচ কিলোমিটাৰ পশ্চিমে ৰৌতাৰ পৰা ৬ কিলোমিটাৰ পূবে গেলাবিল গাঁৱত ঐতিহ্যমণ্ডিত গেলাবিল সত্ৰ অৱস্থিত। প্ৰবাদ মতে যোড়শ শতিকাত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰতিষ্ঠা কৰা ৰৌতা সত্ৰ ৰৌতা নদীত জাঁহ যায়। পৰৱৰ্তী সময়ত গেলাবিল সত্ৰখনে নতুন ৰূপ লৈ প্ৰতিষ্ঠা লাভ কৰে যদিও ৰৌতা সত্ৰ প্ৰতিষ্ঠাৰ প্ৰায় আঢ়ৈশ বছৰ পাছতহে গেলাবিল সত্ৰৰ পুনৰুদ্ধাৰ হয়। বেলগুৰি সত্ৰৰ সত্ৰাধিকাৰ ভদ্ৰকৃষ্ণ দেৱগোস্বামীয়ে নতুন আয়তন দিয়া এই গেলাবিল সত্ৰখনত বৰ্তমান হয়গ্ৰীৱ মাধৱ আৰু পৰশুৰামৰ দুটা শিলামূৰ্তি আছে।

এই পুৰাতাত্ত্বিক সমল সমূহৰ অধ্যয়ন, পৰ্যলোচনা আৰু গৱেষণাৰ উপৰিও চৰকাৰ তথা সংশ্লিষ্ট কৰ্তৃপক্ষই যথোপযুক্ত উন্নয়ন আৰু সংৰক্ষণৰ ব্যৱস্থা কৰিলে পুণ্যতীৰ্থ দৰঙে পৰ্যটন ক্ষেত্ৰ ৰূপেও প্ৰসিদ্ধি লাভ কৰিবলৈ সক্ষম হ'ব। পৰিতাপৰ বিষয় যে, সংৰক্ষণ আৰু গৱেষণাৰ অভাৱত বহু সমল ইতিমধ্যে বিলুপ্তিৰ গৰ্ভলৈ পৰ্যবসিত হোৱা পৰিলক্ষিত হৈছে। নতুন পুৰুষে আমাৰ সভ্যতা-সংস্কৃতিৰ ভেটি স্বৰূপ এই পুৰাতাত্ত্বিক সম্পদ সমূহৰ সংৰক্ষণ, প্ৰণালীবদ্ধ অধ্যয়ন আৰু গৱেষণাত গুৰুত্ব প্ৰদান কৰিলে জাতিটো যে অধিক সমৃদ্ধিশালী জাতিৰূপে চিহ্নিত হ'ব সেয়া নিশ্চিত।

এই সমল সমূহৰ প্ৰণালীবদ্ধ অধ্যয়নে নিজৰ ঐতিহ্য, পৰম্পৰা, কলা-সংস্কৃতিৰ প্ৰতি আদৰ-সন্মান, সামাজিক সচেতনতা আৰু নৈতিক প্ৰমূল্য অক্ষুণ্ণ ৰাখে। সেয়ে এনে সমলবোৰ সযত্নে সংৰক্ষণ কৰাটো সভ্য সমাজৰ নৈতিক দায়িত্ব আৰু কৰ্তব্য বুলি বিবেচনা কৰো। এই নিবন্ধটিৰ জৰিয়তে নতুন প্ৰজন্মক পুৰাতাত্ত্বিক সমল সমূহৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিবলৈ প্ৰয়াস কৰা হ'ল। ❑❑




# Jonbeel Mela : A Tradition of Assam

**Kangkan Terang**

Jonbeel Mela, also known as Jonbeel Baor Mela, is an annual cultural festival held in Jagirod, Morigaon District in the state of Assam, India. This festival is unique in its nature and is one of the most significant cultural festivals of Assam. Jonbeel Mela is a three-day long event, and it is celebrated in the month of January every year. The festival is held in the Jonbeel area of Assam, which is located near Jagiroad in the Morigaon district. The word "Jonbeel" means "a place where people come together to trade."

The Jonbeel Mela is an ancient festival that has been celebrated for over 500 years. The festival is celebrated by three tribes: the Tiwas, the Karbis, and the Khasis. The Tiwas are the hosts of the festival, while the Karbis and Khasis are the guests. The festival is held to celebrate the traditional trading practices of these tribes. In the past, people used to come from different parts of the region to trade their goods. The festival has now become an occasion to showcase the rich cultural heritage of the region.

The Jonbeel Mela is a three-day long event that is marked by various cultural activities. On the first day of the festival, people from different parts of the region come together to participate in the trading activities. The Tiwas, who are the hosts of the festival, set up stalls to sell their agricultural products. The Karbis and Khasis, who are the guests, bring their handicrafts, forest products, and other goods to sell at the festival.



Apart from trading, the festival is also marked by various cultural activities. On the first day of the festival, there is a grand procession, which is led by the Tiwas. The procession starts from the Jonbeel area and moves towards the nearby villages. The procession is accompanied by traditional musical instruments, such as the dhols, nagaras, and pepa. The procession also includes various cultural displays, such as traditional dances and performances.

On the second day of the festival, there is a cultural program, which is held in the evening. The program includes various cultural displays, such as traditional dances, music, and dramas. The Tiwas, Karbis, and Khasis showcase their traditional dances and music on this day. The cultural program is a major highlight of the festival, and people from different parts of the region come to witness it.

The third and the final day of the festival is marked by a grand feast, which is known as "Jonbeel athap." The feast is organised by the Tiwas, and it is a way of thanking the guests for their participation in the festival. The feast includes traditional dishes, such as fish curry, pork, and chicken, and is served on banana leaves. The guests are served first, followed by the hosts.

The Jonbeel Mela is not only a festival of trading and cultural activities, but it is also a way of promoting unity and brotherhood among the different tribes of the region. The festival provides an opportunity for people from different parts of the region to come together and Interact with each other. The festival is also an occasion for the younger generation to leam about their cultural heritage and traditional practices.

Over the years, the Jonbeel Mela has gained popularity and has become one of the major cultural festivals of Assam. The festival has also attracted tourists from different parts of the country and abroad. The government of Assam has recognized the festival's importance and has taken various measures to promote and preserve it.

In conclusion, the Jonbeel Mela is a unique festival that showcases the rich cultural heritage of Assam. The festival is an occasion for the Tiwas, Karbis and Khasis. The government administration needs to increase the promotion and dissemination of the Jonabil Mela towards further development.❑

## অতীজৰ পৰা বৰ্তমানলৈ

# অসমৰ পুৰণি পৰম্পৰাগত খেল-ধেমালিৰ চমু আভাস

**লক্ষ্যহীৰা ডেকা**

বৰ্তমান যুগৰ দৈনন্দিন জীৱনৰ ব্যস্ততাৰ মাজৰ পৰা পোৱা অৱসৰ সময়খিনিত সৰু ল'ৰা-ছোৱালীৰ পৰা ডাঙৰলৈকে সকলোকে ম'বাইল, ইন্টাৰনেট, ছ'চিয়েল মিডিয়া আদি সমূহত যথেষ্ট লাগি থকা দেখো। ইয়াৰ ফলত আজৰি সময়ত খেল-ধেমালিৰ প্ৰতি কোনো আগ্ৰহ থকা দেখা নাযায়। তাহানিৰ সেই দিনবোৰলৈ যদি উভটি চাওঁ- শৈশৱত পাৰ কৰি অহা হেঁপাহৰ খেলবোৰেই আছিল যেন আজৰি সময়ৰ ব্যস্ততা। ল'ৰালিকালত খেলি অহা সেই খেলবোৰ যেন আছিল আমাৰ বাবে এক আৱেগ। খেলৰ জৰিয়তে দিনবোৰ আনন্দৰে কটাব পাৰিছিলো। তাহানিৰ সেই পথাৰৰ খেলবোৰ যেন আজি আমাৰ বাবে অচিনাকী। গাঁৱৰ পথাৰখনত আবেলি সময়ত সমনীয়াৰ স'তে খেলা ছবিখন আজি ধূসৰ। সেই খেলবোৰেই আছিল ইজনে-সিজনৰ লগত ভাব-বতৰা, আদান-প্ৰদান কৰাৰ সুবিধা তথা মৰমৰ সম্বন্ধ। আবেলি পথাৰলৈ দৌৰি গৈ বন্ধুৰ সতে আড্ডা মাৰি সন্ধিয়া ভাগৰে-জুগৰে উভতাৰ সময়খিনি যেন দৈনিক দিনলিপিত পৰিণত হৈছিল।



অতীজৰে পৰা অসমত বিভিন্ন খেল-ধেমালিৰ প্ৰচলন হৈ আহিছে। অসমখনত বাস কৰা বিভিন্ন জাতি-জনজাতিৰ সংস্কৃতিৰ পথাৰখন খেল-ধেমালিয়ে এক সুকীয়া ৰূপ বহন কৰে। খেলৰ ধৰণ অনুযায়ী পৰম্পৰাগত খেল-ধেমালিবোৰ অঞ্চল অনুযায়ী জনগোষ্ঠী ভেদে বিভিন্ন নামেৰে পৰিচিত। কিছুমান খেল অসমত পৰম্পৰাগতভাৱে চলি আহিছে। অসমত শিশুৰ মাজত জনপ্ৰিয় পুৰণি খেল-ধেমালিবোৰ আধুনিক যুগৰ বুকুত হেৰাই গৈছে। ঘাইকৈ ল'ৰা-ছোৱালীৰ মাজত প্ৰচলিত ঢোপ খেল, টাংগুটি, ঘিলা খেল, হৈ গুদু খেল ইত্যাদিবোৰ কালক্ৰমত হেৰাই গৈছে। কিছুমান খেল বিভিন্ন ধৰণৰ গীতৰ মাধ্যমেৰে খেলা দেখা যায়। উদাহৰণ স্বৰূপে-

*'অলৌ গুটি টলৌ গুটি/কচু গুটি লাই/যি হাতত গুটি আছে/সিখন হাতে পায়'* এই গীতবোৰ আজিও মুখে মুখে শুনা যায়। আৰু ইপিনে *এইটো কাৰ দৌল/ৰজাৰ দৌল/ভাঙিম নে নাভাঙিম/নাভাঙিবা আৰু ৰজাই হুকুম দিছে এদিম ছেদিম বাই/কি হুকুম দিছে এদিম ছেদিম বাই* আদি গীতবোৰে আজিও জনপ্ৰিয় সংগীতৰ অংশ হৈ পৰিছে। ইয়াৰোপৰি ছোৱালীসকলৰ মাজত জনপ্ৰিয় খেল-ধেমালিৰ ভিতৰত চেংগুটি, কাবাদী, দৰা-কইনা, ভাত-ধেমালি ইত্যাদি খেলবোৰ বিশেষভাৱে প্ৰচলিত আছিল।

অসমত আহোম স্বৰ্গদেউসকলৰ ৰাজত্বকালৰ পৰাই কিছুমান খেল-ধেমালি বিশেষভাৱে প্ৰচলিত হৈ আহিছে। আহোম স্বৰ্গদেউসকলে জনগণৰ মাজত একতা সৃষ্টি কৰাৰ উদ্দেশ্যে আৰু প্ৰতিযোগিতাৰ মনোভাৱ বজাই ৰাখি শাৰীৰিক উৎকৰ্ষ সাধনৰ বাবে বিভিন্ন ধৰণৰ খেল-ধেমালিৰ সৃষ্টি কৰিছিল।

অসমত আহোম স্বৰ্গদেউসকলৰ ৰাজত্বকালৰ পৰাই কিছুমান খেল-ধেমালি বিশেষভাৱে প্ৰচলিত হৈ আহিছে। আহোম স্বৰ্গদেউসকলে জনগণৰ মাজত একতা সৃষ্টি কৰাৰ উদ্দেশ্যে আৰু প্ৰতিযোগিতাৰ মনোভাৱ বজাই ৰাখি শাৰীৰিক উৎকৰ্ষ সাধনৰ বাবে বিভিন্ন ধৰণৰ খেল-ধেমালিৰ সৃষ্টি কৰিছিল।

অসমৰ জাতীয় উৎসৱ বিহুক কেন্দ্ৰ কৰি ম'হ যুঁজ, কণী যুঁজ, বুলবুলি চৰাইৰ যুঁজ, শেন যুঁজ, হাতী যুঁজ, গছত উঠা খেলবোৰ প্ৰচলন হৈছে। এই খেলসমূহ ৰঙালী আৰু ভোগালী বিহুৰ সময়ত ৰংঘৰৰ বাকৰিত অনুষ্ঠিত কৰি আহোম স্বৰ্গদেউসকলে নিজেও অংশ লৈছিল। খেল-ধেমালিবোৰ অকল মনোৰঞ্জনৰ বাবেই নাছিল। কিছুমান মহত্বপূৰ্ণ ইংগিত সাধন কৰিছিল উদাহৰণ হিচাপে— আহোম স্বৰ্গদেউৰ দিনত কড়ি খেলৰ ব্যাপক প্ৰচলন আছিল। কড়ি এবিধ খেলৰ আহিলা। ঠিক সেইদৰে বস্তু বিনিময়ৰ মুল্য হিচাপেও ব্যৱহাৰ হৈছিল। উজনি অসমৰ লখিমপুৰ জিলাৰ চাৰিকড়ীয়া নামেৰে এখন নৈ আছে। আগতে সেই নৈ পাৰ কৰাৰ বাবদ চাৰিটা কড়ি যাত্ৰীয়ে ভৰিব লগা হৈছিল। সেয়ে নৈখনৰ নাম হ'ল গৈ চাৰিকড়ীয়া। এনেদৰে পৰম্পৰাগত খেলসমূহে বিভিন্ন অৰ্থ বহন কৰিছিল। সেই সময়ত প্ৰচলিত খেল-ধেমালিবোৰৰ বাবে স্বৰ্গদেউসকলে বিষয়া পদবীৰ সৃষ্টি কৰিছিল। শেন চৰাইৰ যুঁজ খেলবিধৰ কথা ক'ব পাৰি। শেন চৰাইক প্ৰশিক্ষণ দিয়াবলৈ আহোম স্বৰ্গদেৱে সেই সময়ত শেনচোৱা বৰুৱা আদি নামৰ বিষয়াক নিয়োগ কৰিছিল। এনেদৰে পৰম্পৰাগত খেল-ধেমালিবোৰে বহুতো ক্ষেত্ৰত প্ৰতিফলিত কৰিছিল। সংস্কৃতিৰ ক্ষেত্ৰত সমাজখনক এক সুদৃঢ় ৰূপত দাঙি ধৰিছিল।

এই খেল-ধেমালিসমূহে এটা জাতিৰ সাংস্কৃতিক সমলসমূহ ধৰি ৰখাত যথেষ্ট ভূমিকা গ্ৰহণ কৰে। কালক্ৰমত এই খেল-ধেমালিসমূহ হেৰাই যাব নিদি উঠি অহা প্ৰজন্মক এই খেল-ধেমালিবোৰৰ সৈতে চিনাকী কৰাই দিয়াটো প্ৰয়োজন। এই খেল-ধেমালিবোৰ পৰম্পৰাগতভাৱে চলাই নিয়াতো জাতিক ভালপোৱা প্ৰত্যেকৰে দায়িত্ব হোৱা উচিত। অসমৰ চাৰিওফালে বিভিন্ন জনগোষ্ঠীৰ মাজত অসংখ্য খেল-ধেমালি আছে। প্ৰতিটো জনগোষ্ঠীয়ে জনপ্ৰিয়তাৰে খেল-ধেমালিসমূহ নিজ-নিজ চেষ্টাৰে পুনৰুজ্জীৱিত কৰি তোলাৰ প্ৰয়োজন। এই খেল-ধেমালিবোৰে সমাজৰ ঐক্যৰ বাট মুকলি কৰাৰ লগতে অসমীয়া জাতিৰ ভেটিৰ এনাজৰীডাল অধিক সুদৃঢ় কৰিব বুলি আশাবাদী।❑





# ভাৰতত Aainball খেল
## ক্ৰীড়াক্ষেত্ৰত ইয়াৰ গুৰুত্ব আৰু প্ৰভাৱ

**বিজয় ডেকা**

উত্তৰ আফ্ৰিকাৰ মৰক্কোৰ কাচাবালাংকো (Casabalanca) নামৰ স্থানত বিশিষ্ট ক্ৰীড়া প্ৰেমী, ক্ৰীড়া বিজ্ঞানী, চিন্তাবিদ ড° মহম্মদ হামান (Dr. Mohamod Haman) ৰ দ্বাৰা সৃষ্ট খেল আইনবল (Aainball) ইং ২০০৬ চনত সৃষ্টি হয়। পৃথিৱীত সৃষ্টি হোৱা অত্যন্ত দ্ৰুতগামী খেল হিচাপে জনা যায়। ইতিমধ্যে Aainball খেলবিধে আন্তঃৰাষ্ট্ৰীয় অলিম্পিক সস্থাৰ অন্তৰ্ভুক্তি লাভ কৰিবলৈও বহুদূৰ অগ্ৰগতি লাভ কৰিছে। খেলবিধৰ বিষয়ে সবিশেষ জানিবলৈ গুগল অথবা Youtube ত Aainball হিচাপে বিচাৰিলে বিতংভাৱে জানিব পৰা যায়।

আইনবল খেল জনপ্ৰিয় ৫ (পাঁচ) বিধ খেলৰ মিশ্ৰণেৰে সৃষ্টি। এই পাঁচ বিধ খেল হৈছে- ফুটবল, ভলীবল, বাস্কেকেটবল, হেণ্ডবল আৰু এথলেটিক্‌ছ। খেলবিধত চাৰিটা ৰং— ৰঙা, নীলা, হালধীয়া আৰু সেউজীয়া ব্যৱহাৰ কৰা হয়। খেলপথাৰখনৰ দীঘ ৪০ মিঃ আৰু প্ৰস্থ ২০ মিঃ হ'ব লাগে। তাৰোপৰি ৮ (আঠ) টা বল, ৮টা বাস্কেট (অথবা ৪টা) আৰু ৪খন পতাকা (প্ৰত্যেকটোতেই নিৰ্দিষ্ট ৰং চাৰিটা ব্যৱহাৰ কৰা হয়)। খেল পৰিচালনাৰ বাবে এজন ৰেফাৰী আৰু দুজন স্ক'ৰাৰৰ প্ৰয়োজন। এই খেলখনত এখন পতাকা মুঠ ৮ বাৰ উঠোৱা হয় (১ম হাফ টাইমত ৪ বাৰ)। অৰ্থাৎ প্ৰতিখন পতাকা ৪ বাৰকৈ দুটা হাফট মুঠ ৩২ বাৰ উঠিব। এইবিধ খেলত হাত, ভৰি, মূৰ ব্যৱহাৰ কৰা হয়। আইনবল খেলবিধ খেলিবলৈ শাৰীৰিক আৰু মানসিকভাৱে সবল হ'ব লাগে আৰু এই খেলবিধৰ জৰিয়তে খেলুৱৈজনক শাৰীৰিক আৰু মানসিকভাৱে আগতকৈ আৰু শক্তিশালী হোৱাত সহায় কৰে বুলি জানিব পৰা যায়।

২০১৯ চনৰ মাৰ্চ মাহত আফ্ৰিকাৰ মৰক্কোত অনুষ্ঠিত হৈছিল প্ৰথমখন আইনবল বিশ্বকাপ। অন্যান্য ৰাষ্ট্ৰৰ লগতে ভাৰতেও এই খেলত অংশ লৈছিল। ভাৰতীয় আইনবল সন্থাৰ সভাপতি প্ৰতাপ সিং আৰু সচিব প্ৰধান চৈয়দ ওৱাচিম। প্ৰথম খন বিশ্বকাপত ভাৰতৰ হৈ অসমৰ পৰা খেলুৱৈ হিচাপে প্ৰতিনিধিত্ব কৰিছিল ক্ৰমে দৰং জিলাৰ ডাঁহী মৌজাৰ দীপাংকৰ কলিতা, দিপীলা (দৰং)ৰ অংকুৰজ্যোতি কলিতা আৰু কামৰূপৰ নৰজ্যোতি বৈশ্য। মৰক্কোত অনুষ্ঠিত হোৱা সেই আন্তঃৰাষ্ট্ৰীয় বিশ্বকাপ আইনবল খেলত ভাৰতে জৰ্ডানৰ লগত চূড়ান্ত খেলত ৰাণাৰ্ছ আপ হৈ ৰূপৰ ট্ৰফী আৰু মেডেলেৰে সন্মানিত হয়।

২০১৯ চনৰ ৩০ জুনত অসম আইনবল সন্থাৰ জন্ম হয়। এই সন্থাৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰে উত্তৰ-পূৰ্বাঞ্চল ইউনেস্কোৰ সচিব প্ৰধান ড° অশ্বিনী শৰ্মা আৰু সম্পাদকৰ দায়িত্বত আন্তঃৰাষ্ট্ৰীয় আইনবল খেলুৱৈ শ্ৰীযুত দীপাংকৰ কলিতা আৰু বিশিষ্ট ক্ৰীড়া সংগঠক, ক্ৰীড়াপ্ৰেমী শ্ৰীযুত প্ৰতাপ বৰদলৈ, প্ৰতিষ্ঠাপক সম্পাদক আৰু লেখক, সংবাদকৰ্মী, কথাশিল্পী, শ্ৰীযুত চন্দ্ৰপ্ৰসাদ শইকীয়া, উপসভাপতি হিচাপে খেলবিধ আগুৱাই নিয়াৰ উদ্দেশ্যে চেষ্টা অব্যাহত ৰাখিছে।

উত্তৰাখণ্ডৰ হৰিদ্বাৰত ২০১৮ চনত অনুষ্ঠিত হৈছিল প্ৰথমখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আইনবল খেল। তাৰ পিছতেই ২০১৯ চনত চণ্ডীগড়ত অনুষ্ঠিত হোৱা দ্বিতীয়খন আইনবল খেলত অসমে ছেমি ফাইনেলত পৰাস্ত হ'বলগীয়া হৈছিল। ২০২০ চনত ক'ভিডৰ বাবে খেল স্থগিত ৰাখিব লগা হোৱাত ২০২১ চনৰ ১৭ৰ পৰা ২০ ডিচেম্বৰত গুজৰাটত অনুষ্ঠিত হয় তৃতীয় ৰাষ্ট্ৰীয় পৰ্যায়ৰ আইনবল খেল। এই খেলত অন্যান্য ৰাজ্যৰ লগতে অসমেও অংশ লৈ অন্তিমখন খেল মধ্যপ্ৰদেশক হৰুৱাই অসমলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়।

১৭ জনীয়া অসম দলটিত আছিল ক্ৰমে প্ৰধান প্ৰশিক্ষক, দল পৰিচালক দীপাংকৰ কলিতা, আজিম খান, দীপাংকৰ বৰুৱা, মানস সিনহা আৰু ৰিংখাং বসুমতাৰী। খেলুৱৈৰ অন্যতম— প্ৰজ্ঞান শৰ্মা, কমলেশ্বৰ বসুমতাৰী, প্ৰদীপ সৰকাৰ, নাৰায়ণ বসুমতাৰী, অমিত গয়াৰী, চুজিত বসুমতাৰী, প্ৰিয়ম বৰ্মন, ইজাজুল হক আৰু বিজয় ডেকা।

২০২২ চনৰ ৪ৰ পৰা ৯ মাৰ্চত কাশ্মীৰ (Kashmir) ৰ গুলমাৰ্গত অনুষ্ঠিত হয় আন্তঃৰাষ্ট্ৰীয় আইনবল খেল। এই সময়তেই বিভিন্ন ৰাজ্যৰ খেলুৱৈৰ লগতে অসমৰ পৰা তিনিজন খেলুৱৈ ক্ৰমে- বিজয় ডেকা (দৰঙৰ ডাঁহী মৌজাৰ), কামৰূপৰ প্ৰজ্ঞান শৰ্মা আৰু ধেমাজিৰ কমলেশ্বৰ বসুমতাৰী। উক্ত খেলখনত ভাৰতীয় দল জৰ্ডানৰ লগত ৰাণাৰ্ছ আপ হয়।

মই খেলৰ প্ৰতি খুব আগ্ৰহী, আনহাতে দৌৰ খেল আৰু Army, CRPF এনে চাকৰিৰ প্ৰতি প্ৰৱল হেঁপাহ। সেই সূত্ৰে মই প্ৰস্তুতি আৰম্ভ কৰিছিলোঁ। প্ৰতিদিনে মই দৌৰৰ অনুশীলন কৰিছিলোঁ। এই অনুশীলনৰ সময় অনুসৰি ডাঁহী আঞ্চলিক ক্ৰীড়া সন্থাৰ খেলপথাৰত অনুশীলন কৰিছিলো আৰু তেতিয়াই Aainball অনুশীলন কৰি থকা দেখিছিলোঁ, কিন্তু কি খেল আগতে দেখা বা জনা নাছিলোঁ। ২০১৯ চনত অনুশীলনৰ সময় একে হোৱাৰ বাবে প্ৰায়ে খেলবিধ দেখি দেখি মোৰো খেলিবলৈ স্পৃহা জাগিছিল আৰু এদিন মই কি খেল সেই সম্পৰ্কে তেওঁলোকক সুধিছিলোঁ।

তেতিয়াই মই লগ পাইছিলো দীপাংকৰ কলিতা ছাৰক Coach হিচাপে। জানিব পাইছিলো তেখেত এজন International player। তেখেতে Aainball ৰ বিষয়ে সকলোখিনি বুজাই গৈছিল আৰু উৎসাহিত কৰিছিল। এই সকলোবোৰ কথা ঘৰত কৈছিলো আৰু কৈছিলো খেলবিধ শিকিব মন। ঘৰৰ পৰা যথেষ্ট সহায় কৰিছিল আৰু উৎসাহ জগাইছিল। লগতে বহুতো বাধাৰো সন্মুখীন হৈছিলোঁ আৰু ওচৰ-চুবুৰীয়া লগতে বিশিষ্ট কেইজনমান ব্যক্তিৰ অৱদান অতুলনীয়। বৰ্তমানেও মই ছাৰৰ পৰা খেলবিধৰ বিষয়ে শিকি আছোঁ।

যেতিয়া মই আইনবলৰ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ হিচাপে খেলিব সুবিধা লাভ কৰিলোঁ তেতিয়া মই মঙলদৈ মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ (1st year 1st Semester) আৰু NCC ৰ প্ৰথম বৰ্ষৰ ছাত্ৰ হিচাপে শিক্ষা গ্ৰহণ কৰি আছিলোঁ। খেল বিভাগৰ লগত জড়িত থকাত পঢ়াত অসুবিধা হৈছিল সেই কথা জানি কেইগৰাকীমান ছাৰ-বাইদেউৱে মোক যথেষ্ট সহায় কৰিছে। ই মোৰ পৰম সৌভাগ্য।

অসমৰ লগতে ভাৰতীয় দলৰ খেলুৱৈ হিচাপে প্ৰতিনিধিত্ব কৰি বিজয়ী হৈ অসমলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হোৱাৰ বাবে মই খুবেই আনন্দিত। ভৱিষ্যতেও খেলটিৰ লগত জড়িত থাকি খেলৰ জৰিয়তে আগুৱাই যোৱাৰ সপোন পুহি ৰাখিছোঁ। ইয়াৰ বাবে ক্ৰীড়াপ্ৰেমী ৰাইজৰ একান্ত শুভকামনা আৰু আশীৰ্বাদ বিচাৰিছোঁ।❑

# ক্ৰীড়াৰ দিশত এখোজ
# টকিঅ'অলিম্পিক ২০২০
# আৰু বিশ্বজয়ী সপোনৰ দিশত
# ভাৰতবৰ্ষ

চন্দন জ্যোতি কাশ্যপ

"দা গ্ৰেটেষ্ট শ্ব" অন অৰ্থ। হিচাপে পৰিগণিত বিশ্ব ক্ৰীড়া ক্ষেত্ৰৰ সৰ্ববৃহৎ প্ৰতিযোগিতা অলিম্পিকত অংশগ্ৰহণ কৰিবলৈ সুযোগ লাভ কৰাটো প্ৰতিগৰাকী খেলুৱৈৰ বাবে এক বৃহৎ প্ৰাপ্তি হোৱাৰ লগতে অলিম্পিকত পদক অৰ্জন কৰাটো এক সপোন।

বিশ্বৰ ক্ৰীড়া ক্ষেত্ৰৰ শক্তিশালী দেশসমূহৰ সৈতে প্ৰতিদ্বন্দ্বিতা আগবঢ়াই শ্ৰেষ্ঠত্ব অৰ্জন কৰি নিজৰ দেশ তথা স্ব-নাম ইতিহাসৰ পাতত সোণালী আখৰেৰে লিপিবদ্ধ কৰিবলৈ প্ৰতিগৰাকী খেলুৱৈয়ে অলিম্পিকত নিজৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন আগবঢ়ায়। ভাৰতবৰ্ষৰ পৰা ইতিমধ্যে বহুসংখ্যক ক্ৰীড়াবিদে অলিম্পিকত সফলতা লাভ কৰি দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে।

ভাৰতে পোনপ্ৰথমবাৰৰ বাবে ১৯০০ চনত অলিম্পিক ক্ৰীড়া সমাৰোহত অংশগ্ৰহণ কৰিছিল। অকলশৰীয়াকৈ এথলীট নৰ্মান পিচাৰ্ডে এথলেটিকছত জয় কৰা দুটা ৰূপৰ পদকৰ সৈতে ভাৰত অলিম্পিকত পদক জয় কৰা প্ৰথম এছিয়ান ৰাষ্ট্ৰ হিচাপে পৰিগণিত হৈছিল। কিন্তু সেয়া আছিল আমাৰ দেশ স্বাধীন হোৱাৰ আগৰে কথা। দেশ স্বাধীনোত্তৰ কাল অৰ্থাৎ দেশ স্বাধীন হোৱাৰ পিছত ১৯৪৮ চনৰ পৰা ভাৰতীয় অলিম্পিক সংঘৰ বিস্তৃতি তথা প্ৰসাৰৰ বাবে ভাৰতে প্ৰতিখন গ্ৰীষ্মকালীন অলিম্পিকলৈ প্ৰতিবিধ খেলৰ বাবে ইয়াৰ ক্ৰীড়া ফেডাৰেচনসমূহৰ দ্বাৰা বাছনি কৰা সৰ্বমুঠ ৫০ জনতকৈ অধিক খেলুৱৈৰ প্ৰতিনিধি দল প্ৰেৰণ কৰা আৰম্ভ কৰে। ১৯৪৮ চনৰ অলিম্পিকত ভাৰতীয় ফিল্ড হকী দলে গ্ৰেট ব্ৰিটেইনক ফাইনেলত পৰাস্ত কৰি সোণৰ পদক অৰ্জন কৰিছিল। স্বাধীন ৰাষ্ট্ৰ হিচাপে এইটো ভাৰতৰ বাবে প্ৰথম সোণৰ পদক আছিল। এনেদৰেই ভাৰতে অলিম্পিকত সুন্দৰভাৱে অংকুৰণ কৰি বৰ্তমানৰ পূৰ্ণতা অৱস্থা পাইছেহি।

মূলতঃ ২৪ জুলাইৰ পৰা ৯ আগষ্ট, ২০২০ লৈ অনুষ্ঠিত হ'বলগীয়া টকিঅ' অলিম্পিকৰ খেলসমূহ Covid-19 মহামাৰীৰ কাৰণে ২৩ জুলাইৰ পৰা ৮ আগষ্ট ২০২১ লৈ পিছুৱাই দিয়া হয়।

সৰ্বমুঠ ১২৪ জন খেলুৱৈৰে ভাৰতে টকিঅ' অলিম্পিকত প্ৰতিনিধিত্ব কৰি ১২১ বছৰীয়া ভাৰতীয় অলিম্পিক গেমছৰ ইতিহাসত সৰ্বাধিক সংখ্যক ৭টা পদক জয় কৰিবলৈ সক্ষম হয়। ভিন্ন কাৰণত এই টকিঅ' অলিম্পিক খেল ভাৰতীয় সকলৰ বাবে চিৰস্মৰণীয় হৈ ৰ'ব।

১৯৮০ চনৰ পৰা সুদীৰ্ঘ ৪১ বছৰৰ অন্তত ভাৰতৰ পুৰুষ হকী দলটোৱে জাৰ্মান দলটোক পৰাস্ত কৰি ব্ৰঞ্জৰ পদক দখললৈ আনিবলৈ সক্ষম হয়। ভাৰতীয় পুৰুষ হকীৰ যি গৌৰৱময় ইতিহাস ই নিশ্চয়ে ভাৰতীয়সকলৰ লগতে সমগ্ৰ বিশ্বৰ ক্ৰীড়াপ্ৰেমীসকলৰ বাবেও প্ৰেৰণা ভৰা চানেকী আৰু আদৰ্শস্বৰূপ।

**নীৰজ চোপ্ৰা** ঃ 'অভিনৱ বিন্দ্ৰাৰ'ৰ পিছত ১৩ বছৰৰ মূৰত টকিঅ' আলিম্পিক গেমছত পুৰুষ জেভেলিন থ্ৰ'ত নীৰজ চোপ্ৰাই

৮৭.৫৮ মিটাৰ দূৰত্ব অতিক্ৰম কৰি ব্যক্তিগতভাৱে সোণৰ পদক অৰ্জন কৰি ভাৰতবৰ্ষৰ নাম সমগ্ৰ বিশ্বত উজলাই তোলে আৰু স্বৰ্ণ পদক অৰ্জন কৰা দ্বিতীয়জন ভাৰতীয় খেলুৱৈ হিচাপে পৰিগণিত হয়।

ভাৰতীয় স্থল সেনা বাহিনীৰ জোৱান নীৰজ চোপ্ৰাক তেখেতৰ অলিম্পিক জয়ৰ পিছত তেখেতক Naik Subedar পদৰ পৰা Subedar পদলৈ পদোন্নতি দিয়ে।

**মীৰাবাই চানু** ঃ ভাৰোত্তোলনৰ ৪৯ কেজি শাখাত প্ৰথমটো ৰূপৰ পদকেৰে ভাৰতীয় মহিলা খেলুৱৈ 'মীৰাবাই চানুৱে' টকিঅ' অলিম্পিক গেমছ ২০২০ ত ভাৰতৰ অলিম্পিক পদকৰ জয়যাত্ৰাৰ আৰম্ভণি ঘটায়।

ৰূপৰ পদক পোৱাৰ পিছত সাংবাদিকে যেতিয়া তেওঁক ক'লে— "আপুনি পদক লাভৰ জয়যাত্ৰা কোনেদৰে উদ্‌যাপন কৰিব বিচাৰে" তেতিয়া মীৰাবায়ে ক'লে যে "মই পিজ্জা খাই এই আনন্দ উপভোগ কৰিব বিচাৰো।" তেওঁৰ কথা যেতিয়া আমেৰিকাৰ "Domino's pizza" কোম্পানীয়ে শুনিলে তেওঁলোকৰ ভাৰতীয় শাখা Domino's India ই লগে লগে ঘোষণা কৰিলে যে "Domino's India" ই মীৰাবাই চানুক আজীৱন বিনামূলীয়াকৈ পিজ্জা উপহাৰ হিচাপে প্ৰদান কৰিব। Domino's India ই মীৰাবাইৰ লগতে তেওঁৰ মণিপুৰৰ ঘৰৰ সকলোটিলৈকে Pizza উপহাৰ স্বৰূপে পঠিয়ালে।

২০২০ টকিঅ' অলিম্পিকত গেমছত মহিলাৰ একক বেডমিন্টনত ব্ৰঞ্জৰ পদক অৰ্জন কৰি "পি.ভি. সিন্ধু" একেৰাহে দুটা অলিম্পিক পদক অৰ্জন কৰা প্ৰথম ভাৰতীয় মহিলা খেলুৱৈ হিচাপে পৰিগণিত হ'ল। তেওঁ ইতিমধ্যেই ২০১৬ চনৰ ৰিঅ' অলিম্পিকত ৰূপৰ পদক অৰ্জন কৰিছিল।

২০২০ টকিঅ' অলিম্পিক অসমবাসীৰ বাবে সদায় স্মৰণীয় হৈ ৰ'ব। কিয়নো অসমৰ গোলাঘাট জিলাৰ বৰপথাৰৰ জীয়ৰী 'লাভলীনা বৰগোহাঁই' অলিম্পিকত পদক জয়ী কৰা প্ৰথম গৰাকী অসমীয়া খেলুৱৈ হিচাপে পৰিগণিত হয়। তেওঁ মহিলাৰ ৱেল্টাৰ ৱেট (৭৫ কেজি) বক্সিং ইভেন্টত ব্ৰঞ্জৰ পদক জিকি অসমলৈ গৌৰৱ কঢ়িয়াই আনে। তেখেতৰ সফলতাৰ কাৰণে বৰ্তমানৰ বিজেপি নেতৃত্বাধীন চৰকাৰখনে তেখেতক Deputy Super-intendent of police (DSP) পদত নিযুক্তি প্ৰদান কৰে। তদুপৰি পুৰুষৰ ফ্ৰীষ্টাইল ৫৭ কিলোগ্ৰাম মল্ল যুঁজত 'ৰবি কুমাৰ দাহিয়া' ই ৰূপৰ পদক আৰু পুৰুষৰ ফ্ৰীষ্টাইল ৬৫ কিলোগ্ৰাম মল্লযুঁজত 'বজৰং পুনিয়া' ই ব্ৰঞ্জৰ পদক অৰ্জন কৰে।

১৩০ কোটিৰো অধিক জনসংখ্যাৰে পৃথিৱীৰ দ্বিতীয় স্থানত অৱস্থান কৰা ভাৰতৰ দৰে এখন বিশাল দেশৰ কাৰণে ৭টা পদক কোনোফালৰ পৰাই সন্তুষ্টিৰ বিষয় নহয়। ভাৰতৰ চুবুৰীয়া চীন দেশে এইবাৰ ৩৮ টা সোণ, ৩২ টা ৰূপ আৰু ১৮ টা ব্ৰঞ্জৰ পদকেৰে মুঠ ৮৮ টা পদক জিকি দ্বিতীয় স্থান লাভ কৰে।

প্ৰথম স্থান অধিকাৰ কৰিলে ১১৩ টা পদকেৰে আমেৰিকাই আৰু তৃতীয় স্থান অধিকাৰ কৰিলে মুঠ ৫৮ টা পদকেৰে আয়োজক দেশ জাপানে। যিদিনা অলিম্পিকৰ পদকৰ তালিকাত ভাৰতবৰ্ষৰ স্থান এই দেশসমূহৰ লগত থাকিব, সেইদিনাই প্ৰকৃততে প্ৰতিজন ভাৰতীয়ই গৌৰৱ কৰাৰ থল থাকিব।

ভাৰতীয় ক্ৰীড়া ক্ষেত্ৰত এনে এক পৰ্যায়লৈ উন্নীত কৰিববলৈ চৰকাৰৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যক্তিগত খণ্ডৰ কোম্পানী অথবা আৰ্থিকভাৱে অধিক সক্ষম লোকসকলৰ লগতে খেলুৱৈ তথা ক্ৰীড়া সংগঠকসকলে একেলগে কাম কৰিব লাগিব আৰু বিষয়টোৰ সম্পৰ্কত অধিক পৰিশ্ৰম কৰিব লাগিব।❑



# গোদাবৰী নৈৰ পাৰৰ পৰা অথাই জলধিৰ মাজলৈ
# ভাহি অহা কণ্ঠটি

চয়নিকা নাথ



প্ৰতিটো প্ৰজন্মত বিভিন্ন বিভাগত কিছু কালজয়ী ব্যক্তিৰ জন্ম হয় যাৰ কৰ্ম, খ্যাতি মাথোঁ তেওঁৰ জন্মভূমিকেই নহয় সমগ্ৰ বিশ্বৰ মন প্ৰভাৱিত কৰে। শ শ কোটি লোকৰ এই পৰিৱৰ্তনশীল বিশ্বটো কিছুমানৰ খ্যাতি, শতিকাজুৰি বিৰাজ কৰে আৰু কিছুমানৰ অনন্ত কালজুৰি। এই ব্যক্তিসকলৰ সিংহভাগেই হৈছে পুৰুষ শ্ৰেণীৰ কিয়নো পুৰুষেই সকলো বিভাগত অগ্ৰাধিকাৰ পাই আহিছে। কলা-সংস্কৃতিত অৱশ্যে এনে দেখা নাযায়। অতীজৰে পৰা মহিলাইয়ো এই বিভাগত নিজ প্ৰতিভাৰ পাৰদৰ্শিতা দেখুওৱাশুলৈ সক্ষম হৈছে আৰু কিছু সংখ্যক কালজয়ী মহিলাই কেৱল এটি শতিকাজুৰিয়েই নহয়, অনন্তকাল ধৰি মানৰ সমাজত প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। বিংশ শতিকাত পৰাধীন ভাৰতীয় সমাজত উদাৰতাৰ ভাৱৰ যেতিয়া পুনৰোদয় হ'ব ধৰিলে তেতিয়াৰ পৰা বহুতো মহিলাই সমাজত অগ্ৰণী ভূমিকা পালন কৰিব পৰা হ'ল। তেওঁলোকৰ বিভিন্নজনে এতিয়া ভাৰতবৰ্ষৰ গৌৰৱ সমগ্ৰ বিশ্বত বৃদ্ধি কৰি আহিছে। কলা-সংস্কৃতি বিভাগৰে এনে এগৰাকী নাৰী আছিল যাৰ কণ্ঠই বিশ্বাভিলেখ সৃষ্টি কৰি মানুহৰ মন সম্পূৰ্ণৰূপে সলনি কৰাব বাধ্য হৈছিল, যাৰ জীৱনৰ প্ৰথম গীতটি চলচ্চিত্ৰখনৰ পৰা বাদ দিয়া হৈছিল অথচ যিয়ে ৯০ বছৰ বয়সলৈ গীত বাণীবদ্ধ কৰাবলৈ সক্ষম হৈছিল। যিয়ে কেতিয়াও আনুষ্ঠানিকভাৱে ক-খ-গ-ও শিকা নাছিল অথচ লাভ কৰিছিল ছটাকৈ সন্মানীয় ডক্টৰেট ডিগ্ৰী। তেখেত আছিল ভাৰতবৰ্ষৰ সংগীত সাম্ৰাজ্ঞী ভাৰতৰত্ন লতা মংগেশকাৰ, যাৰ জন্ম হৈছিল ১৯২৯ চনৰ ২৮ ছেপ্টেম্বৰত মধ্য প্ৰদেশৰ ইন্দোৰত। মহাৰাষ্ট্ৰীয় ব্ৰাহ্মণ পৰিয়ালৰ অন্তৰ্গত দীননাথ আৰু শেৱন্তী মংগেশকাৰৰ

পাঁচটা সন্তানৰ ভিতৰত তেওঁ আছিল জ্যেষ্ঠ কন্যা। গোৱাৰ মংগেশী চহৰৰ পৰা অহা দীনানাথে নিজৰ গৃহ চহৰৰ সৈতে পৰিচয় কৰি নিজৰ শেষ নাম হৰিদকাৰৰ পৰা মংগেশকাৰলৈ সলনি কৰে। তেওঁৰ পিতৃ পণ্ডিত দীননাথ মংগেশকাৰ আছিল এগৰাকী সুদক্ষ শাস্ত্ৰীয় গায়ক আৰু মঞ্চ অভিনেতা। জন্মৰ সময়ত লতাৰ নাম প্ৰথমে হেমা ৰখা হৈছিল যদিও পিছলৈ দেউতাকে তেওঁৰ এখন নাটকৰ এটা চৰিত্ৰৰ পৰা অনুপ্ৰাণিত হৈ হেমাৰ নাম সলনি কৰি 'লতা' নামেৰে নামকৰণ কৰিছিল। তেওঁৰ চাৰিজন ভাই-ভনী আছিল, তিনিগৰাকী ভগ্নী, মীনা, আশা আৰু উষা; আৰু এজন ভাতৃ হৃদয়নাথ। পাঁচোজন মংগেশকাৰ ভাই-ভনীয়ে পিতৃৰ পৰা শাস্ত্ৰীয় সংগীত শিকিছিল।



পাঁচ বছৰ বয়সৰ পৰাই দেউতাকৰ সংগীত নাটকত অভিনয় কৰিবলৈ আৰম্ভ কৰিছিল লতা মংগেশকাৰে। জীৱনৰ পিছৰ কালছোৱাত অমানত খান, পণ্ডিত তুলসীদাস শৰ্মা আৰু অমান আলী খান চাহেবৰ দৰে সংগীত বিশাৰদৰ পৰা শাস্ত্ৰীয় সংগীতৰ পাঠ গ্ৰহণ কৰিছিল। সৰুৰে পৰা তেখেতক অনুপ্ৰাণিত কৰিছিল কে এল চাইগালৰ সংগীত। মাত্ৰ ১৩ বছৰ বয়সত তেখেতে পিতৃ পণ্ডিত দীননাথক হেৰুৱায় আৰু ডাঙৰ সন্তান হিচাপে পৰিয়ালৰ আৰ্থিক দায়িত্ব ল'বলগীয়া হয়।

পাঁচ বছৰ বয়সৰ পৰাই দেউতাকৰ সংগীত নাটকত অভিনয় কৰিবলৈ আৰম্ভ কৰিছিল লতা মংগেশকাৰে। জীৱনৰ পিছৰ কালছোৱাত অমানত খান, পণ্ডিত তুলসীদাস শৰ্মা আৰু অমান আলী খান চাহেবৰ দৰে সংগীত বিশাৰদৰ পৰা শাস্ত্ৰীয় সংগীতৰ পাঠ গ্ৰহণ কৰিছিল। সৰুৰে পৰা তেখেতক অনুপ্ৰাণিত কৰিছিল কে এল চাইগালৰ সংগীত।

দেউতাকৰ মৃত্যুৰ ঠিক পিছতেই ১৯৪২ চনত লতা মংগেশকাৰে তেওঁৰ পৰিয়ালৰ বন্ধু বিনায়ক দামোদৰ কৰ্ণাটকীৰ সহায়ত মাৰাঠী আৰু হিন্দী ফিল্মত অভিনেত্ৰী হিচাপে চাকৰি লাভ কৰে। ডেকা লতাই উদ্যোগটোত নিজৰ স্থান বিচাৰিবলৈ সংগ্ৰাম কৰাৰ বাবে তেওঁৰ কেৰিয়াৰৰ আৰম্ভণিৰ বছৰবোৰ যথেষ্ট কঠিন আছিল। নেপথ্য গায়িকা হিচাপে তেওঁৰ প্ৰথম গীত আছিল সুৰকাৰ সদাশিৱ ৰাও নেভ্ৰেকাৰৰ সৈতে মাৰাঠী ছবি Kiti Hasaal ৰ বাবে "Naachu Yaa Gade, Khelu Saari Mani Haus Bhaarn"। মুক্তিৰ পূৰ্বে গীতটো ছবিখনৰ পৰা বাদ দিয়া হৈছিল। পিছৰ বছৰত ১৯৪৩ চনত তেওঁৰ প্ৰথম হিন্দী গীত আহিছিল, Gajaabhau চিনেমাত "Mata Ek Sapoot Ki Duniya Badal De Tu" শীৰ্ষক গীতটিৰ ৰূপত।

১৯৪৫ চনত লতা মংগেশকাৰে মুম্বাইলৈ গুচি যায়। সাময়িক সংগীত সুৰকাৰসকলৰ পৰা অসংখ্য প্ৰত্যাখ্যানৰ সন্মুখীন হয় কাৰণ তেওঁলোকে সেই সময়ৰ পছন্দৰ শৈলীৰ বিপৰীতে তেওঁৰ কণ্ঠক অতি পাতল আৰু চোকা বুলি বিবেচনা কৰে। সংগীত পৰিচালকসকলক সন্তুষ্ট কৰিবলৈ তেখেতে প্ৰায়ে নুৰজাহানৰ দৰে বিখ্যাত গায়কক অনুকৰণ কৰিছিল।

মাষ্টাৰ বিনায়কৰ উপৰিও লতা মংগেশকাৰক শিক্ষা প্ৰদান কৰিছিল প্ৰসিদ্ধ সংগীত পৰিচালক গুলাম হাইদৰে যাক লতা মংগেশকাৰে পাছলৈ তেওঁৰ জীৱনৰ Godfather অৰ্থাৎ 'ধৰমপিতা' আখ্যা দিছিল। তেওঁৰ নিৰ্দেশনাত লতা মংগেশকাৰে ১৯৪৮ চনৰ Majboor চিনেমাত "Dil Mera Toda, Mujhe Kahin Ka Na Chhora" গীতটোত প্ৰথম স্বীকৃতি লাভ কৰে। ১৯৪৯ চনত অভিনেত্ৰী মধুবালাই ছবি মহলত পৰ্দাত উপস্থাপন কৰা "Ayega Anewala" গীতটোৰ জৰিয়তে তেওঁৰ প্ৰথমটো উত্তাল জনপ্ৰিয় গীত আহিছিল।

তাৰ পৰাই তেওঁৰ সংগীত জীৱনে খোজ পেলায় কাৰণ তেওঁ সেই সময়ৰ সকলো প্ৰধান সংগীত পৰিচালক আৰু নেপথ্য গায়কৰ সৈতে কাম কৰিবলৈ আৰম্ভ কৰে। শচীন দেব বৰ্মন, ছলিল চৌধুৰী, শংকৰ জয়কিষণ, নৌশাদ, মদন মোহন, কল্যাণজী আনন্দজী, খায়্যাম আৰু পণ্ডিত অমৰনাথ হুছানলাল ভগত ৰাম আদি বিখ্যাত সংগীত পৰিচালকৰ বাবে নেপথ্য গায়ন কৰিছিল। ১৯৫০ চনৰ সময়ছোৱাত তেওঁ Baiju Bawra (1952), Mother India (1957), Devdas (1955), Chorichori (1956) আৰু Madhumati (1958) আদি সফল চলচ্চিত্ৰত কাম কৰিছিল। সংগীত পৰিচালক ছালিল চৌধুৰীৰ সৈতে মধুমতী ছবিৰ "Aaja re Pardesi" গীতটোৰ বাবে ১৯৫৮ চনত শ্ৰেষ্ঠ মহিলা নেপথ্য গায়িকাৰ বাবে প্ৰথম ফিল্মফেয়াৰ বঁটা লাভ কৰিছিল।

তেখেতৰ কণ্ঠ বিভিন্ন প্ৰকাৰৰ সংগীত আৰু সংগীত পৰিচালকৰ লগত সহজে মিলিব ধৰিছিল। তেখেতে ১৯৫২ চনৰ Baiju Bawra ছবিৰ ৰাগা ভৈৰৱৰ আধাৰত নিৰ্মিতৰ দৰে ৰাগ আধাৰিত গীত গাইছিল। Dil Apna aur Preet Parayi (1960) চলচ্চিত্ৰত "Ajeeb dastan hai yeh"ৰ দৰে পশ্চিমীয়া সুৰীয়া গীতৰ লগতে ১৯৬১ চনত Hum Dono চিনেমাৰ বাবে "Allah Tero Naam"ৰ



পাঁচটা সন্তানৰ ভিতৰত তেওঁ আছিল জ্যেষ্ঠ কন্যা। গোৱাৰ মংগেশী চহৰৰ পৰা অহা দীনানাথে নিজৰ গৃহ চহৰৰ সৈতে পৰিচয় কৰি নিজৰ শেষ নাম হৰিদকাৰৰ পৰা মংগেশকাৰলৈ সলনি কৰে। তেওঁৰ পিতৃ পণ্ডিত দীননাথ মংগেশকাৰ আছিল এগৰাকী সুদক্ষ শাস্ত্ৰীয় গায়ক আৰু মঞ্চ অভিনেতা।

দৰে ভজন গাইছিল। তেখেত মধুবালাৰ পৰা মীনা কুমাৰীলৈ সেই সময়ৰ আটাইতকৈ গ্লেমাৰাছ নায়িকাসকলৰ আঁৰৰ কণ্ঠস্বৰ আছিল। নৌশাদৰ দ্বাৰা ৰচিত আৰু মধুবালাই লিপ-চিং কৰা Mughal-e-Azam (1960)ৰ মংগেশকাৰৰ গীত "Pyar Kiya toh Darna Kya" গীতটি আজিও জনপ্ৰিয়। তেওঁ মহম্মদ ৰফি, কিশোৰ কুমাৰ, মুকেশ, হেমন্ত কুমাৰ, মহেন্দ্ৰ কাপুৰ আৰু মান্না দেৰ দৰে বিখ্যাত পুৰুষ নেপথ্য গায়কৰ সৈতে বিভিন্ন প্ৰজেক্টত সহযোগিতা কৰিছিল কিশোৰ কুমাৰৰ সৈতে ১৯৭০ আৰু ১৯৮০ চনৰ ভিতৰত বাণীবদ্ধ কৰা তেওঁৰ ডুৱেটসমূহ যথেষ্ট সমাদৰ বুটলিছিল আৰু এই গীতবোৰৰ জনপ্ৰিয়তা আজিও বহুত ১৯৭১ চনত নিৰ্মিত Andhi ছবিৰ "Tere Bina Zindagi Se", Abhiman (1973)ৰ "Tere Mere Milan Ki" আৰু Ghar (1978) ছবিখনৰ "Aap ki Aankhon mein Kuch" আদি গীত, এই যুটিয়ে সৃষ্টি কৰা অবিস্মৰণীয় সংগীত যাদুৰ কিছুমান উদাহৰণ ১৯৭২ চনত নিৰ্মিত Parichay চলচ্চিত্ৰখনৰ "Beeti Na Bitai Raina" গীতটিৰ বাবে লতা মংগেশকাৰে প্ৰথমবাৰ শ্ৰেষ্ঠ মহিলা নেপথ্য গায়িকাৰ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা লাভ কৰিছিল আৰু ১৯৭৪ চনত নিৰ্মিত Korn Kagaz চলচ্চিত্ৰখনৰ "Roothe Roothe Piya" শীৰ্ষক গীতটিৰ বাবে দুবাৰ শ্ৰেষ্ঠ মহিলা নেপথ্য গায়িকাৰ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা লাভ কৰিছিল।

বহুমুখী ৰচনাৰ বাবে আশা ভোছলেক পছন্দ কৰা বুলি জনাজাত কিংবদন্তী সংগীত পৰিচালক ৰাহুল দেৱ বৰ্মনদেৱে লতা মংগেশকাৰৰ কণ্ঠ ব্যৱহাৰ কৰিছিল তেওঁৰ অধিক সুৰীয়া ৰচনা যেনে Rocky (1981) চিনেমাৰ "Kya Yahi Pyar Hai", Agar Tum Na Hote(1983) চিনেমাৰ "Humein Aur Jeene Ki", Masoom (1983) চিনেমাৰ "Tujhse Naraaz Nahin", Libas (1988) চিনেমাৰ "Seeli Hawa Chhoo Gayi" গীতত সংগীত পৰিচালক যুটি লক্ষ্মীকান্ত প্যাৰেলালৰ সৈতে তেওঁৰ সহযোগত সেই সময়ৰ কিছুমান ছুপাৰহিট গীতৰ সৃষ্টি হৈছিল যিবোৰ এতিয়াও মানুহে সমানে উৎসাহেৰে গুণগুণাই আছে। Shagird (1968)ò "Dil Vil Pyar Vyar", Asha (1980)1 "Sheesha Ho Ya Dil", Naseeb (1981)1 "Mere Naseeb Mein" আৰু Prem Rog (1982) চিনেমাৰ "Ye Galiyan Ye Chaubara"; তেওঁলোকৰ কিছুমান কালজয়ী গীত। ইয়াৰোপৰি সংগীত পৰিচালক ৰবীন্দ্ৰ জৈনৰ সৈতে Ram Teri Gangs Maili (1985) আৰু খ্যামৰ সৈতে বাণীবদ্ধ কৰা Bazaar (1982) চলচ্চিত্ৰৰ গীতসমূহ যথেষ্ট প্ৰশংসিত।

নব্বৈৰ দশকৰ ভিতৰত মংগেশকাৰে আনন্দ-মিলিন্দ, নদীম-শ্ৰৱণ, যতীন-ললিত, দিলীপ সেন-সমীৰ সেন, উত্তম সিং, অনু মালিক, আদেশ শ্ৰীবাস্তৱ, এ আৰ ৰহমানৰ দৰে প্ৰসিদ্ধ সংগীত পৰিচালকৰ সংগীতত কণ্ঠ নিগৰায়। জগজিৎ সিঙৰ সৈতে গজলকে ধৰি কিছুমান অচলচ্চিত্ৰ গীত ৰেকৰ্ডিং কৰিছিল। কুমাৰ চানু, অমিত কুমাৰ, এছ পি বালাসুব্ৰমণিয়ম, উদিত নাৰায়ণ, হৰিহৰণ, সুৰেশ ৱাডেকাৰ, মহম্মদ আজিজ, অভিজিত ভট্টাচাৰ্য, ৰূপ কুমাৰ ৰাথোদ, বিনোদ ৰাথোদ, গুৰদাস মান আৰু সোণু নিগমৰ সৈতেও তেওঁ গীত গাইছিল। ১৯৯০ চনত তেওঁ হিন্দী চিনেমাৰ বাবে নিজাকৈ প্ৰডাকচন হাউচ আৰম্ভ কৰে যিয়ে গুলজাৰৰ পৰিচালনাত নিৰ্মিত Lekin ছবিখন নিৰ্মাণ কৰে। ছবিখনত পৰিৱেশন কৰা "Yaara Sili Sili" গীতটোৰ বাবে তেওঁ তৃতীয়বাৰৰ বাবে শ্ৰেষ্ঠ মহিলা নেপথ্য গায়িকাৰ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা লাভ কৰে, যিটো ৰচনা কৰিছিল তেখেতৰ ভাতৃ হৃদয়নাথে। তেখেতে সেই সময়ত যশ ৰাজ ফিল্মছৰ ভালেমান চলচ্চিত্ৰ যেনে Chandni (1989), Lamhe (1991), Darr (1993), Yeh Dillagi (1994), Dilwale Dulhaniya Le Jaayenge (1995), Dil Toh Paagal Hai (1997) আৰু পিছলৈ Mohabbatein (2000), Mujhse Dosti Karoge (2002) আৰু Veer Zaara (2004)ত কণ্ঠ নিগৰাইছিল। ইয়াৰ উপৰিও এ আৰ ৰহমানেও তেওঁৰ লগত এই সময়ছোৱাত কেইটামান গীত ৰেকৰ্ড কৰিছিল যেনে Dil Se(1998)ৰ "Jiya Jale", Pukar (2000) ৰ "Ek Tu Hi Bharosa", Zubeidaa (2000) "Pyaara Sa Gaon", One 2 Ka 4 (2001) ৰ "Khamoshiyan Gungunane Lagin", Lagaan (2001)ৰ "O Paalanhaare", Rang De Basanti (2006) ৰ "Lukka Chuppi" ।

**অসমীয়া চলচ্চিত্ৰত কণ্ঠদান ঃ**

অসম আৰু লতা মংগেশকাৰৰ যোগসূত্ৰৰ আঁৰত আছিল সংগীতশিল্পী, অসমৰ সুধাকণ্ঠ ভূপেন হাজৰিকা। হাজৰিকাদেৱৰ লতা মংগেশকাৰৰ চিনাকি হৈছিল সংগীত পৰিচালক হেমন্ত মুখপাধ্যায়ৰ জৰিয়তে।

‘অসমাপ্ত’ নামৰ বাংলা চলচ্চিত্ৰৰ কামত ব্যস্ত থাকোঁতে ভূপেন হাজৰিকাই লগ পায় লতা মংগেশকাৰক। লতা মংগেশকাৰৰ মোহনীয় কণ্ঠ শুনি ভূপেন হাজৰিকাই নিজে পৰিচালনা কৰা ‘এৰাবাটৰ সুৰ’ নামৰ চলচ্চিত্ৰখনৰ বাবে গান গাবলৈ তেওঁক প্ৰস্তাৱ দিয়ে। ১৯৫৬ চনত এইগৰাকী কোকিলকণ্ঠী গায়িকাই ভূপেন হাজৰিকাৰ ‘এৰাবাটৰ সুৰ’ বোলছবিৰ বাবে গীত গায়। এই গীতেই আছিল অসমৰ সৰ্বকালৰ জনপ্ৰিয় গীত ‘জোনাকৰে ৰাতি অসমীৰে মাটি। লতাৰ কণ্ঠদানে বিপুল জনপ্ৰিয়তা দিয়ে গীতটোক। এৰাবাটৰ সুৰতে তেওঁ গাইছিল আন এটা গীত ‘ৰ’দ পুৱাৰৰ বাবে মাতিবানো কাক।’১৯৯২ চনত ভূপেন হাজৰিকাই মাৰাঠী কন্যা লতাৰ ৰাজ্য মহাৰাষ্ট্ৰ আৰু অসমৰ সাংস্কৃতিক ইতিহাসৰ আলমত এটি গীত ৰচনা কৰে- “গোদাবৰী নৈৰে পাৰৰে পৰা, অসমী আইলৈ যাচো প্ৰণাম, সেইখন দেশ মোৰ দূৰণিৰ দেশ, তথাপি চিনাকি শুৱনি নাম।” প্ৰাণ ভৰি লতা মংগেশকাৰে গাইছিল এই গীতটি। এৰাবাটৰ সুৰৰ পিছত লতা মংগেশকাৰে আৰু দুখন অসমীয়া ছবিৰ বাবে গান গাইছিল। ১৯৮৮ চনত চিৰাজ ছবিৰ ভূপেন হাজৰিকাৰ সৈতে “কঁপি উঠে কিয় তাজমহল”ত তেওঁ কণ্ঠদান কৰে। আনখন আছিল ১৯৯৫ চনত ‘পানী’ ছবিৰ “মই অথাই জলধিৰ মাজলৈ আহিলো সাঁতুৰি” গানটো। সুধাকণ্ঠ ভূপেন হাজৰিকাই লতা মংগেশকাৰ সম্পৰ্কে কৈছিল- “লতাই গান নাগায়, সুৰৰ ছবি আঁকে।” তেওঁ উৰ্দু কবি জিগৰ মোৰাদাবাদৰ শ্বায়েৰী এফাঁকিৰে লতাৰ কণ্ঠৰ বৰ্ণনা কৰিছিল- "Nagma wohi nagma hai jo rooh sune aur rooh sunaye"।



১৯৫৬ চনত এইগৰাকী কোকিলকণ্ঠী গায়িকাই ভূপেন হাজৰিকাৰ ‘এৰাবাটৰ সুৰ’ বোলছবিৰ বাবে গীত গায়। এই গীতেই আছিল অসমৰ সৰ্বকালৰ জনপ্ৰিয় গীত ‘জোনাকৰে ৰাতি অসমৰে মাটি। লতাৰ কণ্ঠদানে বিপুল জনপ্ৰিয়তা দিয়ে গীতটোক। এৰাবাটৰ সুৰতে তেওঁ গাইছিল আন এটা গীত ‘ৰ’দ পুৱাৰৰ বাবে মাতিবানো কাক।’

**অন্যান্য ভাষাৰ চলচ্চিত্ৰত কণ্ঠদান ঃ**

তামিল আৰু মাৰাঠী ভাষাৰ চলচ্চিত্ৰ যোগেদি লতা মংগেশকাৰে আঞ্চলিক ছবিৰ বাবে নেপথ্য গীত গোৱা আৰম্ভ কৰিছিল। তামিল চলচ্চিত্ৰত তেওঁৰ প্ৰথম গীত আছিল ১৯৫৫ চনত Vaana Radham চলচ্চিত্ৰৰ "Yendhan Kannaalan" শীৰ্ষক গীতটি। একেইবছৰত তেলেগু ভাষাৰ Santhanam চলচ্চিত্ৰত, শ্ৰীলংকাৰ ৰাষ্ট্ৰীয় ভাষা সিংহল ভাষাৰ Seda Sulang চলচ্চিত্ৰত কণ্ঠদান কৰিছিল। তেওঁ গুজৰাটী চলচ্চিত্ৰত প্ৰথমবাৰ কণ্ঠদান কৰিছিল ১৯৬০ চনৰ Mehndi Rang Lagyoত ১৯৬১ চনত প্ৰথমবাৰ তেওঁ পাঞ্জাবী ভাষাৰ চলচ্চিত্ৰ Gudditত কণ্ঠদান কৰিছিল য’ত মহম্মদ ৰফিদেৱৰ সৈতে গোৱা "Pyar de bhulekhe kinne sohne sohne aa gaye" শীৰ্ষক গীতটিয়ে বিপুল সমাদৰ লাভ কৰিছিল। তেখেতে ১৯৬৭ চনত Kranthiveera Sangolli Rayanna নামৰ চলচ্চিত্ৰখনত লক্ষ্মণ বাৰ্লেকাৰে ৰচনা কৰা "Bellane belagayithu" গীতটোৰে কানাড়া প্লেবেকৰ উদ্যোগত আত্মপ্ৰকাশ কৰিছিল। ১৯৭৪ চনত তেখেতে একমাত্ৰ মালায়ালম গীতত কণ্ঠদান কৰে Nellu চলচ্চিত্ৰখনৰ "Kadali Kankadali" নামৰ গীতটোত।

লতা মংগেশকাৰৰ বাংলা গীতক লৈ এটি সুকীয়া অধ্যায় আছে, কিয়নো মংগেশকাৰে বাংলা ভাষাত ১৮৫ টা গীত গাইছিল। ১৯৫৬ চনত সতীনাথ মুখোপাধ্যায়ৰ দ্বাৰা ৰচিত হিট গীত “আকাশ প্ৰদীপ জ্বলে”ৰ জৰিয়তে আত্মপ্ৰকাশ কৰিছিল। সেই বছৰতে ভূপেন হাজৰিকাৰ সুৰত “ৰংগিলা বংশিত” ৰেকৰ্ডিং কৰিছিল, যিটো জনপ্ৰিয় হৈছিল। ১৯৫০ চনৰ শেষৰ ফালে তেওঁ ছলিল চৌধুৰী ৰচিত “জাৰে উৰে জাৰে পাখি”, “না জেওনা”, আৰু “অগো আৰ কিচু তো নই” আদি একাধিক জনপ্ৰিয় গীত বাণীবদ্ধ কৰিছিল। ১৯৬০ চনত তেওঁ হেমন্ত কুমাৰ আৰু ছলিল চৌধুৰীৰ সুৰকাৰৰ দ্বাৰা ৰচিত বিভিন্ন জনপ্ৰিয় গীত যেনে “একবাৰ বিদায় দে মা ঘূৰে আশি”, “সাত ভাই চম্পা”, “কে প্ৰথম কচে এচেচি”, “নিঝুম সন্ধ্যায়”, “চাঞ্চল মন আনমোনা”, “আশৰ শ্ৰবন”, “বোলচি তোমাৰ কানী” আৰু “আজ মন চেয়েছে” আদিত কণ্ঠদান কৰে।

**সংগীত পৰিচালিকা হিচাপে জীৱন ঃ**

লতা মংগেশকাৰে কেইবাখনো মাৰাঠী চলচ্চিত্ৰৰ সংগীত পৰিচালকৰ ভূমিকাও গ্ৰহণ কৰিছিল, ইয়াৰে প্ৰথম আছিল ১৯৫৫ চনৰ Ram Ram Pavhane। অন্যান্য মাৰাঠী চলচ্চিত্ৰসমূহ আছিল-১৯৬৩ চনৰ Maratha Tituka Melvava, Mohityanchi Manjula, ১৯৬৫ চনৰ Sadhi Manase, ১৯৬৯ চনৰ Tambadi Mati তেখেতে Sadhi Manase চলচ্চিত্ৰখনৰ বাবে মহাৰাষ্ট্ৰ ৰাজ্য চৰকাৰৰ শ্ৰেষ্ঠ সংগীত পৰিচালকৰ বঁটা লাভ কৰিছিল। একেখন ছবিৰ "Airanichya Deva Tula" গীতটিয়ে লাভ কৰিছিল শ্ৰেষ্ঠ গীতৰ বঁটা।

**প্ৰযোজক ঃ**

প্ৰযোজক হিচাপে লতা মংগেশকাৰে তিনিখন হিন্দী আৰু এখন মাৰাঠী চলচ্চিত্ৰ নিৰ্মাণ কৰিছিল-



৩৬ টা ভাষাত ৩০ হাজাৰৰো অধিক ভাৰতীয় গীত গোৱা সংগীত সাম্ৰাজ্ঞী গৰাকীয়ে নিজৰ জীৱনকালত ভালেমান বঁটা আৰু সন্মান বুটলিছিল। ১৯৭৪ চনত সেই সময়ৰ সৰ্বাধিক গীত বাণীবদ্ধ কৰা শিল্পী হিচাপে তেখেতে নিজৰ নাম গীনিজ বুক অৱ ৱৰ্ল্ড ৰেকৰ্ডছত সন্নিৱিষ্ট হৈছিল।

১৯৫৩ চনত মাৰাঠী ভাষাৰ এখন ছবি Vandal, ১৯৫৩ চনত সহ-প্ৰযোজক হিচাপে চি ৰামচন্দ্ৰৰ সৈতে Jhaanjhar, ১৯৫৫ চনত Kanchan Ganga আৰু ১৯৯০ চনত নীতিকাৰ গুলজাৰৰ পৰিচালনাৰ উদ্যোগত Lekin।

**সংগীত আৰু দেশপ্ৰেম ঃ**

বহুতে লতা মংগেশকাৰক কেৱল ভাৰত-চীন যুদ্ধৰ জোৱানসকলৰ সোঁৱৰণত ৰচনা কৰা কালজয়ী গীতটোৱে তেওঁৰ একমাত্ৰ দেশপ্ৰেমৰ উদাহৰণ বুলি ভাবে। এইটো সত্য যে ২৭ জানুৱাৰী, ১৯৬৩ চনত ভাৰত-চীন যুদ্ধৰ বীৰ জোৱানৰ সোঁৱৰণত 'Aye Mere Watan ke Logon' গীতটি পৰিৱেশন কৰোতে প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুকে ধৰি বিশিষ্ট ব্যক্তিসকলে চকুলো টুকিছিল। কিন্তু ইয়াৰ আগতেও বিশেষ সন্ধিক্ষণত তেখেতৰ সংগীতে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি দেশপ্ৰেমৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰিছিল ১৯৫৪ চনত যেতিয়া তেখেতৰ বয়স মাত্ৰ ২৫ বছৰ, তেতিয়া তেওঁ ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ সহযোগত ২ মে'ত পুনেৰ হীৰাবাউগত এক সংগীতানুষ্ঠান অনুষ্ঠিত কৰোগোৱা, দমন আৰু দিউত সেই সময়ৰ পৰ্তুগীজ শাসনৰ বিৰুদ্ধে সশস্ত্ৰ মুক্তি আন্দোলনৰ ধন সংগ্ৰহৰ বাবে এই সংগীতানুষ্ঠান অনুষ্ঠিত হৈছিল আৰু ইয়াৰ পৰা সংগৃহীত ধনৰ এপইচাও তেওঁ লোৱা নাছিল ১৯৮৩ চনৰ ক্ৰিকেট বিশ্বকাপ জয় কৰা বাবে ভাৰতীয় ক্ৰিকেট দলৰ প্ৰতিজন খেলুৱৈক বি চি চি আইয়ে সম্বৰ্ধনা জনাব বিচাৰিছিল যদিও সেই সময়ত বি চি চি আইৰ হাতত পৰ্যাপ্ত ধন নাছিল। নিজ দেশপ্ৰেমৰ পুনৰ এবাৰ পৰিচয় দি লতা মংগেশকাৰে বিনা পইচাৰে দিল্লীত সংগীতানুষ্ঠান কৰি ক্ৰিকেটাৰসকলৰ বাবে প্ৰায় ২০ লাখ টকা সংগ্ৰহ কৰিবলৈ সক্ষম হয় যাৰ বাবে ক্ৰিকেট দলৰ ১৪ জন খেলুৱৈয়ে ১ লাখ টকাকৈ পাবলৈ সক্ষম হয়।

২০১১ চনত পুলৱামাত নিহত জোৱানৰ পৰিয়ালৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰি তেখেতে ১ কোটি টকা দান কৰিছিল। একেই বৰ্ষৰ মাৰ্চ মাহত ভাৰতীয় সেনা আৰু জাতিৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি এই কোকিলকণ্ঠী গায়িকাগৰাকীয়ে ময়ুৰেশ পাইৰ সুৰত নিজৰ অন্তিমটো গীত "Saugandh mujhe is mitti ki" গীতটো বাণীবদ্ধ কৰিছিল।

**সামৰণি ঃ**

৩৬ টা ভাষাত ৩০ হাজাৰৰো অধিক ভাৰতীয় গীত গোৱা সংগীত সাম্ৰাজ্ঞী গৰাকীয়ে নিজৰ জীৱনকালত ভালেমান বঁটা আৰু সন্মান বুটলিছিল। ১৯৭৪ চনত সেই সময়ৰ সৰ্বাধিক গীত বাণীবদ্ধ কৰা শিল্পী হিচাপে তেখেতে নিজৰ নাম গীনিজ বুক অৱ ৱৰ্লড ৰেকৰ্ডছত সন্নিৱিষ্ট হৈছিল। সংগীত আৰু চলচ্চিত্ৰ জগতলৈ আগবঢ়োৱা অমূল্য অৱদানৰ বাবে ১৯৮৯ চনত তেখেতক 'দাদাচাহেব ফাল্কে বঁটা', ১৯৯৩ চনত 'ফিল্মফেয়াৰৰ জীৱনজোৰা সাধনা বঁটা', ২০০১ চনত প্ৰথম গৰাকী ব্যক্তিৰূপে 'মহাৰাষ্ট্ৰ ৰত্ন বঁটা', একেই বৰ্ষতে ভাৰতবৰ্ষৰ সৰ্বোচ্চ অসামৰিক সন্মান 'ভাৰত ৰত্ন' আৰু ২০০৭ চনত ফ্ৰান্সৰ সৰ্বোচ্চ অসামৰিক সন্মান 'Officier de la Legion d'Honneur'-এ সন্মানিত কৰা হৈছিল। ফ্ৰান্সৰ সন্মানটি ল'বলৈ লতা মংগেশকাৰে ফ্ৰান্স যাবলৈ অস্বস্তি প্ৰকাশ কৰোঁতে ফ্ৰান্সৰ কৰ্তৃপক্ষই ভাৰতবৰ্ষত উপস্থিত হৈ তেখেতক সন্মানটি প্ৰদান কৰিছিল লতা মংগেশকাৰে হেনো স্কুলৰ প্ৰথম দিনাই সংগীতৰ পাঠদান আৰম্ভ কৰিছিল আৰু যেতিয়া স্কুলৰ শিক্ষয়িত্ৰীয়ে বন্ধ কৰিবলৈ ক'লে, তেতিয়াৰপৰা লতা মংগেশকাৰে শিক্ষানুষ্ঠানলৈ যোৱা বন্ধ কৰিছিল। তথাপিও বিখ্যাত নিউয়ৰ্ক বিশ্ববিদ্যালয়কে ধৰি এখন ভাৰতীয় বিশ্ববিদ্যালয়সহ ছখন বিশ্ববিদ্যালয়ে তেখেতক প্ৰদান কৰিছিল সন্মানীয় ডক্টৰেট ডিগ্ৰী উপাধি। কোৱা যায় যে লতা মংগেশকাৰে নিজৰ মধুৰ মাতটো বৰ্তাই ৰাখিবলৈ বহুত কেঁচা জলকীয়া আৰু চুইংগাম খাইছিল। আটাইতকৈ সুন্দৰ কণ্ঠৰ অধিকাৰী হোৱা সত্বেও নিজৰ গীতৰ আসোঁৱাহবোৰ উলিওৱাৰ পৰা বিৰত থাকিবলৈ তেওঁ নিজৰ গীতবোৰ নিজে কেতিয়াও শুনা নাছিল বুলি এবাৰ আগশাৰীৰ ৰাষ্ট্ৰীয় সংবাদ পত্ৰ The Hinduৰ সাক্ষাৎকাৰ এটিত তেখেতে জনাইছিল। সংগীতৰ মানৱৰূপী সৰস্বতী এইগৰাকী কিংবদন্তী নাৰীয়ে ২০২২ বৰ্ষৰ সৰস্বতী পূজাৰ পিছৰ দিন অৰ্থাৎ ৬ ফেব্ৰুৱাৰীত ইহলীলা সম্বৰণ কৰে। ক'ভিডৰ তৃতীয় ঢৌৱে তেখেতক কাঢ়ি নিলেও, কিন্তু তেখেতৰ অতুলনীয় কৰ্মৰাজিয়ে অনন্তকাললৈ জীয়াই ৰাখিব তেখেতক আমাৰ মাজত।।❑

# সমাজনীতিৰ পৰা ৰাজনীতিলৈ ভাৰতীয় সংগীতত
# সুধাকণ্ঠৰ কালজয়ী সৃষ্টিৰাজি

জ্যোতিপ্ৰভা নাথ



সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আছিল এজন কিংবদন্তি সংগীতজ্ঞ, গায়ক আৰু চলচ্চিত্ৰ নিৰ্মাতা যিয়ে ভাৰতীয় সংস্কৃতিত অমলিন চিন ৰাখি গৈছে। ১৯২৬ চনৰ ৮ ছেপ্টেম্বৰত অসমৰ তিনিচুকীয়া জিলাৰ শদিয়াত জন্মগ্ৰহণ কৰা তেখেতৰ মৃত্যু ২০১১ চনৰ ৫ নৱেম্বৰত। তেখেত একাধাৰে আছিল এগৰাকী অসমীয়া, হিন্দী, বাংলা, নেপালীকে ধৰি কেইবাটাও ভাষাৰ গীতৰ ৰচনা কৰা আৰু গীত গোৱা বহুমুখী শিল্পী। গোটেই সংগীতৰ জীৱনত হাজৰিকাই নিজৰ সংগীতৰ সহায়ত সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক বিষয়ত নিজৰ মতামত প্ৰকাশ কৰিছিল। ভূপেন হাজৰিকাই নিজে লিখা আৰু কণ্ঠদান কৰা গীতসমূহকে ভূপেন্দ্ৰ সংগীত বোলে।

১৯৮১ চনৰ ২০ জুনৰ দিনা "নগাঁও কিশলয় সাংস্কৃতিক গোষ্ঠী"ৰ এক সভাত ড° ভূপেন হাজৰিকাদেৱৰ গীত সম্ভাৰক "ভূপেন্দ্ৰ সংগীত" নামেৰে নামকৰণ কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। সেই অনুসৰি গোষ্ঠীটোৱে ১৯৮১ চনৰ ২৭ জুনৰ দিনা আন কেইবাটাও অনুষ্ঠানৰ সহযোগত "নগাঁও জিলা ভূপেন্দ্ৰ সংগীত সমিতি" গঠন কৰে। আৰু ১৯৮২ চনৰ ১২ আগষ্টৰ দিনা প্ৰথমবাৰৰ বাবে সদৌ অসম ভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল।

এজন গীতিকাৰ, সুৰকাৰ, গায়ক আৰু সংগীত পৰিচালক হিচাপে সংগীত জগতলৈ ড° ভূপেন হাজৰিকাই বিপুল অৱদান দি গৈছে। সংগীতজ্ঞ হিচাপে তেখেতৰ জনপ্ৰিয়তা তেখেতৰ নিজৰ ৰাজ্য অসম, ওচৰ চুবুৰীয়া ৰাজ্য পশ্চিমবঙ্গ আৰু নিজদেশ ভাৰতৰ উপৰি বাংলাদেশতো অভিলেখকাৰী লোকশিল্পীৰূপে আত্মপ্ৰকাশ কৰা ড° হাজৰিকাই সংগীতৰ বিশেষ কোনো আনুষ্ঠানিক শিক্ষা নোহোৱাকৈয়ে নিজৰ প্ৰতিভাৰ বলতে ১৫০০তকৈও অধিক গান ৰচনা কৰি শ্ৰোতাৰ বিপুল সঁহাৰি লাভ কৰিছিল।



তেওঁৰ সংগীত উত্তৰ-পূব ভাৰতৰ লোক পৰম্পৰাৰ মাজত গভীৰভাৱে শিপাই আছিল আৰু তেওঁ পশ্চিমীয়া শাস্ত্ৰীয় সংগীত, জাজ, ৰককে ধৰি বিভিন্ন সংগীতৰ প্ৰভাৱ তেওঁৰ কৰ্মত সন্নিবিষ্ট কৰিছিল। ভাৰতীয় সংগীতৰ প্ৰতি হাজৰিকাৰ অন্যতম চিৰস্থায়ী অৱদান আছিল তেওঁৰ পৰম্পৰাগত অসমীয়া বাদ্য 'ঢোল'ৰ ব্যৱহাৰ। তেওঁ নিজৰ ৰচনাসমূহত ঢোলটো অন্তৰ্ভুক্ত কৰি উত্তৰ-পূবৰ এক সুকীয়া সোৱাদ দিছিল। তেওঁৰ সংগীতত আন আন থলুৱা বাদ্যযন্ত্ৰ যেনে 'দোতোৰা', 'টোকাৰী', 'তাল' আদিও ব্যৱহাৰ কৰি এক অনন্য আৰু স্পন্দনশীল শব্দৰ সৃষ্টি কৰিছিল।

ল'ৰালিৰ প্ৰথম গীত পৰিৱেশন কৰা মঞ্চতে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ পৰা আশীৰ্বাদপুষ্ট আৰু জ্যোতিপ্ৰসাদ-বিষ্ণুৰাভাৰ দৰে ব্যক্তিত্বৰ নিকট সান্নিধ্য লাভ কৰা ভূপেন হাজৰিকা হৈছে এজন আন্তৰ্জাতিক খ্যাতিসম্পন্ন শিল্পী। তেজপুৰত থকা কালছোৱাতে ভূপেন হাজৰিকাই লগ পাইছিল অসমীয়া সংস্কৃতি জগতৰ অন্যতম খনিকৰ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আৰু নটসূৰ্য ফণী শৰ্মাক। এখেতসকলৰ সান্নিধ্যই হাজৰিকাৰো সাংস্কৃতিক জীৱনৰ বৰভেটি গঢ়ে।

হাজৰিকাৰ সংগীতৰ বৈশিষ্ট্য আছিল গীতিময় গভীৰতা আৰু কাব্যিক গুণ। তেওঁৰ গীতসমূহে প্ৰায়ে প্ৰেম, প্ৰকৃতি আৰু মানুহৰ অৱস্থাৰ বিষয়বস্তুৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। দৰিদ্ৰতা, বৈষম্য, দুৰ্নীতি আদি সামাজিক বিষয়ক সম্বোধন কৰা গীতো লিখিছিল।

হাজৰিকাৰ সংগীতৰ বৈশিষ্ট্য আছিল গীতিময় গভীৰতা আৰু কাব্যিক গুণ। তেওঁৰ গীতসমূহে প্ৰায়ে প্ৰেম, প্ৰকৃতি আৰু মানুহৰ অৱস্থাৰ বিষয়বস্তুৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। দৰিদ্ৰতা, বৈষম্য, দুৰ্নীতি আদি সামাজিক বিষয়ক সম্বোধন কৰা গীতো লিখিছিল।

তেখেতৰ সংগীত জগতৰ ওপৰত থকা দখলৰ বাবে লগতে সংগীত, সাহিত্য, নাট্য জগত তথা চলচ্চিত্ৰ জগত আৰু সাংস্কৃতিক জগতৰ অভূতপূৰ্ব কৰ্মৰ বাবে তেখেতে সুধাকণ্ঠ, সংগীতসূৰ্য আৰু মৰণোত্তৰভাৱে ভাৰতৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰত ৰত্নও লাভ কৰে।

নিজৰ কণ্ঠ, কথা সুৰ তথা গায়ন শৈলীৰে দেশে বিদেশে গীত পৰিৱেশন কৰি ড° হাজৰিকাই হাজাৰ হাজাৰ জনতাক আপ্লুত কৰিছিল। তেখেতৰ গীতত আছে সময় আৰু সমাজৰ কথা, তেখেতৰ গীতত আছে সম্প্ৰীতি আৰু সমন্বয়ৰ কথা আৰু আছে দেশ আৰু জাতিৰ কাহিনী লোক জীৱনৰ প্ৰতিচ্ছবি। দুৰন্ত শিল্পীজনৰ সৃষ্টিয়ে অসমীয়া আধুনিক সংগীতক এক বিশেষ স্থানলৈ উন্নীত কৰাৰ লগতে গীতসমূহ বৰ্তমান এক উচ্চ স্তৰৰ সাহিত্য হৈ পৰিছে। শিল্পীগৰকীয়ে লোক জীৱনৰ সুৰ বিচাৰি, মানুহে মানুহৰ বাবে অলপ আস্থা বিচাৰি পাহাৰ ভৈয়াম একাকাৰ কৰি সাত সাগৰ তেৰনদী পাৰ হৈ সমন্বয়ৰ বান্ধোনেৰে বান্ধিবলৈ প্ৰয়াস কৰিছিল।

ভূপেন হাজৰিকাৰ সৰহভাগ গীত দেশপ্ৰেম আৰু সম্প্ৰীতিৰ মন্ত্ৰধাৰাই তিয়াই ৰাখিছে। শংকৰদেৱক লৈয়েই তেওঁ "কুসুম্বৰ পুত্ৰ শ্ৰীশংকৰ গুৰুৱে, ধৰিলে নামৰে তান" বুলি জীৱনৰ প্ৰথম গীতটি ৰচনা কৰিছিল। তাৰ মাজতেই তেওঁৰ ব্যক্তি প্ৰেম আৰু দেশপ্ৰেমৰ প্ৰথমটো বীজ অংকুৰিত হৈছে। অসমৰ গাঁৱৰ সৌন্দৰ্যত মুগ্ধ ড° হাজৰিকাই গাঁৱৰ মান ৰাখিবলৈ প্ৰতিজ্ঞাবদ্ধ হৈ গীতৰ জৰিয়তে প্ৰকাশ কৰিছে।

তেওঁৰ অন্যতম বিখ্যাত গীত "মানুহে মানুহৰ বাবে" ভাৰতৰ জাতি ব্যৱস্থাৰ ওপৰত এক শক্তিশালী অভিযোগনামা দাখিল আৰু ই দেশৰ সামাজিক ন্যায় আন্দোলনৰ বাবে এক গীত হৈ পৰিল।

তেখেতৰ 'সাগৰ সংগমত' গীতটো তেখেতে সাগৰৰ মাজেৰে জাহাজত যাত্ৰা কৰি থকা সময়ত ৰচনা কৰা এটি বিখ্যাত গীত। এই গীতটো তেখেতৰ জীৱনৰ অন্যতম প্ৰিয় গীত হিচাপে তেওঁ কৈ গৈছে। পাহাৰ-পৰ্বত, নদী, বৰলুইত, বিহু, সংগ্ৰাম, জীৱন যুদ্ধ, ৰাজনীতি সকলোৰে সংমিশ্ৰণ কৰিব জানিছিল ভূপেন হাজৰিকাই তেখেতৰ গীতৰ মাজেৰে। চীন-ভাৰতৰ যুদ্ধৰ সময়তো তেখেতে 'কত





জোৱানৰ মৃত্যু হ'ল'ৰ দৰে কালজয়ী গীত ৰচনা কৰি থৈ গৈছে। ড° ভূপেন হাজৰিকাৰ সংগীতৰ আন এক চিহ্ন আছিল ইয়াৰ সাৰ্বজনীন আকৰ্ষণ। তেওঁৰ গীতসমূহে ভাষা আৰু সাংস্কৃতিক বাধাসমূহ অতিক্ৰম কৰি সমগ্ৰ ভাৰত আৰু ইয়াৰ বাহিৰৰ মানুহৰ মাজত অনুৰণন ঘটাইছিল।

'প্ৰতিধ্বনি', 'বিস্তীৰ্ণ পাৰৰে', 'অ' বিদেশী বন্ধু', 'অগ্নিযুগৰ ফিৰিঙতি মই', 'দোলা দোলা' ইত্যাদি গীতৰ জৰিয়তে সুধাকণ্ঠই দেশপ্ৰেম জাতিপ্ৰেমৰ আগজাননী দিছিল। 'তুমি নতুন পুৰুষ' গীতৰ জৰিয়তে ভূপেন হাজৰিকাই যুৱ শক্তিৰ চিত্ৰ প্ৰতিফলিত কৰিছিল। 'অ' মোৰ ধৰিত্ৰী আই' গীতৰ দ্বাৰা তেখেতে ধৰণীৰ বিষয়ে উল্লেখ কৰিছে। 'মই আৰু মোৰ ছাঁ', 'মই এটি যাযাবৰ', 'মই যেতিয়া এই জীৱনৰ' ইত্যাদি গীতৰ দ্বাৰা তেখেতে নিজৰ জীৱনক সংপৃক্ত কৰি দুখৰ ছবি এখন প্ৰকাশ কৰিছিল।

ড° হাজৰিকাৰ সংগীতক কেৱল ভাৰততে নহয়, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো স্বীকৃতি আৰু উদ্‌যাপন কৰা হৈছিল। ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদ আৰু 'কাঁ চলচ্চিত্ৰ মহোৎসৱ'কে ধৰি কেইবাটাও সন্মানীয় অনুষ্ঠানত অভিনয় কৰিবলৈ তেওঁক আমন্ত্ৰণ জনোৱা হৈছিল।

অসমবাসীৰ মাজত ভূপেনদা ৰূপে পৰিচিত তেখেত কেৱল সংগীতজ্ঞই নহয়, এগৰাকী চলচ্চিত্ৰ নিৰ্মাতাও আছিল। তেখেতে অসমীয়া, হিন্দী, বাংলা ভাষাৰ কেইবাখনো ছবি পৰিচালনা আৰু প্ৰযোজনা কৰিছিল, যাৰ বহুকেইখন ছবিয়ে সমালোচকৰ প্ৰশংসা লাভ কৰিছিল। তেওঁ বেছিভাগ ছবিৰ সংগীতো ৰচনা কৰিছিল, যাৰ ফলত তেওঁৰ সুৰকাৰ হিচাপে প্ৰতিভাক আৰু অধিক প্ৰদৰ্শন কৰা হৈছিল।

ভাৰতীয় সংগীত আৰু সংস্কৃতিৰ ওপৰত হাজৰিকাৰ প্ৰভাৱক অতিৰঞ্জিত কৰিব নোৱাৰি। তেওঁ আছিল এজন অগ্ৰগামী যিয়ে আন উত্তৰ-পূবৰ শিল্পীসকলৰ বাবে বন্তি জ্বলাইছিল আৰু তেওঁলোকৰ অনন্য সাংস্কৃতিক পৰম্পৰাক ভাৰতীয় সংগীতৰ আগস্থানলৈ অনাত সহায় কৰিছিল। তেওঁৰ কামেৰে সংগীতজ্ঞ আৰু শিল্পীৰ প্ৰজন্মকো অনুপ্ৰাণিত কৰিছে।

ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চল বহু জাতি-জনগোষ্ঠীৰ মিলনভূমি। পাৰস্পৰিক একতা আৰু আদান-প্ৰদানেৰে পূৰ্বতে এক হৈ 'বৰ অসম' নামেৰে সমন্বয়ৰ চানেকি হৈ জিলিকা থকা সাতোখন ৰাজ্যৰ জাতি-জনগোষ্ঠীসমূহৰ সমৃদ্ধ সংস্কৃতি, পৰম্পৰা, জনজীৱন, সৰল মানসে ভূপেন হাজৰিকাক এনেদৰে বিমুগ্ধ কৰি তুলিছিল যে তেওঁ প্ৰত্যেক জনগোষ্ঠীৰ লোকৰ সৈতে আত্মিক সম্পৰ্ক অনুভৱ কৰিছিল। সেইসকলৰ মাজৰে এজন হৈ তেওঁ প্ৰতিখন জনগোষ্ঠীয় জীৱনৰ সমাজ-সংস্কৃতি, সহজ-সজীৱ লোকজীৱনৰ একোখিনি অতি আকৰ্ষণীয় ছবি পৰিস্ফুট হৈ উঠা দেখিবলৈ পোৱা যায়। উত্তৰ-পূবৰ হৃদস্পন্দন বৰলুইতক 'মহামিলনৰ তীৰ্থ' আখ্যা দিয়া এইজন জনতাৰ শিল্পীয়ে গীতেৰে, সুৰেৰে, চিন্তাৰে, কাৰ্যৰে, হৃদয়েৰে উত্তৰ-পূৰ্বাঞ্চলৰ যাউতিযুগীয়া সম্প্ৰীতিকে কামনা কৰিছিল।

সামৰণিত ক'ব পাৰি যে ড° ভূপেন হাজৰিকা আছিল এজন দূৰদৰ্শী শিল্পী, যাৰ ভাৰতীয় সংগীত আৰু সংস্কৃতিলৈ অৱদান অসীম আছিল। তেওঁৰ সংগীত আছিল মানৱ অভিজ্ঞতাৰ এক শক্তিশালী প্ৰতিফলন, আৰু ই সমগ্ৰ ভাৰত আৰু ইয়াৰ বাহিৰৰ মানুহৰ হৃদয় আৰু মন চুই গৈছিল। সংগীতজ্ঞ, চলচ্চিত্ৰ নিৰ্মাতা, আৰু 'সাংস্কৃতিক আইক'ন হিচাপে ভূপেন হাজৰিকাৰ সংগীত আৰু কৰ্মই আগন্তুক বছৰবোৰলৈকে ভৱিষ্যত প্ৰজন্মৰ শিল্পী আৰু সংগীতজ্ঞসকলক অনুপ্ৰাণিত আৰু প্ৰভাৱিত কৰি থাকিব।❑



# বৰগীত আৰু লোকগীত

## এক চমু আভাস

বিকাশ বণিয়া

ভাৰতৰ উত্তৰ-পূব অঞ্চলৰ সাত (বৰ্তমান আঠ) ভগ্নীৰ ভিতৰত অন্যতম অসম সংগীত, নৃত্য, সাহিত্য, শিল্পকে ধৰি চহকী সাংস্কৃতিক ঐতিহ্যৰ বাবে পৰিচিত। ইয়াৰ ভিতৰত অসমৰ জনপ্ৰিয় সংগীত ধাৰা দুটা হ'ল বৰগীত আৰু লোকগীত। বৰগীত অসমৰ বৈষ্ণৱী পৰম্পৰাৰ পৰা উৎপত্তি হোৱা ভক্তিমূলক সংগীতৰ এক প্ৰকাৰ, আনহাতে লোকগীত অঞ্চলটোৰ লোকসংগীতক বুজায়।

**বৰগীত ঃ**

ৰাতিপুৱাই অসমৰ গাঁৱে-ভূঞে ঘৰবোৰত, নামঘৰত, মন্দিৰত বাজি উঠা সুমধুৰ সংগীতেই গৈছে বৰগীত। মধ্যযুগীয় ভাৰতৰ ভক্তি আন্দোলনত শিপাই থকা ভক্তি সংগীতৰ এক অনন্য ৰূপ বৰগীত। অসমত ইয়াৰ প্ৰৱৰ্তন কৰিছিল মহান বৈষ্ণৱ গুৰু শ্ৰীমন্ত শংকৰদেৱে ১৫ শতিকাত। শংকৰদেৱ আছিল বহু প্ৰতিভাসম্পন্ন ব্যক্তিত্ব যিযে বৈষ্ণৱ দৰ্শনৰ প্ৰচাৰ কৰাই নহয়, অসমীয়াত অসংখ্য ভক্তিমূলক গীত ৰচনা কৰিছিল, যিটো গীত বৰগীত নামেৰে পৰিচিত হৈছিল। অসমৰ নৱ-বৈষ্ণৱ ধৰ্মৰ হোতা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ দ্বাৰা ৰচিত, উচ্চ আধ্যাত্মিক ভাবপূৰ্ণ, নিৰ্দিষ্ট ৰাগ-তাল বিশিষ্ট, এক বিশেষ শৈলীৰে গোৱা গীতসমূহকেই বৰগীত বোলা হয়। বৰগীতসমূহ শ্ৰীকৃষ্ণৰ ভক্তিৰ ব্যাখ্যাৰে ব্ৰজাৱলী ভাষা (ব্ৰজবুলি)ত ৰচিত। মহাপুৰুষ দুজনাই তেওঁলোকে ৰচনা কৰা গীত সমূহক বৰগীত হিচাপে নামকৰণ কৰা নাছিল। পৰৱৰ্তী কালত ভকতসকলেহে শংকৰ-মাধৱে ৰচনা কৰা মহত্বপূৰ্ণ গীতসমূহক শ্ৰেষ্ঠত্বসূচক (বৰৰ বিশেষণটো লগাই (বৰগীত) হিচাপে নামকৰণ কৰিছিল। বাণীকান্ত কাকতিযে ইংৰাজীত বৰগীতক Noble Numbers, কালিৰাম মেধিয়ে Great Songs বা Songs Celestial আৰু দেৱেন্দ্ৰনাথ বেজবৰুৱাই Holy Songs আখ্যা দিছে।

বৰগীত শব্দটো অসমীয়া দুটা শব্দৰ পৰা উদ্ভৱ হৈছে— 'বৰ' অৰ্থাৎ মহান আৰু 'গীত' অৰ্থাৎ গীত। বৰগীত সাধাৰণতে সংস্কৃত-মৈথিলীৰ সৈতে মিহলি অসমীয়াৰ উপভাষা ব্ৰজাৱলীত ৰচনা কৰা। তেওঁৰ অৱতাৰৰ প্ৰশংসাত গোৱা হয়। ভাৰতীয় সংগীতৰ ধ্ৰুপদী ৰাগ ব্যৱস্থাৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে বৰগীতৰ সংগীতৰ এক অনন্য গাঁথনি। প্ৰতিটো বৰগীতৰ ৰচনা বিশেষ ৰাগ আৰু তালত, আৰু গীতৰ কথা সাধাৰণতে বৈষ্ণৱ ধৰ্মৰ ভক্তি দৰ্শনৰ ওপৰত আধাৰিত। বৰগীত গায়ক অথবা কণ্ঠশিল্পীৰ দলে খোল, তাল, ভায়লিন আদি পৰম্পৰাগত বাদ্যযন্ত্ৰৰ সংগীতেৰে গায়।

বছৰ বছৰ ধৰি বৰগীত ভক্তিমূলক সংগীতৰ এক চহকী পৰম্পৰালৈ বিকশিত হৈছে যি অসমীয়া সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ হৈ পৰিছে। আজি বৰগীত কেৱল মন্দিৰ আৰু বৈষ্ণৱী মঠতেই নহয়, সাংস্কৃতিক অনুষ্ঠান, বিয়া, আৰু অন্যান্য সামাজিক সমাৱেশতো গোৱা হয়।

বছৰ বছৰ ধৰি বৰগীত আৰু লোকগীত দুয়োটাই বিকশিত হৈ পৰিৱৰ্তিত সময় আৰু সাংস্কৃতিক প্ৰভাৱৰ লগত খাপ খাই পৰিছে। বৰগীত এক ভক্তিমূলক সংগীতৰ ৰূপ হৈ ৰৈছে যদিও সমসাময়িক অসমীয়া সংগীতত বিশেষকৈ ভূপেন হাজৰিকা, জুবিন গাৰ্গৰ দৰে শিল্পীৰ ৰচনাত ইয়াৰ প্ৰভাৱ দেখা যায়।

**লোকগীত ঃ**

আনহাতে লোকগীত অসমৰ লোকসংগীতক বুজায়। অঞ্চল এটিৰ গ্ৰাম্য পৰম্পৰাৰ মাজত গভীৰভাৱে শিপাই থকা আৰু সাধাৰণ মানুহৰ জীৱন আৰু সংস্কৃতিৰ প্ৰতিফলন ঘটোৱা সংগীতৰ এক প্ৰকাৰ। সাধাৰণতে অসমীয়াৰ স্থানীয় উপ ভাষাত ৰচিত লোকগীত বিহু, গোৱালপৰীয়া, ওজাপালিকে ধৰি বিভিন্ন শৈলীত গোৱা হয়। অসমীয়া মৌখিক সাহিত্যৰ আৰম্ভণি হিচাপে প্ৰাচীন লোকগীতবোৰকে ধৰিব পাৰি। অসমীয়া ভাষাৰ লোকগীতবোৰৰ এটা বিশেষত্ব আছে যে, এইবোৰক গীত নুবুলি 'নাম' বোলা হয়। অসমীয়া লোকগীতসমূহৰ ভিতৰত আছে বিয়ানাম, আইনাম, গোঁসাই নাম, ভেকুলী বিয়াৰ নাম, ধাই নাম আদি। অন্যান্য লোকগীতৰ ভিতৰত ফুলকোঁৱৰ-মণিকোঁৱৰৰ গীত, নাহৰৰ গীত, বদন বৰফুকনৰ গীত, জিকিৰ আৰু জাৰী, দেহবিচাৰ গীত, টোকাৰী গীত, ঐনিতম, মহো-হোঁ গীত, জনা গাভৰুৰ গীত, শান্তি বাৰমাহীৰ গীত, বনঘোষা, মণিৰাম দেৱানৰ গীত, জয়মতী কুঁৱৰীৰ গীত আদি উল্লেখযোগ্য। এইসমূহ লোকগীতৰ ৰচনাকাল ষষ্ঠ শতিকাৰ পৰা অষ্টম-নৱম শতিকা বুলি বুৰঞ্জীবিদসকলে অনুমান কৰিছে।

বিহু অসমৰ লোকগীতৰ এক অন্যতম জনপ্ৰিয় শৈলী। বছৰত তিনিবাৰকৈ পালন কৰা বিহু উৎসৱৰ লগত ইয়াৰ সম্পৰ্ক আছে- ব'হাগ বিহু, মাঘ বিহু, আৰু কাতি বিহু। বিহুগীত সাধাৰণতে দ্ৰুত গতিৰ ছন্দত ৰচনা কৰা হয় আৰু ইয়াৰ লগত পৰম্পৰাগত বাদ্যযন্ত্ৰ যেনে ঢোল, পেঁপা, গগনা আদি বাদ্যযন্ত্ৰৰ লগত সংগতি থাকে।

আনহাতে 'গোৱালপৰীয়া' অসমৰ গোৱালপাৰা জিলাত উৎপত্তি হোৱা লোকগীতৰ এক শৈলী। সাধাৰণতে গোটত গোৱা সংগীতৰ ধীৰে ধীৰে সুৰীয়া ৰূপ। গোৱালপৰীয়া গীতৰ কথা সাধাৰণতে প্ৰেম, প্ৰকৃতি, সামাজিক জীৱনৰ বিষয়বস্তুৰ ওপৰত আধাৰিত। অসমৰ লোকগীতৰ বহুকেইজন পুৰোধা ব্যক্তি তথা শিল্পী আমাৰ মাজৰ পৰা হেৰাই গৈছে। হস্তীৰ কন্যা হিচাপে পৰিচিত প্ৰতিমা পাণ্ডে বৰুৱা আছিল এগৰাকী গোৱালপৰীয়া লোকগীতৰ শিল্পী। গোৱালপাৰাৰ লগতে নামনি অসমৰ জিলা সমূহ বিশেষকৈ কামৰূপ, দৰং, বৰপেটা, বঙাইগাঁও, ধুবুৰী ইত্যাদি জিলাত লোকগীতৰ প্ৰচলন অত্যধিক। ৰামেশ্বৰ পাঠকদেৱক আমি কামৰূপীয়া লোকগীতৰ এগৰাকী অন্যতম হোতা হিচাপে জানো।

অসমত জনপ্ৰিয় লোকগীতৰ আন এক শৈলী ওজাপালি। দৰং অঞ্চলৰ লগতে আন কিছু স্থানত বিশেষভাৱে প্ৰচলিত এইধৰণৰ লোকগীত অঞ্চলটোৰ পৰম্পৰাগত পুৰোহিত ওজাৰ সৈতে জড়িত সংগীতৰ এক প্ৰকাৰ। ওজাপালি গীতসমূহ সাধাৰণতে আখ্যান শৈলীত ৰচিত হয় আৰু ধৰ্মীয় বা সামাজিক বাৰ্তা প্ৰেৰণৰ বাবে গোৱা হয়।

**বৰগীত আৰু লোকগীতৰ বিৱৰ্তন ঃ**

বছৰ বছৰ ধৰি বৰগীত আৰু লোকগীত দুয়োটাই বিকশিত হৈ পৰিৱৰ্তিত সময় আৰু সাংস্কৃতিক প্ৰভাৱৰ লগত খাপ খাই পৰিছে। বৰগীত এক ভক্তিমূলক সংগীতৰ ৰূপ হৈ ৰৈছে যদিও সমসাময়িক অসমীয়া সংগীতত বিশেষকৈ ভূপেন হাজৰিকা, জুবিন গাৰ্গৰ দৰে শিল্পীৰ ৰচনাত ইয়াৰ প্ৰভাৱ দেখা যায়। একেদৰে লোকগীত নতুন বিষয়বস্তু আৰু সংগীতৰ উপাদান সন্নিৱিষ্ট কৰি বিকশিত হৈছে, আৰু অসমীয়া সংস্কৃতি আৰু পৰিচয়ৰ এক গুৰুত্বপূৰ্ণ অংগ হৈয়েই আছে আৰু অসমীয়াৰ স্বাভিমান এই বৰগীত আৰু লোকগীতৰ চৰ্চা তথা প্ৰসাৰে ইয়াক জীয়াই ৰাখিব।❑

# হিয়াৰ আমঠু জুবিন গাৰ্গ

## আৰু আধুনিক অসমীয়া সংগীতৰ স্বৰ্ণিল যাত্ৰা



বিভাষ কাশ্যপ (বিৰাজ)

অসমৰ ৰাইজে যেনেকৈ লাখ লাখ জনসমাগমতো তেওঁৰ সুৰদি মাতটি শুনিবলৈ দৌৰি থাকে। যাৰ মাতত এক ভৱিষ্যতৰ আগজাননী লাভ কৰিবৰ সক্ষম হয়, যাৰ গীতত দুৰাৰোগ্য ব্যক্তিয়েও এটি প্ৰাণ পোৱা বুলি জীয়াই থাকিব পাৰে। যিয়ে অসম আৰু অসমীয়াক আজিলৈ নিজৰ ভাই-বন্ধু বুলি ভাবি আহিছে, যিয়েই মোৰ অনুৰাগী বুলি নকৈ মোৰ এজন ভাইটি বুলি হেজাৰ জনতাৰ আগত পৰিচয় দিয়ে, তেওঁৰেই হৈছে সহস্ৰ অৰ্থ থকা এটি নাম জুবিন বৰঠাকুৰ পৰিৱৰ্তিত জুবিন গাৰ্গ। এইটো কথাতেই কৈছো, এয়া আৰম্ভণিহে মাথোঁ।

অজস্ৰ গুণমুগ্ধৰ মৰম আৰু আশীৰ্বাদেৰে জুবিন গাৰ্গ পৰিপুষ্ট। কিয় জানে? কাৰণ মায়া, অনামিকা, বাঁহীৰ পৰা চিলালৈ। যাক আমি এক সোণালী যাত্ৰা হিচাপে অভিহিত কৰিব পাৰো।

জুবিন, কিছুমানে কয় মানুহজন ধেমেলীয়া, খেয়ালী আৰু আন কিছুমানে কয় জুবিন এজন পাগল, অভদ্ৰ। বাটত কোনো দুৰ্ঘটনাত পতিত মানুহক তেওঁ নিজৰ হাতেৰে তুলি চিকিৎসাৰ কাৰণে পঠিয়াই। অনাথ শিশুসকলৰ জীৱনৰ সম্পূৰ্ণ দায়িত্ব মূৰ পাতি লয়। কোনোবা চকুৰে নেদেখা লোককো কেতিয়াবা এটা চকু লগাই দি আনটো লগাই দিম বুলি কয়। হেজাৰ হেজাৰ মানুহৰ লগত থাকি সহায়ৰ উপৰিও যিয়ে সান্ত্বনাৰ এক উৎস হৈ থিয় দিয়ে। বহুতো ঠাইত তেখেতে বিনা খৰচত গীত গোৱাৰো ৰেকৰ্ড আছে, যিটো তেওঁ কেতিয়াবা নিজ মুখেৰেই কোৱা শুনিব পোৱা যায়। তেখেতে মানুহৰ মনত কি হৈ থাকে বুজি পায়। সেইবাবে গীত পৰিৱেশন কৰি থাকোঁতে মানুহৰ লগত স্পৰ্শৰ সৈতে নিজকে বিলীন কৰি দিয়ে। যিটো অতি কম মানুহৰ লগত হোৱা দেখা যায়। তেওঁ অতুলনীয়, অনন্য, একমাত্ৰ কাৰণ তেওঁ সমাজক পিতৃ-মাতৃ জ্ঞান কৰি নিজৰ শিৰত তুলি লৈছে।

এতিয়া আহো সোণালী অধ্যায়টিলৈ। মায়া- যাক জুবিন গাৰ্গৰ সফলতাৰ মাইলৰ খুঁটি বুলি কোৱা হয়। যেতিয়া অসমৰ আকাশে-বতাহে গুলী-বাৰুদৰ শব্দ, আনফালে হিয়া ভঙা কান্দোন। তেতিয়াই ৰাতি ৰাতি নিজকে গানৰ লগত বিলীন কৰি বহুতৰ কেটেৰা মাত,



আন বহুতৰ মিঠা মাত শুনি উপস্থিত হৈছিল ষ্টুডিঅ'ত এই ল'ৰাজন। ৰাতি ৰাতি অনুষ্ঠান কৰি উভতে, তাৰ পিছত আকৌ গীতৰ বাণীবদ্ধ। যন্ত্ৰ, আমি এটি যেন যন্ত্ৰ। মায়া মায়া মাথোঁ মায়া। জুবিন গাৰ্গে যেতিয়া মায়া গীতৰ বাণীবদ্ধ কৰিছিল, তেতিয়া শ্ৰব্য কেছেট অৰ্ডাৰ দিছিল প্ৰায় পঞ্চাশ হাজাৰ। আৰু সেই ৫০ হাজাৰ কেছেট এদিনতেই বিক্ৰী কৰি অন্য এক অভিলেখ কৰে জুবিন গাৰ্গে। সেই সময়ত সহযোগী আছিল সকলোৰে পৰিচিত NK প্ৰডাক্চন। কোনো সময়তেই আহৰি নিবিচৰা জুবিন গাৰ্গে আকৌ কৈছে- 'যন্ত্ৰ আমি আমি যেন যন্ত্ৰ, হয়' আমি সকলো একো একোটা যন্ত্ৰই। কলিজা ৰঙা কৰি উজলি থকা জুবিন গাৰ্গে হাঁহিলে মুকুতা মণি সৰে। তেওঁ বেলেগক উদ্দেশ্য কৰি গাইছিল— হাঁহিলে তুমি মুকুতা মণি সৰে। কিন্তু তেওঁ নিজেই মুকুতা মণি সদৃশ। গানেৰে জীৱন যুঁজিম বুলি কোৱাজনেই জুবিন গাৰ্গ।

অলেখ গীতৰ অনন্য অৰ্থ। কিছুমানে যদি ৰোমাণ্টিক বা অন্য গীত শুনি নিজক বিচাৰি পায়, আন কোনোৱে আকৌ দুখৰ গীতত নিজক বিচাৰি পায়। বৃদ্ধসকলে 'শিৰোমণি', 'কানাই পাৰ কৰা হে' আদিত নিজক বিচাৰি পায়। তেখেতে কয় তেওঁ এতিয়া নিমখৰ দৰে, গিলাচত দিলে গিলাচৰ আকৃতি ল'ব, প্লেটত দিলে প্লেটৰ আকৃতি ল'ব। হয় সেইজনেই জুবিন গাৰ্গ। কেও কিছু নোহোৱা হিয়া ঢাকুৰি কান্দি থকা ল'ৰাজনকো নিজৰ ল'ৰাৰ দৰে তুলি-তালি ডাঙৰ-দীঘল কৰাজনৰ নামেই জুবিন গাৰ্গ।

আকৌ কৈছো বিংশ শতিকাৰ শেষৰ ফালে সংগীতৰ জগতত বলিষ্ঠভাৱে আত্ম প্ৰকাশ কৰা জুবিন গাৰ্গ আছিল সেইজন শিল্পী যাৰ সমগ্ৰ সত্তাত কেৱল সুৰ সংগীতেই ভৰপূৰ হৈ আছিল। সংগীতৰ যি ধাৰা সলাই দিব পৰা ক্ষমতা একমাত্ৰ তেওঁৰেই আছিল। ৰোমাণ্টিকতা তেখেতৰ গীতৰ মূল উপাদান আছিল, যদিও তেওঁৰ গীতত আছিল অসম প্ৰেম, জীৱনবোধ, সন্ত্ৰাসবাদৰ বিৰুদ্ধ স্থিতি, জাতিৰ প্ৰতি শ্ৰদ্ধা, আধুনিক জীৱন প্ৰণালী আৰু সহজ-সৰল গ্ৰাম্য জীৱনৰ প্ৰতিফলন। যাৰ বাবে তেখেতে—

১। সোণেৰে সজোৱা পঁজা জহি খহি যায় (মুক্তি-১৯৯৭)
২। অন্ধ আকাশ ক্ৰুদ্ধ বতাহ (মুক্তি-১৯৯৭)
৩। জগত পোহৰ কৰি নামিব প্লাৱন (শব্দ-১৯৯৮)
৪। দিয়া ঘূৰাই দিয়া পৃথিৱী আমাক (শিশু-২০০২)
৫। অলপ শান্তি দিয়া, অলপ মুক্তি দিয়া (যন্ত্ৰ-২০০৪)

আদিৰ দৰে প্ৰগতিশীল আৰু প্ৰতিবাদীমূলক গীত লিখিছিল। ডেকা-গাভৰু, পতি-পত্নীৰ প্ৰেম, প্ৰেমৰ ব্যৰ্থতা, পূৰ্ণতা আদিৰ সকলোৰে উৎস হৈছে এওঁৰ গীত। একেদৰে—

১। দূৰে দূৰে থাকিবা কিমান (মায়া-১৯৯৪)
২। প্ৰীতিৰ সুবাসে (অনামিকা-১৯৯২)
৩। পাখি পাখি এই মন (পাখি-১৯৯৯)

আদি গীতৰ মাজত অতীত ৰোমন্থন।

১। মায়াবিনী ৰাতিৰ বুকুত (দাগ-২০০১)
২। বৰষা যেতিয়া নানে বুকুলে (ৰং-১৯৯৫)
৩। মোৰ মনৰে কল্পনাত (মা-২০১৯)
৪। গানে কি আনে (২০১৬)

আদি গীতৰ মাজত প্ৰেমৰ দৃষ্টিভংগী, ব্যক্তিগত সত্তা আৰু আদৰ্শবোধ বিচাৰি পোৱা যায়।

'কঁকাল খামুচীয়া গাল গুলপীয়া' (জীৱন নদীৰ দুটি পাৰ-২০০২) দৰে গীতত গ্ৰাম্য সহজ-সৰল জনজীৱন প্ৰতিফলিত হৈছে।

শেহতীয়াকৈ 'পলিটিক্স নকৰিবা বন্ধু' (২০২০) ৰ দৰে ব্যংগাত্মক গীত লিখি শাসকৰ বিৰুদ্ধে যি প্ৰবল প্ৰতিবাদ সৃষ্টি কৰিছে, সেই আশাবাদৰ মাজতেই জুবিনৰ সংবেদনশীল মনটোৰ সুগন্ধি পোৱা যায়। সেইদৰে তেওঁ লিখা-

১৫। মনৰ নিজানত (অনামিকা-১৯৯২)
১৬। এন্ধাৰ হ'ব নোৱাৰো (জুবিনৰ গান-১৯৯৬)
১৭। কাৰ পৰশ (শিশু-২০০২)

আদি গীতৰ মাজত গভীৰ দৰ্শন আৰু জীৱনৰ সংগঠনশীল মনোভাৱ প্ৰকাশ পাইছে আৰু অলেখ তেওঁৰ গীত আৰু গীতৰ সুমধুৰ বৰ্ণনা আছে। কিন্তু শেষ কৰিবলৈ কেইবাটাও দশক লাগিব। আচলতে সেই বাবেই আমি কওঁ অনবদ্য জুবিন বুলি। এটা কথা সঁচা যে সুগন্ধি পখিলাৰ কবিৰ স্পৰ্শত থকা মানুহ সদায় সুগন্ধি হৈয়েই থাকে। সেয়া হয়তো 'গানে কি আনে' এলবামৰ পৰাই বুজি উঠিব পাৰি।

গায়ক, গীতিকাৰ, সুৰকাৰ, বাদ্যযন্ত্ৰী বুলি জানিছিলো আমি। কিন্তু কেইবাবছৰ ধৰি অসমীয়া চিনেমাৰ প্ৰতি অনেক অৱদানৰ বাবে এজন অভিনেতাৰ শাৰীতো জনগণে থিয় কৰাইছে। বৃদ্ধৰ পৰা ডেকালৈ, শুই থকা ৰোগাক্ৰান্ত ব্যক্তিজনৰ পৰা পৰিশ্ৰমী ব্যক্তিজনলৈ। ৰাতিপুৱা শুই উঠাৰ পৰা পুনৰ বিচনাৰ শেষ বাগৰটিলৈ। এজনৰেই গীত, এজনৰেই শব্দ, এজনেই ব্যক্তি। সেইজনেই হ'ল পিতৃ কপিল বৰঠাকুৰ আৰু মাতৃ ইলি বৰঠাকুৰৰ পুত্ৰ অসমৰ যুৱ প্ৰজন্মৰ হাৰ্ট থ্ৰৱ তথা জনপ্ৰিয় কণ্ঠশিল্পী হিয়াৰ আমঠু জুবিন গাৰ্গ।

এটাই নাম, এটাই শব্দ, এটাই পৰিচয়, এটাই মন, এটাই আমাৰ ভাৱনাৰ আকাশমাৰ্গ। প্ৰাণৰ, চেনেহৰ সেইজন পুৰুষৰ নাম সদায় নিৰৱচ্ছিন্নভাৱে বৈ থাকক জুবিন গাৰ্গ।❑

# দুৰ্যোগ ব্যৱস্থাপনাত মহিলাৰ ভূমিকা

ড° (মেজৰ) লীনা শইকীয়া

দুৰ্যোগ ব্যৱস্থাপনা (Disaster Management) হ'ল দুৰ্য্যোগবোৰৰ পৰা হোৱা বা হ'ব লগা ক্ষয়-ক্ষতি কমাবলৈ, ৰোধ কৰিবলৈ আৰু ঘটি যোৱাৰ পিছত পৰিৱেশটোক বা অঞ্চলটোক আগৰ অৱস্থালৈ ঘূৰাই আনিবলৈ চেষ্টা কৰাৰ বাবে বিভিন্ন কৌশল, আঁচনি, পৰিকল্পনা, প্ৰশিক্ষণ আদিৰ ব্যৱস্থা লোৱা আৰু সেইবোৰ জনসাধাৰণ আৰু প্ৰশাসনৰ দ্বাৰা সঠিকভাৱে, সঠিক সময়ত, সঠিক স্থানত বা অঞ্চলত বাস্তৱত ৰূপ দিয়াৰ প্ৰচেষ্টা বা প্ৰক্ৰিয়া। এই ব্যৱস্থাত কেবাটাও স্তৰ থাকে আৰু প্ৰতিটো স্তৰ এটাই আনটোৰ পৰিপূৰক হিচাপে থাকে।

দুৰ্যোগ হৈছে কোনো ভয়াৱহ প্ৰাকৃতিক বিপৰ্যয় বা মানুহে সৃষ্টি কৰা কাৰ্য যাৰ বাবে বহুজন, পশুধন মুঠতে প্ৰাণীৰ প্ৰাণ হানি হোৱাৰ লগতে সা-সম্পত্তি নাশ হ'ব পাৰে যিয়ে সামাজিক, অৰ্থনৈতিক আদি নানা দিশত ভাঙোন আনিব পাৰে। এই দুৰ্য্যোগ দুই ধৰণৰ— প্ৰাকৃতিক (Natural Disaster) আৰু মানৱ-সৃষ্ট (Man-made Disaster)। কেইটামান উল্লেখযোগ্য প্ৰাকৃতিক দুৰ্য্যোগৰ উদাহৰণ হ'ল — ২০০৪ চনত ভাৰত মহাসাগৰত হোৱা চুনামি, ২০০১ চনত গুজৰাটৰ ভোজত হোৱা ভূমিকম্প, ১৯৯৯ চনত উৰিষ্যাত হোৱা ঘূৰ্ণী বতাহ, অসমত প্ৰতি বছৰে হোৱা বানপানী ইত্যাদি। ভূমিকম্প, বানপানী, ভূমিস্খলন, খৰাং, চুনামি, ঘূৰ্ণী বতাহ, তাপ প্ৰৱাহ আৰু শীত প্ৰৱাহ আদি প্ৰাকৃতিক দুৰ্যোগ বন্ধ কৰাৰ উপায় মানুহৰ হাতত নাথাকে। কিন্তু মানৱ সৃষ্ট দুৰ্যোগবোৰ মানুহৰ অজ্ঞতা, অৱহেলা, অদূৰদৰ্শিতা, বেপৰোৱা মনোভাৱ, প্ৰশিক্ষণহীনতা, প্ৰাকৃতিক পৰিৱেশৰ ওপৰত ধ্বংসলীলা চলোৱা আদিৰ বাবে মানুহৰ দ্বাৰাই সৃষ্টি বা



সংঘটিত হয়। কেইটামান মানৱ-সৃষ্ট দুৰ্য্যোগৰ উদাহৰণ হ'ল — ১৯৮৪ চনত ভূপালৰ গেছ ট্ৰেজেদী, ১৯৯৭ চনত দিল্লীৰ উপহাৰ চিনেমা হলত লগা জুই, ১৯৯৫ চনৰ ২৩ ডিচেম্বৰত হাৰিয়ানাৰ ডাবৱালিত হোৱা অগ্নিকাণ্ড (য'ত ৪৪৬ জন ছাত্ৰ-ছাত্ৰীৰ মৃত্যু আৰু ১৬০ জন আহত হয়), ২০০২ চনত ৰাজধানী এক্সপ্ৰেছৰ ডবাচ্যুত হোৱা আদি।

দুৰ্য্যোগ ব্যৱস্থাপনাৰ মুখ্য স্তৰকেইটা হ'ল — (ক) সঁহাৰি আৰু সাহায্য প্ৰদান (Response & Relief), লগতে সন্ধান আৰু উদ্ধাৰ (Search & Rescue), (খ) প্ৰস্তুতিকৰণ (Preparadness), (গ) লাঘৱকৰণ বা হ্ৰাসকৰণ (Mitigation) যিটো দুই ধৰণৰ হ'ব পাৰে— গাঁঠনিক (Structural) আৰু অগাঁঠনিক (Non-Structural), (ঘ) পুনৰ সংস্থাপন আৰু পুনঃনিৰ্মাণ (Rehabilitation & Reconstruction) আদি। দুৰ্য্যোগ ব্যৱস্থাপনাৰ মুখ্য উদ্দেশ্য তিনিটা — (ক) দুৰ্য্যোগ ঘটাৰ আগতেই (Pre-disaster) কিছুমান আঁচনি বা পদক্ষেপ লোৱা হয়, যিয়ে দুৰ্যোগ ঘটাৰ সম্ভাৱনা বা তাৰ পৰা হ'ব পৰা ক্ষতি কমাব পাৰে। (খ) দুৰ্য্যোগ ঘটি থকা সময়ত (During Disaster) যাতে দুৰ্য্যোগগ্ৰস্তসকলক সঠিক সময়ত, সঠিকভাৱে, সঠিক সহায় আগবঢ়াব পৰা যায়। (গ) দুৰ্যোগ ঘটি যোৱাৰ পিছত (Post-Disaster) যাতে ক্ষতিগ্ৰস্তসকলক উদ্ধাৰ কৰি পুনৰ সংস্থাপন আৰু পুনঃনিৰ্মাণ কৰি দিব পৰা যায়।

ক'বলৈ গ'লে দুৰ্যোগৰ পৰা ক্ষতিগ্ৰস্ত হোৱা প্ৰথম আৰু প্ৰধান ব্যক্তি হ'ল মহিলাসকল। বিশেষকৈ দুখীয়া শ্ৰেণীৰ মহিলাসকলে এই দুৰ্যোগৰ পৰা পুৰুষসকলতকৈ বেছি শাৰীৰিক, মানসিক, আৰ্থিক দিশত কষ্ট পায়। দুৰ্যোগৰ সময়ত পুৰুষৰ মৃত্যু হ'লে বা শাৰীৰিকভাৱে অক্ষম হ'লে গোটেই ঘৰখনৰ দায়িত্বৰ ভাৰ মহিলাগৰাকীৰ ওপৰতেই পৰে। পুৰুষতকৈ মহিলাসকলে খাদ্যৰ যোগান, বা-বাতৰি লাভ, অন্যান্য যোগাযোগ বা পৰিবহণ আদিৰ ক্ষেত্ৰত কম সুবিধা পায়। আকৌ দুৰ্যোগৰ সময়ত বা পিছৰ সময়ছোৱাত মহিলাসকলেই ক্ষতিগ্ৰস্ত পৰিয়ালটোৰ সদস্যসকলৰ যত্ন ল'ব লগা হয়; তেওঁলোকৰ বাবে আহাৰ, পানীৰ যোগান ধৰিব লগা হয়; বহু সময়ত হতাশগ্ৰস্তজনক নিজে চাপমুক্ত হৈ মানসিক সুস্থিৰতা আনিবলৈ যৎপৰোনাস্তি চেষ্টা চলাব লগাত পৰে। মুঠতে এনে স্পৰ্শকাতৰ সময়ত মহিলাসকলে অদম্য সাহস, ধৈৰ্য আৰু দক্ষতাৰে সকলো চম্ভালি ল'ব লগাত পৰে। আকৌ মহিলাসকলেই প্ৰাকৃতিক পৰিৱেশৰ অধোগতিৰ বোজা বেছিকৈ বহন কৰিব লগাত পৰে। পৃথিৱীৰ বহুসংখ্যক মহিলাই হাবি-বননিৰ পৰা পানী, খাদ্য আৰু ইন্ধন গোটায়। কাৰিবিয়ানৰ দৰে কিছুমান ঠাইত আনকি মহিলাই বজাৰৰ খাদ্য নিৰ্দ্ধাৰণ কৰে অৰ্থাৎ দেশখনৰ পুষ্টিৰ এক বুজন অংশ মহিলাই নিৰূপণ কৰে। আফ্ৰিকাত প্ৰায় ৭০%, এছিয়াত প্ৰায় ৬০%, লেটিন আমেৰিকাত প্ৰায় ৩০% খাদ্য শস্য মহিলাই উৎপাদন কৰে। সেয়ে প্ৰাকৃতিক পৰিৱেশৰ অৱনতিয়ে মহিলাসকলক প্ৰত্যক্ষভাৱে ঋণাত্মক প্ৰভাৱ পেলায়। প্ৰদূষণযুক্ত পৰিৱেশে সন্তাসম্ভৱা মহিলাসকলৰ লগতে সন্তানৰ স্বাস্থ্যৰ ওপৰতো বিৰূপ প্ৰভাৱ পেলায়। অৱশ্যে মহিলাসকলক প্ৰকৃতিৰ ব্যৱস্থাপক (Nature Manager) বুলি কোৱা হয়, কিয়নো তেওঁলোক অনবৰতে প্ৰকৃতিৰ লগত থাকে বাবে তুলনামূলকভাৱে পুৰুষতকৈ তেওঁলোকৰ প্ৰকৃতি বা প্ৰাকৃতিক পৰিৱেশৰ ওপৰত জ্ঞান বেছি। বহু সময়ত তেওঁলোকে পানীৰ উৎস চিনাক্তকৰণতো পৰামৰ্শ দিব পাৰে। দুৰ্যোগৰ সময়তো মহিলাসকল কিছুমান বিশেষ অসুবিধাৰ সন্মুখীন হয়, যেনে— শিবিৰত চেনিটেৰীৰ অসুবিধা, আছুতীয়াকৈ থকা বা গা-ধোৱা, পায়খানা ঘৰৰ অভাৱ, মহিলা উদ্ধাৰকাৰী বা সাহাৰ্যদান কৰোতাৰ অভাৱ আদি। আকৌ উপযুক্ত প্ৰশিক্ষণৰ অভাৱত বা তথ্য-পাতি লাভ কৰিবলৈ অক্ষম হোৱাৰ বাবে বহু মহিলাই দুৰ্যোগৰ সংকেত বা আগজাননী বুজি নাপায়, আনকি সাহায্য লাভ কৰাৰ পৰাও বঞ্চিত হয়। বিশেষকৈ অকলশৰীয়া মহিলাসকলে দুৰ্যোগৰ এই ক্ষেত্ৰত বহু দিশৰ পৰাই বঞ্চিত হয়।

দুৰ্যোগ ব্যৱস্থাপনা বা দুৰ্যোগ প্ৰশমন ব্যৱস্থাৰ সঁহাৰি আৰু সাহাৰ্যকৰণ হৈছে দুৰ্যোগগ্ৰস্তসকলৰ কষ্ট বা সমস্যা হ্ৰাস কৰিবলৈ লোৱা ব্যৱস্থা। এই ক্ষেত্ৰত সন্ধান আৰু উদ্ধাৰকৰণো অন্তৰ্ভুক্ত হয়। এই কাৰ্যত চৰকাৰ, বেচৰকাৰী অনুষ্ঠান, বিভিন্ন ধৰণৰ সংঘ আদিয়ে বিভিন্নধৰণে কাম কৰে সঠিকভাৱে দুৰ্যোগৰ লগত তিষ্ঠি থাকিবলৈ প্ৰচেষ্টা চলায়। আকৌ এই দুৰ্যোগৰ পৰা হোৱা ক্ষতি কমোৱা বা লাঘৱ কৰা (Mitigation) ব্যৱস্থাও বিভিন্ন সময়ত, বিভিন্ন স্তৰত চৰকাৰ, বেচৰকাৰী অনুষ্ঠান, সমাজৰ গোট আদিয়ে গ্ৰহণ কৰে। গাঠনিক লাঘৱকৰণ (Structural Mitigation) হ'ল ৰাস্তা, দলং আদি নষ্ট হ'লে পুনৰ নিৰ্মাণ কৰা, যাতায়াত ব্যৱস্থা ব্যাহত হ'লে তাক সঠিক কাৰ্যক্ষম কৰি তোলা ইত্যাদি। অন্যহাতে অগাঁঠনিক (Non-Structural Mitigation) বোৰ হ'ল সজাগতা আৰু সাৱধানতা গঢ়ি তোলা, দুৰ্যোগ নহ'বলৈ বা প্ৰশমনৰ বাবে, প্ৰস্তুতিকৰণৰ বাবে আঁচনি বা কিছু কাৰ্যসূচী লোৱা ইত্যাদি। সঠিক সময়ত, সঠিকভাৱে, সঠিক প্ৰস্তুতিৰে কামবোৰ কৰিলে দুৰ্যোগৰ প্ৰভাৱ বহুখিনি কমাব অৰ্থাৎ লাঘৱ কৰিব পৰা যায় আৰু কোনো ক্ষেত্ৰত এনে দুৰ্যোগ নঘটোৱাৰ ব্যৱস্থা কৰিব পৰা যায়। এইবোৰৰ বাবে উপযুক্ত শিক্ষা আৰু প্ৰশিক্ষণৰো প্ৰয়োজন। এই সকলো ক্ষেত্ৰতে মহিলাৰ ভূমিকা আছে, যিহেতু দুৰ্যোগ ব্যৱস্থাপনাৰ বিভিন্ন স্তৰত মহিলাই অংশগ্ৰহণ কৰিলে সেইবোৰ সফল হোৱাৰ সম্ভাৱনা বেছি থাকে। এখন ঘৰত মাকগৰাকীয়ে প্ৰথম শিক্ষাগুৰু আৰু এই দুৰ্যোগ ব্যৱস্থাপনাৰ বিষয়েও মাকগৰাকীয়ে ঘৰখনত সজাগতা আনিব পাৰে, ল'ৰা-ছোৱালীক এই সম্পৰ্কে শিক্ষা দি সজাগতা বৃদ্ধি কৰিব পাৰে। বহু সময়ত প্ৰশাসনে আগবঢ়োৱা এই দুৰ্যোগ ব্যৱস্থাপনাৰ ম'ক প্ৰশিক্ষণ আদিত মহিলা বা স্কুলবোৰত অভিভাৱিকাসকলকো অংশগ্ৰহণ কৰিবলৈ উৎসাহ যোগোৱা উচিত।

প্ৰকৃততে দুৰ্যোগ ব্যৱস্থাপনা বা দুৰ্যোগ প্ৰশমন ব্যৱস্থাৰ প্ৰতিটো স্তৰতে পুৰুষ আৰু মহিলা উভয়ৰে অংশগ্ৰহণ আৱশ্যম্ভাৱী। ১৯৯৪ চনত দক্ষিণ এচিয়াৰ কে'বাখনো দেশ যেনে— ভাৰত, বাংলাদেশ, পাকিস্তান, নেপাল, শ্ৰীলংকা, থাইলেণ্ডৰ অনুষ্ঠান-প্ৰতিষ্ঠান, গৱেষক আৰু প্ৰশিক্ষণপ্ৰাপ্ত ব্যক্তিৰে গঠিত দুৰ্যোগ নিবাৰণ (Duryog Nivaran) নামৰ নেটৱৰ্কৰ দ্বাৰা ১৯৯৬ চনত বাংলাদেশ, পাকিস্তান, শ্ৰীলংকাৰ ছয়টা ঘটনা অধ্যয়ন (Case Study) কৰি দুৰ্যোগৰ সময়ত যে মহিলাৰ ওপৰত বিশেষ গুৰুত্ব দিব লাগে সেয়া উনুকিওৱা হৈছে। মহিলাসকলক উপযুক্ত প্ৰশিক্ষণ দি, সচেতন কৰি তুলি দুৰ্যোগ প্ৰশমন ব্যৱস্থাৰ প্ৰতিটো স্তৰতে অংশগ্ৰহণ কৰাৰ সুযোগ দি বা অংশগ্ৰহণ কৰাত উৎসাহিত কৰিলেহে ইয়াৰ প্ৰকৃত অৰ্থত সুফল পোৱাটো সম্ভৱ হৈ পৰে। বিশ্বায়নৰ যুগত ভাৰতীয় মহিলাৰ মাত্ৰ এটা ক্ষুদ্ৰ অংশ বিশেষকৈ সম্ভ্ৰান্ত আৰু উচ্চ মধ্যবিত্ত শিক্ষিতাচামে বিভিন্ন দিশত উচ্চ স্থান লাভ কৰিছে যদিও সাধাৰণ মহিলাসকলে নানা ক্ষেত্ৰৰ লগতে দুৰ্যোগ ব্যৱস্থাপনা প্ৰক্ৰিয়াটোত বিশেষ ভূমিকা লোৱাৰ সুযোগ লাভ নকৰে। যি মুষ্টিমেয় মহিলাই ভাগ লয় সেয়া এপাচি শাকত এটা জালুকৰ দৰে হয়। মহিলাসকলক এনে কামত ভাগ লোৱাৰ ক্ষেত্ৰত বহু কাৰকেই বাধাৰ প্ৰাচীৰ সৃষ্টি কৰে। বহু সময়ত মহিলাসকল নিজে আগবাঢ়ি নাহে, উপযুক্ত প্ৰশিক্ষণ আৰু প্ৰযুক্তিগত অৰ্হতাৰো অভাৱ; আকৌ সমাজত পুৰুষৰ সমানে সমানে মহিলায়ো দুৰ্যোগ প্ৰশমন ব্যৱস্থাৰ সকলো স্তৰতে ভাগ ল'ব নোৱাৰে বুলি থকা পৰম্পৰাগত ভাব বা ধাৰণাৰ বাবে মহিলাসকল পিছ হুহকি থাকে বা সুযোগ নাপায়। মহিলাসকলকো আনকি শিশুসকলৰ দৰে দুৰ্যোগগ্ৰস্ত বা বিশেষভাৱে ক্ষতিগ্ৰস্ত দলত অন্তৰ্ভুক্ত কৰি ৰখা হয় আৰু বহু সময়ত তেওঁলোকক দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে প্ৰস্তুতিকৰণ আঁচনিবোৰত ভাগ লোৱাৰ

মহিলাসকলে অদম্য সাহস, ধৈৰ্য আৰু দক্ষতাৰে সকলো চম্ভালি ল'ব লগাত পৰে। আকৌ মহিলাসকলেই প্ৰাকৃতিক পৰিৱেশৰ অধোগতিৰ বোজা বেছিকৈ বহন কৰিব লগাত পৰে। পৃথিৱীৰ বহুসংখ্যক মহিলাই হাবি-বননিৰ পৰা পানী, খাদ্য আৰু ইন্ধন গোটায়।

সুযোগ নিদিয়াৰ লগতে উপযুক্ত প্ৰশিক্ষণৰ ক্ষেত্ৰত প্ৰাধান্য দিয়া নহয়। সাধাৰণতে মহিলাসকলক কিছুমান গৌণ কামতহে লিপ্ত ৰখা হয়, যেনে—খাদ্য প্ৰস্তুতকৰণ আৰু বিতৰণ, বা-বাতৰি প্ৰচাৰ, শিশুসকলৰ যতন, স্বাস্থ্য আৰু মনঃস্তত্ত্ব দিশত সঁহাৰি, ঘৰ-দুৱাৰ চোৱাচিতা কৰা ইত্যাদি।

পিছে ইমানবোৰ বাধা স্বত্বেও দুৰ্য্যোগ প্ৰশমনৰ সময়ত সাধাৰণ মহিলাসকলেও বিশেষ ভূমিকা পালন কৰাৰ বহু উদাহৰণ আছে। ২০০১ চনত গুজৰাটত হোৱা ভূমিকম্পৰ পিছত মহিলাসকলে পুনৰ নিৰ্মাণৰ ক্ষেত্ৰত বিশেষ সহায়ৰ হাত আগবঢ়াইছিল। তেওঁলোকে ভঙা-চিঙা আৱৰ্জনাবোৰ চাফা কৰা, অইন সামাজিক কামবোৰ কৰা, আনকি মিস্ত্ৰী হিচাপেও কাম কৰা দেখা গৈছিল। বিভিন্ন সভা-সমিতিত যোগদান কৰাৰ লগতে তেনে সভা পাতি ভূমিকম্প সম্পৰ্কে আলোচনা কৰাৰ লগতে খৰাঙৰ প্ৰসঙ্গটোও উত্থাপন কৰিছিল, যিহেতু ভূমিকম্পৰ পিছতেই ক্ষতিগ্ৰস্ত অঞ্চলত খৰাঙৰ বিষয়টোৱে প্ৰভাৱ পেলাইছিল। গোটেই অঞ্চলটো আগৰ অৱস্থালৈ ঘূৰাই আনিবলৈ, সকলোৰে মনত নিৰাপত্তা আৰু নিৰাপদ মনোভাৱৰ উদয় ঘটাবলৈ সেই মহিলাসকলে চেষ্টাৰ ত্ৰুটি কৰা নাছিল। দক্ষিণ গুজৰাটৰ বানাস্কান্থা নামৰ খৰাং সম্ভাৱনাময় অঞ্চলত পানীৰ অভাৱে বাসিন্দাসকলৰ বাবে জীৱন আৰু জীৱিকাৰ এক প্ৰত্যাহ্বানসূচক সমস্যাৰ সৃষ্টি কৰে। বৰষুণৰ অভাৱত খেতি-বাতি নোহোৱাৰ বাবে তেওঁলোকে খাদ্য, পানীৰ সন্ধানত আন ঠাইলৈ যায়, লগতে ঘৰচীয়া জীৱ-জন্তুবোৰকো লগত লৈ যাব লগাত পৰে। এই জীৱ-জন্তুবোৰক খাদ্য যোগান ধৰাৰ দায়িত্ব মহিলাসকলৰ ওপৰতে ন্যস্ত হয়। তাৰ বাবে সেই অঞ্চলৰ মহিলাসকলে স্ব-নিয়োগ মহিলা সংস্থা (SEWA, Self Employed Women's Association)ৰ ফালৰ পৰা এটা সমবায় গোট গঠন কৰে আৰু খৰাঙৰ প্ৰতিকূল সময়ত ঘৰচীয়া জীৱ-জন্তুবোৰৰ আহাৰ বিতৰণৰ ব্যৱস্থা কৰে। গাঁৱৰ মহিলাসকলৰ বাবেই সেয়া সম্ভৱ হৈ উঠিছিল আৰু চৰকাৰী সাহাৰ্যৰ বাবে বাট চাই থাকিব লগাত পৰা নাছিল; লগতে ঘৰচীয়া জীৱ-জন্তুৰ পোহ-পালনত তেওঁলোকৰ দক্ষতাও বৃদ্ধি পাইছিল।

শ্ৰীলঙ্কাৰ খৰাং অঞ্চলতো জনসাধাৰণে খাদ্য আৰু পানীৰ অভাৱত পৰিছিল; কিন্তু মহিলাসকলে সেই কষ্ট বিভিন্ন উপায়েৰে লাঘৱ কৰিবলৈ সক্ষম হৈছিল। যিমানে খৰাঙৰ দিন আগবাঢ়িছিল, তেওঁলোকে খাদ্য মজুত ৰখাৰ উদ্দেশ্যে প্ৰতিদিনে আহাৰ গ্ৰহণ কৰাৰ পৰিমাণ কিছু কিছু কমাই গৈছিল। 'ভাত সাঁকো' (Rice Settu) পদ্ধতিৰে ৫-১০ টা পৰিয়ালে একেলগে প্ৰত্যেক সপ্তাহ বা মাহত এটা নিৰ্দিষ্ট পৰিমাণৰ চাউল এটা উমৈহতীয়া পাত্ৰত গোটাব লৈছিল। সেই চাউল খৰাং অঞ্চলত প্ৰতিঘৰ মানুহকে এটা ক্ৰমত বিতৰণ কৰা হৈছিল যাতে পৰিয়ালটো খাদ্যৰ অভাৱত নপৰে। আন্দাৰাৱেৰা নামৰ ঠাইত দীৰ্ঘদিনীয়া খৰাঙৰ সময়ত পৰিয়ালক পানীৰ যোগান ধৰিবলৈ মহিলাসকলে টকা সংগ্ৰহ কৰিছিল যাতে এটা বৰ ডাঙৰ প্লাষ্টিকৰ পাত্ৰ কিনি তাত পানী সংগ্ৰহ কৰি জমা ৰাখিব পাৰে। বাংলাদেশত বানপানীৰ সময়ত মহিলাসকলে বহু দূৰলৈ সাঁতুৰি খোৱা পানী সংগ্ৰহ কৰিছিল। তেওঁলোকে টিউবৱেলৰ পৰা পানী সংগ্ৰহ কৰিবলৈ কিছুমান কৌশল অৱলম্বন কৰিছিল আৰু লগতে জুইৰ অভাৱত পানী বিশুদ্ধ কৰা কামতো জড়িত হৈছিল। আনকি আকাল বা অনাটনৰ সময়ত বনৰীয়া, খাব পৰা খাদ্য গোটাই পৰিয়ালৰ ভোক নিবাৰণ কৰিছিল। বানপানীৰ পিছত পুৰুষসকলে খেতি-বাতিৰ বাবে পথাৰ আদি ঠিক-ঠাক কৰাৰ সময়ত মহিলাসকলে বোকা মাটিৰে ঘৰ-দুৱাৰ ঠিক কৰিছিল।

প্ৰাকৃতিক পৰিৱেশীয় সংকট যে প্ৰাকৃতিক দুৰ্যোগৰ বাবে বহু পৰিমাণে দায়ী সেই কথা মহিলাসকলে উপলব্ধি কৰি বিভিন্ন ধৰণৰ পদক্ষেপ বা আন্দোলন গঢ়ি তুলিছে, যেনে — ভাৰতৰ চিপ্‌কো আন্দোলন, কেনিয়াৰ গ্ৰীণ বেল্ট আন্দোলন আদি। সত্তৰ দশকত কাঠৰ ব্যৱসায়ীয়ে হিমালয়ৰ গছ-গছনি কাটি খাস্তাং কৰিবলৈ ওলোৱাত নামনি অঞ্চলত বাস কৰা মহিলাসকলে ঘোৰ বিৰোধিতা কৰিছিল। পৰ্বত-পাহাৰ, হাবি-বননি ধ্বংসৰ লগত যে নৈ-নিজৰা শুকাই যোৱা, বানপানী, খহনীয়া, খৰাং আদি প্ৰাকৃতিক দুৰ্যোগৰ প্ৰত্যক্ষ সম্পৰ্ক আছে সেই কথা অনুধাৱন কৰি, মহিলাসকলে নিজৰ জ্ঞান আৰু বিশ্বাসৰ ওপৰত ভৰষা কৰি কৰ্তৃপক্ষৰ বিপক্ষে থিয় দিলে। প্ৰতিগৰাকীয়ে একোজোপাকৈ গছক সাৱটি ধৰি সেয়া কাটিবলৈ বাধা দিলে। পৰিৱেশ সংৰক্ষণৰ বাবে ন'বেল বঁটা লাভ কৰা বাংগাৰি মাঠায়ে আন এক বিশ্ববিখ্যাত আন্দোলনৰ নেতৃত্ব দিছিল। তেওঁ গ্ৰীণ বেল্ট আন্দোলনৰ জৰিয়তে কেনিয়াৰ হাজাৰ হাজৰ মহিলাক পৰিৱেশ সংৰক্ষণৰ বাবে মাৰ বান্ধি ওলাই আহিবলৈ উদ্বুদ্ধ কৰিছিল।

মুঠতে সমাজৰ অবিচ্ছেদ্য অংশ মহিলাসকলকো দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত আঁচনি তৈয়াৰ কৰাৰ লগতে অঞ্চল অনুসৰি কাৰ্যকৰি কৰি তুলিবলৈ উপযুক্ত প্ৰশিক্ষণ তথা প্ৰযুক্তিগত জ্ঞান লোৱাৰ ব্যৱস্থা থাকিব লাগে। এই ক্ষেত্ৰত মহিলাসকলেও নীচাত্মিকাভাৱ পৰিহাৰ কৰি পুৰুষসকলৰ লগত সমানে অংশগ্ৰহণ কৰিলেহে দুৰ্যোগ ব্যৱস্থাপনা সঁচা অৰ্থত সফল হ'ব। অন্যথা কেৱল প্ৰশাসনৰ জৰিয়তে এয়া সম্ভৱপৰ নহয়।❑

# অন্ধবিশ্বাস আৰু ডাইনী হত্যা ৰোধত
# বিজ্ঞানমনস্ক নাৰী পদ্মশ্ৰী বীৰুবালা ৰাভাৰ ভূমিকা
## এক ঐতিহাসিক আভাস

ববিতা ডেকা



ডাইনী হত্যা পৃথিৱীৰ বিভিন্ন প্ৰান্তত এক স্থায়ী সমস্যা, যাৰ পৰিণতি ডাইনী চৰ্চাৰ অভিযোগত অভিযুক্তসকলৰ বাবে ভয়াবহ পৰিণতি। ভাৰতৰ অসম ৰাজ্যত দশক দশক ধৰি ডাইনী হত্যা পুনৰাবৃত্তিমূলক বিষয় হৈ আহিছে। যুগ যুগ ধৰি ডাইনী হত্যা অসমীয়া সমাজৰ অংগ হৈ আহিছে। এই প্ৰথাৰ শিপা অঞ্চলটোৰ খিলঞ্জীয়া জনগোষ্ঠীৰ জীৱবাদী বিশ্বাসৰ পৰাই অনুসন্ধান কৰিব পাৰি, যিবোৰ পিছলৈ হিন্দু আৰু ইছলামৰ লগত মিহলি হৈ পৰিছিল। অসমত ডাইনী চিকাৰ প্ৰায়ে মহিলাক লক্ষ্য কৰি কৰা হয়, যিসকলৰ বিৰুদ্ধে ডাইনী চৰ্চাৰ অভিযোগ উত্থাপন হয় আৰু নিৰ্যাতন, ৰাজহুৱা লজ্জা, আনকি হত্যাকে ধৰি চৰম হিংসাৰ বলি হয়।

অসমত ডাইনী চিকাৰৰ প্ৰথাই ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত চৰ্চা লাভ কৰিছিল যেতিয়া নব্বৈৰ দশকত ৰাজ্যৰ বিভিন্ন প্ৰান্তত ডাইনী চৰ্চাৰ অভিযোগত কেইবাগৰাকীও মহিলাক নৃশংসভাৱে হত্যা কৰা হৈছিল। তথ্য/খবৰ অনুসৰি ১৯৯৬ চনৰ পৰা ২০০৩ চনৰ ভিতৰত অসমত ডাইনী চিকাৰত ২০০ ৰো অধিক লোকৰ মৃত্যু হৈছিল, ইয়াৰে বেছিভাগেই মহিলা।

ডাইনী হত্যাৰ বলি হোৱা লোকসকল প্ৰায়ে জনজাতীয় জনগোষ্ঠীকে ধৰি প্ৰান্তীয় সম্প্ৰদায়ৰ পৰাই হয়, যিসকল এনে আক্ৰমণৰ আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হয়। বহু ক্ষেত্ৰত ডাইনীৰ অভিযোগ ব্যক্তিগত স্তৰত নিষ্পত্তি কৰিবলৈ, মাটি বা সম্পত্তি দখল কৰিবলৈ বা সমাজৰ সামাজিক বা অৰ্থনৈতিক সমস্যাৰ বাবে দুৰ্বল মহিলাক বলিদানৰ ছাগলী হিচাপে ব্যৱহাৰ কৰা হয়।

**ডাইনী চিকাৰৰ বিৰুদ্ধে যুঁজ দিয়াত বীৰুবালা ৰাভাৰ ভূমিকা ঃ**

আসন্ন বিপদৰপৰা কোনোমতে সাৰি আহিছিল মহিলাগৰাকী। ভিতৰুৱা গাঁওখনৰ অন্ধবিশ্বাসী মানুহবোৰ এচাম দুষ্টলোকৰ প্ৰৰোচনাত পৰি মহিলাগৰাকীক ডাইনী আখ্যা দি আক্ৰমণ কৰিবলৈ সাজু হৈছিল। কিন্তু সেই আক্ৰমণৰণৰা হাত সাৰি আহি ক্ষান্ত নহ'ল তেওঁ, আৰম্ভ কৰিলে এক যুদ্ধ। অন্ধবিশ্বাস আৰু অজ্ঞানতাৰ বিৰুদ্ধে, ডাইনী প্ৰথাৰ বিৰুদ্ধে এক যুদ্ধ। ডাইনী প্ৰথাৰ বলি হোৱাসকলক ৰক্ষা কৰাৰ এক যুঁজ। এখন ভিতৰুৱা গাঁৱৰ জনজাতীয় এই মহিলাগৰাকী আজি বিশ্ববিখ্যাত। শান্তিৰ ন'বেল বঁটাৰ বাবে মনোনীত প্ৰথম গৰাকী অসমীয়া বিৰুবালা ৰাভা। এনে এগৰাকী নাৰী যি এক প্ৰতিবাদী কণ্ঠ ৰূপে থিয় দি সোণোৱালী ইতিহাসত নিজৰ নাম লিপিবদ্ধ কৰাই নহয়, সমাজৰ বাবে এক আভা হৈও উদ্ভাষিত হৈ উঠিছে।

বিৰুবালা ৰাভাৰ জন্ম হৈছিল ১৯৫৪ চনত অসমৰ গোৱালপাৰা জিলাত। গ্ৰাম্য অঞ্চলত ডাঙৰ-দীঘল হৈ তেওঁ নিজৰ সমাজৰ মহিলা আৰু শিশুৰ জীৱনত ডাইনী হত্যাৰ প্ৰভাৱৰ সাক্ষী হৈছিল। তেওঁৰ নিজৰ পৰিয়ালটোও এই সমস্যাৰ পৰা মুক্ত নাছিল, কিয়নো তেওঁ



নিজৰ ভনীয়েকৰ বিৰুদ্ধে ডাইনী চলোৱাৰ অভিযোগ উঠিছিল আৰু নিৰ্মম হিংসাৰ বলি হৈছিল।

এগৰাকী সমাজকৰ্মী তথা মানৱ অধিকাৰ ৰক্ষাকাৰী ৰাভাই ডাইনী চিকাৰৰ প্ৰথাৰ অন্ত পেলোৱাৰ লগতে এই অত্যাচাৰৰ বলি হোৱা লোকসকলক সহায় কৰাৰ বাবে নিজৰ জীৱন উৎসৰ্গা কৰিছে।

ৰাভাই স্কুলৰ শিক্ষয়িত্ৰী হিচাপে নিজৰ কেৰিয়াৰ আৰম্ভ কৰিছিল যদিও অতি সোনকালেই উপলব্ধি কৰিছিল যে তাইৰ প্ৰকৃত আহ্বান হৈছে ডাইনী চিকাৰৰ প্ৰথাৰ বিৰুদ্ধে যুঁজ দিয়া।

প্ৰথমতে গোৱালপাৰা জিলাতে ডাইনী হত্যাৰ বিৰুদ্ধে জনসচেতনতা আনিবলৈ চেষ্টা কৰি যোৱা দুটা দশক ধৰি তেওঁ এই অন্ধবিশ্বাস আঁতৰ কৰিবলৈ সংগ্ৰাম কৰি আহিছে। ১৯৮৫ চনত তেওঁ ঠাকুৰভিলা মহিলা সমিতিৰ সম্পাদিকা হিচাপে দায়িত্ব গ্ৰহণ কৰে। তাৰ পিছত তেওঁ বিভিন্ন গাঁৱে ভুঞে গৈ ডাইনী হত্যাৰ দৰে অন্ধবিশ্বাসসমূহৰ বিষয়ে মানুহক সচেতন কৰিবলৈ চেষ্টা কৰি আহিছে।

পৰিস্থিতিৰ লগত মোকামিলা কৰিব পৰাকৈ বীৰুবালা ৰাভাৰ আছিল অত্যন্ত সাহস। সমাজে এঘৰীয়া কৰিলেও এইগৰাকী যোদ্ধা কিন্তু পিছ পৰি নাথাকিল। ইখনৰ পিছত সিখন গাঁৱলৈ গৈ, কেতিয়াবা বহু দূৰ বাট অকলে খোজ কাঢ়ি ডাইনী অন্ধবিশ্বাস যে অযুক্তিকৰ ধাৰণাৰ কথা বুজাই গ'ল। এনেদৰে এগৰাকী নহয় ৩৫ গৰাকীৰো অধিক ব্যক্তিৰ জীৱন ৰক্ষাৰ বাৰে সাহসেৰে আগভাগ লৈছিল, যাৰ বাবে ডাইনী বিৰোধী অভিযানৰ বাবে ২০০৫ চনত 'প্ৰজেক্ট থাউজেণ্ড উইমেন'ৰ মনোনয়নত শান্তিৰ ন'বেল বঁটাৰ বাবে মনোনীত প্ৰথম অসমীয়া হোৱাৰ যোগ্যতা অৰ্জন কৰে। লাহে লাহে বীৰুবালা ৰাভাৰ বিপক্ষে মাত মতা সকলে বুজি উঠে যে— ডাইনী বুলি একো নাই, মাথোঁ অন্ধবিশ্বাস আৰু সকলোৱে তেখেতক পুনৰ আঁকোৱালি লয়।

২০০০ চনৰ আৰম্ভণিতে তেওঁ বিৰুবালা হিউমেন ৰাইটছ ৱাচ (BHRW) নামৰ এন জি অ' প্ৰতিষ্ঠা কৰিছিল, যিয়ে ডাইনী হত্যাৰ বিষয়টোৰ প্ৰতি সজাগতা বৃদ্ধি আৰু এই অত্যাচাৰৰ বলি হোৱা লোকসকলক সহায় আগবঢ়োৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।

২০০৬ চনত তেওঁ অসম মহিলা সমিতিৰ এই সন্দৰ্ভত চেষ্টা চলাই থকা বিভাগত যোগ দিয়ে। বৰ্তমানলৈকে বিৰুবালা ৰাভাই প্ৰায় কেইবাগৰাকী লোকৰ প্ৰাণৰক্ষা কৰিছে। ২০১১ চনত ডাইনী হত্যাৰ বিৰুদ্ধে তেওঁ গোৱালপাৰা জিলাত 'মিছন বিৰুবালা' আৰম্ভ কৰে। ২০১২ চনৰ ৩০ অক্টোবৰত এই মিছনক ৰাজ্যিক অভিযান হিচাপে স্বীকৃতি দিয়া হয়।

বীৰুবালা ৰাভাৰ সাহস, সততা, দৃঢ়তা দেখি অসমৰ বহু অঞ্চলৰ যুৱক, যুৱতী, পুৰুষ, মহিলা একে উদ্দেশ্যতে কাম কৰি যাবলৈ অন্ধবিশ্বাস, কুসংস্কাৰৰ বিৰুদ্ধে যাত্ৰাত বীৰুবালা ৰাভাৰ লগ হয়। আৰু ইয়াৰ ঠিক এবছৰৰ পিছত ২০১২ চনত আনুষ্ঠানিকভাৱে জন্ম হয় মিছন বীৰুবালা। বীৰুবালা ৰাভাৰ আৰ্দশৰে পুৰিপুষ্ট মিছন বীৰুবালাৰ বৰ্তমান সদস্যৰ সংখ্যা ৮০০ ৰো অধিক। ইতিমধ্যে ইয়াৰ প্ৰায় ১০০ ৰো অধিক সদস্যই অসমৰ মুঠ ১৪ খনৰো অধিক জিলাত অন্ধবিশ্বাস অথবা ডাইনী সন্দৰ্ভত সজাগতা সভা কৰ্মশালা অনুষ্ঠিত কৰি সেৱা আগবঢ়াইছে।

অসমত ডাইনী হত্যাৰ বিৰুদ্ধে যুঁজ দিয়াত ৰাভাৰ অন্যতম উল্লেখযোগ্য অৱদান আছিল এই সমস্যাৰ বিৰুদ্ধে যুঁজিবলৈ সম্প্ৰদায়ভিত্তিক পদ্ধতিৰ বিকাশ। তেওঁৰ মতে ডাইনী চিকাৰৰ প্ৰথাক স্থায়ী কৰি ৰখা মনোভাৱ আৰু বিশ্বাস সলনি কৰিবলৈ সম্প্ৰদায়সমূহৰ সৈতে কাম কৰাটো গুৰুত্বপূৰ্ণ। এই লক্ষ্যত উপনীত হ'বলৈ তেওঁ বিভিন্ন কৌশল ব্যৱহাৰ কৰিছিল, য'ত আছিল সম্প্ৰদায়ৰ সভা, সজাগতা অভিযান, আৰু পৰম্পৰাগত চিকিৎসকৰ সৈতে জড়িত হোৱা, যিসকলে প্ৰায়ে ডাইনী হত্যাৰ ক্ষেত্ৰত আগৰণুৱা।

বিৰুৱালা ৰাভাই ব্যৱহাৰ কৰা এটা মূল কৌশল আছিল পৰম্পৰাগত চিকিৎসকৰ সৈতে জড়িত হৈ মানুহক ডাইনী অভিযোগ কৰাৰ বিপদৰ বিষয়ে জ্ঞান দিয়া। তেওঁ জোৰ দি কয় যে পৰম্পৰাগত নিৰাময় পদ্ধতিৰ ব্যৱহাৰৰ অৰ্থ এইটো নহয় যে কোনোবাই ডাইনী আৰু ডাইনীৰ অভিযোগত নিৰীহ লোকৰ মৃত্যু হ'ব পাৰে। এই প্ৰচেষ্টাসমূহৰ জৰিয়তে ৰাভাই বহু পৰম্পৰাগত চিকিৎসকক মানুহক ডাইনী অভিযোগৰ প্ৰথা পৰিত্যাগ কৰিবলৈ আৰু নিৰাময়ৰ ক্ষেত্ৰত অধিক মাননীয় আৰু যুক্তিবাদী পন্থা গ্ৰহণ কৰিবলৈ পতিয়ন নিয়াবলৈ সক্ষম হৈছিল। বিৰুৱালা ৰাভাৰ কামৰ আন এটা গুৰুত্বপূৰ্ণ দিশ আছিল ডাইনী হত্যাৰ বলি হোৱা লোকসকলক সহায় কৰাত তেওঁৰ মনোনিৱেশ। বি এইচ আৰ ডব্লিউৱে ভুক্তভোগীসকলক আইনী সহায়, চিকিৎসা সেৱা, আৰু পৰামৰ্শকে ধৰি বিভিন্ন সেৱা আগবঢ়াইছিল।

উল্লেখযোগ্য যে মিছন বীৰুবালাই ডিব্ৰুগড় বিশ্ববিদ্যালয়কে ধৰি, দুধনৈ মহাবিদ্যালয়, চাবুৱা ডি ডি আৰ কলেজ, ডিব্ৰু মহাবিদ্যালয়, ফিলাবাৰী কনিষ্ঠ মহাবিদ্যালয় আৰু ছেৰফাংগুৰি মিছন বীৰুবালাৰ কোষ (Working Cell) গঠন কৰিছে, যাতে ই ঘটাব পাৰে এক নৱ চেতনাৰ উন্মেষ। ইতিমধ্যে বহু সন্মানেৰে বিভূষিত হৈছে বীৰুবালা ৰাভা। ডাইনী হত্যাৰ হকে নিজৰ জীৱন সমৰ্পিত কৰা এইগৰাকী মহীয়সী নাৰীয়ে তেখেতৰ কৰ্মৰ বাবে ২০১০ চনত "ৰিলায়েন্স ইণ্ডাষ্ট্ৰী লিঃ"ৰ পৰা "ৰিয়েল হিৰ" খিতাপ, টাই আহোম যুৱ পৰিষদৰ পৰা "বীৰাংগনা মূলা গাভৰু বটা", "জয়মতী বঁটা", "সমাজ প্ৰাণ সেৱা বঁটা" আৰু শেহতীয়াকৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পি. এইচ, ডি., "সৰ্বেশ্বৰ দত্ত সোঁৱৰণী বঁটা-২০১১", ২০১৯ বৰ্ষৰ "আনন্দৰাম ঢেকিয়াল ফুকন" বঁটা, ইত্যাদি বঁটাৰ লগতে ভাৰত চৰকাৰৰ চতুৰ্থ শ্ৰেষ্ঠ অসামৰিক সন্মান পদ্মশ্ৰী বঁটা ২০২১ চনত লাভ কৰে।❑

"উপন্যাসখনিত আছে অফুৰন্ত প্ৰেম, ভালপোৱাৰ এক নিভাঁজ আকুলতা আৰু বাস্তৱ জীৱনত মানুহৰ কৰণীয় কৰ্তব্যৰ এক সাৱলীল পৰিক্ৰমা আৰু তাক পালন কৰিবলৈ যাওঁতে উদ্ভৱ হোৱা ধৰ্ম সংকটৰ টনা আঁজোৰা। সৰল গ্ৰাম্য জীৱনৰ পটভূমিত ৰচিত উপন্যাসখনিৰ মূল চৰিত্ৰ 'বৰদোৱানী'ক তুলি ধৰিছে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বৰদোৱা পবিত্ৰ ধামৰ পৰা আৰু বৰদোৱাৰ সু-সংস্কৃতিৰে পৰিপূৰ্ণ চৰিত্ৰটিয়ে উপন্যাসখনিৰ প্ৰায়বোৰ পৃষ্ঠাতেই পাঠকক তেওঁৰ সততা, সৰলতা, প্ৰেম, নিষ্ঠা, মৰম, কৰ্তব্যবোধেৰে হৃদয় সিক্ত কৰি তুলিবলৈ সক্ষম হৈছে।"




## পাঠকৰ দৃষ্টিৰে

# বৰদোৱানী

### উপন্যাসৰ এটি সমালোচনা

মূৰ্চ্ছনা বেজবৰুৱা

সমালোচনা হৈছে সাহিত্যৰ লগত পোনপটীয়াকৈ সম্পৰ্ক থকা শব্দ, যাক আমি সাহিত্য বা শিল্পৰ গুণাগুণ বিচাৰ কৰা এক কলা বুলি গণ্য কৰোঁ। সাহিত্য সমালোচনাই কোনো সাহিত্য শিল্পৰ বা পাঠৰ বৰ্ণনা, ব্যাখ্যা আৰু মূল্যায়ন এই তিনিটা দিশক মূলতঃ সামৰি লয়। এই সমালোচনা শব্দটো সৃষ্টি হৈছে গ্ৰীক শব্দ Critikos ৰ পৰা, যাৰ ইংৰাজী প্ৰতিশব্দ হৈছে Criticism আৰু এই শব্দটো পোনতে ব্যৱহাৰ কৰিছিল ইংৰাজী সাহিত্যত জন ড্ৰাইডেনে তেওঁৰ "The State of Innocence" গ্ৰন্থৰ পাতনিত এইবুলি— "Criticism as it was first instituted by Aristotle, was meant a standard of judging well."। অৰ্থাৎ অতীজৰে পৰা পৰম্পৰাগতভাৱে চলি অহা সমালোচনা সাহিত্যই গ্ৰীক দাৰ্শনিক এৰিষ্টটলৰ সময়ৰ পৰা এক উচ্চতৰ মৰ্যাদা লাভ কৰিবলৈ সক্ষম হৈছিল আৰু লাহে লাহে সমালোচনা সাহিত্যই সমগ্ৰ বিশ্বতে ব্যাপক প্ৰসাৰ লাভ কৰিবলৈ ধৰে।

২০০০ চনত অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনত আত্মপ্ৰকাশ কৰা মণিকুন্তলা ভট্টাচাৰ্যই ইতিমধ্যে এগৰাকী সংবেদনশীল ঔপন্যাসিকা হিচাপে যথেষ্ট সুনাম আৰু জনপ্ৰিয়তা অৰ্জন কৰিছে। তেখেতৰ ২০০৪ চনত প্ৰথম প্ৰকাশিত উপন্যাস 'সন্ধ্যা' নামৰ উপন্যাসখনি এইড্চ ভিত্তিক উপন্যাস আছিল আৰু আকাশবাণী যোগে প্ৰচাৰিত হৈ জনপ্ৰিয়তা অৰ্জন কৰিছিল। তেখেতৰেই চতুৰ্থ মুক্তিপ্ৰাপ্ত উপন্যাস হৈছে 'বৰদোৱানী' যিখন উপন্যাস ২০০৬ চনৰ নৱেম্বৰত প্ৰথম প্ৰকাশ পায় 'ষ্টুডেণ্টচ্




ষ্ট'ৰচ'ৰ পৰা। বোধকৰোঁ ২০০৬ চনৰ পৰা আজিলৈকে এই উপন্যাসখনৰ প্ৰাসংগিকতা একেই আছে আৰু সেয়া এগৰাকী পাঠক হিচাপে অনুধাৱন কৰিবলৈ সক্ষম হৈছোঁ। পোনতেই ক'ব খুজিছোঁ উপন্যাসখনিত আছে অফুৰন্ত প্ৰেম, ভালপোৱাৰ এক নিভাঁজ আকুলতা আৰু বাস্তৱ জীৱনত মানুহৰ কৰণীয় কৰ্তব্যৰ এক সাৱলীল পৰিক্ৰমা আৰু তাক পালন কৰিবলৈ যাওঁতে উদ্ভৱ হোৱা ধৰ্ম সংকটৰ টনা আঁজোৰা। সৰল গ্ৰাম্য জীৱনৰ পটভূমিত ৰচিত উপন্যাসখনিৰ মূল চৰিত্ৰ 'বৰদোৱানী'ক তুলি ধৰিছে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বৰদোৱা পবিত্ৰ ধামৰ পৰা আৰু বৰদোৱাৰ সু-সংস্কৃতিৰে পৰিপূৰ্ণ চৰিত্ৰটিয়ে উপন্যাসখনিৰ প্ৰায়বোৰ পৃষ্ঠাতেই পাঠকক তেওঁৰ সততা, সৰলতা, প্ৰেম, নিষ্ঠা, মৰম, কৰ্তব্যবোধেৰে হৃদয় সিক্ত কৰি তুলিবলৈ সক্ষম হৈছে। সক্ষম হৈছে জীৱনৰ মহত্ব উপলব্ধিৰে নিজৰ কৰ্তব্যকে সাৰথি কৰি লোৱা এক দুৰ্লভ চৰিত্ৰ হিচাপে পাঠকৰ ওচৰত ধৰা দিবলৈ। উপন্যাসখনিত বৰদোৱানী নামটোৰেই এই আভাস দিয়ে যে তেওঁ বৰদোৱাৰ পৰা অন্য ঠাইলৈ বিবাহ হৈ গৈছে আৰু সেইসূত্ৰে বিবাহ হোৱা স্থানৰ মানুহৰ মুখত তেওঁ বৰদোৱানী হিচাপে পৰিচিত হৈ পৰিছে। আমাৰ অসমীয়া সমাজত সচৰাচৰ এনে এটি পৰম্পৰা প্ৰচলিত যে য'ৰ পৰা এগৰাকী নাৰী বিবাহ হৈ আহে সেই ঠাইৰ নামেৰে তেওঁৰ এটি উপনাম তেওঁৰ স্বামীগৃহ অথবা তেওঁৰ চুবুৰীয়াৰ মুখে মুখে চলি প্ৰচাৰ হৈ যায়। বৰদোৱানী উপন্যাসৰ নামাকৰণে সহজতেই অসমীয়া গ্ৰাম্য সমাজৰ এই ধাৰা স্পষ্ট কৰি তুলিছে আৰু নামটোৰেই এইখন যে এখন গ্ৰাম্য সমাজকেন্দ্ৰিক উপন্যাস তাৰ আভাস দাঙি ধৰিছে।

এতিয়া আহোঁ উপন্যাসৰ কাহিনীভাগলৈ। ইতিমধ্যে ইয়াত কোৱা হৈছে যে ইয়াৰে মূল চৰিত্ৰ বৰদোৱানী। তেওঁৰ সমান্তৰালভাৱে আগবঢ়া আন এটি মুখ্য চৰিত্ৰ হৈছে পুণ্যধৰ আৰু তেওঁ হ'ল বৰদোৱানীৰ স্বামী। অতিশয় মৰমিয়াল, কোমল অথচ কিছু গোঁৱাৰ চৰিত্ৰৰ পুণ্যধৰ বৰদোৱানী ব্যাকুল প্ৰেমিক। অহৰ্নিশে বৰদোৱানীক বুকুৰ মাজত কঢ়িয়াই লৈ ফুৰা পুণ্যধৰ যেন বৰদোৱানী অবিহনে অসমাপ্ত। একেদৰে বৰদোৱানীয়েও বিবাহৰ দিন ধৰি পুণ্যধৰক আৱৰি ৰাখিছে তাইৰ হৃদয়ৰ সমস্ত প্ৰেম আকুলতাৰে। কিন্তু তেওঁলোকৰ এই মৰম স্নেহ আৰু প্ৰেমৰ মাজত অন্তৰায় হিচাপে থিয় দিলে তেওঁলোকৰ সন্তানহীনতাৰ সুযোগ লৈ পৰিয়ালে, সমাজে, মাকক দিয়া বচনে যিখন সমাজ পুৰণিকলীয়া ৰীতি নীতিৰে তেতিয়াও পৰিচালিত হৈ আছিল। যিখন সমাজে সন্তানহীনতাক কোনো কাৰণতে মানি ল'বলৈ নোৱাৰিছিল। বিবাহিত জীৱনত নানান বেজ, কবিৰাজী লগাই তাবিজ মাদলীৰে দেহা গধুৰ কৰি লোৱাৰ পিছতো যেতিয়া সন্তানহীন হিচাপে ছয়বছৰ অতিক্ৰম কৰিলে, তেতিয়া পুণ্যধৰৰ বায়েকহঁতে নতুনকৈ এজনী বিয়া পতাৰ বাবে গাঁৱৰে মধু ফৰেষ্টাৰক ধৰি পুণ্যধৰক মান্তি কৰাবলৈ উঠি-পৰি লাগিল। কিন্তু তেওঁক বৰদোৱানীৰ প্ৰেমে এনেকৈ ডুবাই ৰাখিছিল যে কোনোৰেই সেই কাৰ্যত সক্ষম নহ'ল। এটা সময়ত বৰদোৱানীৰ শাহু, পুণ্যধৰৰ মাক নৰীয়াত পৰি বিচনা লৈ ইহসংসাৰ ত্যাগৰ বাবে আগবাঢ়িল। আন গাঁৱলীয়া সমাজৰ দৰেই দিন ৰাতি তেওঁৰ কাষত পুথিপাঠ, হৰি গুণ গান চলিল যাতে তেওঁ ঈশ্বৰৰ নাম লৈ সকলো মোহে ত্যাগি এই সংসাৰৰ পৰা মুকলি হৈ যাব পাৰে। কিন্তু কাৰ্যত তেনে নহ'ল। তেওঁৰ দেহা ক্ৰমশঃ ক্ষয়প্ৰাপ্ত হৈ গৈ থাকিল যদিও দেহে জীৱ ত্যাগ নকৰেহে নকৰে। এটা সময়ত তেওঁৰ মাতবোলো নোহোৱা হৈ আহিল। তেনে সময়তে এবাৰ মুখেৰে বিৰবিৰোৱা শুনি স্থানীয় অভিভাৱকৰূপী মধু ফৰেষ্টাৰে তেওঁৰ একমাত্ৰ পুতেক পুণ্যধৰক ওচৰত বিচৰা বুলি তেওঁক মাত দিবলৈ জোৰ কৰিলে। পুণ্যধৰে মাত দিয়াৰ লগে লগে তেওঁৰ মৃত্যুমুখী ম্লান মুখখন এক স্বৰ্গীয় জ্যোতিৰে উদ্ভাসিত হৈ উঠিল। তেওঁ মধু ফৰেষ্টাৰৰ সহযোগত পুত্ৰৰ মুখৰ পৰা বংশ ৰক্ষাৰ বাবে দ্বিতীয় বিবাহৰ বচন আদায় কৰি সন্তুষ্টিৰে ইহলীলা সামৰিলে। এইটোৰেই আছিল পুণ্যধৰ আৰু বৰদোৱানীৰ জীৱনৰ আটাইতকৈ কৰুণতম সময়, ধৰ্ম সংকটৰ সময়। বায়েক, চুবুৰীয়া, মধু ফৰেষ্টাৰ সকলোৰে তাগিদাত পুণ্যধৰে বংশ ৰক্ষাৰ বাবে দুখীয়া পৰিয়ালৰ জীয়ৰী ৰেণুমাইক আনিবলৈ বাধ্য হ'ল যদিও হৃদয়েৰে গ্ৰহণ কৰিবলৈ নোৱাৰিলে। ইফালে জোৰ কৰি বৰদোৱানীয়ে তেওঁৰ বুকুৰ দুৰন্ত প্ৰেমিকজনক আঁতৰাই পঠিয়াবলৈ বাধ্য হ'ল সমাজৰ দায়, কৰ্তব্য দায়ত পৰাৰ শংকাত। সমাজে তেওঁলোকক দূৰ কৰিলে ঠিকেই, কিন্তু শৰীৰেৰে যিমানেই বেছি

এটা সময়ত বৰদোৱানীৰ শাহু, পুণ্যধৰৰ মাক নবীয়াত পৰি বিচনা লৈ ইহসংসাৰ ত্যাগৰ বাবে আগবাঢ়িল। আন গাঁৱলীয়া সমাজৰ দৰেই দিন ৰাতি তেওঁৰ কাষত পুথিপাঠ, হৰি গুণ গান চলিল যাতে তেওঁ ঈশ্বৰৰ নাম লৈ সকলো মোহে ত্যাগি এই সংসাৰৰ পৰা মুকলি হৈ যাব পাৰে। কিন্তু কাৰ্যত তেনে নহ'ল। তেওঁৰ দেহা ক্ৰমশঃ ক্ষয়প্ৰাপ্ত হৈ গৈ থাকিল যদিও দেহে জীৱ ত্যাগ নকৰেহে নকৰে। এটা সময়ত তেওঁৰ মাতবোলো নোহোৱা হৈ আহিল।

দূৰ হ'ল, মনেৰে সিমানেই বেছি ওচৰ চাপি আহিল। ৰেণুমাইক বিয়া কৰায়েই তেওঁক সংগ নিদিয়াকৈ পামলৈ গুচি যোৱা পুণ্যধৰক বুজাই বঢ়াই আনি তাইৰ ওচৰলৈ পঠিওৱাৰ গধুৰ দায়িত্বও পালিবলগীয়া হ'ল বৰদোৱানীয়েই। এগৰাকী তিৰোতাৰ বাবে ইয়াতকৈও চৰম ট্ৰেজেডী আৰু কিবা থাকিব পাৰেনে!

বৰদোৱানীয়ে যিমানেই তেওঁক আঁতৰাবলৈ যত্ন কৰিলে সিমানেই দগ্ধ হ'ল তেওঁৰ অভ্যন্তৰ। আৰম্ভ হ'ল দুয়োৰে মাজত মান অভিমান, অভিযোগ, প্ৰতি-অভিযোগ। বৰদোৱানী আছিল পুণ্যধৰৰ বাবে সকলো। আনহাতে পুণ্যধৰো আছিল বৰদোৱানীৰ বাবে এটি নিষ্পাপ শিশু, যাক তেওঁৰ কোলাৰ উমেৰে শান্ত কৰিব পাৰিছিল। কিন্তু সকলো যেন কৰ্তব্যদায়ত শেষ কৰিবলগীয়া হ'ল বুকুত এখন লোহাৰ কপাট বান্ধি। এটা সময়ত ৰেণুমাই মাতৃ হ'ল, কোলালৈ আহিল দুটিকৈ সন্তান লক্ষ্য আৰু কান্তা। কান্তাক লৈ ৰেণুমাই থাকিল পামত, লক্ষ্যক গতাই দিলে পুণ্যধৰে বৰদোৱানীৰ হাতত। মাজতে গাঁও আৰু পামলৈ তাঁতবাতি কৰি থাকিল পুণ্যধৰে।

একলা দুকলাকৈ ডাঙৰ কৰা লক্ষ্যৰ গাত মাকক সুৰক্ষা দিয়াৰ তেজে তগবগাই উঠিল, পৰিৱৰ্তন ঘটিল গাঁওখনত অভাৱনীয়ভাৱে। খেৰীঘৰৰ ঠাইত টিনপাত উঠা, গাঁৱৰ মানুহ ৰাজআলিৰ কাষলৈ উঠি যোৱাৰ প্ৰৱণতা, ভাং জুৱাৰ আড্ডা আদিৰ পয়োভৰে এক অচিনাকি বা বলাই গাঁওখন অস্থিৰ কৰা সময়তে বৰদোৱানীয়ে অপ্ৰত্যাশিতভাৱে দুৰ্বিত্তৰ হাতত হেৰুৱাবলগীয়া হ'ল তেওঁৰ প্ৰাণৰ পুৰুষ পুণ্যধৰক, হেৰুৱাবলগীয়া হ'ল সোণপুতলী লক্ষ্যক। জীৱনত প্ৰেম বুলি বীজ সিঁচি অপ্ৰকাশিতভাৱে ৰৈ যোৱা বৰদোৱাৰ বকুলৰ আত্মহননেও বৰদোৱানীক অস্থিৰ কৰিলে বহুসময়ত। শেষত দেখা গ'ল স্বামী পুত্ৰক হেৰুৱাই ৰেণুমায়ে তাইৰ মানসিক সুস্থতা হেৰুৱাই পেলালে আৰু তাইকো নিচুকোৱাৰ দায়িত্ব ল'বলগীয়া হ'ল বৰদোৱানীয়ে, দায়িত্ব ল'বলগীয়া হ'ল গাভৰু কান্তাৰো সম্পূৰ্ণ স্থিতপ্ৰজ্ঞতাৰে। ইমানদিনে পৃথিৱীখন চেপেটা জ্ঞান কৰি অহা বৰদোৱানীয়ে শেষলৈ বুজিলে পৃথিৱীখন তাই ভবাৰ দৰে স্থিৰ নহয় বৰঞ্চ এক দুৰ্বোধ্য ঘূৰ্ণনে তাইৰ পৃথিৱীখন ওলট-পালট কৰি তুলিলে আৰু তাত তায়ো পৃথিৱীৰ দৰেই ঘূৰি থাকিল বাধাহীনভাৱে। এয়ে আছিল উপন্যাসখনিৰ মূল কাহিনীভাগ। ইয়াৰ মাজতে অনেক পাৰ্শ্ব চৰিত্ৰই উপন্যাসখনিৰ কাহিনীভাগক আগবঢ়াই লৈ গৈছে। তাৰে ভিতৰত কেইটিমান হ'ল তেওঁৰ ননদ লাহৰী, বাই শাহুহঁত, সিদ্ধেশ্বৰ, তৰামাই, অজিত, হৰিপ্ৰভা, কামদাপ্ৰসাদৰ বিধৱা ঘৈণীয়েক আদি।

এই কাহিনীটিকে আগবঢ়াই লৈ যাওঁতে লেখিকাই ইমান বেছি আবেদন ঢালি গৈছে যে তাত এখন্তেকো উজুটি খাই ৰৈ যোৱাৰ অৱকাশ নাই। কাহিনীৰ বৰ্ণনাই আমাক লৈ যায় নৱৈ দশকৰ অসমৰ গ্ৰাম্য সমাজৰ পৰিবেশলৈ। তেতিয়া গাঁওবোৰত লাহে লাহে আধুনিকতাৰ প্ৰলেপ পৰিবলৈ আৰম্ভ কৰিছিল। নতুনকৈ উঠি অহা ডেকাৰ মুখত লেকাম নোহোৱা কথা শুনিবলৈ পোৱাটোও সহজ হৈ পৰিছিল। তাতোকৈ ডাঙৰ কথা এই সময়ছোৱাতে নিষিদ্ধ ঘোষিত আল্ফা নামৰ সংগঠনটোৱে গা কৰি উঠি অসমৰ আকাশ-বতাহ কঁপাই তুলিছিল। ডেকাচামৰ কিছুমানৰ মাজত এই সংগঠনত যোগ দিয়াৰ প্ৰৱণতাই গাঢ় কৰি উঠিছিল। তাৰ মাজতো গ্ৰাম্য সৰলতাৰ মাজত জীৱন অতিবাহিত কৰিছিল পুণ্যধৰ, বৰদোৱানী, তৰামাই, হৰিপ্ৰভাহঁতে খেতিখোলা, গৰু-গোহালি প্ৰতিপালনৰ মাজতেই নিজকে ব্যস্ত ৰাখি। তাৰমাজতেই এগৰাকী পুৰুষে দুগৰাকী নাৰীক পত্নীৰূপে গ্ৰহণ কৰি সংসাৰ চলিবলৈ যাওঁতে যি অন্তৰ্দ্বন্দ্ব চলে, সেয়া অতিকে সংবেদনশীল।




এইক্ষেত্ৰত লেখিকাই উপন্যাসখনৰ পাতনিত নিজেই উল্লেখ কৰিছে— "অনেক উত্থান পতন ঘটিবলৈ আৰম্ভ কৰিলে সেই ঘৰখনত...। কিন্তু সেই কাহিনী মই লিখা নাই। এজন পুৰুষে দুগৰাকী স্ত্ৰীৰ পাণিগ্ৰহণ কৰাৰ ফলত কি ৰূপ ধাৰণ কৰিব পাৰে এখন ঘৰে, সেয়াহে লিখিছোঁ। লিখিছোঁ শৈশৱতে মই তিল তিলকৈ হেঁপাহ পলুৱাই উশাহত উজোৱা এখন গাঁৱৰ নিৰ্যাসৰ বৰ্ণনা। স্মৰণ কৰি কৰি লিখিছোঁ মাত কথাবোৰ, বৰদোৱানীৰ ঘৰৰ কোঠা, চোতাল, বাৰী আৰু তেওঁলোকৰ খোজৰ ভংগী অথবা পোছাক পৰিচ্ছদৰ কথা।"

এগৰাকী পাঠক হিচাপে মই ক'ব খোজা কথাটো এই যে, যি উদ্দেশ্য আগত ৰাখি লেখিকাই উপন্যাসখন লিখিছিল, তাত তেওঁ সম্পূৰ্ণ সফল হৈছে আৰু সেইবাবেই বৰদোৱানী এখনি সুখপাঠ্য উপন্যাস, পাঠক হৃদয়ৰ চুক-কোণ চুই সেমেকাই তুলিব পৰাকৈ আবেদনময়ী উপন্যাস। এই চেগতে এনে এখনি উপন্যাস পাঠকৰ হাতত তুলি দি অসমীয়া সাহিত্যৰ পাঠকৰ মন ভৰাই তোলা লেখিকালৈ মোৰ প্ৰীতিভৰা শ্ৰদ্ধা নিবেদন কৰি মোৰ এই চালুকীয়া সমালোচনাত্মক লেখাৰ সামৰণি মাৰিছোঁ।❑

‘বকুল ফুলৰ দৰে’ এখন ইতিবাচক চিন্তাধাৰাৰে ভৰপূৰ উপন্যাস। তথাপি কোনোবাখিনিত লেখকে অসীম আৰু নিৰ্মলৰ কাহিনীটোক আগবঢ়াই লৈ যাবৰ বাবে অনুভৱ মাষ্টৰৰ চৰিত্ৰটোক কাহিনীত ৰূপায়ণ কৰাৰ দৰে অনুভৱ হয়। বাস্তৱিকতাৰ ফালৰ পৰা কিছু ক্ষেত্ৰত মোৰ বোধেৰে অলপমান হ'লেও যেন সুৰুঙা ৰৈ গৈছে উপন্যাসখনিৰ কাহিনীটো আৰু কিছু সত্য ৰূপত উপস্থাপন ৰূপত ধৰি ৰাখিবলৈ। যিহেতু উপন্যাস এখনত সংশ্লিষ্ট থকা আটাইবোৰ চৰিত্ৰকে সমানে আগুৱাই লৈ যোৱাটো জৰুৰী তেনে ক্ষেত্ৰত আন আন চৰিত্ৰসমূহৰ তুলনাত অসীমৰ চৰিত্ৰটোক অতি বেছি প্ৰাধান্য দিয়াৰ দৰেও অনুভৱ হয়। কিছু ক্ষেত্ৰত শিক্ষাৰ লগত আৰু কিছু পুৰণি-নতুন সংযোগ ঘটাই চালে উপন্যাসখনে আৰু কিছু বিশেষত্ব লাভ কৰিলেহেঁতেন মনে কয়।




## গঠনমূলক দৃষ্টিভঙ্গীত

# বকুল ফুলৰ দৰে

**দীপশিখা দেৱী**

ড° মৃণাল কলিতাদেৱৰ প্ৰথমখন উপন্যাস ‘বকুল ফুলৰ দৰে’ প্ৰতিজন ছাত্ৰ-ছাত্ৰী তথা গ্ৰন্থ পঢ়ুৱৈৰ মন খুব সহজে চুই যাব পৰা এখন সময় উপযোগী গ্ৰন্থ। সাধাৰণ দৃষ্টিত এই উপন্যাসখন শিশু উপন্যাস যেন অনুভৱ হয় যদিও কাহিনীৰ বিৱৰণে সমাজৰ সকলো বয়সৰ পাঠককে এক বিশেষ সোৱাদেৰে পৰিপুষ্ট কৰি তুলিব পাৰে। বৰ্তমানলৈকে পঢ়া গ্ৰন্থসমূহৰ ভিতৰত ‘বকুল ফুলৰ দৰে’ দৰে গ্ৰন্থখনে মনত দকৈ সাঁচ বহুৱাই গৈছে। গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ দ্বাৰা ধাৰাবাহিকভাৱে এই উপন্যাসখন প্ৰচাৰ হৈছে। গ্ৰন্থখন পঢ়ি থাকোতে বহু ল'ৰা-ছোৱালীয়ে চৰিত্ৰ সমূহৰ মাজত নিজক বিচাৰি পাব। ২০১৫ চনত বান্ধৱ প্ৰকাশনৰ দ্বাৰা প্ৰথমবাৰৰ বাবে ই প্ৰকাশ হোৱাৰ পিছত বহুতো সংস্কৰণ প্ৰকাশ পায়। উল্লেখনীয় যে ২০২১ বৰ্ষত ‘বকুল ফুলৰ দৰে’ উপন্যাসখনে সাহিত্য অকাডেমীৰ শিশু সাহিত্য বঁটা লাভ কৰে।

গতানুগতিক জীৱনত আমাৰ চৌপাশে ঘটি থকা ঘটনা কিছুমানক মূল কেন্দ্ৰবিন্দু হিচাপে লৈ উপন্যাসৰ কাহিনী ভাগ যথেষ্ট সৰল অথচ হৃদয়স্পৰ্শী কৰি উপস্থাপন কৰিছে। ছাত্ৰ জীৱনত প্ৰায় প্ৰতিজন ল'ৰা-ছোৱালীয়ে সন্মুখীন হোৱা সমস্যাসমূহ কিম্বা ঘাত-প্ৰতিঘাতবোৰকো নেওচা দি কিদৰে নিজকে আগবঢ়াই নিব পাৰি তাৰ উদাহৰণ ইয়াত প্ৰকাশ পাইছে। দৰিদ্ৰতাই গ্ৰাস কৰা এটা সাধাৰণ পৰিয়ালৰ ল'ৰা অসীম আৰু ৰুগীয়া অথচ দৃঢ় মনোবলৰ লগতে কোমল হৃদয়ৰ গৰাকী নিৰ্মল। দুয়োৰে জীৱন যুদ্ধৰ কাহিনীৰ বিৱৰণ বকুল ফুলৰ দৰে ।

কেইবাটাও চৰিত্ৰ সংশ্লিষ্ট হৈ থকা উপন্যাসখনৰ আৰম্ভণি অসীম নামৰ ছাত্ৰ এজনৰ দ্বাৰা হয়। দৰিদ্ৰতাই জৰ্জৰিত কৰা অথচ এজন মেধাৱী ছাত্ৰ অসীম। মদাহী পিতৃৰ পৰিয়ালৰ প্ৰতি কোনো দায়িত্ব আগ্ৰহ নথকা বাবে বয়সৰ বহু আগতেই প্ৰাপ্তবয়স্কৰ দৰে দায়িত্ব গ্ৰহণ কৰিব লগা হৈছিল অসীমে। পিতৃৰ কান্ধ এৰা স্বভাৱৰ বাবে একমাত্ৰ ভনীয়েকক পঢ়ুৱাবলৈ নিজে পঢ়া এৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। দেউতাকৰ বিপৰীতে মাকৰ সন্তানক পঢ়ুওৱাৰ দুৰ্বাৰ হেঁপাহ থকাৰ পিছতো আনৰ ঘৰত কাম কৰি পোৱা পইচাখিনিৰে সেয়া অলৌকিক কল্পনা আছিল।

স্কুলত নিজৰ মেধাসম্পন্ন গুণৰ বাবে সকলোৰে প্ৰিয়পাত্ৰ অসীম সময়ৰ লগে লগে তাৰ অৱনতি ঘটিছিল। এসাজ খালে আন সাজলৈ চিন্তা কৰিবলগীয়া হোৱাত অসীমে নিজৰ পঢ়া সামৰি শিলৰ কুঁৱেৰীত কাম কৰিবলৈ যোৱা কথাটো সহজভাবে ল'ব পৰা নাছিল বন্ধু নিৰ্মলে। এদিন কুঁৱেৰীলৈ বিচাৰি গৈছিল অসীমক। নিৰ্মলে জানিছিল অসীমৰ মেধাৰ কথা। যদিও অসীমৰ পঢ়াৰ প্ৰতি ধাউতি কমি যোৱাৰ বাবে অতদিনে অসীমে অধিকাৰ কৰি অহা প্ৰথম স্থান নিৰ্মলে অধিকাৰ কৰিবলৈ সক্ষম হয় সেই প্ৰাপ্তিয়ে অকণো সুখী কৰিব পৰা নাছিল। নিজৰ শাৰীৰিক অক্ষমতাৰ পাছতো নিৰ্মলে অসীমক সহায় কৰিবলৈ আগবাঢ়ি আহে। কাহিনীৰ এইখিনিতে মৃণাল কলিতাদেৱে দাঙি ধৰে বন্ধুত্বৰ এখন নিৰ্ভেজাল, নিঃস্বাৰ্থ প্ৰতিচ্ছবি।

অসীমৰ মেধাৰ ওপৰত নিৰ্মলৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী সকলৰো যথেষ্ট বিশ্বাস আছিল। স্কুলৰ আটাইতকৈ কাঢ়া শিক্ষক মহেন্দ্ৰ মাষ্টৰেও অসীমক এটুকুৰা হীৰাৰ লগত তুলনা কৰি কৈছিল অসীমে এদিন স্কুললৈ গৌৰৱ কঢ়িয়াই আনিব হীৰাৰ দৰে জিলিকিব। পৰিয়ালৰ সমস্যাৰ লগতে দিনে দিনে বাঢ়ি অহা দেউতাকৰ জঘন্য কামবোৰে নীৰৱ কৰি পেলাইছিল অসীমক। কিদৰে অহৰহ নিজৰ মাজতে এখন যুদ্ধ চলাই ফুৰিছিল অসীমে। কাহিনীৰ মাজভাগত সংযোজিত হোৱা অনুভৱ মাষ্টৰৰ চৰিত্ৰই বাৰুকৈ প্ৰভাৱ পেলাইছিল অসীমৰ জীৱনত। স্কুল এৰি কুঁৱেৰীত কাম কৰিবলৈ যোৱা অসীমক পুনৰাই পঢ়া শুনাৰ মাজলৈ উভতাই আনিছিল অনুভৱ মাষ্টৰে। নিৰ্মল আৰু অনুভৱ মাষ্টৰৰ প্ৰচেষ্টাত অসীমে মেট্ৰিকত ৰাজ্যৰ ভিতৰতে প্ৰথম স্থান দখল কৰিবলৈ সক্ষম হয়। কাহিনীৰ মধ্য ভাগত উপস্থাপন কৰা অনুভৱ মাষ্টৰ অসীমৰ লগতে সকলো ছাত্ৰ-ছাত্ৰীৰ জীৱনত উপহাৰস্বৰূপ। বৰ্তমান সমাজত তেনে শিক্ষকৰ যথেষ্ট প্ৰয়োজন। সাধাৰণতে সকলোৰে ভয় কৰা অংকৰ দৰে জটিল বিষয় এটাক সৰলভাৱে বৰ্ণনা কৰি অংক কৰাৰ আনন্দ প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীৰ মনৰ পৰা বিষয় টোৰ প্ৰতি থকা ভয় শংকা দূৰ কৰিব পৰাটো প্ৰকৃত শিক্ষকৰ চিন। উপন্যাস এখন পঢ়ি যাওঁতে কিছুমান চৰিত্ৰই আমাৰ মন চুই যায় ঠিক তেনে এটা চৰিত্ৰ অনুভৱ মাষ্টৰ। তাৰোপৰি ছাত্ৰ-ছাত্ৰীৰ সফলতাৰে আনন্দ বিচাৰি প্ৰতিজন শিক্ষকে সেই কথাৰ প্ৰমাণ মেট্ৰিক পৰীক্ষাৰ দিনা ৰাজ্যৰ ভিতৰতে স্থান লাভ কৰাৰ পিছত মততে গহীন হৈ থকা মহেন্দ্ৰ মাষ্টৰে সকলোৰে আগতে সাবটি ধৰি ফেকুৰি উঠিছিল। বিভিন্ন বাধা বিঘিনিকো নেওচা দি আগবাঢ়ি যোৱা নিৰ্মল আৰু অসীমৰ কাহিনী সমাজৰ বহু ল'ৰা-ছোৱালীৰ কাৰণে প্ৰেৰণাৰ উৎস। লগতে মেট্ৰিকৰ ৰিজাল্ট দিয়াৰ দিনা সীমান্ত নামৰ ল'ৰাটোৰ বাহিৰে যেতিয়া সকলোৰে পাছ কৰিছিল তাৰ কাষত বৈ অনুভৱ মাষ্টৰে বুজনি দিছিল— কেৱল সিয়ে যে ইমান ধুনীয়া বাঁহী বজাব পাৰে। এইখিনিতে মৃণাল কলিতাদেৱে এই কথা স্পষ্টভাৱে ফুটাই তুলিছে যে প্ৰতিজন ব্যক্তিয়ে কিছু বিশেষ প্ৰতিভা লৈ জন্মগ্ৰহণ কৰে।

'বকুল ফুলৰ দৰে' এখন ইতিবাচক চিন্তাধাৰাৰে ভৰপূৰ উপন্যাস। তথাপি কোনোবাখিনিত লেখকে অসীম আৰু নিৰ্মলৰ কাহিনীটোক আগবঢ়াই লৈ যাবৰ বাবে অনুভৱ মাষ্টৰৰ চৰিত্ৰটোক কাহিনীত ৰূপায়ণ কৰাৰ দৰে অনুভৱ হয়। বাস্তৱিকতাৰ ফালৰ পৰা কিছু ক্ষেত্ৰত মোৰ বোধেৰে অলপমান হ'লেও যেন সুৰুঙা বৈ গৈছে উপন্যাসখনিৰ কাহিনীটো আৰু কিছু সত্য ৰূপত উপস্থাপন ৰূপত ধৰি ৰাখিবলৈ। যিহেতু উপন্যাস এখনত সংশ্লিষ্ট থকা আটাইবোৰ চৰিত্ৰকে সমানে আগুৱাই লৈ যোৱাটো জৰুৰী তেনে ক্ষেত্ৰত আন আন চৰিত্ৰসমূহৰ তুলনাত অসীমৰ চৰিত্ৰটোক অতি বেছি প্ৰাধান্য দিয়াৰ দৰেও অনুভৱ হয়। কিছু ক্ষেত্ৰত শিক্ষাৰ লগত আৰু কিছু পুৰণি-নতুন সংযোগ ঘটাই চালে উপন্যাসখনে আৰু কিছু বিশেষত্ব লাভ কৰিলেহেঁতেন মনে কয়।




ইতিবাচক, নেতিবাচক সকলো দৃষ্টিভংগীৰে চালি জাৰি চায় এটা বস্তু প্ৰতিফলিত হয় যে, গ্ৰন্থখনে অসমৰ সাহিত্য জগতত পাঠক সমাজৰ মাজত যথেষ্ট সমাদৃত হৈছে। ভৱিষ্যতেও এনেধৰণৰ গ্ৰন্থৰ দ্বাৰা লিখকে অসমৰ সাহিত্য আন্দোলনটি আগবঢ়াই নিয়াত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰো।

মুঠৰ ওপৰত উপন্যাসখনত সাহিত্যিক মৃণাল কলিতাদেৱে সচৰাচৰ আমাৰ চৌপাশে ঘটি থকা ঘটনাবোৰকে সুন্দৰ ভাবে উপস্থাপন কৰি তুলিছে। উপন্যাসখনৰ আটাইতকৈ ভাল লগা দিশটো হৈছে এখন বাস্তৱধৰ্মী আৰু অনুপ্ৰেৰণা দায়ক তথা সময়োপযোগী উপন্যাস। মৃণাল কলিতাদেৱৰ 'বকুল ফুলৰ দৰে' সাহিত্য জগতৰ বাবে এক অনবদ্য অৱদান।❑










# A N E K

## An Attempt of Abolishing or Establishing The 'Mainlander's Gaze' towards NE !

**Arlin Siblina**

Traditionally, a film is a set of moving images. Earlier people could only watch movies either in movie theatre or on the televisions. But now that a new kind of platform, which is different than the traditional method, that is OTT (Over the Top) platforms has emerged, numerous films and web seies are available on the palms of our hands. But this easy availability and accessibility have raised the bar of competition, as well as gave the

audience to choose and express their opinions on various social media platforms. So, in recent years a growing tendency can be noticed of avoiding typical "Bollywood masala movies" with extravagant scenes and events, larger than life heroes, exorbitant drama and dance sequence etc, rather the makers try to mingle a social commentary to the film narrative. Many film makers have created impactfully beautiful films following this path, such as Taare Zameen Par, Pink, Kahani, Bodhai Ho, Bulbul to name a few. The audience have loved these movies, and the main reason behind it is, while the audience can relate to the characters and the story, at the same time the social commentary doesnot fell forces or on the face of the audience and flows easily along with the story or narrative, hence their cinematic experience remain unimpacted. And this in the essence of cinema, because although the audience wants to see a story and characters they can relate to on the screen, at the same time they want to avoid their actual life. On the other hand narrative forces only the social commentary with less favourable cinematic experience it feels like an attempt to forcefully feed some moral lesson to the audience. When it comes to the directors who present outstanding social messages with their film, Anubhav Sinha is one of the major names in Bollywood, for example his film "Article 15". His movie Anek was being promoted everywhere as a movie about the people of North East India. It is a thriller that was intended to show the political tension between the centre and the North East region, and the barriers people of this region have to cross to be accepted as Indians by the rest of the Indians. Being promoted with this social commentary, Anek a highly anticipated film by Anubhav Sinha, was released on $27^{th}$ May of 2022. Movie enthusiasts were excited to see if this is a masterpieces which really shows the struggles of North East India or only uses it as USP (Unique Selling Point).

Anek starts with a scene where a North Eastern girl, who is the female protagonist of the film, who is a boxer, was arrested by the police without any reason and they called her 'Nepali'. 'Parlour wali, 'massage wali' etc. The name of the protagonist was Aido. The next scene, we can see that the coach of the Indian Boxing team was not willing to take her in the team and cracks racist 'jokes'. Then the scene shifts to the narration from the main male protagonist, Aman, who is an under cover spy, living in North East using a fake name Jashua. Then the story proceeds to show the terrorist groups, villages full of separatists and the movement supporters, boys who are minors aging just 14 or 15, getting fully armed etc. Aman narrates how there are so many terrorist or separatist group who wants independence from India in North East and among them Tiger Sangha group becames the most powerful that the only point to take this group to the discussion table left was to threaten them by the rise of another group, hence the government creates a group named Johnson. But to government's surprise Johnson group becames active, and their supporters grows rapidly, however Tiger Sangha agreed for a peace treaty fearing that his dominance going to end after the rise of Johnson and head of the government promised to make him a political leader. Then Jashua or Aman's mission became to detect who is Johnson, the group that he himself had created. After all at the end the found him, and Aido eventually got selected in Indian team.

The movie has an average to moderately good opening, showing the depiction of racism towards people of NE. The good aspects of the movie were the showcase of city and village life, the acting, of the supporting cast, beautifully captured sceneries of North-East. Other than that this movie leaves no great impact. It can be said that, one scene where innocent fifteen year or no did boy picks up gun for the first time is really emotional, but to feel those emotion one has to know the back story, and this is the point where this movie lacks behind. The story is not through, it is a garland of flowers that does not compliment each other, in any way shape on form. The makers were trying to put together so much thing together and work on it, so much so that the audience could not focus on one thing and hence the events became difficult to empathize with. And like mentioned above, it the viewer does not have any idea about North East region, they can not

understand this film, for instance, a girl aged some 8 or 9, got picked up from home and was raped by the the military caps, because her father was allegedly a separatist terrorist. Another scene where the every minor boy from a village was arrested, and beaten up naked by the cops because some of them are associated with the groups. This leads to the next point why the background was important, became there was an answer for every question why. For example, why the girl was kidnapped, because it was necessary to locate her terrorist father, why those boys were captured because it was necessary to identify as well as prevent the terrorism. These moments can make people emotional no doubt, but the reasoning can make the impact less powerful, which can very likely to happen anyway where the plot in on a neglected place, and the region in being always looked down upon. The film however never tries to debunk the misconception, rather strengthen them. For example, although North East was one state before it was divided, the region never used number plates that starts with 'NE', and it was because the movie never clarifies exactly where the plot is based upon, rather it showcases North East as one single region. And this has to be the greatest irony with the movie Anek, because the movie that was supposed to raise awareness about the region, proves the biggest misconception to be correct about North East, which is North East is one single state. Also the as commendable as it may seem with the NE Hindu accent, Hindi is not the language of this region, the makers should have took it into their consideration that if the people are separatist why they would be speaking Hindi? There could have been incorporation of at least one NE dialect, and the incorporation of regional language has done before in Bollywood, such as films like Chennai Express.

Overall Anek, created a great hype, a failed miserably in my opinion. And when there are raising racism and crimes toward people of North East this kind of 'ignorant wokeness' is something to be afraid of, because basically it proves every incorrect correct about an alien region connect, in this case NE. Also because the story background




was not explored, so the idea that North East is a region always in turmoil of terrorist activities is proven correct. And the narrative, bizzarly is from the perspective of a non North Eastern who is a spy, which makes the audience He the movie from a non empathetic point, and the narrative 'We are not Indians' is much more stronger than 'Rest of the India doenot accept us', which is a concerning loophole, because even for the people of this region the point that North-Easterns don't believe that they are not Indians had changed decades ago. Moreover, hypothetically even if its true, the reasons behind it, some what the treatment the people of NE get from the rest of the India, which has not been touched even slightly. So basically the movie was not much concerned with debunking any misconception, and if it was, due to its poor execution that was not delivered. Although it showed some political and racial tension, the movie havenot even touched the surface level problems, and without a background or empathy towards North East viewers can not carry any emotional empathy for and towards the people of North East after leaving the movie theatre. Even the North-Eastern people at some points could not agree with the ongoing scenes on screen, which says a lot. Also the story of Aido was as relevant in this movie as the number plates that starts with 'NE' in real life.❑




## ডাঃ সান্ত্বনা বৰদলৈৰ

# মাজ ৰাতি কেতেকী

## এটি পৰ্যৱেক্ষণ

**মৃগাংক কাশ্যপ**

ডাঃ সান্ত্বনা বৰদলৈয়ে ১৯৯৬ চনত ড° মামণি ৰয়ছম গোস্বামীৰ বিখ্যাত উপন্যাস ‘দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা’ৰ আধাৰত নিৰ্মাণ কৰি উলিয়াইছিল ‘অদাহ্য’ (Adajya - The flight)। ডাঃ বৰদলৈৰ প্ৰথম চলচ্চিত্ৰ অদাহ্যই সেই বছৰত অসমীয়া ভাষাৰ শ্ৰেষ্ঠ চলচ্চিত্ৰৰ ৰাষ্ট্ৰীয় পুৰস্কাৰ বুটলি আনিবলৈ সক্ষম হৈছিল। এই চলচ্চিত্ৰখনৰ বাবেই তেওঁক ১৯৯৮ চনত Silver Peacock বঁটাৰে বিভূষিত কৰা হৈছিল আৰু ছবিখন বহুত ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটৰ চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শিত হোৱাৰ উপৰিও ইণ্ডিয়ান পেন’ৰমালৈ নিৰ্বাচিত হৈছিল।

সুদীৰ্ঘ দুটা দশকৰ অন্তত ডাঃ বৰদলৈৰ চলচ্চিত্ৰই মুক্তি লাভ কৰে। মাজ ৰাতি কেতেকী (Mid Night Keteki)। 'অদাহ্য'ৰ দৰেই ২০১৭ চনত অসমীয়া ভাষাৰ শ্ৰেষ্ঠ চলচ্চিত্ৰৰ ৰাষ্ট্ৰীয় পুৰস্কাৰ আঁজুৰি অনাৰ লগতে চলচ্চিত্ৰখনৰ মূল চৰিত্ৰ প্ৰীয়েন্দু হাজৰিকাৰ ভূমিকা পালন কৰা অসম সন্তান আদিল হুছেইনে লাভ কৰে ৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ জুৰিৰ বিশেষ নাৰ্গিছ দত্ত বঁটা।




প্ৰায় বিশ বছৰৰ পাছত নিৰ্দেশনা কৰা এই ছবিখন সৰ্বাংগ সুন্দৰ। ছবিখনত দৰ্শকে পাবলগীয়া সকলোকেইটা উপাদানেই আছে, লাগিলে সেইয়া মনোৰঞ্জনেই হওক বা কাহিনীয়েই হওক বা অভিনয়েই হওক। ছবিখনে আপোনাক যিদৰে আপোনাক মনোৰঞ্জনৰ খোৰাক জগাব ঠিক সেইদৰে আপোনাৰ জীৱনত ভুমুকি মাৰি বহুকেইটা প্ৰশ্ন কৰিব, যাৰ ফলত হয়তো আপুনি জুকিয়াই চাব নিজৰ জীৱনত ঘটি থকা ঘটনাবিলাকক। হয়তো আপুনি বিচাৰি পাব বহু দিনৰ পৰা বিচাৰি ফুৰা বহুকেইটা প্ৰশ্নৰ উত্তৰ। ১১৬ মিনিটৰ এই ছবিখনৰ চিনেমাট'গ্ৰাফীৰ কাম কৰিছে দক্ষিণাত্যৰ এছ ভি গণশেখৰে। তেওঁ কেমেৰাৰে '৭০-'৮০ দশকৰ অসমীয়া সমাজখনৰ লগতে বৰ্তমানৰ সমাজখনৰ মাজৰ ভিন্নতাক সুন্দৰকৈ প্ৰকাশ কৰিবলৈ সক্ষম হৈছে।

উল্লেখযোগ্য যে ডাঃ বৰদলৈয়ে ছবিখনত দুটা ভিন্ন সময়ৰ লগত আমাৰ সমাজক প্ৰতিষ্ঠিত কৰিছে। তেওঁ মূল চৰিত্ৰ প্ৰীয়েন্দু হাজৰিকা (আদিল হুছেইন)ই তেওঁৰ শৈশৱ কাল অতিবাহিত কৰা গাঁওৰ সময়কাল আৰু আজিৰ অৱস্থাটো ছবি খনত বৰ সুন্দৰকৈ সজাই পৰাই তুলিছে। তেওঁৰ নিমজ হাতৰ পৰশত সমাজত থকা উচ্চ-নীচৰ দিশটো সামৰি লৈছে। সমাজৰ আগত বৰ বৰ কথা কোৱা ভদ্ৰলোকে নিজৰ ঘৰত সৰু ল'ৰা (ভোলা যি প্ৰীয়েন্দু হাজৰিকাৰ বাল্য বন্ধু) এজনৰ হতুৱাই ৰাতিপুৱাৰ পৰা গধূলি লৈকে ঘৰৰ সকলো কাম কৰাই আৰু কেতিয়াবা ভুল কৰিলে গাত হাত উঠায়।

এজন বাপেকে নিজৰ পুত্ৰ-বোৱাৰী আহিব আহিব বুলি আশা পালি এটা সময়ত তেওঁ আশা চেঁচা পানীত পৰিণত হয়।

ছবিখনত ডাঃ বৰদলৈয়ে নিজৰ পেছাগত অভিজ্ঞতাও সুন্দৰভাবে উপস্থাপন কৰিছে। উদাহৰণস্বৰূপে, এগৰাকী শিশু চিকিৎসক হিচাপে তেওঁ প্ৰায়ে অবাঞ্ছিত গৰ্ভধাৰণ কৰা হতাশাগ্ৰস্ত মহিলাৰ সন্মুখীন হৈছে। ইয়াৰ ফলত ছবিখনত জন্ম হয় ফৰিদাৰ চৰিত্ৰ।

ছবিখনৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য হৈছে ছবিখনৰ সৰু-বৰ সকলোবোৰ চৰিত্ৰ তথা বস্তুৱে ছবিখনৰ কাহিনীত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। লাগিলে ই প্ৰথমতেই দেখুওৱা হাঁহটোৱেই হওক, চিলা কেইখনেই হওক, দুখন বিস্কুটেই হওক, বেৰত লগাই থোৱা ডাঃ বৰদলৈৰ অদাহ্য চলচ্চিত্ৰৰ ফটোৱেই হওক, নৈৰ পাৰৰ নাওখনেই হওক।

সংগীত পৰিচালনা অসমৰ অন্যতম তৰুণ পৰিচালক অনুৰাগ শইকীয়াৰ। ছবিখনক এক নিৰ্দিষ্ট গতিত আগবাঢ়ি যোৱাত তেওঁৰ সংগীতে যথেষ্ট সহায় কৰিছে, এক কথাত তেওঁৰ সংগীত ছবিখনৰ এক অন্যতম চালিকা শক্তি। ছবিখনৰ মাজত ব্যৱহৃত গীতটো অতি সুন্দৰ।

সুন্দৰকৈ চলচ্চিত্ৰখন নিৰ্মাণৰ পিছতো দৰ্শকৰ মনত বিভিন্ন প্ৰশ্ন জাগ্ৰত হয়। শোভা বাৰ্তা চলিহা ছাৰক কিয় তেওঁৰ পুত্ৰ-বোৱাৰীয়ে মানুহৰ আগত নুলিয়ায়, ভোলাৰ মৃত্যু কেনেকৈ হ'ল? সি নিজে গৈ পানীত পৰিল নে? নে অন্য কিবা? প্ৰীয়েন্দু হাজৰিকাৰ ভনীয়েকক বেয়া ইংগিত দিয়া দোকানী খুৰাৰ কথা ঘৰত ক'লে নে নাই? এইদৰে আন বহুতো প্ৰশ্নৰ উত্তৰ চলচ্চিত্ৰ খনৰ শেষত বৈ যোৱা দেখিবলৈ পোৱা যায়। হয়তো ডাঃ বৰদলৈয়ে এইসমূহ উত্তৰ দৰ্শকৰ মাজতেই এৰি দিছে যাৰ বাবে চলচ্চিত্ৰ খনে শেষ হোৱাৰ পিছতো মনত এটা প্ৰশ্নবোধকৰ লগতে খুদুৱনিৰ সৃষ্টি কৰি থাকে।

মাজ ৰাতি কেতেকীৰ কেইটিমান হৃদয় চুই যোৱা সংলাপ -

১। সন্দেহ আৰু সত্যৰ বোজা আমি সকলোৱে কঢ়িয়াও।

২। প্ৰিয়জনৰ বিষয়ে সত্য লিখিবলৈ হ'লে কলিজাত বৰফ জমা হয়।

৩। কিয় তুমি পুৰস্কাৰ নোপোৱা কিতাপবোৰ নপঢ়া নেকি?

৪। নকল কৰি কিতাপ লিখিব পাৰি, সাহিত্যিক হ'ব নোৱাৰি।

৫। মই যেতিয়া সেউজীয়া ঘাঁহ আছিলো, তেওঁ মোৰ ৰঙা বেলিটো আছিল।

অসম সন্তান বলিউডৰ সফল অভিনেতা আদিল হুছেইনে ছবিখনৰ মূখ্য চৰিত্ৰ প্ৰীয়ান্দু হাজৰিকাৰ চৰিত্ৰত অভিনয় কৰিছে। সাৱলীল অভিনয়েৰে তেওঁ দৰ্শকক মন্ত্ৰমুগ্ধ কৰি ৰাখিব। সুমনা দাসৰ চৰিত্ৰত অভিনয় কৰিছে সুলক্ষণা বৰুৱাই। তেওঁৰ অভিনয়ত পৰিপক্কতা প্ৰকাশ পাইছে। 'কথানদী'ৰ জৰিয়তে ছবিজগতত ভুমুকি মৰা কাছভী শৰ্মাই এইখন ছবিত 'কথানদী'ৰ চৰিত্ৰৰ বিপৰীতে এক সম্পূৰ্ণ বেলেগ ধৰণৰ চৰিত্ৰৰ ভূমিকা পালন কৰিছে। ইয়াৰ জৰিয়তে তেওঁ যে সকলো ধৰণৰ অভিনয় কৰিবলৈ প্ৰস্তুত তথা সক্ষম তাৰেই উমান দিছে। বাল্যকালৰ প্ৰীয়ান্দুৰ ককায়েকৰ চৰিত্ৰত অভিনয় কৰা নৱাগত ৰাহুল গৌতম শৰ্মাৰ অভিনয়। আন আন বহু চৰিত্ৰত ন-পুৰণি অভিনেতা-অভিনেত্ৰীৰ সমাবেশ ঘটিছে। তাৰ ভিতৰত অন্যতম কুলদা কুমাৰ ভট্টাচাৰ্য্য, মালা গোস্বামী, ছাকিল ইমতিয়াজ, হিমাংশু প্ৰসাদ দাস, মহেন্দ্ৰ ৰাভা, ৰাহুল গৌতম শৰ্মা, প্ৰণামী বৰা, ইন্দু মোহন দাস, অসীম বৰুৱা ইত্যাদি।❑

সেই অতীত অৰুণিমাৰ আজিও প্ৰিয়, কিন্তু পৰৱৰ্তী হিচাপে আনিবলৈ তাই অনিচ্ছুক। তিক্ততাপূৰ্ণ যৌৱন এয়া। বিৰক্ত কলিজাৰ আধা শুকোৱা ঘাবোৰ দুচকুৰে গোটভঙা তেজ আকাৰে ওলাই আহিছিল। বৈ যাব দিছিল ভাই মলঙা লগা ভাবানুভৱৰ অপ্ৰিয় নৈখন। ম্যাদ উকলি যোৱা পুৰণি ম'বাইল ফোনটো সাবটি লৈ তাই বহি ৰৈছিল ভঙা চকীখনৰ কাষৰত হেৰুৱা বালিঘৰৰ ভগ্নাৱশেষ বিচাৰি।



# সমাধি

## বিস্মিতা শৰ্মা

সন্ধ্যা সামৰিছে। আগত এটি দীঘল নৈশ। শৰৎ যোৱাৰ বতৰ, গতিকে শীতেও নোমৰ মাজেৰে শৰীৰ চুইছে। দেউতাৰ পুৰণি ৰেডিঅ'ত "আকৌ শুনো আহক" নামৰ অনুষ্ঠানটোত সুন্দৰ ন-পুৰণি গীতৰ সমাহাৰ। ভগা টেবুলৰ আগত কিতাপখন থোৱা আছে যদিও কাণ সম্পূৰ্ণৰূপে বাহিৰৰ ৰেডিঅ'ৰ লয়যুক্ত শব্দত আৰু মগজু ব্যস্ত অতীত ৰোমন্থনত। এই মগজু আজি অসুস্থ।

ৰেডিঅ'ত গীত— "প্ৰেম যদি অভিনয় হয়, হৃদয় মানেনো কি........."

সেই বিৰহী শব্দক হৃদয়ত বেদনাৰ ঠাই দি তাই হঠাৎ উঠি ম'বাইলটো হাতত তুলি ললে। একেভাবতে বিভোৰ হৈ ফোনটো কাৰোবালৈ লগাই কিছু সময় ৰৈ কাটি দিলে।

১ মিনিট

২ মিনিট...

ফোন বাজিল। লগ লগ সেউজীয়া বুটামটো টিপি ধৰি কাণৰ কাষত ফোনটো ৰাখিলো। সিফালৰ পৰা ভাহি আহিল,

হেল্ল'... কি কৰিছা?

উত্তৰত, একো নাই এনেই.... !

লগত খা-খবৰবোৰ আৰু কেইটামান দীঘল হুমুনিয়াহ আৰু কেইপলকমান অপ্ৰিয় মিঠা মৌনতা। এয়াই চাগে মৰম। বহুত কথা পাতিলে দুয়োৱে। অনুভৱ কৰিব পাৰিছে এই টেঙেচীয়া মৰমবোৰ।

আগতে যিটো কণ্ঠত তাইৰ সুখবোৰ, দুখবোৰ, খং, অভিমানবোৰ লুকাই আছিল। আজি সেই কণ্ঠ কৰ্ণপটহেৰে সোমাই মগজু পোৱাৰ লগে লগে দুমণি কেইটোপালমান দৰদী অথচ বিষাক্ত চকুলোৰে জিলিকি উঠিছিল। বুজা হেজাৰ পৃষ্ঠাৰ মাজত নতুন পৃষ্ঠা এটিৰ পদাৰ্পণ ঘাটিছিল, ভালপোৱাবিহীন জীৱনৰ মাদকতা....." অনুভৱিত হৈছিল অতীতৰ মৰমবোৰ আৰু অতীতৰ ফোনত হোৱা দীঘলীয়া বাৰ্তা।

সেই অতীত অৰুণিমাৰ আজিও প্ৰিয়, কিন্তু পৰৱৰ্তী হিচাপে আনিবলৈ তাই অনিচ্ছুক। তিক্ততাপূৰ্ণ যৌৱন এয়া। বিৰক্ত কলিজাৰ আধা শুকোৱা ঘাবোৰ দুচকুৰে গোটভঙা তেজ আকাৰে ওলাই আহিছিল। বৈ যাব দিছিল ভাই মলঙা লগা ভাবানুভৱৰ অপ্ৰিয় নৈখন। ম্যাদ উকলি যোৱা পুৰণি ম'বাইল ফোনটো সাবটি লৈ তাই বহি ৰৈছিল ভঙা চকীখনৰ কাষৰত হেৰুৱা বালিঘৰৰ ভগ্নাৱশেষ বিচাৰি।

অনুভৱ হৈছিল সেই সম্পৰ্কটোৰ মূল্য যিটো কেতিয়াবাই ভাগি-ছিগি বিদায়ীৰ গৰ্ভত পোঁত গৈছিল। ৰৈছিল মাথোঁ অৰুণিমাৰ জথৰ মস্তিষ্ক, বৈ অহা অশ্ৰুকণা আৰু নীৰৱতা কেৱল নীৰৱতা.......

ৰেডিঅ'ত বিনাইছিল কোনো দৰদী প্ৰেমিকে

*"আকাশতে থকা জনে*
*লিখে কপালৰ লিখন।।"* ❑

# বৃদ্ধাশ্ৰম

## কল্যাণ ৰঞ্জন চহৰীয়া



প্ৰকাণ্ড চাৰিচকীয়া গাড়ীখনৰ ভিতৰৰ পৰা ৰমেনে নিজৰ ৭৫ বছৰীয়া মাতৃ দৈৰকীক খিৰিকীৰে দেখুৱাই ক'লে- মা আজিৰ পৰা তুমি ইয়াতে থাকিবা। মনত হাজাৰ দুখ লৈ মাক দৈৰকীয়ে নিজৰ প্ৰয়োজনীয় সামগ্ৰীৰ টোপোলাটোৰ সৈতে "আমাৰ ঘৰ" নামৰ বৃদ্ধাশ্ৰমখনৰ ভিতৰলৈ সোমায় গ'ল। মাকক এৰি তাৰ পৰা ৰমেশ উভতি গ'ল। বৃদ্ধাশ্ৰমত দৈৰকী কেইদিমান দুখত কান্দি আছিল যদিও শেষত হাঁহিব শিকিলে। বৃদ্ধাশ্ৰমখনত বহুতো তেওঁৰ সমবয়সীয়া লোক আছিল। সিহঁত সকলোকে হাঁহি-ধেমালি কৰি থকা দেখি দৈৰকীয়ে নিজৰ দুখবোৰ পাহৰি পেলালে।

এদিন তেওঁৰ লগতে বৃদ্ধাশ্ৰমত থকা মাধৱী নামৰ এগৰাকী বৃদ্ধাই দৈৰকীক জীৱনৰ কাহিনী সুধিলে। দৈৰকীয়ে ক'লে- 'আজিৰ পৰা প্ৰায় ৪৫-৪৭ বছৰ আগৰ কথা। তেতিয়া মোৰ সকলো আছিল। দুটা ল'ৰা সন্তানেৰে আমি চাৰিটা সুখী আছিলো। হঠাৎ ভগৱানে কি যে লীলা দেখুৱালে। এটা বছৰতে সকলো শেষ হৈ গ'ল। এদিন খোজকাঢ়ি আহি থাকোতে মোৰ স্বামীৰ পথ দুৰ্ঘটনাত নিহত হয়। তেওঁৰ মৃত্যুৰ পিছতে আমাৰ জীৱনলৈ অন্ধকাৰ নামি আহিল। নিজৰ বুলি কবলৈ অন্য কোনো নাছিল। কেইদিনমানৰ পিছত সাঁচতীয়া ধনখিনিও শেষ হ'ল। মই তেতিয়া বেলেগৰ ঘৰত কাম বিচাৰি যাব আৰম্ভ কৰিলো। মোৰ সৰু ল'ৰাটো পঢ়াত বহুত ভাল আছিল আৰু ডাঙৰ ল'ৰাটোৰ পঢ়া-শুনাত একো নাছিল। এদিন মোৰ বহুত খং উঠিল আৰু ডাঙৰ ল'ৰাটোক বেয়াকৈ গালি পাৰিলো। বেয়াকৈ কোৱাৰ বাবে সি ঘৰ এৰি গুছি গ'ল। সি ভাবিছিল যে মই তাক বেছি মৰম নকৰো। তেতিয়া মোৰ জীৱনটোত যে আৰু অন্ধকাৰ নামিল। সৰু ল'ৰাটোকে ভালকে পঢ়ালো। সময়ে আমাক পোহৰৰ পথত নিবলৈ আৰম্ভ কৰিলে। মোৰ সৰু ল'ৰা চিকিৎসক হ'ল। যোৱা দুবছৰ আগত সি বিয়া হ'ল। নাজানো কি হ'ল স্বামী-স্ত্ৰীৰ মাজত কাজিয়া আৰম্ভ হ'বলৈ ধৰিলে। মই বুজিলো যে মই থকাৰ বাবে ঘৈণীয়েকে ভাল নাপায়। সেইবাবে মোক ঘৰৰ পৰা খেদি পঠিয়ালে। কথাখিনি শুনি মাধৱীৰ বহুত দুখ লাগিল। মাধৱীয়ে সুধিলে ঃ আপোনাৰ ডাঙৰ ল'ৰাটোৰ নাম কি? এতিয়া সি ক'ত আছে? দৈৰকীয়ে ক'ল ঃ তাৰ নাম জয়ন্ত। ঘৰ এৰি থৈ যোৱাৰ পৰা তাক আৰু মই দেখা নাই। ক'ত বা আছে সি। কান্দি কান্দি ক'লে- তাক চাবলৈ বহুত মন গৈছে- অ' মাধৱী। তেতিয়া মাধৱীয়ে ক'লে- আমাৰ বৃদ্ধাশ্ৰমখনৰ ভগৱানজনৰ নামো জয়ন্ত। মানে আমাক পোহ-পাল দিয়াজন। লগে লগে মাধৱী তাৰ পৰা গৈ জয়ন্তক ফোন কৰিলে। ফোনত জয়ন্তক সুধিলে মাকৰ নাম। জয়ন্তই মাকৰ নাম দৈৰকী বুলি কোৱাত মাধৱীৰ আনন্দত চকুপানী বৈ আহিছিল। মাধৱীয়ে জয়ন্তক ক'লে- যিমান পৰা সোনকালে বৃদ্ধাশ্ৰমলৈ আহা। মাধৱীৰ কথা শুনি জয়ন্তই বৃদ্ধাশ্ৰমত কাৰোবাৰ কিবা হোৱা বুলি ততালিকে বৃদ্ধাশ্ৰমত উপস্থিত হ'ল। জয়ন্তই মাকক দেখি আচৰিত হ'ল। মাকক দেখি জয়ন্তৰ চকুৰে নিজৰা বৈ আহিছিল। মাকক আঁকোৱালি ধৰি জয়ন্তই বহুত কান্দিলে। সেই মুহূৰ্তত বৃদ্ধাশ্ৰমখনৰ সকলোৰে চকুপানী বৈ আহিছিল। এনেকৈ দৈৰকীৰ জীৱনত এক নতুন দিগন্তৰ উদয় হ'ল।❑

# শেষ উপহাৰ

## কল্যাণ ৰঞ্জন চহৰীয়া

সেইদিনা কলেজৰ প্ৰথম দিন। সুমন ৰাতিপুৱাৰে পৰা বহুত উৎফুল্লিত হৈ আছিল কলেজ যাবৰ বাবে। তিনি বছৰীয়া ডিগ্ৰীৰ সপোন বুকুত বান্ধি লৈ ৰাতিপুৱাই মঙলদৈ কলেজৰ দিশে গতি কৰিলে। কলেজখন দেখি সি অভিভূত হৈ ৰ'ল। চাৰিওফালে মাথো সেউজীয়া আৰু সেউজীয়া। যান্ত্ৰিকতাময় জীৱনটোত মনৰ শান্তি প্ৰদান কৰা এখন ঠাই। কৃষ্ণচূড়াৰ ৰঙা ফুল পাহে, সোণাৰুৰ হালধীয়া পাহি আৰু ৰাধাচূড়াৰ গুলপীয়া ৰং দেখি সি যেন প্ৰেমত পৰিল আৰু কবিতা ৰচিবলৈ ধৰিলে-

"অবুজ চিঠিৰ মাজত এয়া কিহৰ ছায়া।
বসন্তৰ সুৰত এয়া কিহৰ মায়া।।
কৃষ্ণচুড়াৰ মৰমবোৰ সৰি,
ঠাইখন নিপাত হয়।
ৰাধাচুড়াৰ তলত প্ৰেমৰ সৃষ্টি হয়।।"

আনন্দমনেৰে সি গেটৰ ভিতৰলৈ সোমাই আৰু পোনে পোনে তাৰ ভূগোল বিভাগলৈ গ'ল। ক্ৰমত গৈ সুমন শেষৰ বেঞ্চখনত বহি ল'লে। সুমনে তাৰ লগত বহা ল'ৰা এজনৰ লগত কথা পাতি আছিল। হঠাৎ এজনী ছোৱালী ক্লাচৰ ভিতৰলৈ সোমাই আহিল। আৰু সেয়া যেন আছিল কৃষ্ণচূড়াৰ ডালেৰে ৰঙীন হোৱা এজাক প্ৰেমৰ কুমলীয়া বতাহ। সেই বতাহ জাকে তাৰ হিয়া, মন গোটেই সৰ্বশৰীটোৱে জুৰ পেলাই থৈ গ'ল। ছোৱালীজনীক দেখাৰ লগে লগে সি আত্মবিভোৰ হ'ল আৰু তাইকে চাই থাকিল। কেতিয়া তাই আহি সুমনৰ আগৰ বেঞ্চখনত বহিল গমে নাপালে। সেইদিনাৰ পৰা ছোৱালীজনী চাবলৈ আৰম্ভ কৰিলে। বহুদিন পাৰ হৈ গ'ল— সি তাইৰ নামটোৱে সুধিব পৰা নাছিল। এদিন তাই কলেজলৈ আহি থাকোতে হঠাৎ ধাৰাষাৰ বৰষুণ দিলে। তাই দোকান এখনত সোমাল। তেতিয়া সুমনো ছাতি লৈ আহি আছিল। সি দেখিলে ছাতি লৈ থকা। ইফালে ক্লাছো আৰম্ভ হ'বৰ হৈছিল। সুমন তাইৰ ওচৰলৈ গ'ল আৰু ক'লে বেয়া নোপোৱা যদি কলেজলৈ মোৰ ছাতিৰ তলতে যাব পাৰিবা। তাইৰ হাতত পিন্ধি থকা ঘড়ীটো চাই তাই তাৰ লগত যাবলৈ মান্তি হ'ল। সেই সময়খিনিয়ে যেন সুমনৰ জীৱনৰ আটাইতকৈ ভাল লগা সময়। সি সেইদিনা কথা পাতোতে তাইৰ নামটো জানিলে। তাইৰ নাম হ'ল ৰূপাংকিতা। তেনেকৈয়ে সিহঁতৰ মাজত বন্ধুত্ব গঢ়ি উঠিছিল। সুমন যে তাইৰ



প্ৰেমত পৰিছিল তাইক গম পাব দিয়া নাছিল। কিন্তু লাহে লাহে ৰূপাংকিতায়ো সুমনৰ প্ৰেমত পৰিব ধৰিছিল। দিন বাগৰিল, দুয়োজনে ইজনে সিজনক মনে মনে বহুত ভালপোৱা হ'ল। ইজনে সিজনক এৰি চলিব নোৱাৰা হ'ল। কিন্তু আজিলৈ ভাল পোৱা প্ৰকাশ কৰা হোৱা নাছিল। ৰূপাংকিতাই কথা ক'লে যেন মৌ বৰষিছিল আৰু তাইৰ কথাৰ মায়াজালত মন্ত্ৰমুগ্ধ হৈ সুমনে কেৱল তাইৰ কথাকে শুনি থাকিব ধৰিলে। এনেদৰে বহুদিন পাৰ হৈ গ'ল। কেইদিনমানৰ পৰা ৰূপাংকিতা ক্লাছত মৌন হৈ থকা হ'ল। বন্ধু-বান্ধৱী সকলৰ লগতো কথা কমকৈ পাতিব ধৰিলে। সুমনে তাইৰ আচৰণ লক্ষ্য কৰিব ধৰিলে। তাই ইমান মৌন হৈ থকা সি কেতিয়াও দেখা নাছিল। তাইৰ কি হ'ব পাৰে বুলি সি চিন্তাত থাকিব ধৰিলে। এনেদৰে কেইদিনমান যোৱাৰ পিছত তাই কলেজো অহা বন্ধ কৰিলে। তাইক নেদেখি সুমনে ভিতৰৰ পৰা ভাগি পৰিল। হঠাৎ এদিন ৰাতিপুৱাই তাৰ বন্ধু এজনৰ ফোন আহিলে আৰু ক'লে- ৰূপাংকিতা আৰু পৃথিৱীত নাই। তাই এইকেইদিন বহুত টান বেমাৰত ভুগি আছিল। জানিব পৰা মতে তাইৰ কেঞ্চাৰ ৰোগত আক্ৰান্ত হৈ আছিল। কথাষাৰ শুনাৰ লগে লগে সুমন শোকত ভাগি পৰিল। সেইদিনা তাইক চাবলৈও নগ'ল। সি তাইক জন্মদিনত কিবা উপহাৰ দিব বুলি জমাই থোৱা পইচাকেইটা লৈ গৈ এপাহ গোলাপ ফুল কিনিলে। ফুলপাহ লৈ পিছদিনা তাইৰ সমাধিস্থলীলৈ গৈ সুমনে কান্দি কান্দি ক'লে- এয়া তোমালৈ মোৰ প্ৰথম আৰু শেষ উপহাৰ। যদিও আজিলৈ ক'বলৈ নহ'ল আজি কওঁ- তোমাক দেখাৰে পৰা তোমাৰ প্ৰেমত পৰিছিলো। এইখিনি কোৱাৰ পিছত আৰু সুমনৰ মুখেৰে এটা শব্দও ওলাই নাহিল। সন্ধিয়া হোৱাৰ লগে লগে তাইৰ কাষৰ পৰা শেষ বাৰলৈ সি গুচি আহিলে।❑



# ভিন্ন সময়ৰ ভিন্ন ৰং

জয়শ্ৰী নাথ

তেতিয়া চন ২০১৪, তাৰিখটো আছিল ৯ মে’। দেউতাকে আগদিনা (ৰবিবাৰে) নিশা টি ভি চাই থাকোতে দেখিলে যে, ৯ মে’ সোমবাৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰিব। হঠাৎ খবৰটি পাই সকলোৱে অলপ সময়ৰ বাবে অবাক হৈ গৈছিল। মাক নোহোৱা ঘৰখনত বায়েক তৰালী ঘৰখনৰ ডাঙৰ ছোৱালী হিচাপে সকলোবোৰ চম্ভালি ল’ব জানিছিল। তেনেকৈ নিশা কাটি ৰাতিপুৱা হ’ল। ঘৰখনৰ সকলোৰে যেন মনবোৰ উগুল-থুগুল, কাৰণ তৰালীৰ ভনীয়েক বন্দিতাক লৈ ঘৰখনৰ লগতে গাঁওখনৰ সকলোৱে এটা ভাল ফলাফল আশা কৰিছিল। অৱশ্যে তাই ছোৱালীজনী সৰুৰেপৰা নাচ-গানৰ লগতে পঢ়াতো অতি চোকা আছিল।

ঠিক তেনেতে ৯ টা বাজিল আৰু পৰীক্ষাৰ ফলাফল ঘোষণা হ’ল। ওচৰৰ দদায়েক এজনে তাইক তাইৰ ফলাফল ক’লে যে তাই তিনিটা বিষয়ত লেটাৰসহ ৬৮ শতাংশ নম্বৰৰে উত্তীৰ্ণ হৈছে। খবৰটি পাই তাইৰ লগতে তাইৰ ঘৰৰ মানুহো ইমান এটা আনন্দিত নহ’ল কাৰণ তেওঁলোকে তাইৰ ওপৰতে যথেষ্টখিনি আশা কৰিছিল। বিশেষকৈ দেউতাকে তাইৰ পৰা এটা ভাল ফলাফল আশা কৰিছিল, গতিকে দেউতাকৰ মনতো এক অশান্তিকৰ পৰিৱেশৰ সৃষ্টি হ’ল। বায়েক তৰালীয়ে বুজাই বঢ়াই পৰিৱেশটো সুস্থিৰ ৰূপত আনিবলৈ চেষ্টা কৰিছিল যদিও সফল হোৱা নাছিল। অৱশেষত যথেষ্ট বুজনিৰ পিছত পৰিৱেশটো আগৰ অৱস্থালৈ ঘূৰাই আনিলে।

এনেকৈ লাহে লাহে দুদিন-তিনিদিন পিছত তাইৰ নতুন কলেজত নামভৰ্তিৰ কথা আহি পৰিল। এই সময়খিনিও তাইৰ কাৰণে যেন এটা সাঁথৰ হৈ পৰিছিল। তাই নিজকে জানিছিল যে তাই কি শাখাত অধ্যয়ন কৰিলে ভাল! তাই নিজকে কলা শাখাত পঢ়িবৰ বাবে প্ৰস্তুত কৰি তুলিছিল কিন্তু ঘৰত দেউতাকে আৰু ওচৰ-চুবুৰীয়া, আত্মীয়সকলে কথাটো মানিব পৰা নাছিল আৰু তাইক বিজ্ঞান শাখাত অধ্যয়ন কৰিবলৈ অত্যন্ত জোৰ কৰিলে আৰু গালি-শপনি পাৰিবলৈ ধৰিলে আৰু নহ’লে ঘৰৰ পৰা ওলাই যাবলৈ ক’লে। তাইৰ লগতে কথাটো বায়েকে তৰালীয়ে বুজিব চেষ্টা কৰিছিল কিয়নো তাই ভনীয়েকৰ চিন্তা আৰু সিদ্ধান্তৰ বিৰুদ্ধে কেতিয়াও যাব বিচৰা নাছিল অথবা ভনীয়েকে বিচৰামতেই সকলো কৰিব দিছিল। শেষত বায়েক তৰালীৰ সাহসতেই তাই বিজ্ঞান শাখাত নামভৰ্তি নকৰি সিহঁতৰ ঘৰৰ ওচৰৰেই চৰকাৰী কলেজ এখনত কলা শাখাত নামভৰ্তি কৰিলে আৰু বায়েকৰ সৈতে আৰম্ভ কৰিলে নতুন সংগ্ৰাম। দুবছৰ পিছত তাইৰ উচ্চতৰ মাধ্যমিকৰ ফলাফল ঘোষণাৰ দিন চমু চাপিল। কিন্তু এইবাৰ ওচৰ-চুবুৰীয়া আনকি দেউতাকেও তাইৰ পৰা একো আশা কৰা নাছিল কাৰণ আশা কৰা মতে দুবছৰ আগতেই তাই মেট্ৰিকত ভাল ফলাফল দেখুৱাব পৰা নাছিল। কিন্তু সেইদিনা আছিল ২০১৬ চনৰ ১৪ মে’ উচ্চতৰ মাধ্যমিকৰ ৰিজাল্টৰ দিন আৰু উক্ত দিনা তাই কলা শাখাত অসমৰ ভিতৰত ষষ্ঠ স্থান লৈ কেৱল ঘৰখনৰেই নহয় বিদ্যালয়, অঞ্চল আৰু সমগ্ৰ জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছিল।

ঃ বন্দিতা, বন্দিতা!

তেতিয়াৰ উচ্চতৰ মাধ্যমিকৰ ছাত্ৰী, সিহঁতৰ ঘৰখনৰ সৰু ছোৱালী আৰু এতিয়া যোৰহাটৰ এখন চৰকাৰী মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা ডঃ বন্দিতা হাজৰিকাৰ বায়েক তৰালীৰ মাততহে সম্বিৎ ঘূৰি আহিল। ইমান পৰে তাই সিহঁতৰ ঘৰৰ ড্ৰইং ৰুমৰ বেৰত আঁৰি থোৱা মৃত মাকৰ ফটোখন চায়েই থৰ লাগি আছিল। হঠাৎ কোঠালীটোৰ পৰা ওলাই তাই পাকঘৰত গৈ বায়েক তৰালীৰ কথা বতৰাত লাগিল।❑

# জীপাল

বাবলি কলিতা



নৈৰ পাৰৰ শীতল বতাহজাকে চুই গ'ল মনীষাৰ প্ৰায় সত্তৰ বছৰীয়া দেহটি। বতাহজাকৰ লগত মনটো উৰি গৈছিল প্ৰায় পঞ্চাছ বছৰৰ আগলৈ।

সদায় সন্ধিয়াৰ ৰুটিন আছিল এই নদীৰ পাৰটো। কত কিমান যে কাহিনীৰ আৰম্ভণি হৈছিল ইয়াৰ পৰাই... সকলোৰে সাক্ষী আছিল এই নদীখন ।

মনীষা, চুমি, চিত্ৰা আছিল একেখন গাঁৱৰ ছোৱালী। সিহঁতৰ কেতিয়াও এৰা এৰি নাছিল। সদায় একেলগে যাব আৰু একেলগে আহিব। গাঁওখনৰ সকলোৰে মৰমৰ। এনেদৰে দিনবোৰ গৈ আছিল। সিহঁতো ডাঙৰ হৈ আহিছিল। স্কুল বন্ধৰ দিনত সিহঁত পথাৰত যায়, নদীত বৰশী বাই আৰু বিহুৰ বতৰত বিহু নাচে। এইবাৰ ব'হাগত সিহঁতে ভালদৰে বিহুৰ আখৰা কৰি সকলোতে বিহু নাচিব যোৱাৰ সিদ্ধান্ত ল'লে। কথামতে কাম, দিন-ৰাতি একাকাৰ কৰি সিহঁতে বিহুৰ আখৰা কৰিলে আৰু সকলোবোৰ ঠিকেই হৈ গ'ল। এদিন বিহুৰ পৰা আহোতে সিহঁতৰ দেৰি হ'ল। নিজৰ নিজৰ ওচৰৰ মানুহৰ লগত সকলো যাব ওলাল, কিন্তু মনীষাৰ ঘৰটো অলপ দূৰত হোৱা বাবে তাইৰ যাব কোনো লগ নাছিল। তাই কি কৰিব ভাবি থাকোঁতে চিত্ৰাই ক'লে— কৃষ্ণ ককাইদেউ, তুমিয়ে মনীষাক অলপ আগবঢ়াই দিব পাৰিবা নেকি? কৃষ্ণই হ'ব বুলি ক'লে আৰু মনীষাৰ স'তে আগবাঢ়িল। গোটেই বাটতো সিহঁতে কথাই নাপাতিলে। এনেকৈয়ে মনীষাহঁতৰ ঘৰ পালে আৰু মনীষাক বিদায় দি কৃষ্ণ গুচি গ'ল। সেইদিনা মনীষাৰ মনৰ অনুভৱবোৰ বেলেগ আছিল। কৃষ্ণ মনীষাতকৈ চাৰিবছৰ মান ডাঙৰ আছিল। দেখা পালে কেতিয়াও ভালদৰে কথা পতা হোৱা নাছিল। তেওঁক দেখা পালেই কিবা এটা বেলেগ অনুভৱ হৈছিল। মাতিব বিচাৰিলেও যেন মাতিব নোৱাৰে।

এনেকৈয়ে দিনবোৰ পাৰ হ'ল। বিহু শেষ হ'ব দিন আহি পৰিল। সেইদিনাৰ পৰা প্ৰায়েই কৃষ্ণই মনীষাক থ'ব আহে কিন্তু এটাও কথা নাপাতে। সেইদিনা থ'ব আহোতে সাহস কৰি কৃষ্ণই সুধিলে, 'ইমান দিন হ'ল তোমাক লগ পোৱা আজিলৈ মাতটোৰে নুশুনিলো তোমাৰ, মোক বেয়া পোৱা নেকি?'

মনীষা ঃ নাই নাই, বেয়া নাপাওঁ।

কৃষ্ণ ঃ তেনেহ'লে আজিৰ পৰা এনেদৰে নাথাকিবা, মোৰ ভাল নালাগে।

মনীষাই লাজকুৰীয়া হাঁহি এটি লৈ আগবাঢ়ি গ'ল ঘৰৰ পিনে।

এনেকৈয়ে আৰম্ভ হৈছিল কাহিনীৰ, সকলো ঠিকে চলি আছিল। মনীষা ডাঙৰ হৈ অহাত ঘৰত বিয়াৰ কথা চলিছিল। কিন্তু তাই একোৱেই মত দিয়া নাছিল। নদীৰ পাৰত বহি সকলোবোৰ কথাই কৈছিল মনৰ মানুহজনৰ আগত। সকলোবোৰ শুনি কৃষ্ণই মনীষাক আশ্বাস দিছিল আৰু কৈছিল যে সকলোবোৰ ঠিক হ'ব। মনীষাৰ গভীৰ মনটো কিছু পাতল হৈছিল। কৃষ্ণই ঘৰত কথাবোৰ কৈছিল আৰু মনীষাহঁতৰ ঘৰলৈ বিয়াৰ প্ৰস্তাৱ লৈ আহিছিল। সকলোবোৰ ঠিকে হৈ গৈছিল আৰু বিয়াৰ দিনো ঠিক হৈছিল। এনেদৰে তেওঁলোকৰ সংসাখনিৰ আৰম্ভণি হৈছিল।

এখন সুখৰ সংসাৰ,সময়ৰ লগত সকলো আগবাঢ়িল। চিত্ৰা আৰু চুমিৰো সংসাৰ হ'ল। কিন্তু আগৰ দৰে আছে সিঁহতৰ এই অভ্যাসটো। যেতিয়াই সময় পাই ওলাই আহে এই আপোন নদীখনৰ পাৰলৈ। নিজৰ কিছু সময় কটায়। গধুৰ মনবোৰ পাতলায়।

ভাৱনাত বিলীন হৈ থকা মনীষাই গমেই পোৱা নাই কেতিয়ানো লগৰী দুয়োজনী আহি তাইৰ কাষত বহিছে। সিহঁতৰ মাতত উচপ্ খাই উঠিল তাই। দুয়োজনী একেলগে ক'লে— আমাৰ বুঢ়ীআই আকৌ প্ৰেমত পৰিল নেকি?

তিনিওজনীৰ হাঁহিত পুনৰ জীপাল হৈ পৰিল সেই নদীৰ পাৰ আৰু এনেদৰে চলি গৈছিল সিহঁতৰ লানি নিছিগা কথা বতৰা।❑



*জন্মৰে পৰাই দৰঙী লোক সংস্কৃতিৰ সৈতে জড়িত থকা, ওজাপালি আৰু দেওধনী নৃত্যৰ অন্যতম সাধক, ভাৰত চৰকাৰৰ পৰা 'গুৰু' উপাধি স্বীকৃতি প্ৰাপ্ত লগতে বিভিন্ন বঁটা সন্মানেৰে সন্মানিত অসম চৰকাৰৰ কলাগুৰু বিষ্ণু ৰাভা বঁটা-২০২১ লাভ কৰা গুৰু দ্ৰোণ ভূএগ্ৰদেৰৰ ছিপাঝাৰস্থিত বাসগৃহত ৫২ সংখ্যক মঙলদৈ মহাবিদ্যালয় আলোচনীৰ সম্পাদনা সমিতিৰ হৈ দেৱাশীষ ৰাজকুমাৰ, চুমন ডেকা আৰু দীপশিখা দেৱীয়ে গৈ গ্ৰহণ কৰা সাক্ষাৎকাৰটিৰ কিছু সম্পাদিত ৰূপ আপোনাসৱলৈ আগবঢ়ালো।*

## লোকসংস্কৃতিৰ অন্যতম সাধক (গুৰু)

# দ্ৰোণ ভূঞাৰ সৈতে এখন্তেক

*"ধ্যান মূলম্ গুৰু মূৰ্ত্তি*
*পূজা মূলম্ গুৰু পদম্*
*মন্ত্ৰ মূলম্ গুৰু বাক্যম্*
*মোক্ষ মূলম্ গুৰু কৃপা"*



**প্ৰশ্ন ঃ** নমস্কাৰ। পোন প্ৰথমে আপোনালৈ জনাইছোঁ আন্তৰিক সম্ভাষণ আৰু মঙলদৈ মহাবিদ্যালয়ৰ সমূহ পৰিয়ালৰ হৈ আমি যাচিলোঁ আপোনাৰ কৰ্মৰ সফলতাৰ বাবে আন্তৰিক অভিনন্দন। আপোনাৰ বাল্যকাল কিদৰে অতিবাহিত হৈছিল, অলপ জনাব নেকি?

**উত্তৰঃ** নমস্কাৰ জনাইছোঁ। মোৰ বাল্যকাল সাধাৰণ গাঁৱলীয়া পৰিৱেশত অতিবাহিত হৈছিল। সৰুকালিত পিতাই (দেউতা) যিদৰে নিজ গাঁও অঞ্চলৰ খেল-ধেমালি ইত্যাদিৰ সৈতে জড়িত হৈ পৰে, ঠিক তেনেদৰে ময়ো জড়িত হৈছিলোঁ। মোৰ পিতা 'বান্ধৱ যাত্ৰা পাৰ্টীৰ' সৈতে জড়িত থকা হেতুকে ময়ো মাজে সময়ে পিতাৰ সৈতে বিভিন্ন ঠাইত ঘূৰি সংস্কৃতিৰ সৈতে ভালদৰে চিনাকি হ'বলৈ সক্ষম হৈছিলোঁ। মই সেই সময়ত স্কুললৈও গৈছিলো আৰু তাৰ সমান্তৰালকৈ যাত্ৰা পাৰ্টীত অংশগ্ৰহণ কৰিছিলোঁ।

**প্ৰশ্ন ঃ** আপোনাৰ আনুষ্ঠানিক শিক্ষা জীৱনৰ বিষয়ে ক'ব নেকি?

**উত্তৰঃ** মই এই সংস্কৃতিৰ সৈতে বিভিন্ন ঠাইত ঘূৰি ফুৰি থাকোতে মোৰ প্ৰাথমিক শিক্ষা গ্ৰহণ কৰিছিলোঁ যদিও ই সমাপ্ত নহ'ল।

**প্ৰশ্ন ঃ** আপুনি কিদৰে আৰু কেতিয়াৰে পৰা আপুৰুগীয়া দৰঙী কলা, সংস্কৃতিৰ সৈতে জড়িত হৈছিল?



**উত্তৰঃ** স্কুলত গৈ থকা অৱস্থাতেই সংগীত নাটক অকাডেমী বঁটাপ্ৰাপক প্ৰয়াত ললিত চন্দ্ৰ নাথ ওজা আৰু কিনাৰাম নাথ ওজাদেৰে পৰিৱেশন কৰা অনুষ্ঠানবোৰ চাই ফুৰিছিলোঁ। এদিন শিৱৰাত্ৰিৰ সময়ত পিতা ঘৰত নথকা অৱস্থাত মাক যেতিয়া সুধিলোঁ যে পিতা ক'ত গ'ল। তেতিয়া মায়ে কৈছিল যে "আজি শিৱৰাত্ৰি যে সেয়ে ভূঞাপাৰাত পিতাৰাই ওজাপালি গাবলৈ গৈছে।" তাত পিছত ময়ো গ'লো। গৈ ইমান ধুনীয়াকৈ গোৱা সতী বেউলাৰ পদ, চান্দ সদাগৰৰ পদ আদি গোৱা শুনি মই আপ্লুত হৈছিলো আৰু মই একান্তমনে শুনি আছিলোঁ। আৰু পিতায়ে ওজা গোৱাৰ মাজতে মোক লক্ষ্য কৰি আছিল। যেতিয়া অনুষ্ঠান শেষ কৰি ঘৰলৈ উভটি আহো তেতিয়া পিতাই মোক সুধিছিল যে- "তই ওজা হবি নিকি?" তেতিয়া মই লগে লগে উত্তৰ দিছিলো যে- 'অ' হ'ম।'

তাৰ পিছতেই আৰম্ভ হ'ল মোৰ এই যাত্ৰা। পিতাই মোক পৰৱৰ্তী সময়ত সংগীত নাটক একাডেমী বঁটা প্ৰাপক প্ৰয়াত ললিত চন্দ্ৰ নাথ ওজা, চন্দ্ৰকান্ত নাথ ওজা, আৰু কিনাৰাম নাথ ওজা আৰু শশীন্দ্ৰ ডেকা এওঁলোকৰ হাতত মোক গতাই দিলে ওজাপালি শিকিবৰ বাবে। গতাই দিয়াৰ পিছতেই তেওঁলোকৰ পৰা খুউব মনঃপুতভাৱে ওজাপালিৰ সকলো শিক্ষা আয়ত্ত কৰিবলৈ ধৰিলোঁ। ইয়াৰ পিছতেই তেওঁলোকৰ সৈতে এবছৰ নাটকৰ ওজাপালিত ফুৰিলোঁ। আনহাতে ঘৰটো পিতাৰ পৰা ওজাপালিৰ বাবে হাত আৰু ভৰিৰ যি অংগী-ভংগী শিকি থৈছিলোঁ। নাটকৰ ওজাপালিৰ পৰা আহি মই সুকনান্নী ওজাপালি আৰু দেওধনী নৃত্যত ভাগ ললোঁ। তাৰ পিছৰে পৰা মোৰ বাকী জীৱন আৰম্ভ হ'ল।

**প্ৰশ্নঃ** এই সংস্কৃতি সাধনাৰ সময়ত আপুনি প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল নেকি? যদি হৈছিল কেনেদৰে তাৰ সৈতে মোকাবিলা কৰিছিল?

**উত্তৰঃ** প্ৰত্যাহ্বানৰ সন্মুখীন নিশ্চয় হৈছিলোঁ। ঠাট্টা, বিদ্ৰোহ, ইত্যাদিৰ সন্মুখীনো হৈছিলোঁ। গাঁৱলীয়া মানুহে মই পোৱা পুৰস্কাৰ দেখি ইতিকিং কৰিছিল আৰু ঈৰ্ষাও কৰিছিল। এবাৰ ত্ৰিপুৰালৈ অনুষ্ঠান কৰিব গৈ উভটি আহোতে বাটতে প্ৰাকৃতিক দুৰ্যোগৰ সন্মুখীন হৈছিলোঁ। মুঠ ২৪ ঘণ্টা মুঠ বাৰ জনী ছোৱালী আৰু আঠ জন ল'ৰা লৈ ৰাস্তাৰ মাজত কটাবলগীয়া হৈছিল। কাৰণ কিনিকিনিয়া বৰষুণত পাহাৰ খহি পৰিছিল। প্ৰকাণ্ড শিল ৰাস্তাত পৰিছিল আৰু ৰাস্তা বন্ধ হৈ পৰিছিল। দুৰ্ঘটনাৰ কাষতেই থকা জনজাতীয় মহিলাক আমি লগ কৰি তেওঁলোকক অস্থায়ী ভাতৰ হোটেল এখন সাজি দি আমাৰ ল'ৰা ছোৱালীখিনিক তেওঁলোকৰ সৈতে জড়িত কৰিছিলোঁ আৰু তেওঁলোকে বহুতো টকা পাইছিল যিহেতু তাত খোৱা বস্তুৰ দোকান নাছিল আৰু সকলোৰে ভোক লাগি আছিল। এনেদৰে আমি বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ লগতে পৰিস্থিতিৰ সৈতে মোকাবিলাও কৰিছিলোঁ।

ইয়াৰোপৰি সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক বিভিন্ন ধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিলোঁ কিন্তু কেতিয়াও হাৰ মনা নাছিলোঁ। কোনোবাই মোক পুৰস্কাৰ দিয়ক অথবা নিদিয়ক, স্বীকৃতি পাওঁ বা নাপাওঁ আৰু কোনোবাই ভাল পাওক বা নাপাওক এই কৃষ্টি দুটাক (দেওধনী আৰু ওজাপালি) কিদৰে বিশ্বৰ দৰবাৰলৈ লৈ গৈ এক নম্বৰ কৃষ্টিৰূপে স্বীকৃতি দিব পাৰি তাৰ বাবে চেষ্টা কৰিছিলোঁ।

**প্ৰশ্নঃ** আপোনাৰ এই সংস্কৃতি সাধনাৰ ক্ষেত্ৰত আপোনাৰ গুৰু কোনোবা আছিলে নেকি?

**উত্তৰঃ** হয় আছিলে, গুৰু নহ'লে শিক্ষা সম্পূৰ্ণ নহয়, শিক্ষক নহ'লে ছাত্ৰ-ছাত্ৰীয়ে শিকিব নোৱাৰে। সকলো ক্ষেত্ৰতে অৰ্থাৎ পৃথিৱীৰ যিমান শিক্ষা আছে সকলোতে গুৰু লাগিবই।

মোৰ গুৰু বুলি ক'লে আছিলে প্ৰয়াত ললিত

চন্দ্ৰ নাথ ওজাদেৱ, কিনাৰাম নাথ ওজাদেৱ, চন্দ্ৰকান্ত নাথ ওজাদেৱ আৰু শশীন্দ্ৰ ডেকা।

তেওঁলোক আছিল মোৰ চিৰনমস্য গুৰু। তেওঁলোক মোৰ ওজাপালিৰ ক্ষেত্ৰত ভাগে ভাগে গুৰু আছিল। ঢোলৰ ক্ষেত্ৰত গুৰু আছিলে কিনাৰাম নাথ ওজা, আৰু হাতৰ মুদ্ৰাৰ ক্ষেত্ৰত আছিল ললিত চন্দ্ৰ নাথ ওজা, ৰাগ-ৰাগিনীৰ ক্ষেত্ৰত চন্দ্ৰকান্ত নাথ ওজা আৰু খুঁটি তালত আছিল শশীন্দ্ৰ ডেকা ওজা এই চাৰিগৰাকী। মই প্ৰত্যেক দিনেই আজি পৰ্য্যন্ত য'লৈ যাওঁ তাতেই যোৱাৰ আগত এওঁলোক প্ৰত্যেকগৰাকী গুৰুলৈ স্মৰণ কৰি চাকি-বন্তি জ্বলাইহে ওলাই যাওঁ।

**প্ৰশ্ন ঃ** আপুনি ভাবেনে যে, বৰ্তমানৰ যুৱ প্ৰজন্মই এই দৰঙী সংস্কৃতি প্ৰচাৰ আৰু প্ৰসাৰত সহায় কৰিব?

**উত্তৰ ঃ** সহায় কৰিব। যিকেইটা দৰঙীয়া কলা-কৃষ্টি আছে, আটাইকেইটা কৃষ্টিৰ প্ৰত্যেক গুৰুৱে যদি ভূমিকা গ্ৰহণ কৰে যুৱ প্ৰজন্মক এই শিক্ষা প্ৰদান কৰাৰ ক্ষেত্ৰত, তেন্তে দৰঙৰ ভৱিষ্যত যুৱ প্ৰজন্মই প্ৰচাৰ প্ৰসাৰৰ লগতে এই কলাবিধ শিকি আগুৱাই যাব আৰু ই সংৰক্ষণ হ'ব।

**প্ৰশ্ন ঃ** আপুনি আপোনাৰ কৰ্মৰ ফল হেতুকে বহুতো বঁটা-সন্মান লাভ কৰিছে আৰু আপুনি বৰ্তমান অসমৰ এগৰাকী সন্মানীয় আৰু জনপ্ৰিয় ব্যক্তি বুলি সকলোৱে জানে তেনে ক্ষেত্ৰত আপোনাৰ পৰা জনাব বিচাৰিছো আপুনি কি কি সন্মান অথবা বঁটা লাভ কৰিছে আৰু আপোনাৰ অনুভৱ কেনেকুৱা?

**উত্তৰ ঃ** অনুভৱ খুবেই ভাল। আনন্দ লাগিছে। সুখী অনুভৱ কৰিছো। মই বহুত ঠাইলৈ গৈছোঁ। বঁটা হিচাপে প্ৰথমে মই মিৰা এৱাৰ্ড লাভ কৰো আগ্ৰাৰ পৰা, ভাৰত চৰকাৰৰ সাংস্কৃতিক বিভাগৰ পৰা মই 'গুৰু' উপাধি লাভ কৰোঁ ২০০৯ চনত। গুৱাহাটী প্ৰেছ ক্লাবৰ পৰা লাভ কৰোঁ গতি অসম শিল্পী বঁটা, জীৱন জোৰা সাংস্কৃতিক সাধক বঁটা মই যোৰহাট পুথিভঁৰালৰ পৰা লাভ কৰোঁ। অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ পৰা কলাগুৰু বিষ্ণু ৰাভা বঁটা ২০২১ লাভ কৰোঁ। মুক্তিযুঁজাৰু কমল মহন্ত সোঁৱৰণী শিল্পী বঁটা লাভ কৰোঁ গুৱাহাটীৰ পৰা। এককালীন বঁটা ইত্যাদি লাভ কৰিছোঁ। মই প্ৰায় ১৯৭০ চনৰ পৰা এই বিভিন্ন বঁটা, সন্মান লাভ কৰি আহিছোঁ।

**প্ৰশ্ন ঃ** আপুনি ওজাপালি আৰু ইয়াৰ সংস্কৃতিৰ সম্পৰ্কে যদি আপুনি জ্ঞাত অলপ মন্তব্য কৰিব নেকি ?

**উত্তৰ ঃ** দৰঙৰ মুঠ আঠাইশটা কলা-কৃষ্টি আছে। ওজাপালি মানে ব্যাস সংগীত। ব্যাস সংগীত ওজাপালি ৰাগযুক্ত আৰু সুকনান্নী ওজাপালিত ৰাগ আছে কিন্তু ইয়াৰ কেৱল দিহাতহে ৰাগ আছে। অসমত মুঠ ওজাপালি হৈছে চৈধ্যবিধ। সুকনান্নী, ব্যাস সংগীত, ৰাইমন গোৱা ওজাপালি, ভাইৰা গোৱা ওজা, মাৰৈ গান ওজা, টুপুৰীয়া ওজা, নগঞা ওজা, সত্ৰীয়া ওজা, আৰু দেফেলা ওজাপালি, ভুটিয়া ওজা ইত্যাদি এনেদৰে চৈধ্য বিধ অসমৰ ওজাপালি। ইয়াৰে আটাইতকৈ জনপ্ৰিয় আৰু বহুল প্ৰসাৰিত ওজাপালি হ'ল সুকনান্নী ওজাপালি।

**প্ৰশ্ন ঃ** আমি দেখিছোঁ আপুনি শিক্ষাৰ লগতে দৰং জিলাৰ ছাত্ৰ-ছাত্ৰী তথা বহুকেইগৰাকী যুৱক-যুৱতীক দেওধনী নৃত্য, ওজাপালি ইত্যাদিৰ প্ৰশিক্ষণ দি অহাৰ লগতে আপুনি তেওঁলোকক স্বাৱলম্বী হোৱাৰ পথ দেখুৱাই আহিছে।

আপোনালৈ আমাৰ প্ৰশ্ন যে- বৰ্তমান ম'বাইলৰ লগতে ডিজিটেল যুগত পঢ়াৰ সমান্তৰালকৈ আপুনি ছাত্ৰ-ছাত্ৰীসকলক কেনেধৰণে নিজ নিজ সংস্কৃতি জীয়াই ৰাখি স্বাৱলম্বী হোৱাৰ পথ দেখুৱাব?

**উত্তৰ ঃ** পাৰি। এই কৃষ্টিটো যেতিয়া শিকিব, এইক্ষেত্ৰত বহুত আগুৱাই যাব পাৰি আৰু সহায় বহুত হয়। শিকিব লাগিব। মই নিজে নিৰক্ষৰ হৈয়ো এই কৃষ্টিৰ সৈতে জড়িত হৈ পেটৰ ভাতমুঠি মোকলাই পৰিয়াল পোহপাল দি আছোঁ। মই নিজ গৃহতেই "দৰং ওজাপালি আৰু পৰম্পৰাগত পৰিৱেশ্য কলা কেন্দ্ৰ" নামেৰে এখন বিদ্যালয় খুলি ইয়াত সকলোকে প্ৰশিক্ষণ দিওঁ। যদি আমাৰ দৰে গুৰুৰ সহায় লয় অথবা মহাবিদ্যালয়, বিদ্যালয়সমূহত প্ৰশিক্ষণৰ বাবে আমাৰ দৰে প্ৰশিক্ষক আৰু গুৰুক আমন্ত্ৰণ জনাই তেন্তে মোৰ লগতে আন আন গুৰুৱেও ছাত্ৰ-ছাত্ৰীক নিৰ্দিষ্ট দিনৰ ভিতৰত এই কৃষ্টিৰ শিক্ষা দি স্বাৱলম্বী হোৱাৰ পথ মুকলি কৰি দিব পাৰিব। বিভিন্ন ঠাইত গৈ ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠানত, প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা আৰু সাফল্যৰ প্ৰমাণ পত্ৰসমূহে চাকৰিত সহায় কৰে, কৰি আহিছে। আমাৰ সকলো ল'ৰা-ছোৱালীয়ে শিকক আৰু যদিহে তেওঁলোকৰ মাজৰ পৰা দল উলিয়াই অসমৰ তথা ৰাজ্যৰ ভিন্ন প্ৰান্তলৈ লৈ যোৱা হয় তেন্তে তেওঁলোকে নিশ্চয়কৈ আনকো শিকাব পাৰিব আৰু স্বাৱলম্বিতাৰ পথ মুকলি হ'ব।

**প্ৰশ্ন ঃ** আপুনি এই কৃষ্টিৰ সৈতে জড়িত এগৰাকী হিচাপে আপোনাক সুধিবলৈ বিচাৰিছো যে বৰ্তমান আমি কোনো কোনো ক্ষেত্ৰত কলা-কৃষ্টি সমূহ বিকৃত হোৱা দেখা যায়, ওজাপালি বা এই কৃষ্টিও কোনো কোনো ক্ষেত্ৰত হোৱা দেখা যায়। আপুনি এই ক্ষেত্ৰত কি ক'ব?

**উত্তৰ ঃ** বিকৃত হোৱা মাজে সময়ে দেখা যায়। কাৰোবাক গুৰু মানি লৈ ভালদৰে শিকি ল'লে বিকৃত হোৱা দেখা নাযায় অথবা অৱকাশ নাথাকে কিন্তু গুৰু মানি নল'লে এনেবোৰ

বিকৃতকৰণে দেখা দিয়ে। গুৰু শিষ্যৰ মাজৰ পৰস্পৰ সম্পৰ্ক থাকিব লাগে। আৰু আজিকালি দেখা গৈছে যে কিছু কিছু ওজাপালি দলক কেৱল মাত্ৰ বেছিকৈ টকা লাগে। পোছাক কি পিন্ধিছে, শৰীৰৰ কোন অংশত কি পিন্ধিব লাগে, কেনেকৈ পিন্ধিব লাগে আৰু তাৰ আভ্যন্তৰীণ অৰ্থ কি সেয়া তেওঁলোকে নাজানে।

কোনোবাই যদি মই কৰি থকা অথবা শিকাই থকা কৃষ্টিতো বিকৃত কৰে অথবা হোৱা দেখা পাওঁ তেতিয়া মোৰ অতিকৈ দুখ লাগে।

**প্ৰশ্ন ঃ** আপুনি দৰঙী এই ওজাপালি আৰু দেওধনী লোককৃষ্টিক বিশ্ব দৰবাৰত প্ৰতিষ্ঠাৰ ক্ষেত্ৰত কেনেধৰণে ক'লৈ লৈ গৈ প্ৰদৰ্শন কৰিছে? আৰু আপুনি কেৱল দৰঙী কলা-কৃষ্টিয়েই নহয় অসমৰ লোক কলা-সংস্কৃতিৰ হৈ পৰৱৰ্তী নতুন পৰিকল্পনা কি কৰিছে?

**উত্তৰ ঃ** ললিত চন্দ্ৰ নাথ দেৱে সংগীত নাটক একাডেমী বঁটা পোৱা অনুষ্ঠানটিত আঠগৰাকী ছোৱালীৰ সৈতে আমি প্ৰাক্তন ৰাষ্ট্ৰপতি গীয়ানি জেইল সিঙৰ সন্মুখত নৃত্য প্ৰদৰ্শন কৰাই সংগীত নাটক অকাডেমি বঁটা আদৰি অনা হৈছিল। আমি তাত মঞ্চত সাত মিনিট নৃত্য প্ৰদৰ্শন কৰিছিলোঁ। ওজাপালি আৰু দেওধনী নৃত্যৰ দল লৈ মই দিল্লী, কলিকতা, হাইদৰাবাদ, বম্বে, চেন্নাই, চিকিম, পানাজি, অৰুণাচল, মণিপুৰ, কেৰালা, কৰ্ণাটক, ত্ৰিপুৰা ইত্যাদি ভাৰতৰ প্ৰদেশসমূহলৈ লৈ যাওঁ। দিল্লীৰ NSD, প্ৰগতি ময়দান, ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলা কেন্দ্ৰ, সংসদ ভৱন, ৰাষ্ট্ৰপতি ভৱন আদিলৈ প্ৰদৰ্শনৰ বাবে গৈছিলোঁ। এনেদৰে নতুন পৰিকল্পনা বুলিলে ভৱিষ্যতেও মই সকলোকে আগ্ৰহীসকলক এই কৃষ্টি শিকাবলৈ প্ৰস্তুত। মাত্ৰ আমাৰ সৈতে যোগাযোগ কৰিব লাগিব। আজিকালি মোক বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়, অনুষ্ঠান, সভা ইত্যাদিলৈ আমন্ত্ৰণ জনাই। তাত মই সকলোকে এটাই আহ্বান জনাওঁ যে আপোনালোকে আগ্ৰহী হওক এই কৃষ্টি শিকিবলৈ লওক আমি শিকাম, মই শিকাবলৈ সদা প্ৰস্তুত। আগতকৈ বেছিকৈ মই কাম কৰিব লাগিব। মোৰ পুত্ৰকো এই শিক্ষা প্ৰদান কৰি আহিছোঁ আৰু মোৰ অঞ্চলৰ প্ৰায় বহুকেইগৰাকী ছাত্ৰ-ছাত্ৰীয়ে এই শিক্ষাৰে শিক্ষিত হৈ কৃষ্টিক আঁকোৱালি লৈছে সেয়েহে প্ৰথমে বিনামূলীয়াকৈ হ'লেও মই আৰ্থিকভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীক শিক্ষা প্ৰদান কৰিবলৈ সাজু আছো আৰু এইদৰে বিশ্বৰ বিভিন্ন প্ৰান্তৰ য'লৈ আমন্ত্ৰণ জনাই আমি তাত এই সংস্কৃতি প্ৰদৰ্শন কৰি যাম।

**প্ৰশ্ন ঃ** আপোনাৰ পৰা আমাৰ মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ সমাজলৈ আৰু অসমৰ নতুন প্ৰজন্মলৈ এটি বাৰ্তা বিচাৰিছো ?

**উত্তৰ ঃ** অশেষ ধন্যবাদ যাচিলোঁ। মঙলদৈ মহাবিদ্যালয়ৰ যদিহে ছাত্ৰ-ছাত্ৰীসকলে শিকিবলৈ আগ্ৰহ কৰে তেন্তে মোৰ সৈতে যোগাযোগ কৰিলে মই পঞ্চাশ গৰাকীলৈকে ছাত্ৰ-ছাত্ৰীক এই কৃষ্টি শিকাবলৈ প্ৰস্তুত আছো। আৰু আগলৈও চিয়াগীত, চেও চাপৰি, থিয় নাম ইত্যাদি শিকিলে অথবা ছাত্ৰ-ছাত্ৰীক শিকাবলৈ পাৰিলে মহাবিদ্যালয়খন এই ক্ষেত্ৰত আগুৱাই যাবলৈ পাৰিব। ঠিক একেদৰেই সকলোকে মই এই শিক্ষা প্ৰদান কৰিবলৈ প্ৰস্তুত।

শেষত আমি আপোনাৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ যাতে দৰঙৰ লগতে অসমৰ কলা কৃষ্টি ধৰি ৰাখি নতুন প্ৰজন্মক আপুনি বাট দেখুৱাই লৈ যায় আৰু আপুনি হৈ পৰক বহুজনৰ প্ৰেৰণাৰ প্ৰতীক।❑

***সাক্ষাৎকাৰ গ্ৰহণ —***
*দেৱাশীষ ৰাজকুমাৰ, চুমন ডেকা আৰু দীপশিখা দেৱী*
*সাক্ষাৎকাৰৰ সম্পাদনা — চুমন ডেকা আৰু দীপশিখা দেৱী*



# কথাকল্প-চিন্তাশিল্প

**কৌশিক জ্যোতি নাথ**

(১)

হাবিৰ ফুল হাবিৰ জুইৰ দৰে। কুকুহা উৰে, গছৰ পাতে পোহৰৰ বাট ভেটে। হাবিৰ বুকুত গোপনে মৰে ফুলি উঠা হেজাৰ সপোনৰ ফুল। তাক দেখেনো কোনে?

(২)

কালি এটা সপোন দেখিছিলে। স্বাধীনতাৰ ৰঙা সূৰ্যত সেউজীয়াৰ বোল আছিল। সিও মৰিল অকালতে, মৰুভূমিত হেৰোৱা বেদুইনৰ দৰে। বিপ্লৱ বন্ধকত গ'ল। তাক জানেনো কোনে?

(৩)

সুৰ এটাই উচুপি উঠিছিল। নীল-দীপালীৰ বুকুত। দূৰৰ পথাৰত ভাহি আছিল তাৰেই কলৰৱ, গৰখীয়াৰ বাঁহীত। কেনভাছৰ হাতখনো হেৰাই থাকিল। তাক সামৰেনো কোনে?

(৪)

নদীখন গাভৰু আছিল, সোণৰ সাধু এটাই খেলি আছিল শিলৰ ফাঁকত। আজি নদী উদং। মৰি মৰি জীয়াই আছে দুপাৰৰ মানুহ, বুকুত জলবোমা লৈ। তাক শুনেনো কোনে?

(৫)

লেংদনৰ হেংদাংখন চিক্‌মিকাই আছিল। সাতৰাজ মাৰি একৰাজ আছিল। মিতিৰে কুটুমে ভেটিছিল শতৰু। শুই পৰিল সেই ইতিহাস। ভাগে ভাগে ৰাজ্য ভগায় যায়, একতাৰ বাঘজৰী পৰিল কৰ্ফাল খাই। তাক বুজেনো কোনে?

(৬)

গালো বালো খোলা-গুটিৰ টাং। পাঁচটা স্নেপশ্বটত সকলো খুলি কোৰা টান। সুবিধাবাদীৰ ভৰত এতিয়া সকলো উদং। নিতাল মৰিশালিত খান্দি আছোঁ দেশৰ কবৰ। তাক দেখেনো, জানেনো, সামৰেনো, শুনেনো, বুজেনো কোনে ?

আমাৰ সন্মুখত হেজাৰটা ???ৰ পাহাৰ।❑

# অকথ্য অথচ সত্য

**প্ৰাঞ্জল প্ৰতিম ডেকা**

'কবিতাক' ক সেই দিনাই নাঙঠ কৰা হৈছিল-
যিদিনা কোনোবা স্বনামধন্য কবিয়ে লিখিছিল ঃ-
"গাৰ্লছ্‌ প্লিজ হোষ্টেলৰ চাদত নেখেলিবা পেন্টিবোৰ....."।
'কবিতা' সেইদিনাই অশ্লীল হৈছিল-
যিদিনা কোনোবা মুধাফুটা নাৰী কবিয়ে লিখিছিল ঃ
"অনুন্নত মোৰ বক্ষ-যুগল... নোৱাৰিম নেকি আপোনাৰ প্ৰেয়সী হ'ব?"
'কবিতা' সেইদিনাই ধৰ্ষিতা হৈছিল-
যিদিনা কোনোবা নামজ্বলা কবিয়ে লিখিছিল-
"এটা মাতাল ৰাতি অকলশৰে পাম....
এন্ধাৰৰ সুযোগ বুজি হাত ফুৰাই চাম।"
এই ধাৰা অব্যাহত থাকিলে এদিন
কবিতাক বিচাৰি চিৎকাৰ কৰিব লাগিব!
'কবিতা' শিল্পৰ স্বকীয়তা পুনৰুদ্ধাৰ কৰাটো সময়ৰ আহ্বান।
হীৰুদাই লিখিছিল - "তুমিচোন জানাই, এই কবিৰ একোৱেই নাই!
এটাই মাথো কামিজ... তাৰো ছিগো ছিগো চিলাই...."
নৰকান্ত বৰুৱায়ো লিখিছিল ঃ "বাৰিষাৰ ৰাতি তোমাৰ কবিক মনত পৰেনে অৰুন্ধতী?"
হেম বৰুৱাই "মমতাৰ চিঠিত" লিখিছিল ঃ "এয়া মম এডাল জ্বলাই লৈছো, আজি বহু দিনৰ মূৰত তোমালৈ চিঠি লিখো বুলি....."
সেইবোৰ কবিতাত কি প্ৰেম কিম্বা ৰোমান্টিকতাৰ পাচুৰ্যতা নাছিল??
তেন্তে আজিৰ একাপ কবিতাত অশ্লীলতা কিয়? যৌনতাৰ পোনপটীয়া প্ৰকাশ কিয়?? একাংশ গীতৰ ক্ষেত্ৰতো একেই কথা ভূপেন দায়ো গীতত প্ৰেম বোৱাইছিল মাৰ্জিত ভাষাৰে। গাইছিল- "কি যে তোমাৰ সঙ্গ প্ৰিয়া.... মিঠা তোমাৰ সঙ্গ, তোমাৰ অঙ্গ জ্বলন্ত জুই তোমাৰ অঙ্গ জ্বলন্ত জুই; মই যে পতঙ্গ।" কিন্তু .... আজি "হেৰি হেৰি... "বিয়া পাতিলেই নহব, ওহো ওহো লাগিব..." ডট্‌ ডট্‌ ডট্‌ ছিঃ কলা-কৃষ্টিৰ সৃষ্টি কোন দিশে... ৰুচিবোধ কোন দিশে!! ভাবক আৰু
বিঃ দ্ৰঃ মোক যদি কোনোবাই সোধে, কোনটো কবিতাই আধুনিক অসমীয়া ৰোমান্টিক কবিতাত অনন্য মাত্ৰা দিছে? পোনছাটেই ক'ম প্ৰণৱ কুমাৰ বৰ্মণৰ কবিতা- "সন্দিকৈ কলেজৰ সাগৰিকা বৰদলৈ..... তুমি কুশলে আছাটো!!"❑

# কুঁহিয়াৰ শাল

জয়ন্ত ৰাজবংশী



কুঁহিয়াৰ শালত কুঁহিয়াৰ চেপিবলৈ ঘূৰা
হালুৱৈহালৰ দৰে আমিও কেৱল ঘূৰিছোঁ
সন্মুখত হেঁপাহৰ একো একোটা সুন্দৰ পদূলি

কুঁহিয়াৰ শালৰ হালুৱাহালৰ দৰে
যুঁৱলিৰ ভৰত কান্ধ দুখন কৰিছোঁ খৰখৰীয়া
মাজে মাজে অনাকাংক্ষিত ভেনা মাখিৰ কামোৰ
এতিয়া যেন কুঁহিয়াৰ শালৰ হালুৱাহাল
আৰু আমাৰ পাৰ্থক্য বিচাৰিবলৈ প্ৰয়োজন নাই
একো একোটা সূত্ৰত অংকৰ উত্তৰো শূন্য

কুঁহিয়াৰ শালত ৰস তপতোৱা তৌ
চুবুৰীয়াৰ মুখত মিঠৈ চুবোৱা টৌ
কি যে মধুৰ সময় বলুকাত দুপৰ ৰাতিবোৰ
তৌত তপতোৱা কুঁহিয়াৰ ৰসৰে
ৰাতিপুৱাৰ চাহপিয়লা হাতত তুলি লোৱাৰো
এক যেন মহা আয়োজনৰ থৌকি-বাথৌ উচাহ

কুঁহিয়াল শাল সজাই তুলি লৈছোঁ
মিঠা প্ৰতিশ্ৰুতিৰ তিতা কেৰেলাত কামোৰ মাৰি
দুহাত সজাইছো ধোদৰ আলি বন্ধোৱাবলৈ
চকু চহাইছোঁ সাগৰ নাঙঠ থকাৰ টৌ চাই
পেট পুৰাইছোঁ মিছা শ্ৰম দেখুওৱা অহংকাৰত
পিছত দুখিছো নিজক- ৰ'দে পোৰে দেহ
বৰষুণে ডুবাই মৰুভূমিৰ উট, বালিত বৰষুণৰ নাচোন
বৰ তপত, চেঁচা মাথোন বালিত উপঙা দেহৰ লোভ

কুঁহিয়াৰ শালত চেপাৰ দৰে
এফালৰ পৰা কেৱল মাথোন শৰীৰটো আগুৱাইছো
চিকিৎসকৰ হাতত, নাৰ্চৰ পৰিচয্যাত
অফিচৰ কৰ্কশ কথাবোৰত
ৰাজআলিৰ খোজবোৰত
সহজ পৰিয়ালত, নিমিলা অংকবোৰত
ৰাতিপুৱাৰ কোমল ৰ'দৰ পৰা আবেলিৰ উঁহেছিয়া ৰ'দলৈ

কুঁহিয়াৰ শালবোৰ আজিকালি দেখিবলৈ ভাগ্যৰ প্ৰয়োজন
কিয়নো নেদেখা কুঁহিয়াৰ শালৰ পয়োভৰ বেছি
য'ত মগজুতেই ওলমে ছাঁ দেখা আগন্তুক
ঘৰখনতেই উবুৰি খাই থাকে একো একোখন কুঁহিয়াৰ শাল

কুঁহিয়াৰ শাল এখনি পূৰ্বে আছিল সম্ভ্ৰান্ত!
কুঁহিয়াৰ শালত যি প্ৰতিশ্ৰুতি আছিল সেয়া মিঠা
ঘৰখনৰ পৰাই আৰম্ভ হোৱা কুঁহিয়াৰ শালতহে
এতিয়াচোন আউল লগা যুঁৱলিৰ ভৰ সৰহ ।।❑

# Ubiquitous Geography

**Deepa Pradhan**

The Earth is a vast space,
Where in the learners wander for knowledge
and searching for something specific.
Everywhere we find Geography.
From the evolution of Earth and Moon,
to the human society,
Everywhere we find Geography.
Struggling to remove the streotype
being a subject of maps and places,
rather it is everything that surround us,
not only nature but also culture.
Everywhere we find Geography.
So dynamic in its own,
includes all the new developments like the
Covid & AI
It is ever growing and so,
Everywhere we find Geography.
Known as the mother of all decipline,
Comprise of everything on the earth
the branches gets growing and flourishing
and so,
Everywhere we find Geography.❑



# সোঁৱৰণী

**নীহাৰিকা ডেকা**

সোঁৱৰণী পৃষ্ঠাবোৰ হঠাৎ
লুটিয়াই চাওঁতেই আজি
‘আপুনি’ নামৰ সপোনটোৱে
সোঁৱৰাই দিয়ে এৰি অহা
স্বপ্ন ভংগৰ বেথাৰ গাঁথা
মই স্তব্ধ তুলাচনীত প্ৰায়
নিজকে জুকিয়াই চাওঁ
তেনেতে অন্তমুখী সূৰুযে প্ৰশ্ন কৰে
ঘৰমুৱা পক্ষীৰ ভয় কিহৰ?
বিশ্বাসহীনতাৰ শেষ প্ৰান্তত
যুক্তিৰে জয়ী হোৱাৰ হাবিয়াস নাই
নীৰৱতাক প্ৰশয় দি মোৰ
প্ৰেমক উপলুঙা কৰাৰো সাহস নাই।
দুৱাৰডলিত নিতৌ উজুতি খাই
আঘাতবোৰ সামৰি ৰাখো
সন্ধিয়াৰ বৰষুণ জাকে আহি
জোনাকৰ পোহৰটো শীতল কৰিলে
সঁচাকৈ বৰষুণ এজাকৰ বৰকৈ প্ৰয়োজন
তেতিয়া আলিংগন কৰিব পাৰি
নীলিম আকাশৰ বিশুদ্ধ বতাহ
হয়তো তেতিয়া জ্বলি নাথাকে
উমি থকা অৰ্ধ দগ্ধ হৃদয়ৰ জুইকুৰা।❑

# শেষ প্ৰহৰ

নিশান্তা কাশ্যপ



সুনীল আকাশত
ডাৱৰৰ বগা কপাহ,
পশ্চিমৰ দিগন্তত
সেন্দুৰীয়া বেলি
এই ডুবু ডুবু;
লাহে লাহে বৈ আহিব
পৰ্বতীয়া জুৰিটিৰ
জীয়া অলেখ মৌনতাৰ
কলৰোল।
প্ৰজাপতিৰ সৈতে
তোমাৰ নীৰৱতাৰ চল চাই,
ঘনাই অহা-যোৱা কৰিব
কিছু স্মৃতিৰ পৰাগ;
বুকুৰে উজাই আহিব
এচাটি বকুল মিহলি
পাতল হালধীয়া কলৰোল
সোঁৱৰণীৰ হেৰাই যোৱা বাট বিচাৰি
ফুলি উঠিব এমুঠি সুখৰ জোনাক,
বিষাদৰ কেঁকুৰিবোৰত বাকৰুদ্ধ হ'ব
মৰম আকলুৱা ফুলবোৰ,
দুপৰৰ সিপাৰে ৰ'দালি ভেদি
এৰি অহা বাটে চিটিকি পৰিব
এটি বিষন্ন ৰঙীন আবেলি;
কিহৰ আনন্দত ফুলি উঠিছিল
অপৰিচিত-অজান উপত্যকাত
ইমান খৰিকাজাঁই?
অক্লান্ত আকাশত ওৰেনিশা এতিয়া
কাৰ স্মৃতিৰ পাঠ?❑

# মৰম

চাহনাজ ইয়াচমিন

মাৰ খং উঠাৰ পিছতো জোকবলৈ নেৰা
দেউতাৰ মিঠা হাঁহিটোত মৰম।
"তোমাৰ ভাগৰ লাগিছে, তুমি শোৱা,
ভাত মই ৰান্ধিম;"
"তোমাৰ গা বেয়া, কাম মই কৰিম,
তুমি দৰৱ লৈ শুই যোৱা।"
মাৰ প্ৰতি থকা দেউতাৰ এই দায়িত্ববোধত মৰম।
পৰিয়ালটোৰে একেলগে বহি গধূলি
কথা-বাৰ্তাৰ মাজেৰে
চিপ মৰা ৰঙা চাহকাপত মৰম।
বাকচৰ এচুকৰ পৰা উলিয়াই কোনেও দেখা নোপোৱাকৈ
হাতত গুজি দিয়া আইতাৰ পইচাটিত মৰম।
কাৰেণ্ট যোৱাৰ লগে লগে বিচনী ঘূৰাই
ভনীয়েকে কষ্ট নাপাবলৈ কৰা
বায়েকজনীৰ চেষ্টাত মৰম।
বহুদিনৰ মূৰত লগ পাই বান্ধৱীজনীয়ো
"মোকতো পাহৰিছয়ে চাগে, মইনো তোৰ কোন হয়।"
বুলি কৰা অভিমানত মৰম।
সৰু সৰু কথাতেই কাজিয়া লগা
বায়েক-ভায়েকৰ সেই কাজিয়াবোৰত মৰম।
পিতৃবিহীন ঘৰখনত মাক আৰু ভনীয়েকৰ
দায়িত্ব মূৰ পাতি লোৱা ল'ৰাজনে প্ৰেমিকাক
"তুমি চিন্তা নকৰিবা, মই যিমান পাৰো কষ্ট কৰিম,
কৈছো নহয় মই, আমি সদায় একেলগে থাকিম।"
বুলি দিয়া প্ৰতিশ্ৰুতিত মৰম।
ৰাস্তাৰ কাষত প্ৰখৰ ৰ'দত বহি থকা
মগনিয়া জনক ছোৱালীজনীয়ে কিনি দিয়া
পানীৰ বটলটোত মৰম।
জীৱনৰ সৰু সৰু ক্ষণবোৰত
লুকাই আছে অপাৰ মৰম,
এই মৰমবোৰে মানুহক প্ৰদান কৰে
অনাবিল সুখ আৰু জীয়াই থকাৰ
প্ৰচুৰ হেঁপাহ।❑



# সেই চহৰত এতিয়া খৰাং পৰিছে

**অৰুনিমা চহৰীয়া**

সেই চহৰতো
এদিন নিয়ৰ পৰি তিতিছিল শেৱালি।
সেই চহৰতো
নামিছিল বসন্ত,
মন হৈছিল অশান্ত।
সেই চহৰতো
আহিছিল উতনুৱা ফাগুন।
এৰা ! এতিয়া
সেই চহৰৰ চৌপাশে মাথোঁ
যান্ত্রিকতা আৰু যান্ত্রিকতা।
এতিয়া সেই চহৰত
নাহে ফাগুন,
নাহে বসন্ত
নাহে শৰৎ
নুফুলে শেৱালি।
সেই চহৰত এতিয়া চলে
ভালপোৱাৰ দৰ-দাম।
সেই চহৰত এতিয়া খৰাং পৰিছে।।❑

# কবিতা

**মনালিছা ডেকা**

ইমান ৰাগি কিয় লাগে
কলমে নিগৰা শব্দৰ প্ৰতি,
কবিতাত নো কি থাকে,
সুধিলে ক'ব জানো আপুনি ?

অকণমান যদি ৰঙা ফাকু
কবিৰ হাতত গুজি দিওঁ
কলমে নো কি পাক দিব ?
মুখ জিলিকা তেজাল সুখৰ নে
চৌহদ বধিৰ কৰা দুখৰ ?
কবিয়ে হয়তো জানিব !
শব্দৰে পাক ঘূৰাই কবিয়ে লিখিব !
আমি পঢ়িম, নুবুজিলেও পঢ়িম

কিনো জানো,
কবিৰ হৃদয়ৰ কথা !
কবিৰ কবিতা সেনেকুৱাই জানা
বুজা নুবুজাৰ শিল কঠিন ভাষা !

আঁকা বকা শব্দৰে আঁকা কবিতা পঢ়িম,
চিয়াঁহীৰ আখৰ মোহাৰি মোহাৰি
আপুনি ভাল নাপালেও
চিৰকাল মই
কবিতাৰ প্ৰেমিক হৈ থাকিম !❑





# আশাৰ মৰীচিকা

**বৰষা মণি দেৱী**

গ্ৰীষ্ম......
গ্ৰীষ্মৰ প্ৰখৰ উত্তাপক নেওচি
পথাৰত ৰোৱণী খেতিয়কৰ মনত বহু উল্লাহ
কিয়নো, সেউজীয়া পোখা মেলিব সপোনে সিহঁতৰ,
তাৰে ভাবনাতে পাহৰি পেলাই সকলো দুখ-কষ্ট
দুচকুত ভাহি থাকে মাথোন সোণগুটিৰে ভৰা পথাৰখন।
বৰ্ষা...........
বৰষাই সকলোলৈ আশা লৈ নাহে।
নাহে লৈ সকলোৰে বাবে অনুভূতিৰ আলোড়নৰ টোপোলা
হয় কাৰো বাবে বিষাদৰহে গল্প।
কেতিয়াবা এই বৰষাই ভৰসা হেৰুৱাই খেতিয়কৰ....
বুৰাই পেলাই সপোনৰ পথাৰ
খহাই পেলাই আশাৰ সকলো বান্ধ
স্বপ্নবোৰ ৰূপান্তৰিত হয় দুঃস্বপ্নলৈ
আশাবোৰ জাহ যায় মনতে
বিষাদবোৰ ফুলি উঠে হঠাতে
দুঃস্বপ্নৰ সমাপ্তি ঘটাবলৈকে.....
আশাৰ মৰীচিকা খেদি খেদি পুনৰ যুঁজত
শৰীৰত ৰ'দ-বৰষুণ নপৰা মানুহজাক।❑

# নাৰী তুমি অনন্যা

**ৰিম্‌লী ডেকা**

নাৰী......
নাৰী কেৱল এটি শব্দ নহয়,
নহয় নাৰী কোনো সামগ্ৰী,
নাৰী হৈছে ঈশ্বৰৰ সৃষ্টি।
নাৰী হৈছে ত্যাগৰ মূৰ্তি।
নাৰী তুমি সৃষ্টিৰ মূল,
নাৰী তুমি প্ৰগতিৰ মূল।
নাৰী তুমি কৰুণাময়ী।
নাৰী তুমি পথ প্ৰদৰ্শিনি।
এফালে নাৰী নিৰ্যাতিতা, নিপীড়িতা !
আকৌ আন ফালে.
নাৰী তুমি বীৰাংগণা।
কেতিয়াবা তুমি হোৱা কৃষ্ণা,
কেতিয়াবা সীতা হৈ তুমিয়েই
দিয়া অগ্নি পৰীক্ষা।
সময়ে সময়ে হোৱা জয়মতী, কনকলতা।
কিম্বা কালী বা দুৰ্গা।



নাৰী তুমি কাৰোবাৰ জীয়ৰী,
কাৰোবাৰ বোৱাৰী।
নাৰী তুমি কাৰোবাৰ পত্নী,
কাৰোবাৰ মাতৃ।
নাৰী তুমিয়েই জীৱন দাত্ৰী।
নাৰী......
আজি যে মই বাকৰুদ্ধ !
নোৱাৰো আৰু তোমাৰ
বিষয়ে লিখিব।
তুমিযে অনেক গুণৰ অধিকাৰী।
নোৱাৰো, তোমাৰ বিষয়ে বৰ্ণাব।
শেষত কওঁ,
নাৰী তুমি মহান,
নাৰী তুমি অনন্যা
নাৰী তুমি অনন্যা।❑



# ফাগুন

**পঞ্চমী সৰকাৰ**

ফাগুন, এই প্ৰেমৰ সময়
মৌ, স্নিগ্ধ সোঁৱৰণী পছোৱা বতাহ জাকে
মোক তোলৈ মনত পেলাই দিয়ে।
তোৰ বতাহে উৰুৱাই লৈ আহা
সেই সুগন্ধীময়ী ধূলিকণাৰ কি সুবাস।
কি অনুভৱ, লগৰীয়াৰ সেই ধেমালিবোৰ মনত পেলায়।
যেন স্মৃতিৰ খিৰিকী খুলি মোক তাৰ ভিতৰলৈ
টানি.... লৈ যায়।
মধুৰ, সেই স্মৃতিবোৰ
এয়েই যেন মাতাল প্ৰেমিক
আহিবি তই, সোঁৱৰাই থৈ যাবি
অপেক্ষাৰ দিনবোৰ খুউব মধুৰ
গছৰ তলত পৰি থকা সেই পলাশৰ সৌন্দৰ্যই
বৰকৈ আপ্লুত কৰে।
ফাগুন, তই আকৌ আহোতে
তোৰ ৰৌদ্ৰ ৰূপ লৈ নাহিবি।
আহিবি, এক প্ৰেমৰ মধুৰতম মায়াময় আভাসলৈ
ৰৈ আছো, ৰৈয়ে আছো।
মাথো তোৰেই অপেক্ষা
ডায়েৰীৰ পাততো তোক সোঁৱৰাই থৈছো জানানে?
সেই আবেগ, সেই অনুভৱ
মন উপচাই বুকু শাঁত কৰি পেলায়
আজি ক্লান্ত মোৰ মন
তোৰেই অপেক্ষাত
আহিবি তই,
ময়ো তোৰে অপেক্ষা ফাগুন।❑

# অচিনাকি মন

**ৰিকিতা সাহা**

অচিনাকি মন!
নাজানো ক'লৈনো যায়?
জগাই দিয়া মলয়া বতাহে,
কাকনো চায়?
সপোন ৰঙা নতুন সুবাসখিনি,
বিচাৰি ফুৰে সেই ডেউকা দুখনি;
পিছে নেদেখো আৰু তোমাক মই
বুজিছিলানে তুমি মোৰ মনটোক?
বুজিছিলানে তুমি মোৰ চকুলো?
কিমান যে বেজাৰ,
সপোন নেদেখা, এই চকুত.
কেতিয়াবা পঢ়িছিলানে মোৰ এই বহীখনত
লিখা অজস্ৰ কাহিনীক?
শুনিছিলানে মোৰ বুকু ফঁটা কৰুণ হাঁহি!
নাই! তুমি বুজা নাই।
তুমি শুনা নাই।
সকলো অচিনাকি তোমাৰ বাবে,
মোৰ অচিনাকি মন।
পিছে, সামৰিলোঁ মই নিজৰ মাজতে,
চকুলো টুকি টুকি, সেপ্ ঢুকি ঢুকি;
মিছা হাঁহিৰে,
সামৰিলো সকলো নিজৰ মাজতে।
আঁকোৱালি ল'লো সকলোখিনি,
নেদেখালো তোমাক আৰু
এই অচিনাকি মনটো।❑





# মুক্ত বিহংগ

**গুণেন্দ্ৰ মেধি**

আপুনি ভবাৰ দৰে মই মুক্ত বিহংগ নহয়,
পিঞ্জৰাত আৱদ্ধ এটি অসহায় পখী মাথোঁ।
এবাৰ সুধিছেনে কোনোবাই মই
স্বাধীনভাৱে জীয়াই আছোনে বুলি!
আপুনি ভবাৰ দৰে মই মুক্ত বিহংগ নহয়,
মই যেন কাৰোবাৰ হাতৰ পুতলা।
মাথোঁ যেনেকৈ নচুৱাইছে তেনেকৈ নাচিছোঁ,
মই যে জীৱন্ত ছবি কোনোবাই বুজিছেনে?
আপুনি ভবাৰ দৰে মই মুক্ত বিহংগ নহয়,
এঠাইত আৱদ্ধ হৈ আমনি লাগিছে মোৰ
নীল আকাশত নাচিবলৈ মোৰো মন যায়
মোৰ ইচ্ছাৰ বিষয়ে জানিবলৈ কোনোবা আছেনে!
আপুনি ভবাৰ দৰে মই মুক্ত বিহংগ নহয়,
মুক্ত হৈ জীৱন জীয়াবলৈ দেখো জীয়া সপোন
মুক্তি পোৱা দিনটোলৈ মাথোঁ অপেক্ষা
হয়টো সেই দিনটোতে স্বাধীন হ'ম চিৰদিনলৈ।❑

# জীৱনৰ ৰং

**প্ৰিয়ংকা শৰ্মা**



সাতোৰঙী এই জীৱনৰ
অনেক আশা,
অনেক ইচ্ছা,
সপোন বাসনাৰ মাজত
লুকাই থকা মোৰ মনৰ বাসনা।
কেতিয়াও শেষ হৈ নোযোৱা
কেতিয়াও অন্ত নপৰা
মোৰ কল্পনা।
অদৃশ্য দুয়োপাৰ, এটি মায়াৱী সাগৰ
ইয়াতেই বিলীন হৈ আছো মই,
নাপাওঁ সন্ধান
নেদেখো পথ
কেৱল অন্ধকাৰ, কেৱল অন্ধকাৰ
তথাপিও,
মনৰ মাজত লুকাই আছে
এটি আশাৰ আভা,
এগছি বন্তিৰ পোহৰ
যিয়ে দেখুৱাই মোক আগুৱাই
যোৱা পথৰ ঠিকনা।❑



# তাইৰ চহৰত এতিয়া জোনাক নামিছে

**ৰিতুপন ডেকা**

তাইৰ চহৰত এতিয়া জোনাক নামিছে।
বসন্তৰ বা লাগি গাভৰু হোৱা
অনুৰাধাৰ কাম আৰু কথাই যে চিনাকি
সেয়া সকলোৱে জানে।
এতিয়া যে অনুৰাধা
একৈশ বছৰীয়া ৰূপহী ছোৱালী,
সেই আলোচনা
গাঁৱৰ ডেকাবোৰৰ মুখে-মুখে চলে।
মুঠতে তাইৰ চহৰত হেনো এতিয়া জোনাক নামিছে।

এতিয়া হেনো ফাগুনৰ মাহ,
ধূলিয়ৰী এই বসন্তৰ দুটি মাহৰ পিছতেই
আহি আছে ব'হাগ মাহ।
ফেঁচাই উৰুলিয়াব,
বৰদৈচিলাজনীয়েও বতাহ, বৰষুণৰ সাজ পিন্ধি
সকলোকে আদৰিব।

ঢোল, পেঁপা, গগনাৰ মতে ৰজনজনাব।
মুঠতে অনুৰাধাৰ চহৰত এতিয়া পূৰ্ণিমাৰ জোনাক নামিছে।
তাইক হেনো সৰগৰ অপেশ্বৰীৰ দৰে শুৱাইছে।
কি কাঞ্চন, কি নাহৰ, কি পলাশ, শিমলু, মদাৰ
গোলাপ, নাৰ্জী, জবা।

সকলো ফুলৰ দৰেই যেন জীপাল আৰু ধুনীয়া অনুৰাধা।
দুটি মাহৰ পিছতেই তাই হৈ পৰিব আন এখন ঘৰৰ ন কইনা।
কাৰণ ব'হাগত তাইৰ অনুৰাগৰ সৈতে হেনো চলিছে
দুটি মন একেটি হোৱাৰ আখৰা।

উম্
তাইৰ চহৰত এতিয়া জোনাক নামিছে।❑

# আমাৰ ব'হাগ

**পাপু ডেকা**

তোলৈ যে ভালপোৱাৰ এটি টোপোলা
আলফুলে পঠিয়াইছিলো
তাতেই আছিল মোৰ ব'হাগ।
নাছিল তাত গামখাৰু,
নাছিল কোনো মুগাৰ সাজ।
নাছিল কোনো পিঠা-পনা।
আছিল কেৱল মাত্ৰ ভালপোৱাৰ বতৰা।
আছিল জীৱনৰ সমস্ত দিন
তোমাৰ স'তে থাকিব খোজা
এটি প্ৰেমৰ কথা।
আছিল তোমাৰ জীৱনৰ প্ৰত্যেকটি দিন
মই কৰি দিব খোজা
ব'হাগৰ কথা।
আলফুলে সামৰি ল'ব পৰাকৈ
দিব খোজা ব'হাগ ভৰাই পঠিয়াই দিয়া
টোপোলাটি মোৰ হৃদয়ৰ পৰা
তোমালৈ বাগৰি আহিবলৈ
কিমান সময় লাগিব
সেয়া তোমাৰ ব'হাগ।
মই ৰৈ থাকিম,
এটি আশা
আৰু এটি সপোনৰ স'তে
সেয়া মোৰ ব'হাগ।।❑





# হাতৰ তুলিকা

প্ৰিয়াংশু নাথ

ভালে লাগে জানানে
তোমাৰ সেই ছবিবোৰ,
তোমাৰ হাতৰ তুলিকাবোৰ,
সেই তুলিকাবোৰ দেখিলে
মনত প্ৰতিষ্ঠিত কৰিলে
অনুভৱ হয় যেন,
এই যান্ত্ৰিকতা পৃথিৱীৰ পৰা
বহু দূৰৈত থকা
প্ৰকৃতিয়ে খেলা কৰি থকা
এখন শান্তিপূৰ্ণ পৃথিৱী।।

হয়তো, তোমাৰ সেই
ছবিবোৰে দি যায়
মানুহৰ মাজত নিৰ্ভেজ মৰম,
স্বাৰ্থহীন ভালপোৱা,
আৰু,
কত বহু কথা।।❏

# এই বাটেৰে জীৱন নামে

পৰিস্মিতা ভট্টাচাৰ্য্য

বাটিতো খুবেই সৰু
পথাৰৰ বাট,
দুলুঙীয়া এটি বাট।
এজন মানুহ হে খোজ কাঢ়ি যায়।
এটি পথাৰৰ আলি আৰু বাট।
বাৰিষা বানপানীয়ে সেই বাট নোহোৱা কৰে।
যৰালি আকৌ সেই বাটেৰেই জীৱন নামে।
আযোণত সেই আলিৰ ওপৰেৰে খোজ লৈ
খেতিয়কে বাট চিনি বাট লয়
জীৱনৰ, হেঁপাহৰ।
কান্ধত ধানৰ দুটাকৈ ডাঙৰি দাঙি লৈ অহা বাট।
কথাতে আছে
সেই ধানত হেনো লক্ষ্মী আই আছে।
সেয়েহে সোয়াই লক্ষ্মী আই অহা বাট।
সংসাৰৰ বাট,
জীৱনৰ বাট,
জীয়াই থকাৰ এটি বাট।
সেউজীয়াবোৰ
হালধীয়া হৈ
পকি উঠাৰ বাট।
আশাৰ বাট,
ভৱিষ্যতৰ বাট।
জীয়াই থকাৰ
একমাত্ৰ সম্বল
এটি বাট।।❏



# আবেলি

## হিয়ামণি নাথ

সূৰ্যাস্তৰ দিশে
দুটি পখী
উৰি যোৱা চাই চাই ভাগৰি নপৰা
এটি আবেলি।

পশ্চিমে গতি কৰা
সেউজীয়া পথাৰত জিৰণি লোৱা
গৰুকেইটি ঘৰমুৱা হোৱা
এটি আবেলি।

খৰাং নৈৰ মাজৰ বালি আৰু ধূলি উৰুৱাই
গোনা ম'হকেইটি
আনটি পাৰত ৰ'লহি
এটি আবেলি।

গৰখীয়া ককাইয়ে
সুহুৰিয়াই সুহুৰিয়াই গছৰ তলৰ পৰা
ঘৰলৈ বুলি বাট ল'লে এটি আবেলি।

নাঙলৰ মুঠিটো এৰি
কান্ধত কোৰখন লৈ
ৰূপমৰ দেউতাক ঘৰমুৱা হৈছে
এটি আবেলি।

ৰংমনে ধানৰ ডাঙৰিৰ ভাৰখন
চোতালত নমাই দিলেহি।
ক'বলৈ ধৰিলে,
এতিয়া লাহেকৈ সন্ধিয়া নামিব
এটি আবেলি।

নামঘৰৰ পৰা ডবাৰ শব্দৰে
গাঁওখন গুম্‌গুমাব
এটি আবেলি ইয়াতে সমাপ্ত হ'ব।

কাইলৈ আকৌ আবেলি হ'ব।❑



# কালৰ চিঞৰ

## জ্যোতিস্মিতা ডেকা

বৰষুণজাক ধৰোতেই কৈ থওঁ
সাগৰমান কাহিনীৰ বছা এটা।
বৰষুণ এৰিলেই কালে শুনিব
মোৰ মাত।
সেইপিনে এখন হাট বহিছিল
বাটৰুৱা হাট।
হাটৰ মাজে মাজে পিয়াপি
দি ফুৰিছিল, এজাক পিশাচৰ দল।
কাণে তাল মৰা চিঞৰ
হেৰৌ, প্ৰাণৰ ভয়ত হাট
বহেনো কেনি।
সুৰুয ওলালেই তল পৰিব
অত যাতনাৰ ৰাতি,
পোহৰ হ'ব,
তহঁতে মণিব পাৰিবি
বৰষুণে ধোৱাৰ আগৰ কাহিনী।



# নীৰৱতা বিচাৰো

প্ৰণয় শৰ্মা

নীৰৱতা বিচাৰো নিজানত
প্ৰেমৰ ৰূপলেখ জীৱনত।
মৰমে আনে পোহৰ,
ৰশ্মিৰ দৰে সূৰ্যৰ।
আকাশী মন জুৰাই,
বতাহে প্ৰেমধূলি উৰাই।
তুমি ভঙা সপোন বোৰে
কন্দুৱাই সদায় নিজানতে।
বাউলী মন আনমনা!
নাছিলা মোৰ প্ৰিয়তমা।
প্ৰেমৰ শ্ৰদ্ধা মানসেৰে,
নিশাৰ কবিতা, তুমি অবিহনে।❑

# নৱবৰ্ষ

হীৰামণি নাথ

অধীৰ আগ্ৰহেৰে উদগ্ৰীৱ হৈ
তোমালৈ বাট চাই আছোঁ,
যোৱাটো বছৰে মানৱ সমাজে
মানৱতা বিচাৰি হাহাকাৰ কৰিছোঁ।
অসমীয়াই নিজৰ অস্তিত্ব ৰক্ষাৰ হেতু
ৰাজপথত প্ৰতিবাদ কৰিছিল;
কিন্তু, নিজৰ অস্তিত্বৰ হাহাকাৰত
নিজকে হিংসাৰ বলী কৰিছিল।
শান্তিৰ মলয়া এজাক বলিছিল মাথোঁ
অচিন শত্ৰুই মাৰিলে ভুমুকি,
যিয়ে গোটেই বিশ্বকে সকলোফালে
কৰি তুলিছিল পঙ্গু।
ৰাজঘৰীয়াই মহানন্দে দিন কটাইছে
হতাশা কেৱল মাথো কেৱল মধ্যবিত্তৰ
এয়াই বৰ্তমান পৰিস্থিতি।
হে! নৱবৰ্ষ তুমি যেন এটা মধুৰ
স্বপ্ন আলোকেৰে সকলোৰে
জীৱন পটত সুখৰ ৰহন বুলাই
দিয়া তাৰে কামনা কৰিছোঁ।❑



দে ৱা শী ষ ৰা জ কু মা ৰ ৰ পাঁ চ টা

# লি.মা.ৰি.ক



**লিমাৰিক - ১**

সোনকালে শুই উঠি পঢ়ি শুনি ল'বা
ভাতমুঠি মুখত দি বিদ্যালয়লৈ যাবা
বিদ্যালয়ত গৈ তুমি নকৰিবা দুষ্টালি
অতি বেছি জনা দেখাই নকৰিবা পাৰ্গতালি
ক্লাছৰ শেষত বাহিৰত ঘূৰা ফুৰা নকৰি ঘৰলৈ যাবা।

**লিমাৰিক - ২**

বাটে-ঘাটে আড্ডা দি নকৰিবা সময় নষ্ট
ভৱিষ্যত জীৱনত নহ'লে পাবা বহুত কষ্ট
হাতে হাতে লৈ থাকে সি, দুটাকৈ স্মাৰ্টফোন
মাক-দেউতাককেই নাপায় চিনি, তুমিনো কোন
সেয়েহে ছাত্ৰ জীৱনত বেছিকৈ নহ'বা দুষ্ট।

**লিমাৰিক - ৩**

বজাৰত পাচলিৰ জুই চাই দাম
মন্ত্ৰী আমোলাৰ কেৱল AC গাড়ীত বহি ঘূৰি ফুৰাই কাম
দৰমহাৰ টকাৰে ঘৰ চলাব নোৱাৰি
আনিব পৰা নাই যে ঘৰলৈ লখিমী বোৱাৰী
সেয়েহে ভাবিছো নিজে ঘৰৰ মাটিত খেতি কৰি চাম।

**লিমাৰিক - ৪**

ম'বাইল ফোনৰ ব্যৱহাৰ কম কৰিবা
কিতাপৰ কথা হে মনত ৰাখিবা
গ্ৰন্থাগাৰত গৈ তুমি পঢ়িবা কিতাপ
সামাজিক মাধ্যমত ব্যস্ত থাকিলে পিছত কৰিবা পৰিতাপ
তেতিয়াহে পৃথিৱীৰ কথা জানিব পাৰিবা।

**লিমাৰিক - ৫**

খাটি খোৱা গাঁৱৰ মানুহৰ মানসিক শান্তি আছে
চহৰত থকা বৰাদেৰে কেৱল টকা-পইচাহে চিনে
জাতি, মাটি-ভেটি গ'লে সকলো শেষ হ'ব
নিজৰ বুলি ক'বলৈ যে মাতৃভাষাটিও নৰ'ব
লুইতৰ পাৰৰ অসমীয়াই সেয়েহে গাঁৱতে থাকিব খোজে।❑



# মাতা বৈষ্ণোদেৱী ভ্ৰমণৰ অভিজ্ঞতা

ড° ৰুণজুন দেৱী

### প্ৰথম খণ্ড

বহুদিনৰ পৰা পুহি ৰখা সপোন এটা জাগ্ৰত হ'ল যেতিয়া হঠাৎ এজাক তীৰ্থযাত্ৰী-পৰ্যটকৰ সতে ১০ জুলাই, ২০২২ ইং তাৰিখে পুৱা ১০-৪৫ বজাত কামাখ্যা ৰে'লৱে ষ্টেচনত SMVD KYQ KATRA অভিমুখী ৰে'লখনৰ B11 ডবাৰ ৪৫ নং আসনত বহি পৰিলো। সৰু ট্ৰলীবেগটি ছিটৰ তলত দিয়াৰ লগে লগেই ৰে'লখনে দীঘলীয়া সুহুঁৰিৰে যাত্ৰাৰম্ভৰ ইংগিত দিলে। বিদায় দিবলৈ অহা কেশৱ আৰু ভূপেনক খিৰিকীৰে হাত জোকাৰিলো আৰু ঝক্‌ঝক্ শৱদেৰে তীব্ৰগতিৰে চলি গ'ল আমাৰ ৰে'লখন-মোৰ মনত পৰিল সৰুতে গোৱা পদ্যফাঁকি-

"ৰে'ল ঐ ৰে'ল/দীঘে লেলপেল
পেটৰ মাজত সোমাই নিয়/ল'ৰা-বুঢ়াৰ মেল...."

ময়ূৰী বৌ, বৰ্ণালী, ববিতা, মাকন, নৰ, দেৱ, দুলু, মৃদুলা, দীপালি, মিনতি আৰু বহুতো সহযাত্ৰীৰে আনন্দমুখৰ এক যাত্ৰা। সকলোৰে হিয়া থৌকি বাথৌ- 'জয় মাতা দী", "প্যাৰ মে বোলো জয় মাতাদী" আৱাজেৰে মুখৰ কৰি আমি আহি আছো কাট্ৰাৰ্লৈ হিমালয়ৰ পাদদেশৰ পুণ্যভূমি কাট্ৰাৰ্লৈ। মনবোৰ পৱিত্ৰতাৰে ভৰপূৰ, হাঁহিবোৰ নিৰ্মল আনন্দেৰে সিক্ত।

প্ৰথম নিশা, দ্বিতীয় নিশা পাৰ হ'ল। তৃতীয় দিনা আমি সন্ধিয়া কাট্ৰা ৰে'লৱে ষ্টেচনত ৰাতি ৮ বজাত ৰে'লৰ পৰা নামিছো। প্ৰথম চকুত পৰা দৃশ্য আছিল সন্মুখৰ ওখ ত্ৰিকুটা পৰ্বতৰ ওপৰত মন্দিৰ আৰু তালৈ উঠি যোৱা পথছোৱা একা-বেঁকা, সৰ্পিল পথেৰে পৰ্বতৰ টিং ধিয়াই উঠি যোৱা মনোমোহা ৰাষ্টাটিয়ে আমাক পিছদিনাৰ মাতাদীৰ মন্দিৰলৈ যোৱাৰ কথাকে সোঁৰৰাই দিলে। ট্যু'ৰ মেনেজাৰ দেৱ শৰ্মাই ইন'ভা গাড়ীৰে আমাক হোটেল শামা পেলেচলৈ লৈ গ'ল আৰু পূৰ্ব নিৰ্ধাৰিত সংগীসহ কোঠা দিলে। মই, ববিতা আৰু বৰ্ণালীক এটা কোঠা দিলে। গৰম পানীৰে গা ধুই ভাত খাই আমি শয়ন কৰিলো আৰু পুৱাই যাত্ৰাৰ কাৰণে মানসিকভাৱে সাজু হ'লো।

পিছদিনা ৪ বজাত শুই উঠি গা-পা ধুই আমি মন্দিৰমুখী হ'লো। আগদিনা ৰাতিয়েই Permit card উলিয়াই থোৱা হেতুকে ৰাস্তাত আমি একো অসুবিধা নাপালো আৰু ওচৰৰ দোকানৰ পৰা লাখুঁটি একোডাল ২০ টকাকৈ কিনি, জয় মাতা দী ধ্বনি দি আমি ভৱন অভিমুখী পদ সঞ্চালনাৰে আগবঢ়িলো। প্ৰথমতে আমি লাহে লাহে খোজ দিলো যাতে ভাগৰ নালাগে। অলপ দূৰ যোৱাৰ পাছৰে পৰা বহুতো তীৰ্থযাত্ৰী দেখা পালো- সকলোৰে উদ্দেশ্য এটাই মাতাজীৰ দৰ্শন। বহুতো যাত্ৰীয়ে ঘোঁৰাত উঠি গৈছে, বহুতে পাল্কীত গৈছে আৰু আহিছে। যেনেকৈয়ে নহওক মাতাজীয়ে তেওঁলোকৰ যাত্ৰা সাৰ্থক কৰিছে। ওপৰলৈ যোৱা ৰাস্তাটিৰ কাষে কাষে চাহ, কফি, ফলমূল, শীতল পানীয়ৰ ব্যৱস্থা আছে। ইচ্ছা কৰিলেই পইচা দি খাব পাৰি। আমিও কল, প্লাম আদি খাই গৈ




থাকিলো। ভাগৰ লাগিলে জিৰণি ল'বৰ কাৰণে সুব্যৱস্থা আছে আৰু আমিও তাৰে সুযোগ ল'লো। অৰ্ধকুঁৱৰীৰ পৰা E-car ৰ ব্যৱস্থা আছে। ববিতা আৰু মই টিকটৰ কাৰণে আধাঘন্টা শাৰী পাতিলো আৰু বহুত সময় লোকচান হ'ল বুলি ভাবি পুনৰ পদব্ৰজে বাট বুলিলো। অৰ্ধকুঁৱৰীৰ পৰা ঘোঁৰাবোৰ বেলেগ ৰাস্তাৰে যায় কাৰণে আমি যোৱা ৰাস্তাটি সুচল আৰু বে'ছ পৰিষ্কাৰ পালো। অৰ্ধকুৱঁৰীৰ পৰা ভৱনলৈ ৭ কিঃমিঃ দূৰ। পৰিষ্কাৰ স্নানাগাৰ বা টয়লেট থকাৰ বাবে মানুহৰ একো অসুবিধা নহয়। কাষে কাষে খোৱা পানীৰ টেইপ আছে। আমি এবাৰ কফি আৰু নাৰিকলৰ মিঠাই একোটা খাই লৈ শক্তি গোটালো। কাষৰ P.C.O. এটাৰ পৰা গৃহস্থলৈ ফোন কৰিলো কাৰণ জম্মু-কাশ্মীৰত আমাৰ Sim inactivate কৰি দিছিল। ৰাস্তাৰে গৈ থাকোঁতে ডাঠ কুঁৱলীয়ে-ডাৱৰে ঢাকি ৰখাৰ বাবে এটা Ethereal অনুভূতিয়ে আমাক দোলা দি থাকিল। দুপৰীয়া প্ৰায় ১-১৫ বজাত ভৱনৰ ভিতৰ সোমালো আৰু নিঃশ্চিদ্ৰ সুৰক্ষা আৰেষ্টনীৰ মাজেৰে পাৰ হৈ আমি মূল ভৱনৰ এটা খলপৰ পৰা আনটো খলপৰ দেৱ-দেৱীৰ মূৰ্ত্তি সেৱা জনাই ভক্তিত বিগলিত হ'লো। একেবাৰে শেষত মাতাজীৰ গুহাত প্ৰৱেশ কৰিলোঁ। ৪২ ফুট দীঘল মাৰ্বলৰ গুহাটিত সোমায়েই স্বৰ্গত সোমোৱা যেন লাগিলে। চিপ্ চিপ্‌কৈ নিগৰি অহা পানীয়ে আমাৰ ভৰিৰ পতা তিয়াই দিলে। আমি শ্ৰদ্ধাত গদ্‌গদ হৈ মাতাজীক সেৱা জনাই ৰৈ থাকিলো। যেতিয়া পীঠ পালো তেতিয়া দুনয়ন ভৰি পানী ওলাই আহিল। মাতাজীক যে দৰ্শন কৰিব পাৰিলো সেয়াই যেন জীৱনৰ সৰ্বোৎকৃষ্ট উপহাৰ। প্ৰাৰ্থনাৰ ভাষা যেন হেৰাই গৈছে— কেৱল এক চৈতন্যময় আৱেশ অনুভূতি হৃদয়ৰ নিবিড় স্থলত। আমি আনাকাটা গামোচা লৈ গৈছিলো, সেয়া মাতাজীলৈ অৰ্পণ কৰিলোঁ। তাৰ আগতেই অন্য এটা কোঠাত প্ৰসাদ আৰু পইচা অৰ্পণ কৰিছিলোঁ। মাত্ৰ ৩০ বা ৩৪ চেকেণ্ডেই বৈষ্ণোদেৱী (লক্ষ্মী, কালী, সৰস্বতী) ৰ সন্মুখত প্ৰাৰ্থনা কৰিবলৈ এজন ভক্তই সময় পায়। হিয়া-মন ভক্তিৰে পূৰ কৰি আমি গুহাৰ পৰা ওলালোঁ আৰু মাতাজীৰ খাজনা (১টা ৰূপৰ মুদ্ৰা) সহ প্ৰসাদ ল'লো আৰু মুখত দিলো।

মাতাজীৰ বাসস্থানৰ পৰা আহি আমি জোতা মোজা পিন্ধিলো। দেৱৰ পৰা বেগ আদি ল'লো আৰু কাষৰ হোটেল এখনত চোলে-ভটোৰে, চাহ ইত্যাদি খাই ওভটনি যাত্ৰাৰ বাবে সাজু হ'লো। মনলৈ এটা কথা আহিল- 'মাতাজীয়ে বিচাৰিছে বাবেহে আহিব পাৰিলোঁ।"

আমাৰ স'তে মিনতি চহৰীয়া, দেৱ, মৃদুলা আৰু দুলুও আহিল। শেষলৈ অৱশ্যে মিনতি, ববিতা আৰু মইহে একেলগে যাত্ৰা সমাপ্ত কৰিলোঁ। বাকীবোৰ আগতেই আহিল আৰু বহুতে অৰ্ধকুঁৱৰীৰ পৰা ঘোঁৰাৰে আহিল। যিয়েই নহওক ৰাতিপুৱা ৬-১৫ বজাত যাত্ৰাৰম্ভ কৰি ৰাতি ৯-৪৫ বজাত ত্ৰিকুটা পৰ্বতৰ নামনিৰ প্ৰস্থান গে'টত উপস্থিত হোৱাৰ পাছত নিজকে বাছেন্দ্ৰী পাল যেনেই লাগিছিল।

বৰ্ণালীয়ে আমাৰ ট্যু'ৰ মেনেজাৰ দেৱ শৰ্মাক আমাৰ কাৰণে ৰ'বলৈ কৈছিল আৰু তেখেতেও অশেষ কষ্ট স্বীকাৰ কৰি আমালৈ অপেক্ষা কৰি আছিল। যাত্ৰা সমাপ্ত কৰি আমি অট' এখনেৰে হোটেল শামা পেলেচ পালো আৰু কুহুমীয়া পানীৰে স্নান কৰি, নিশাৰ আহাৰ গ্ৰহণ কৰি নিদ্ৰাদেৱীৰ কোলাত আশ্ৰয় লওঁ। শোৱাৰ আগেয়ে দেৱই আমাক ৰাতিপুৱা ৫ বজাত গা-পা ধুই শ্ৰীনগৰ যাত্ৰাৰ বাবে সাজু হ'বলৈ পুনৰবাৰ সোঁৰৰাই গ'ল- জয় মাতাদী।

কাট্‌ৰাৰ কথা এবাৰ ভৌগোলিকভাৱে মনত পেলালোঁ। জম্মু কাশ্মীৰৰ ঋষি জিলাৰ অন্তৰ্গত কাট্‌ৰা বিখ্যাত ত্ৰিকুটা পৰ্বতত থকা মাতা বৈষ্ণোদেৱীৰ জাগ্ৰত থানৰ কাৰণে। ২০১১ চনৰ লোকপিয়লত ৯০০৮ জনসংখ্যাৰে সাগৰ পৃষ্ঠৰ পৰা ৪৭৫ মিটাৰ উচ্চতাৰ কাট্‌ৰা এখন সৰু কিন্তু খ্যাত চহৰ। ত্ৰিকুটা পৰ্বতৰ নামনিৰ এই চহৰখনে হিন্দু ধৰ্মীয় ৯৩ শতাংশ, ইছলাম ধৰ্মীয় ৩.৪ শতাংশ আৰু ৩.৬ শতাংশ শিখ, বৌদ্ধ, খ্ৰীষ্টান ধৰ্মীয় লোকৰ বসতিৰে এক অনন্য মাত্ৰা পাইছে।

## দ্বিতীয় খণ্ড

### প্ৰখ্যাত Honey Valley ৰ অস্থায়ী লংগৰত সৌভাগ্যৰ এৰাতি

১৪ জুলাইৰ ৰাতিপুৱাতে আমি হোটেল শামাৰ পৰা ওলাই বাছত বহিলো। শ্ৰীনগৰ অভিমুখে বাছে সেউজীয়া পৰ্বতৰ ঠেক বাটেৰে যাত্ৰাৰম্ভ কৰি প্ৰায় ২০ কিঃমিঃ যোৱাৰ পাচত NH 44 পাই গতি বঢ়ালে। বৰ্ণালী আৰু মই বাছখনৰ শেষৰ দীঘলীয়া আসনত বহি খিৰিকীৰে দৃষ্টিনন্দন প্ৰকৃতিৰ ৰূপ প্ৰাণভৰি উপভোগ কৰি গৈ আছো। সৰু বৰ জলপ্ৰপাত, নাম জনা নজনা তৰুবৰ আৰু গুল্মবোৰ, মাজে মাজে আপেল নাচপতিৰ গছবোৰে আমাক আনন্দ দিলে। ১৮২ কিঃমিঃ অহাৰ পাছত আমি বানিহালৰ প্ৰখ্যাত মৌ উপত্যকা (Famous Honey Valley) পালো। অমৰনাথ যাত্ৰা ৩০ জুনৰ পৰা ১১ আগষ্টলৈ চলি থকাৰ কাৰণে সম্পূৰ্ণ পথছোৱাতেই শ্ৰদ্ধালু পাঞ্জাৱীসকলে লংগৰ পাতি যাত্ৰীবিলাকক থকা, খোৱা, চিকিৎসা সেৱা আদিৰ সুবিধাৰে আপ্যায়িত কৰিছিল। আমিও লংগৰৰ ভিতৰলৈ সোমাই গ'লো। তাত ২০ খন মান লংগৰে একেৰাহে সেৱা আগবঢ়াই আছিল। আমি ববিতা আৰু মই শিৱ পৰিবাৰ সেৱা মণ্ডল, অমৃতসৰৰ ৬নং নিপাল ভাণ্ডাৰৰ পৰা দুপৰীয়াৰ প্ৰসাদ অন্ন হিচাপে গ্ৰহণ কৰিলো। দুখনকৈ পুৰী, বুটৰ দালি, ৰাজমাহৰ তৰকাৰী, ভাত, আচাৰেৰে আমি ভুৰি ভোজন কৰিলো। চাহ আৰু চুজিৰ হালোৱাও খালোঁ। নাতিদূৰত তেওঁলোকে শাৰী শাৰীকৈ Gents toilets, ladies toilets পাতি

দিছে। নতুন Comode আৰু Indian Style toilet নাৰীৰ বাবে ৪০ টা, পুৰুষৰ বাবেও তাতকৈয়ো বেছি। ৰানিং water সহ সুন্দৰ, আধুনিক সুবিধা। নিৰাপত্তাৰক্ষীৰ ছিদ্ৰহীন 24 x 7 পহৰা, লগতে যাৱতীয় ঔষধ, কৰ্মৰত ডাক্তৰ, নাৰ্চসহ প্ৰয়োজনীয় চিকিৎসা ব্যৱস্থাৰে লংগৰ পতা প্ৰতিষ্ঠানৰ ব্যক্তিসকলে কেনেকুৱা সেৱা আগবঢ়াই আছিছে, নেদেখিলে বুজা নাযায়। কোনো এজন মানুহেই ক্ষুধাৰ্ত থাকিব নালাগিব, কাৰো একো অসুবিধা হ'ব নালাগিব, এয়াই সেই সেৱাৰ্থী, সত্যাৰ্থীসকলৰ পৰম উদ্দেশ্য। বহুতে খোৱা বস্তু অতিৰিক্তকৈ লৈ খাই শেষ কৰিব নোৱাৰি পেলাবলৈ গ'লে তেওঁলোকে শেষ কৰি খাবলৈ কয়— "এয়া শিৱ বাবাৰ প্ৰসাদ, অনুগ্ৰহ কৰি নেপেলাব বা নষ্ট নকৰিব।"

সকলোবোৰে আকৌ NH 44 ত ৰৈ থকা আমাৰ বাছখনত আৰোহন কৰিলোঁ। বাছে যাত্ৰাৰম্ভ কৰিলে। সকলোৰে ভোজনেৰে তৃপ্ত, কাশ্মীৰ কেতিয়া পাব তাকে লৈ জল্পনা কল্পনা, আলোচনা চলিল। প্ৰায় চাৰি কিঃমিঃ আগবাঢ়ি আমি বানিহাল কাজিগঁড টানেল পালোঁ। আমাৰ লগতে অন্যান্য গাড়ীও ৰখাই দিলে সুৰক্ষাৰত প্ৰশাসন আৰু মিলিটাৰীয়ে। নামি গৈ তেওঁলোকৰ স'তে কথা পাতি অনুৰোধ কৰোঁতে ক'লে যে শ্ৰীনগৰত দুদিন আগতে হোৱা গুলীয়াগুলীৰ বাবে ৩-৩০ বজাৰ পৰা কাশ্মীৰত প্ৰৱেশ নিষেধ কৰা হৈছে। মুহূৰ্ত্ততে আমাৰ আনন্দত যতি পৰিল। কাট্ৰালৈ গ'লেও ৪৪ জন মানুহৰ কাৰণে হোটেলৰ কোঠা পোৱা নাযায়। আমি ক'লো যে লংগৰতেই ৰাতিটো খপিম। অন্ততঃ তাত থকা-খোৱা, শোৱাৰ সুন্দৰ ব্যৱস্থা আছে। আমি বাছেৰে নামি আহি আকৌ সেই লংগৰটোতেই উঠিলোগৈ। আকৌ আবেলিৰ চাহ, জিলাপি, পাপৰ আদি খালো। সন্ধিয়া লংগৰবোৰত শিৱৰ আৰাধনাৰে আৰতি কৰে। আমিও প্ৰাৰ্থনা কৰিলোঁ। ৰাতিৰ আহাৰ প্ৰায় ৯ বজাত সমাপ্ত কৰি উঠিলো আৰু আমাক পাৰি দিয়া তুলিৰ ওপৰত তেওঁলোকে দিয়া কম্বল পাৰি আৰু উৰি শুলো। এটা তম্বুৰ ভিতৰত নাৰী-পুৰুষ-শিশু সমন্বিতে আমাৰ ৪৪ গৰাকী, লংগৰৰ পৰিচালকসহ অন্যান্য প্ৰায় ৮ গৰাকী মানুহে শৃঙ্খলাৱদ্ধভাৱে শয়ন কৰিলে। আমাৰ লগৰ অসুখীয়া যাত্ৰী কৃষ্ণক তেওঁলোকে ওখকৈ বিচনা পাৰি শোৱাৰ ব্যৱস্থা কৰিলে।

সুখৰনে কিহৰ নাজানো; এই ১৪ জুলাইৰ নিশাটি মোৰ জীৱনৰ চিৰস্মৰণীয় অনন্য এখিলা পাত। ৰাতি পূজা আৰু বায়েকৰ স'তে টয়লেটলৈ যাবলৈ ওলালোঁ। আগনিশা পূৰ্ণিমা আছিল। নিশাৰ মৌ উপত্যকাৰ মাজত থিয় দি মানুহ যে প্ৰকৃতিৰ কোলাত কিমান ক্ষুদ্ৰ সেয়া অনুভৱ কৰিলোঁ। ফিৰ্‌ফিৰীয়া বতাহ আৰু কিন্‌কিনিয়া বৰষুণে আমাৰ শৰীৰ কঁপাই তুলিছিল। নিদ্ৰাৰত লংগৰত সুৰক্ষাৰ দায়িত্বত থকা ভাৰতীয় প্ৰতিৰক্ষা বিভাগৰ কৰ্মীয়ে হাতত মেচিনগান লৈ টোপনিক পৰাভূত কৰি ভাৰতমাতাৰ সেৱাত ব্ৰতী আছিল। জোনাকে ওখ ওখ পৰ্বতৰ থিয় গৰাৰে নামি আহি সেউজীয়া উপত্যকাৰ বুকুৰ আন্ধাৰখিনিৰ স'তে যেন ফেৰ পাতিছিল। জোনাকৰ জয় হোৱাই নিয়ম। ভূপেনদাৰ গীতটিলৈ মনত পৰিলে হঠাৎ—

'জ্যোতিৰে লগতে এন্ধাৰে যুঁজিলে/এন্ধাৰ যায় যে ভাগৰি.....'

কি যে এক বিনন্দীয়া সৰগীয় অনুভৱ ৰন্ধ্ৰে ৰন্ধ্ৰে! বিচনাত শুই এন্ধাৰে-মুন্ধাৰে ডায়েৰীখনত লিখিলো,

"নৈখনৰ পাৰৰ সেউজীয়াত
ওমলি আছিল মেঘৰ হাঁহি
সপোনপুৰীলৈ যোৱা বাটটো
অলপ সময়ৰ কাৰণে বন্ধ হোৱাত
আমি এখন অন্য জগতলৈ
সোমাই গৈছিলো
য'ত আছিল আৰ্তজনৰ সেৱাত মগ্ন দেৱদূতসকল।
সেউজীয়াই ঘেৰা ঠাইখিনিত
জোনাকৰ পাহিত ভৰ দি
নামি আহিছিল এজাক বৰষুণ।।"

ৰাতিপুৱাৰ লগে লগে সকলোৱে পৰিষ্কাৰ হৈ চাহ খাই গুলমাৰ্গ অভিমুখী বাছখনত বহিলো। এই যে পাৰ কৰি অহা জীৱনৰ কেইটামান ঘন্টা, সেই ঘন্টাকেইটা ইমান যে অপূৰ্ব! কেতিয়াও চাগে এনে অভিজ্ঞতা জীৱনত নহ'ব অথবা বিচাৰিলেও নাপাম!

"সময়ে কথা কয় জীৱনৰ
জীৱনে গান গায় সময়ৰ
আমি ৰৈ আছো সন্ধিক্ষণত
বুজা বা নুবুজাৰ।
পাখিলগা তীৰৰ দৰে উৰি উৰি যায়
জীৱন ঘড়ীৰ প্ৰতি পল।
ব-মাৰলি ছুটিয়াই
সময়ে কৈ যায়...
গতি পায় ইতিহাসে
কাহিনী কয় সময়ে
সেই কাহিনীয়ে নতুন আশা আনে
সমাজলে।" (১-৪-২০২০)

উমাল হিয়াৰ আনন্দ, অবিনাশী আশা বুকুত সাবটি অচিনা পথেৰে আমি সোমাই পৰিলো বানিহাল কাজিগাঁড সুৰঙ্গত যিটো ৮.৪৫ কিঃমিঃ দীঘল আৰু ইয়ে জম্মু-কাশ্মীৰৰ দূৰত্ব ১৬ কিঃমিঃ কমালে। এই সুৰঙ্গ NH 44 ত আৰম্ভ কৰিছিল ২০১১ চনত আৰু ৩১০০ কৌটি টকাৰে সম্পূৰ্ণ হৈছিল ২০২১ চনত। এই যঁজা সুৰঙ্গ ৰাস্তাৰ (Twin tube tunnel) এটা টিউবেৰে কাশ্মীৰলৈ আনটো টিউবেৰে জম্মুলৈ গাড়ীবোৰ অহা-যোৱা কৰে। পৰ্বত কাটি সজা, অত্যাধুনিক বিজুলী বাতিৰে আলোকিত সুৰঙ্গ পথেৰে আমি ধাৱমান হ'লো আৰু কিছুদূৰ পাছতেই ৯.৫ কিঃমিঃ দৈৰ্ঘ্যৰ শ্যামাপ্ৰসাদ মুখাৰ্জী মেম'ৰিয়েল টানেল পালো। প্ৰতিটো সুৰঙ্গ পথে আমাক উত্তেজিত কৰিছিল আৰু যিহেতু পৰ্বতৰ মাজেৰে এই দীঘলীয়া পথছোৱা অতিক্ৰম কৰিছিলো বতাহ যেন আমাৰ কাৰণে কম তেনে ভাব এটাই উশাহ লওঁতে মনত ক্ৰিয়া কৰিছিল। এই সুৰঙ্গ বাটটি চেনানি নাচৰি সুৰঙ্গ পথ হিচাপেও



জনাজাত। জম্মু আৰু শ্ৰীনগৰৰ দূৰত্ব ৩১ কিঃমিঃ কমোৱাত এই সুৰঙ্গই সহায় কৰিছে। দুৰ্গম হিমালয়ৰ কঠিনতম পৰ্বতশৈলীৰ বুকু বিদাৰি বানিহাল কাজিগাঁড আৰু শ্যামাপ্ৰসাদ মুখাৰ্জী টানেল বনাই অভিযন্তা, শ্ৰমিকসকলে ভাৰতবৰ্ষক শক্তিশালী কৰিছে আৰু মানুহৰ অদম্য শক্তিৰ পৰিচয় দিছে।

শ্যামাপ্ৰসাদ মুখাৰ্জী স্মাৰক সুৰঙ্গ পথটি এছিয়া মহাদেশৰ ভিতৰতেই দীৰ্ঘতম সুৰঙ্গ পথ। গুলমাৰ্গলৈকে যোৱা পথছোৱাত নিৰ্মাণৰত অন্য বহুতো সৰু সুৰা সুৰঙ্গ পথ প্ৰত্যক্ষ কৰিলো। জম্মু কাশ্মীৰৰ NH 44 বহুত উচ্চতাৰে আগবাঢ়িছে। চেনাব নদীৰ পাৰে পাৰে অতিকায় পৰ্বতশ্ৰেণীৰ দাঁতিয়েদি এই পথটি আগবাঢ়িছে। অতিপাত বৰফে ঢাকি থকাৰ পাচত মুকলি হোৱা পথটিৰ অৱস্থা শোচনীয়। বাছৰ খিৰিকীৰে তললৈ চালে মূৰ ঘূৰাই যায়। পৰ্বত, পৰ্বত, পৰ্বত আৰু কাষে কাষে খৰস্ৰোতা চেনাবৰ বোকাময় পানীৰ উত্তাল নাচোন। বাপ্‌ৰে! মোৰ কাষত বহা দিপালীৰ মূৰ বেয়া লগা বুলি এবাৰ ক'লে। সৰ্পিল পৰ্বতীয়া পথেৰে ৬-৭ ঘন্টা যাত্ৰা কৰি আমি ১২ মান বজাত গুলমাৰ্গৰ সেউজীয়া উপত্যকাটিত বাছৰ পৰা নামিলো। গুলমাৰ্গলৈ তলৰ পৰা উঠি যাওঁতে ডেইজী, নাৰ্চ্ছিছাছ আৰু ডেফোডিল ফুলবিলাকৰ দলিচাই সকলোৰে নয়ন সাৰ্থক কৰিলে। সকলোৱে চিঞৰিলে, গান গালে, সমস্বৰে—'য়ে কাশ্মীৰ হ্যে, য়ে কাশ্মীৰ হ্যে/কিত্‌নী খুবচুৰত য়ে কাশ্মীৰ হ্যে...."

'Kashmir is the paradise on earth' ভূস্বৰ্গ, সঁচাকৈয়ে অপৰূপা কাশ্মীৰ, কিন্তু অশান্তিও কাশ্মীৰৰ চিৰলগৰীয়া। বিশেষকৈ পাকিস্তানৰ উচটনিত সৰ্বসাধাৰণ কাশ্মিৰী লোকে নিজকে ভাৰতীয় বুলি ভবাতকৈ পাকিস্তানী বুলিহে ভাবে যেন বোধ হয়। সংবিধানৰ ৩৭০ নং দফা ২০১৯ চনৰ ৬ আগষ্টত বাতিলকৰণৰ পাচত জম্মু কাশ্মীৰৰ স্থিতি বহুত সৰল হোৱা পৰিলক্ষিত হৈছে।

## তৃতীয় খণ্ড

### গুলমাৰ্গত ডেইজী আৰু ডেফোডিলৰ হাঁহিৰ প্ৰস্ৰৱন

বাছৰ পৰা নামি আমি চাহ খালো আৰু গুলমাৰ্গৰ ওখ-চাপৰ সেউজ উপত্যকাটিত খোজ কাঢ়িম বুলি সিদ্ধান্ত কৰিলোঁ। কিছুমানে গাড়ীৰে, কিছুমানে ঘোঁৰাৰে গ'ল। আমি ৭ গৰাকীয়ে মানে মই, ববিতা, বৰ্ণালী, ময়ূৰী, দিপালী, মিনতি আৰু সঞ্জিত দাদাই প্ৰথমতে মোহিনীশ্বৰ শিৱালয়ৰ চিৰিৰে মন্দিৰ প্ৰাঙ্গণলৈ উঠিলোঁ। প্ৰায় ১২০ টা চিৰিৰে গুলমাৰ্গ উপত্যকাৰ বুকুত থকা এই শিৱ মন্দিৰটি নিৰ্মাণ কৰাইছিল কাশ্মীৰৰ তদানীন্তন ৰজা মহাৰাজ হৰি সিঙৰ ৰাণী মোহিনীবাঈ শিশোৰিয়াই ১৯১৭ চনত। অপৰূপ সৌন্দৰ্যৰ আকৰ গুলমাৰ্গৰ মাজতে অৱস্থিত শিৱমন্দিৰটিয়ে ঠাইখনৰ সোণত সুৰগা চৰাইছে। 'আপ কী কচম' ছবিত ৰাজেশ খান্না আৰু মমতাজে অভিনয় কৰা "জয় জয় শিৱ শংকৰ..." গীতটিৰ এই মন্দিৰৰ আশে পাশেই চিত্ৰগ্ৰহণ কৰিছিল বুলি আমাক কোৱা হৈছিল। এতিয়াও মন্দিৰটিত পূজা-অৰ্চনা চলি আছে আৰু আমিও সেৱা কৰিলোঁ।

শীতকালিৰ বৰফ গলি শেষ হোৱাৰ পাছত কাশ্মীৰৰ উপত্যকাবোৰত বসন্ত আৰু গ্ৰীষ্মকালীন বতৰ চলি আছে। উপত্যকাটিয়ে ডেইজী আৰু ডেফোডিল ফুলৰ চোলাহে যেন পিন্ধিছে। অনবদ্য ৰূপৰ পোহাৰ মেলি গুলমাৰ্গে আমাৰ মন প্ৰাণ হৰি নিলে। আমি ওখ পৰ্বতৰ উচ্চতালৈ গৈ ফুলৰ ওপৰতে বাগৰি দিলোঁ। ওপৰৰ নীলা আকাশ যেন আমি হাতেৰে চুবই পাৰিম তেনে ভাৱ হ'ল। ইয়াত বহুতো ফটো উঠিলো আৰু হেঁপাহ পলুৱাই ধৰিত্ৰীৰ ৰূপ পান কৰিলো। যিফালেদি চাওঁ সিফালেই ফুল আৰু ফুল। বগা, গুলপীয়া, হালধীয়া, নীলা, বেঙুনীয়া, নানাৰঙী, নানাৰূপী ফুলে 'মোক চা, মোক চা' কৈ হাত বাউলি আমাক ওচৰলৈ লৈ গ'ল। শব্দেৰে বা ভাষাৰে মই গুলমাৰ্গৰ মোহনীয়তাক বৰ্ণাবলৈ অপাৰগ হৈছো।

১৫ এপ্ৰিল, ২০১৫ তাৰিখে পৰিয়ালসহ গুলমাৰ্গলৈ যাওঁতে গোটেই উপত্যকাটি বৰফেৰে ঢাক খাই আছিল কাৰণে আমি শুভ্ৰ বৰফৰ দলিচা এখনহে দেখিছিলো। য'ত আমি স্কেটিং, স্কীয়িং কৰিছিলোঁ। এইবাৰৰ গুলমাৰ্গ যেন যোড়শী যুৱতী, দীঘল ডিঙি আৰু উঠন বুকুত বুটা বছা সেউজীয়া ফুল গুজি, ৰিহা-মেখেলা পিন্ধি মিচিকিয়াই হাঁহি আছে পৰ্য্যটকলৈ চকু টিপিয়ায়। নিজক পাহৰি অথবা আৱিষ্কাৰ কৰি আমি মোহগ্ৰস্ততাৰে উপত্যকাৰ চাৰিওদিশ পৰিভ্ৰমণ কৰিলোঁ। পৰ্বত শিখৰত অৱস্থিত মহাৰাজাৰ প্ৰাসাদলৈ যোৱা পথৰ কাষেৰে আহি আমি এপাক মাৰি বাছ ৰৈ থকা ঠাইখিনি পালো আৰু আমাৰ কাৰণে সাজু কৰি ৰখা দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰিলোঁ। পশ্চিম হিমালয়ৰ পিৰ প্ৰাঞ্জল পৰ্বতশৈলীত গুলমাৰ্গ অৱস্থিত। গুলমাৰ্গ বাৰামূলা জিলাত আৰু এই উপত্যকাটি ফুলৰ কাৰণে ইমানে প্ৰখ্যাত যে ইয়াক Meadow of flowers বুলি কোৱা হয়। শ্ৰীনগৰৰ পৰা ৫০ কিলো মিটাৰ দূৰত্বত এই ঠাইখন বিতোপন। গুলমাৰ্গ মানেই ফুলৰ ৰাজ্য। আমি তিনি বজাত গুলমাৰ্গৰ পৰা শ্ৰীনগৰ অভিমুখী যাত্ৰা কৰোঁ। কিন্তু জম্মুৰ পৰা অহা বাছখন শ্ৰীনগৰত ৰাতি ৭-৩০ বজাৰ পিছতহে সোমাব দিব। গতিকে বজৰংগী ভাইজান চিনেমাখনত দেখা ধৰণৰ সৰু সৰু দুখন মিনি বাছেৰে আমাক ডাল লেকৰ কাষত থকা টাইমূৰ হোটেললৈ লৈ আহিল আৰু কোঠাবোৰ পূৰ্ব নিৰ্দ্ধাৰিত মতে ভগাই দিলে। আমিও গৰম পানীৰে স্নান কৰি ৰাতিৰ আহাৰ খাই ভগৱানক ধন্যবাদ জনাই শুই পৰো।



## চতুৰ্থ খণ্ড
## মনোৰম শ্ৰীনগৰ, বিতোপন ডাল লেকত নৌকা বিহাৰ

১৬ জুলাইৰ ৰাতিপুৱাৰ পৰাই তীব্ৰ বৰষুণ। তথাপিও আমি সকলোৰে দিনটোৰ কাৰ্যসূচী 'শ্ৰীনগৰ দৰ্শন' লৈ বাছেৰে ওলালোঁ। প্ৰথমতে দুপাকমান ডাল হ্ৰদৰ পাৰে পাৰে বাছখনে ফুৰালে আৰু ছিকাৰাত উঠিবলৈ বন্দৰস্ত কৰি বাছখন যথাস্থানত ৰখালে। গাইমূৰি ৫০০ টকাকৈ দি আমি পাঁচজনীয়া দলে একোখনকৈ ছিকাৰাত উঠি ডাল হ্ৰদৰ বুকুত বিহাৰ কৰিলোঁ। সিহঁতে আমাক ফটো উঠালে স্থানীয় দোগ্ৰী পোছাক পিন্ধাই লৈ আৰু তাৰ পাছত ডাল হ্ৰদৰ ওপঙা বজাৰলৈ লৈ গ'ল। সুন্দৰ হাউছবোটবোৰে ডাল হ্ৰদৰ গৰিমা, সুযমা বৃদ্ধি কৰিছে। ২০১৫ চনৰ এপ্ৰিল মাহত এৰাতি ডাল হ্ৰদৰ বুকুত হাউছ ব'টত আছিলো। এইবাৰ থকা নাই।

ডাল হ্ৰদৰ মাজত নেহৰু পাৰ্ক বুলি এখনি ওপঙা পাৰ্ক আছে। মাজে মাজে উৎপল আৰু পদুমবোৰ ফুলি আছে আৰু আমাৰ ডাউক চৰাইৰ দৰে চৰাইবোৰে সেই জলজ তৃণত বাস কৰি ইফালৰ পৰা সিফাললৈ সাঁতুৰিছে, অথবা পাতৰ ওপৰেৰে দৌৰি ফুৰিছে। সৰু সৰু পোৱালিবোৰক মাকবোৰে আহাৰ খুৱাই আছে। দেখিয়েই মন ৰঙেৰে ওপচি পৰিল। ১-২০ মিনিটৰ পাছত আমি ছিকাৰাৰ পৰা নামি বাছত উঠিলো আৰু বাছে আমাক মোগল নিশাট বাগলৈ লৈ গ'ল।

এই নিশাট বাগখন এখনি সাত খলপীয়া বাগান য'ত বহু পুৰণি ফল-মূলৰ গছ, বৃহৎ চিনাৰ বৃক্ষ, প্ৰাচীন গোলাপৰ গছ ভৰি আছে। ডাল হ্ৰদৰ পূব পাৰত এই বাগানখনৰ আৰ্হি মোগল সম্ৰাজ্ঞী নুৰজাহানৰ ককায়েক আছিফ খানে ১৬১১ চনত সম্পূৰ্ণ কৰিছিল। ছাহজাহানে ১৬৩৩ চনত কাশ্মীৰ ভ্ৰমণ কৰোঁতে নিশাট বাগৰ সৌন্দৰ্যত মোহিত হৈ এই বাগানখন উপহাৰ স্বৰূপে খুজিছিল। পৰ্বতৰ পৰা বৈ অহা জলাধাৰ চমৎকাৰ উপায়েৰে মাটিৰ তলেৰে বোৱাই আনি এই বাগিচাৰ উচ্চ খলপাৰ পৰা একেবাৰে তললৈকে দৃশ্যমান বোৱঁতী ধাৰাৰ সৃষ্টি কৰাৰ কাৰণে নিশাট বাগৰ গাঁঠনি বৰ চিত্তাকৰ্ষক। এবাৰ সোমালে তাৰ পৰা ওলাবৰ মন নাযায়। বাগানত বিভিন্ন ধৰণৰ ফল-মূল লাগি আছে। সন্মুখত ডাল হ্ৰদৰ বিস্তৃৰ্ণ পানীৰ খিল্‌খিল্ হাঁহি দুপৰৰ ৰ'দালিত। আস্! সৃষ্টিকৰ্তাৰ অপূৰ্ব সম্ভাৰ! শ্ৰীনগৰৰ চাৰিওফালে ওখ ওখ পৰ্বতে যেন ভাৰতমাতাৰ গুণ গাইছে! সুন্দৰ, অতি সুন্দৰ এই ধৰণী, তাতকৈয়ো সুন্দৰ মানৱ জাতিৰ কৃষ্টি আৰু সৃষ্টি। নিশাটবাগৰ পৰা ডাল হ্ৰদৰ পাৰলৈ নামি আহি এখন পাৰ্কত আমাৰ বাবে তৈয়াৰী দুপৰীয়াৰ আহাৰ সমাপ্ত কৰিলোঁ।

ইয়াৰ পাছত হজৰতবাল মছজিদৰ চোতালত উপস্থিত হ'লোঁ। মূৰত কাপোৰ লৈহে ইয়াত প্ৰৱেশ কৰিব পাৰি। বিশাল মছজিদটোত মহিলাসকলৰ প্ৰৱেশ পিছপিনৰ পৰা আৰু মূল কক্ষত মহিলাৰ প্ৰৱেশ নিষেধ। তাৰ পৰা ওলাই বাছত বহিলো আৰু ১৫ মিনিটৰ পাছতেই হোটেল পালোহি। গাটো ধুই, ভাত খাই বিচনাত শয়ন কৰিলোঁ।

## পঞ্চম খণ্ড
## ওভটনি যাত্ৰা, ঘৰমুখী আমি

১৭ জুলাই, ২০২২ ইং তাৰিখ ৰাতিপুৱাতে আমি হোটেলৰ পৰা ওলালো। প্ৰায় ৯ বজাত বাছখনত বহি লৈ মাতা বৈষ্ণোদেৱীৰ শ্ৰীচৰণ চিন্তি ঘৰমুখী যাত্ৰা আৰম্ভ কৰিলোঁ। শ্ৰীনগৰৰ পৰা ওলাই অনন্তনাগ জিলাৰ মাজেৰে ক্ৰিকেট বেট বনোৱা উদ্যোগবোৰৰ সন্মুখেৰে, উইলো গছৰ শাৰীবোৰ চাই চাই অভিভূত হ'লোঁ। পথৰ মাজত আমাৰ বাছখনক সেনাবাহিনীৰ জোৱানে প্ৰায় ৪৫ মিনিট সময় ভেটিলে। কিয়নো অমৰনাথৰ তীৰ্থযাত্ৰীক নিৰ্দিষ্ট সময়ৰ ভিতৰত পাৰ কৰাই দিব লাগে। বিভিন্ন নম্বৰৰ বাছত ভিন্ন বয়সৰ তীৰ্থযাত্ৰীসকলে 'বলে ব'ম' ধ্বনি দি আমালৈ চাই হাত জোকাৰি পাৰ হৈ গ'ল। কিছুমান তীৰ্থযাত্ৰী ঘূৰি অহা আৰু কিছুমান অমৰনাথলৈ আগবাঢ়ি যোৱা। গাড়ীখন বৈ থকা সময়খিনিত আখৰোট বিক্ৰী কৰা মানুহবোৰ আহি ২০০ টকাকৈ আখৰোট আধা কেজিমানকৈ বিক্ৰী কৰিলে। আমিও ঘৰৰ কাৰণে কিনিলো।

পৰ্বতৰ কাষে কাষে নামি আহোতে আকৌ সেই ৰুক্ষ, শুষ্ক পৰিৱেশৰ সন্মুখীন হ'লো। ৪৪ নং ৰাষ্ট্ৰীয় ঘাইপথৰ যান-জঁট। ৰাস্তা বহলাই থকাৰ কাৰণে ধূলি বালিৰে নাক-মুখ ঢাক খাই যায়। সেই চেনাব নৈৰ উত্তাল নাচোন চাই চাই পুনৰাই কাট্‌ৰা পালোহি ৰাতি ৮ বজাত। আগতে থাকি যোৱা হোটেলখনত সকলোৰে মুখ হাত ধুই ৰাতিৰ খাদ্য খালোঁ আৰু আমাক কাট্‌ৰা ৰে'ল ষ্টেচনলৈ এখন মিনিভ্যানেৰে লৈ আহিল। ঠিক এঘাৰ বজাৰ লগে লগে SMVD New Delhi Train খনে উকি মাৰি নিশাৰ আন্ধাৰ ফালি আগবাঢ়িল। ৫-৩০ বজাত সাৰ পালোঁ। এটি দীঘলীয়া, সুন্দৰ টোপনিয়ে গা-মন সতেজ কৰিলে। ঠিক ৯-৪৫ বজাত আমি Delhi পালো আৰু তাৰ পৰা Indira Gandhi International Airport লৈ আহি ৩-৩০ বজাৰ Vistara Flight ৰে গুৱাহাটী পালোঁ।

ইমান দীঘলীয়া যাত্ৰাত গা-মন ভালে ৰখাটো বৰ ডাঙৰ কথা। আমি ভগৱানক প্ৰাৰ্থনা কৰিলো যে আমাৰ যাত্ৰাত একো অসুবিধা নহ'ল। মাতাজীয়ে সুকলমে ঘৰ পোৱাই দিলে সন্ধিয়া ৭ বজাত।❑



# A Day in Nature's Paradise

**Hemashree Devi Chamuah**

Ever since childhood, I have always heard a lot about the magnificient beauty on earth, i.e. the "Kaziranga National Park", a place where one can find a perfect balance between Nature and wildlife. So, I, along with my family decided to go there and spend some amazing time amidst nature.

On $6^{th}$ November, 2021, my family and I drove towards the Kaziranga National Park. The road was very beautiful with some breathtaking sights amidst the 'Burha hills'. We started the journey at 6:30 and till the time we reached the hotel, it was about 12pm. On our way, one thing I liked was the "animal corridors" every now and then and also a specific speed limit for the cars. This two steps totally ensured the safety of all the animals present there after we reached the hotel, we unloaded our car, unpacked our bags and freshened up. After having lunch at the hotel, we decided finally to enter the world famous "Kaziranga National Park" and thus started our jeep safari, at "Kohora Point". Entering the "Kohna Point" we booked tickets and started our jeep safari by 2 p.m.

Luckily our driver was a very amiable preson. He was so friendly in guiding and describing the mesmerizing scenes as we were engrossed in the beauty of nature. At some places, without any hesitation he stopped the jeep and allowed us to take photographs, as much as we wanted. We were utterly surprised to see the 'one horned rhinoceros' which is famous worldwide. Along with the rhinos, we get to enjoy some of the places filled with colourful birds, bulls, the ducks (deohah) etc. The sight was even more enhanced by the setting sun. It was truly worthseeing. The roads in the middle of the forest were not that good but it totally made all of us feel like an adventure.



At around 4:30 pm We got out of the kohra point and headed to our hotel. We freshened up there and went on the streets to walk for a bit and have some evening snacks to warm our bodies in that cold weather. At around 9 pm we had our dinner and went to sleep. We got up at 4 am and by 7 am, made our way to the next point, "The Bagori range". The little rays of sun amidst the fog, the drops of dew on the plants were some totally breath taking experiences. After we got our tickets, we started our journey with all the safety measures. Once again, many one-horned rhinoceros greeted us on our way and we, with all the safety precautions took some photographs. The elephant safari also blew our minds. By 9:30 am, we got out of the "Bagori range" and headed to our hotel for some quick breakfast. meanwhile we packed our bags and went on to visit another beautiful spot, the "Orchid Garden".




The garden was filled with a large variety of orchids and such other flowers. Inside the Garden there were some shops that specialized in handloom and handicrafts. The meusim also preserved the rich cultural heritage of Assam. The travel guides were very friendly to us and also to the other tourists.

We moved on to find some sports area and gardens filled with a large variety of flowers. Finally we found a stage area, where artists and dancers were performing various dances.

The various dance forms were popular in the 'seven-sisters'. "Bihu" was the most popular among them. We took many photographs and finally it was the time for us to return to our hometown. We went to a café for some snacks and thus started our journey back home. At Tezpur we had our lunch and luckily and safely reached home by 6 pm.

The whole experience from the trip made me realize that Assam is filled with hidden beauty and nature's genes. Assam has so much to offer and showcase the rich cultural heritage and diversity. Certain developments are yet to be made by the government for the safety of the animals. In a nutshell, the trip was a very fruitful one and also a memory to be cherished forever. To witness the perfect balance between the flora and fauna, I would like to go to that place again in my life. The visit was truly memorable as one can find peace of mind, amidst the laps of nature. ❑



# My first discovery of Virgin Nature
# Dzukou Valley

**Sweta Baruah**

"The world is a book and those who do not travel read only one page"
- Saint Augustine

Who does not dream of adventure and travelling ? A lot of people do ; yet only a few take the risk of actually doing it. Too bored and fed up of the lockdowns, I was craving for a venture into the wild. When it presented itself in the contour of a trek to the Dzukou valley, my heart could not say no! It was towards the ending of September last year when my friends and I made plans of visiting this beautiful abode. Dzukou means the valley of cold water in the Mao language. The Angamis call it the 'silent valley' and the Meite call it the 'valley of flowers'. Located at the border of Nagaland and Manipur, the Dzukou Valley is at an altitude of 2450 meters above the sea level.

To reach the destination, we had to get on the train to Dimapur from Guwahati. Although it was September, Assam was still scorching under the heat. The train journey to Dimapur was quite sweltering. We reached the Dimapur railway station at around 8 p.m. We spent that night in the waiting room. The following day, early in the morning we boarded a taxi to Kohima, the capital of Nagaland. On reaching Kohima we went straight to shopping for all the essential food items for the trekking. We also had our breakfast at a local restaurant. By 9 am we got aboard on another taxi to leave for Zakhama which is the foothill of the Dzukou Valley. We rached Zakhama by 10 am



and were ready to start the first trekking expedition of our lives. We started taking out steps towards the destination. The trek started getting tougher with the passage of each minute. The steps were carved out of the hills and they were very steep as well as slippery. We took each step very carefully. The domain was absoulately different from what we had left behind in the grimy cities and towns. The fresh wind brushed through our faces and hair and that feeling was out of the world. As we trekked higher and higher, we could feel and see the clouds floating around us. The motivational quotes hanging on the trees throughout the trail kept us moving. A total of around 8400 steps were to be taken to reach the top. There were moments when we felt like giving up. But we didn't after 7 hours of continuous slogging with heavy bags on ours backs, we reached the top of the trail. The view of the valleys from the top was truly magnificent. No camera can ever capture what our eyes had witnessed that day. The green valleys, the white clouds, the flowers of every colour, the streams. Everything seemed like the paradise. The valley is famous for its rare flora and fauna. The Dzukou lily, many Rhododendron species, the asian Golden Cat, Hollok Gibbon, Blyth's tragopan (state bird of Nagaland) and threatened medicinal plants such as Aconitum nagarum. This valley is also home to endangered animals like the Dzukou Valley horned frog, clouded leopard Asiatic black bear, stump-tailed macaque and serows. The valley is dominated by dwarf bamboo. It took us another 2-3 hours to get to the campsite. The temperature dropped even further we spent the night in the public dorm. A bonfire was lit at the camp site where everyone enjoyed to their fullest. The next day we explored the raw and untouched valley. While returning to the camp site we got stuck in the rain, but we were lucky enough to witness a double rainbow just a few metres ahead of us. The evening approached faster than usual and we got to the camp site before dusk. There are no human habitations within the forests. Therefore, there is no electricity and mobile network at all. We were completely cut off with the outside world for those three days. The following morning after having our breakfast, we started our treking down the valley.

The journey was tough indeed but everything was worth it. The people were kind beyond my imagination. They help us outside this comfort zones. An odyssey to the lesser known vales led me to what has become, a souvenir for the mind, for a lifetime.❑

# কাঞ্চনজংঘাৰ দেশ চিকিম

## ভূগোল বিজ্ঞান বিভাগৰ ভ্ৰমণ লগতে কিছু কাহিনী

দৰ্শনা হাজৰিকা

**৮ অক্টোবৰ, ২০২২**

দুৰ্গা পূজাৰ আনন্দ মাৰ নৌযাওতেই আমাৰ মঙলদৈ মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ ক্ষেত্ৰ অধ্যয়নৰ বাবে হাতত এটি সপ্তাহ লৈ চিকিমৰ ভ্ৰমণৰ বাবে ওলালোঁ। মাজতে তৃতীয় ষাণ্মাসিকত এই ক্ষেত্ৰ অধ্যয়নৰ বাবে ভ্ৰমণৰ কথা বতৰা চলিছিল যদিও সি হৈ উঠা নাছিল, কিন্তু এইবেলি, দুৰ্গা পূজাৰ সময়ত থকা চৰকাৰী বন্ধ, বিভাগীয় শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰচেষ্টা আৰু মূলতঃ আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মনোবল আৰু উৎসাহৰ বাবে এই ভ্ৰমণ সফল হৈ উঠিল।

দুৰ্গা পূজা বুলি বজাৰ নকৰি যেন এইবেলি চিকিম ভ্ৰমণৰ বাবেই সকলোৱে লাগতিয়াল কাপোৰ কানি বজাৰ ইত্যাদি কৰি সাজু হৈ আছিল।

ভূগোল বিভাগৰ আমাৰ বৰ্তমান পঞ্চম ষাণ্মাসিকৰ আমি মুঠ বিশ গৰাকী ছাত্ৰ-ছাত্ৰী ওলাইছিলো সাত দিনৰ এই চিকিম ভ্ৰমণৰ বাবে। বিভাগৰ পঞ্চম ষাণ্মাসিকৰ এখন প্ৰশ্নকাকতত এই ক্ষেত্ৰ অধ্যয়নৰ বিষয়বস্তু হিচাপে অন্তৰ্ভুক্ত হৈ আছে বাবেই আমি এই ভ্ৰমণৰ বাবে ওলালোঁ। আমাৰ লগত অভিভাৱক হিচাপে গৈছিল বিভাগৰ মেজৰ হৰিমন ডেকা ছাৰ আৰু ড° প্ৰাণজিৎ কুমাৰ শৰ্মা ছাৰ। ৮ অক্টোবৰৰ আবেলি মঙলদৈ মহাবিদ্যালয়ত আমি বিশ গৰাকী ছাত্ৰ-ছাত্ৰী আটায়ে নিজ নিজ অভিভাৱকৰ সৈতে আহি উপস্থিত হৈছিলোঁ। তাত সকলোৱে একেলগ গৈ নিজৰ নিজৰ Luggage সমূহ গাড়ীত ভৰাই বান্ধি দি মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ পৰা পৰামৰ্শ লৈ সকলোৱে গ্ৰুপ ফটো উঠিলোঁ তাৰ পিছতেই আমি এখন Winger আৰু হৰিমন ছাৰৰ WagonR Car ত গুৱাহাটী পল্টন বজাৰ ৰে'লৱে ষ্টেচন অভিমুখে যাত্ৰা আৰম্ভ হ'ল। সন্ধিয়া প্ৰায় ৬ মান বজাত ষ্টেচন পালো। আমাৰ ট্ৰেইন যিহেতু নিশা ৯ বজাতহে আছে সেয়ে আমি বাকী হাতত থকা দুঘণ্টা তাত সতেজ হৈ, ষ্টেচনৰ ভিতৰতেই লাগতিয়াল



বস্তু কিনি, পল্টন বজাৰত ওচৰতেই থকা হোটেল এখনত একেলগে ভাত পানী খাই আজৰি হৈ জিৰণি ললোঁ। সময়ত ট্ৰেইন নিৰ্দিষ্ট প্লেটফৰ্মত লাগিল আৰু আমিও নিজ নিজ বেগসমূহ লৈ ট্ৰেইনত উঠিলোঁ।

**৯ অক্টোবৰ, ২০২২**

সকলোৱে একেলগে এনেদৰে ট্ৰেইনত এটা ডবাত যাত্ৰা কৰা এয়াই প্ৰথম, এক বুজাব নোৱৰা অনুভৱ। হাতত থকা ট্ৰেইনৰ টিকট আৰু চিট নং হিচাপে শুবলৈ লৈও ওৰে নিশা প্ৰায় সকলোৱে একেলগে কথা পাতি, স্ফূৰ্তি কৰি, ফটো উঠি, গান গাই ধেমালি কৰি থাকোতেই অসম পাৰ হৈ ৰাতিপুৱা ৪ বজাতেই পশ্চিম বংগৰ শিলিগুৰিৰ নিউ জলপাইগুৰি ৰে'লৱে ষ্টেচন পালো। তাত লাগেজসমূহ নমাই সকলোৱে কিছু সময় জিৰণি লৈ মুখ হাত ধুই ষ্টেচনতেই থকা দোকানত চাহ, কফি ইত্যাদি সকলোৱে খালে। তাৰ পিছতেই কিছু পোহৰ হোৱাত আমি ষ্টেচনৰ সন্মুখত ৰৈ থকা চিকিম যাবলগীয়া গাড়ীৰ ওচৰ পালোহি। ডেকা ছাৰ আৰু শৰ্মা ছাৰে কোনোবা চিনাকি মানুহৰ লগত ফোনত যোগাযোগ কৰিলে। শেষত তিনিখন মেজিক গাড়ী ধৰি তাত এখনত আমাৰ বেগসমূহ তুলি দি দুখন গাড়ীত আমি শিলিগুৰি SNT (Sikkim National Transport) বাছ ষ্টেচনলৈ লৈ আহিল। তাত চিকিম যাবৰ বাবে চৰকাৰী বাছ অথবা টেক্সি গাড়ীৰ টিকট কৰিব লাগে, নিজাববীয়াকৈ গাড়ী ল'লে বেছি ভাড়া ভৰিব লাগে। গৈয়েই দেখিলো যে চিকিম যিহেতু পৰ্বত, পাহাৰৰে আৱৰা এখনি ৰাজ্য সেয়ে আগদিনা হেনো চিকিম যোৱা পৰ্বতীয়া পথত ভূমিস্খলন হোৱা বাবে চিকিম যোৱা মূল পথটি বন্ধ হৈ গৈছে কোনো গাড়ীয়েই তাত যাব নিবিচাৰে বা আমি SNT পোৱা মানেই ইতিমধ্যে যাবলগীয়া সকলো বাছ চিকিমলৈ ৰাওনা হ'ল। আমি চিন্তাত পৰিলোঁ, প্ৰায় দুঘণ্টামান সময় তাত ইটো সিটো কৰি জিৰণি ঘৰত বহি অপেক্ষা কৰাৰ পিছত দুখন জীপ গাড়ী যাবলৈ মান্তি হোৱাত আমি SNT ত দিবলগীয়া সম্ভাব্য ভাড়াতকৈ কিছু বেছিকৈ দি যাত্ৰা আৰম্ভ কৰিলোঁ ৰাতিপুৱা ৮ বজাত।

শিলিগুৰিৰ মাজেৰে পশ্চিম বংগৰ মহানন্দা নদীৰ ওপৰেৰে পাৰ হৈ হাতীৰ বাবে বিখ্যাত মহানন্দা ৰাষ্ট্ৰীয় উদ্যানৰ মাজেৰে আমি হিমালয়ৰ পাদদেশৰ ওখ ওখ পৰ্বত পাহাৰৰ মাজেৰে বৈ যোৱা বৃহৎ তিষ্টা নদীৰ সৌন্দৰ্য্য উপভোগ কৰি একা বেঁকা পথেৰে আমাৰ গাড়ীত আমি আগবাঢ়িলো। ভূগোলৰ ছাত্ৰ-ছাত্ৰী হোৱা বাবেই হয়তো আমি ইমান ধুনীয়া সুযোগ সুবিধা লাভ কৰিছিলোঁ, পিছে এই খিনিতেই আমাৰ সমস্যা শেষ হোৱা নাছিল। প্ৰকৃতিৰ নান্দনিক দৃশ্য উপভোগ কৰি গৈ থাকোতেই গম পালো চিকিমৰ মূল পথ বন্ধ হোৱা বাবে চিকিমৰ সকলো গাড়ী অহা-যোৱা কৰিবৰ বাবে মুকলি কৰি দিয়া আমি গৈ থকা পৰ্বতৰ মাজেৰে আন এটি সৰু ৰাস্তাটোত অত্যধিক যান-জঁটৰ বাবে বৰষুণ দি আছে সেয়ে অত্যধিক দীঘলীয়া যান-জঁট বৃদ্ধি হৈছে।

চিকিমৰ পৰা ঘূৰি অহা আন গাড়ীৰ ড্ৰাইভাৰ তথা খবৰ কৰাত বহুতৰ পৰা গ'ম পালো চিকিম গৈ পাওঁতে হেনো আমাৰ বহু দেৰি



হ'ব। সকলোৱে আৰু চিন্তাত পৰিলোঁ। গাড়ী অলপ গৈয়েই আকৌ আধা ঘণ্টা ২০ মিনিটমান আকৌ একে ঠাইতেই ষ্টাৰ্ট বন্ধ হৈ ৰয়, তাতে পাহাৰীয়া পথ অত্যন্ত বেয়া, বোকা আৰু মাজে মাজে বৰষুণ আৰু ৰ'দ। ভাত পানী নোখোৱাকৈ ভাগৰত সকলোৱে শুই বহি গাড়ীত অৱস্থা নোহোৱা হৈ গৈছিল। মাজতেই পথৰ দাঁতিত থকা ভাল ৰেষ্টুৰেণ্ট এখনত দুয়োখন গাড়ী লগাই দিলে। আমিও নামি হাত মুখ ধুই বহি লৈ ভাত, ৰুটি আদি পেট ভৰাই খাই ললোঁ। গাড়ীতেই খাবলৈ কোনো কোনোৱে কিবা কিবি কিনি ল'লে। আমিও ললোঁ। আকৌ যাত্ৰা আৰম্ভ হ'ল। যিমানেই গাড়ী আগবাঢ়ে সিমানেই জান-জঁট বেছি হয় আৰু গাড়ী থমকি ৰয়। এনেদৰে বৰষুণ আৰু পাহাৰৰ মাজে মাজে গৈ গৈ সন্ধিয়া চাৰে ছয়মান বজাত আমি উত্তৰ-পূবৰ হিমালয় পৰ্বতৰ ৰাণী চিকিমৰ ৰাজধানী গেংটক পালোগৈ। চিকিমৰ স্থানীয় টেক্সি ষ্টেণ্ডত আমাৰ গাড়ীৰ পৰা নামি আকৌ একোখনকৈ মাৰুটি লৈ আমি আমাৰ গন্তব্য স্থান আগতেই ঠিক কৰি থোৱা 'হোটেল কাবুৰ ইন'ত উপস্থিত হওঁ। হোটেলত ল'ৰা কেইজনৰ বাবে দুটা কোঠালি আৰু আমাৰ ছোৱালীৰ বাবে তিনিটা কোঠালি ঠিক কৰি দিয়ে। হোটেল পায়েই সকলোৱে গা-পা ধুই আজৰি হৈ চাহ, ভাত পানী খাই সকলোৱে একেলগে কথা বাৰ্তা হৈ জিৰণি লওঁ।

**১০ অক্টোবৰ, ২০২২**

আজি আমি চিকিমৰ গেংটকৰ ওচৰতে পোৱা বা গেংটক চহৰৰ আশে-পাশে থকা পৰ্যটনস্থলীসমূহ পৰিদৰ্শন কৰিছিলো। আমাৰ সকলোৱে প্ৰায় চাৰিখনমান টেক্সি ভাড়া কৰি লৈ প্ৰথমে গৈছিলোঁ চিকিমৰ জনপ্ৰিয় Bakhtang চাবলৈ। আমাৰ গাড়ীত আছিলো ড্ৰাইভাৰজনৰ স'তে দেৱাশীষ, হিয়ামনি, অৰুণিমা আৰু মই। ওখ পৰ্বতৰ মাজেৰে নামি অহা জলপ্ৰপাতটি চাবলৈ বিভিন্ন ঠাইৰ পৰ্যটকৰ ভিৰ দেখিবলৈ পাইছিলোঁ। তাত চিকিমৰ জনজাতীয় যি পোছাক আছে আমি প্ৰত্যেকেই সেই পোছাক পৰিধান কৰি ফটো উঠিছিলোঁ। এযোৰ পোছাকৰ ভাড়া আছিলে এশ টকাকৈ। তাৰ পিছতেই আমি Lhasa Waterfall, Tashi View Point, Ganesh tok হিন্দু মন্দিৰ আদিত উপস্থিত হওঁ। যাত্ৰা পথত বিভিন্ন ঠাইত ৰৈ পাহাৰৰ সৌন্দৰ্য



উপভোগ কৰো। দোকানৰ পৰা বিভিন্নজনে কিবা কিবি প্ৰয়োজনীয় বস্তু কিনি লওঁ। পথৰ দাঁতিত কেৱল গৰম গৰম ম'ম, আৰু মেগীৰ দোকান। প্ৰথম দিনৰ যাত্ৰা শেষ কৰি আবেলি আমি হোটেললৈ উভতি আহো। সকলোৱে ভাত-পানী খাই জিৰণি লৈ সন্ধিয়া ভাৰতৰ আটাইতকৈ ধুনীয়া, জনপ্ৰিয় MG Marg চাবলৈ যাওঁ। Mg Marg আমাৰ হোটেল খনৰ তলতেই মাত্ৰ ৫০০ মিটাৰ দূৰত অৱস্থিত আছিল। MG Marg ঘূৰি পকি কিবা কিবি তাতেই খাই লৈ বজাৰ আৰু দোকান ঘূৰি হোটেললৈ উভতি আহিলো। হোটেল আহি চাহ পানী খাই সকলোৱে একেলগে বিভিন্ন কথাৰ মাজেৰে হাঁহি-ধেমালি কৰি সময় কটাই ভাত-পানী খাই শুই যাওঁ।

**১১ অক্টোবৰ, ২০২২**

এই দিনটো আছিল আমাৰ বাবে আটাইতকৈ স্মৰণীয় এক পাহৰিব নোৱৰা মধুৰ দিন। ৰাতিপুৱা সোনকালেই আটায়ে শুই উঠি গা ধুই ভালকৈ কাপোৰ কানি পিন্ধি ভাত খায়েই ওলালোঁ পূব চিকিমৰ এক ধুনীয়া মনোৰম পৰ্যটনস্থলী নাথুলা পাছ চাবলৈ। নাথুলা পাছ হৈছে ভাৰত আৰু চীন দেশৰ এক সীমান্ত। পৰ্য্যটকে দৰ্শন কৰিব পৰা ভাৰত আৰু চীনৰ একমাত্ৰ মুক্ত সীমান্ত। ই সাগৰ পৃষ্ঠৰ পৰা ১৪,১৪০ ফুট ওপৰত হিমালয় পৰ্বতত অৱস্থিত। আগদিনাই ডেকা ছাৰ আৰু শৰ্মা ছাৰে নাথুলা যাবৰ বাবে প্ৰয়োজন হোৱা কাগজ পাতি তথা গাড়ীৰ সুবিধা সকলোখিনি কৰি থৈছিল সেয়ে ৰাতিপুৱাই চিকিম যাবৰ বাবে তিনিখন Tata Jeep গাড়ী আমাৰ হোটেলৰ তলতেই আহি ৰৈ আছিল। আমিও আগদিনা ৰাতিয়েই ছাৰৰ কথামতে কৰিবলগীয়া সকলো কৰি, প্ৰয়োজনীয় বস্তু বান্ধি লৈ গাড়ীত বহিলোঁ। আমাৰ গাড়ীত আছিল প্ৰাণজিৎ শৰ্মা ছাৰ আৰু আমাৰ গাড়ীত আছিলোঁ মোৰ লগতে অৰুণিমা, হিয়া, কংকন, দেৱাশীষ, চেমিম আৰু কিৰ্তেন্দু। আমাৰ যাত্ৰা আৰম্ভ হৈছিল আঠ বাজি পোন্ধৰ মিনিটৰ পিছত। গেংটক এৰি আমি ক্ৰমান্বয়ে ওখ ওখ পৰ্বতত উঠিবলৈ আৰম্ভ কৰিছিলোঁ। ভয়ানক যদিও একা বেঁকা মনোমোহা সৌন্দৰ্য্য উপভোগ কৰি গৈ থকাৰ বাবেই হয়তো ভয় ক'ৰবাতেই নোহোৱা হৈছিল। নাথুলা পাছ যাবৰ বাবে সকলোৱে বাবে কৰি থোৱা টিকট আমাৰ আৰম্ভণিতেই ড্ৰাইভাৰে লৈ গৈ ৰাস্তাতেই থকা চৰকাৰী কাৰ্য্যালয়ত দেখুৱাই আৰু তেওঁলোকে আমাক যাবলৈ দিয়াৰ লগতে যাত্ৰা পথত আমি পাবলগীয়া চাংগো লেক (Tsango Lake) দৰ্শনৰ বাবে দহ টকাকৈ আৰু এটি এটি টিকট দি দিয়ে। প্ৰায় আঢ়ৈ ঘণ্টা গাড়ীত এই যাত্ৰা পথত আমি মাজতেই হোটেল এখনত ৰৈ গৰম গৰম চাহ খাওঁ। আৰু এখন হোটেলত আমাৰ তিনিওখন গাড়ী ৰখাই দিয়াত সকলোৱে নিজৰ নিজৰ বাবে নাথুলাত যিহেতু অত্যধিক ঠাণ্ডা সেয়ে জেকেট, টুপী আদি ভাড়া কৰি পিন্ধি লয়। গৈ গৈ আমি Tsango lake পাওঁ। Tsango Lake ত উভতি অহাৰ সময়ত নামিম বুলি আমি নাথুলা গৈ পাওঁ ১০ বাজি যোৱাৰ পিছত।

নাথুলা পাছত নমাৰ লগে লগেই এজাক ঠাণ্ডা বতাহে আমাক আৱৰি ধৰিলে আৰু ওপৰলৈ উঠোতে বহুত কষ্ট অনুভৱ হ'ল। তাত ওপৰত ম'বাইল কেমেৰা নিষিদ্ধ কৰা আছিল কিয়নো সেয়া আছিল ভাৰত আৰু চীন দেশৰ মুক্ত সীমান্ত য'ত দুয়োখন দেশৰ আৰক্ষী আমি দেখা পাইছিলোঁ। উভটি অহাৰ সময়ত নাথুলা পাছত ভাৰতীয় আৰক্ষীয়ে ওপৰত দি থোৱা দোকানত আমি ম'ম, চিংৰা ইত্যাদিৰ সোৱাদ ললোঁ।

তাত আমি বহুতো অসমীয়া ব্যক্তি লগ পালো। নাথুলা পাছৰ তলত ফটো উঠি আমি উভটি আহিলো আৰু উভটি অহা পথত আমি চালো Tsango Lake আৰু বাবা মন্দিৰ। বিখ্যাত Tsango Lake ত আমি Yak ত উঠি চাওঁ। সকলোৱে তাত কিছু সময় কটাই আমি হোটেললৈ ঘূৰি আহো। আহি সন্ধিয়া আমি জিৰণি লওঁ।

**১২ অক্টোবৰ, ২০২২**

আমাৰ ভূগোল বিভাগৰ বিভাগীয় ক্ষেত্ৰ অধ্যয়নৰ বাবে সেইদিনা ৰাতিপুৱা গেংটকৰ MG Marg ত থকা Sikkim Tourist Information Center ত গৈ বিভিন্ন ধৰণৰ তথ্য, ভৌগোলিক তথ্য সংগ্ৰহ কৰো আৰু তেওঁলোকৰ চৰকাৰী বিষয়ববীয়াসকলৰ সৈতে



এখন সমূহীয়া ফটো উঠি আমি MG Marg ত অলপ ঘূৰি-পকি, গেংটকত থকা Ropeway ত উঠো। সেইদিনা বজাৰ কৰা আৰু ওচৰৰ ঠাইসমূহেই চোৱা হয়।

**১৩ অক্টোবৰ, ২০২২**

উক্ত দিনা আমাক টেক্সি গাড়ীৰ সহায়ত লৈ যোৱা হয় চিকিমৰ গেংটকৰ ওচৰৰ বিভিন্ন পর্যটন স্থানলৈ। এখন স্থানীয় গেংটকৰ হস্ততাঁত আৰু বয়ন শিল্প থকা বিদ্যালয়লৈ যাওঁ আৰু লগতে যাওঁ এখন Orchid Garden লৈ। এইদৰেই আমাৰ চিকিম যাত্ৰাৰ যি ভ্ৰমণৰ কাৰ্যসূচী আছিল সেয়া সমাপ্ত হয়। নিশা হোটেলত সকলোৰে সৈতে হাঁহি ধেমালিৰে বিভিন্ন আড্ডাৰে জীপাল হৈ দেৰিলৈ থাকো। কিয়নো কাইলৈ আমাৰ উভটনি যাত্ৰা।

**১৪ অক্টোবৰ, ২০২২**

আমি আগদিনা নিশা সকলো বস্তু বেগত ভালদৰে ভৰাই লৈ উভটনিৰ বাবে সাজু হওঁ আৰু আমাৰ বাবে সাজু হৈ থকা গাড়ীয়ে আমাৰ বেগসমূহ গেংটকত থকা টেক্সি ষ্টেণ্ডলৈ লৈ আহে আৰু আমি সকলোৱে আমাৰ হোটেলৰ সন্মুখত থকা এটি চমু পথেৰে খোজকাঢ়ি গৈ তাত উপস্থিত হওঁ। কিছু সময় অপেক্ষাৰ পিছত নিৰ্ধাৰিত সময়ত আমাৰ শিলিগুৰি যাবলগীয়া বাছখন আহি উপস্থিত হ'ল আৰু আমাৰ যাত্ৰা আৰম্ভ হয়। সকলোৱে দৰে তিনিটাকৈ বহিব পৰা একেলগে থকা আসনত মোৰ লগতে হিয়া আৰু দেৱাশীষ আমি বহি যাত্ৰা কৰো।

এইদৰে প্ৰায় ৭-৮ ঘণ্টা যাত্ৰাৰ অন্তত আমি সন্ধিয়া প্ৰায় ৮/৯ মান বজাত উপস্থিত হওঁ নিউ জলপাইগুৰি ৰে'লৱে ষ্টেচনত। আমাৰ গুৱাহাটীলৈ যাবলগীয়া ট্ৰেইনখন আহি পোৱাত পলম হ'ব বুলি জানি আমি ষ্টেচনৰ ওচৰতেই সকলোৱে ওচৰৰ দোকানৰ পৰা বহিব পৰা প্লাষ্টিক কিনি আনি নিজৰ বেগসমূহ লৈ বহি লওঁ আৰু ট্ৰেইন অহালৈ অপেক্ষা কৰো। এইদৰে বৈ বৈ বিভিন্ন হাঁহি-ধেমালিৰ মাজেৰে প্ৰায় তিনি ঘণ্টাৰো অধিক সময় কেতিয়ানো সময় পাৰ হৈ গ'ল গমেই নাপালোঁ। আমি ট্ৰেইনত উঠিলোঁ আৰু কিবা কিবি খোৱা বস্তু ষ্টেচনতেই কিনি লৈ আমি ট্ৰেইনত খাই গ'লো। আৰু এনেদৰেই সকলোৰে সৈতে কথা বতৰা হৈ আমি সোনকালেই টোপনি যাবলৈ চেষ্টা কৰিলোঁ।

পুৱতি নিশা আমি যাত্ৰা কৰি আহি আহি ৰাতিপুৱা শুই উঠিয়েই দেখিলো ট্ৰেইনে পশ্চিম অসমত আহি ভুমুকি মাৰিছে আৰু গোৱালপাৰা, ধুবুৰী ইত্যাদিৰ সৰু সৰু ষ্টেচনবোৰত এক, দুই মিনিট সময়ৰ বাবে বৈ বৈ ট্ৰেইনে নিজৰ গতিত আগবাঢ়ি আছে। এইদৰে আহি আহি ট্ৰেইনে গুৱাহাটীৰ কামাখ্যা ৰে'ল ষ্টেচনত আহি উপস্থিত হ'ল। যি আছিল আমাৰ চিকিম ভ্ৰমণৰ উভটনি যাত্ৰাৰ শেষৰটো ষ্টপেজ অথবা আমাৰ গন্তব্য স্থান। স্মৃতিৰ টোপোলাটি গধুৰ কৰি ভাগৰ আৰু টোপনিৰ মায়াজালে আৱৰি ধৰা আমি আদাবাৰী বাছ ষ্টেচনত আহি



মঙলদৈ-তেজপুৰ অভিমুখী বাছত বহি ললোঁ আৰু প্ৰায় ডেৰ ঘণ্টা বাছ যাত্ৰাৰ শেষত নিজ নিজ গৃহত আহি উপস্থিত হ'লো।

এইদৰেই আমাৰ চিকিম যাত্ৰাৰ সামৰণি পৰিল।

সুমধুৰ স্মৃতি বোকোছাত বান্ধি এটি সপ্তাহৰ এই যাত্ৰা আছিল আমাৰ বাবে এক নতুন অভিজ্ঞতা, প্ৰথমবাৰৰ বাবে জীৱনৰ আটাইতকৈ দীঘলীয়া আৰু মধুৰ যাত্ৰা। এই চিকিম ভ্ৰমণে আমাক শিকালে বিভিন্ন কথা, হিমালয়ান অঞ্চলৰ মানুহৰ বসতি, তাৰ পাহাৰীয়া খাদ্য, আচাৰ-ব্যৱহাৰ, চাল-চলন, কথা-বাৰ্তা ইত্যাদি। বিশেষকৈ চিকিম ৰাজ্যখনৰ সেউজীয়া মনোমোহা পৰিবেশ, সুউচ্চপাহাৰ, ৰাস্তাৰ দাঁতিত ভয়ংকৰ পৰিৱেশতো নিজৰ জীৱনৰ কথা নাভাবি কষ্টকৰ কাম কৰি থকা মহিলাসকল, অতি ওখ ঠাইত দোকান দি জীৱন নিৰ্বাহ কৰি থকা ব্যক্তি বিশেষকৈ মহিলাসকলৰ কৰ্ম প্ৰেৰণাই বাৰুকৈ মুগ্ধ কৰিছিল। লগতে চিকিমৰ স্বাস্থ্যকৰ পৰিবেশ আৰু ইয়াৰ চাফ-চিকুণতা আৰু গাড়ীচালকসকলে কোনোধৰণৰ অনাহকত গাড়ীৰ হৰ্ণ বজাই শব্দ প্ৰদূষণৰ সৃষ্টি কৰা দেখা নাপালোঁ।

বিভিন্ন কথা শিকি, বহু কথা জানি, হিমালয় পৰ্বতৰ নান্দনিক দৃশ্য চকুৰ আগত লৈ বন্ধু-বান্ধৱী আৰু মেজৰ হৰিমন ডেকা ছাৰ আৰু ড° প্ৰাণজিৎ কুমাৰ শৰ্মা ছাৰে দেখাই শিকাই লৈ যোৱা, সকলোৰে সৈতে একেলগে স্ফূৰ্তিত সময় অতিবাহিত কৰা বহুতো ভাললগা স্মৃতি জড়িত চিকিম ভ্ৰমণ আমি এইদৰেই সামৰণি মাৰিলোঁ।

শেষত মঙলদৈ মহাবিদ্যালয়ৰ ওচৰত এই মধুৰ স্মৃতি ভৱিষ্যতে ৰোমন্থন কৰাৰ সুযোগকণ প্ৰদান কৰাৰ বাবে চিৰকৃতজ্ঞ।❑

# **Experience in My** First NCC Camp

**Bhaswati Saikia**

The National Cadet Crops (NCC) is a voluntary organization engaged in grooming the growth of the country into discipline and patriotic citizen. They recruit members (Cadet) from the school or college across the country and are given basic military training in camps and parades.

I would like to share the beautiful experience of my first NCC Camp. It was a wonderfull experience of camp. I don't have words to describe this. It is one of the best parts of my life.

My journey started on 23rd November 2020 with the cadets of our Tezpur Group. Due to covid, no offline camp has been conducted. I was the only cadet from our college and also from our unit '73 Assam Girls (I) coy NCC, Tezpur' who attended the pre-RDC camp in Jorhat. In front of me there were 10 cadets of the Tezpur Group. I was quite nervous and curious about how the camp would go, but during that time our ma'am (Major Dr. Leena Saikia, ANO of Mangaldai College Girls' NCC) and my elder sister (Dhanada Saika, Ex NCC Cadet) motivated me all the time, it was very helpful for me. The camp was organized by 'A' Assam Battalion NCC, Jorhat' for 10 days. When we reached the NCC Academy campus, we got a room and had to share the room with our girls of Tezpur Group. From the next day the camp started with morning PT (Physical Training), then lectures were given by Military officers on character building, personality development, career counseling, leadership qualities etc. Many competitions such as singing, dancing, debates, plays, essay writing between cadets and I also participated in the events. The instructors gave us lessons about rifles. After lunch we took rest. Then we were given one hour to spend fruitfully in sports. That hour was really very fun. Next day a task was assigned which was most exciting to me. We were given to fire a few bullet using a 0.22 Delive rifle we allow to take the sheet. In which we fired. From the first day to till last, every day and every moment was memorable. I have got lots of new friends and knowledge about their localities and culture. I have built up self confidence by joining different competitions and I can now see that my personality has developed a lot. At the last day of the camp there was camp fire. That night was very good. The camp taught me discipline, drill, infused courage, strength and motivated me to do something for our Motherland. Although I could not go to Delhi for RDC 2021, but I got very sweet and suitable memories, lesson, new friends and challenges to develop, myself from the first camp of my life and I feel so proud that I joined NCC through it I can groom myself.

Jai Hind.❑

# নৱ সূৰুয



**ঃ চৰিত্ৰসমূহ ঃ**

**জয়ন্ত বৰুৱা (এগৰাকী অৱসৰী শিক্ষক) • দিপালী বৰুৱা (জয়ন্ত বৰুৱাৰ পত্নী, অসুস্থ ব্যক্তি) • মাধুৰী বৰুৱা (জয়ন্ত বৰুৱাৰ ডাঙৰ জীয়ৰী) • বিক্ৰম বৰুৱা (জয়ন্ত বৰুৱাৰ পুত্ৰ) • দ্বীপশিখা বৰুৱা (জয়ন্ত বৰুৱাৰ সৰু জীয়ৰী) • কন্দৰ্প হাজৰিকা (ভুৱা শিক্ষক, মিছলীয়া ব্যক্তি) • ৰঘু (জয়ন্ত বৰুৱাৰ ঘৰৰ চাকৰ) • তৰাদৈ (ওচৰ-চুবুৰীয়া এজনী ছোৱালী)**

## ভিজিত ডেকা

*(উক্ত নাটখনিৰ জৰিয়তে কোনো মৃত বা জীৱিত ব্যক্তিক উদ্দেশ্য কৰি ৰচনা কৰা হোৱা নাই। অজানিতে যদি কোনোবা অনুষ্ঠান-প্ৰতিষ্ঠান নতুবা মৃত বা জীৱিত ব্যক্তিৰ লগত মিল আছে তেন্তে নাট্যকাৰ জগৰীয়া নহয়। একাংকিকা নাটখনিৰ কাহিনীভাগ সম্পূৰ্ণ কাল্পনিক।)*

**।। মঞ্চসজ্জা।।**

*(জয়ন্ত বৰুৱাৰ ড্ৰইং ৰুমৰ দৃশ্য। চোফা-টেবুল, ফুলদানী, টেবুলত বাতৰি কাকত এখন থাকিব। বাহিৰৰ পৰা তৰাই মাত লগাব, ৰঘু কাম কৰি থাকিব)*

**তৰাদৈ** ঃ ঘৰত কোনোবা আছেনে? *(তৰাৰ প্ৰৱেশ)*

**ৰঘু** ঃ *(ৰঘুই টেবুল মচি মচি মাত লগাব)* মই কি মানুহ নহয় নেকি? নে মোক দেখাত গৰু যেন লাগে।

**তৰা** ঃ তোক নো কিয় লাগে? এনেই একেবাৰে সদাগৰজন। ভাল বুলি মাতিব লাগে!

**ৰঘু** ঃ তই কিন্তু মোৰ খং তুলি নানিবি দেই তৰা!! কিবা কৰি পেলাম।

**তৰা** ঃ মোৰ ওপৰত বৰমতা হ'লেহে, এনেই আমাৰ কথাটো বৰদেউতাৰ আগত ক'বলৈ সাহস নাই।

**ৰঘু** ঃ কওঁ বুলিলে কʼব পাৰো কিন্তু দেউতাৰ মুখখন দেখিলেই হাত-ভৰি পেটতে লুকায়। সেইবোৰ মই নোৱাৰোঁ দেই।

**তৰা** ঃ ঠিক আছে, তই যদি কʼব নোৱাৰ মই আৰু তোৰ লগত একো সম্পৰ্ক নাই।

**ৰঘু** ঃ ধেৎ তেৰি আঁকৰী, তই নুবুজ কিয়। মই কিবা অংক কৰিম। সোণজনী নেজাবি দেই মোক এৰি।

**তৰা** ঃ পিতাই কৈছে অহাকালি হেনো মোক চাবলৈ কোনোবা আহিব। ধনী, গাড়ী-মটৰ থকা; তই যদি নকৰ মই তাৰ লগতে যাম।

**ৰঘু** ঃ তই কʼলে কি নুবুজ নেকি? মই কিবা এটা কৰিম বুলি কৈছো নহয়। এমাহমান সময় দেচোন মোক।

**তৰা** ঃ তোৰ কাৰণে বৈ ৰৈয়ে এই বয়স হʼল আৰু মই নোৱাৰোঁ!!

**ৰঘু** ঃ হʼব দে মই আছো! বাৰু কচোন কিয় আহিলি?

**তৰা** ঃ কিবা এটা দিয়াৰ চলেৰে তোকে চাবলৈ আহিছিলোঁ যাওঁ দে কথাটো ভাবি চাবি নহʼলে.... *(প্ৰস্থান)* বাই বাই...

**ৰঘু** ঃ বাই বাই.. যা যা *(আকৌ চাফা কৰিব)* এইজনীয়ে মোক মৰমতে কৈ গʼল নে ধমক দি থৈ গʼল বাৰু, নাই যি কৈছে ভালেই কৈছে, সাহস দিছে, বুকু ডাঠ কৰ ৰঘু, বুকু ডাঠ কৰ....। *(কাম কৰি কৰি)* ৰাতিপুৱাৰ পৰা কাম আৰু কাম, কাম কৰি কৰি শেষ কৰিব পৰা নাই, ইমান কাম, ইফালে ৰঘু সিফালে ৰঘু। আৰে ভাই মই ৰঘু হে, মেছিন নহয়টো। যে চুইছ টিপিলে আৰম্ভ হৈ যাম। মোৰো দুখ ভাগৰৰ কথা আছে। আশা আছে বিয়া পতাৰ হেঁপাহ আছে। লʼৰা-ছোৱালীৰ বাপেক হোৱা সপোন আছে। সিহঁতক মই কান্ধত লৈ নিচুকনি গীত গোৱাৰ আশা আছে-

"আমাৰে মইনা শুব
বাৰীতে বগৰী ৰুব,
বাৰীৰে বগৰী পকি সৰিব
মইনাই বুটলি খাব"

আই ঐ ভাবিলেই কিবা ভাল লাগি যায়-
লগৰ সমনীয়াই মোক সুধিব-

"এইবাৰ মোৰ বিয়া হʼব সকলোৱে জানিব!
বাটে ঘাটে সমনীয়াই বেৰি বেৰি মোক সুধিব,
কইনা হʼব কোন তোমাৰ কইনা হʼব কোন"

*(মাধুৰীৰ প্ৰৱেশ)*

**মাধুৰী** ঃ মধুপুৰৰ দ্বীপেনৰ জীয়েক পূৰ্ণিমাৰ জোন ঐ ৰঘু পূৰ্ণিমাৰে জোন।

**ৰঘু** ঃ জোন নহয় অʼ তৰা, তৰাদৈ....। এইখন ঘৰত তোমাৰ বাহিৰে মোৰ কথা ভবা মানুহ কোনো নাই অ মাধুৰী..।

**মাধুৰী** ঃ হয় নেকি সোণামুৱাটো। *(ধেমেলীয়া সুৰত)*

**ৰঘু** ঃ অʼ বেচেৰী তৰাজনীয়ে মোৰ লগত বিয়া হʼম বুলি সপোন দেখি থাকোঁতেই যাব যেন পাইছোঁ। কিমান লʼৰাক তাই বাঢ়নীৰে কোবালে একমাত্ৰ মোৰ বাবে।

**মাধুৰী** ঃ বাঢ়নীৰে কোবালে কি হʼব, সেই দিনাখন কিন্তু মই মাধৱৰ বাইকত উঠি যোৱা দেখিছো, নাজানোদেই কি চলি আছে সিহঁতৰ মাজত। তই কিন্তু সাৱধানে থাকিবি নহʼলে সঁজাৰ মইনা উৰুৱাই লৈ যাব। বাই *(প্ৰস্থান)*

**ৰঘু** ঃ বাই বাই বাই... মাধৱৰ বাইকত মোৰ তৰা মোক এৰি তাক ধৰি আছে। তাই ডাবল পিৰিতি, হে প্ৰভু কি হʼব মোৰ গতি!! *(জয়ন্তৰ প্ৰৱেশ)*

**জয়ন্ত** ঃ ৰঘু অʼ ৰঘু মাজনী গʼল নেকি?

**ৰঘু** ঃ অʼ দেউতা গʼল। *(থত্‌মত্ খায়)*

**জয়ন্ত** ঃ ছেঃ! মাকৰ দৰৱকেইটা আনিব পাৰিলে হয়। কি কৰা যায়! সৰুকো অকলে এৰি যাব নোৱাৰোঁ...।

**ৰঘু** ঃ দেউতা ময়ে যাওঁ নেকি দৰৱকেইটা আনিব।

**জয়ন্ত** ঃ অʼ তই যা, নহʼলে...। হেৰি কৰিবি চʼকৰ ফাৰ্মাচী কেইখনতে পাবি আৰু মোৰ কথা কʼলে দিব যা। পইচাটো পিছত দিম বুলি কবি। যা, সোনকালে।

**ৰঘু** ঃ হʼব দেউতা...

**জয়ন্ত** ঃ সৰুৰ খোৱা বস্তুখিনি কʼত আছে?

**ৰঘু** ঃ টেবুলতে থৈ দিয়া আছে।

**জয়ন্ত** ঃ হʼব যা, ময়ে দিম খুৱাই।

**ৰঘু** ঃ হʼব দেউতা। *(প্ৰস্থান)*

**জয়ন্ত** ঃ *(থিয় হৈ নিজৰ মাজতে কিবা কʼব)* কি লʼৰা কি হʼল, সৌ সিদিনা সোণাপুৰত চাকৰি কৰি থাকোঁতে বাটত অকলশৰে থকা দেখি ভাবিলোঁ ওমলি আছে, নাই পিছে বেচেৰাৰ কোনো নাই। সেই কাৰণে নিজৰ সন্তানৰ দৰে মৰম কৰোঁ। বৰ ভাল তই ৰঘু, বৰ ভাল। *(দ্বীপশিখাৰ প্ৰৱেশ)*

**দ্বীপশিখা** ঃ পাপা, পাপা মোৰ ভোক লাগিছে।

**জয়ন্ত** ঃ ৰʼবা মই আনিছো তুমি খেলি থাকিবা।

**দ্বীপশিখা** ঃ হʼব পাপা মই থাকিম ওমলি থাকিম। গাড়ী খেলিম এ হে এহে... *(সৰু লʼৰা-ছোৱালীৰ দৰে কৰিব কাৰণ দ্বীপশিখা জন্মৰ পৰা স্বাভাৱিক লʼৰা-ছোৱালীৰ দৰে নহয়। কিছু সময়ৰ পিছত কন্দৰ্প আহিব আৰু দ্বীপশিখাক ফুচুলাই লৈ যাব ওলাব। তাই অস্বীকাৰ কৰাত মাৰিবলৈ চুৰি হাতত লওঁতেই জয়ন্ত আহি পাব। কন্দৰ্প ওলাই যায়)*

**জয়ন্ত** ঃ সৰু সৰু! কোন আছিল কোনে মাৰিছে সৰু?

**দ্বীপশিখা** ঃ নাজানো পাপা, কোনে মাৰিছে বহুত দুখ পাইছোঁ। *(পিঠিত, মুখত দেখুৱাই দিব)*

**জয়ন্ত** ঃ আহাছোন ভাত খোৱাহি, ও বহা, আ কৰা আ কৰা ও

ভাল ছোৱালী। কোৱাচোন মাজনী কোনে তোমাক তেনেকুৱা কৰিছে।

**দ্বীপশিখা** ঃ মুখখন দেখা নাই, হাতত, এখন হাতত কিবা আছে, মোক মাৰিম বুলি কৈছে পাপা। তুমি তাক মাৰিবা। ময়ো মাৰিম তাক দেই পাপা।

**জয়ন্ত** ঃ হ'ব দিয়া মাৰিম এতিয়া তুমি খোৱা দেই। *(দিপালীৰপ্ৰৱেশ)*

**দিপালী** ঃ হেৰি শুনকচোন, বাবাই অশান্তি কৰি কৰি আছে। তাক হেনো ৫০ হাজাৰ টকা লাগে মই ক'ৰ পৰা দিওঁ। নহ'লে হেনো ঘৰৰ বস্তু ভাঙিব। আপুনিয়ে কিবা এটা কৰক।

**জয়ন্ত** ঃ কিছুদিন আগতে তাক বাইক এখন কিনি দিছোতো। এতিয়া আকৌ.... *(বিক্ৰমৰ প্ৰৱেশ)*

**বিক্ৰম** ঃ সেইবিলাক মই নাজানো। মোক ৫০ হাজাৰ টকা লাগে। টকা।

**জয়ন্ত** ঃ মই তোক টকা দিব নোৱাৰোঁ। ঘৰখন কেনেকৈ চলিছে তই এবাৰ খবৰ ৰাখিছনে? ঘৰৰ ডাঙৰ সন্তান হৈ যদি তই নুবুজ ভনীয়েহঁতক কি শিকাবি?

**বিক্ৰম** ঃ মই সেইবিলাক নাজানো পাপা, মোক টকা লাগিবই। *(টেবুলখন ভাঙিব খুজিব, খঙৰ ভমকত)*

**দিপালী** ঃ তই নুবুজ কিয়; ঘৰখনৰ কথাটো অলপ চিন্তা কৰ দেউতাৰৰ কথা ভাব।

**জয়ন্ত** ঃ মই ৰিটায়াৰ্ড হোৱাৰ পাছৰ পৰা ঘৰখন কেনেকৈ চলিছে, এবাৰ খবৰ ৰাখিছনে? মাৰা আৰু ভনীয়েৰৰ বেমাৰত কিমান টকা খৰচ হৈছে তই জাননে? যেতিয়া চাকৰি কৰি আছিলো তেতিয়াটো কথাই নাছিল। এতিয়া পাওঁ তাৰ আধা দৰমহা। এনে পৰিস্থিতিত মই ইমান টকা ক'ত পাওঁ। ইফালে দোকানৰ বাকী...।

**বিক্ৰম** ঃ আৰে, মই বিজনেজ কৰি ঘূৰাই দিমটো।

**দিপালী** ঃ বিজনেজ কৰিম বুলি কিমান টকা নিলি? কিমান খৰচ কৰিলি মনত আছেনে তোৰ?

**বিক্ৰম** ঃ সেইবিলাক মই নাজানো মোক টকা লাগে। বচ।

**জয়ন্ত** ঃ মই টকা নিদিওঁ।

**বিক্ৰম** ঃ মোক টকা লাগে।

**জয়ন্ত** ঃ মই নিদিওঁ।

**বিক্ৰম** ঃ মোৰ হাতত সময় নাই। মোক টকা লাগে। নহ'লে মই এই ঘৰ এৰি গুচি যাম।

**জয়ন্ত** ঃ যা, গুচি যা!

**দিপালী** ঃ আপুনি এইবোৰ কি কৰিব খুজিছে?

**জয়ন্ত** ঃ মই ঠিক কামেই কৰিব খুজিছোঁ দিপালী। যিজন ল'ৰাই মাক বাপেকৰ কথা চিন্তা নকৰে, ঘৰখনৰ কথা চিন্তা নকৰে, এনেকুৱা সন্তান নথকাই ভাল গুচি যা। গেট্ আউট হৈ যা মোৰ জীৱনৰ পৰা! গেট্ আউট *(চিঞৰি ক'ব)*

**বিক্ৰম** ঃ ঠিক আছে আকৌ যদি আহো। তুমি বিচৰা ভদ্ৰ ল'ৰাজন হ'বলৈ চেষ্টা কৰিম। নহ'লে অভদ্ৰৰ দৰে আহিম। *(বিক্ৰমৰ প্ৰস্থান)*

**দিপালী** ঃ তাক ঘূৰাই আনক তই নাযাবি অ' বাবা ঘূৰি আহ, ঘূৰি আহ, আপুনি ঘূৰাই আনক তাক। *(উঠিব)*

**জয়ন্ত** ঃ সেইটো অসম্ভৱ দিপালী, এৰি দিয়া শৰ, হে যোৱা সময় আৰু কৈ দিয়া কথা কেতিয়াও ঘূৰি নাহে - যাবলৈ দে তাক--- ভোকত যেতিয়া কলমলাই থাকিব তেতিয়া আকৌ উভতি আহিব। .... তোমালোক ভিতৰলৈ যোৱা।

**দিপালী** ঃ ব'লা সৰু *(মাক জীয়েকৰ প্ৰস্থান)*

**জয়ন্ত** ঃ হে ভগৱান কি খেল দেখুৱাইছা এইবোৰ আনৰ ল'ৰা-ছোৱালীক পঢ়াই শুনাই ডাক্তৰ, ইঞ্জিনিয়াৰ কৰিলোঁ। এতিয়া নিজৰ ল'ৰাটোৰ এই অৱস্থা, নে মই কিবা পাপ কৰিছিলোঁ? যাৰ ফল ভুগিছো নেকি? কি খেল দেখুৱাইছা ভগৱান, কি খেল দেখুৱাইছা....। *(চকীত বহিব) (ৰঘুৰ প্ৰৱেশ)*

**ৰঘু** ঃ দেউতা....।

**জয়ন্ত** ঃ কি হ'ল ৰঘু ঔষধ ক'ত......?

**ৰঘু** ঃ মানে দেউতা ঔষধ....!

**জয়ন্ত** ঃ কি হ'ল? নকৰ কিয় আৰে ঔষধ ক'ত?

**ৰঘু** ঃ দেউতা, দোকানীয়ে আগৰ বাকী নিদিয়াৰ কাৰণে এতিয়া বাকীও নিদিয়ে। মোৰ হাততো পইচা নাছিল। সেইকাৰণে অনা নাই।

**জয়ন্ত** ঃ হয় নেকি? *(হুমুনিয়াহ কাঢ়ি)* কিবা এটা ব্যৱস্থা কৰিম।

**ৰঘু** ঃ মই ভিতৰলৈ যাওঁ, পাকঘৰৰ অলপ কাম আছে, দেউতা।

**জয়ন্ত** ঃ যা আৰু শুনচোন, মোৰ কাৰণে একাপ লাল চাহ লৈ আহিবি। মূৰটো বৰ বিষাইছে।

**ৰঘু** ঃ হ'ব দেউতা....

**জয়ন্ত** ঃ সময় গতিশীল....। *(মাধুৰীৰ প্ৰৱেশ)*

**মাধুৰী** ঃ পাপা কি হ'ল মন মাৰি বহি আছা যে..

**জয়ন্ত** ঃ নাই এনেই কিবা আকাশ-পাতাল ভাবি আছোঁ।

**মাধুৰী** ঃ নাই তোমাৰ কিবা এটা হৈছে, মোক নোকোৱা ন তুমি।

**জয়ন্ত** ঃ নহয় অ' মাজনী, ঘৰখনৰ চিন্তা-ভাৱনাই কেতিয়াবা কেতিয়াবা হেঁচা মাৰি ধৰে অ', তাকে ভাবি আছোঁ।

**[illegible]** ঃ তুমি যদি তেনেকৈ থকা আমাৰ জানো ভাল লাগিব। শুনাচোন তোমাক এটা কথা ক'ব বিচাৰিছোঁ। মানে মানুহ এজনক লগ কৰাই দিব বিচাৰিছোঁ।

**জয়ন্ত** ঃ কোন হয়, মাতি দে আকৌ......

**মাধুৰী** ঃ ৰ'বা মাতি দিছো, কন্দৰ্প, কন্দৰ্প সোমাই আহা। *(কন্দৰ্পৰ প্ৰৱেশ)*

**জয়ন্ত** ঃ এওঁ! আহাচোন আহা বহা, এতিয়া কোৱা মাজনী কি ক'ম বুলি কৈছিলা?

**মাধুৰী** ঃ মানে দেউতা এই কন্দৰ্প, আমি ইজনে সিজনক বহুত ভাল পাওঁ যদি আপুনি সন্মতি দিয়ে আমি এক হ'ব খোজোঁ।

**জয়ন্ত** ঃ কিমান দিনৰ পৰা এওঁক চিনি পোৱা?

**মাধুৰী** ঃ ছমাহ মানৰ পৰা পাপা।

**জয়ন্ত** ঃ কি? ছমাহ, মই তোমাক এটা কাৰণত বেয়া পাইছোঁ *(কিছু সময় পিছত)* আন এটা কাৰণত ভালো পাইছোঁ।

**মাধুৰী** ঃ কিন্তু পাপা...

**জয়ন্ত** ঃ কোনো কিন্তু নাই প্ৰথম কথাটো হ'ল তুমি এওঁক চিনি পোৱা ছমাহ হৈছে আৰু আজিহে মোক কৈছা। সেই কাৰণে তোমাক বেয়া পাইছোঁ।

**মাধুৰী** ঃ আৰু পাপা ভাল পোৱাটো..... !

**জয়ন্ত** ঃ তুমি সৎ সাহসেৰে মোক সন্মুখত ঠিয় হৈ কথাষাৰ কৈছা। তাৰ বাবে মই তোমাক ভাল পাইছোঁ ভাল লাগিল। *(গৌৰৱৰ সুৰত ক'ব)*

**জয়ন্ত** ঃ আচ্ছা 'ইয়ং বয়' তুমি কি কৰা মানে কিবা কামত ব্যস্ত হৈ আছা নে পঢ়া-শুনা কৰি আছা।

**কন্দৰ্প** ঃ যোৱা দুবছৰ আগতে MA পাছ কৰিলোঁ। এতিয়া ওচৰতে স্কুল এখনত কনটেক্চুৰেল শিক্ষক হিচাপে কাম কৰি আছোঁ।

**জয়ন্ত** ঃ সুন্দৰ মই ভবাৰ দৰে হৈছে। দিপালী অ' দিপালী এই ফালে আহাচোন। *(ভিতৰৰ ফালে চাই মাতিব)*

**মাধুৰী** ঃ অ' পাপা তুমি ইমান ভাল..... !

**জয়ন্ত** ঃ হ'ব এতিয়া আৰু মৰম দেখুৱাব নালাগে মই জানো তুমি যে জীৱন সংগী বিচাৰ কৰাত তোমাৰ ভুল নহয়।

**জয়ন্ত** ঃ *(কন্দৰ্পৰ ফালে চাই ক'ব)* শুনা তুমি তোমালোকৰ ঘৰত খবৰ দিবা আমি কথা পাতিম। দুয়োখন ঘৰে আলোচনা কৰি তোমালোকৰ বিয়াখন পাতিম। এতিয়া মাজনীও পঢ়ি আছে, নহয় জানো। তুমি প্ৰস্তুত হোৱা তাৰ পিছত আমি চিন্তা কৰিম।

**কন্দৰ্প** ঃ হ'ব খুৰাদেউ আপোনালোকে যি ভাল দেখে সেয়ে হ'ব। মাধুৰীয়েও পঢ়া-শুনা শেষ কৰি যদি বিচাৰে ভাল কাম এটা কৰক। যাতে তাই নিজেও স্বাৱলম্বী হ'ব পাৰে। *(মোকো অলপ সময় লাগিব)*

**জয়ন্ত** ঃ তোমাৰ চিন্তাধাৰা বিলাক প্ৰায় মোৰ লগত মিল আছে। মই বিচাৰি থকা ল'ৰাজন তুমি। *(কন্দৰ্পৰ ফালে চাব)*

**কন্দৰ্প** ঃ কথাটো তেনেকুৱা নহয় দিয়কচোন। সৰুৰ পৰা মা-দেউতাই যি শিক্ষা দিছে গ্ৰহণ কৰিছোঁ।

**মাধুৰী** ঃ আমাকো পাপাই বহুত মৰম কৰে। মই কৈছিলো নহয় পাপাই না নকৰে বুলি।

**জয়ন্ত** ঃ হয় নেকি? তোমাক লৈ মই গৌৰৱ কৰো।

**মাধুৰী** ঃ ছোৱালী কাৰ তোমাৰহে।

*(দিপালী আৰু দ্বীপশিখাৰ প্ৰৱেশ)*

**দিপালী** ঃ কোন আহিছে নো চাওঁ।

**দ্বীপশিখা** ঃ *(কন্দৰ্পক দেখি চিঞৰি উঠিব)* নাযাবা মা নাযাবা, সি মোক মাৰিছে। তোমাকো মাৰিব। মোক মাৰিছে।

**দিপালী** ঃ কি হৈছে কি হৈছে। তোমাৰ কি হৈছে মাজনী?

**মাধুৰী** ঃ তোমাক দেখি ভয় খোৱাৰ কাৰণটো কি কন্দৰ্প? আছলতে হৈছে কি? কোনেও একো নকয় কিয়?

**জয়ন্ত** ঃ কি হৈছে মাজনী, মাজনী...... ?

**দ্বীপশিখা** ঃ মোক ই মাৰিছে বহুত মাৰিছে। *(ফোপাই থাকিব)*

**জয়ন্ত** ঃ কি এওঁ তোমাক মাৰিছে..... । তাৰমানে অলপ আগতে তুমি ভয় খোৱাৰ কাৰণটো এয়া। সৰুক মাৰিব খোজা ল'ৰাটো তাৰ মানে তুমি?

**মাধুৰী** ঃ কি? আছল কথাটো কি? নোকোৱা কিয় কন্দৰ্প। *(সকলোবোৰ নিঃশব্দ হৈ যাব)*

**কন্দৰ্প** ঃ অ' ময়ে কিছু সময় আগতে সৰুক হত্যাৰ চেষ্টা কৰিছিলোঁ।

**মাধুৰী** ঃ কিন্তু কিয়? তাৰমানে মোক টাউনত থকা বুলি কৈ তুমি, মানে ইয়াত, কিন্তু কিয় কৰিলা?

**কন্দৰ্প** ঃ আচলতে মাধুৰীক মই ভাল পোৱা নাছিলো, তোমাৰ লগত প্ৰেমৰ অভিনয়হে কৰি আছিলোঁ। ভাবিছিলোঁ, তুমি ঘৰৰ একমাত্ৰ সন্তান। তোমাক হাত কৰিব পাৰিলে এই সম্পত্তিৰ মালিক হ'ব পাৰিম, কিন্তু জনা নাছিলো যে তোমাৰ দাদা আৰু ভন্টি আছে বুলি।

**মাধুৰী** ঃ কিন্তু তুমি ইমান দিনে মোক দিয়া মৰমবোৰ কি মিছা আছিল? ভাল পোৱাবোৰ নাটক আছিল?

**কন্দৰ্প** ঃ অ' মিছা আছিল। মই নাটক কৰিছিলোঁ। ভালপোৱাৰ অভিনয় কৰিছিলোঁ। আগতে গম পোৱা নাছিলোঁ। তোমাৰ মুখত তোমাৰ দাদা আৰু ভন্টি এজনী থকা বুলি জনাৰ পিছৰ পৰা মোৰ মগজুত এটা বেয়া চিন্তাই বাহ লৈছিল। ভাবিছিলো দুয়োজনকে মাৰিম আৰু যেতিয়া সিহঁত নাথাকিবই মাটি-সম্পত্তিখিনিটো তোমাৰ নামত লিখি দিবই, তেতিয়া তোমাৰ পৰা মাটি-সম্পত্তিখিনি চলে-বলে কৌশলেৰে কাঢ়ি আনিম।

**জয়ন্ত** ঃ এইবোৰ তুমি কি কৈা?

**কন্দৰ্প** ঃ আপোনাৰ ডাঙৰ ল'ৰাই খুব মদ খাই নহয়, তাৰ লগত চিনাকী হ'লোঁ, লাহে লাহে ভাল বন্ধুহৈ পৰিলোঁ, মদ খুৱাবলৈ আৰম্ভ কৰিলোঁ যিমান পাৰো মদ খুৱাই তাক মাতাল কৰি ৰাখিলোঁ। মদৰ লগত সদায় ড্ৰাগছ্ মিহলাই দিলো যাতে তাৰ মগজুৰ শক্তি কমি যায়। আৰু অৱশেষত যাতে মৃত্যু হয়। সৰুক মৰাৰো পৰিকল্পনা কৰিলোঁ সেই কাৰণে আজি আহিছিলোঁ। কিন্তু বেচেৰী নমৰিল। ব্যৰ্থ হ'লো মই! *(চিঞৰি দিব)*



**জয়ন্ত** ঃ শিক্ষকৰ দৰে এটি পবিত্ৰ বৃত্তিক তুমি ইমান নীচ কামত ব্যৱহাৰ কৰিব পাৰানে?

**কন্দৰ্প** ঃ আচলতে মই শিক্ষক নহয়। মাধুৰীয়েও কথাটো নাজানে। তাইৰ মুখত গম পাইছিলো আপুনি বোলে শিক্ষক বৃত্তিটোক বহুত ভাল পায় সেই কাৰণে।

**মাধুৰী** ঃ সেই কাৰণে তুমি ফাকি দিলা, প্ৰৱঞ্চক ওলাই যোৱা আমাৰ ঘৰৰ পৰা।

**দিপালী** ঃ ছিঃ আমি কিমান ডাঙৰ ভুল কৰিব ওলাইছিলো আগৰ কথাবোৰ মই ভিতৰৰ পৰা শুনি আছিলোঁ।

**জয়ন্ত** ঃ ওলাই যোৱা আমাৰ ঘৰৰ পৰা, ইয়াত তোমাৰ কোনো স্থান নাই। *(বিক্ৰমৰ প্ৰৱেশ)*

**বিক্ৰম** ঃ আপুনি আমাৰ ইয়াত যে, মোৰ কথা কিবা কৈছে নেকি? মই ওলাই গৈছিলো। মই যাওঁ *(যাব খোজে)*

**জয়ন্ত** ঃ ক'লৈ যাব, তই উভতি আহিছ যেতিয়া তেন্তে কথা কেইটামান শুনি যা।

**কন্দৰ্প** ঃ সকলো শেষ হৈ গ'ল বিক্ৰম।

**বিক্ৰম** ঃ মানে?

**দিপালী** ঃ মানে আৰু কি? আমাৰ ঘৰখন ধ্বংস কৰাৰ ষড়যন্ত্ৰ কৰিছিল। তোমাক আৰু সকক হত্যা কৰাৰ পৰিকল্পনা কৰিছিল। তোমালোকক দুয়োকে হত্যা কৰি অৱশেষত মাজনীক হাত কৰি আমাৰ সা-সম্পত্তি কাঢ়ি নিয়াৰ চক্ৰান্ত কৰিছিল।

**বিক্ৰম** ঃ কি?

**মাধুৰী** ঃ অ' দাদা আৰু তোমাক মদৰ লগত সদায় ড্ৰাগছ মিহলাই দিছিল।

**বিক্ৰম** ঃ সেই কাৰণেটো মই মদ খোৱাৰ পাছত একো খাব নোৱাৰোঁ। মোৰ মুৰটোৱে কাম নকৰা হয়। কি কৰো নিজেই গম নাপাওঁ।

**জয়ন্ত** ঃ মই প্ৰথম দেখোতে তোমাক ভাল বুলি ভাবিছিলোঁ। কিন্তু ইমান ভাল মানুহ এজনৰ ভিতৰত যে অসুৰ এটা সোমাই আছে ভবাই নাছিলো। *(বাইজলৈ চাই ক'ব)* সেই কাৰণে কৈছো দুদিনৰ চিনাকী মানুহক বিশ্বাস নকৰিবা। শুনা কন্দৰ্প, তোমাক এবাৰ কথা কওঁ।

**কন্দৰ্প** ঃ কওক খুৰা। মই মোৰ ভুলৰ বাবে অনুতপ্ত হৈছোঁ। মই আৰু এনে কাম কেতিয়াও নকৰোঁ। মোক ক্ষমা কৰি দিয়ক।

**জয়ন্ত** ঃ মই তোমাক এই মুহূৰ্তত বহুকেইটা গোচৰত থানাত দিব পাৰোঁ। কিন্তু নিদিওঁ, তোমাক এটি সুযোগ দিব বিচাৰিছোঁ। ভাল হোৱা, সৎ মানুহ হৈ জীয়াই থাকা, তোমাৰ জীৱনটো ধ্বংস কৰিব মন নাই। তুমি যোৱা। *(কন্দৰ্পৰ প্ৰস্থান)*

**বিক্ৰম** ঃ মা, পাপা, তোমালোকে মোক ক্ষমা কৰি দিয়া, মই বহুত ডাঙৰ ভুল কৰিলোঁ। মোক ক্ষমা কৰি দিয়া। *(ভৰিত পৰে)*।

**জয়ন্ত** ঃ একো নাই দিয়া সকৰে ভুল কৰেই। আমি ডাঙৰবোৰে ক্ষমা কৰি দিলেহে সকলোবোৰ সমাধান হ'ব।
জীৱনত সকলোকে ক্ষমা কৰি দিবলৈ শিকা, চাবা সমাজখন সুন্দৰ হৈছে।
আমি এতিয়া এটা কথাই মন কৰিব লাগিব, মাৰা আৰু ভণ্টিক কেনেকৈ সুস্থ কৰিব পাৰি। সুখ বিলাক বিচাৰিব নাজানো। তোমাৰ মাজতেই আছে মাথোঁ আমি চিনি নাপাওঁ।
*(ৰঘু আৰু তৰাৰ প্ৰৱেশ)*

**ৰঘু** ঃ আহা, আহা, সকলোৱে বৈ আছে...। *(তৰাৰ প্ৰৱেশ)*

**মাধুৰী** ঃ কোন এইজনী- চাওঁ মুখ খন।

**ৰঘু** ঃ এইজনী তৰা...।

**জয়ন্ত** ঃ তাৰ মানে ইমান দিনে তইঁতো..।

**তৰা** ঃ বৰদেউতা, এইজনক বহুদিনৰ পৰা আমাৰ কথাটো আপোনাক ক'বলৈ কৈ আছিলো। নকয় হে নকয় সেই কাৰণে আজি চেক বুজি একেবাৰে ওচি আহিলোঁ।

**ৰঘু** ঃ দেউতা মোৰ ভুল হ'ল, মোক নামাৰিব!!

**জয়ন্ত** ঃ ধেৎ অকৰাটো ভাল পাইছ লৈ আনিছ, এতিয়া সমাজৰ আগত বিয়া হ'। সিহঁতৰ ঘৰৰ মানুহ মাত, দুয়োখন ঘৰে আলোচনা কৰি তহঁতৰ বিয়াখন পাতি দিম। নেকি ক' তহঁতে?
*(সকলোৱে ক'ব)*
অ'.... অ'.... সেইটোৱে কৰা হওক-

**জয়ন্ত** ঃ এই, তই তাৰিখ এটা ঠিৰাং কৰি মানুহ মতাৰ ব্যৱস্থা কৰ আকৌ ভেবা লাগি কি চাই আছ?

**ৰঘু** ঃ অ' মই মনতে এটি তাৰিখ ভাবি থৈছোঁ। সকলোকে কৈ দিওঁ-
বাইজ অহা মাহৰ ২২ তাৰিখে আমাৰ বিয়া! মানে তৰা আৰু মোৰ বিয়া সকলো আহিব দেই—
"ঐ ৰাম তৰাকে আনিলো।
ঐ ৰাম বিয়াখন পাতিলো
হৰি মোৰ অ'.....
ল'ৰা-ছোৱালী এগাল মান হ'ল।"
*(সকলোৱে হাঁহিব)*

❑ ❑ ❑



# এটি নষ্ট ল'ৰা



নীলকমল বৰুৱা

।। মঞ্চ নিৰ্দেশনা।।

*(চহৰীয়া মাষ্টৰৰ ঘৰৰ পৰিৱেশ। ৰাতিপুৱাৰ পৰিৱেশ। চকীত বহি বাতৰি চাই থাকিব। নিজে নিজে কিবা কৈ থাকিব)*

**চহৰীয়া** ঃ ইচ্ ৰাতিপুৱাই হ'লেই নহয় মূৰটো গৰম। এ নাচাওঁ এইখন। *(হঠাৎ চকীৰ পৰা উঠি কিবা চিন্তা কৰিব)* আজিটো সোমবাৰ। সোমবাৰ মানে আজি লাষ্ট ডেট হাঃ হাঃ হাঃ। *(ৰূপালীৰ প্ৰৱেশ)*

**ৰূপালী** ঃ হেৰি অকলে অকলেনো কি বলকি আছে হে। স্কুললৈ নাযায় নেকি?

**চহৰীয়া** ঃ লাষ্ট ডেট, বুজিছা, লাষ্ট ডেট

**ৰূপালী** ঃ হেৰি মই কিবা এটা কৈ আছো।

**চহৰীয়া** ঃ অহ্ পাহৰি গৈছিলো হে কিবা এটা, তাকে মনত পেলাবলৈ চেষ্টা কৰি আছিলো।

**ৰূপালী** ঃ হয়নে? কিবা লাষ্ট ডেট বুলিহে কোৱা শুনিছো।

**চহৰীয়া** ঃ নাই নাই একো নাই।

**ৰূপালী** ঃ আপুনি মোৰ পৰা কিবা লুকাইছে। নহয়নে?

**চহৰীয়া** ঃ হেৰি এবাৰ ক'লে বুজি নোপোৱা নেকিহে? যোৱা ভিতৰলৈ।

**ৰূপালী** ঃ নাজানো এই মানুহজনৰ কি হয় হঠাতে...
*(ৰূপালীৰ প্ৰস্থান)*

**চহৰীয়া** ঃ বৰ টেনচনত পৰিলো। যদি এই লাষ্ট ডেটটোৰেই মোৰ জীৱনৰ লাষ্ট ডেট হৈ যায়। এ নাই নাই
*(ফোনটো উলিয়াই কাণত ল'ব)*
হেল্ল' মিঃ প্ৰশান্ত বৰুৱা হয়নে? *(নেপথ্যৰ পৰা)*

**পি. বৰুৱা** ঃ হয় হয় মোৰ নাম্বাৰতেই ক'ল কৰিছে, আকৌ সুধিছে হয়নে? কথাটো কওক।

**চহৰীয়া** ঃ কাম এটা আছিল। ক'ত ল'গ পাম আপোনাক।

**পি. বৰুৱা** ঃ নাই নাই আপুনি মিছাতে কষ্ট কৰিব নালাগে। মই যাম। কিন্তু ভাড়াটো মিলাই লম। আপোনাৰ ঠিকনা সহ এখন Photo Whatsapp ত পঠাই দিয়ক।

**চহৰীয়া** ঃ ঠিক আছে। *(Phone cut)*

**নয়ন** ঃ পাপা, কি কৰিছা?

**চহৰীয়া** ঃ দেখা নাই-নে-কি?

**নয়ন** ঃ মোক অলপ পইচা লাগিছিল।

**চহৰীয়া** ঃ কি কৰ তই পইচা?

**নয়ন** ঃ পাপা মোৰ খং বেয়া বুলি তুমি জানাই।

**চহৰীয়া** ঃ বাপেৰক ধমক দিবলৈ তোৰ বেয়া নালাগে হা!

**নয়ন** ঃ বেয়া লাগিলেতো নুখুজিলোৱেই হয়। দিয়া-দিয়া। মোৰ বান্ধৱী এজনীয়ে Wait কৰি আছে।

**চহৰীয়া** ঃ তোৰ বান্ধৱী। কিমান আৰু মোৰ পইচাৰে বান্ধৱীক পুহি থাকিবি নিজেও কিবা এটা কৰ।

**নয়ন** ঃ চব বিলাক একেলগে ঘূৰাই দিম না বিজনেচ কৰিম?

**চহৰীয়া** ঃ হেৰৌ অলপ ভাল হ'বলৈ শিক।

**নয়ন** ঃ পাপা... আপুনিওটো বহুত ছোৱালীৰ লগত বন্ধুত্ব কৰিছিল। সেইবোৰ কোনে চাই আছিল।

**চহৰীয়া** ঃ ল' ল' আৰু সোনকালে মোৰ চকুৰ আগৰ পৰা আঁতৰ হ! *(স্বপ্নাৰ প্ৰৱেশ)*

**স্বপ্না** ঃ নয়ন ইমানকৈ ফ'ন কৰি আছো। কিয় ৰিচিভ কৰা নাই।

**নয়ন** ঃ অ' তুমি *(পাপাৰ ফালে চাই)* পাপা এওঁক স্বপ্না মোৰ বান্ধৱী, বান্ধৱী মানে অতি ভাল বান্ধৱী।

**চহৰীয়া** ঃ মই তোক সুধিছো নেকি? বাৰু আমাৰ ইয়াৰ লগত বৰ বেছি হলি গলি নকৰিবি ইয়াৰ ভাল নহয়।

**নয়ন** ঃ পাপা! any time তুমি মোক ইনছাল্ট কৰিয়েই থাকা। স্বপ্না ব'লা আমি যাওঁ। *(স্বপ্নালৈ চাই)*

*(স্বপ্না আৰু নয়নৰ প্ৰস্থান)*

*(বাহিৰত হুলস্থুল মাৰ মাৰ ধৰ ধৰ)*

**চহৰীয়া** ঃ *(বাহিৰলৈ চায়)* কিবা হৈছে......

(পি. বৰুৱা আৰু তাৰ লগৰ প্ৰৱেশ)

**পি. বৰুৱা** ঃ নমস্কাৰ, নমস্কাৰ আপুনিয়েই নহয় জানো মিষ্টাৰ চহৰীয়া।

**চহৰীয়া** ঃ হয় হয়। আপোনালোক আহোতে অলপ দেৰি কৰিলে।

**পি. বৰুৱা** ঃ এ নক'ব হে। আহি থাকোঁতে বাটতে এটা অঘটন হ'ল। এটা কুৎসিত ল'ৰা গাড়ীৰ আগত পৰিল। তেনেকৈ অলপ মানুহৰ লগত লাফৰা হ'ল। মাক-দেউতাকৰ পৰিচয় নাই বোলে। জাৰজ চাল্লা।

**চহৰীয়া** ঃ *(আচৰিত হৈ)* কি! ক'ত আছে সি, মৰিল নে আছে?

**পি. বৰুৱা** ঃ আপুনি যে ইমান আচৰিত হ'ল। বাৰু বাদ দিয়ক আপোনাৰ কথাটো কওক।

**চহৰীয়া** ঃ কি আচৰিত নহ'ম হে? সেই ল'ৰাটোৱেইটো মোৰ শান্তি নোহোৱা কৰিছে। তাক মাৰি পেলাব লাগে। জিন্দা লাষ্ট কৰি দিব লাগে।

**পি. বৰুৱা** ঃ কি? চহৰীয়া সেই জাৰজটো মাৰিবলৈ মোক মাতিছে নেকি? ইমান সৰু কাম মই কৰি পোৱা নায়।

**চহৰীয়া** ঃ নাই নাই তাক মাৰি পেলাব লাগিব। আজি ইমান দিনে সি মোৰ জিনা হাৰাম কৰি দিছে। যিমানে টকা লাগে মই দিম।

**পি. বৰুৱা** ঃ হ'ব বাৰু। সেই কুৎসিত ল'ৰাটো মাৰিবলৈ মই বেছি টকা নলওঁ। মিলাই দিব আৰু ........

**চহৰীয়া** ঃ আজিৰ ভিতৰত তাক মাৰিব লাগিব। আজি তাৰ জীৱনৰ "Last date" হ'ব লাগিব। Last date.

**পি. বৰুৱা** ঃ হ'ব হ'ব। এতিয়া মই আহো আৰু তাৰ মৰা লাছ দিম এহাতে টকা লম এহাতে। বাই বাই.........

*(পি বৰুৱাৰ প্ৰস্থান)*

**চহৰীয়া** ঃ যোৱা যোৱা। এই বিপদ বিলাকৰ পৰা মুক্তি পালে মই বিন্দাছ। *(বৰষাৰ প্ৰৱেশ)* হাঃ হাঃ হাঃ

**বৰষা** ঃ হেৰৌ চহৰীয়া। চিনি পাইছেনহয় মই বৰষা। একালৰ বহুত ভাল বান্ধৱী।

**চহৰীয়া** ঃ তই, এতিয়াও মৰা নাই! মই আকৌ ভাবিছো তই কেতিয়াবাই মৰিলি!

**বৰষা** ঃ মৰা নাই চহৰীয়া। তোক মাৰিবলৈ হ'লেও মই জীয়াই থাকিম আৰু সেইটো ভাবিয়েই জীয়াই আছো। মোৰ ল'ৰাটোকে ঘূৰাই দে। নহ'লে কিন্তু মই তোৰ ভদ্ৰতাৰ মুখা খুলি দিম।

**চহৰীয়া** ঃ হাঃ হাঃ হাঃ মুখা। তোৰ ল'ৰা মানে কোনটো অ' সেইযে তোৰ মোৰ ধেমালিতে সৃষ্টি হৈছিল কি নাম আছিল তাৰ ভাগ্য হাঃ হাঃ হাঃ..

লাষ্ট ডেট আজি তাৰ জীৱনৰ লাষ্ট ডেট

**বৰষা** ঃ চহৰীয়া মই তোৰ ভৰিত ধৰিছো তাক একো নকৰিবি।

*(বাহিৰত ধৰ ধৰ মাৰ মাৰ শব্দ হ'ব) (চহৰীয়াই হাঁহিব)*

**বৰষা** ঃ অই তাক নামাৰিবি...। *(বৰষাৰ প্ৰস্থান)*

**চহৰীয়া** ঃ হাঃ হাঃ হাঃ *(স্বপ্না আৰু নয়নে ভাগ্যক লৈ আহিব)*

**চহৰীয়া** ঃ *(আচৰিত হৈ)* তই কুলাংগাৰ। কাক লৈ আহিছা। সোনকালে ইয়াক মোৰ ঘৰৰ পৰা উলিয়াই দিয়া।

**নয়ন** ঃ পাপা, কি নিষ্ঠুৰ মানুহ আপুনি। এই ল'ৰাটোক কেইজনমান মানুহে মাৰিবলৈ খেদি ফুৰিছে। মই তাক আশ্ৰয় দিব বিচাৰিছো।

**স্বপ্না** ঃ অ' Uncle নয়নেতো একো বেয়া কাম কৰা নাই।

**চহৰীয়া** ঃ কৰিছে। মোৰটো এইখন আশ্ৰম নহয়, যে মই মাক বাপেকৰ পৰিচয় নোহোৱা এটা ল'ৰাক মোৰ ঘৰত ৰাখিম।

**নয়ন** ঃ পাপা, আপুনি কেনেকৈ জানিলে ইয়াৰ যে মাক-দেউতাক নাই। *(ৰূপালীৰ প্ৰৱেশ)*

**ৰূপালী** ঃ নয়ন। কোন ই। ইচ্ ইচ্ তেজ কেনেকৈ ওলাইছে? চাওঁ চাওঁ।

**চহৰীয়া** ঃ ৰূপালী নোচোবা তাক। সি এটা জাৰজ।

**ৰূপালী** ঃ আপুনি কেনেকৈ জানে ই যে জাৰজ?

**চহৰীয়া** ঃ ইয়াৰ বিষয়ে মোক কেইজনমান মানুহে কৈছিল। ইয়াক ওলাই যাবলৈ ক।

**ৰূপালী** ঃ সকলোবোৰ আপোনাৰ মতে নহ'ব। নয়ন। তুমি ডাক্তৰক ফোন কৰি ইয়ালৈ মাতা।

**নয়ন** ঃ হয় মা মোৰ লগৰে এজন আছে। ৰ'বা তাইক মই ফন কৰোঁ। *(নয়নে ফ'ন কৰিব) (পি. বৰুৱাৰ প্ৰৱেশ)*

**পি. বৰুৱা** ঃ চহৰীয়া বৰ বেয়া হ'ল হে আপোনাৰ চিকাৰ হাতৰ পৰা সাৰি গ'ল। এজন ল'ৰাই তাক উঠাই লৈ গ'ল হে। *(চকু ভাগ্যৰ ওপৰত পৰিব)*

**ভাগ্য** ঃ মোক নামাৰিব। মই কি ভুল কৰিলোঁ?

**পি. বৰুৱা** ঃ অই অই এইফালে আহ, মৰম কৰিম আহ।

**স্বপ্না** ঃ কোন তই! কি লাগে ইয়াত?

**পি. বৰুৱা** ঃ কি হ'ল? চা চা এইখন চহৰীয়া Uncle আৰু মোৰ মাজৰ লাফৰা। তই মাজত সোমাই লাষ্ট ডেটৰ বলি নহ'বি।



**চহৰীয়া** ঃ শেষ গৈ গ'ল সকলোবিলাক। চাল্লা পি. বৰুৱাই এটাই কাম দিছিল। সেইটোও ভালকৈ কৰিব নোৱাৰিলি। নিকাম্মা চাল্লা।

**পি. বৰুৱা** ঃ হাঃ হাঃ হাঃ আমাৰ লগত এবাৰ যিয়ে ডিল কৰিব, সি সাৰি যাব নোৱাৰিব। পইচা দিয়ক। নহ'লে ইয়াৰ পৰা মই যোৱাত নাই।

**নয়ন** ঃ পইচা কি খুজিলেই পায় নেকি? পাপাই কিবা এটা ভুল কৰিলেই যেনিবা। সেইবুলিয়েই পইচা দিব লাগিব বুলি কিবা কথা আছে নেকি?

**পি. বৰুৱা** ঃ আচ্ছা। বাপেৰ পুতেৰ একে ল'গ হৈ এতিয়া জাৰজক প্ৰশ্ৰয় দিছে। ভুতৰ মুখত ৰাম নাম। হাঃ হাঃ হাঃ *(বৰষাৰ প্ৰৱেশ)*

**বৰষা** ঃ *(কান্দি কান্দি)* ভাগ্য ভাগ্য।

**ৰূপালী** ঃ কি হৈছে মানে এইবোৰ? মোক কোনোবাই কিবা ক'বনে?

**বৰষা** ঃ মই কওঁ শুনক। কেইবছৰমান আগতে মিষ্টাৰ চহৰীয়াই....

**ৰূপালী** ঃ আপুনি.... আপুনি এইবোৰ কৰিব বুলি মই সপোনতো ভবা নাছিলো

**চহৰীয়া** ঃ সকলোবোৰ যেতিয়া হৈয়েই গ'ল। ময়ো মোৰ ভুল স্বীকাৰ কৰোঁ। অহ মই এজন লম্পট। *(কান্দিব চিঞৰি)* কুলাংগাৰ.....

**নয়ন** ঃ মোৰ সন্দেহ ঠিকেই আছিল... !

**ভাগ্য** ঃ *(থিয় হৈ)* মোৰ কি ভুল আছিল। এইখন সমাজৰ আগত মোক জাৰজ হিচাপে পৰিচয় কৰি দিলা। পিতৃৰ পৰিচয় পৰা কিয় বঞ্চিত কৰিলা?

**চহৰীয়া** ঃ ভুল হৈছিল মোৰ। পাপ কৰিছিলোঁ।

**বৰষা** ঃ যৌৱনৰ পাকচক্ৰত পেলাই এইজন মানুহে মোক .... কৰিছিল। মোক ভাল পোৱাৰ বিশ্বাস দিছিল। বিয়া পতাৰ প্ৰলোভন দিছিল আৰু শেষত তোমাৰ জন্ম হৈছিল। সেই কাৰণে তোমালোকক কৈছো কাৰোবাৰ মিছা আশাৰ বলি হৈ নিজক পাহৰি গৈ প্ৰতাৰিত নহ'বা, নিজক বুজিবলৈ চেষ্টা কৰা। নিজৰ মনটোক স্থিৰ কৰিবলৈ শিকা। জীৱনটোৰ নিজৰ, উপভোগ কৰা, সেয়ে বেয়া কামত নহয়।

**স্বপ্না** ঃ আপুনি ঠিক কথা কৈছে, আমাৰো আশা আকাংক্ষাৰে ভৰা এটি মন আছে।

**ভাগ্য** ঃ আমাৰ এতিয়া কি হ'ব, ক'লৈ যাম। আমি কি খাম?

**বৰষা** ঃ আগতে যেনেকৈ আছিলো, যি খাইছিলো তাকে খাম, জীয়াই থাকিম।

**চহৰীয়া** ঃ কোনেও ক'লৈকো যাব নালাগে। এইখন আমাৰ ঘৰ।

**ৰূপালী** ঃ এওঁ ঠিক কথাই কৈছে এগৰাকী নাৰী হৈ যদি মই নাৰীৰ মূল্য বুজি নাপাওঁ, তেনেহ'লে মোক পাপে চুব। মই পাপী হ'ব নিবিচাৰো। তোমালোকে ইয়াতে থাকিবা আমাৰ লগত আমাৰ ঘৰত।

**নয়ন** ঃ কিন্তু পাপা!

**চহৰীয়া** ঃ কোনো কিন্তু নাই, ইমানদিনে ভাগ্যই পিতৃৰ পৰিচয়হীনতাত ভুগিছিল, আৰু মই তেনে হ'বলৈ নিদিওঁ। সকলোৱে ভাগ্যক সৰু ভাইটিৰ দৰে মৰম কৰিবা। তাক সাহস দিবা। বৰষা মোৰ ভুলৰ বাবে তুমি ইমান দিনে কষ্ট পাব লগা হৈছে। জীয়াই থকা বৰ কষ্ট নহয়। আজিৰ পৰা আৰু কষ্ট নোপোৱা।

**বৰষা** ঃ আপুনি মোক ইমান অৱহেলা কৰাৰ পিছত মই আপোনাক কেনেকৈ ক্ষমা কৰি দিম? আপুনি ক্ষমাৰ যোগ্য নহয়। কিন্তু ভাগ্যৰ ভৱিষ্যতৰ কথা চিন্তা কৰিহে মই এইখন ঘৰত থাকিম বুলি ভাবিছো।

**চহৰীয়া** ঃ থাকিবা মই কোনো ধৰণৰ কষ্ট নিদিওঁ। বাবা নহয়, ডাক্তৰ Uncle ক মাতা ভাগ্যৰ চিকিৎসা কৰিব লাগিব।

**নয়ন** ঃ মাতিছো পাপা, আহি পাবই *(বাহিৰৰ ফালে চকু পৰিব)* Uncle আহক।....

**চহৰীয়া** ঃ ভাগ্য তুমি মোক ক্ষমা কৰি দিয়া ইমানদিনে তোমাক পিতৃ পৰিচয়ৰ পৰা বঞ্চিত কৰিছিলো, আজিৰ পৰা তোমাৰ পিতৃ মই।

**ভাগ্য** ঃ বহুত ধন্যবাদ। সকলোকে এটা কথাই কওঁ। কোনোবাৰ ভুলৰ বাবে মোৰ দৰে সন্তানে যাতে পিতৃ থকাৰ পিছতো জাৰজৰ আখ্যা নাপায়। মোৰ দৰে এজন ভুক্তভোগীয়ে বুজে জাৰজ হৈ জীয়াই থকাটো কিমান কষ্টকৰ।

**চহৰীয়া** ঃ আজিৰ পৰা আৰু চিন্তা কৰিব নালাগে। তোমাৰ দায়িত্ব মই ল'ম- মই তোমাক আঁকোৱালি ল'ম আহা বাবা..... দেউতা, দেউতা... !

**নয়ন** ঃ সকলোবোৰ হৈ গ'ল, কিন্তু পাপা আমাৰ বিয়াখন মানে স্বপ্না আৰু মোৰ বিয়া।

**ডাক্তৰ** ঃ হ'ব হ'ব চিন্তা নকৰিবা। তোমালোকৰ বিয়া আমি ধুমধামেৰে পাতিম। এতিয়া বিয়াৰ দিন ঠিক কৰি ৰাইজক মতাহে কথা। নে কি কয় চহৰীয়া।

❑ ❑ ❑







# মঙলদৈ মহাবিদ্যালয় ঃ এক অনুভৱ

**হিমাশ্ৰী বৈশ্য**

আশাবোৰে যেন ঠন ধৰি উঠিছিল, হেঁপাহবোৰো যেন সক্ৰিয় হৈ পৰিছিল, যেতিয়া মঙলদৈ মহাবিদ্যালয়ৰ চৌহদত প্ৰথম খোজ দিছিলো, চৌপাশৰ সেউজীয়াবোৰৰ উপৰিও অনুকূল শৈক্ষিক পৰিৱেশে যেন প্ৰতিজনকে হাতবাউল দি মাতে মহাবিদ্যালয়ৰ বুকুলৈ।

অবিভক্ত দৰং জিলাৰ এখন উচ্চ শিক্ষাৰ পূৰ্ণাঙ্গ শিক্ষানুষ্ঠান এই মঙলদৈ মহাবিদ্যালয়ত অধ্যয়ন কৰিব পৰাটো দৰং-ওদালগুৰি জিলাৰ লগতে দাঁতিকাষৰীয়া অঞ্চলসমূহৰ ছাত্ৰ-ছাত্ৰীয়ে সৌভাগ্যৰ কথা বুলি ভাবে। মঙলদৈ চহৰৰ পশ্চিম দিশত ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ লগত সংলগ্ন এই মহাবিদ্যালয়খনত বৰ্তমান স্নাতক কলা, বিজ্ঞান, বৃত্তিমুখী শিক্ষাৰ শাখাৰ লগতে ভালেকেইটা বিষয়ৰ স্নাতকোত্তৰ পাঠ্যক্ৰমৰো ব্যৱস্থা আছে। মহাবিদ্যালয়খনে N.S.S, N.C.C. আদিৰ জৰিয়তে প্ৰতিবছৰে বুজন সংখ্যক শিক্ষাৰ্থীক নৈতিক, সামাজিক, শাৰীৰিক শিক্ষা প্ৰদান কৰি আহিছে। মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাকৃতিক পৰিৱেশ সমগ্ৰ ৰাজ্যখনৰ ছাত্ৰ-ছাত্ৰীৰ আকৰ্ষণৰ অন্য এক কেন্দ্ৰবিন্দু। এনেবোৰ কাৰণতেই এই আপোন মহাবিদ্যালয়খনত অধ্যয়ন কৰিবলৈ পাই নিজকে ধন্য মানিছোঁ।

মহাবিদ্যালয়ৰ প্ৰতিটো দিনেই আমাক প্ৰদান কৰি আহিছে নতুন নতুন অভিজ্ঞতা, বিশেষকৈ ৰসায়ন বিজ্ঞানৰ এগৰাকী ছাত্ৰী হিচাপে বিভাগৰ প্ৰতিগৰাকী ছাৰ-বাইদেউৰ পৰা পোৱা প্ৰেৰণা সঁচাকৈ চিৰস্মৰণীয় লগতে অন্যান্য বিভাগৰ ছাৰ-বাইদেউসকলৰ মূল্যৱান দিহা-পৰামৰ্শই আমাক যেন দুগুণে উৎসাহিত কৰি তোলে। অনাগত দিনবোৰে আমাক যেন জ্ঞানৰ গভীৰতালৈ লৈ গৈ এক উপযুক্ত ব্যক্তি হিচাপে গঢ়ি উঠাত অৰিহণা যোগায়।



কলেজীয়া দিন বুলি ক'লে ভাহি অহা সেই ছবিখনত যেন উন্মুক্ত হৈ উঠে গছৰ তলৰ সেই চঞ্চলা হাঁহিবোৰ, কেন্টিনৰ আড্ডাবোৰ, ক্লাছৰুমৰ মুহূৰ্তবোৰ, মুঠতে এক বুজাব নোৱাৰা অনুভৱ। সদায় একে থাকক এই অনুভূতিবোৰ, আপোন মহাবিদ্যালয়খনৰ প্ৰতিটো দিনৰ প্ৰতিটো স্মৃতিয়েই সজীৱ হৈ ৰওঁক জীৱন পৃষ্ঠাত। চিৰস্মৰণীয় হৈ থাকক প্ৰতিটো মুহূৰ্ত। সৰ্বশেষত, মঙলদৈ মহাবিদ্যালয়ৰ চিৰউজ্বল কামনা কৰিলোঁ।

"জয়তু মঙলদৈ মহাবিদ্যালয়।"❑



# ভবা কথাবোৰ

কিৰ্তেন্দু বড়ো

লিখিম বুলি হাতত কলমটো তুলি ল'লো। কিন্তু লিখিম কি? মগজুৰে যেন ক'ৰবালৈ উৰি গ'লগৈ! এই সামান্য জ্ঞানেৰে জানো কিবা লিখিবলৈ পাৰিম। আজিলৈ কেইখননো কিতাপ পঢ়িছো। মুঠেই গণিব পাৰি। পিছে দুই-এটা কবিতা লিখিছিলো। (মনৰ ভিতৰতে হাঁহি উঠিল) হয়, মই দুই-চাৰিশাৰী বাক্য লিখিছিলো। দুইশাৰী অৰ্থহীন বাক্য লিখিলেই জানো কবিতাৰ ৰূপ পায়? এই আৱৰ্জনাৰে ভৰি থকা মগজুক যেন কম্পিউটাৰৰ ছফট্ৱেৰবোৰৰ দৰে ফৰমেট কৰি আকৌ নতুনকৈ ছফট্ৱেৰবোৰ সোমাব লাগিব!

কিবা চুম্বকীয় শক্তিয়ে মগজুক আকৌ ঘূৰায় আনিলে। মোবাইলত আধুনিক গীত বাজি আছে, "হাম মৰ জায়েঙ্গে..... চাহে দুখ হো, চাহে চুখ হো......।" অৰিজিৎ সিং আৰু তুলসী কুমাৰৰ, এই গীতটো বৰকৈ শুনিবলৈ ভাল লগা হৈছে, কিয় নাজানো। শ্ৰদ্ধা কাপুৰ আৰু আদিত্য ৰয় কাপুৰে অভিনয় কৰা ছবি 'আশ্বিকি-২'ৰ গীতসমূহ মই প্ৰায়েই শুনো। এবাৰ ভাবিলো, এই গীতবোৰৰ লগত মোৰনো সম্পৰ্ক কি? একোতো নাই। কুৰি বছৰ বয়স হ'বগৈ আৰু, এই পৃথিৱীলৈ অহা, তথাপিও এজনী প্ৰেয়সী নাই! এজন কলেজীয়া ল'ৰা হোৱাৰ বাবেই চাগে মনবোৰ এই বয়সত বৰ ৰোমাণ্টিক, ৰোমাণ্টিক। হয়তো কিতাপে সাৰথি বাবে প্ৰেয়সী-প্ৰেমিকা এইবোৰ একো নাই। তথাপিও যেন ৰোমাণ্টিক আধুনিক গীতবোৰ ভাল লাগে। লগবোৰেও কেতিয়াবা জোকায় 'ৰোমাণ্টিক গান শুনিছ' প্ৰেমত পৰা নাইতো। সেইবাবেই চাগে কথাষাৰ ভাবিলো।

ফাৰ্ষ্ট থিং, তুমি এইটো কৰিবা............ ছেকেণ্ড থিং, তুমি এইটো কৰিবা..... কথাবোৰ ভালকৈ নুশুনি অকণমান হুলস্থুল হোৱাৰ লগে লগে কোঠাটোৰ বাহিৰত ওলায় দেখিলো সৰু সৰু ল'ৰা-ছোৱালীকেইটা খেলি আছে। সিহঁত প্ৰায় আহে খেলিবলৈ। পিছে কথাবোৰ ভালকৈ নুশুনাৰ বাবে কি খেল খেলিছে ধৰিবই নোৱাৰিলো। সেইবোৰ নোচোৱাকৈ হাঁহি এটা মাৰি কোঠাটোৰ ভিতৰত সোমাই আহিলো। ফেনৰ গৰম বতাহজাকে মনটো কিছুপৰৰ বাবে ল'ৰালিলৈ লৈ গ'ল। "ল'ৰালিত দোকান পতা, খেল খেলা, ঔ-টেঙাটোক ফুটবল সাজি খেলা, বেলেগৰ জেওৰা ভাঙি ক্ৰিকেটৰ ষ্টাম্প সাজি ক্ৰিকেট খেলা, মাৰ্বল খেল, টাংগুটি আৰু যে কিমান খেল খেলিছিলো।" উস্..... সেই সোণালী সময়। ভাগ্য ভাল আমি সেই সময়ৰ একোটা অংশ হ'বলৈ পালো। নিজকে গৰ্বিত অনুভৱ কৰিলো। এতিয়া জন্মৰ পৰাই সকলোৰে চিৰবন্ধু মোবাইল ফোন। মোবাইল ফোন বুলি কলেও যেন ভুল হ'ব 'স্মাৰ্ট ফোন'।

জন্ম হৈ মাটিত খোজ দিব পৰা হোৱাৰ লগে লগে প্ৰকৃতিৰ বস্তুৰেই খেলিছিলো। এতিয়া দেখিছো, সকলোবোৰ কৃত্ৰিম। মানুহৰ মৰমবোৰো কৃত্ৰিম হৈছে, লাহে লাহে। সঁচাকৈ "সময় পাখি লগা কাঁড়ৰ দৰে উৰা মাৰে"। সেই মোবাইল অহাৰ আগৰ যুগ আৰু এই মোবাইলৰ পিছৰ সময়। সকলোৱে জানে এই আহিলাবিধৰ অপকাৰ। পিছে উপকাৰো গণিব নোৱাৰি। বৰ্তমান পৃথিৱীখনেই এটা বৈদ্যুতিক যন্ত্ৰ। প্ৰকৃতিয়ে সজা পৃথিৱীখনক মানুহে এটা যন্ত্ৰ সাজিলে। বৃহত্তাকাৰ পৃথিৱী সামান্য হ'ল। ইয়াৰ ব্যাসাৰ্ধ-পৰিধি চুটি হ'লগৈ, এপাক ঘূৰিবলৈ মাত্ৰ কেইটামান ঘন্টাৰহে প্ৰয়োজন। নতুন পৃথিৱীৰ বাট-পথ ঠেক, সেইবাবে প্ৰতিদিনে দুৰ্ঘটনা হয়। মানুহবোৰ বহু দুৰ্বল (যদিও শৰীৰ ডাঙৰ) সেইবাবেই বেমাৰেই গা নেৰে। দুৰ্বল বাবেই ২ কিলোমিটাৰ যাবলৈ বাইক, কাৰৰ সহায় ল'ব লাগে। খাদ্যবোৰ হ'লগৈ প্ৰদূষণ আৰু ধোৱা। কিমান যে পৰিৱৰ্তন হ'ল।

তথাপিও ক'ৰবাত চুকে-কোণে কোনোবা দ্বীপত, ঘন অৰণ্যত, এদল প্ৰকৃতিপ্ৰেমীয়ে বাস কৰে আৰু মৰমৰ পৃথিৱীখনক যতনাই ৰাখিছে। যিসকলৰ কাৰোৰে লগত সম্পৰ্ক নাই। সেইবাবেই হয়তো এতিয়াও কিছু অংশ পৃথিৱী হৈ আছে। মানুহ সজ্জিত যন্ত্ৰ World হ'বলৈ আৰু কিছু অংশ বাকী আছে।

কাৰেন্ট যোৱাৰ বাবে কোঠাটোৰ তাপমান বাঢ়িল। ইমান পৰে ভাবনাৰ সাগৰত ডুব যোৱা বিজয়ে কেতিয়ানো কাৰেন্ট গ'ল গমকে নাপালে। কাগজ-কলম টেবুলত থৈ সি গ'লগৈ প্ৰকৃতিৰ বতাহ বিচাৰি কোঠাটোৰ বাহিৰত!❑



# জীৱন তৃষ্ণা...
# অনুভৱৰ একলম

## কৃষ্ণা ডেকা

আজিৰ সমাজৰ লগত, সময়ৰ লগত সমানে আগবাঢ়িব গৈ আমি ইমানে ব্যস্ত, হাতত সময়ৰ অভাৱ হৈ পৰিছে যে, ক'ৰবাত শুনা কথাষাৰৰ সত্যতা জানিবলৈ আমি ইচ্ছুক নহয়। ইচ্ছুক মাথো ইঁহাৰ আৰু প্ৰচাৰৰ জৰিয়তে আনকো হুহুওঁৱাৰ, সমালোচনা কৰাৰ। কেৱল মাথো ক্ষন্তেকীয়া সুখৰ বাবে। আৰু এই ক্ষন্তেকীয়া সুখৰ পিছত দৌৰি থাকোতে আমাৰ হাতত কেতিয়া অমাৱস্যাই আহি ধৰা দিলে, আমি গমেই নাপাওঁ।

এজন মানুহ সুখী হ'বলৈ বহুত ডাঙৰ কিবা-কিবি পাব লাগিব বুলি ভবাজন আচলতে কেতিয়াও সুখী হ'ব নোৱাৰে। কাৰণ তেওঁ, সুখ ক'ৰ পৰা, কেনেকে পায়, সেই মূল কথাষাৰৰ পৰাই অজ্ঞাত। জীৱন পৰিক্ৰমাত চলি থকা সকলো সৰু-ডাঙৰ বস্তু, পৰিস্থিতি, ঘটনা আদি দুয়োটাৰ পৰাই সুখ পাওঁ যদিও, সৰু সৰু কথা, বস্তু, সময়ৰ পৰা আমি বেচি সুখ পাওঁ, যদিহে আমি সেই সুখখিনি ল'ব জানো। আনৰ জীৱনত সাধাৰণ যেন লগা বস্তুটোৱেও আমাক সুখী কৰিব পাৰে, যদি আমি বস্তুটোৰ আৰত থকা মূল্য আৰু প্ৰয়োজনীয়তা কিমান সেয়া অনুভৱ কৰিব পাৰো। জীৱনৰ প্ৰতিটো পল যদি বিনা সংকোচ, অভিযোগ, অশান্তি অবিহনে জীয়াব জানো, হৈ যোৱা ঘটনাসমূহৰ কথা ভাবি ভাবি অৰ্থাৎ সেই পাৰ হৈ যোৱা সময়ত নিজীয়াই অথবা ভবিষ্যতে হ'ব পৰা ঘটনা, পৰিস্থিতি বা ফলাফলৰ কথা ভাবি অৰ্থাৎ সেই আহিবলগীয়া সময়ত নিজীয়াই আজি এই মুহূৰ্তত যি কৰি আছো, তাত জীয়াব পাৰো, তেতিয়া হয়তো আমাক সুখী হোৱাৰ পৰা বঞ্চিত কৰিব কোনেও নোৱাৰিব। জীৱনৰ কঠিনতকৈও কঠিন পৰিস্থিতি আৰু সময়ৰ পাকচক্ৰত সোমায়ো যেতিয়া আনক সহানুভূতিৰ পাত্ৰ নোহোৱাকৈ নিজক চম্ভালি ল'ব পাৰিম, তেতিয়া সৰু সৰু দুখ-কষ্টই আমাক আৱৰি ধৰাৰ আগতেই, আমি তাৰ পৰা নিজকে মুক্ত কৰিব পাৰিম। প্ৰয়োজন মাথোঁ জীৱনৰ সত্যতা উপলব্ধি কৰাৰ।



আমাক কোনোবাই কিবা এযাৰ কথা ক'লে বা কাৰোবাৰ পৰা শুনি, আমি কথাযাৰ এবাৰো ভাবি (চালি-জাৰি) নোচোৱাকে তাক সত্য বুলি মানি লওঁ। ইয়াতেই আমি আমাৰ ভবা-চিন্তা কৰিব পৰা ক্ষমতাৰ লগতে ক'ৰবাত লাহে লাহে আমি আমাৰ নিজস্বতা গুণখিনি হেৰুৱাব ধৰো। এনেকুৱা নহয় যে আমি মানুহৰ কথা শুনিব নালাগে। শুনিব লাগে, কাৰণ যেতিয়া আমি আনক শুনিবলৈ আৰম্ভ কৰিম, তেতিয়াহে আমি জ্ঞানী হ'ব পাৰিম। লগতে আমি মনবোৰো বুজিব ধৰিম। আৰু তেতিয়াহে আমি সমাজৰ এজন মৰমিয়াল আৰু ধুনীয়া ব্যক্তি হৈ উঠিম।



নোহোৱা হৈ যায়।

আমি মানুহৰ কথাত খুব সোনকালে প্ৰতিক্ৰিয়া প্ৰকাশ কৰোঁ। যিবোৰৰ মাজত আমাৰ খঙটোৰ অন্যতম। এই খঙটো নিয়ন্ত্ৰণ কৰিব নোৱাৰা বাবেই কিছুমান অদৰকাৰী অৰ্থাৎ লাভ নথকা বা আমাৰ বাবে প্ৰয়োজন নোহোৱা কথাত লাগি আমি বহু সময় নষ্ট কৰি পেলাও লগতে আমাৰ জীৱনৰ বহু মূল্যৱান সম্পদো। আচলতে সেই ক্ষণত কথাযাৰৰ গুৰুত্ব প্ৰয়োজনীয়তা আমাৰ বাবে কিমান সেয়া আমাক পৰিস্থিতিয়ে বুজিব নিদিয়ে। কিন্তু যদি আমি অলপ সময়ৰ বাবে হ'লেও সেই পৰিস্থিতিৰ পৰা নিজৰ শৰীৰটোক আঁতৰাই ৰাখিব পাৰো, তেতিয়া আমি নিশ্চয় বুজিব পাৰিম যে আমাৰ বাবে সেই কথাযাৰত খং কৰাটো কিমান যুক্তিপূৰ্ণ।

অনুৰাধা শৰ্মা পূজাৰীয়েও 'মেৰেং' উপন্যাসখনত কৈছিল যে- 'মনৰ সুন্দৰতাতকৈ শ্ৰেষ্ঠ, আৰু একো হ'ব নোৱাৰে।' সুন্দৰ অনুভৱত পোৱা সুখ আন ক'তো পোৱা নাযায়। ধুনীয়াও সেইজনহে হয় যিজনে ভুল স্বীকাৰ কৰি লাজ কৰে, পাপ কৰি অনুতাপ কৰে।

যিকোনো এজন ব্যক্তিয়ে কোৱা কথা এযাৰ আমি যিমান গভীৰভাৱে শুনো, সেই একে গভীৰতাৰে আমাৰ মন-মগজুত কথাযাৰ চালি-জাৰি চোৱাতো সিমানেই প্ৰয়োজন। কাৰণ তেতিয়াহে তোমাৰ বাবে প্ৰযোজ্য উত্তৰটো তুমি বিচাৰি পাবা। লগতে কথাযাৰৰ যুক্তি বা সত্যতা কিমান সেয়াও তুমি উপলব্ধি কৰিবা।

যিহেতু ব্যক্তি অনুযায়ী সকলোৰে মনৰ ভাৱধাৰা চিন্তা কৰাৰ পদ্ধতি বেলেগ বেলেগ হয় আৰু সকলোৰে দৃষ্টিভংগীও একে নহয়, সেইবাবে এজনৰ অনুভৱ আৰু প্ৰয়োজনখিনি আনজনে নুবুজাটো তেনেই স্বাভাৱিক কথা। এয়া মানুহৰ দোষ বা ভুল নহয়। বৰঞ্চ ইয়ো একমাত্ৰ প্ৰকৃতিৰ নিয়মৰ বাহিৰে আন একো নহয়। প্ৰকৃতিৰ নিয়মেই হৈছে সময়ৰ নিয়ম। এই গোটেই বিশ্বব্ৰহ্মাণ্ডখনত সময়ে এনেকুৱা এক শক্তি যিয়ে সৃষ্টি আৰু ধ্বংস দুয়োটাই কৰিব পাৰে। অৰ্থাৎ সময়ৰ সোঁতেই হৈছে সৃষ্টি আৰু ধ্বংসৰ মূল চাবি-কাঠি। সেয়েহে সময়তকৈ ডাঙৰ আৰু শক্তিশালী একোৱে হ'ব নোৱাৰে। তথাপিও যেন মানুহৰ ইমান সৰু জীৱনটোত কিহৰ বাবে অহংকাৰ? যি এবাৰ নোহোৱা হৈ যোৱাৰ পাছত সময়ৰ সোঁতত যাৰ অস্তিত্বই

সময়বোৰ খুব কম কম যেন লাগে, যেতিয়া আমাৰ কৰিবলগীয়া বহুত থাকে। জীৱনটোও তেনেকুৱাই......। যেতিয়া আমি বুজি উঠিম যে আমাৰ কৰিবলগীয়া বহুত কামেই আছে, তেতিয়াৰ পৰাই অনুভৱ হ'ব যে আমাৰ জীৱনবোৰ কিমান ক্ষন্তেকীয়া। লোকপ্ৰিয় গোপীনাথ বৰদলৈ, আব্ৰাহাম লিংকন, এ.পি.জে. আব্দুল কালাম আদিৰ দৰে মহান ব্যক্তিসকলৰ জীৱনবোৰলৈ চালে মোৰ এনেকুৱা অনুভৱ হয় যেন তেওঁলোকৰ আৰু কৰিবলগীয়া বহুত কামেই আছিল। যিবোৰ হয়টো আমি কল্পনাও কৰিব নোৱাৰো।

আমিও সময় থাকোতে নিজক চিনি পোৱাটো খুবেই প্ৰয়োজন। আৰু যিদিনাই আমি নিজক বুজিব পাৰিম, নিজে কি হয় সেয়া উপলব্ধি কৰিব পাৰিম, নিজৰ অন্তৰ আত্মাক চিনিব পাৰিম, সেইদিনাই আমি বুজি উঠিম যে আমি এই পৃথিবীলৈ একো কাৰণ নথকাকৈ অহা নাই। আমাৰ প্ৰত্যেকৰেই জীৱনৰ একো একোটা মহত্ব আছে। যাৰ জৰিয়তে আমি মানুহৰ মাজত চিৰকাললৈ অমৰ হৈ থাকিব পাৰোঁ।

এই সকলোবোৰৰ অন্তৰালত এষাৰ কথাই কওঁ- "শৰীৰটোক জীয়াই ৰাখিবলৈ অক্সিজেন, পানী, খাদ্য এইবোৰ প্ৰয়োজন, কিন্তু মনটোক জীয়াই ৰাখিবলৈ মৰমৰহে প্ৰয়োজন।"❑

● মহাবিদ্যালয় সপ্তাহ ঃ ২০২১-২২ ●

**প্ৰথম স্থানপ্ৰাপ্ত**



## দীপাঙ্কৰ ওজা

মৰমৰ..... !

আন্তৰিকতাৰে লিখা চিঠি মৰমেৰে গ্ৰহণ কৰিবা। প্ৰিয়া, বহুদিনৰ বিৰতিৰ পিছত তোমালৈ বুলি চিঠি লিখিবলৈ হাতত কলম তুলি লৈছোঁ। কাগজখনত কলমৰ ঘৰ্ষণ আৰম্ভ কৰাৰ পূৰ্বে ৫ মিনিট থমকি ৰ'লো, মনৰ ভিতৰত তোমালৈ থকা অকৃত্ৰিম ভালপোৱা আৰু তোমাকলৈ দেখা সপোনবোৰ সীমিত শব্দৰে ফুটাই তুলিব পাৰিম নে? তথাপিও বৰ সাহস কৰি তোমালৈ মৰমৰ বাৰ্তা লিখিছো জানা। মনত পেলাবলৈ অকণো কষ্ট হোৱা নাই জানা সেই দিনবোৰলৈ দুয়োৰে দুয়োৰ সৈতে অতিবাহিত কৰা মধুৰ সময়বোৰ। এই যে শ্ৰেণীৰ মাজৰ বিৰতিৰ অজুহাতত কেন্টিনত সময়বোৰ পাৰ হৈছিল- আদান প্ৰদান কৰিছিলো পৰস্পৰৰ মৰমবোৰ; আজি বৰকৈ আমনি কৰিছে জানা! কলেজৰ চিনিয়ৰ আছিলো বাবেই জানো মাতিবলৈ লাজ কৰা নাছিলা? তুমি আৰু তোমাৰ লাজৰ অলংকাৰে কেতিয়া কলেজৰ বন্ধুত্বক প্ৰেমৰ ৰূপ দিলে গমেই নাপালো। বৰকৈ আমনি কৰে অ' সেই দিনবোৰে, কেতিয়াবা গছৰ তলত, কেতিয়াবা কেন্টিনত অ' আকৌ কেতিয়াবা জিৰণি কোঠাতো মোকেই বিচাৰিছিলা। চিনিয়ৰ হোৱা হেতুকে মোৰ শ্ৰেণী দেৰিলৈকে হৈছিল, আজিও মনত পৰে কলেজৰ দুৱাৰ মুখত কেতিয়াবা আইচক্ৰীম খোৱাৰ চলেৰে, কেতিয়াবা পানীপুৰি খোৱাৰ চলেৰে নতুবা কেতিয়াবা কলেজৰ গ্ৰন্থাগাৰতো কিতাপ পঢ়াৰ অজুহাতত মোৰ শ্ৰেণী শেষ হোৱালৈ অপেক্ষা কৰিছিলা। ওলাই অহাৰ পিছত মোৰ হাতত গুজি দিছিলা মৰম আৰু অভিমানৰ এটা অকৃত্ৰিম টোপোলা। এটা সময় আছিল, প্ৰায়েই কবিতাত লিখিছিলো নিঃসঙ্গতা মোৰ প্ৰিয়। আৰু আজি তোমাৰ সংগ মোৰ অভ্যাস হৈ পৰিছে, এৰাব নোৱাৰা অভ্যাস। ইংৰাজীতে কয় নহয় Habit হৈ যোৱা বুলি। তোমাৰ মনত পৰে নে সেই দিনবোৰ একেলগে সময় অতিবাহিত কৰাৰ অজুহাতত, আমি বহুকেইখন অসমীয়া ছবি জীয়াই ৰখাৰ অভিযানৰো অংশ হৈ পৰিছিলো। ফলত পৰেনে তোমাৰ এই যে দুটা পৰিয়িড কৰিয়ে গেটলৈ আহিবলৈ তুমি সংকেট দিছিলা। চিনেমা হ'লৰ সেই সময়খিনিও মধুৰ আছিল। অ' মনত পৰিছে, তুমি যে চিনেমাৰ কাহিনীবোৰৰ সৈতে আমাৰ প্ৰেম কাহিনীৰ সম্পৰ্ক স্থাপন কৰিছিলা। তোমাৰো সপোন আছিল, এখন সপোনৰ ঘৰ হোৱা। তুমিয়েই কোৱা নাছিলা জানো সপোন সপোন যেন লগা দিনবোৰো এদিন দিঠক হব? তুমিয়েই জানো দেখুওৱা নাছিলা সেই আশা, মৰম, আন্তৰিকতা আৰু অভিমানৰ মধুৰ সম্পৰ্কটোক এটা স্থায়ী নাম দিয়াৰ। আজি বহুবছৰ পিছতো সেই সপোনে আমনি কৰি আছে। এতিয়া তুমিও বিবাহৰ উপযুক্ত হ'লা। অ' ভাবিছা চাগে আজি আকৌ হঠাৎ চিঠি লিখি ইমান কথা কিয় ক'লে? পূৰ্বৰ কথাবোৰলৈ আজি আকৌ কিয় মনত পৰিল? মাজে মাজেতো মেচেজ কৰিয়েই থাকো। তুমি চাগে ভাবিছা কিবা বিশেষ, তোমাৰ ভাষাতেই 'Something very very special' তেন্তে হয় 'yes' বহুত বিশেষ।

হাতত নিযুক্তি পত্ৰখন পায়েই কলেজীয়া জীৱনৰ পৰা পুহি ৰখা বিশেষ সপোনক বাস্তৱ ৰূপ দিবলৈ আকৌ এটা সপোন দেখিবলৈ আৰম্ভ কৰিছো। কৈছিলা নহয়, নিজৰ ভৰিত থিয় হোৱাৰ দিনাখন আকৌ পাহৰি নাযাবা! পাহৰা নাই প্ৰিয়া। উত্তৰৰ বাবে অপেক্ষা কৰিম। অ' ভাল খবৰটো প্ৰথম তোমাকে দিছোঁ।

মৰমেৰে আজিলৈ এইখিনিতে এৰিলো। কুশলে থাকিবা-

ইতি—

তোমাৰ মৰমৰ

**'দীপাঙ্কৰ'**



● মহাবিদ্যালয় সপ্তাহ ঃ ২০২১-২২ ●

## দ্বিতীয় স্থানপ্ৰাপ্ত

চুমি ডেকা

**মৰমৰ..... !**

তোমালৈ কি লিখিম। যেতিয়াই তোমালৈ মনত পৰে এখিলা কাগজ আৰু এটি কলমৰ সংগ হৈ পৰো। সেই কলমেৰে নিগৰাই পেলাওঁ মনত পুহি ৰখা কথাবোৰ.......

বুকুত বোজা হৈ থকাবোৰ.......

আশা বুলি নকওঁ, এক বিশ্বাস ৰাখো তুমি ভালে থকাৰ। ভাল লগাবোৰ শব্দৰে জানো গাঁথিব পাৰিম তুমি বুজিব পৰাকৈ !

নিৰৱ দুচকুৰ ভাষাবোৰ পঢ়িবাচোন, বুজিবা মোৰ হৃদয়ৰ অবুজ শিহৰণ।

ভালপাওঁ তোমাক অজস্ৰ.........

আজীৱন তোমাৰ লগৰী হ'ব বিচাৰো আৰু এই ভালপোৱাত খং-অভিমান থাকিবই সেইটো কি ডাঙৰ কথা। সেই অভিমানতেই ভালপোৱাৰ বিশালতা লুকাই থাকে।

তুমিটো সাহস মোৰ। তোমাৰ বিনে মোৰ এই পৃথিৱী খনেই শূন্যতাভৰা।

বাপা, তুমি কৰা খঙবোৰ এৰি কেতিয়াবা আঁকোৱালি ল'বাচোন মই তাতেই সুখৰ সম্ভাৰ বিচাৰি ল'ম।

অতীতক পাহৰি তুমিয়ে মোক জীৱন জীয়াব শিকালা। মোক এজাৰ, সোণাৰু উদাহৰণতে মোৰ প্ৰেৰণা জনোৱা। বুকুত এসোপা বিষ কঢ়িয়াই ফুৰা ছোৱালীজনী সৰু সৰু সুখেৰে নোহোৱা কৰিলা যন্ত্ৰণাবোৰ।

আন্ধাৰত ডুবি পোহৰৰ বাবে হাবাথুৰি খোৱা মোক জোনাক সিঁচি দিছিলা। মই সুখী তোমাৰ হ'ব পাই। তোমাৰ মাজতে মোৰ সপোনে ঠন ধৰি উঠিব লৈছে। হাঁহি মোৰ আকৌ গজালি মেলিছিল তোমাৰ পৰশতে।

বাপা, আমাৰ সময়বোৰ স্মৃতিৰে জীপাল কৰি ৰাখিবা আমাৰ মাজতেই। মোক ৰাধা-কৃষ্ণৰ দৰে প্ৰেম নালাগে। ৰাধাৰ দৰে মহানতা গুণ মোৰ নাই। শিৱৰ দৰে কৰিলেই হ'ব। আজীৱন ৰাখিবা মোক তোমাৰ কাষত।

ব্যস্ততাবোৰৰ মাজতো অকণ সময় উলিয়াই মোক জীপাল কৰিবা সেউজীয়াৰ দৰে। ভালপোৱাবোৰটো বৈয়ে যাব হৃদয়ৰ পৰা হৃদয়লৈ....... ।

মৰমবোৰ কমি নাযাওক কাহানিও......... প্ৰেম কৰিছো যেতিয়া দায়িত্ববোৰ পালন কৰিব লাগিব........ তুমি সফলতাবোৰ আঁজুৰি অনা প্ৰতিটো খোজতে ............. !

আৰু এটা কথা, মোৰ কথাযাৰ ৰাখিবলৈ হ'লে আমাৰ ঘৰলৈ আহিব লাগিব। বেছি নিলিখোঁ, আকৌ কেতিয়াবা লিখিম মোৰ অব্যক্ত কথাবোৰ।

ইতি—
তোমাৰ আজীৱন লগৰী
**'চুমি'**




● মহাবিদ্যালয় সপ্তাহ ঃ ২০২১-২২ ●

## দ্বিতীয় স্থানপ্ৰাপ্ত

## লিজু ৰাজবংশী

মৰমৰ নীলাঞ্জনা,

উশাহবোৰ পঠিয়াইছো বুকুত সাঁচি ৰাখিবা সজতনে। লিখিবলৈ তুলি লৈছোঁ হাতত কলম। কিন্তু অনুভৱৰ ইমান প্ৰয়োভৰ যে কোনবোৰ লিখোঁ, নিলিখোৰেই বা কোনবোৰ! এই ভাৱনাত আউল লাগি স্তব্ধ হৈ যায় সময়, পল-অনুপল। কিন্তু নিলিখাকৈনো থাকোঁ কিদৰে? প্ৰকাশ কৰি যে পান কৰো অনামী সুখৰ সুধা। তোমাৰ ভালপোৱাৰে অমৃতময় মোৰ হৃদয়; পূৰ্ণ মোৰ বুকুৰ হিৰন্ময়ী পাত্ৰ।

তোমাৰ বেলিফুলীয়া হাঁহিৰ সৌৰভে মোৰ জীৱনটোক দিছিল ৰ'দৰ কোমল স্বাদ। আৰু জোনগলা দুগালৰ স্নিগ্ধতাই মোৰ জীৱনটোক দিছিল অনিৰ্বচনীয় মাদকতা। তোমাৰ সৈতে পাৰ হোৱা নিবিড় মূহুৰ্তৰ শিহৰণে মোক দিছিল প্ৰেমৰ অমিতাভ আভা। অভিমান আৰু কথাৰ সুযমাই হৃদয় গীটাৰত তুলিছিল সুমধুৰ সংগীত সুৰ। এতিয়া! কুশলে আছোঁ বুলি জনাব পৰাকৈ দেখোন মোৰ একোৱেই নাই। তোমাৰ অনুপস্থিতিৰ শূন্যতা অমৃত মনৰ অস্থিৰতাৰ বাদে।.... আচলতে বহুদিন তোমাক নেদেখাৰ বাবে আকাশ গোমা মোৰ চহৰত।

কথাবোৰ কবিতাৰ দৰে হ'লেও বহুদিন তোমাৰ মাত নুশুনাৰ বাবে বুকুত মোৰ গভীৰ নিশাৰ জয়াল নিস্তব্ধতা। তোমাৰ মনত আছেনে শেষবাৰ কেতিয়া আমি দুয়ো একেলগে হাঁহিৰ খিলখিলনিত ঢলি পৰিছিলো। মনত আছেনে শেষবাৰ কেতিয়া পিন্ধিছিলা তুমি অভিমানৰ পোছাক। বহুদিন একেলগে হাঁহি ঢলি নপৰাৰ বাবেই মোৰ মনত এতিয়া জটিল জড়তা। বহুদিনেই আমি ভালদৰে কথা নপতাৰ বাবেই মোৰ সময়বোৰত এতিয়া অশান্ত ধুমুহা।

বহু কথা।....... বহু কথা কোৱাৰ পাছতো বহু কথাই থাকি যায় ক'বলৈ। শেষেই হ'ব নোখোজে দেখোন কথাবোৰ। আচলতে হৃদয়ৰ সমস্ত আকুলতাৰে লিখিও শেষ কৰিব নোৱাৰা মোৰ ভালপোৱাৰ অনুৰাগৰ ৰাগিনী তুমি। তোমাতেই নিবিষ্ট মোৰ অনুভৱৰ অন্তঃ সাৰ।

আকৌ উলটি আহিবাচোন। তোমাৰ ভালপোৱাৰে মিনাকৰাই মোৰ হৃদয়াকাশলৈ ৰঙৰ নতুন-ৰামধেনু এখনলৈ। জীৱৰে পূৰ্ণতা পাব পৰাকৈ।..........

নহাকৈ নাথাকিবা। তোমাৰ অনুপস্থিতিত মোৰ মনৰ অস্তিৰতা থাকিলেও আজিও মোৰ সৈতে আছে অপেক্ষাৰ উছাহ্। সেই উছাহেই এতিয়া মোৰ জীৱনৰ প্ৰতিদিনৰ সুধা।

আৰু নিলিখোঁ। আজিলৈ আহোঁ। পুনৰ মৰম যাচিলোঁ। মৰমবোৰ ল'বা।

ইতি—

**তোমাৰ স্বপ্নাতুৰ প্ৰেমিক**

● মহাবিদ্যালয় সপ্তাহ ঃ ২০২১-২২ ●

# তৃতীয় স্থানপ্ৰাপ্ত

## বিনোদিনী গাৰ্গ

মৰমৰ নীলাভ,

কুশলে আছানে তুমি? আশা কৰোঁ ভগৱানৰ কৃপাত তুমি কুশলে আছা। বহুদিনৰ মূৰত তোমালৈ বুলি কলম তুলি লৈছো। ডাকোৱালে এই চিঠি তোমাৰ ওচৰ পোৱাই গৈ নে নাই মই নাজানো।

সোণ,

সৌ সিদিনা কলেজৰ দেৱদাৰু জোপাৰ তলত যেতিয়া মই ৰৈ আছিলো কাষৰ জিৰণি চ'ৰাত মগ্নহৈ মায়াবৃত্তৰ পৃষ্ঠা লুটিয়াই থকা তোমাক দেখি মই মুগ্ধ হৈছিলোঁ। বাৰে বাৰে চকুৰ চঞ্চল চাৱনি তোমাৰ ওচৰলৈ উৰি গৈছিল। তোমাতেই স্তব্ধ হৈ তোমাৰেই জীৱনী লৈ মোৰ কাষলৈ উভতি আহিছিল। তুমি দুচকু তুলি চাওঁতেই মোৰ নিবদ্ধ দৃষ্টি লাজুক হৈ ৰঙা পৰি গৈছিল। লাহে লাহে আমাৰ দেখা হৈছিল কলেজ লাইব্ৰেৰীৰ সেই কোঠালীত য'ত তুমি কিতাপ পঢ়িছিলা আৰু উপন্যাসৰ পাত লুটিয়াই লুটিয়াই মই তোমালৈ চাইছিলোঁ। বৈ গৈছিল চকুৰে চকুৰে মৰমৰ এটি ৰোঁৱতি সুঁতি।

খুব কম দিনৰ ভিতৰতে হৃদয়ে হৃদয়ৰ ভাষা পঢ়ি পেলাইছিল। সৃষ্টি হৈছিল এখন প্ৰেমৰ দীঘলীয়া উপন্যাস। বাগৰি যোৱা দিনবোৰৰ লগে লগে আমাৰ মৰমবোৰ গাঢ় হৈ আহিছিল। তোমাৰ মনত নপৰেনে? সেই যে বৰষুণ জাক.... কিনকিনীয়া বৰষুণ জাকত তিতি আমি আস্থা-অৰ্ণৱৰ সপোন দেখিছিলোঁ। প্ৰেমৰ ডঁৰিয়লি ঘাটত মৰমৰ বৰষুণ জাকত জুৰুলি-জুপুৰি হোৱা আমাৰ দুখন হৃদয়ে ওৰেতো জীৱন সুখে-দুখে কটোৱাৰ সপোন দেখিছিল।

শুনাচোন বলিয়া ফাগুনৰ উতনুৱা পৰশত মন যিমানে উৰিছে সিমানে মনে তোমাক কাষত পাব বিচাৰিছে। তুমি অবিহনে জীৱনৰ যুঁজখন অকলে পাৰ কৰিব মই নোৱাৰোঁ। কিন্তু ঘৰত দূৰণিৰ পৰা বিয়াৰ খবৰ পঠিয়াইছে। মা-দেউতাই মোৰ বিয়াৰ কথা ভাবিছে। তুমিটো জানাই মা-দেউতাক দুখ দি মই একো কৰিব নোৱাৰোঁ। আনফালে তোমাকো মই এৰিব নোৱাৰোঁ। তুমি সোনকালে মোক নিজৰ কৰি লোৱানা...... মৰম....... মই সদায় তোমাৰ হ'ব বিচাৰোঁ। তোমাৰ বুকুত কাণপাতি মই শুনিব বিচাৰোঁ তোমাৰ হৃদয়ৰ কঁপনি। তুমি ঘৰত কথাতো জনাব পাৰিবানে নীল.....? মই তোমালৈ বৰ হেঁপাহেৰে বাট চাই আছোঁ অ'.... তুমি জানো শুনিছা? মোৰ হৃদয়ৰ গোপান কোণত ৰিণি ৰিণি বাজি থকা নীলাভ নামৰ সেই স্পন্দিত ৰাগিণী।



পদূলিত গোলাপ পাহি গাভৰু হ'লে নীল তোমালৈ মোৰ মনত পৰে। তুমি মোৰ হৃদয়ৰ বিননি শুনিছানে? জীৱনটো তোমাৰ হৈ কটাম বুলি ভাবিছিলোঁ তুমি মোৰ মনৰ আশাটি পূৰণ কৰিবানে? তোমাৰ মৰমৰ বান্ধোন ছিঙি মই আনৰ হ'ব নোৱাৰো অ'.... তুমি, মই, আমি হৈ সপোনৰ ঘৰখনৰ কল্পনা কৰা নৈৰ ঘাটৰ নিজান দুপৰীয়াবোৰ তোমাৰ বাৰু মনত পৰেনে? মোৰ মনত সেই তোমাৰ বাঁহীৰ সুৰটি আজিও সজীৱ হৈ আছে......

মৰম অ'..... আড়ম্বৰপূৰ্ণ জীৱন মোক উপহাৰ দিব নালাগে.... সুখে-দুখে দুয়ো একেলগে থাকিলে দুবেলা-দুমুঠি আমি সুখেৰেই খাব পাৰিম। নীল.... তুমি আহিবানে? তোমাৰ প্ৰথম দেখোঁতেই অনুভৱ কৰা বুকুৰ বিষটো আজি-কালি মোৰ বেছিকৈয়ে উঠে অ'....

মোৰ মনৰ আবাহন যদি শুনা.... তোমাৰ মৰমজনীক যদি নিজৰ কৰিব বিচাৰা সোনকালে' আহিবা অ' সোণ। মই তোমালৈ বাট চাই ৰ'ম। আশাকৰোঁ চিঠিখন পালেই তুমি আহিবা....। তোমাৰ নামৰ সেন্দূৰকণেৰে প্ৰভাতী সুৰুয কপালত আঁকি মোক নিজৰ কৰিবা।

নীল..... মমডাল গলি গলি শেষ হ'ল...... দোভাগ ৰাতিৰ কেতেকীৰ বিননিত মোৰ আবেগ মই ৰাখিব পৰা নাই। বৈ অহা অশ্ৰুধাৰি মচি তোমাৰ ছবিখন মনৰ দাপোনত আঁকি লৈছোঁ। তুমি বুজিবানে মৰম মোৰ মনৰ ভাষা..... শেষত আকৌ কৈছো তুমি যে কৈছিলা "জনম জনম তোমাৰে হৈ ৰ'ম" মনত ছাগে আছে তোমাৰ। তুমি আহিবা দেই তোমাক এৰি মই আনৰ হ'ব নোখোজো।

নীল........ মোৰ মনৰ মণিকোঠাৰ মৰমৰ পেৰাটি উজাৰি দিছোঁ। মৰমবোৰ দুহাতেৰে সাৱটি ল'বা...... এতিয়া এৰিছোঁ দেই......

মৰমেৰে......

তোমাৰ উশাহত স্পন্দিত

**—তোমাৰ নীলাঞ্জনা।**

❑❑❑

(৮ মাৰ্চ, ২০২২ আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে ছাত্ৰ একতা সভাৰ সাহিত্য আৰু আলোচনী বিভাগে অনুষ্ঠিত কৰা 'সদৌ অসম ভিত্তিত স্নাতক মহলাৰ বাবে মুকলি অনলাইন স্ব-ৰচিত কবিতা প্ৰতিযোগিতা'ৰ পুৰস্কাৰপ্ৰাপ্ত কবিতা)

# প্ৰভঞ্জন

**পম্পী কলিতা**
জগন্নাথ বৰুৱা মহাবিদ্যালয়, যোৰহাট

পলাশ ফুলা বাটেৰে ঈশ্বৰ নামিল
নাম থ'লো 'দেৱশিশু'!

এচৰু পচা তেজত তপতাই থোৱা চিকাৰবোৰৰ
মজ্জাৰ মাজৰ মঙহকণ
কুৰুকি খাওঁতেই বন্ধ্যা হৈছিল
পলাশৰ গাভিনী গা!



বুকুত শাণ
চকুত বান
পলাশ ফুলাৰ বাট কেনি

গুজৰৰ সীঁয়নিত বন্ধ্যাত্ব

উকুলি-মুকুলি খেলখন নৌহওঁতেই
নামঘৰীয়া দাইটিৰ পিয়াহ লাগে

"আইটি, পানী গিলাচ দেহিচোন"
আইটিক নিচুকাই চুমাৰ পাগে!

সোণ, মোৰ মাৰলঘৰৰ মূধচ
তোৰ ডিঙিৰ মৃত্যুহাৰতকৈ বলী আছিল!

অ-আ, এক-দুই
সাতে পাঁচে বাৰ হয়
মইনা তোৰ কিহলৈ ভয়!

কিতাপৰ ভাঁজত দ্ৰোণাচাৰ্যৰ দক্ষিণাৰ চেকা!

মুখত আঁৰি দিয়ে মৌনতাৰ অৰ্গল,
'চুপ্ থাক! নক'বি!'

এচৰু তেজ তপতাই থাকে

ডেউকাৰ কোমল মঙহৰ লালসাত
হায়েনাৰ জাকটোৱে ফেউ-ফেউকৈ কান্দে

হাস্পতালৰ অলিন্দবোৰত ছটফটনি বাঢ়ে
নেদেখাজনক কোনোৱে দুহাত যোৰে
'ছোৱালী নিদিয়া যাতে!'

সঞ্জয়ৰ চক্ষুধাৰী মনুষ্যকুলত
আইটিৰ বস্ত্ৰ ব্যৰ্থ হৈ পৰে!

বসনৰ অভ্যন্তৰত দিব্য দৃষ্টিৰে লোলুপ দেৱতাই
সৰগত মদিৰাৰ ৰাগি টানে
'নেদেখাকৈয়ে' চলি থাকে স্পৰ্শৰ গধুৰ বিনিময়!

সহজাত হৈ পৰে সকলো, যায় জাহ
মাথোঁ, নজমে আইটিৰ কলিজাৰ প্ৰদাহ

সোণ, মোৰ মাৰলঘৰৰ মুধচ
তোৰ ডিঙিৰ মৃত্যুহাৰতকৈ ওখ নহ'ল!

অলং দলং খেলোতেই ৰজাৰ সলনি আহিছিল কুটুম
আইটিৰ অফুটা দেহত ঢালি যোৱা বিহ
অ-আ শিকোতেই দ্ৰোণই আদায় কৰে
দেহদক্ষিণা
পথৰ চলি থকা বিৰাট ভাওনাৰ ভাৱৰীয়া
কিম্বা স্পৰ্শাকুল হায়েনাবোৰ
'কেবিনত লাঞ্চ'ৰ প্ৰস্তাৱ দিয়া অফিচাৰবোৰ

আইটি, তৌলৈ কেৱল থাকি গ'ল 'মৌনতা'ৰ আৰ্জিত অৰ্গল।

পালেঙত বলেৰে আদায় কৰা
'প্ৰেম (!)ৰ ৰঙাজিঞা'

'নক'বি, মানুহে তোকেই বুলিব বেয়া!'

সঞ্জয়, তোমাৰ দিব্যদৃষ্টিৰে মোক কৈ দিয়া
সৃষ্টিৰ গোপন কুঠৰীৰ বাট কেনি
বিধাতাৰ পাৰম্পাৰ্যিক সূত্ৰ ভাঙি
আঁতৰাই আহোঁ এই দেৱদত্ত (!) বক্ষ কিম্বা যোনী -

মৰ্ত্যত যে এতিয়া ভীষণ 'মঙহজ্বৰ'!❑ ***(প্ৰথম স্থান)***

# পানীৰ সোঁতে কোৱা কথা

**আছিক আলী**
পূব কামৰূপ মহাবিদ্যালয়

পদূলি মূৰত আঁৰি থোৱা নিঃসংগতাই
ইতিহাসৰ প্ৰতিখন মৌন দুৱাৰ খুলি দিছিল,

লুইতৰ বুকুৱেদি সোঁতৰ তৰংগত ভাহি আহিছিল 'ইতিহাস'
প্ৰতিখিলা পাততে অঁকা আছিল আমাৰ
জয়াৰ কাহিনী আৰু জেৰেঙাৰ কৰুণ ছবি

য'ত আৰ্তনাদৰ সিপাৰে শুনা গৈছিল স্বৰ্ণময় ভবিষ্যতৰ স্বপ্ন
আৰু দেখা গৈছিল এন্ধাৰ বিনাশী জাগ্ৰত পোহৰ।

মূলাগাভৰুৱে হাতত লোৱা হেংদাঙত
তাহানি কলিয়াবৰ কঁপি উঠিছিল,

তপত তেজৰ ভৰপক ক্ষৰণত
আমাৰ বুৰঞ্জীত অংকিত হৈছিল
শ্বহীদৰ একোটা বিন্দু আৰু একোখন
জীয়াকালৰ অবিস্মৰণীয় নক্সা।

সতি সাধিনীৰ আত্মজাহে আই জননীক দিছিল
দাসত্বতকৈ স্বাধীন মৃত্যুৰ লুভীয়া সোৱাদ,
টেম্বুৱানিৰ পাৰত সেই ৰাধিকা জানো নাৰী নাছিল?

'শান্তি' জান ভেটি নহয়
সমাজৰ অন্ধ পৰম্পৰা ভেটি হৈছিল।
এই দেশৰ চৌহদ আৰু ইয়াৰ ধৰণীয়ে
অতীতৰ বুৰঞ্জীত আঁকে নাৰীৰ ছবি,

'কামাখ্যা' নীলাচলত খোজ দি ৰয়
লুইতৰ সোঁতে নিৰ্জন পাৰক এই মুলুকৰ নাৰীৰ গাঁথাকে কয়।❑

*(দ্বিতীয় স্থান)*



# অন্ধকাৰ গলিৰ তাম্ৰলিপি

**ঝৰ্ণালী ডেকা**
বি বৰুৱা কলেজ, গুৱাহাটী

নামবিহীন এক কক্‌বকনি
সেই নামৰ কাহিনীবোৰ....
সভ্য সমাজৰ ৰুদ্ধ গল্পবোৰ!!

ইয়াত শৰীৰৰ দৰ দাম চলে;
আৱেগৰ পুতি... যন্ত্ৰণাৰ অঁকটা গোন্ধ!
পিত্তনাশৰ জ্বালা অথবা
কাল কুহেলিকাত নিশেষ হোৱা একোটি নাম....
প্ৰশ্নবোধকত দুলি থাকে
"দেহ বেচাবোৰ বেশ্যা হ'লে কিনাবোৰলৈ উপনাম ক'ত?"
সমাজৰ কাঠগড়াত হাৰি যায় জীৱন দেখাৰ বাট (!)

চিৰাচিৰ সতীত্বৰ তেজ মচি মূৰ দাঙি চাবলৈ এখন আকাশ নাই....
বিনিয়োগ আছিল সমাজ আৰু এন্ধাৰৰ...
এন্ধাৰত মলিনতা এৰি সমাজৰ ঊৰ্ধমুখিতাত
থমকি ৰয় একোজনী 'বেশ্যা'...

এইবোৰ নিষিদ্ধ পেৰাগ্ৰাফ...
অথচ গণিকাৰ গ্ৰাফত সৰসৰাই ভূমিত লাগেহি ভদ্ৰতাৰ মানদণ্ড --

সমালোচনা সহজ..... হাতখন আগবঢ়াই দিবলৈ চিন্তা...
এক আলোচ্য বিষয়ৰ কায়া

"দেহ বেচাবোৰ বেশ্যা হ'লে দেহ কিনাবোৰ কি সভ্য?"
বিশৃংখল মানচিত্ৰৰ লেতেৰা তৰপটোত
ঠাহ খাই থকা মানসিকতাত নাৰী সদায় পতিতা
কথাবোৰ অৰ্থপূৰ্ণ / সমাজৰ লাইমলাইটত প্ৰযোজ্য।

শেলুৱৈ ধৰা নামৰ কাহিনীবোৰত আচ্ছন্ন গল্পৰ
এখন দুখৰ তীৰ থাকে...
পংগু সমাজে মাথোঁ তাচ্ছিল্য কৰে।

নাৰী....
পখিলা হ'লে আঁজুৰি ফালিব, শেনৰ কলিজা লৈ পুনৰ্জনম ল'বি...
পুৰুষৰ স্পৰ্শ অবিহনে বেশ্যা হ'ব নোৱাৰি....
ধৃতৰাষ্ট্ৰ সমাজক চিঞৰি চিঞৰি ক'বি।❑ *(দ্বিতীয় স্থান)*



# নাৰী বিষয়ক

**কেশৱ চাউ**
নৰ্থ লখিমপুৰ কলেজ

নৈৰ কাষলৈ গৈ থকা
নাৰীসকলক সুধিলোঁ
চকুপানী কি ?
তেওঁলোকে ক'লে— জীৱন আৰু যন্ত্ৰণা !

বাগানলৈ গৈ থকা
নাৰীসকলক সুধিলোঁ
স্বাধীনতা কি ?
তেওঁলোকে ক'লে— জীৱন মৃত্যুৰ কামনা !

ফুটপাথত মগনীয়া হৈ পৰি ৰোৱা
নাৰীসকলক সুধিলোঁ—
ভোক কি ?
তেওঁলোকে ক'লে— উৎকণ্ঠা আৰু জীয়াই থকাৰ বাসনা !

নিৰ্যাতিত হৈ থকা নাৰীসকলক সুধিলোঁ—
ন্যায় কি ?
তেওঁলোকে ক'লে— প্ৰেমৰ দৰেই অন্ধ !

এজন পুৰুষ হিচাপে মই বৰ দুখিত
কিয়নো তেওঁলোকৰ মুখত নেদেখিলো
দিনৰ সূৰ্য !❑ *(তৃতীয় স্থান)*

# নাৰী নিৰ্যাতন

**বিস্মিতা শৰ্মা**
মঙলদৈ মহাবিদ্যালয়

আয়ে পিন্ধালিত মোক শুৱাই থোৱাৰ বেলিকা
ঘৰলৈ আহিছিল এজন বাটৰুৱা।
আইৰ কঁকাললৈ নজৰ টোৱাইছিল,
পিছতে মৰম কৰাৰ চলেৰে
মোৰ উৰুৰ কাষ খেপিয়াইছিল।
কান্ধত বেগ লৈ মই
বিদ্যামন্দিৰত যোৱাৰ দিনা
গাড়ীচালকজনে থৰ লাগি মোলৈ চাই ৰৈছিল জানা!
বেটিজিল বুটামৰ ফাঁকেৰে
দেখা যে পোৱা গৈছিল
মোৰ বুকুৰ নৱবিকশিত মঙহ টুকুৰা।
নৈপাৰলৈ গৈছিলো সৌ সিদিনা
বৰ সততাৰে তেওঁ চাইছিল, ময়ো হাঁহিছিলো।
তেওঁৰ মাজত পাইছিলো
অন্তৰ চুই যোৱা কিবা এটা।
সময়বোৰ আমাৰ নহওঁতেই
মোলৈ লিখি পঠিয়াইছিল তেওঁ,
মোৰ সতে উদ্‌যাপিত কৰিব বিচৰা
এটি মাত্ৰ ৰাতিৰ বৰ্ণনা।
এদিন কাৰোবাৰ পত্নী হ'লো
উদং উৰৰত তুলি ল'লো সুখৰ ধনকণি এটা।
তাৰপাছতো স্বামীয়ে নুবুজে বেথা
পাওঁ দুৰ্ব্যবহাৰ, শুনো পৰিয়ালৰ ককৰ্থনা।
অফিছত অৰ্দ্ধবয়স্ক অগ্ৰজৰ বিকৃত ইংগিত
সমনীয়াৰ স'তে উল্লাস কৰোঁতে স্বামীৰ কটু উক্তি।
কত দাগ, কত আঘাতৰ মাত, কত চৰ কত মাৰ
কত সতীয়া বিদ্ৰূপ অভাবিকতাৰে বোলা।
ইমানৰ পিছতো মই নীৰৱে থাকো
সভ্য সমাজৰ বীভৎসতাখিনি ওৰণিৰে ঢাকি
এজনৰ পৰা আনজনলৈখিনি লুকুৱাই ফুৰো।
ভাবো, মই যে নাৰী
আৰু নাৰীয়েনো সহিব নোৱাৰে কি ?❑ *(উদ্‌গনিমূলক বঁটা)*

# তৰাফুল

**প্ৰাৰ্থনা সন্দিকৈ**
মনোহাৰী দেৱী কানৈ ছোৱালী মহাবিদ্যালয়



জোনৰ পোহৰত হাঁহিবোৰ গজে
পিতাইৰ বুকুত জোনাকী ওমলে।

তৰাফুল ডাঙৰ হৈ আহে,
তৰাফুলে ভাল পায় জোনাক;
নিজানত নীৰৱে পৃথিৱীক সাৰটি
জোনাকত মমতাৰ ঘৰ সাজে।

কথা পাতে প্ৰেমৰ,
গীত শুনে জীৱনৰ
সাহ হয় বহুজনৰ।
সুখ-দুখৰ শেতেলীত তৰাফুল বুকুতে শুৱে,
ভালে ৰখাৰ মাতষাৰ কুৰুকি কুৰুকি সোমাই যায় স্নেহৰ মহুৰাত।

তৰাফুলক সকলোৰে ভাল পায়,
গছ, লতা, আকাশ, বেলি কিম্বা তৰাভৰা জোনাকে।
ভাল পায় ৰংহীন জীৱনত সেউজ সপোনৰ তামীঘৰা সজা
বাটৰ দুবৰি বনেও।

লুইতৰ বুকুত ৰান্ধনী বেলিৰ প্ৰতিশ্ৰুতিৰ অৱগুণ্ঠন,
নতুন পোহৰে আনে তৰাফুলৰ উজ্জীৱন।
গতিশীল সময়ে সাজি যায় তৰাফুলৰ চকুত
বিচ্ছেদিত সময়ৰ তেজাল ধাৰ।
তৰাফুলৰ বুকুত জুইফুল ফুলে।

যুঁজিব লাগিব, জিকিব লাগিব,
পাৰিম বোলা কথাষাৰ
বাজি উঠে হৃদয়ৰ ৰক্তিম মণিকোঠত।
ফাগুনৰ পছোৱাই উপলুঙা কৰি
কেতিয়াবা অবিশ্বাসৰ তামীঘৰ সাজে,
প্ৰত্যাহ্বানৰ শিকনি ছিঙিবলৈ তৰাফুল জিলিকি উঠে।

ভালে আছোঁ বুলি ক'বলৈ
ভালে ৰাখিব পৰাকৈ তৰাফুল সাহসী,
তৰাফুল অগ্ৰগামী।❑ *(উদগনিমূলক বঁটা)*

# এটা সন্তাপিত শব্দ

**তুহিনকন্যা বৰা**
কটন বিশ্ববিদ্যালয়

বেলিটো সিপাৰে শুই পৰা সময়তে
অগাধ হাবিৰ পৰা ভাহি আহে এটা শব্দ
ক্ৰমান্বয়ে শব্দটো প্ৰবল হৈ আহে
নিশাটো জয়াল হৈ পৰে
আজিকালি দিনৰ পোহৰতো হাত সাৰিব নোৱাৰোঁ
শব্দটোৱে মোক চেপি ধৰে প্ৰতিপলে
সন্তাপিত শব্দটো!
শব্দটো কাৰ মই নাজানো
কিন্তু তাত সংপৃক্ত হৈ আছে বিষ, কষ্ট
আৰু আৰ্তনাদ
যেন এটুকুৰা মঙহ খহি পৰাত
কোনোবাই বিষত চিঞৰিছে
বিকট চিঞৰ
বুকুৰ মঙহ কপোৰা!!!
যেন ৰক্তাক্ত শৰীৰৰ ওপৰত
আন এটা মানৰ শৰীৰৰ বোজা
কোনোবাই কেঁকাইছে অসহিষ্ণু কষ্টত
উলাহক হেঁচা মাৰি ধৰা কষ্ট!!!
মই শুনিছো শব্দটোত সংমিশ্ৰিত কাতৰ বিননি
যেন ভক্ষণৰ আগে নৰখাদকৰ আগত কৰা
প্ৰাণভিক্ষাৰ অসহায় অনুৰোধ সেয়া
অন্তিম অনুৰোধ!
পুৱাৰ ৰ'দ কাঁচলিতো শব্দটোৱে আহি
শূৰ্পনখেৰে আঁজুৰিছে মোৰ বক্ষ
মই নেজানো শব্দটো কিহৰ
কিন্তু তাৰ প্ৰতিটো স্বৰত মই অনুভৱ কৰিছোঁ
মোৰ অস্তিত্ব!
যেন শব্দটো কোনোবা আত্মীয়ৰ
যেন শব্দটো কাইলৈ হৈ পৰিব মোৰ!!!❑

*(উদগনিমূলক বঁটা)*

# ঊষা

**মনোজ কুমাৰ বৰুৱা**
দৰং মহাবিদ্যালয়



ঊষা মানে প্ৰেম নে সেউজীয়া?
একবিংশ শতিকা
আদৰ্শ মৰিচিকা
ঊষা কিন্তু এতিয়াও জীৱিত।

আজিকালি প্ৰায়ে সন্ধিয়া মই
ঊষাক দেখোঁ।
চহৰখনৰ ফুটপাথত
শাৰী শাৰী নিয়ন লাইটবোৰৰ তলত
চহৰখনৰ সহস্ৰ ঊষা
নীৰৱে শুই থাকে।

প্ৰায়ে সন্ধিয়া ঊষাক
চহৰখনৰ আন্ধাৰ গলিবোৰত
ঘূৰি ফুৰা দেখোঁ।
নিষিদ্ধ অঞ্চলবোৰত,
উগ্ৰপন্থীপৰন অঞ্চলবোৰত,
অথবা এনকাউন্টাৰ নামৰ
ৰঘুমলাই আগুৰি ধৰা গণতন্ত্ৰ বৃক্ষৰ
সেউজীয়াবোৰত,
আজিকালি মই প্ৰাযে ঊষাক দেখোঁ।

মই ঊষাক দেখোঁ
বিলাতী অট্টালিকাৰ তলত অথবা
আৱৰ্জনাৰ দ'মত।

ঊষাক দেখোঁ আফগানিস্তানৰ বধ্যভূমিত।
'৭৯ ত সাম্যই ক্ষমতাৰ খকত অন্ধ হৈ
আধিপত্যবাদৰ ৰূপ লোৱাৰ সময়ত,
মই ঊষাক কান্দি থকা দেখোঁ
CIA ৰ চেমপেইন পাৰ্টিৰ বাহিৰত।
ঊষাক কান্দি থকা দেখোঁ,
তালিবানে পেটত গুৰিয়াই
অচেতন কৰা
গৰ্ভৱতী মাতৃৰ কাষত।

মানৱতাক ভূ লুণ্ঠিত কৰাৰ সময়ত,
মাতৃসকলক উলংগ কৰাৰ সময়ত,
অথবা কৈশোৰৰ উৎসুকতা
যাতনালৈ ৰূপান্তৰিত হোৱাৰ সময়ত,
মই প্ৰায়ে আজিকালি সন্ধিয়াবোৰত
ঊষাক দেখোঁ।

ঊষাৰ হাঁহিত এমুঠি জোনাক
ওলমি নাছিল।
অমাৱস্যাৰ নিশা সেয়েহে,
আজিকালি
সপোন দেখিবলৈ মোৰ ভয় লাগে।

ঊষাৰ খোজৰ সৈতে চহৰখনলৈ
ফাগুন নামি নাহে।
শেষ নিশা বুকুখন কঁপি উঠে,
কিজানি ফাগুনৰ অভাৱত
মোৰ চহৰলৈ
বসন্ত নাহে।❑

*(উদগনিমূলক বঁটা)*

# এদিন মই ছোৱালী হৈ জন্মিছিলোঁ

**গীতাঞ্জলী বৰা**
**যোৰহাট আইন মহাবিদ্যালয়**

প্ৰসৱৰ যন্ত্ৰনাত মায়ে যিমান কান্দিছিল
মোক প্ৰথমবাৰৰ বাবে কোলাত লৈ
তাতকৈ বেছি কান্দিছিল
মই ল'ৰা নহয় ছোৱালী হৈ জন্মিছিলো।
নামঘৰ, মন্দিৰৰ ভগৱানলৈ আঙুলি টোঁৱাই
দেউতাই চিঞৰিলে
ভগৱানক দিয়া শৰাই-প্ৰসাদৰ পূজাৰ অন্তত
মই ল'ৰা নহয় ছোৱালী হৈ জন্মিছিলো।

একোলা দোকোলা কৈ বাঢ়িছিলো
আইতাই আশীৰ্বাদৰ ঠাইত মোক হুমুনিয়াহ দিছিল
তেওঁৰ আশাত চেঁচাপানী ঢালি
মই ছোৱালী হৈ জন্মিছিলো।

সমনীয়াৰ লগত ধেমালি কৰোতে,
দৌৰোতে মোক বাধা দি
মায়ে এচাৰি হাতত তু লি লৈছিল
কাৰণ মই ছোৱালী হৈ জন্মিছিলো।

দেউতাৰ লগত মুখা-মুখি নোহোৱাকৈয়ে
মই এদিন গাভৰু হৈছিলো।
ঘৰৰ চুকটোত মাটিত
অকলে শুবলৈ ভয় লাগিছিল
কেঁচা বুট-মগু পানীৰে পেটৰ ভোক মৰা নাছিল।
সৰু হাতকেইটাৰে
ভাত সিজোৱা টৌটো দাঙিব নোৱাৰো
আধা ফুটা চাউল ৰংবিহীন মগুৰ
সিজোৱা পানীৰে ভাতকেইটা
পেটলৈ নিব পৰা নাছিলো

কাহিলিপুৱাতে নিজক শুদ্ধ কৰিবলৈ গৈ
গাতো জথৰ হৈ পৰিছিল
গাত মেৰিয়াই দিয়া কাপোৰ সাজ
সামৰিব পৰা হোৱা মই নাছিলো
য'ৰ ত'ৰ মানুহৰ আগত কইনা হৈ গা ধোওঁতে
মোৰ কিমান লাজ লাগিছিল
সেয়া কোনেও চোৱা নাছিল
সেইদিনা গোপীনীয়ে মোৰ 'যোগ' চাই কৈ গৈছিল
মোৰ ভৱিষ্যত

"তেনেকুৱা একো নহয়।
নিজৰ জীৱন মই নিজেই গঢ়িম"
সেইবুলি ক'ব পৰা নাছিলো যদিও
চিঞৰি চিঞৰি ক'বলৈ মন গৈছিল
মায়ে চুৰুণী-চাদৰেৰে বুকুখন ঢাকিবলৈ শিকোৱা দিনা
ফ্ৰকটো আৰু কোনো দিনাই পিন্ধিবলৈ নাপাম
সেইবুলি কান্দিছিলোঁ।
নতুন কাপোৰ সাজ মোৰ বাবে গধুৰ বুলি
মাক মুখ খুলি ক'ব পৰা নাছিলো
আইতাৰ কথাই প্ৰতি
ছোৱালী মানুহৰ ঠাইত গাভৰু ছোৱালী বুলি ক'বলৈ লৈছিল
মোৰো পুৱাৰ বাহি চোতালখন, বাঢ়নীডাল, শোতাটো
ভাললগা হ'ল ময়ো চাদৰৰ আঁচলেৰে মুখ ঢাকি
লাজ কৰিব জনা হ'লো
আজি কালি ভাতৰ চাউল সিজে
দাইলত ৰং ঠিকেই থাকে
তামোলখন জোখত কাটিব পাৰো
চাহত আদাৰ সুগন্ধ ধুনীয়াকৈ ওলায়

আকৌ
চুলি কোচাত খোপা বান্ধিলে ওৰণীখন নখহে

এদিন গামোচাৰ ফুলবোৰতে সপোনবোৰ গুঠিলো
মাৰ ঘৰ এৰাৰ দিনাও কাকো কোৱা নহ'ল
দিনত দেখা সপোনৰ কথা
একোলা-দোকোলাকৈ মোৰ কোলাতেই
ডেকা হ'ল দুটিকে ল'ৰা

তাৰ পিছতো লুকুৱাই থ'লো
ছোৱালীজনীলৈ বুলি গুঠা উমাল চোলা
তাইৰ মুখখন মই নেদেখিলো
তেজেৰে লুতুৰি-পুতুৰি পৰীজনীক মোৰ হাতৰ পৰা
কাঢ়ি নিয়া সময়ত মই অচেতন আছিলোঁ।
সন্তান হেৰুৱাৰ দুখত মই কান্দিব নাপালো
কাৰণ তাই ছোৱালী আছিল
দুখবোৰ পচিল
খিলখিলাই হাঁহোতে, টপটপাই কথা কওঁতে
চকুত কাজল লওঁতে
মই ছোৱালী আছিলো
ছোৱালীয়ে এনেকৈ নাহাঁহে
ছোৱালীয়ে এনেকৈ কথা নাপাতে নহয়
ছোৱালী মানুহ অলপ গহীন হ'বলৈ শিক
যেতিয়া কন্দাৰ পাল পৰিল
মই মা হ'লো, কাৰোবাৰ বোৱাৰী হ'লো
দিনে প্ৰতিদিনে এই না-বোৰৰ মাজতেই
নিজেই নিজক শেষ কৰাৰ আখৰা চলাইছিলো
কাৰণ মই যে ছোৱালী হৈ জন্মিছিলো।❑

*(উদগনিমূলক বঁটা)*



# আইৰণি

**মাধুৰীকা শইকীয়া**
হেমপ্ৰভা বৰবৰা ছোৱালী মহাবিদ্যালয়, গোলাঘাট

কপালৰ ফোঁটটোক নাম দিয়া বেলিৰ,
এৰা, ফবুল (?) বোলা মুখখনক
তেজেৰে স্নান কৰোৱাৰ দায়িত্বটো তোমাৰেই।
"ছোৱালী আনৰহে সম্পত্তি"
ওপজিয়েই একাষৰীয়া আমি,
তুমি দিয়া স্বাধীনতাৰ মগনীয়াৰ আমি।
বিদ্ৰোহী কণ্ঠটো জিভাত আঁৰি লওঁতেই
তোমাৰ অজেয় ৰণকৌশলত
মানসিক ভাৰসাম্য হেৰুৱাওঁ।
একোবাৰ কান্দো,
একোবাৰ হাঁহো,
কিন্তু ওৰণি মোৰ
এই খহোঁ এই খহোঁ।
সাতোটা জনমৰ (?) আশা দিয়া
খাৰু-আঙুঠি মাথোন সাজোন-কাচোন,
ধূলিকণাহেন বান্ধোন।
আঘাতবোৰৰ উশাহ আছে এতিয়াও,
দেহৰো, মনৰো।
বিষপানীবোৰে মোক
সজীৱ কৰিব পৰাকৈ।
দেহত আঘাত, মনত জুই,
ইমানৰ পাছতো,
তোমাক তুমি বুলিছো
আইৰণি, ইও।❑

*(উদগনিমূলক বঁটা)*



## কৃষি বিপ্লৱৰ নতুন সূচনা

# গৰুখুঁটি বহুমুখী কৃষি প্ৰকল্প

যোৱা দুটা বছৰৰ পৰা অসমত যদিহে কৃষিৰ ক্ষেত্ৰত এক নতুন বিপ্লৱৰ সূচনা হ'বলৈ ধৰিছে তাৰ এক অন্যতম উদাহৰণ হৈছে গৰুখুঁটি বহুমুখী কৃষি প্ৰকল্প। দৰং জিলাৰ ছিপাঝাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত ছিপাঝাৰৰ পৰা প্ৰায় চৈধ্য কিলোমিটাৰ দূৰৈত গৰুখুঁটিত আৰম্ভ কৰা এই প্ৰকল্প অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা দেৱৰ সপোনৰ আৰু তেখেতৰ তৎপৰতাত গঢ় লৈ উঠা এক বৃহৎ প্ৰকল্প। ৫২ সংখ্যক মঙলদৈ মহাবিদ্যালয় আলোচনীৰ সম্পাদকসহ সদস্য চুমন ডেকাই মিলি গৰুখুঁটি প্ৰকল্পত উপস্থিত হৈছিলগৈ সেই প্ৰকল্পৰ বিষয়ে জানিবলৈ আৰু তাৰ ওপৰত এটি প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ। নিবনুৱা সমস্যাই গা কৰি উঠা অসম তথা ভাৰতবৰ্ষত এনেধৰণৰ কৃষি বিপ্লৱে নতুন যুগৰ সূচনা কৰিব পাৰে বুলি আমি ধাৰণা কৰি নিজ জিলাৰেই এই সুন্দৰ প্ৰকল্পৰ বিষয়ে ছাত্ৰ-ছাত্ৰী তথা যুৱ প্ৰজন্মক ইয়াৰ বিষয়ে জনাবলৈ গৈ আমি প্ৰথমে উপস্থিত হৈছিলোগৈ কৃষি প্ৰকল্পৰ কাৰ্য্যালয় চৌহদত। তাৰ পৰা আমি ব্ৰহ্মপুত্ৰৰ সৰু সুঁতি এটি বাঁহ/কাঠৰ দলং এখনেৰে পাৰ হৈ আমি সুঁতিৰ দক্ষিণ পাৰে অৱস্থিত, তিনি নং ৰুদ্ৰালয় কেম্পত উপস্থিত হৈছিলোগৈ। তাত উক্ত কেম্পৰ মুখ্য পৰিচালক তথা আৰম্ভণিৰে পৰা প্ৰকল্পৰ সৈতে জড়িত ৰাতুল কুমাৰ নাথৰ সৈতে আমি আৰম্ভ কৰিছিলোঁ কথা বাৰ্তা। তেখেতৰ পৰা জানিব পাৰিছিলো যে উক্ত ঠাই পূৰ্বতে অবৈধ বেদখলকাৰীৰ দখলত আছিল। ২০২১ চনৰ আৰম্ভণিতেই মুখ্যমন্ত্ৰী মহোদয়ে উক্ত স্থান পৰিদৰ্শন কৰিছিল আৰু জানিব পাৰিছিল। পিছত তেখেতে নিজা উদ্যোগত সেই স্থানসমূহৰ সমূহ মাটি যিহেতু চৰকাৰী মাটি, কোনো ব্যক্তি বিশেষৰ নামত নামজাৰি নাছিল তেনে স্থানত অবৈধ বেদখলকাৰীসকলক উক্ত স্থানৰ পৰা লৈ গৈ আন স্থানত সংস্থাপিত কৰি সেই ঠাইত ২০২১ চনৰ আগষ্ট মাহৰ পৰা আৰম্ভ কৰিছিল কৃষি প্ৰকল্পৰ কাম। ইয়াৰ পিছতেই প্ৰকল্পৰ বাবে স্থানীয় জিলাৰ যুৱক-যুৱতীসকলৰ পৰা বিভিন্ন Bio Data সংগ্ৰহ কৰা হয় আৰু তেওঁলোকক উক্ত স্থানত সংস্থাপনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হয়। উক্ত প্ৰকল্প প্ৰথম অৱস্থাত দৰং জিলা প্ৰশাসনৰ তৰফৰ পৰা চলোৱা হৈছিল বা আৰম্ভণি হৈছিল যদিও পিছৰ পৰ্য্যায়ত প্ৰকল্প সমিতি গঠন কৰি জিলা প্ৰশাসনে অসম চৰকাৰৰ লোকসেৱা বিষয়া উদীপ্ত গৌতমক মুখ্য কাৰ্য্যবাহী বিষয়া হিচাপে নিযুক্তি দিয়ে আৰু তেখেতৰ ওপৰতো চতিয়া বিধানসভা সমষ্টিৰ



মাননীয় বিধায়ক পদ্ম হাজৰিকাক অধ্যক্ষ হিচাপে লৈ স্থানীয় বিধায়ক ড° পৰমানন্দ ৰাজবংশী আৰু আন ব্যক্তিকো সদস্য হিচাপে লৈ কাৰ্য্যকৰী প্ৰকল্প সমিতি গঠন কৰি প্ৰকল্প সমিতিৰ হাতত সমস্ত দায়িত্ব অৰ্পণ কৰা হয় আৰু বৰ্তমানলৈকে বহুমুখী প্ৰকল্প সমিতিয়ে সমগ্ৰ কাম-কাজ নিয়াৰিকৈ চলাই আহিছে। উক্ত কৃষি প্ৰকল্পৰ মাটিকালি যেতিয়া বেদখলমুক্ত কৰা হৈছিল তাৰ মাটিকালি আছিল প্ৰায় ১০,০০০ বিঘা। কিন্তু ইয়াৰে পাঁচ হাজাৰ বিঘাৰ পৰা ছয় হাজাৰ বিঘা মাটিহে খেতিৰ উপযোগী আছিল। সেয়ে তাত প্ৰথমে এটা গোশালা আৰম্ভ কৰা হৈছিল আৰু খেতিৰ ক্ষেত্ৰত প্ৰথমে লগোৱা হৈছিল মাকৈ, মাহ, তিল, সৰিয়হ, কিছু Strawberry আৰু কিছু পাচলিৰ খেতি। প্ৰকল্পৰ প্ৰায় ১৫০০ ৰ পৰা ১৬০০ বিঘা মাটিত মাকৈ খেতি কৰা হয়। আমি দেখিছিলো আৰু জানিব পৰিছিলো যে সম্পূৰ্ণ জৈৱিক প্ৰক্ৰিয়াৰে প্ৰকল্পত খেতি কৰা হয়। প্ৰথম অৱস্থাত কিছু অসুবিধাৰ সন্মুখীন হৈছিল যদিও পিছৰ সময়ত কৃষি প্ৰকল্পৰ কৃষিৰ লগত জড়িত যিসকল ল'ৰা-ছোৱালী অথবা ব্যক্তি জড়িত হৈছিল তেওঁলোকক শৃংখলাবদ্ধ কৃষিৰ বিষয়ে শিকোৱা হৈছিল আৰু চাৰি গৰাকী অৱসৰপ্ৰাপ্ত ভাৰতীয় আৰক্ষী সেনা জোৱানে তেওঁলোকক এমাহৰ প্ৰশিক্ষণ দিছিল। আনকি তেওঁলোকক বিশ্বনাথ চাৰিআলি, কন্যাকা কৃষি প্ৰকল্পত লৈ গৈও প্ৰশিক্ষণ দি অনা হৈছিল। উক্ত প্ৰকল্প সৰ্বমুঠ ৫ টা কৃষি ক্ষেত্ৰ 'কেম্প'ত ভাগ কৰা হৈছে। ১ ৰ পৰা ৫ লৈ ক্ৰমে প্ৰত্যেক কৃষি ক্ষেত্ৰৰ 'কেম্প' নাম আছিল ক্ৰমে মৃত্যুঞ্জয়, ত্ৰিনয়ন, ৰুদ্ৰালয়, পাৰ্থ সাৰথি আৰু কানাই চাপৰি। এই প্ৰকল্পত কাম কৰা প্ৰত্যেকগৰাকী ব্যক্তিক কৃষি সৈনিক বুলি জনা যায়। ইয়াৰে প্ৰত্যেকটো কেম্পতেই ৫০ গৰাকীকৈ পুৰুষ কৃষি সৈনিক জড়িত হৈ আছে। আৰু সমগ্ৰ প্ৰকল্পত মুঠ ৭৭ গৰাকী মহিলা জড়িত। মহিলাসকলে নিজ নিজ ঘৰৰ পৰা অহা যোৱা কৰি কাম কৰি থকা দেখা যায়। তেওঁলোকৰ প্ৰকল্পত উপস্থিতিৰ বাবে কেমেৰাৰ সহায়ত তেওঁলোকৰ প্ৰত্যেক দিনৰেই উপস্থিতিৰ পঞ্জীয়ন কৰা হয়। মাকৈ, সৰিয়হ, তিল, মাহ ইত্যাদি বিভিন্ন খেতিত তেওঁলোকক প্ৰয়োজন অনুসৰি মহিলা ভগাই দিয়া হয়। প্ৰত্যেক কেম্পতেই দুজনকৈ দলপতি থাকে আৰু গোশালাৰ দুগৰাকী দলপতি মিলি মুঠ বাৰ গৰাকী দলপতি থাকে। দলপতি কেইগৰাকীৰ ওপৰত আকৌ দুগৰাকী অৱসৰপ্ৰাপ্ত ভাৰতীয় সেনা জোৱান থাকে মুখ্য পৰিচালক হিচাপে। তেওঁলোক দুয়োগৰাকীৰ ওপৰত আকৌ প্ৰকল্পৰ কাৰ্য্যকৰী সমিতিখন থাকে। প্ৰত্যেকটো কেম্পত প্ৰায় ১০০০ ৰ পৰা ১৫০০ বিঘা মাটি আছে আৰু ইয়াৰে ৬০০ ৰ পৰা ৭০০ বিঘা মাটিহে খেতিৰ বাবে উপযোগী। প্ৰকল্পটি হোৱাৰ পিছত ই অসম চৰকাৰৰ অমৃত সৰোবৰ দহটা লাভ কৰিছে। ইয়াৰোপৰি আটাইকেইটা কেম্পত মাকৈ, শস্য ইত্যাদি শুকোৱাবৰ বাবে ভেটিও নিৰ্মাণ কৰা হৈছে। বেদখলকাৰীৰ দখলত থকা উক্ত স্থানসমূহৰ হাবিয়নি ভাঙি বিভিন্ন কেম্পলৈ যোৱা পথসমূহ নিৰ্মাণ কৰা হৈছে। এটা কেম্পৰ পৰা আন এটা কেম্পৰ দূৰত্ব প্ৰায় দুই, তিনি কিলোমিটাৰ। এই প্ৰকল্পৰ অংশ স্বৰূপে ধলপুৰ শিৱ মন্দিৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিজা প্ৰচেষ্টাত পুনৰ নিৰ্মাণ কৰা হৈছে। অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ তৰফৰ পৰা এটা ঘৰ প্ৰদান কৰা হৈছে আৰু তাত শিপিনীয়ে তাঁতশালত গামোচা প্ৰস্তুত কৰে। প্ৰায় বিশ গৰাকী মহিলাই তাঁতশালত গামোচা প্ৰস্তুত কৰে। ভোগালী বিহুৰ সময়ত কেম্পসমূহৰ পৰা বিভিন্ন পিঠা, পনা, লাড়ু, দৈ, চুঙাপিঠা ইত্যাদি বনাই অসমৰ বিভিন্ন ঠাইলৈ পঠিওৱা হয় লগতে দীঘলীপুখুৰীত অনুষ্ঠিত হোৱা ভোগালী মেলালৈ বিক্ৰীৰ বাবে লৈ যোৱা হয়। প্ৰকল্পত উৎপাদিত মাকৈ খাৰুপেটীয়াৰ ব্যৱসায়ীয়ে কিনি লৈ বজাৰত বিক্ৰী কৰে। আনহাতে পাচলি সমূহ গুৱাহাটীৰ ব্যৱসায়ীয়ে ক্ৰয় কৰিবলৈ আহে। প্ৰকল্পৰ পৰা ৫৬.৫০ টকা দৰত অসম চৰকাৰক সৰিয়হ বিক্ৰী কৰি অহা হৈছে।

আমি তেখেতৰ পৰা জানিব খুজিছিলোঁ যে প্ৰকল্পই নতুন কি কাম হাতত লৈছে বা ল'বলৈ আগ্ৰহী? তেতিয়া তেখেতে আমাক জনাইছিল যে কণী উৎপাদনৰ বাবে কৃষি প্ৰকল্পত Layer Farm বনাই থকা হৈছে, নতুনকৈ গছ-গছনি আৰু ফুলৰ বাগিছা স্থাপনৰ কাম হাতত লোৱা হৈছে। আমি দেখিবলৈ পাইছিলো যে অমৃত সৰোবৰক বাদ দি প্ৰকল্পত আন চাৰিটা পুখুৰী বেলেগকৈ অৱস্থিত। এই পুখুৰীত ৰৌ, বৰালি, ভাঙোন, ভকুৱা ইত্যাদি মাছৰ পোনা উৎপাদন কৰা হয়। আৰু মাছ সমূহ স্থানীয় ব্যৱসায়ীক বিক্ৰী কৰা হয়। এই প্ৰকল্প যিহেতু



চাপৰি অঞ্চলত অৱস্থিত সেয়েহে ইয়াত খুবেই বাৰিষা বানপানী হোৱা দেখা যায়। প্ৰথম বৰ্ষত বানপানীয়ে বৃহৎ ক্ষতি সাধন কৰিছিল যদিও তাৰ পিছৰে পৰা বানপানী ৰোধৰ সকলো ব্যৱস্থা গ্ৰহণ কৰা হয়। তাত বিভিন্ন ফলৰ খেতিও কৰা হৈছে। কল, অমিতা ইত্যাদি উৎপাদন কৰি দৰং জিলাৰেই ভিন্ন স্থানলৈ বিক্ৰীৰ বাবে লৈ যোৱা হয়। বিভিন্ন বিয়া, সবাহ, বিভিন্ন উৎসৱৰ সময়ত কলসমূহ দৰঙবেই মানুহে নিৰ্দিষ্ট দামত ক্ৰয় কৰি লৈ যায়। উৎপাদিত কৃষিৰ পাচলিৰ ভিতৰত আটাইতকৈ বেছি লঙ্কালাউৰ উৎপাদন বেছি হয়। ইয়াৰোপৰি বন্ধাকবি, জলকীয়া, বেঙেনা ইত্যাদিৰো খেতি ভাল হোৱা আমি দেখিবলৈ পাইছিলোঁ।

আমি ব্ৰহ্মপুত্ৰৰ সুঁতিৰ দক্ষিণ পাৰৰ পৰা উভটি আহি মূল কাৰ্য্যালয়ৰ ওচৰতে থকা গোশালাৰ মুখ্য পৰিচালক অজিত কুমাৰ নাথৰ সৈতে কথা পাতিছিলো। তেখেতৰ পৰা জানিব পাৰিছিলো যে ২০২২ চনত প্ৰথমবাৰ গুজৰাটৰ পৰা ট্ৰেইনত মুঠ ৯৮ টা গীৰ গাই অনা হৈছিল আৰু আৰু দ্বিতীয় পৰ্যায়ত মুঠ ২৪ টা গীৰ গাই গুজৰাটৰ পৰা লৈ অহা হয় এই প্ৰকল্পৰ বাবে। ইয়াৰে ভিতৰত দুটা ষাঁড়গৰুও অনা আছিল। এটা গীৰ প্ৰজাতিৰ আৰু আনটো আছিল হোলষ্টেইন ফ্ৰিজিয়ান (HF) প্ৰজাতিৰ ষাঁড় গৰু। ১২২ টা গীৰ গাই আৰু দুটা ষাঁড়সহ মুঠ ১২৪ টা গৰু লৈ অহা হৈছিল গুজৰাটৰ পৰা।

এই গীৰ গাইৰ গাখীৰটো স্বাস্থ্যৰ বাবে খুবেই উপকাৰী আৰু ভাল। গীৰ গাই চোৱা চিতাৰ বাবে দুগৰাকী পশু চিকিৎসক আছে আৰু প্ৰত্যেক দিনেই দিনত দুবাৰ, তিনিবাৰকৈ পশু চিকিৎসালয়ৰ পৰা VFA আহে আৰু গীৰ গাইৰ বেমাৰ আজাৰ আৰু আন আন অসুবিধা সমূহৰ বাবে চিকিৎসা কৰে।

আমি সোধা প্ৰশ্নত তেখেতে জনাইছিল যে প্ৰকল্পত থকা প্ৰত্যেক গীৰ গাইয়ে মিলি ৰাতিপুৱা আৰু আবেলি দিনত দুবাৰকৈ মুঠ ২৩০ লিটাৰৰ পৰা ২৫০ লিটাৰলৈকে গাখীৰ দিয়ে। লিটাৰত ৬০ টকা দৰত এই গাখীৰ বিক্ৰী কৰা হয়। ছিপাঝাৰৰ সুৱতি আৰু লখিমী হোটেলে প্ৰত্যেক দিনেই প্ৰকল্পৰ গাখীৰ ক্ৰয় কৰে। এতিয়া চৰকাৰ আৰু প্ৰকল্প সমিতিয়ে নতুনকৈ স্থানীয় গৰু অনাৰ বাবে যো-জা কৰিছে। আমি দেখাৰ লগতে গম পাইছিলোঁ যে প্ৰকল্পৰ মুঠ ১০ খন ট্ৰেক্টৰ, তিনিটা ডি.জি (Diesel Generator), মাকৈ ভঙা যন্ত্ৰ দুটা, নাঙল, ধান মৰা যন্ত্ৰ পাঁচটা, খেতিত পানী দিয়া যন্ত্ৰ প্ৰায় বিশটা, Solar পেনেল গোটেই প্ৰকল্পত মুঠ এশখন থকাৰ লগতে Combine Harvester এখনো আছে, যাৰ দ্বাৰা সৰিয়হ আৰু মাহ চপোৱা হয়। চৰকাৰে এই প্ৰকল্পৰ প্ৰত্যেকটি কেম্পত এটিকৈ নামঘৰ/মন্দিৰ স্থাপন কৰি দিছে। লগতে এই প্ৰকল্পত এটি বৃহৎ ৰংগমঞ্চ থকাৰ লগতে এটি ভাগৱত মন্দিৰো নিৰ্মাণ কৰা হৈছে।

এই প্ৰকল্পৰ কৰ্মচাৰীসকলে কৃষি কৰ্মৰ উপৰিও প্ৰকল্পত দৌল উৎসৱ, বিহু উদযাপন কৰা, খেল-ধেমালি ইত্যাদি অনুষ্ঠিত কৰি হাঁহি ধেমালি কৰি নিজৰ আন এখন ঘৰ ৰূপে থাকি আহিছে।

প্ৰকল্প স্থাপন হোৱাৰ পিছতেই প্ৰকল্পটিত বনৰীয়া জীৱ জন্তু যেনে বনৰীয়া হাঁহ, ঘোঁৰা, শিয়াল, চকোৱা হাঁহ, হৰিণা, শহা ইত্যাদিৰ আগমন বৃদ্ধি পাবলৈ ধৰিছে। আগন্তুক দিনত প্ৰকল্প সমিতি আৰু চৰকাৰে মিলি ইয়াৰ উন্নতিৰ বাবে আৰু এই গৰুখুটি বহুমুখী কৃষি প্ৰকল্পৰ বাবে প্ৰচাৰ প্ৰসাৰেৰে ভৱিষ্যতে ইয়াৰ শ্ৰীবৃদ্ধিৰ বাবে ন ন পদক্ষেপেৰে কাম কৰি যাব।

আমিও সম্পাদনা সমিতিৰ তৰফৰ পৰা এই প্ৰকল্পৰ দ্বাৰা অসমত নতুন কৃষি বিপ্লৱ সূচনা হওক তাৰেই কামনা কৰিলোঁ। ❑



## অসমৰ উদ্যোগিক আৰু ব্যৱসায়-বাণিজ্য জগতৰ এক অন্যতম চিনাকি নাম

# SRD গ্ৰুপ আৰু ৰিপোজ

অৰ্থনৈতিক আন্দোলন গঢ় দিয়াত অসমত মুখ্য ভূমিকা লোৱা আৰু ব্যৱসায় বাণিজ্যৰ ক্ষেত্ৰত উত্তৰ পূৰ্বাঞ্চলৰ পৰা সফলতা লাভ কৰা দহটি ব্যৱসায় গ্ৰুপৰ তালিকা এখনত অসমৰ ব্যৱসায় জগতৰ ভোটাতৰা SRD গ্ৰুপ আৰু ৰিপোজৰ নাম অহাটো স্বাভাৱিক।

দৰং জিলাক মুখ্য কেন্দ্ৰবিন্দু হিচাপে লৈ দৰঙৰ মঙলদৈ চহৰৰ মাজমজিয়াৰ পৰা আৰম্ভ হোৱা এই ব্যৱসায় গ্ৰুপৰ বিষয়ে কিছু কথা জানিবলৈ মঙলদৈ মহাবিদ্যালয় ৫২ সংখ্যক বাৰ্ষিক আলোচনীৰ সম্পাদকসহ, সম্পাদনা সমিতিৰ কেইগৰাকীমান সদস্যই গৈ উপস্থিত হৈছিলোঁ মঙলদৈ চহৰৰ সোঁমাজত অৱস্থিত SRD বিল্ডিঙত থকা SRD গ্ৰুপৰ কাৰ্যালয়ত। তাত আমি SRD গ্ৰুপৰ মানৱ সম্পদ বিভাগৰ প্ৰবন্ধক তাপস জ্যোতি শৰ্মাৰ সৈতে মিলি SRD গ্ৰুপ, Repose আৰু ইয়াৰ লগত জড়িত বিভিন্ন কথা, আৰু বিভিন্ন সংলগ্ন কথাৰ বিষয়ে বাৰ্তালাপ কৰিছিলোঁ।

তেওঁৰ সৈতে বহি আমি তেওঁক প্ৰথমে এই বৃহৎ উদ্যোগ তথা গ্ৰুপটিৰ প্ৰতিষ্ঠাৰ বিষয়ে সোধো।

তেওঁৰ পৰা আমি জানিব পাৰো যে- এছ.আৰ.ডি গ্ৰুপ এটা পৰিয়ালৰ মালিকানাধীন ব্যৱসায়িক সংস্থা আৰু আমাৰ খাদ্য আৰু পানীয় নিৰ্মাণৰ ক্ষেত্ৰত ই কাম কৰি আহিছে।

তেওঁ জনায় যে SRD গ্ৰুপৰ প্ৰতিষ্ঠাতা SRD গ্ৰুপ তথা পৰিয়ালৰ সদস্যসকলৰ পিতৃ স্বৰ্গীয় সুনন্দ ৰাম ডেকা। নলবাৰী জিলাৰ বৰনদী অঞ্চলত জন্ম হোৱা এইগৰাকী ব্যক্তিয়ে পিছলৈ মঙলদৈত আহি মঙলদৈ চহৰৰ মাজমজিয়াত এখন সৰু চাহৰ দোকান আৰম্ভ কৰিছিল ১৯৩১ চনত। আমাক তেওঁ জনায় যে এই গ্ৰুপৰ সৈতে SRD পৰিয়ালৰ সমূহ সদস্য জড়িত হৈ আছে বৃহৎ অনুষ্ঠানভাগি পৰিচালনা কৰাৰ ক্ষেত্ৰত।

SRD গ্ৰুপৰ শাখা অসমৰ ভিন্ন প্ৰান্তত লগতে মেঘালয়তো ইয়াৰ শাখা আছে। সমগ্ৰ অসম তথা উত্তৰ-পূৱত প্ৰায় ৩৫০০ গৰাকীতকৈয়ো অধিক কৰ্মচাৰী SRD ত নিয়োজিত। কেৱল দৰং জিলা তথা মঙলদৈত SRD গ্ৰুপৰ লগত জড়িত হৈ আছে ২৫০০ অৰ্থাৎ আধাতকৈও বেছি সংখ্যক কৰ্মচাৰী।

SRD গ্ৰুপে মূলত পাঁচটা বিশেষত্ব লৈ কাম কৰি আহিছে। তাৰ ভিতৰত-

(1) Own Manufacturing
(2) Contract Manufacturing
(3) Joint venture Companies
(4) Retailing
(5) Ancillary Businesses

আমি জানিবলৈ বিচাৰিছিলো যে আমি পোৱা তথ্য অনুসৰি SRD গ্ৰুপৰ অন্তৰ্গত সমূহ উদ্যোগ, প্ৰতিষ্ঠান তথা ইয়াৰ লগত জড়িত সকলো বিভাগৰ পৰাই মিলি SRD গ্ৰুপে চৰকাৰক মাহে এক কোটি টকাৰ বিদ্যুতৰ বিল পৰিশোধ কৰিব লাগে। সেই কথা কিমান দূৰ সত্য জানিব বিচৰাত তেখেতে কৈছিল কেৱল এক কোটিয়েই নহয়, কেতিয়াবা ইয়াৰ পৰিমাণ বৃদ্ধিহে হৈ গৈ থাকে। আমি জানিব বিচৰাত তেখেতে আমাক জনাইছিল এই SRD গ্ৰুপ তথা ইয়াৰ লগত জড়িত

# ৰিপোজ

উদ্যোগসমূহে বৰ্তমান প্ৰধানত ভাৰতবৰ্ষৰ ইমূৰৰ পৰা সিমূৰলৈ প্ৰচলিত যি ORS আছে তাক প্ৰস্তুত কৰে লগতে Paper Boat ৰ বিভিন্ন ধৰণৰ Juice, ইয়াৰ SRD গ্ৰুপ আৰু ITC ৰ যৌথ উদ্যোগত North East Nutrients Pvt. Ltd. য়ে Sunfeast ব্ৰেণ্ডৰ বিভিন্ন ধৰণৰ বিস্কুট যেনে Dark Fantasy, Bounce, Marrie Light আদি বিস্কুট প্ৰস্তুত কৰি ভাৰতবৰ্ষৰ বিভিন্ন ঠাইলৈ প্ৰেৰণ কৰে। আমি তেখেতৰ পৰা জানিব পৰিছিলো যে SRD গ্ৰুপৰ সৈতে তেওঁলোকৰ নিজৰ উৎপাদন উদ্যোগ জড়িত হৈ আছে। তাৰেই ভিতৰত তেখেতে আমাক ইণ্টাৰনেটত সহজে উপলব্ধ SRD গ্ৰুপৰ ব্যক্তিগত ৱেবচাইটো দেখুৱায় আৰু তাত সকলো উল্লেখ থকা মতে ইয়াৰ সৈতে নিজা উৎপাদনকাৰী অথবা নিৰ্মাণকাৰী সংস্থা হৈছে-

- **এছ আৰ ডেকা এণ্ড কো প্ৰাইভেট লিমিটেড**

১৯৮৮ চনত মঙলদৈত স্থাপিত হৈ আটা, ময়দা, চুজি আৰু ব্ৰাণ প্ৰস্তুত কৰে। এই উদ্যোগটোত প্ৰতিদিনে ৮০ মেট্ৰিক টন উৎপাদন ক্ষমতা আছে।

- **এছ আৰ ডি বেকাৰছ**

১৯৯৪ চনত মঙলদৈত স্থাপিত আৰু প্ৰায় ২০০ টা এছ কে ইউ বেকাৰী সামগ্ৰী নিৰ্মাণ কৰে, যিবোৰ ৰিপ'জ আৰু বেকাৰছ স্পেচিয়েল ব্ৰেণ্ড নামেৰে বিক্ৰী কৰা হয়।

- **ৰিপ'জ ফুডছ প্ৰাইভেট লিমিটেড**

১৯৯৯ চনত গুৱাহাটীত স্থাপিত আৰু প্ৰায় ৩০০ এছ কে ইউ'ৰ বেকাৰী সামগ্ৰী প্ৰস্তুত কৰে, যিবোৰ ৰিপ'জ বা বেকাৰছ স্পেচিয়েল ব্ৰেণ্ড নামেৰে বিক্ৰী কৰা হয়।

- **এছ আৰ ডি উইনপেক প্ৰাইভেট লিমিটেড**

২০২২ চনত মঙলদৈত স্থাপিত হয়।

আনহাতে চুক্তিবদ্ধকাৰী অন্য উৎপাদনকাৰী উদ্যোগ প্ৰতিষ্ঠান হৈছে —

SRD Nutrients Pvt Ltd
Trinity Fructa Pvt Ltd
Repose Agrotech Pvt Ltd

আমি তেখেতৰ পৰা জানিব পৰামতে SRD ৰ সৈতে জড়িত North East Nutrients Pvt limited খাদ্যৰ ক্ষেত্ৰত উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰত প্ৰথমটো বৃহৎ মেগা প্লাণ্ট। আমি সৰুৰে পৰা মঙলদৈ চহৰত দেখি অহা ৰিপোজৰ অধিক সম্প্ৰসাৰণ তেওঁলোকে কিদৰে কৰিব খুজিছে বা অসমত ক'ত ক'ত তেওঁলোকৰ কেনে ধৰণৰ ব্যৱসায় আছে জানিব বিচৰাত তেওঁ কৈছিল যে SRD গ্ৰুপৰ মঙলদৈত অধিকাংশ ব্যৱসায় থকাৰ ভিতৰত Repose Tea Stall, Fine dining ৰেষ্টুৰেণ্ট, সুন্দৰ, আটকধুনীয়া পৰিৱেশত খাৰখোৱা ধাবা আৰু ৰিপোজ হাইৱে ৰিজৰ্ট, সুমিত্ৰা শ্বপিং কমপ্লেক্স, SRD গুদাম, ড্ৰিম থিয়েটাৰ চিনেমা হল আছে। SRD গ্ৰুপৰ সৈতে একেলগে কাম কৰি থকা আন Joint Venture কোম্পেনী হৈছে Sunandaram Foods Pvt Ltd আৰু North East Nutrients Pvt Ltd। আমি তেখেতৰ পৰা জানিব খুজিছিলো যে এই বৃহৎ উদ্যোগ তথা ব্যৱসায়িক প্ৰতিষ্ঠানটিৰ খাদ্য প্ৰস্তুতকৰণৰ বাবে বৃহৎ যন্ত্ৰৰ আৰশ্যক যি আমাৰ অসমৰ সকলো ঠাইত আৰু কেতিয়াবা ভাৰততো উপলব্ধ নহয় তেনে ক্ষেত্ৰত ইয়াৰ উৎপাদনৰ সৈতে জড়িত যন্ত্ৰ সমূহ ক'ৰ পৰা অনা হয়। তেওঁ কৈছিল যে এই যন্ত্ৰসমূহ বেছিভাগ যন্ত্ৰই অসমৰ বাহিৰত ভাৰতৰ নিৰ্দিষ্ট ৰাজ্য আৰু কেতিয়াবা বহুসংখ্যক যন্ত্ৰ বিদেশৰ পৰাও ক্ৰয় কৰা হয়। জাপানৰ পৰাও চকলেট, বিস্কুট প্ৰস্তুত কৰা যন্ত্ৰ এটি অনা বুলি তেখেতৰ পৰা জানিব পৰিছিলো। বৰ্তমান খাদ্যৰ ভেজালৰ কথা আমি প্ৰায়ে শুনিবলৈ পাওঁ তেনে ক্ষেত্ৰত SRD ৰ উৎপাদিত প্ৰায় খাদ্যই Laboratory ত পৰীক্ষা কৰিহে বনাই বজাৰত মেলি দিয়া হয়। লগতে কেৱল মাত্ৰ খাদ্য সামগ্ৰী পৰীক্ষা কৰাই নহয় যিসকল কৰ্মচাৰী থাকে তেওঁলোকক বিভিন্ন প্ৰশিক্ষণ প্ৰদান কৰাইহে এই খাদ্য প্ৰস্তুতকৰণত জড়িত কৰোৱা হয়। তেওঁলোকক GM Practice, HACCP Training, Good Hygiene Practice, TACCP, VACCP ইত্যাদিৰ প্ৰশিক্ষণ দিয়া হয়। বিভিন্ন খাদ্য পৰীক্ষাৰ বাবে খাদ্যৰ বিভিন্ন উপাদান, কেঁচামাল আৰু প্ৰস্তুত কৰা খাদ্যসমূহ ভাৰতৰ বিভিন্ন পৰীক্ষাগাৰৰ পৰাও পৰীক্ষা কৰি অনা হয়। এই উদ্যোগসমূহত চালিত যন্ত্ৰসমূহ আৰু সমূহ কাম ইন্ধন আৰু ডিজেলৰ সহায়ত চলে। মাহে প্ৰায় ৫০ কোটি আৰু ততোধিক টকাৰ সামগ্ৰী উৎপাদন কৰা এই ব্যৱসায়িক প্ৰতিষ্ঠানে মঙলদৈৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতেই স্থাপন কৰা খাৰখোৱা ধাবা লগতে ৰিপোজ হাইৱে ৰিজৰ্টখনে অসমৰ পৰ্যটক তথা দৰঙৰ জনতাৰ মাজত বিশেষ সমাদৰ লাভ কৰিছে। প্ৰত্যেক দিনতেই ব্যস্ত ৰাষ্ট্ৰীয় ঘাইপথেৰে গতি কৰা ব্যক্তি আৰু যান-বাহনসমূহ খাৰখোৱাত ৰৈ, পুৱাৰ জলপান, দুপৰীয়া আৰু নিশাৰ আহাৰ গ্ৰহণ কৰে। সুন্দৰ পৰিৱেশত সুস্বাস্থ্যকৰ সুস্বাদু খাদ্য সম্ভাৰৰ বাবে বিখ্যাত এই খাৰখোৱা ধাবা, ৰিপ'জ ৰিজৰ্টত বিভিন্ন ধৰণৰ খাদ্য পোৱাৰ লগতে ইয়াত থকা মেলা আৰু খেল-ধেমালি কৰা আৰু অৱসৰ বিনোদন কৰাৰো সু ব্যৱস্থা গঢ়ি তোলা হৈছে। অতি চাফ-চিকুণ এই খাৰখোৱাৰ ক্ষেত্ৰত আমি জানিব বিচাৰিছিলো যে তেওঁলোকে ইয়াত ৰাহি হোৱা খাদ্যসমূহ কি কৰে

তেতিয়া কৈছিল যে তেওঁলোকৰ প্ৰত্যেক দিনতেই এটা নিৰ্দিষ্ট পৰিমাণ অথবা হিচাবত খাদ্য প্ৰস্তুত কৰা হয় আৰু শেষো হয়। সেয়েহে কোনো খাদ্যৰ অপচয় নহয়। এছ আৰ ডি ৰিপোজ ব্ৰেণ্ডে বিভিন্ন পিঠা, লাডু, কেক, ব্ৰেড, Namkeen, মিঠাই ইত্যাদি খাদ্য সামগ্ৰী প্ৰস্তুত কৰি আহিছে যি অসমৰ বিভিন্ন ঠাইত প্ৰচলিত। ৰিপোজৰ এই খাদ্যসমূহে অসমৰ জনতাক আকৰ্ষিত কৰি আহিছে। দৰঙৰ জনতাৰ মাজত ৰিপোজৰ ব্ৰেড, কেক, খুবেই জনপ্ৰিয় আৰু প্ৰচলিত। মঙলদৈ চহৰৰ মাজমজিয়াত থকা ৰিপোজ বিপণীখন অসমৰ এখন অন্যতম ব্যস্ত বিপণী। তেখেতৰ পৰা জানিব বিচৰাত আমি গম পাইছিলো যে খাৰখোৱাত প্ৰায় এশ গৰাকী ব্যক্তি জড়িত হৈ আছে। আমি সোধা প্ৰশ্নৰ উত্তৰত তেখেতে জনায় যে-- "বৰ্তমান সমগ্ৰ ভাৰতত এই প্ৰতিষ্ঠানটিৰ সম্প্ৰসাৰণ কৰাৰ আগতে অসম তথা উত্তৰ পূৰ্বাঞ্চলত সম্প্ৰসাৰণ কৰিবহে বিচৰা হৈছে।" আমি জানিব পাৰিলো যে অসমৰ এতিয়াও বহু ঠাইত ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰ কমি আছে সেয়েহে প্ৰথমে SRD তথা ৰিপোজৰ খাদ্য সামগ্ৰী প্ৰত্যেক জিলালৈ প্ৰেৰণ কৰিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ, নতুন পৰিকল্পনা গ্ৰহণ কৰাৰ কথা তেওঁলোকে চিন্তা চৰ্চা কৰিছে। আমি জানিলো যে পাউৰুটি এটা খুব বেছিকৈ তিনি দিনলৈ ভালে থাকে সেয়েহে SRD গ্ৰুপে ভাৰতৰ বাহিৰৰ পৰা নতুন বৈজ্ঞানিক পদ্ধতিযুক্ত বৃহৎ যন্ত্ৰ আনি মঙলদৈ অঞ্চলৰ ওচৰতেই অৱস্থিত বঙলাগড়ত এটি নতুন উদ্যোগৰ আৰম্ভণি কৰিবলৈ বিচৰা হৈছে য'ত পাউৰুটিৰ দৰে খাদ্য প্ৰায় দহ দিনলৈ ভালে থাকিব আৰু এদিন দুদিনৰ ভিতৰতেই ইয়াক অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন বজাৰলৈ প্ৰেৰণ কৰি খাদ্যৰ বজাৰখন দখল কৰিব পাৰিব বুলি SRD গ্ৰুপ আশাবাদী।

মঙলদৈ অঞ্চলৰ উন্নয়নৰ ক্ষেত্ৰত চৰকাৰৰ লগতে আন কোনোৱে যদি কাম কৰিছে সেয়া নিঃসন্দেহে SRD গ্ৰুপ। কেৱল মঙলদৈ নহয় এই গ্ৰুপে দৰং জিলাৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত দান-বৰঙণি প্ৰদান কৰাৰ লগতে মঙলদৈ চহৰত এটি ক্লক টাৱাৰ, বিভিন্ন উন্নয়নমুলক কাম, বিভিন্ন পানী যোগান ব্যৱস্থা, উদ্যান স্থাপন, ৰাস্তা-ঘাট, দলং, মঞ্চ ইত্যাদি নিৰ্মাণৰ লগতে মন্দিৰ, মছজিদ ইত্যাদিও নিৰ্মাণ কৰি দিছে অথবা দান দি আহিছে। দৰঙৰ অগ্ৰণী শিক্ষা প্ৰতিষ্ঠান মঙলদৈ মহাবিদ্যালয়ৰ B.Voc পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰীসকলে ইন্টাৰ্ণশ্বিপত এই SRD গ্ৰুপৰ উদ্যোগসমূহৰ সৈতে জড়িত হৈ বিভিন্ন কথা শিকিবলৈ



পাইছে। লগতে পিছৰ সময়ত বিভিন্নগৰাকী ছাত্ৰ-ছাত্ৰীয়ে ইয়াৰ সৈতে জড়িত হৈ নিজকে সংস্থাপিত কৰাৰ সুযোগ লাভ কৰি বৃহৎ সংখ্যক যুৱক-যুৱতী তথা ছাত্ৰ-ছাত্ৰীয়ে নিজ পৰিয়াল বা ঘৰ চলাই আহিছে। এইদৰে বিভিন্ন ৰাজহুৱা কামত দান বৰঙণিৰে সমাজৰ হকে কাম কৰি আছে যদিও এই গ্ৰুপে ব্যক্তিগতভাৱেও দুখীয়া, নিচলা বহু ব্যক্তিক সহায় কৰিছে। এই গ্ৰুপৰ মঙলদৈৰ চপাইত এটি Flour Mill থকাৰ লগতে এই গ্ৰুপৰ গেলামাল সামগ্ৰীৰ প্ৰতিষ্ঠানো মঙলদৈ চহৰত অৱস্থিত। উন্নয়নৰ ক্ষেত্ৰত বিশেষভাৱে কাম কৰি থকা SRD গ্ৰুপে Food safety management System (FSMS) ইত্যাদিৰ সহায় লৈ সকলো খাদ্য সামগ্ৰী পৰীক্ষা কৰি, পঞ্জীয়ন কৰি, ভেজাল নোহোৱাকৈ বজাৰত বিক্ৰীৰ বাবে এৰি দিয়ে। ITC, Conagra brands, Britannia আৰু Johnson & Johnson, Paper Boat ব্যৱসায়িক গ্ৰুপৰ সৈতে লগ হৈ কাম কৰি অহা এই SRD গ্ৰুপে প্ৰথমে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ খাদ্যৰ বজাৰ দখল কৰি সমগ্ৰ ভাৰতৰ বজাৰ আৰু ব্যৱসায়ৰ পোখা মেলিবলৈ আগ্ৰহী বুলি আমি জানিব পাৰোঁ।

সম্পাদনা সমিতিৰ তৰফৰ পৰা ভৱিষ্যতেও দৰং তথা অসম আৰু ভাৰতৰ সমাজৰ উন্নয়নৰ হকে, ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীক জড়িত কৰাই, ঔদ্যোগিক বিপ্লৱৰ সূচনা কৰি এই গ্ৰুপে কাম কৰি যাব আৰু গ্ৰুপ তথা ইয়াৰ উদ্যোগৰ উন্নতি কামনা কৰিলোঁ।❑

# ২০২২ বৰ্ষৰ বিভিন্ন বঁটা

## সংগীত নাটক একাডেমী অমৃত বঁটা ঃ

| | |
|---|---|
| হৰি বৰা বৰবায়ন | ঃ সত্ৰীয়া |
| ধৰ্মেশ্বৰ নাথ | ঃ ব্যাস ওজাপালি |
| গুৰু প্ৰসাদ ওজা | ঃ সত্ৰীয়া ওজাপালি (ব্যাস কীৰ্ত্তন) |
| মিনতি খাউণ্ড | ঃ হিন্দুস্তানী বাদ্য সংগীত (ভায়'লিন) |
| মাখন চন্দ্ৰ বৰা | ঃ লোকসংগীত আৰু নৃত্য |

## সাহিত্য অকাডেমি বঁটা ঃ

- মনোজ কুমাৰ গোস্বামী - অসমীয়া ভাষা
  গ্ৰন্থ ঃ **ভুলসত্য**
- ৰশ্মি চৌধুৰী - বড়ো ভাষা
  গ্ৰন্থ ঃ **সনশ্ৰীনি মন্দিৰা**
- খৰ্গ বাহাদুৰ নেপালী - নেপালী ভাষা
  নাটক ঃ **সাইনো**

## সাহিত্য অকাডেমি অনুবাদ সাহিত্য বঁটা ঃ

- ড° জুৰি দত্ত ঃ অসমীয়া ভাষা
- পূৰ্ণ কুমাৰ শৰ্মা ঃ নেপালী ভাষা
- ৰাজা দেৱজিৎ বসুমতাৰী ঃ বড়ো ভাষা

## শিল্পী বঁটা ঃ

- ড° অৰ্পণা বুজৰবৰুৱা
- পুলক বেনাৰ্জী

## মুনীন বৰকটকী সাহিত্য বঁটা ঃ

- উপাসনা শইকীয়া (গ্ৰন্থ - **হালধীয়া জোতা**)

| | |
|---|---|
| **বিষ্ণু ৰাভা বঁটা** | ঃ চন্দ্ৰকমল গগৈ আৰু শাৰদী শইকীয়া |
| **শ্ৰীশ্ৰীমাধৱদেৱ বঁটা** | ঃ অৰূপ কুমাৰ দত্ত |
| **বীৰ চিলাৰায় বঁটা** | ঃ শ্বহীদ ভাস্কৰ কলিতা |
| **নটসূৰ্য ফণী শৰ্মা বঁটা** | ঃ প্ৰাঞ্জল শইকীয়া |
| **ড° ভবেন্দ্ৰ নাথ শইকীয়া বঁটা** | ঃ অৰুণ নাথ |
| **বিজু ফুকন বঁটা** | ঃ সমৰেন্দ্ৰ নাৰায়ণ দেৱ |
| **ভীমবৰ দেউৰী বঁটা** | ঃ মিলেশ্বৰ পাটৰ |

## ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা ঃ

আঞ্চলিক ভাষাৰ শ্ৰেষ্ঠ অসমীয়া ছবি ঃ **ব্ৰীজ**
ডিমাছা ভাষাৰ শ্ৰেষ্ঠ বৈশিষ্ট্যপূৰ্ণ ছবি ঃ **ছেমখৰ**

**অসম বৈভৱ** ঃ ডাঃ তপন শইকীয়া

**অসম সৌৰভ** ঃ কৃষ্ণ ৰয়, গীলবাৰ্টছন ছাংমা, ডাঃ শশীধৰ ফুকন, নয়নমণি শইকীয়া, বিনয় কুমাৰ শইকীয়া।

**অসম গৌৰৱ** ঃ ধৃতিমালা ডেকা, ডাঃ দেৱজিৎ বৰ্মন, ৰুস্তম বসুমতাৰী, মাঞ্জেলা, বিনন্দ হাতীবৰুৱা, অতুল চন্দ্ৰ বৰুৱা, কল্যাণী ৰাজবংশী, শীলা গোৱালা, ডাঃ যোগেশ দেউৰী, পংকজলাল গগৈ, সৰ্বেশ্বৰ বসুমতাৰী, মানথাং মাৰ, ড° ধ্ৰুৱজ্যোতি শৰ্মা, দয়াল গোস্বামী আৰু ছৈয়দ ইফতিকাৰ

# মুখপত্ৰৰ মুখ

## মহাবিদ্যালয়ৰ বিভিন্ন বিভাগে প্ৰকাশ কৰি উলিওৱা

## হাতে লিখা আলোচনীৰ চমু খতিয়ান

### অন্তৰীপ, the cape




ভূগোল বিজ্ঞান বিভাগৰ পৰা প্ৰকাশ হোৱা হাতেলিখা আলোচনী 'অন্তৰীপ, the cape'ৰ প্ৰথমটি সংখ্যাৰ সম্পাদনা কৰিছে চুমন ডেকাই। উল্লেখ্য যে ভূগোল বিজ্ঞান বিভাগে এই প্ৰথমটি সংখ্যা সজাই তুলিছে 'জলবায়ু: মানৱ আৰু পৰিৱেশ' শীৰ্ষক বিষয়বস্তুৰে। মুৰব্বী অধ্যাপক ড° পবিত্ৰ কুমাৰ নাথে সভাপতিত্ব কৰা সম্পাদকীয় কক্ষত শ্যামলাল সৰকাৰ, ৰিয়াজুল হক, কৃষ্ণা ডেকা, শাশ্বতী বৰুৱা, হিমাশ্ৰী শৰ্মা, শশাঙ্ক মনি কাশ্যপ আৰু শ্বাহ আলমে সদস্যৰ ভূমিকা পালন কৰে। বেটুপাতৰ চিত্ৰ অংকন কৰে চুমন ডেকাই। শাশ্বতী বৰুৱাৰ "Global warming and it's impact on earth", কংকনা শৰ্মাৰ "Climate change and political polarization on social media", হিমাশ্ৰী শৰ্মাৰ 'জৈৱ-বৈচিত্ৰ্যতাত জলবায়ুৰ প্ৰভাৱ', নিশিতা ডেকাৰ "Climate and economic development" আদি লিখনিৰ মাজেৰে প্ৰকাশ পাইছে পত্ৰিকা খনিৰ গাম্ভীৰ্য্যতা। ভৱিষ্যতে এই আলোচনীখনৰ দ্বাৰা মহাবিদ্যালয় ভূগোল বিজ্ঞান বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ লগতে সমূহ ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক আৰু জ্ঞানৰ বিকাশৰ ক্ষেত্ৰত ই অগ্ৰণী ভূমিকা লবলৈ এই হাতে লিখা আলোচনীখনি প্ৰকাশ হৈ থকাটো অতি জৰুৰী।❑

### ঐক্যতান




মঙলদৈ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ পৰিয়ালৰ পৰা এটি সৰু প্ৰচেষ্টাৰে ঐক্যতান নামেৰে নামাংকৃত প্ৰথম সংখ্যক হাতেলিখা আলোচনী বিভাগৰ ছাত্ৰী শ্ৰীমধুস্মিতা ডেকাৰ সম্পাদনাত প্ৰকাশ কৰা হয়। বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীৰ চিন্তাধাৰা উন্নীত কৰা তথা সুপ্ত প্ৰতিভাসমূহ বিকশিত কৰাৰ প্ৰচেষ্টাৰে শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপিকা ড° ববিতা শৰ্মাৰ তত্ত্বাৱধানত লগতে বিভাগৰ শিক্ষাগুৰুমণ্ডলী ড° উষা ৰাণী ডেকা, ড° কুঞ্জলতা বৰুৱা, জ্যোতিপ্ৰিয়া শইকীয়া, অংকন চহৰীয়া আৰু কাকলি চহৰীয়া বাইদেউৰ লগতে সম্পাদনা সমিতিৰ সহযোগিতাত এই হাতে লিখা আলোচনীখন প্ৰকাশিত হয়। ঐক্যতানৰ বেটুপাত অংকন কৰিছিল ধীৰাজ শইকীয়াই। এই আলোচনীত উল্লেখিত বিষয় যেনে লক্ষ্যহীৰা ডেকাৰ "The National Education policy 2020", প্ৰাচুৰ্য্য হাজৰিকাৰ "Child labour', মধুস্মিতা ডেকাৰ 'পৰীক্ষাৰ উদ্বেগ বা উৎকণ্ঠা', পূবালী ডেকাৰ 'বৌদ্ধ যুগৰ শিক্ষা' ইত্যাদি ৰ লগতে আৰু বহু বিষয় সন্নিবিষ্ট হৈছে। আলোচনীখনে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতে উপকৃত কৰিব।❑

### কিশলয়




মঙলদৈ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ সমূহ শিক্ষাৰ্থী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে একগোট হৈ সামূহিক প্ৰচেষ্টাৰে প্ৰকাশ কৰি উলিয়াইছে এখন সমন্বয়ৰ প্ৰতীকচিহ্ন হাতে লিখা আলোচনী, নাম- 'কিশলয়'। উক্ত বিভাগৰ সমূহ প্ৰবক্তা আৰু ছাত্ৰ-ছাত্ৰীৰ সহায়ত আলোচনীখন সম্পাদনা কৰিছিল সম্পাদক জিত বৰুৱাই। আলোচনীখনত প্ৰকাশ পাইছে নানান কবিতা, প্ৰবন্ধ, অনুবাদ, গল্প, চিত্ৰ ইত্যাদি। আনকি বেটুপাত অংকন ও ৰূপসজ্জাৰ দায়িত্ব সম্পাদক জিত বৰুৱাই হাতত লৈ এখন সুন্দৰ বেটুপাত অংকন কৰি উলিয়াইছিল। পৃথিৱীৰ ভূমণ্ডল আৰু ইয়াৰ সমূহ উদ্ভিদৰ ওপৰত বিভিন্ন ধৰণে নিজৰ লিখনিৰ দ্বাৰা প্ৰকাশ কৰিছে মনপী নাথে 'Did you know' ৰে। ইয়াৰোপৰি বনশ্ৰী বৰগোঁহাইৰ 'বৰষুণ', চাৰজিনা ইয়াচমিনৰ 'কলেজীয়া জীৱনৰ পাতনি', পূজা সৰকাৰৰ 'EUPHORIA', ধীৰাজ বড়োৰ 'অসমৰ অৰ্কিড', জিত বৰুৱাৰ 'দৰঙী কোচৰজাৰ চমু ইতিবৃত্ত' আদিৰে আলোচনীখন মনোগ্ৰাহী কৰি তুলিছে।❑

## মহাবিদ্যালয়ৰ দেৱালেও দিয়ে জ্ঞান অন্বেষণৰ বাট




# প্ৰাচীৰ পঞ্জী

**সাঁচিপাত ঃ** 'সাঁচিপাত' হৈছে মঙলদৈ মহাবিদ্যালয়ৰ মূল প্ৰাচীৰ পত্ৰিকা। মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাহিত্য আৰু আলোচনী বিভাগে প্ৰকাশ কৰি উলিওৱা পত্ৰিকাখন ২০২২ বৰ্ষত সম্পাদনা কৰিছিল বিভাগীয় সম্পাদক দেৱাশীষ ৰাজকুমাৰে। ভিন্ন বিষয়েৰে সানমিহলি কবিতা, প্ৰবন্ধ, কুইজ, মহৎ লোকৰ বাণী ইত্যাদিৰে পত্ৰিকাখনিয়ে পৰিপূৰ্ণতা লাভ কৰে। উক্ত পত্ৰিকাখনি মহাবিদ্যালয় সপ্তাহৰ শেষৰটি দিনত মহাবিদ্যালয় IQAC সমন্বয়ক পৰেশ শৰ্মা মহোদয়ে উন্মোচন কৰিছিল।

**কুঁহিপাত ঃ** অসমীয়া বিভাগৰ স্নাতক আৰু স্নাতকোত্তৰ শাখাই কৰা প্ৰাচীৰ পত্ৰিকা 'কুঁহিপাত' বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ সকলৰ দ্বাৰা প্ৰত্যেক বছৰে প্ৰকাশ কৰা হয়। সাহিত্যৰ বিভিন্ন সমলৰ সমাহাৰ ঘটে উক্ত পত্ৰিকাত।

**মৌচুমী ঃ** 'মৌচুমী' ভূগোল বিজ্ঞান বিভাগৰ পৰা প্ৰকাশ কৰি অহা প্ৰাচীৰ পত্ৰিকা। ভূগোলৰ বিভিন্ন কথা আৰু প্ৰত্যেক বছৰেই পৃথিৱী তথা পৰিৱেশৰ বিভিন্ন বিষয়ক লৈ প্ৰকাশ কৰি অহা ২০২২ বৰ্ষৰ 'মৌচুমী'ৰ বিষয়বস্তু আছিল মঙলদৈ মহাবিদ্যালয়ৰ ৰেঙনি আৰু সম্পাদনা কৰি উলিয়াইছিল দেৱাশীষ ৰাজকুমাৰে। উন্মোচন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° কমলা কান্ত বৰা মহোদয়ে।

**জিজ্ঞাসা ঃ** দৰ্শন বিভাগৰ পৰা প্ৰকাশিত পত্ৰিকা হৈছে 'জিজ্ঞাসা'। ছাত্ৰ-ছাত্ৰীসকলৰ দাৰ্শনিক আৰু মনোভাৱ প্ৰকাশ পোৱা পত্ৰিকাখনি সুন্দৰভাৱে সজাই তুলিছিল মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে।

**দাপোণ ঃ** ৰাজনীতি বিজ্ঞান বিভাগে প্ৰকাশ কৰি অহা প্ৰাচীৰ পত্ৰিকাখনে বিশ্বৰ বিভিন্ন ৰাজনৈতিক আৰু সামাজিক ঘটনাসমূহক বিষয় হিচাপে লৈ পত্ৰিকাখনি প্ৰকাশ কৰি আহিছে।

**Dolphin :** প্ৰাণী বিজ্ঞান বিভাগে প্ৰকাশ কৰি অহা প্ৰাচীৰ পত্ৰিকাখনিৰ নাম ৰাখিছে 'Dolphin'। ছাত্ৰ-ছাত্ৰীয়ে অংকন কৰা ভিন্ন চিত্ৰ, প্ৰাণীজগতৰ বিভিন্ন কথাৰে পত্ৰিকাখনি প্ৰকাশ পাই আহিছে।

**Magnolia :** 'Magnolia' হৈছে উদ্ভিদৰ ভিন্ন কাহিনী সন্নিৱিষ্ট সুন্দৰ প্ৰাচীৰ পত্ৰিকা। ছাত্ৰ-ছাত্ৰী, গছ-গছনি তথা পৰিৱেশৰ ভিন্ন সেউজীয়া তথ্যৰে সজোৱা হয় এই পত্ৰিকা।

**Molecule :** ৰসায়ন বিজ্ঞান বিভাগে প্ৰকাশ কৰি উলিওৱা প্ৰাচীৰ পত্ৰিকাৰ নাম হৈছে 'Molecule'। ৰসায়ন বিজ্ঞান জগতৰ ৰঙীন তথ্যৰে বিভিন্ন বিষয় লৈ প্ৰত্যেক বছৰে বিভাগে প্ৰাচীৰ পত্ৰিকাখন প্ৰকাশ কৰি আহিছে।

**Mindroid :** পদাৰ্থ বিজ্ঞান বিভাগে 'Mindroid' নামেৰে প্ৰকাশ কৰি অহা পত্ৰিকাখনি যন্ত্ৰ, প্ৰযুক্তি, মহাকাশ বিজ্ঞান, বিজ্ঞানী ইত্যাদিৰ কথাৰে ছাত্ৰ-ছাত্ৰী সকলে সুন্দৰকৈ প্ৰকাশ কৰে।

**ৰেঙনি ঃ** বুৰঞ্জী বিভাগৰ প্ৰাচীৰ পত্ৰিকাৰ নাম 'ৰেঙনি'। প্ৰত্যেক বছৰে ভিন্ন বিষয় লৈ বুৰঞ্জী বিভাগে 'ৰেঙনি' প্ৰকাশ কৰি আহিছে।

**Educare :** 'Educare' হৈছে শিক্ষা বিভাগে প্ৰকাশ কৰি অহা প্ৰাচীৰ পত্ৰিকাখনিৰ নাম। শিক্ষা জগতৰ নানা বিষয় লৈ প্ৰত্যেক বছৰে পত্ৰিকাখনি প্ৰকাশ পাই অহাটোৱে শিক্ষা বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশক সূচায়। ২০২২ বৰ্ষত 'Great Indian Philosopher' বিষয়বস্তুৰে এই প্ৰাচীৰ পত্ৰিকাখনি সজোৱা হৈছিল। প্ৰাচীৰ পত্ৰিকাখনি উন্মোচন কৰিছিল অধ্যক্ষ মহোদয়ে।

**জ্ঞানম ঃ** সংস্কৃত বিভাগৰ পৰা প্ৰকাশ কৰি উলিওৱা 'জ্ঞানম' প্ৰাচীৰ পত্ৰিকাই সংস্কৃত ভাষা, সাহিত্য, বেদ, দৰ্শন ইত্যাদিৰ ভিন্ন কথা প্ৰতিফলিত কৰে।

**Sutras :** 'Sutras' গণিত বিভাগে প্ৰকাশ কৰি উলিওৱা বিভাগীয় প্ৰাচীৰ পত্ৰিকাৰ নাম। প্ৰত্যেক বছৰে ৰাষ্ট্ৰীয় গণিত দিৱসত পত্ৰিকাখনি প্ৰকাশ কৰি অহা হয়।

**The Dawn :** ছাত্ৰ-ছাত্ৰীৰ হাতৰ পৰশত ২০২২ বৰ্ষত ইংৰাজী সাহিত্যৰ Paradise Lost ৰ Adam, Eve ৰ কাহিনী সন্নিৱিষ্ট কৰি 'The Garden of Eden' শীৰ্ষক বিষয়বস্তু লৈ প্ৰকাশ কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে উন্মোচন কৰা বিভাগীয় প্ৰাচীৰ পত্ৰিকাখনিৰ নাম 'The Dawn' অৰ্থাৎ ইংৰাজীত ইয়াৰ অৰ্থ হৈছে 'দোকমোকালি'। ই ২০১৯ চনৰ পৰা প্ৰকাশ পাই আহিছে।

**সম্ভাৱিতা ঃ** পৰিসংখ্যা বিভাগে প্ৰকাশ কৰি উলিওৱা 'সম্ভাৱিতা' হৈছে বিভাগীয় প্ৰাচীৰ পত্ৰিকাৰ নাম। পৰিসংখ্যা বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ স্থল হৈছে এই 'সম্ভাৱিতা'।

**Techno Greek :** 'Techno Greek' হৈছে কম্পিউটাৰ বিজ্ঞান বিভাগৰ দ্বাৰা প্ৰকাশ কৰি উলিওৱা প্ৰাচীৰ পত্ৰিকা। প্ৰযুক্তিৰ সহায়ত প্ৰযুক্তিবিদ্যাৰ নানান কাহিনী সন্নিৱিষ্ট কৰি প্ৰাচীৰ পত্ৰিকাখনি প্ৰকাশ কৰা হয়।

**Focus :** বি. ভক. বিভাগৰ পৰা প্ৰকাশ কৰি উলিওৱা প্ৰাচীৰ পত্ৰিকাখনিৰ নাম 'Focus'। বি.ভক পাঠ্যক্ৰমৰ দুটা শাখাৰ ছাত্ৰ-ছাত্ৰীয়ে মিলি এই পত্ৰিকা প্ৰস্তুত কৰি উলিয়াই।

**Daokhri jeng :** বড়ো সংস্কৃতিৰ লগতে ভিন্ন বিষয়ৰ সমাহাৰ ঘটা 'Daokhri jeng' হৈছে বড়ো বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰকাশ কৰি অহা প্ৰাচীৰ পত্ৰিকা।

**Al-Risalah (The Message) :** মহাবিদ্যালয়ৰ আন এটি বিভাগ আৰবী বিভাগে প্ৰত্যেক বছৰে প্ৰকাশ কৰি উলিওৱা প্ৰাচীৰ পত্ৰিকাখনিৰ নাম Al-Risalah (The Message)।

**TAGRA RAHO :** 'Tagra Raho' হৈছে মঙলদৈ মহাবিদ্যালয় 73 Assam girls (I) Coy NCC, Tezpur শাখাৰ ছাত্ৰী সকলে প্ৰকাশ কৰি উলিওৱা প্ৰাচীৰ পত্ৰিকাখনৰ নাম। কেৱল NCC ছোৱালীসকলে প্ৰকাশ কৰি উলিওৱা এই পত্ৰিকাখনি মহাবিদ্যালয়ৰ বিভাগৰ বাহিৰে মহাবিদ্যালয় সৈতে জড়িত অন্য কোনো অনুষ্ঠানে প্ৰকাশ কৰা প্ৰাচীৰ পত্ৰিকা।❑

# ।।আত্ম প্ৰতিকৃতি।।



অংকন ঃ চুমন ডেকা



অংকন ঃ অংকুৰ চহৰীয়া

## ছাত্ৰ একতা সভাৰ বিভাগীয় সম্পাদকৰ প্ৰতিবেদন

২০২১-২২ বৰ্ষ



# সভাপতিৰ প্ৰতিবেদন

লিখনিৰ প্ৰাক্ মুহূৰ্তত বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী আই সৰস্বতীৰ শ্ৰীচৰণত শতকোটি প্ৰাৰ্থনা জনাই মাত্ৰ একতা সভাৰ সভাপতিৰ প্ৰতিবেদন লিখিবলৈ হাতত কলম তুলি ল'লো।

প্ৰতিবেদন লিখাৰ আৰম্ভণিতে সোঁৱৰিছো সেইসকল মহান মানৱক যিসকলৰ বিদ্যানুৰূপ, পৰিশ্ৰম আৰু ত্যাগৰ ফলত ১৯৫১ চনৰ ২০ ছেপ্টেম্বৰ তাৰিখে দৰং জিলাৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰস্বৰূপ আমাৰ সকলোৰে মৰমৰ মঙলদৈ মহাবিদ্যালয়খনি গঢ়ি উঠিছিল। তেওঁলোকলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ। লগতে ভাষা আন্দোলনত, ভাষা, জাতি, মাটি ৰক্ষাৰ বাবে নিজৰ জীৱন আহুতি দিয়া সেইসকল শ্বহীদ তথা পৰম পুৰুষক মই শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

বিগত বৰ্ষত মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত আপোনালোকৰ মাজৰ পৰা মোক সভাপতি হিচাপে নিৰ্বাচিত কৰি সকলোৰে মোক সেৱাত নিৰ্বাচিত কৰে। গতিকে এই ছেগতে মই সকলো ছাত্ৰ-ছাত্ৰীক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে উক্ত কাৰ্য্যকালত মহাবিদ্যালয়ৰ বিভিন্ন কাম কাজত সহায় আগবঢ়োৱা সকলো ছাৰ-বাইদেউ, বন্ধু-বান্ধৱী তথা ভাই-ভনীকে তেওঁলোকৰ দিহা-পৰামৰ্শ আৰু দৈহিক শ্ৰমৰ বাবে অশেষ ধন্যবাদ লগতে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আপোনালোকৰ সহযোগিতাৰ বাবে আজীৱন চিৰ কৃতজ্ঞ হৈ ৰ'ম।

বিশাল চৌহদৰ লগতে প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ মঙলদৈ মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি আছে বিভিন্ন জাতি, ধৰ্ম, বৰ্ণ, ভাষা, নিৰ্বিশেষে বহু ছাত্ৰ-ছাত্ৰীয়ে। মহাবিদ্যালয়খনৰ জাতি, ধৰ্ম সকলোৰে ঐক্য সংস্কৃতিৰ প্ৰতি সচেতন হৈ জিলাখনৰ লগতে ৰাজ্যখনৰ সৰ্বাংগীণ বিকাশৰ হকে কাম কাজেই আমাৰ সকলোৰে ঐক্য সংস্কৃতিৰ প্ৰতি দায়িত্ব। ছাত্ৰ-ছাত্ৰীৰ একাগ্ৰতা অবিহনে সেৱা কোনোপধ্যেই সম্ভৱ নহয়। গতিকে সকলোৰে বিকাশলৈ লক্ষ্য ৰাখি ইপ্সিত আশাক সফল কৰাই আমাৰ লক্ষ্য।

২০২২ চনৰ জানুৱাৰী মাহৰ ৪ তাৰিখে নিৰ্বাচনত জয়লাভ কৰাৰ পিছত জানুৱাৰী মাহৰ ২৮ তাৰিখে ছাত্ৰ একতা সভাৰ কাৰ্যালয়ত অনুষ্ঠিত প্ৰথমখন কাৰ্যনিৰ্বাহক সভাত দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছত মহাবিদ্যালয়খনৰ হৈ এটি সন্মানীয় দায়িত্ব মূৰ পাতি লওঁ। চাওঁতে চাওঁতে মোৰ লগতে ২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমূহ সদস্যৰ প্ৰায় এবছৰীয়া কাৰ্য্যকাল অন্ত পৰিবৰ হ'ল, এই সময়ছোৱাত আমাৰ কাৰ্য্যকালৰ কিছু লক্ষ্যণীয় অৱলোকন আপোনালোকৰ আগত দাঙি ধৰিবলৈ চেষ্টা কৰিলোঁ।

নিৰ্বাচনত জয়ী হোৱাৰ কিছুদিন পিছতেই ২০২২ বৰ্ষৰ সৰস্বতী পূজা অনুষ্ঠিত কৰি, বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী 'সৰস্বতী মা'ৰ আশীৰ্বাদেৰে মই মোৰ কাৰ্যকালৰ আৰম্ভণি কৰোঁ। উক্ত পূজাভাগত মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকাৰ লগতে প্ৰায় তিনি হাজাৰ ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। ইয়াৰ কিছুদিন পিছতেই ৮ মাৰ্চ তাৰিখে আন্তৰ্জাতিক নাৰী দিৱসৰ লগত সংগতি ৰাখি সাহিত্য বিভাগৰ উদ্যোগত সদৌ অসম ভিত্তিত অনলাইন স্ব-ৰচিত কবিতা প্ৰতিযোগিতাৰ লগতে অনলাইন ফটোগ্ৰাফী প্ৰতিযোগিতা আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এদিনীয়া যোগাসন প্ৰশিক্ষণৰ ব্যৱহা কৰা হয়। এই অনুষ্ঠানত কমেও এশ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বহুদিনীয়া অভিযোগৰ প্ৰতি লক্ষ্য ৰাখি মাৰ্চ মাহৰ ১ তাৰিখে স্থায়ী বেডমিন্টন আৰু ভলীবল ক'ৰ্ট দুখন উদ্বোধন কৰা হয়। উদ্বোধনী খেল হিচাপে অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত এখনি প্ৰীতিমূলক ভলীবল খেল অনুষ্ঠিত কৰা হয়।

প্ৰতিজন অসমীয়াৰ বাবে বিহু এক অনন্য অনুভূতি। প্ৰতিটো সময়তে বিহুৰে অসমীয়া সংস্কৃতি বিশ্ব দৰবাৰত দাঙি ধৰি আহিছে। সেই উপলক্ষে মহাবিদ্যালয়ৰ ইতিহাসত পোনপ্ৰথমবাৰৰ বাবে এপ্ৰিল মাহৰ ২১ তাৰিখে মহাবিদ্যালয়ৰ প্ৰাংগণত 'ব'হাগৰ এদিন' শীৰ্ষক এটি অনুষ্ঠান উদ্‌যাপন কৰা হয়। এই অনুষ্ঠানটিত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে উৎফুল্লিত মনোভাৱেৰে অংশগ্ৰহণ কৰি অনুষ্ঠানটি সাফল্যমণ্ডিত কৰে। এই অনুষ্ঠানৰ কিছুদিন পিছতেই মে' মাহৰ ৮, ৯, ১০ আৰু ১১ তাৰিখে মহাবিদ্যালয় সপ্তাহৰ আয়োজন কৰা হয়।

মহাবিদ্যালয়ৰ বাবে-ৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাত প্ৰতিটো বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন ধৰণে আমাৰ অসমীয়া সংস্কৃতিক উপস্থাপন কৰে। মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাহিত্য আৰু আলোচনী বিভাগৰ দ্বাৰা পৰিচালিত মহাবিদ্যালয়ৰ মূল প্ৰাচীৰ পত্ৰিকা 'সাঁচিপাত' উন্মোচন কৰা হয়। সাংস্কৃতিক শোভাযাত্ৰাত প্ৰায় তিনি হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। মহাবিদ্যালয় সপ্তাহৰ শেষৰটি দিনৰ মুকলি আৰু বঁটা বিতৰণী সভাত লক্ষ্যণীয়ভাৱে মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ উদ্যোগত মহাবিদ্যালয়ৰ কৃতী ছাত্ৰ-ছাত্ৰীলৈ স্মাৰক বঁটা প্ৰদান আৰু সম্বৰ্ধনা জনোৱা হয়। উক্ত অনুষ্ঠানটিত মুখ্য অতিথি হিচাপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সন্মানীয় উপাচাৰ্য অধ্যাপক প্ৰতাপ জ্যোতি সন্দিকৈ মহোদয়। এই চাৰিদিনীয়া মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতা সমূহত ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰি নিজৰ প্ৰতিভা বিকাশত আৰু এখোজ আগুৱাই যোৱাটো মহাবিদ্যালয় আৰু ছাত্ৰ-ছাত্ৰী সকলোৰে বাবে এক শুভ লক্ষণ। তাৰ বাবে মই প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰধন্য হৈ ৰ'ম।

মঙলদৈ মহাবিদ্যালয়ৰ আন্তঃগাঁথনি তথা বিভিন্ন দিশত সফলতা লাভ কৰাত মাননীয় প্ৰাক্তন অধ্যক্ষ ড° খগেন্দ্ৰ কুমাৰ নাথ ছাৰৰ ভূমিকা এক লক্ষ্যণীয়। তেখেতৰ অহৰহ প্ৰচেষ্টাত মহাবিদ্যালয়খনে এক নতুন ৰূপ ধাৰণ কৰে আৰু সেয়া প্ৰতিজন দৰংবাসীৰ বাবে চিৰস্মৰণীয় হৈ ৰ'ব। অধ্যক্ষ খগেন্দ্ৰ কুমাৰ নাথ মহোদয়ৰ সন্মানাৰ্থে যাত্ৰ একতা সভাৰ উদ্যোগত ২০২২ চনৰ ২৫ মে' তাৰিখে এখনি বিদায়ী সম্বৰ্ধনা অনুষ্ঠান আয়োজন কৰি অশ্ৰুসিক্তভাৱে তেখেতক বিদায় জনোৱা হয়।

"এক বৃদ্ধ দশ পুত্ৰ সম", অৰ্থাৎ এজোপা গছ দহজন পুত্ৰৰ সমান। গছ থাকিলেহে মানুহ থাকিব। সেয়েহে ৫ জুন, ২০২২ তাৰিখ বিশ্ব পৰিৱেশ দিৱস উপলক্ষে "Plantation Drive And Awareness Program" (বৃক্ষ ৰোপণ আৰু সজাগতা অনুষ্ঠান) এটি আয়োজন কৰা হয়। য'ত মহাবিদ্যালয়ৰ চাৰিওফালৰ চৌহদত গছপুলি ৰোপণ কৰা হয় আৰু এটি সজাগতামূলক চাইকেল ৰেলীৰ আয়োজন কৰা হয়। উক্ত অনুষ্ঠানত মহাবিদ্যালয়ৰ কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। ইয়াৰ কিছুদিন পিছতেই প্ৰাকৃতিক দুৰ্যোগ বানপানীয়ে বিভিন্ন ঠাইৰ দৰে দৰং জিলাতো বিধ্বংসী ৰূপ ধাৰণ কৰে। এই বানপানীৰ সময়ছোৱাত মহাবিদ্যালয় কৰ্তৃপক্ষৰ উদ্যোগত ছাত্ৰ একতা সভাৰ সহযোগত বিভিন্ন বানপীড়িত অঞ্চলত গৈ সহায়ৰ হাত আগবঢ়োৱা হয়। বিপদৰ সময়ত মহাবিদ্যালয়ৰ হৈ বানপীড়িতসকলৰ ওচৰত থিয় হ'ব পৰাটো মোৰ বাবে অতি গৌৰৱৰ আৰু চিৰ স্মৰণীয় ঘটনা।

*"গুৰু ব্ৰহ্মা, গুৰু বিষ্ণু, গুৰু দেৱ মহেশ্বৰ,*
*গুৰু সাক্ষাৎ পৰম ব্ৰহ্ম তস্মৈ শ্ৰীগুৰৱে নমঃ"*

জীৱনৰ বাটত আগুৱাই যাবলৈ জ্ঞান দিয়া, সাহস দিয়া আৰু প্ৰেৰণা যোগোৱা প্ৰতিগৰাকী শিক্ষাগুৰুলৈ সেৱা জনালোঁ। গুৰু আৰু শিষ্যৰ সম্পৰ্কটো হৈছে এটা নিৰ্ভেজাল নিঃস্বাৰ্থপৰ সম্পৰ্ক। গুৰুৱে শিষ্যৰ প্ৰতিটো দিশত উন্নতিৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰে। আৰু তাৰ ফলস্বৰূপে অতীজৰে পৰাই শিষ্যই গুৰুসকলক সন্মান কৰি আহিছে। স্বাধীন ভাৰতবৰ্ষত প্ৰতিবছৰে পাঁচ ছেপ্টেম্বৰ তাৰিখে প্ৰতিজন গুৰুক সন্মান জনোৱাৰ অৰ্থে শিক্ষক দিৱস পালন কৰা হয়। মঙলদৈ মহাবিদ্যালয়তো প্ৰতি বছৰে প্ৰতিটো বিভাগতে শিক্ষক দিৱস পালন কৰি অহা হৈছে। কিন্তু এই শিক্ষক দিৱস উদ্‌যাপনৰ ক্ষেত্ৰত নিয়মীয়া ছাত্ৰ-ছাত্ৰীসকল প্ৰতিবছৰে বঞ্চিত হোৱা পৰিলক্ষিত হয়। সেই হেতুকে ২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ উদ্যোগত পোন প্ৰথম বাৰৰ বাবে মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত সমূহীয়াভাৱে শিক্ষক দিৱস উদযাপন কৰা হয়। এই অনুষ্ঠানটি সাফল্যমণ্ডিত কৰাত প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ প্ৰতিটো দিশতেই সহায় সহযোগিতা অতি লক্ষ্যণীয় আছিল।

মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে ২০ ছেপ্টেম্বৰ তাৰিখে প্ৰতিবছৰে মহাবিদ্যালয়ত শ্বহীদ সোঁৰৱণী সদৌ অসম ভিত্তিত আন্তঃ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় ভিত্তিক তৰ্কপ্ৰতিযোগিতা এখনি অনুষ্ঠিত কৰা হয়। তাৰ উপলক্ষে এই বছৰ ১২/০৯/২০২২ তাৰিখৰ পৰা ১৪/০৯/২০২২ তাৰিখলৈ পোনপ্ৰথমবাৰৰ বাবে মহাবিদ্যালয়ত সদৌ অসম ভিত্তিত এখনি তৰ্কৰ কৰ্মশালা অনুষ্ঠিত কৰা হয়। য'ত বিভিন্ন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। আৰু তাৰ পিছতেই প্ৰতিবছৰৰ দৰে মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস ২০ ছেপ্টেম্বৰ তাৰিখে সদৌ অসম ভিত্তিত শ্বহীদ সোঁৰৱণী তৰ্ক প্ৰতিযোগিতাখনি অনুষ্ঠিত কৰা হয়। লগতে প্ৰতিষ্ঠা দিৱস উপলক্ষে সন্ধিয়া মহাবিদ্যালয় প্ৰাংগণত বন্তিপ্ৰজ্বলনো কৰা হয়। এই ক্ষেত্ৰত বিশেষভাৱে সহায় কৰে মহাবিদ্যালয় ছাত্ৰী আৱাসৰ ছাত্ৰীসকলে। উক্ত অনুষ্ঠানটি পোনপ্ৰথমবাৰৰ বাবে বৃহৎ পৰিসৰত সুন্দৰকৈ সকলো ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত যিধৰণে সুকলমে পাৰ হৈ গৈছে তাৰ বাবে মই সকলোকে ধন্যবাদ জ্ঞাপন কৰিছো।

প্ৰতিবছৰে সকলো ছাত্ৰ-ছাত্ৰীৰ মাজত নৱাগত আদৰণী সভা কেতিয়া হ'ব বুলি মহাবিদ্যালয়ৰ সকলোৰে মাজত এক উৎকণ্ঠাৰ পৰিস্থিতিৰ সৃষ্টি হয়। সেয়েহে অধ্যক্ষ মহোদয়ৰ নিৰ্দেশ অনুসৰি ছাত্ৰ একতা সভাৰ সমূহ সদস্যৰ আলোচনাৰ অন্তত ছেপ্টেম্বৰ মাহৰ ১৬ তাৰিখে নৱাগত আদৰণী সভা অনুষ্ঠিত কৰা হয়। নৱাগত আদৰণী সভাৰ সাংস্কৃতিক অনুষ্ঠানৰ মুখ্য আকৰ্ষণ হিচাপে অসমৰ জনপ্ৰিয় গায়িকা সুবাসনা দত্তৰ উপস্থিতিত আৰু আকৰ্ষণীয় হৈ পৰে। উক্ত অনুষ্ঠানটিত মহাবিদ্যালয়ৰ মহাবিদ্যালয়ৰ প্ৰায় তিনি হাজাৰ ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। এই নৱাগত আদৰণী সভাত নৱাগতসকলক অগ্ৰজ সকলে যিধৰণে আদৰণি জনালে সেয়া মঙলদৈ মহাবিদ্যালয়ৰ আগন্তুক শৈক্ষিক পৰিৱেশ এটি গঢ় দিয়াৰ শুভ লক্ষণ বুলি আমি অনুধাৱন কৰোঁ।

সু-পৰিচালিত আৰু সু-পৰিকল্পিত মহাবিদ্যালয় সপ্তাহৰ পৰিণতি স্বৰূপে এইবেলি ২১, ২২ আৰু ২৩ ছেপ্টেম্বৰ তাৰিখে শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ত অনুষ্ঠিত

হোৱা পূব মাণ্ডলিক আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত মঙলদৈ মহাবিদ্যালয়ে চাৰিটাকৈ ক্ৰমে- একাংকিকা নাট প্ৰতিযোগিতাত প্ৰথম, মূকাভিনয় প্ৰতিযোগিতাত দ্বিতীয়, থিতাতে লিখা স্ব-ৰচিত কবিতা আবৃত্তি প্ৰতিযোগিতাত দেৱাশীষ ৰাজকুমাৰে প্ৰথম আৰু পাশ্চাত্য সংগীত প্ৰতিযোগিতাত ড্ৰিমলী কাশ্যপে প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হয়। যোৱা ২৮ অক্টোবৰৰ পৰা ১ নৱেম্বৰ তাৰিখলৈ গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত মূল আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ-২০২২ত অংশগ্ৰহণ কৰি মঙলদৈ মহাবিদ্যালয়ে পোনপ্ৰথমবাৰৰ বাবে পাঁচটিকৈ ক্ৰমে— দ্বিতীয় শ্ৰেষ্ঠ নাট্যদলৰ উপৰিও ভিজিত ডেকাই শ্ৰেষ্ঠ অভিনেতা, সুস্মিতা শইকীয়াই দ্বিতীয় শ্ৰেষ্ঠ সহঃ অভিনেত্ৰী, থিতাতে লিখা স্বৰচিত কবিতা আবৃত্তি প্ৰতিযোগিতাত দেৱাশীষ ৰাজকুমাৰে তৃতীয় আৰু পাশ্চাত্য সংগীতত ড্ৰিমলী কাশ্যপে দ্বিতীয় স্থান আঁজুৰি আনিবলৈ সক্ষম হয়।

সমস্যাৰ শেষ নাই, আমিও মহাবিদ্যালয়ত বিভিন্ন সমস্যাত ভুগিছো, সকলো সমস্যাৰ হঠাৎ সমাধান সহজলভ্য নহয় যদিও মহাবিদ্যালয়ৰ বৰ্তমানৰ অধ্যক্ষ ড° কমলা কান্ত বড়া মহোদয়ে যথেষ্টখিনি কৰি আছে লগতে আমাক সহায় কৰিছে আৰু আমিও যৎপৰোনাস্তি চেষ্টা অব্যাহত ৰাখিছোঁ। আৰু মহাবিদ্যালয়খনৰ হৈ অদূৰ ভৱিষ্যতেও এই চেষ্টা অব্যাহত ৰাখিম।

"ওম অসতো মা সদ্গময়..."- মহাবিদ্যালয়ৰ মূল মন্ত্ৰটিৰ অন্তৰ্নিহিত ভাৱধাৰা মনত ৰাখি আমি সকলোৱে যাওঁ আহক প্ৰজ্ঞাৰ জগতলৈ। ইয়াৰ লগে লগে মই মোৰ কাৰ্য্যকালত হোৱা বিভিন্ন ভুল-ত্ৰুটিৰ ক্ষমা আৰু ভৱিষ্যতলৈ সকলোৰে মৰম আৰু আশীৰ্বাদ বিচাৰি মই মোৰ প্ৰতিবেদন ইমানতে সামৰিলোঁ। ধন্যবাদ।

জয়তু মঙলদৈ মহাবিদ্যালয়।

জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা।

**নিশান্ত কলিতা**

সভাপতি

ছাত্ৰ একতা সভা



## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

*"মহাজীৱনৰ মহাসাধনাৰ*
*আশাৰ গজালি তুমি*
*জ্ঞান গৰিমাৰ ধ্যান ধাৰণাৰ*
*মহান পুণ্য ভূমি"*

প্ৰতিবেদনৰ আৰম্ভণিতে মই সেই সকল ব্যক্তিক, পুৰোধাক প্ৰণাম জনাইছো যিসকল ব্যক্তিৰ ত্যাগ-কষ্ট, সাধনা আৰু সবল চিন্তাধাৰাৰ প্ৰতিফলন স্বৰূপে সহস্ৰজনৰ জ্ঞানৰ প্ৰাণকেন্দ্ৰ মঙলদৈ মহাবিদ্যালয় প্ৰতিষ্ঠিত হৈছিল।

শিক্ষা সাধনাৰ মন্দিৰ স্বৰূপ আমাৰ হাজাৰজনৰ আপোন মঙলদৈ মহাবিদ্যালয়লৈ প্ৰতিষ্ঠা কালৰে পৰা কোনোবাজন হয়তো শিক্ষাদান, কোনোবাজন হয়তো শিক্ষাগ্ৰহণ, কোনোবাজন হয়তো অন্য কাম, এনেদৰে মহাবিদ্যালয়লৈ অহা প্ৰতিজনৰ যিদৰে মহাবিদ্যালয়খন আপোন বা মহাবিদ্যালয়ৰ চৌপাশ বা শান্তিময় শৈক্ষিক পৰিৱেশৰ প্ৰতি আপ্লুত হৈ পৰে।

ঠিক তেনেদৰে শৈশৱৰ পৰাই যেতিয়া মই মঙলদৈ মহাবিদ্যালয়ৰ সন্মুখেৰে পাৰ হৈ গৈছিলো তেতিয়াই মই মহাবিদ্যালয়খনৰ ফালে এবাৰ হ'লেও ভুমুকিয়াই চাইছিলো, তেতিয়াই সপোন দেখিছিলো, মহাবিদ্যালয়খনক চাব বিচাৰিছিলো অসমৰ এখন আগশাৰীৰ অন্যতম শ্ৰেষ্ঠ মহাবিদ্যালয় হিচাপে। যিদিনাখন মই মহাবিদ্যালয়ত প্ৰথম খোজ দিছিলো সেইদিনাখন মহাবিদ্যালয়ৰ পৰিৱেশ, চৌপাশৰ বাতাবৰণৰ প্ৰতি আকৰ্ষিত হৈ পৰিছিলো, ভৰি থৈয়ে চৌপাশ ঘূৰিছিলো আৰু সপোন দেখিছিলো আপোন মহাবিদ্যালয়খনক আগশাৰীৰ শ্ৰেষ্ঠ মহাবিদ্যালয় হিচাপে প্ৰতিষ্ঠা কৰাত মোৰো ব্যক্তিগত অকণমান যোগাত্মক অৰিহণা প্ৰদান কৰা।

সেই উদ্দেশ্য আগত ৰাখিয়েই আগবাঢ়ি গৈছিলো, কৰ্মৰ জৰিয়তে মোৰ ক্ষুদ্ৰ অৰিহণা প্ৰদানৰ চেষ্টা কৰিছিলো, তাৰ মাজতে অৰ্থাৎ মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভা- ২০২১-২২ বৰ্ষৰ সাধাৰণ সম্পাদক হিচাপেও কাম কৰাৰ সুযোগ লাভ কৰিছিলো আৰু মহাবিদ্যালয়খনক শ্ৰেষ্ঠতম মহাবিদ্যালয় হিচাপে প্ৰতিষ্ঠা কৰাৰ বাসনাৰে আমাৰ তৰফৰ পৰা যৎপৰোনাষ্টি চেষ্টা কৰিছিলো। কাৰ্যকালৰ কিয়দংশ মই প্ৰতিবেদনৰ জৰিয়তে দাঙি ধৰিব বিচাৰিছো—

প্ৰথম কাৰ্যৱলী হিচাপে সৰস্বতী পূজা উদ্‌যাপনৰ উদ্দেশ্যে ৩-২-২০২২ তাৰিখে মহাবিদ্যালয় প্ৰাংগণত মহাবিদ্যালয়ৰ সমূহ পৰিয়ালবৰ্গৰ সহযোগত এটি চাফাই অভিযান চলোৱা হয়।

সৰস্বতী পূজা গতানুগতিক। তথাপিতো অলপ ব্যতিক্ৰমী ৰূপত মহাবিদ্যালয়খনিৰ সৰস্বতী পূজাখনি উদ্‌যাপন কৰা হৈছিল।

জৰাজীৰ্ণ হৈ থকা এক প্ৰকাৰ ছাত্ৰ একাতা সভাৰ কাৰ্যালয়টিক ন-ৰূপ প্ৰদানৰ চেষ্টা কৰা হয়। পানী সংযোজনৰ লগতে নিত্য-নৈমিত্তিক প্ৰয়োজনীয় চকী, আলমিৰা আদিৰ ব্যৱস্থা কৰা হয়।

২৬ জানুৱাৰী, ২০২২ তাৰিখ স্বাধীনতাৰ অমৃত মহোৎসৱৰ সময়ত দেশজুৰি আয়োজন কৰা হয় গণৰাজ্য দিৱস। গতিকে মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গৰ লগতে ছাত্ৰ একতা সভাৰ সহযোগত অতি উলহ-মালহেৰে উদ্‌যাপিত হয়।

মাৰ্চ মাহৰ মাজভাগত ১৫-৩-২০২২ তাৰিখৰ পৰা ছাত্ৰ একতা সভাৰ তৰফৰ পৰা মহাবিদ্যালয়ত ক্ৰীড়াৰ দিশত নৱ-সংযোজন কৰাৰ উদ্দেশ্যে মহাবিদ্যালয়ৰ সন্মুখ আৰু ইংৰাজী বিভাগৰ সন্মুখ প্ৰাংগণত ক্ৰমে 'ভলীবল ক'ৰ্ট' আৰু 'বেডমিন্টন ক'ৰ্ট' স্থাপন কৰা হয়। উদ্বোধন কৰে ভাৰপ্ৰাপ্ত অধ্যক্ষ মনিমুগ্ধ বৰঠাকুৰ মহোদয়ে।

এপ্ৰিল মাহৰ আৰম্ভণিতে আমাৰ তৰফৰ পৰা শোচনীয় হৈ থকা প্ৰেক্ষাগৃহৰ গ্ৰীণ ৰূমকেইটিক ন-ৰূপ প্ৰদানৰ উদ্দেশ্যে দৰ্জা-খিৰিকী মেৰামতি, পৰ্দা সংযোজন, পানী সংযোজন, ৰং আদি কৰা হয়। প্ৰেক্ষাগৃহৰ মঞ্চৰ মজিয়াখন ঠিক কৰা হয়।

সেই সময়ত মাননীয় সাংসদ দিলীপ শইকীয়া মহোদয়কো প্ৰেক্ষাগৃহৰ সংক্ৰান্তত অৰ্থাৎ "Fix Chair" স্থাপনৰ উদ্দেশ্যে স্মাৰক পত্ৰ প্ৰদান কৰা হয়।

চাফাই অভিযান কাৰ্যসূচীটি ক্ৰমবৰ্ধিতভাৱে বৰ্তাই ৰখাৰ উদ্দেশ্যেৰে আমাৰ কাৰ্যকালৰ সময়ছোৱাত ২২ এপ্ৰিল ২০২২ তাৰিখে মহাবিদ্যালয় চৌহদত পুনৰবাৰ চাফাই অভিযান আয়োজন কৰা হয়।

মহাবিদ্যায়লৰ এটি জ্বলন্ত সমস্যাৰূপে বিগত কেইবাবছৰো "ঈশান উদয়" অৰ্থাৎ "UGC Scholarship" ৰ সমস্যাটোৱে ছাত্ৰ-ছাত্ৰীৰ অসুবিধাৰ সৃষ্টি কৰিছিল। আমাৰ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা সেই সময়ত অৰ্থাৎ এপ্ৰিল মাহত অসমৰ মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা মহোদয়ক স্মাৰক পত্ৰসহ বিৱৰণেৰে অৱগত কৰোঁ। শেষত সকলোৰে প্ৰচেষ্টা আৰু চেষ্টাৰ ফলত আমাৰ কাৰ্যকালৰ বৰ্ষটিতে পুনৰাই সেই Scholarship লাভ কৰিবলৈ সক্ষম হৈছিল।

মহাবিদ্যালয় এখন তেতিয়া শ্ৰেষ্ঠতম মহাবিদ্যালয় হিচাপে প্ৰতিষ্ঠা হয়, যেতিয়া মহাবিদ্যালয়খনে ক্ৰীড়া, শৈক্ষিক, ৰাজনীতি, সংস্কৃতি, সাংস্কৃতিক সকলো দিশতে অৰিহণা থাকে। মঙলদৈ মহাবিদ্যালয় পিছে এনে ক্ষেত্ৰত ব্যতিক্ৰম নহয়। অধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকা সকলোৰে বন্ধুত্বসুলভ সঁহাৰি। হয়তো সেইবাবেই প্ৰথমবাৰৰ বাবে মহাবিদ্যালয় প্ৰাঙ্গণত আয়োজন কৰি সাফল্যমণ্ডিত কৰাত সফল হৈছিলো 'ব'হাগৰ এদিন' নামেৰে ৰঙালী বিহুটি।

অন্যান্য মহাবিদ্যালয় সমূহৰ ছাত্ৰ সমাজৰ দৰে আমাৰ মহাবিদ্যালয়ৰো ক্ৰীড়া, তৰ্ক, আলোচনী বা সাংস্কৃতিক প্ৰতিভাৰ প্ৰকাশ স্থল হ'ল- 'মহাবিদ্যালয় সপ্তাহ'। ২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ উদ্যোগতো মঙলদৈ মহাবিদ্যালয় সপ্তাহ আয়োজন কৰা হয়। ৮, ৯, ১০ আৰু ১১ মে' তাৰিখে হোৱা উক্ত কাৰ্যক্ৰমত ছাত্ৰ সমাজক কিছুমান ন-সৃষ্টি প্ৰদান কৰা হয়। ব্যতিক্ৰমী ৰূপত আয়োজন কৰিব বিচৰা 'মহাবিদ্যালয় সপ্তাহ'খনিৰ শেষৰ দিনা অৰ্থাৎ ১১ মে', ২০২২ তাৰিখে অধ্যক্ষ ড° কমলা কান্ত বড়া ছাৰৰ সভাপতিত্বত হোৱা মুকলি সভাখনিত মুখ্য অতিথি হিচাপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ মাননীয় উপাচাৰ্য অধ্যাপক প্ৰতাপজ্যোতি সন্দিকৈ ছাৰ।

২৬ মে' ২০২৩ তাৰিখে অধ্যক্ষ ড° কমলা কান্ত বড়া ছাৰৰ উদ্যোগত ছাত্ৰ একতা সভাৰ সহযোগত ২০২২ চনৰ আৰম্ভণিতে সদ্য বিদায়ী মহাবিদ্যালয় অধ্যক্ষ ড° খগেন্দ্ৰ কুমাৰ নাথ ছাৰৰ আনুষ্ঠানিক বিদায় অনুষ্ঠানটিৰ আয়োজন কৰা হয়।

৫ জুন বিশ্ব পৰিৱেশৰ দিৱস আয়োজন কৰা হয়। সজাগতামূলক ৰেলীৰ লগতে বিভিন্ন ঠাইত আমাৰ মহাবিদ্যালয়ৰ তৰফৰ পৰা বৃক্ষ ৰোপণো কৰা হয়।

এই বৰ্ষৰ মাজভাগত অৰ্থাৎ জুন মাহত অসমৰ বিভিন্ন ঠাইত বানপানীয়ে সংহাৰী ৰূপ লোৱা সময়ত দৰঙৰো অৰ্থাৎ আমাৰ মহাবিদ্যালয়ৰো বহু সংখ্যক ছাত্ৰ-ছাত্ৰীৰ জনজীৱন বানৰ কবলত পৰিছিল। মহাবিদ্যালয় পৰিয়ালবৰ্গৰ লগতে আমাৰ তৰফৰ পৰাও পাৰ্যমানে সহযোগিতা আগবঢ়োৱাৰ লগতে বিভিন্নজনৰ সমভাগী হ'ব চেষ্টা কৰা হয়।

বানপানীৰ সময়ত পৰীক্ষাৰ সময়। বিশ্ববিদ্যালয়ে ইতিমধ্যে ঘোষণা কৰিছিল। কিন্তু ইফালে বহু ছাত্ৰ-ছাত্ৰী বানৰ কবলত। আমাৰ তৰফৰ পৰা সেই সময়ৰ বিশ্ববিদ্যালয় ছাত্ৰ একতা সভাক স্মাৰক পত্ৰ প্ৰদান কৰাৰ লগতে, পৰীক্ষাৰ সমস্যাটিৰ কথা উপাচাৰ্য মহোদয়ৰ লগত আলোচনা কৰাৰ উদ্দেশ্যে অৱগত কৰোঁ।

৬ আগষ্ট, ২০২২ তাৰিখ অৰ্থাৎ সেইদিনা মঙলদৈ সমষ্টিৰ মাননীয় সাংসদ শ্ৰীযুত দিলীপ শইকীয়া মহোদয়ক মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহটিৰ Fix chair, Boys Hostel, চাৰিও কাষৰ বেৰ সঠিকভাৱে নিৰ্মাণ Toilet ব্যৱস্থাৰ উন্নতিকৰণ আদি সম্বলিত এখনি স্মাৰক পত্ৰ প্ৰদান কৰাৰ লগতে মহাবিদ্যালয়ৰ বিভিন্ন সমস্যাৰ বিষয়ে বিতংভাৱে অৱগত কৰোঁ।

১৫ আগষ্ট, ২০২২ স্বাধীনতাৰ ৭৫ বছৰ অৰ্থাৎ এইবেলি উদ্‌যাপিত স্বাধীনতাৰ অমৃত মহোৎসৱ। আমাৰ মহাবিদ্যালয়তো প্ৰথমবাৰৰ কাৰণে ন-ৰূপত, ব্যতিক্ৰমী ৰূপত স্বাধীনতা দিৱসটি উদ্‌যাপিত হয়।

৫ ছেপ্টেম্বৰ, 'শিক্ষক দিৱস'। পৰম্পৰা অনুসৰি আমাৰ মহাবিদ্যালয়ত বিভাগীয় ছাত্ৰ-ছাত্ৰীৰ বাহিৰে সাধাৰণ ছাত্ৰ-ছাত্ৰীৰ 'শিক্ষক দিৱস' উদ্‌যাপিত নহয়। আমাৰ ছাত্ৰ একতা সভাৰ উদ্যোগত মহাবিদ্যালয়ৰ সমূহ পৰিয়ালবৰ্গৰ স'তে প্ৰথমবাৰৰ কাৰণে 'শিক্ষক দিৱস' আয়োজন কৰা হয়।

এইবেলি নৱাগত আদৰণী সভাখনৰো ন-ৰূপ প্ৰদান কৰা হয়। ১৫ ছেপ্টেম্বৰ তাৰিখে আয়োজিত হোৱা সকলো ছাত্ৰ-ছাত্ৰীক আদৰণী সম্ভাষণ জনোৱাৰ লগতে, জনপ্ৰিয় কণ্ঠশিল্পী সুবাসনা দত্তৰ সুৰীয়া গীতৰ অনুষ্ঠানেৰে সামৰণি পেলোৱা হয়।

১২ ছেপ্টেম্বৰৰ পৰা ১৪ ছেপ্টেম্বৰলৈ ৰাজ্যিক ভিত্তিক 'তৰ্ক'

কৰ্মশালা আয়োজন কৰা হয়।

২০ ছেপ্টেম্বৰ মঙলদৈ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস। উক্তদিনা ক্ৰমাগতভাৱে সতীৰ্থ সন্মিলনৰ লগতে ক্ৰমৱৰ্ধিতভাৱে "শ্বহীদ সোঁৱৰণি তৰ্ক প্ৰতিযোগিতা"খনিও আয়োজন কৰা ।

ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে আমাৰ বৰ্ষৰ সৰ্বশ্ৰেষ্ঠ সমৰ্থন লাভ কৰি জয়ী হোৱাৰ দিনাখনৰে পৰা মনৰ মাজতে নিজৰ দায়িত্ব-কৰ্তব্য নিষ্ঠাৰে পালন কৰাৰ পণ লৈছিলো। ছাত্ৰ হিচাপেও বিভিন্ন দিশত কাম কৰাৰ হেঁপাহ থকা মোৰ ক্ষুদ্ৰ মনটোক মঞ্চ প্ৰদান কৰি সুবিধাকণ প্ৰদান কৰাৰ বাবে প্ৰতিবেদনৰ জৰিয়তে সদৌটিলৈ জনাইছো প্ৰাৰ্থনা। মহাবিদ্যালয়খনৰ হকে কাম কৰাত মোৰ আছিল অনন্য হাবিয়াস। তাৰ মাজতে সাধাৰণ সম্পাদক হিচাপে সেৱা কৰিব পোৱা সময়ছোৱাত বিভিন্ন উন্নয়নমূলক কাম ছাত্ৰ-ছাত্ৰীৰ, মহাবিদ্যালয়ৰ হকে কৰাৰ প্ৰয়াস কৰিছিলো। হয়তো কিছু ক্ষেত্ৰত বিফল আৰু হয়তো কিছু ক্ষেত্ৰত সফল। মহাবিদ্যালয়ৰ হকে তথাপিতো কিন্তু আজিও আমি এগৰাকী সেৱক আৰু অতন্দ্ৰ প্ৰহৰী। তাৰ বাবে সকলোৰে ওচৰত প্ৰতিশ্ৰুতিবদ্ধ।

"জয়তু মঙলদৈ মহাবিদ্যালয়।"

**শিখৰজিৎ বড়া**

সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা

---



# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতেই সেই অমৰ শ্বহীদসকলক সশ্ৰদ্ধ স্মৰণ কৰিছো। যি সকলে জীৱনটো তুচ্ছ জ্ঞান কৰি আত্ম আহুতিৰে আমাক পৰাধীনতাৰ শিকলিৰ পৰা মুক্ত কৰি স্বাধীনতাৰ অমূল্য সোৱাদ দিলে। লগতে প্ৰণাম জনাইছো সেইসকল চিন্তাশীল মনীষীক, যিসকলৰ মহৎ চিন্তা, প্ৰচেষ্টা আৰু অশেষ কষ্টৰ বিনিময়ত দৰং জিলাৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ মঙলদৈ মহাবিদ্যালয় গঢ় লৈ উঠিছিল।

নৱ প্ৰজন্মৰ বাবে তেওঁলোকৰ মাজৰ এজন হিচাপে কিছু কথা জীৱন জীয়াৰ হেঁপাহ আৰু সেই জীৱন দীৰ্ঘায়ু হোৱাৰ হাবিয়াস মানৱ জাতিৰ সাধাৰণ প্ৰৱণতা। হেজাৰ বিপদ-আপদ, বাধা-বিঘিনি সত্বেও প্ৰত্যেকজন মানুহে বুকুত এই হাবিয়াস কঢ়িয়ায়, কিয়নো এই পাৰ্থিৱ পৃথিৱীখনেই একমাত্ৰ ঠাই য'ত তেওঁলোকে নিজ ইচ্ছাৰ কাৰ্যসমূহক বাস্তৱ ৰূপ প্ৰদান কৰিব পাৰে। সেয়েহে কোৱা হয় এই জননী জন্মভূমিয়েই সৰগ। কিন্তু বৰ্তমান এই স্বৰ্গ সদৃশ জননীত চেকা লগোৱা নানান ঘটনা পৰিলক্ষিত হৈছে। যিয়ে মানৱ জাতিক লজ্জানত কৰিবলৈ ধৰিছে। এয়া যুগৰ পৰিৱৰ্তনৰ যুগ, কিন্তু ইতিবাচক এই জাগৰণৰ বিপৰীতে কেতবোৰ নেতিবাচক পৰিৱৰ্তনেও সমাজখনক, বিশেষকৈ যুৱচামক বিপথে যোৱাকৈ বিভ্ৰান্ত কৰিছে। সেয়া লাগিলে অনলাইন বা ইণ্টাৰনেটৰ নেতিবাচক প্ৰতিক্ৰিয়াই হওক বা মাদক দ্ৰব্য, গুট্‌খা বা ড্ৰাগছৰ আসক্তি, ধৈৰ্য, সহনশীলতাৰ অভাবেই হওক অথবা ধৰ্মান্ধতাৰ আবেগ, সকলোবোৰেই যেন নৱ প্ৰজন্মৰ চিন্তৰ ওপৰত বান্ধি দিছে এখন বাধাৰ প্ৰাচীৰ। এনে নৱ প্ৰজন্মৰ পৰা জানো এখন সমাজ, দেশ বা বিশ্বই কিবা আশা কৰিব পাৰে? কিয় নৱ প্ৰজন্মৰ মেজমেলৰ পৰা বাদ পৰে আদৰ্শৰ আলোচনা, বিদ্বেষহীন কূটনীতি-ৰাজনীতিৰ বিশ্লেষণ, সমাজবাদৰ আলোকপাত, কিয় বাদ পৰে প্ৰভাত সন্ধানী চিন্তাধাৰা? কিয় আজি সৃষ্টি হয় এচাম ভয়াতুৰ প্ৰভুভক্তৰ, আচলতে ইয়াৰ বাবে দায়ী কোন? এইজাত নাৰিকৰ হাতত গতাব পৰা যাবনে ভৱিষ্যতৰ ব'ঠা।

সেয়েহে নৱপ্ৰজন্মৰ প্ৰতি তেওঁলোকৰ মাজৰে এজন হিচাপে মোৰ কাতৰ আহ্বান- উঠা, জাগা আৰু নিজক সংযত কৰি সমাজৰ ইতিবাচকতাৰ বীজ ৰোপণ কৰি যোৱা। জাতি, ধৰ্ম, বৰ্ণ বিদ্বেষ পৰিহাৰ কৰি সমাজ-সংস্কৃতিৰ ৰক্ষাকাৰী ৰক্ষক হোৱা। হাতে হাত ধৰি পথভ্ৰস্তসকলক সুপথত ঘূৰাই অনা। নিজৰ মেজমেলত যুক্তিবাদী চিন্তাধাৰাক স্থান দিয়া, সজাগ হোৱা অন্যথা ইয়াৰ মাজৰ পৰাই সৃষ্টি হ'ব সমাজৰ তেজ পি খোৱা এচাম দানৱ আৰু তেওঁলোকৰ বিৰুদ্ধে মাত মাতিব সাহস নোহোৱা শোষিত ভীৰুৰ আৰু নাথাকিব জাতিৰ চিন-মোকাম। সেয়ে নৱ প্ৰজন্মৰ ওচৰত মোৰ অনুৰোধ, জাগ্ৰত চিন্তাৰে তেওঁলোকে যেন নিজকে লগেত জাতিটোক বিশ্ব মানসত প্ৰতিষ্ঠা কৰাৰ ব্ৰতত ব্ৰতী হয়।

**কাৰ্যকাল ঃ**

মঙলদৈ মহাবিদ্যালয়ৰ দৰেই এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ৰ পৰা সহঃ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হৈ, ইয়াৰ প্ৰতিনিধিত্ব কৰাৰ সুযোগ লাভ কৰিছিলো, ২০২২ চনৰ জানুৱাৰী মাহত। এই ছেগতে সমূহ ছাত্ৰ-ছাত্ৰীক মোক বিপুল ভোটত জয়ী কৰি মহাবিদ্যালয়ৰ সেৱা প্ৰদানৰ সুবিধা প্ৰদান কৰাৰ বাবে সকলোকে ধন্যবাদ আৰু

আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। ২৮-০১-২০২২ তাৰিখে শপত গ্ৰহণেৰে আমাৰ ছাত্ৰ একতা সভাৰ কাৰ্যকাল আৰম্ভ হয়। ইয়াৰ পিছতেই ০৩-০২-২০২২ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া আৰু ছাত্ৰ-ছাত্ৰীৰ সহযোগত মহাবিদ্যালয়ৰ চৌহদত এটি চাফাই অভিযানৰ জৰিয়তে মহাবিদ্যালয়ৰ চৌহদ পৰিষ্কাৰ কৰা হয়। ইয়াৰ পিছৰ অনুষ্ঠান আছিল ০৫-০২-২০২২ তাৰিখৰ সৰস্বতী পূজা। নৱ নিৰ্বাচিত ছাত্ৰ একতা সভাখনে নিৰ্বাচনৰ ঠিক পিচতেই এই গুৰু দায়িত্ব ছাত্ৰ একতা সভাৰ তত্ত্বাৱধায়ক মেজৰ হৰিমন ডেকা ছাৰৰ লগতে সকলো অধ্যাপকবৃন্দ, ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া, ছাত্ৰ-ছাত্ৰী আৰু সকলো বৰ্গৰ কৰ্মচাৰীৰ সহায়-সহযোগিতাত সুকলমে পালন কৰিবলৈ সক্ষম হৈছিলে।

পৰৱৰ্তী কাৰ্যক্ৰম ছাত্ৰ-ছাত্ৰীৰ হেপাঁহৰ অনুষ্ঠান মহাবিদ্যালয় সপ্তাহ আৰম্ভ হৈছিল ০৮-০৫-২০২২ পৰা ১১-০৫-২০২২ তাৰিখলৈ। মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন কাৰ্যসূচী সকলোৰে সহযোগিতাত সুচাৰুৰূপে আৰু সফলভাৱে ৰূপায়িত হৈছিল। মহাবিদ্যালয় সপ্তাহৰ আৰম্ভণিতে বাৰেৰহণীয়া সাংস্কৃতিৰ চানেকিৰে বৰ্ণাঢ্য শোভাযাত্ৰা আয়োজন কৰা হৈছিল। তদুপৰি মহাবিদ্যালয়ৰ পশ্চিমফালে থকা বাহন ৰখা ঠাইৰ ওচৰত এখন ভলীবল ক'ৰ্ট, ইংৰাজী বিভাগৰ সন্মুখত এখন বেডমিন্টন ক'ৰ্ট নিৰ্মাণ কৰা হয় আমাৰ ছাত্ৰ একতা সভাৰ কাৰ্যকালত। ব'হাগ বিহুৰ লগত সংগতি ৰাখি 'ব'হাগৰ এদিন' নামৰ এক ব্যতিক্ৰমী অনুষ্ঠানৰ আয়োজন কৰা হয়। আনহাতে ছাত্ৰ-ছাত্ৰীয়ে ভুগি থকা বহুদিনীয়া সমস্যা 'UGC', 'ঈশান উদয় জলপানি'ৰ সমস্যাৰ সমাধান হয় আমাৰ ছাত্ৰ একতা সভাৰ দিনতেই। আমাৰ ছাত্ৰ একতা সভাৰ কাৰ্যকালত বন্ধ হৈ থকা খোৱাপানীৰ ব্যৱস্থা ছাত্ৰ-ছাত্ৰীৰ বাবে পুনৰ মুকলি কৰা হয়।

কাৰ্যকালৰ সকলো সময়তে দিহা-পৰামৰ্শৰে আমাক উৎসাহিত কৰা প্ৰাক্তন অধ্যক্ষ ড° খগেন্দ্ৰ কুমাৰ নাথ ছাৰ, ভাৰপ্ৰাপ্ত অধ্যক্ষ মণিমুগ্ধ বৰঠাকুৰ ছাৰ আৰু অধ্যক্ষ ড° কমলা কান্ত বড়া ছাৰৰ ওচৰত মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। তদুপৰি মহাবিদ্যালয়ৰ সমূহ গুৰুবৃন্দৰ অফুৰন্ত অনুপ্ৰেৰণাৰ বাবে তেওঁলোকৰ ওচৰত মই আন্তৰিকভাৱে কৃতজ্ঞ হৈ ৰ'লো। অৱশেষত পুনৰ এবাৰ সমূহ ছাত্ৰ-ছাত্ৰীক এই অভাজনক জয়ী কৰাই মহাবিদ্যালয়খনিৰ সেৱাৰ সুযোগ দিয়া বাবে আন্তৰিক ধন্যবাদ জনালো, ইয়াৰ বাবে মই চিৰ কৃতজ্ঞ। লগতে মহাবিদ্যালয়ৰ কৰ্মচাৰীৰ বৃন্দৰ সহযোগৰ বাবে তেওঁলোকক ধন্যবাদ জনালোঁ।

মানৰ জীৱন সফলতা-বিফলতা, ভুল-শুদ্ধ আদিৰেই সংমিশ্ৰণ। মোৰ কাৰ্যকালত জ্ঞাতে-অজ্ঞাতে হোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিলো। পথ প্ৰদৰ্শক মনীষীসকলৰ পথেৰেই গতি লওক এই মহাবিদ্যালয়ৰ পোহৰ পিপাসুই আৰু মঙলদৈ মহাবিদ্যালয় হৈ পৰক শৈক্ষিক আৰু সামাজিক সংগঠনৰ কেন্দ্ৰ, এই আশাৰেই মই মোৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয় আই অসম।
ভাৰত মাতা কি জয়।
জয়তু মঙলদৈ মহাবিদ্যালয়।
জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা।।

**আৰ্নিক চাজিদ**
সহকাৰী সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা



## সাহিত্য আৰু আলোচনী সম্পাদকৰ প্ৰতিবেদন

*"আমি জ্ঞানৰ পোহৰেৰে আলোকিত মঙলদৈয়ান।*
*আমি সপোনৰ দেশলৈ গতি কৰা মঙলদৈয়ান।*
*আমি কৰ্মোদ্যমী মঙলদৈয়ান।"*

এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ৰ এখন ছাত্ৰ একতা সভাৰ এটি গুৰুত্বপূৰ্ণ পদৰ বিভাগীয় প্ৰতিবেদন লিখাৰ বাবে হাতত কলম তুলি লোৱাৰ প্ৰাক্‌মুহূৰ্তত বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী আই সৰস্বতীৰ ওচৰত প্ৰাৰ্থনা জনাই আপোনাসৱ সকলোৰে ওচৰত বিভাগীয় কাৰ্যকালত জানি অজানিতে কৰা ভুল অথবা বৈ যোৱা কাম আৰু ভুল-ত্ৰুটিৰ বাবে ক্ষমা মাৰ্জনা বিচাৰিছোঁ। জ্ঞানৰ স্থলী এই ঐতিহ্যমণ্ডিত মঙলদৈ মহাবিদ্যালয় আমাৰ সকলোৰে আপোন। এখন মহাবিদ্যালয় এগৰাকী ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ বাবে এক গুৰুত্বপূৰ্ণ অংশ। তাতোকৈ গুৰুত্বপূৰ্ণ কথা সেই ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয় এখনত থকা কালছোৱাত কি কি সুবিধা পালে অথবা কি কি শিকিব পাৰিলে আৰু আনুষ্ঠানিক শিক্ষাৰ লগতে আন কিহত অংশগ্ৰহণ কৰি কি নতুনত্ব লাভ কৰিলে। সেই নতুনত্ব লাভৰ বাবে এগৰাকী ছাত্ৰ-ছাত্ৰীক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত দায়িত্ব থাকে সেই নিৰ্দিষ্ট একোখন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ দৰে অনুষ্ঠানৰ। ছাত্ৰ-ছাত্ৰীৰ দ্বাৰাই পৰিচালিত আৰু গঠন হোৱা এই ছাত্ৰ একতা সভা এখনেই এগৰাকী ছাত্ৰ-ছাত্ৰীৰ বাবে, মহাবিদ্যালয়ৰ বাবে গুৰুত্বপূৰ্ণ বিভিন্ন কাম কৰে অথবা কৰিব পাৰে। ঠিক একেদৰেই

আমাৰো ছাত্ৰ একতা সভা (২০২১-২২ বৰ্ষ) খনি গঠনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হৈছিল ২০২২ বৰ্ষৰ ৪ জানুৱাৰী তাৰিখে আৰু উক্ত দিনা ময়ো ৯৮৯ টা ভোট লাভ কৰি ৪৪৩ টা ভোটৰ ব্যৱধানত জয়লাভ কৰো। এই ছেগতেই মোক জয়ী কৰাই এই পদৰ লগতে এই বৃহৎ সুযোগটি প্ৰদান কৰাৰ ক্ষেত্ৰত ভোট প্ৰদান কৰা সকলৰ লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, মা-দেউতা, পৰিয়ালবৰ্গ, মোৰ আপোন ভূগোল বিজ্ঞান বিভাগ, অগ্ৰজ, অনুজ আৰু সতীৰ্থৰ লগতে বিভাগৰ শিক্ষাগুৰুকে ধৰি মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰুবৃন্দ লগতে মোৰ শুভাকাংক্ষীসকললৈ যাচিলোঁ আন্তৰিক কৃতজ্ঞতা। এইখিনিতেই মোৰ প্ৰতিদ্বন্দ্বী সংগী বান্ধৱীগৰাকীক লগত ৰাখি আগন্তুক দিনত আমি একেলগে কাম কৰি যাম বুলি আগবঢ়াৰ সংকল্প লওঁ। জয়লাভ কৰাৰ পিছত ২০২২ বৰ্ষৰ জানুৱাৰী মাহৰ ২৮ তাৰিখে ছাত্ৰ একতা সভাৰ কাৰ্য্যালয়ত অনুষ্ঠিত হোৱা শপত গ্ৰহণ অনুষ্ঠানত মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষ ড° খগেন্দ্ৰ কুমাৰ নাথ ছাৰ আৰু বহুকেইগৰাকী শিক্ষাগুৰুৰ লগতে পূৰ্বৰ বিদায়ী ছাত্ৰ একতা সভাৰ বিষয়ববীয়াৰ উপস্থিতিত আমি ২০২১-২২ বৰ্ষৰ সাহিত্য আৰু আলোচনী সম্পাদকৰ দৰে পদ এটিৰ গুৰু দায়িত্বভাৰ মূৰ পাতি লওঁ আৰু নিয়াৰিকৈ কামসমূহ কৰি যাবলৈ চেষ্টা কৰো। উক্ত দিনটোতেই মহাবিদ্যালয়ৰ আমাৰ ছাত্ৰ একতা সভাৰ মুখ্য তত্ত্বাৱধায়ক হিচাপে দায়িত্ব দিয়ে ভূগোল বিভাগৰ অধ্যাপক শ্ৰদ্ধাৰ মেজৰ হৰিমন ডেকা ছাৰক।

লগতে সাহিত্য আৰু আলোচনী সম্পাদকৰ তত্ত্বাৱধায়ক হিচাপে দায়িত্ব দিয়ে বুৰঞ্জী বিভাগৰ শ্ৰদ্ধাৰ ড° আঙ্গিৰস ছাৰক। নিৰ্বাচনত জয়ী হৈয়েই আমাৰ ছাত্ৰ একতা সভাৰ প্ৰত্যেক বিভাগে নিজ নিজ কৰ্মত অগ্ৰসৰ হওঁ। সকলোৱে নিজ নিজ বিভাগটিৰ পৰিচালনাৰ ক্ষেত্ৰত কোনো কুণ্ঠাবোধ কৰা নাছিল। আমাৰ গোটেই ছাত্ৰ একতা সভাই মিলি প্ৰথমে আৰম্ভ কৰিছিলো মহাবিদ্যালয়ত সমূহীয়া এক চাফাই কাৰ্যসূচী। ইয়াৰ সমান্তৰালকৈ আহি পৰা সৰস্বতী পূজাখন আমাৰ ছাত্ৰ একতা সভাই সকলোৱে মিলি সফলতাৰে অনুষ্ঠিত কৰো।

২০২২ চনৰ ফেব্ৰুৱাৰী মাহৰ ২২ তাৰিখে মোৰ বিভাগৰ তৰফৰ পৰা ৮ মাৰ্চ নাৰী দিৱস উপলক্ষে প্ৰথম কাম হিচাপে মহাবিদ্যালয়ৰ ইতিহাসত প্ৰথমবাৰৰ বাবে সদৌ অসম ভিত্তিত স্নাতক মহলালৈ মুকলি অনলাইন স্ব-ৰচিত কবিতা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। অসমৰ ভিন্ন প্ৰান্তৰ বিভিন্ন বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ প্ৰায় শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাৰ মূল বিষয়বস্তু আছিল 'নাৰী'। উপ বিষয়বস্তু হিচাপে নিৰ্বাচন কৰি দিয়া হৈছিল ঃ

১। সৃষ্টিৰ আধাৰ স্বৰূপা নাৰী
২। অসমীয়া সমাজ জীৱনত নাৰী
৩। ভাৰতৰ স্বাধীনতা সংগ্ৰামত নাৰী শক্তি
৪। নাৰী নিৰ্যাতন

জমা দিয়াৰ অন্তিম তাৰিখ ১ মাৰ্চ, ২০২২ নিৰ্ধাৰণ কৰা উক্ত প্ৰতিযোগিতাৰ ফলাফলসমূহ ৮ মাৰ্চ নাৰী দিৱসৰ সন্ধিয়া ঘোষণা কৰা হয়। উক্ত প্ৰতিযোগিতাৰ ফলাফলসমূহ আছিল এনেধৰণৰ—

প্ৰথম স্থান ঃ পম্পী কলিতা
জগন্নাথ বৰুৱা মহাবিদ্যালয়। কবিতা ঃ 'প্ৰভঞ্জন'।
দ্বিতীয় স্থান ঃ যুটীয়াভাৱে
১) আছিক আলী (পূব কামৰূপ মহাবিদ্যালয়, বাইহাটা চাৰিআলি। কবিতা- 'পানীৰ সোঁতে কোৱা কথা।')
২) ঝৰ্ণালি ডেকা (বি বৰুৱা কলেজ, গুৱাহাটী, কবিতা- 'অন্ধকাৰ গলিৰ তাম্ৰলিপি'।
তৃতীয় স্থান ঃ কেশৰ চাউ (নৰ্থ লখিমপুৰ কলেজ, কবিতা- 'নাৰী বিষয়ক')

**উদগনিমূলক বিশেষ বঁটা ঃ**

১। বিস্মিতা শৰ্মা (মঙলদৈ মহাবিদ্যালয়, কবিতা- 'নাৰী')
২। প্ৰাৰ্থনা সন্দিকৈ (মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়, ডিব্ৰুগড়, কবিতা- 'তৰাফুল')
৩। তুহিনকন্যা বৰা (কটন বিশ্ববিদ্যালয়, গুৱাহাটী। কবিতা- 'ঊষা'।
৪। গীতাঞ্জলি বৰা (যোৰহাট আইন মহাবিদ্যালয়, যোৰহাট। কবিতা- এদিন মই ছোৱালী হৈ জন্মিছিলোঁ)
৫। মাধুৰিকা শইকীয়া (হেমপ্ৰভা বৰবৰা ছোৱালী মহাবিদ্যালয়, গোলাঘাট। কবিতা- 'আইৰণি')
৬। মনোজ কুমাৰ বৰুৱা (দৰং মহাবিদ্যালয়, তেজপুৰ। কবিতা- 'ঊষা')

ইয়াৰ ঠিক পিছতেই ২০২২ চনৰ মাৰ্চ মাহৰ ১৪ তাৰিখে মহাবিদ্যালয়ৰ আমাৰ কাৰ্যকালৰ ৫২ সংখ্যক ৰূপে প্ৰকাশ পাবলগীয়া মহাবিদ্যালয়ৰ আলোচনীখনৰ লিখনি বিচাৰি বিভাগীয় তত্ত্বাৱধায়ক মহোদয়ৰ সন্মতি সাপেক্ষে সেই সময়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মণিমুগ্ধ বৰঠাকুৰ মহোদয়ৰ স্বাক্ষৰসহ অনুমতিত মহাবিদ্যালয়ত জাননী দিয়া হয়। আমাৰ ছাত্ৰ একতা সভাৰ কাৰ্যকালৰ মহাবিদ্যালয় সপ্তাহ আৰম্ভ হৈছিল সেই বৰ্ষৰ মে' মাহৰ ৮ তাৰিখৰ পৰা ১১ তাৰিখলৈ।

প্ৰত্যেক বছৰৰ দৰেই মহাবিদ্যালয়ৰ 'সাঁচিপাত' শীৰ্ষক যি মূল প্ৰাচীৰ পত্ৰিকা সেই প্ৰাচীৰ পত্ৰিকাখন ছাত্ৰ একতা সভাৰ 'সাহিত্য আৰু আলোচনী বিভাগ'ৰ উদ্যোগত প্ৰত্যেক বছৰে উন্মোচন কৰি উলিওৱা হয়। এইবাৰ এই গুৰু দায়িত্ব পৰিছিল মোৰ ওপৰত সেয়েহে 'সাঁচিপাত'ৰ বাবে লিখনি বিচাৰি ৫ মে' তাৰিখে মহাবিদ্যালয়ত জাননী জাৰি কৰা হয় আৰু সংগ্ৰহীত লিখনি সমূহৰ দ্বাৰা সুন্দৰকৈ মাত্ৰ দুটি দিনৰ ভিতৰতেই সুন্দৰকৈ 'সাঁচিপাত'খনি প্ৰকাশ কৰি উলিওৱাত সহায় কৰা জ্যোতিৰ্ময় বৰুৱা, বিশাল ডেকা, বিভাষ কাশ্যপ, চুমন ডেকা, লক্ষহীৰা ডেকা, লিজু ৰাজবংশী, কিৰ্তেন্দু বড়ো, সৌৰভ জ্যোতি চলিহা, বিনোদিনী গাৰ্গ, সংগীতা বসুমতাৰী, ববিতা ডেকা, দীপশিখা দেৱী, তন্দ্ৰালী শইকীয়া, চুমি ডেকা আৰু ভনিতা ডেকাক এই প্ৰতিবেদনৰ জৰিয়তে কৃতজ্ঞতা জনোৱাৰ বাহিৰে মোৰ দিবলৈ আন একোৱেই নাই। প্ৰাচীৰ পত্ৰিকা 'সাঁচিপাত' উন্মোচন কৰা হৈছিল

মহাবিদ্যালয় সপ্তাহৰ শেষৰ দিনা ১১ মে' তাৰিখে মুকলি সভা আৰু বঁটা বিতৰণীৰ আগত ৰাতিপুৱা। উন্মোচন কৰিছিল মহাবিদ্যালয়ৰ IQAC ৰ সমন্বয়ক পৰেশ শৰ্মা ছাৰে।

আমাৰ সাহিত্য আৰু আলোচনী বিভাগৰ প্ৰতিযোগিতাসমূহ আৰম্ভ হৈছিল ৯ মে' তাৰিখৰ পৰা। মহাবিদ্যালয় সপ্তাহত সাহিত্য আৰু আলোচনী বিভাগৰ তৰফৰ পৰা আমি অনুষ্ঠিত কৰা প্ৰতিযোগিতাসমূহ আছিল তলত উল্লেখ কৰা ধৰণৰ।

১। নিৰ্বাচিত অসমীয়া কবিতা আবৃত্তি প্ৰতিযোগিতা
২। নিৰ্বাচিত ইংৰাজী কবিতা আবৃত্তি প্ৰতিযোগিতা
৩। স্বৰচিত অসমীয়া কবিতা আবৃত্তি প্ৰতিযোগিতা
৪। চিত্ৰাংকণ প্ৰতিযোগিতা
৫। বেটুপাত অংকন প্ৰতিযোগিতা
৬। কুইজ প্ৰতিযোগিতা
৭। নীলা খামৰ চিঠি লিখা প্ৰতিযোগিতা

উক্ত প্ৰতিযোগিতা সমূহ পৰিচালনা কৰি দিয়াত সহায় কৰা আৰু দিহা-পৰামৰ্শৰে আগুৱাই লৈ যোৱাত সহায় কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় প্ৰমুখ্যে, মোৰ বিভাগীয় তত্বাৱধায়ক মহোদয়, আৰু বিভিন্ন প্ৰতিযোগিতাৰ বিচাৰক হিচাপে উপস্থিত থকা শ্ৰদ্ধাৰ ড° মঞ্জু কলিতা বাইদেউ, মৌচুমী কংসবণিক বাইদেউ, চিত্ৰৰঞ্জন নাথ ছাৰ, দীপা প্ৰধান বাইদেউ, ড° ৰাজৰিপা তালুকদাৰ বাইদেউ, ড° দেবাশ্ৰী কাকতি বাইদেউ, ড° মৃদুল ডেকা ছাৰ, ড° ৰুণজুন দেৱী বাইদেউ, দীপ্তি দাস বাইদেউ প্ৰমুখ্যে আমাৰ ছাত্ৰ একতা সভাৰ সমূহ সদস্যক এই ছেগতে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো লগতে ধন্যবাদ জ্ঞাপন কৰিছো সেইসকল ছাত্ৰ-ছাত্ৰীকে যাৰ অংশগ্ৰহণ আৰু উপস্থিতি অবিহনে এই মহাবিদ্যালয় সপ্তাহ আধৰুৱা আছিল। তেওঁলোকলৈ মোৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদৰ বাহিৰে দিবলৈ আন একোৱেই নাই। মহাবিদ্যালয় সপ্তাহৰ কুইজ প্ৰতিযোগিতাখন প্ৰত্যেক বছৰে এক বিশেষ আকৰ্ষণ। মহাবিদ্যালয়ৰ কুইজ প্ৰতিযোগিতাখনে যাতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক নতুন কুইজৰ ধাৰাৰ সৈতে চিনাকি কৰি দিয়ে আৰু এখন সুন্দৰ কুইজ উপহাৰ দিয়ে তাৰ বাবেই আমি চেষ্টা কৰিছিলোঁ আৰু সেয়েহে আমি কুইজ পৰিচালক হিচাপে আমন্ত্ৰণ জনাইছিলো অসমৰ এগৰাকী অন্যতম কুইজাৰ্ড তথা কুইজ পৰিচালকৰূপে খ্যাতি অৰ্জন কৰা দৰঙৰেই সন্তান ৰংমন আলোচনীৰ সম্পাদক তথা অসমীয়া প্ৰতিদিন কাকতৰ উপ-সম্পাদক দিলীপ কুমাৰ শৰ্মা ছাৰক। অতি ব্যস্ততাৰ মাজতো তেখেতে আমাক আহি কুইজ প্ৰতিযোগিতাখনি পৰিচালনা কৰি দিয়াৰ বাবে আমি তেখেতক জনাইছো অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা।

এই মহাবিদ্যালয় সপ্তাহত উক্ত বৰ্ষত মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী বঁটা লাভ কৰিবলৈ সক্ষম হয় সংস্কৃত বিভাগৰ ষষ্ঠ যাণ্মাসিকৰ ছাত্ৰী বিনোদিনী গাৰ্গে।

২০২২ বৰ্ষৰ ১৫ আগষ্ট স্বাধীনতা দিৱস মহাবিদ্যালয়ৰ শিক্ষক গোটৰ উদ্যোগত আৰু মাত্ৰ একতা সভাৰ সহযোগত সুন্দৰকৈ পালন কৰা হৈছিল। ছাত্ৰ একতা সভাৰ আমাৰ বিভাগৰ সহযোগত ৰচনা প্ৰতিযোগিতা, চিত্ৰাংকণ প্ৰতিযোগিতা আৰু দেশপ্ৰেমমূলক কবিতা আবৃত্তি অনুষ্ঠিত কৰা হৈছিল। সেইপ্ৰতিযোগিতাসমূহৰ ফলাফল আছিল এনেধৰণৰ ঃ

**চিত্ৰাংকণ প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ অনন্যা ভাৰতী
(উদ্ভিদ বিজ্ঞান বিভাগ, প্ৰথম যাণ্মাসিক)
দ্বিতীয় স্থান ঃ বিপাক্ষি গোস্বামী
(উদ্ভিদ বিজ্ঞান বিভাগ, প্ৰথম যাণ্মাসিক)
তৃতীয় স্থান ঃ চিৰঞ্জীৱ ডেকা
(অৰ্থনীতি বিভাগ, প্ৰথম যাণ্মাসিক)
উদ্‌গনিমূলক বঁটা ঃ সৌৰভ কুমাৰ ডেকা (প্ৰথম যাণ্মাসিক)

**ৰচনা প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ নিশিতা ডেকা
(ভূগোল বিজ্ঞান বিভাগ প্ৰথম যাণ্মাসিক)
দ্বিতীয় স্থান ঃ উপাসনা ডেকা
(প্ৰথম যাণ্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ)
তৃতীয় স্থান ঃ ধীৰাজ কুমাৰ বড়ো (প্ৰথম যাণ্মাসিক)

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মহাবিদ্যালয় সপ্তাহকে ধৰি সকলো প্ৰতিযোগিতাত অংশগ্ৰহণ আছিল লেখত ল'বলগীয়া। ২০২২ বৰ্ষৰ ২১ ছেপ্টেম্বৰ তাৰিখৰ পৰা ২৩ ছেপ্টেম্বৰলৈ শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ত অনুষ্ঠিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পূব মাণ্ডলিক আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত আমি অংশগ্ৰহণ কৰো। ছাত্ৰ একতা সভাৰ সহযোগিতা আৰু কষ্টৰ ফলত এই যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ে সফলতাৰ হাঁহি মাৰিব সক্ষম হৈছিল। সাংস্কৃতিক বিভাগৰ লগতে সাহিত্য আৰু আলোচনী বিভাগৰ তৰফৰ পৰাও প্ৰায় আটাইকেইটা শিতানত প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল। সাহিত্য বিভাগৰ অন্তৰ্গত কুইজ প্ৰতিযোগিতাত ভূগোল বিজ্ঞান বিভাগৰ চুমন ডেকা, শ্যামলাল সৰকাৰ আৰু দেৱাশীষ ৰাজকুমাৰে কুইজত অংশগ্ৰহণ কৰে। থিতাতে লিখা স্ব-ৰচিত কবিতা আবৃত্তিপ্ৰতিযোগিতাত দেৱাশীষ ৰাজকুমাৰে অংশগ্ৰহণ কৰে। চিত্ৰাংকণ, ক'লাজ মেকিং, পোষ্টাৰ মেকিং, ক্লে মডেলিংত B.VOC বিভাগৰ অংকুৰ চহৰীয়া, ভূগোল বিভাগৰ চুমন ডেকা, আৰু গণিত বিভাগৰ কংকন চহৰীয়াই অংশগ্ৰহণ কৰে আৰু খিতাতে তোলা ছবি প্ৰতিযোগিতাত ভূগোল বিভাগৰ শশাংক মণি কাশ্যপে অংশগ্ৰহণ কৰে। এই প্ৰতিযোগিতাসমূহৰ ভিতৰত স্ব-ৰচিত কবিতা আবৃত্তিপ্ৰতিযোগিতাত ভূগোল বিজ্ঞান বিভাগৰ দেৱাশীষ ৰাজকুমাৰে সোণৰ পদকৰে প্ৰথম স্থান লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়।

ইয়াৰোপৰি পাশ্চাত্য সংগীতত ইংৰাজী বিভাগৰ ড্ৰিমলী কাশ্যপে প্ৰথম স্থান লাভ কৰে লগতে মহাবিদ্যালয়ৰ একাংকিকা নাটখনে লাভ কৰে প্ৰথম স্থান আৰু মূকাভিনয় দলটিয়ে লাভ কৰে দ্বিতীয় স্থান। ইয়াৰ পিছতেই গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা মূল যুৱ

মহোৎসৱৰ প্ৰতিযোগিতাত দেৱাশীষ ৰাজকুমাৰে সাহিত্য আৰু আলোচনী বিভাগৰ হৈ স্ব-ৰচিত কবিতা আবৃত্তি প্ৰতিযোগিতাত তৃতীয় স্থানেৰে ব্ৰঞ্জৰ পদক লাভ কৰে। পাশ্চাত্য সংগীতত ড্ৰিমলী কাশ্যপে লাভ কৰে দ্বিতীয় স্থান। মহাবিদ্যালয়ৰ নাটখনে লাভ কৰে দ্বিতীয় স্থান। আমাৰ মহাবিদ্যালয়ৰ নাটৰ মুখ্য অভিনেতা ভিজিত ডেকাই লাভ কৰে গুৱাহাটী বিশ্ববিদ্যালয় যুৱ মহোৎসৱ ২০২২ ৰ শ্ৰেষ্ঠ অভিনেতাৰ খিতাপ আৰু সুস্মিতা শইকীয়াই লাভ কৰে দ্বিতীয় শ্ৰেষ্ঠ সহঃ অভিনেত্ৰীৰ খিতাপ। এই ছেগতে এই প্ৰতিবেদনৰ জৰিয়তে পুৰস্কাৰ লাভ কৰি মহাবিদ্যালয়ৰ হৈ গৌৰৱ কঢ়িয়াই অনা প্ৰত্যেকগৰাকীৰ লগতে মাণ্ডলিকৰ লগতে মূল যুৱ মহোৎসৱত অংশগ্ৰহণকাৰী সকলোকে জনাইছো আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা। তেওঁলোকৰ সহায় সহযোগ আৰু অংশগ্ৰহণ অবিহনে মহাবিদ্যালয়ৰ কাম আৰু অংশগ্ৰহণ, সফলতা অসম্পূৰ্ণ আছিল।

মহাবিদ্যালয়ৰ বিভিন্ন অনুষ্ঠান, প্ৰতিযোগিতা, পালন কৰা দিৱস ইত্যাদিত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা আছিল উল্লেখনীয়। অঞ্চল, জিলা তথা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সাহিত্যৰ বিভিন্ন প্ৰতিযোগিতা সমূহত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ আৰু সফলতাই মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছে।

সাহিত্য আৰু আলোচনী সম্পাদক হিচাপে মহাবিদ্যালয়ৰ যিখন বাৰ্ষিক আলোচনী সেই আলোচনীখনৰ সম্পাদনা কৰিবলৈ পোৱাত মই নথৈ আনন্দিত আৰু গৌৰৱ অনুভৱ কৰিছো। ইতিমধ্যে কিছু কিছু ক্ষেত্ৰৰ বিজুতিৰ হেতুকে আলোচনীৰ প্ৰকাশ পলম হৈছে যদিও আমাৰ হাতত আহি পৰা সকলো লিখনি ইত্যাদিৰ দ্বাৰা মহাবিদ্যালয়ত যে প্ৰতিভাৰ অভাৱ নাই সেই বিষয়ে উমান পোৱা গৈছে। যদিওবা পূৰ্বৰ তুলনাত কিছু কিছু ক্ষেত্ৰত আগৰ দৰে সাহিত্যৰ জখলাডাল উন্নতিৰ ক্ষেত্ৰত বা আগবাঢ়ি যোৱা আৰু আগবঢ়াই নিয়াৰ ক্ষেত্ৰত আমি কিছু পৰিৱৰ্তন দেখা পাওঁ তথাপিও মহাবিদ্যালয়ৰ আলোচনীখনক এক নতুন ৰূপ দিবলৈ মোৰ লগতে আমি সম্পাদনা সমিতিয়ে নিশ্চয় চেষ্টা কৰিম। সদৌ শেষত মোৰ এই চমু কাৰ্যকালত মোৰ তত্ত্বাৱধায়ক শ্ৰদ্ধাৰ ড° আঙ্গিৰস ছাৰৰ লগতে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, মোৰ বিভাগটি, প্ৰাচীৰ পত্ৰিকাৰ পৰা আৰম্ভ কৰি আলোচনীলৈকে যিসকলে লিখনি দি সহায় কৰিছে, দিহা-পৰামৰ্শ আগবঢ়াই দিছে, ভুল শুধৰাই দিয়া, কাম কৰাৰ ক্ষেত্ৰত বিভিন্ন ধৰণে সহায়-সহযোগিতা আগবঢ়োৱা প্ৰত্যেকগৰাকী ব্যক্তি, মা-দেউতা, বন্ধু-বান্ধৱী, পৰামৰ্শদাতা, শিক্ষাগুৰু, পৰিয়াল, শুভাকাংক্ষী সকলোকে অশেষ ধন্যবাদ আৰু সকলোৰে ওচৰত মই চিৰকৃতজ্ঞ। মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা (২০২১-২২ বৰ্ষ) ৰ এই চমু সাহিত্য আৰু আলোচনী সম্পাদকৰ কাৰ্যকালত কৰণীয়খিনি কৰোঁতে ভুল হোৱাটো অথবা থকাটো স্বাভাৱিক। সেয়েহে, নিজৰ বুলি জ্ঞাত অথবা অজ্ঞাতে হোৱা ভুলৰ অথবা সমূহ দোষ-ত্ৰুটিৰ বাবে আপোনাসৱে মাৰ্জনা কৰি দিব বুলি মই আশাবাদী। মঙলদৈ মহাবিদ্যালয়ৰ সাহিত্য আৰু আলোচনী বিভাগৰ লগতে মহাবিদ্যালয়ৰ সকলো বিভাগ তথা সকলো দিশতে উন্নতি কামনা কৰি মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰী সকলৰ সকলো দিশতে অংশগ্ৰহণ আৰু সফলতাৰে মঙলদৈ মহাবিদ্যালয়ৰ নাম আৰু ছবি জগতত জিলিকি থাকক। মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীখনে নতুন বাৰ্তা বোৱাই চিৰদিন বৈ থাকক, জীয়াই থাকক তাৰেই কামনাৰে...।

শেষত, মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা ২০২১-২২ বৰ্ষৰ উদ্যোগত অনুষ্ঠিত মহাবিদ্যালয় সপ্তাহৰ সাহিত্য আৰু আলোচনী বিভাগৰ দ্বাৰা অনুষ্ঠিত প্ৰতিযোগিতাৰ সমূহ ফলাফল তলত উল্লেখ কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**মহাবিদ্যালয় সপ্তাহ-২০২২**

**সাহিত্য আৰু আলোচনী বিভাগৰ ফলাফল ঃ**

**১। নিৰ্বাচিত অসমীয়া কবিতা আবৃত্তি প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ বিনোদিনী গাৰ্গ, ষষ্ঠ ষান্মাসিক, সংস্কৃত বিভাগ

দ্বিতীয় স্থান ঃ (যুটীয়াভাৱে)

১। ববিতা ডেকা (চতুৰ্থ ষাণ্মাসিক, দৰ্শন বিভাগ)

২। দেৱাশীষ ৰাজকুমাৰ

(চতুৰ্থ ষাণ্মাসিক, ভূগোল বিজ্ঞান বিভাগ)

তৃতীয় স্থান ঃ সংগীতা বসুমতাৰী

(স্নাতকোত্তৰ দ্বিতীয় ষাণ্মাসিক, অসমীয়া বিভাগ)

**২। নিৰ্বাচিত ইংৰাজী কবিতা আবৃত্তি প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ প্ৰিয়ংকা শৰ্মা (দ্বিতীয় ষাণ্মাসিক, গণিত বিভাগ)

দ্বিতীয় স্থান ঃ আৰ্লি শৰ্মা (চতুৰ্থ ষাণ্মাসিক, ইংৰাজী বিভাগ)

তৃতীয় স্থান ঃ পঞ্চমী সৰকাৰ

(দ্বিতীয় ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ)

**৩। স্ব-ৰচিত অসমীয়া কবিতা আবৃত্তি প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ দীপশিখা দেৱী

(চতুৰ্থ ষাণ্মাসিক, অৰ্থনীতি বিভাগ)

দ্বিতীয় স্থান ঃ (যুটীয়াভাৱে)

১। বিনোদিনী গাৰ্গ (ষষ্ঠ ষাণ্মাসিক, সংস্কৃত বিভাগ)

২। গুনেন্দ্ৰ মেধি (চতুৰ্থ ষাণ্মাসিক, শিক্ষা বিভাগ)

তৃতীয় স্থান ঃ হীৰামণি নাথ

(দ্বিতীয় ষাণ্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ)

**৩। চিত্ৰাংকণ প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ আৰফিনা বেগম (ষষ্ঠ ষাণ্মাসিক, শিক্ষা বিভাগ)

দ্বিতীয় স্থান ঃ অনিন্দিতা ডেকা

(দ্বিতীয় ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ)

তৃতীয় স্থান ঃ জিৎ বৰুৱা

(দ্বিতীয় ষাণ্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ)

**৪। বেটুপাত অংকন প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ প্ৰিয়ংকা তালুকদাৰ (ষষ্ঠ ষাণ্মাসিক)

দ্বিতীয় স্থান ঃ জিৎ বৰুৱা

(দ্বিতীয় ষাণ্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ)

তৃতীয় স্থান ঃ আৰফিনা বেগম (ষষ্ঠ ষাণ্মাসিক, শিক্ষা বিভাগ)

**৫। নীলা খামৰ চিঠি প্ৰতিযোগিতা ঃ**
প্ৰথম স্থান ঃ দীপাঙ্কৰ ওজা
(ষষ্ঠ ষাণ্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ)
দ্বিতীয় স্থান ঃ (যুটীয়াভাৱে)
১। চুমি ডেকা (স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ)
২। লিজু ৰাজবংশী (ষষ্ঠ ষাণ্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ)
তৃতীয় স্থান ঃ বিনোদিনী গাৰ্গ (ষষ্ঠ ষাণ্মাসিক, সংস্কৃত বিভাগ)
**৬। কুইজ প্ৰতিযোগিতা ঃ**
প্ৰথম স্থান ঃ চুমন ডেকা, শ্যামলাল সৰকাৰ
(দ্বিতীয় ষাণ্মাসিক, ভূগোল বিজ্ঞান বিভাগ)
দ্বিতীয় স্থান লিজু ৰাজবংশী, সুব্ৰত বিশ্বাস
(ষষ্ঠ ষাণ্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ)
তৃতীয় স্থান ঃ গগন জ্যোতি নাথ, মুবিনা আখতাৰ
(ষষ্ঠ ষাণ্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ)

*‘মহাজীৱনৰ, মহাসাধনাৰ আশাৰ গজালি তুমি*
*জ্ঞান গৰিমাৰ, ধ্যান ধাৰণাৰ মহান পুণ্যভূমি”*
*“জয়তু মঙলদৈ মহাবিদ্যালয়।”*

**দেৱাশীষ ৰাজকুমাৰ**
সম্পাদক
সাহিত্য আৰু আলোচনী বিভাগ



## সাংস্কৃতিক আৰু চাৰু-কলা বিভাগৰ
# সম্পাদকৰ প্ৰতিবেদন

*“মহাজীৱনৰ মহাসাধনাৰ*
*আশাৰ গজালি তুমি*
*জ্ঞান গৰিমাৰ ধ্যান-ধাৰণাৰ*
*মহান পুণ্যভূমি”*

মঙলদৈ মহাবিদ্যালয়ৰ মহাবিদ্যালয় সংগীতেৰে মই মোৰ প্ৰতিবেদনৰ আৰম্ভ কৰিবলৈ ওলাইছোঁ। প্ৰতিবেদনৰ আৰম্ভণিতেই মই শ্ৰদ্ধাৰে সোঁৱৰিছো সেইসকল মহান ব্যক্তিক যাৰ কঠোৰ পৰিশ্ৰম, একাগ্ৰতা, আত্মবলিদান আৰু আশাশুধীয়া প্ৰচেষ্টাৰ বলত এই জ্ঞানৰ মন্দিৰখনি প্ৰতিষ্ঠা হৈছিল।

বৰলুইতৰ উত্তৰ পাৰে প্ৰতিষ্ঠিত মঙলদৈ মহাবিদ্যালয় অসমৰ শিক্ষাৰ দিশত এখনি আগশাৰীৰ মহাবিদ্যালয়। পূৰ্বৰে পৰা শিক্ষাৰ লগতে এই মহাবিদ্যালয়ে সাংস্কৃতিক দিশতো যথেষ্ট আগবাঢ়ি আহিছে। মহাবিদ্যালয় এখনি আগবাঢ়ি যাবলৈ হ'লে শিক্ষাৰ লগতে সাহিত্য, সাংস্কৃতিক, চাৰুকলা সকলো দিশকেই সমানেই আগবঢ়াই লৈ যোৱাৰ প্ৰয়োজন আছে। সেই মহাবিদ্যালয় এখনৰ সাংস্কৃতিক দিশটোত প্ৰতিনিধিত্ব কৰিবলৈ মই মাথোঁ নগণ্য। তথাপিও মহাবিদ্যালয়ৰ পৰিয়ালে মোক এই বৃহৎ দিশটোক কিঞ্চিত হ'লেও আগবঢ়াই লৈ যাবলৈ যি সুবিধা কৰি দিলে, যি বাট প্ৰদান কৰিলে তাৰ বাবে সকলোকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। মোৰ অতি চমু কাৰ্যকালত কিছু হ'লেও চেষ্টা কৰিছিলোঁ মহাবিদ্যালয়ৰ সুপ্ত প্ৰতিভাক উলিয়াই আনিবলৈ।

২০২২ চনৰ ২৮ ফেব্ৰুৱাৰী তাৰিখে দায়িত্বভাৰ লৈয়েই ৮ মাৰ্চ, আন্তৰ্জাতিক নাৰী দিৱসৰ লগত সংগতি ৰাখি ‘নাৰী সৱলীকৰণ’ক বিষয়বস্তু হিচাপে লৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত কৰিছিলোঁ এখন আন্তঃ মঙলদৈ মহাবিদ্যালয় ফটোগ্ৰাফী প্ৰতিযোগিতা। উক্ত প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ আছিল লেখত ল'বলগীয়া। উক্ত প্ৰতিযোগিতাৰ ফলাফল আছিল এনেধৰণৰ-

১। দেবলীনা ডেকা, দ্বিতীয় ষাণ্মাসিক, অসমীয়া বিভাগ।
২। চিন্ময়ী বৰুৱা, চতুৰ্থ ষাণ্মসিক, পদাৰ্থ বিজ্ঞান বিভাগ।
৩। জয়শ্ৰী সুৰ, দ্বিতীয় ষাণ্মসিক।

আমাৰ কাৰ্যকালতেই যোৱা মাৰ্চৰ ১৬ তাৰিখে ‘বৰযুগ’ শীৰ্ষক অসমীয়া বোলছবিখনৰ পৰিয়াল মঙলদৈ মহাবিদ্যালয়ত প্ৰচাৰৰ উদ্দেশ্যে আহে। ইয়াৰ উপৰিও ২০ এপ্ৰিল তাৰিখে আন এখনি অসমীয়া বোলছবি ‘গংগা এখনি বোৱঁতী নৈ’ প্ৰচাৰৰ বাবে মহাবিদ্যালয় প্ৰাংগণত বোলছবিখনিৰ অভিনেতা ৰাগ ঐনিতম, যোগেশ কাশ্যপ, অভিনেত্ৰী প্ৰস্তুতি পৰাশৰ আহি উপস্থিত হৈ বোলছবিৰ প্ৰচাৰ কৰে।

লগতে ব'হাগ মাহত ২১ এপ্ৰিল তাৰিখে মঙলদৈ মহাবিদ্যালয়ৰ ইতিসাহত প্ৰথমবাৰৰ বাবে মহাবিদ্যালয় প্ৰাংগণত মুকলিকৈ ব'হাগৰ এদিন উদযাপন কৰা হয়। বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ তথা উপস্থিতিয়ে অনুষ্ঠানটি সফল হোৱাত সহায় কৰে। শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়ে উদ্বোধন কৰা অনুষ্ঠানটিত IQAC ৰ Co-Ordinator পৰেশ শৰ্মা মহোদয়ে আদৰণী ভাষণ প্ৰদান কৰে। অনুষ্ঠানটি পৰিচালনা কৰে

সাহিত্য আৰু আলোচনী সম্পাদক দেৱাশীষ ৰাজকুমাৰে। উক্ত অনুষ্ঠানত অসমৰ জনপ্ৰিয় নৃত্য শিল্পী ভানু ডেকা চহৰীয়া উপস্থিত লগতে তেখেতৰ দ্বাৰা পৰিচালিত লোককৃষ্টিৰ দলে নৃত্য প্ৰদৰ্শন কৰে।

